ভ্ৰাম্যমাণ থিয়েটাৰৰ

প্ৰথম খণ্ড

প্ৰথম খণ্ড

ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাস

কিশোৰ কুমাৰ কলিতা

Shot on realme 3
By The Gorakha

ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাস

প্ৰথম খণ্ড

লেখক-সংকলক
কিশোৰ কুমাৰ কলিতা

792
KAL/B
RS

সদৌ অসম ভ্ৰাম্যমাণ থিয়েটাৰ প্ৰযোজক সংস্থা

hot on realme 3
y The Gorakha

সদৌ অসম ভ্ৰাম্যমাণ থিয়েটাৰ প্ৰযোজক সংস্থাৰ একাষাৰ

সদৌ অসম ভ্ৰাম্যমাণ থিয়েটাৰ প্ৰযোজক সংস্থা গঠন কৰা হৈছিল এই শিল্পকলাটোৰ সৈতে জড়িত প্ৰযোজকসকলক এক সাংগঠনিক পৰিবৃত্তৰ মাজত একত্ৰিত কৰাৰ মানসেৰে। আমাৰ এই প্ৰচেষ্টা সামান্য পৰিমাণে সফল হৈছে যদিও ভ্ৰাম্যমাণ থিয়েটাৰক এক সংগঠিত ৰূপ দিয়াৰ ক্ষেত্ৰত আমি এতিয়াও আশানুৰূপভাৱে সফলতা লাভ কৰিব পৰা নাই। ইতিমধ্যে আমাৰ প্ৰচেষ্টাত অসম চৰকাৰে ভ্ৰাম্যমাণৰ কিছুমান নীতি-নিৰ্দেশনা প্ৰস্তুত কৰি উলিয়াইছে আৰু এইবোৰ কাৰ্যকৰী হ'লে ভ্ৰাম্যমাণে বিধিগত ফালৰ পৰা এক নতুন মৰ্যাদা লাভ কৰিবলৈ সক্ষম হ'ব বুলি আমি বিশ্বাস কৰো। ভ্ৰাম্যমাণৰ বাবে কিছুমান আৰ্থিক সা-সুবিধা, শিল্পী তথা কাৰিকৰসকলৰ সুৰক্ষা আদি বিষয়বোৰৰ বাবে আমি সংগঠিত ৰূপত প্ৰচেষ্টা চলাইছো আৰু আমাৰ সাংগঠনিক ঐক্য আৰু সমন্বয়ৰ ওপৰত ভিত্তি কৰিহে যে এইবোৰ প্ৰচেষ্টাৰ সফলতা বা বিফলতা নিৰূপিত হ'ব সি সন্দেহাতীতভাৱে সত্য।

ভ্ৰাম্যমাণ থিয়েটাৰৰ পূৰ্ণাংগ ইতিহাস ৰচনা কৰাৰ এক কল্পনা প্ৰযোজক সংস্থাই ইয়াৰ গঠন হোৱাৰ দিনৰে পৰাই পোষণ কৰি আহিছিল। এনে কঠিন আৰু কষ্টসাধ্য কামৰ বাবে আমি দীৰ্ঘদিনীয়া প্ৰচেষ্টা লৈছিলো যদিও বিভিন্ন অসুবিধাৰ বাবে ই সফল হৈ উঠা নাছিল। অৱশেষত বহুদিনীয়া আশাৰ অন্ত পেলাই ভ্ৰাম্যমাণৰ অনুৰাগীসকলৰ হাতত ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসৰ প্ৰথম খণ্ডটি তুলি দিবলৈ পাই আমি ধন্য মানিছো। যথেষ্ট পৰিশ্ৰম আৰু কষ্টৰ দ্বাৰা শ্ৰীমান কিশোৰ কুমাৰ কলিতাই এই খণ্ডটি যুগুত কৰি দিছে। তেখেতৰ এই শ্ৰম আৰু সাধনা অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব। এইখিনিতে তেওঁলৈ আমি আন্তৰিক কৃতজ্ঞতা আৰু শুভাশীষ জনাইছো।

পৰৱৰ্তী সময়ত পৰ্যায়ক্ৰমে ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসৰ বাকী খণ্ডবোৰ প্ৰস্তুত কৰাৰ প্ৰচেষ্টা চলোৱা হ'ব। এই খণ্ডটিক পাঠকে অন্তৰেৰে আঁকোৱালি ল'লে আমি আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি অনুভৱ কৰিম।

নজৰুল ইছলাম	**ৰতন লহকৰ**	**কৃষ্ণ ৰয়**
সম্পাদক	সভাপতি	কোষাধ্যক্ষ

সদৌ অসম ভ্ৰাম্যমাণ থিয়েটাৰ প্ৰযোজক সংস্থা

পাতনি

অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত ভ্ৰাম্যমাণ থিয়েটাৰে বিগত পাঁচটা দশকত কেনেদৰে বিস্তৃতি লাভ কৰিছে তাক ভ্ৰাম্যমাণৰ খবৰ ৰখা সকলে নিশ্চয়কৈ জানে। এই সময়ছোৱাত অসমত এশতকৈও অধিকসংখ্যক ভ্ৰাম্যমাণ থিয়েটাৰ দলৰ জন্ম হয়। দুৰ্ভাগ্যৰ কথা যে এই দলবোৰৰ গৰিষ্ঠ সংখ্যকে এবছৰ বা দুবছৰৰ অধিক কাল টিকি থাকিব নোৱাৰিলে। কিছুমান দলে আকৌ এবছৰো নিজৰ নাট্য যাত্ৰা সম্পূৰ্ণ কৰিব নোৱাৰিলে। দুৰ্ভাৱনাৰ এনে এক পৰিস্থিতিৰ মাজতো কেইটিমান নাট্যদলে চল্লিশ অথবা ত্ৰিশবছৰ ধৰি নিজৰ নাট্যযাত্ৰা অব্যাহত ৰখাটো এক চমকপ্ৰদ সফলতা বুলি ক'ব পাৰি। কোনো ধৰণৰ সাংগঠনিক পুঁজি নোহোৱাকৈ, চৰকাৰী পৃষ্ঠ-পোষকতা অবিহনে কেৱল নিজৰ গাঁঠিৰ ধন ভাঙি ভ্ৰাম্যমাণৰ দৰে এক বিশাল নাট্যকৰ্ম কৰিবলৈ যোৱাটো কিমান এক কঠিন প্ৰত্যাহ্বান তাক জন্ম হোৱা নাট্যদল আৰু জীয়াই থকা নাট্যদলৰ অনুপাতৰ পৰাই অনুধাৱন কৰিব পাৰি।

দুখৰ কথা যে আৰম্ভণিৰে পৰা আজিলৈকে ভ্ৰাম্যমাণৰ নাট্য পৰম্পৰাটোক অসমৰ সাংস্কৃতিক আৰু বৌদ্ধিক জগতৰ কাণ্ডাৰীসকলে স্বীকৃতি প্ৰদান নকৰিলে। সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱাই এই পৰম্পৰাটোক 'ভ্ৰাম্যমাণ' নাম দি এক বিৰল স্বীকৃতি প্ৰদান কৰিছিল যদিও অসমৰ সংবাদ জগত আৰু সাহিত্য আলোচনীবোৰে পৰৱৰ্তী সময়ত সমগ্ৰ পৰম্পৰাটোকে উপেক্ষা কৰা পৰিলক্ষিত হ'ল। যাঠি আৰু সত্তৰ দশকত ভ্ৰাম্যমাণ দলবোৰে বিজ্ঞাপনৰ জৰিয়তে বাতৰি কাকতবোৰক বৰঙণি দিছিল অথচ এই কাকত আলোচনীবোৰত ভ্ৰাম্যমাণৰ নাটক সম্পৰ্কে তেনেই সামান্য আলোচনা হোৱাটো দৃষ্টিগোচৰ হৈছিল। অপেছাদাৰী নাট্য পৰম্পৰাবোৰক এনে সংবাদপত্ৰ আৰু আলোচনীবোৰে যথাযথ গুৰুত্ব দিয়াৰ সমান্তৰালকৈ ভ্ৰাম্যমাণৰ নাটসমূহকো সমালোচনাৰ নিৰ্দিষ্ট আওতাৰ মাজলৈ অনা হ'লে হয়তো ভ্ৰাম্যমাণে এক অনবদ্য সাংস্কৃতিক ৰূপ হিচাপত আৰু এখোপ আগবাঢ়ি যাব পাৰিলে হয় আৰু ভ্ৰাম্যমাণৰ নাটসমূহৰো এক লিখিত বিৱৰণ সঞ্চিত হৈ থাকিলেহেঁতেন। আশীৰ দশকলৈ ভ্ৰাম্যমাণক অসমৰ মূল সংবাদপত্ৰ আৰু আলোচনীবোৰে মাহী আইৰ দৃষ্টিৰে চোৱা দেখা গৈছিল। যেতিয়াই অসমীয়া সাহিত্যৰ বিশিষ্ট নাট্যকাৰ আৰু অসমীয়া চলচ্চিত্ৰ জগতৰ অভিনেতা-অভিনেত্ৰী সকল ইয়ালৈ প্ৰব্ৰজিত হৈছিল তেতিয়াহে এনে প্ৰচাৰ মাধ্যমবোৰে যৎ-সামান্য দৰদ ভ্ৰাম্যমাণৰ প্ৰতি দেখুৱাবলৈ আৰম্ভ কৰিলে। অৰ্থাৎ এক কামৰূপী নাট্য পৰম্পৰাৰ পৰা মান্য অসমীয়া নাট্য পৰম্পৰালৈ

Shot on realme 3
By The Gorakha

উন্নীত হ'বৰ বাবে ভ্ৰাম্যমাণক প্ৰায় তিনিটা দশকৰ প্ৰয়োজন হ'ল। সন্দেহ নাই যে ভ্ৰাম্যমাণৰ পৰিশীলিত বিকাশৰ বাবে এনে এক অৱজ্ঞা আৰু উপেক্ষাই আছিল আটাইতকৈ মুখ্য অন্তৰায়।

এই প্ৰকল্পটো আনুষ্ঠানিকভাৱে গ্ৰহণ কৰাৰ সময়ত আমি ক্ষেত্ৰভিত্তিক অধ্যয়ন (Field Study) আৰু বিভিন্ন মাধ্যমত সমল সংগ্ৰহ কৰি ইতিহাস ৰচনাৰ কামত আগবাঢ়িম বুলি সিদ্ধান্ত লৈছিলো যদিও পাছলৈ এই দুয়োটা পদ্ধতিত আমি ভালেমান অসুবিধাৰ মুখামুখি হ'লো। ইতিমধ্যে আমি উল্লেখ কৰিছো যে অসমৰ সৰহসংখ্যক ভ্ৰাম্যমাণ দলৰ জন্ম হৈছিল তেনেই অসংগঠিত আৰু অপৰিকল্পিত ৰূপত। সেইবোৰ দলৰ লিখিত তথ্য অথবা আন ধৰণৰ সমল যেনে পোষ্টাৰ, ফটোগ্ৰাফ আদি আমি ক্ষেত্ৰভিত্তিক অধ্যয়নৰ কালছোৱাত তেনেই সামান্য পৰিমাণত গোটাব পাৰিলো। আনহাতে বহুকেইটা দলৰ জন্ম ক'ত হৈছিল বা কেতিয়া হৈছিল তাৰ সুনিৰ্দিষ্ট তথ্য বিচাৰি উলিয়াব পৰা নগ'ল।

সমল সংগ্ৰহৰ বাবে আমি অসমৰ কেউখন বাতৰি কাকত আৰু প্ৰান্তিক আলোচনীত মুকলি বিজ্ঞাপন দিছিলো যদিও তেনেই সামান্য সংখ্যক প্ৰযোজক আৰু ভ্ৰাম্যমাণ শিল্পীৰ পৰা সঁহাৰি পাইছিলো। তাৰোপৰি অসমৰ ভালেমান থিয়েটাৰ দলৰ প্ৰযোজক শিল্পীক আমি ছপা প্ৰশ্নাৱলী প্ৰেৰণ কৰিছিলো য'ত ভ্ৰাম্যমাণৰ বিষয়ক অসংখ্য প্ৰশ্ন সন্নিবিষ্ট কৰা হৈছিল। দুৰ্ভাগ্যৰ কথা যে মাথো কেইটামান দলেহে এই প্ৰশ্নাৱলীবোৰৰ উত্তৰ প্ৰেৰণ কৰিছিল।

ক্ষেত্ৰভিত্তিক অধ্যয়নৰ সময়ত আমি যিসকল প্ৰযোজকক লগ ধৰিছিলো তাৰে কেইজনমান প্ৰযোজকে তেওঁলোকৰ প্ৰকাশিত পত্ৰিকা আদিৰে আমাক পূৰ্ণৰূপত সহায় কৰিছিল। আনহাতে বেছিভাগে এনেধৰণ পত্ৰিকা আদি প্ৰকাশ কৰি নিজ দলটিৰ ইতিহাস লিপিবদ্ধ কৰি নৰখা হেতু অথবা অভিলেখ (Archive) ৰ কোনো ব্যৱস্থা ব্যক্তিগত পৰ্যায়ত গ্ৰহণ নকৰাৰ বাবে স্মৃতিৰোমন্থনেৰে আমাক সীমিত তথ্য যোগান দিছিল। বেছিভাগে এনেধৰণে তথ্য যোগান ধৰাত বিফল হৈছিল।

তৃতীয় পৰ্যায়ত অসমৰ পুৰণি বাতৰি কাকত, আলোচনী আদিৰ পৰা আমি সমল সংগ্ৰহ কৰিবৰ প্ৰয়াস কৰিছিলো। ওপৰত উল্লেখিত অসমীয়া সংবাদপত্ৰ আৰু আলোচনীৰ ভ্ৰাম্যমাণৰ প্ৰতি থকা অৱজ্ঞাৰ বাবে পুৰণি কাকত, আলোচনী আদিতো ভ্ৰাম্যমাণ সম্পৰ্কীয় বিস্তৃত তথ্য পোৱা নাছিলো। কিছুমান কাকত আলোচনীত বিজ্ঞাপন আকাৰত ভ্ৰাম্যমাণৰ তথ্য পোৱা গৈছিল যদিও নাট, নৃত্য-নাটিকা আৰু শিল্পী আদিৰ সবিশেষ পোৱা নগৈছিল।

এনে কঠিন প্ৰত্যাহ্বানৰ মাজেৰে আমি ভ্ৰাম্যমাণৰ প্ৰথম খণ্ডটি প্ৰকাশৰ সিদ্ধান্ত লৈছিলো। ক্ষেত্ৰভিত্তিক অধ্যয়ন, ডাক-যোগে অহা সমল, মৌখিক সমল আৰু পুথিভঁৰাল কেন্দ্ৰিক সমলৰ সহায়তে এই খণ্ডটি যুগুত কৰা হৈছে। যিকেইটি নাট্যদলে আমাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই এই সময়ছোৱাত আমালৈ বুলি তথ্য প্ৰেৰণ কৰিছিল দলবোৰক এই খণ্ডটিত সন্নিবিষ্ট কৰা হৈছে। আমি অসমৰ পুৰণি দল কেইটিৰ সবিশেষ প্ৰাপ্তিৰ বাবে এক প্ৰচেষ্টা চলাইছিলো আৰু এই ক্ষেত্ৰত সামান্যতম সফলতা লাভ কৰিছিলো। এই দলবোৰৰ জীৱিত কেইজনমান প্ৰযোজকে প্ৰথম এটা বা দুটা বছৰৰ বাদে বাকী বছৰবোৰৰ তথ্য যোগান দিয়াত সম্পূৰ্ণ ব্যৰ্থ হৈছিল। পাছলৈ আমি নিজাববীয়া চেষ্টাৰে সেই তথ্যবোৰ পূৰণ কৰিবলৈ চেষ্টা কৰিছিলো।

এই খণ্ডটিত মাথো একত্ৰিশটা নাট্যদলৰ সবিশেষ দাঙি ধৰা হৈছে। পৰৱৰ্তী সময়ত পৰ্যায়ক্ৰমে উলিওৱা খণ্ডবোৰত বাকী ভ্ৰাম্যমাণ দলবোৰৰ তথ্য প্ৰকাশ কৰা হ'ব। মাথো এই ক্ষেত্ৰত এই খণ্ডত বাদ পৰি যোৱা দলবোৰৰ প্ৰযোজক সকলৰ তৎপৰতা আশা ৰাখিলো।

সীমিত অৰ্থৰ সহায়ত প্ৰস্তুত কৰা ভ্ৰাম্যমাণ থিয়েটাৰ ইতিহাসৰ এই প্ৰথম খণ্ডটিক আমি পৰিপূৰ্ণ আৰু সৰ্বাংগৰূপৰ ইতিহাস বুলি ক'ব খোজা নাই। বৰঞ্চ এই খণ্ডটিত অনিচ্ছাকৃত বহু ভুল-ভ্ৰান্তি থাকিব পাৰে। পৰৱৰ্তী সময়ত এই ভুল-ভ্ৰান্তিসমূহৰ সংশোধনী ঘটাই বিজ্ঞানসন্মতভাৱে এখন পূৰ্ণ পৰ্যায়ৰ ইতিহাস ৰচনা কৰিব পৰাৰ থল আছে। ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাস ৰচনা কৰাৰ ক্ষেত্ৰত এই গ্ৰন্থখনক আমি এক প্ৰাথমিক পদক্ষেপ বুলিহে বিবেচনা কৰিছোঁ।

গ্ৰন্থখন প্ৰস্তুতিৰ ক্ষেত্ৰত বিভিন্ন সমল, বাতৰি কাকত, আলোচনী, গ্ৰন্থ আদিৰ সহায় লোৱা হৈছিল। অতুল মজুমদাৰৰ দ্বাৰা ৰচিত 'এই যাত্ৰা জয় যাত্ৰা' গ্ৰন্থখনি এই ক্ষেত্ৰত এক উল্লেখযোগ্য সাংস্কৃতিক সমল আছিল। এনে এখন মহামূল্যবান গ্ৰন্থৰ বাবে অতুল মজুমদাৰলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জনালো। শেষত সদৌ অসম ভ্ৰাম্যমাণ থিয়েটাৰ প্ৰযোজক সন্থাই এই গ্ৰন্থখন ৰচনা কৰাৰ বাবে উপযুক্ত বুলি বিবেচনা কৰাৰ বাবে আমি সংস্থালৈ আন্তৰিক কৃতজ্ঞতা জনাইছো।

কিশোৰ কুমাৰ কলিতা
৩০/০১/২০১১

Shot on realme 3
By The Gorakhai

সূচীপত্ৰ

ভ্ৰাম্যমাণ থিয়েটাৰ ঃ ঐতিহাসিক পটভূমি/১৩
নটৰাজ থিয়েটাৰ/২৫
সুৰদেৱী থিয়েটাৰ/৪৪
পূৰ্বজ্যোতি থিয়েটাৰ/৫২
মঞ্চৰূপা থিয়েটাৰ/৫৭
অসম ষ্টাৰ থিয়েটাৰ/৫৯
ৰূপকোঁৱৰ থিয়েটাৰ/৬৩
মকুন্দ থিয়েটাৰ/৬৬
থিয়েটাৰ ভাগ্যদেৱী/৭১
কহিনুৰ থিয়েটাৰ/৮৩
'পাপৰি' নাট্য সমাজ/১১৪
ৰাধিকাদেৱী থিয়েটাৰ/১১৫
মুন থিয়েটাৰ/১১৭
লখিমী থিয়েটাৰ/১১৮
কল্পনা মহিলা থিয়েটাৰ/১২০
আৰাধনা থিয়েটাৰ/১২১
মা-লক্ষ্মী থিয়েটাৰ/১২৮
ৰূপালীম থিয়েটাৰ/১৩০
চিত্ৰলেখা থিয়েটাৰ/১৩৩

Shot on realme 3
By The Gorakha

অপ্‌সৰা থিয়েটাৰ/১৩৬
আবাহন থিয়েটাৰ/১৩৮
অনির্বাণ থিয়েটাৰ/১৫৮
ইন্দ্রধনু থিয়েটাৰ/১৬০
সূৰুয থিয়েটাৰ/১৬২
হেঙুল থিয়েটাৰ/১৬৫
দেৱদাসী থিয়েটাৰ/১৭৫
নটসূর্য বিষ্ণুজ্যোতি থিয়েটাৰ/১৭৬
জয় জোৱান জয় কিষাণ থিয়েটাৰ/১৭৯
অমলতৰা থিয়েটাৰ/১৮১
বৰদৈচিলা থিয়েটাৰ/১৮২
থিয়েটাৰ মা জোনাকী/১৮৫
কাৰেংঘৰ থিয়েটাৰ/১৮৯
শিল্পীৰ পৃথিৱীত এভুমুকি/বিষ্ণু প্ৰসাদ ৰাভা/১৯১
সাক্ষাৎকাৰত ভূপেন হাজৰিকা/১৯৪
ভ্ৰাম্যমাণ থিয়েটাৰ/অচ্যুত লহকৰ/১৯৭
প্ৰশংসনীয় প্ৰচেষ্টা/১৯৯
ভ্ৰাম্যমাণ বনাম হেণ্ডিমেন/মহেন্দ্ৰ বৰঠাকুৰ/২০৫
বাইদেউ, এইফালে আহক, মাথা মাৰক/গৰিমা হাজৰিকা/২১০
নটৰাজ ঃ ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক অচ্যুত লহকৰৰ সৈতে সাক্ষাৎকাৰ/২১৪
আলোকচিত্ৰত ভ্ৰাম্যমাণ/২৩৩
আশীৰ্বাদ থিয়েটাৰ/১৯০(ক)

ভ্ৰাম্যমাণ থিয়েটাৰ ঃ ঐতিহাসিক পটভূমি

ষাঠিৰ দশকত অসমৰ এখন মফচলীয় চহৰ পাঠশালাত জন্মগ্ৰহণ কৰা ভ্ৰাম্যমাণ থিয়েটাৰ নামৰ অসমীয়া নাট্য পৰম্পৰাটোৱে ইয়াৰ যাত্ৰাৰ সুদীৰ্ঘ ৪৭ টা বছৰ অতিক্ৰম কৰিলে। ১৯৬৩ চনত পাঠশালাত অচ্যুত লহকৰ আৰু সদা লহকৰৰ প্ৰযোজনাত গঢ়ি উঠা নটৰাজ থিয়েটাৰে অসমীয়া নাট্য পৰম্পৰাত এনে এটি বাট প্ৰশস্ত কৰিলে যি বাটেৰে অসমৰ নাট্য-সংস্কৃতিয়ে সফলতাৰে দীৰ্ঘকালীন সময় অতিক্ৰম কৰিলে। পূৰ্বজসকলৰ প্ৰজ্ঞা আৰু নিজস্ব উদ্ভাৱনী শিল্পীসত্তাৰে লহকৰ ভাতৃদ্বয়ে নটৰাজৰ জন্ম দি অসমৰ সাংস্কৃতিক অৰ্থনীতিৰ ভেটিও টনকিয়াল কৰিলে। কেৱল ভাৰতীয় প্ৰেক্ষাপটতে নহয়, সমগ্ৰ বিশ্বতে বিৰল বুলি স্বীকৃত ভ্ৰাম্যমাণ থিয়েটাৰে কেৱল অসমীয়া সংস্কৃতিকে সমৃদ্ধ কৰা নাই, লগতে অসমৰ সাংস্কৃতিক অৰ্থনীতিৰ এক শক্তিশালী ভিত্তি হৈ পৰিছে। অসমৰ পৰিৱেশ্য শিল্পীসকলৰ বাবে তথা বিভিন্ন কলা-কুশলীৰ বাবে সুদীৰ্ঘদিন ধৰি সংস্থাপনৰ ব্যৱস্থা কৰি অহাই নহয় লগতে নাটক প্ৰদৰ্শনৰ জৰিয়তে বিভিন্ন ধৰণৰ শৈক্ষিক-সামাজিক সংস্থা গঢ়াৰ অভূতপূৰ্ব পৰম্পৰাও ৰচিছে একমাত্ৰ ভ্ৰাম্যমাণ থিয়েটাৰে। আপামৰ ৰাইজৰ অতি মৰমৰ এই ভ্ৰাম্যমাণ থিয়েটাৰসমূহে নাট্যকলাৰ বিকাশ, মনোৰঞ্জন সৃষ্টি তথা প্ৰতিষ্ঠান গঢ়াৰ লগতে জনসাধাৰণৰ মানসিক ভাবাবেগ, সামাজিক আশা-আকাংক্ষা, দুখ-সুখ, আশা-প্ৰত্যাশা আদিকো নাটকত প্ৰোথিত কৰিছে। ইমান জনমুখী চৰিত্ৰৰ ভ্ৰাম্যমাণৰ নাটকত নন্দনতত্ত্বৰ সূত্ৰসমূহ যথাযথভাৱে প্ৰতিফলিত নোহোৱাৰ বাবে বিভিন্ন সময়ত সমালোচক সকলে ভ্ৰাম্যমাণৰ মঞ্চক বিভিন্ন তীৰ্যক বাণেৰে থকা-সৰকা কৰিছে যদিও ভ্ৰাম্যমাণৰ মঞ্চতে বিগত সময়ছোৱাত পৰিৱেশন কৰা হৈছে ধ্ৰুপদী নাটৰ অনন্য সম্ভাৰ তথা অসমীয়া নাট্যকাৰৰ পৰীক্ষামূলক সৃষ্টিসমূহ। বৰ্তমান সময়ত অসমত ভ্ৰাম্যমাণ থিয়েটাৰ দলৰ সংখ্যা অস্বাভাৱিক হাৰত বৃদ্ধি পাব ধৰিছে। প্ৰশ্ন তথা শংকাৰ উদ্ৰেক হৈছে— নাট্যদল সৃষ্টিত ক'লা-টকাৰ পয়োভৰ ঘটাকলৈ। একেদৰে অত্যাধিক ব্যৱসায়িক দৃষ্টিভংগী, মুনাফা লাভৰ দুৰ্বাদল প্ৰতিযোগিতা আদিয়েও ভ্ৰাম্যমাণৰ পৰম্পৰাগত মানটিক অৱনমিত কৰা বুলি ক্ৰমে সন্দেহ প্ৰকাশ কৰিছে। এনে এক সন্ধিক্ষণত অসমীয়া নাট পৰম্পৰাৰ ঐতিহাসিক গতিপথৰ যিটো ক্ষণত ভ্ৰাম্যমাণৰ জন্ম হ'ল তাৰ এক চমু বৃত্তান্ত পাঠকৰ আগত দাঙি ধৰাটো আমি উচিত বুলি বিবেচনা কৰিছো।

শংকৰী যুগৰ পৰা যাত্ৰাভিনয়লৈ ঃ অসমৰ জাতীয় জীৱনৰ প্ৰাণস্বৰূপ শংকৰদেৱৰ সময়ৰে পৰা অসমত পূৰ্ণাংগ নাটৰ প্ৰচলন থকাৰ কথা জানিব পৰা যায় যদিও তাৰ বহু

t on realme 3
The Gorakha

আগৰে পৰা এই ভৌগোলিক অঞ্চলটিত লোকনাট্য পৰম্পৰাই অতি শক্তিশালী ৰূপ লৈছিল। ওজাপালি, ঢুলীয়া, পুতলা নাচ, পচতি, নাম ভাওনা, চড়ক পূজাৰ গীত আদি পৰিবেশ্য অনুষ্ঠানবোৰ প্ৰাক শংকৰী কালৰ পৰা জনসাধাৰণৰ মাজত সমাদৃত আছিল। মহাপুৰুষ শংকৰদেৱে নাট পৰিবেশনৰ ক্ষেত্ৰত সংস্কৃত নাটকৰ সমল গ্ৰহণ কৰাৰ লগতে এনে পৰম্পৰাগত শিল্পবোৰৰ বিভিন্ন উপাদান তেখেতৰ নাটত সন্নিৱিষ্ট কৰিছিল।

শ্ৰীমন্ত শংকৰদেৱৰ নাট্যাভিনয়ৰ মূল উদ্দেশ্য আছিল পৰিবেশ্য শিল্পৰ জৰিয়তে মানুহক আকৰ্ষণ কৰি তেওঁলোকৰ মাজত ধৰ্মপ্ৰচাৰ কৰা। মনোৰঞ্জনৰ জৰিয়তে সাধাৰণ লোকৰ আগত ধৰ্মৰ তত্ত্ব আৰু ঈশ্বৰৰ স্বৰূপ তুলি ধৰি ভক্তপ্ৰাণক ভক্তিৰ ৰসেৰে মুগ্ধ কৰাই আছিল গুৰুজনাৰ মূল উদ্দেশ্য। নৃত্য-গীত আৰু অভিনয়ৰ সু-সমন্বয়েৰে গঢ়ি তোলা এই প্ৰচেষ্টাই অসমৰ বিভিন্ন ঠাইত স্থাপন কৰা সত্ৰবোৰৰ জৰিয়তে প্ৰসাৰ লাভ কৰিছিল। প্ৰকৃততে শংকৰদেৱ সৃষ্ট 'চিহ্নযাত্ৰা' নাটখনে আছিল প্ৰথম অসমীয়া নাটক আৰু এই নাটকৰ অভিনয়ে আছিল প্ৰথম অসমীয়া নাট্যাভিনয়। গুৰুচৰিতৰ বৰ্ণনা অনুসৰি নাটখনত সাত বৈকুণ্ঠৰ সাতজন বিষ্ণুক পাৰিষদসহ দেখুওৱা হৈছে আৰু গুৰুজনাই সতীৰ্থসহ নাটখনৰ অভিনয়ত অংশ লৈছিল। 'চিহ্নযাত্ৰা'ৰ নাট্যাভিনয়ৰ বাবে তুলাপাতত সাত বৈকুণ্ঠৰ চিত্ৰৰে পট অঁকা হৈছিল। কপিলীমুখৰ কুমাৰৰ দ্বাৰা খোল তৈয়াৰ কৰা হৈছিল আৰু নাটৰ বাবে প্ৰয়োজনীয় গীত-মাত শ্লোক আদিও ৰচনা হৈছিল। নিশাৰ ভাগত অভিনয় প্ৰদৰ্শন কৰা হৈছিল বাবে অভিনয়থলি পোহৰাবলৈ মহতা তৈয়াৰ কৰি জ্বলোৱা হৈছিল। একেদৰে বিভিন্ন চৰিত্ৰৰ বাবে মুখাৰ ব্যৱহাৰ কৰা হৈছিল। সৰ্বজয় আতৈয়ে এবাৰ গৰুড়ৰ আৰু আন এবাৰ ব্ৰহ্মাৰ চৰিত্ৰত মুখা পৰিধান কৰি অভিনয় কৰিছিল। 'চিহ্নযাত্ৰা'ৰ নাট্যাভিনয় ইমান সফল হৈছিল যে একেৰাহে সাতদিন সাতৰাতি ধৰি ইয়াৰ নাট্যাভিনয় প্ৰদৰ্শিত হৈছিল।

চিহ্নযাত্ৰাৰ সফলতাই গুৰুজনাক নাট ৰচনা কৰাৰ বাবে অনুপ্ৰেৰণা যোগাইছিল আৰু ইয়াৰ ফলতে অংকীয়া নাটকৰ জন্ম হৈছিল। শংকৰদেৱে ৰচনা কৰা অংকীয়া নাটসমূহ আছিল— 'পত্নীপ্ৰসাদ', 'কালীয় দমন', 'কেলিগোপাল', 'পাৰিজাত হৰণ', 'ৰুক্মিণী হৰণ' আৰু 'ৰামবিজয়'। এক অংকযুক্ত হোৱা বাবে পৰৱৰ্তী সময়ত এই নাটবোৰক অংকীয়া নাটক বুলি নামকৰণ কৰা হৈছিল। অৱশ্যে শংকৰদেৱে নিজে এই নাটকবোৰক যাত্ৰা, নাট বা নাটক বুলি উল্লেখ কৰিছিল। শংকৰদেৱৰ আদৰ্শকে সাৰোগত কৰি শিষ্য মাধৱদেৱেও নাট্যশিল্পৰ চৰ্চা অব্যাহত ৰাখিছিল। মাধৱদেৱে ৰচনা কৰা নাটসমূহ হ'ল— 'অৰ্জুন ভঞ্জন' 'চোৰধৰা', 'ভূমি লেটোৱা', 'পিম্পৰা গুচোৱা' আৰু 'ভোজন বিহাৰ'। চৰিত পুথিবোৰৰ পৰা জানিব পৰা যায় যে মাধৱদেৱে ভক্তসকলৰ অনুৰোধ মৰ্মে নাট্যাভিনয় আয়োজন কৰিছিল আৰু নিজে নাটত ভাও দিছিল।

নাট্যাভিনয়ৰ জৰিয়তে অসমীয়া জাতীয় জীৱন সমৃদ্ধ কৰা গুৰু দুজনাৰ এই নাট্য পৰিক্ৰমা পৰৱৰ্তী সময়তো বিভিন্ন সত্ৰবোৰে অক্ষুণ্ণ ৰাখিছিল। এই সত্ৰবোৰত গুৰুদুজনাৰ

Shot on realme 3
By The Gorakha

তিথিৰ উপৰি বিভিন্ন সময়ত সন্ত-মহন্তৰ তিথি, মহোৎসৱ, জন্মাষ্টমী, দৌলযাত্ৰা আদি অনুষ্ঠানৰ উপলক্ষতে নাট্যাভিনয় হৈছিল। তদুপৰি বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰসকলে নিজৰ সৃষ্টিশীলতাৰ নিদৰ্শন দাঙি ধৰিবলৈ নাট ৰচনা কৰি মঞ্চাভিনয় অনুষ্ঠিত কৰিছিল। সত্ৰসমূহত অভিনয় হোৱা নাট কিছুমানৰ নাম হ'ল— আউনি আটী সত্ৰৰ 'মহামোহ', 'সীতাহৰণ', 'কলঙ্কভঞ্জন', 'উদ্যোগপৰ্ব', দক্ষিণপাট সত্ৰৰ 'ৰামলীলা', 'প্ৰভাসযজ্ঞ', 'সখী সংবাদ', 'বামনভিক্ষা', গড়মূৰ সত্ৰৰ 'বলিচলন', 'প্ৰহ্লাদ চৰিত্ৰ', বৰদোৱা সত্ৰৰ 'জন্মযাত্ৰা' 'গোবৰ্দ্ধন যাত্ৰা ইত্যাদি (উৎস ঃ *মঞ্চলেখা*, অতুল চন্দ্ৰ হাজৰিকা)

অংকীয়া নাটে অসমৰ উজনি অঞ্চলত ব্যাপক প্ৰভাৱ পেলাইছিল যদিও নামনি অসমত ইয়াৰ প্ৰভাৱ আছিল তেনেই সামান্য। ওজাপালি আৰু ঢুলীয়াৰ নিচিনা প্ৰতিষ্ঠিত লোক পৰম্পৰাবোৰে নামনিৰ গ্ৰাম্য জীৱনত এনেদৰে খোপনি পুতিছিল যে ইয়াৰ ফলত অংকীয়া নাটে এইবোৰ ঠাইত মনোৰঞ্জনৰ বিকল্প হৈ উঠিব পৰা নাছিল। তদুপৰি উনৈশ শতিকাৰ সামাজিক ৰাজনৈতিক ঘটনা প্ৰবাহৰ বাবেও নামনি অসমত অংকীয়া নাটৰ সলনি বঙ্গদেশীয় যাত্ৰা পাৰ্টিবোৰহে জনপ্ৰিয় হ'ব ধৰিছিল।

বাংলা যাত্ৰাভিনয়ৰ প্ৰসাৰ আৰু অসমীয়া আধুনিক ৰঙ্গমঞ্চ ঃ ১৮২৬ খ্ৰীষ্টাব্দৰ ইয়াণ্ডাবু সন্ধিৰ পিছত অসমৰ ৰাজনৈতিক পৰিবেশটোৰ সলনি হোৱাৰ সমান্তৰালভাৱে ইয়াৰ জনগাঁথনিও ব্যাপকভাৱে সলনি হ'ব ধৰে। ঔপনিৱেশিক ব্ৰিটিছ শাসকসকলে উদ্যোগ আৰু সাম্ৰাজ্যবাদী প্ৰশাসনৰ সম্প্ৰসাৰণ কৰিবলৈ ভাৰতৰ অন্য অঞ্চলৰ পৰা সস্তীয়া বনুৱা আৰু বঙালী শিক্ষিত শ্ৰেণী এটিক অসমলৈ লৈ আনিছিল। এই লোকসকলে অসমলৈ আহি বিভিন্ন উৎসৱ-পাৰ্বনত বা কেতিয়াবা বিনোদনৰ বাবে চাহ বাগিচা আৰু চহৰাঞ্চলত বঙ্গীয় যাত্ৰাভিনয়ৰ প্ৰদৰ্শনৰ লগতে অস্থায়ী ৰংগমঞ্চ সাজি পশ্চিমীয়া নাটকৰ আৰ্হিত 'থিয়েটাৰ' পাতিছিল। সাংস্কৃতিক পৰিৱৰ্তনৰাজিৰ প্ৰতি থলুৱা মানুহখিনিৰো আকৰ্ষণ বাঢ়িছিল বাবে পাছলৈ বংগৰ পৰা পেছাদাৰী যাত্ৰা দলবোৰৰ আগমন ঘটিবলৈ ধৰিলে। বাংলাভাষী দৰ্শক আৰু থলুৱা লোকসকল এনে নাট্য পৰম্পৰাৰ প্ৰতি আকৃষ্ট হোৱা বাবে এই যাত্ৰাদলবোৰৰ বাবে এখন নতুন সাংস্কৃতিক বজাৰ মুকলি হৈছিল।

ইতিমধ্যে ঔপনিৱেশিক ব্ৰিটিছ সকলৰ জৰিয়তে ভাৰতবৰ্ষত আধুনিক ৰঙ্গমঞ্চ (Prosenium Stage) অৱধাৰণাটো গা কৰি উঠিছিল। অসমৰ ক্ষেত্ৰত স্থায়ী ৰঙ্গমঞ্চ আৰম্ভণি হোৱাৰ আগতেই আধুনিক অসমীয়া নাট্য সাহিত্যৰ আৰম্ভণি ঘটিছিল। গুণাভিৰাম বৰুৱাৰ 'ৰাম নৱমী' (১৮৫১ খ্ৰীষ্টাব্দ) নাটখনি ৰচিত হোৱাৰ পিছত ক্ৰমে হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্তন' (১৮৬১ খ্ৰীঃ) ৰমাকান্ত চৌধুৰীৰ 'সীতাহৰণ' (১৮৭০) আৰু ৰুদ্ৰৰাম বৰদলৈৰ 'বঙাল-বঙালনী' (১৮৭২ খ্ৰীঃ) আদি নাটবোৰ ৰচিত হৈছিল। আধুনিক নাটক ৰচনাৰ সমান্তৰালভাৱে ৰঙ্গমঞ্চ প্ৰতিষ্ঠা কৰাৰ এক প্ৰচেষ্টা আছিল যদিও এনে ৰঙ্গমঞ্চবোৰ স্থায়ী হোৱা নাছিল। অৱশেষত উনৈশ শতিকাৰ শেষৰ ফালে তথা বিংশ শতিকাৰ প্ৰথম

ভাগত অসমৰ বিভিন্ন প্ৰান্তত স্থায়ী ৰঙ্গমঞ্চবোৰ গঢ়ি উঠিল। ১৮৭৫ চনত গুৱাহাটীত, ১৮৯৫ ত গোলাঘাটত, ১৮৯৭ ত তেজপুৰত, ১৮৯৯ ত শিৱসাগৰত আৰু যোৰহাটত, ১৯০২ ত নগাঁৱত, ১৯০৪ ত মঙ্গলদৈত, ১৯০৫ ত বাণ থিয়েটাৰ (তেজপুৰ), ১৯১২ ত পাঠশালাত, ১৯২৭ ত নলবাৰীত, ১৯২৮ চনত নাজিৰাত, ১৯৩৪ চনত বিশ্বনাথ চাৰিআলি আদি ঠাইত স্থায়ী ৰঙ্গমঞ্চ গঢ় লৈ উঠে। এই প্ৰক্ৰিয়াৰ সমান্তৰালভাৱে অসমৰ বিভিন্ন স্থানত বহুতো নাট্যগোষ্ঠী গঢ়ি উঠিল। বাংলা যাত্ৰাৰ সম্প্ৰসাৰণ আৰু অসমীয়া নাট্যগোষ্ঠী গঢ়ি উঠা এই বিৱৰ্তনমুখী ধাৰাটোৰ মাজৰ পৰাই পৰৱৰ্তী সময়ত ভ্ৰাম্যমাণৰ বীজটোৰ অংকুৰণ ঘটিছিল।

তিথিৰাম বায়ন আৰু ব্ৰজ শৰ্মাৰ কৃতিত্ব ঃ ইতিমধ্যে উল্লেখ কৰা হৈছে যে ইয়াণ্ডাবু সন্ধিৰ পিছত নাট্যশিল্পৰ দিশত এক পৰিৱৰ্তনৰ বা বলে। বাংলা ভাষী লোকসকলৰ লগে লগে বংগীয় নাট্য পৰম্পৰা অসমলৈ প্ৰব্ৰজিত হয় আৰু অসমৰ ক্ষুদ্ৰ বৰ সকলো নগৰীতে এই বংগীয় নাটকে দৰ্শকক এক নতুন ৰস দিবলৈ আৰম্ভ কৰে।

১৮৫৭ চনত গোপাল নামৰ এগৰাকী বঙালী শিল্পী কামাখ্যালৈ আহে। নাট্যকলা আৰু সংগীতৰ পাৰদৰ্শী আছিল বাবে সকলোৱে এওঁক 'ওস্তাদ' বুলি মাতিছিল। গোপালে কামাখ্যাত এদল ভাৱৰীয়াক প্ৰশিক্ষণ দি 'জয়দ্ৰথ বধ' নাটখন অভিনয় কৰায়। শিক্ষাৰ্থীসকল আছিল— গৌৰীপ্ৰসাদ শৰ্মা, উমাকান্ত শৰ্মা, ৰাজকৃষ্ণ শৰ্মা, লক্ষ্মীনাথ শৰ্মা আদি। ১৮৭৭ চনত কামাখ্যাত এটা থিয়েটাৰ সংঘ স্থাপিত হয়। ফলত নতুনকৈ অভিনেতাৰ জন্ম হ'বলৈ ধৰে। দুৰ্ভাগ্যবশত আখৰা গৃহত জুই লাগি গোপালৰ মৃত্যু হয় বাবে এই সংঘও এসময়ত ভাগি পৰে।

গোপাল ওস্তাদে বাঙালী নাট পৰিবেশন কৰাৰ প্ৰায় পোন্ধৰ বছৰ আগতে বৰপেটাত ১৮৬০ চন মানত তিথিৰাম বায়ন নামৰ এজন নৃত্য-নাট্য বিশাৰদে প্ৰথম অসমীয়া কলা-কুশলীৰে গঠিত যাত্ৰাদল এটি গঠন কৰি অসমৰ উজনি-নামনি আদি সকলোতে যাত্ৰাভিনয় কৰি ফুৰিছিল। তেওঁৰ নাটকেইখন আছিল— 'দুৰ্যোধনৰ উৰুভংগ' 'ৰাম বনবাস' আৰু 'ৰাধিকাৰ মান ভঞ্জন'। প্ৰথমখন নাট আছিল বাঙালী নাট্যকাৰৰ আৰু শেষৰ দুখন আছিল অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰসন্নলাল চৌধুৰীৰ ককাদেউতাক গোবিন্দৰাম চৌধুৰীৰ। প্ৰায় আঠ বছৰ কাল উজনি-নামনিত যাত্ৰাভিনয় কৰা তিথিৰাম বায়নৰ যাত্ৰাদলটো আছিল অসমৰ প্ৰথম ব্যৱসায়িক নাট্যদল। বাঙালী যাত্ৰাপাৰ্টীৰ আধিপত্য খৰ্ব কৰাৰ এই প্ৰচেষ্টা বৰ বেছি দিনলৈ সবল হৈ নাথাকিল যদিও অসমৰ বিভিন্ন ঠাইত ছেগা-চোৰোকাকৈ ই চলি থাকিল।

১৮৬০-৮৫ চনত কামৰূপ জিলাৰ মুৰকুছি গাঁৱত জয়দেৱ শৰ্মাৰ প্ৰচেষ্টাত এটি যাত্ৰাদল গঢ়ি উঠে। এই দলৰ শিল্পীসকল থলুৱা আছিল যদিও নাটবোৰ ৰচনা কৰা হৈছিল বাংলা ভাষাত। ১৮৬০ ৰ পৰা ১৯৩০ চন পৰ্যন্ত কামৰূপ আৰু গোৱালপাৰা জিলাক কেন্দ্ৰ কৰি

Shot on realme 3
The Gorakha

অসংখ্য যাত্ৰাদল গঢ়ি উঠিছিল। বৰপেটাত অম্বিকাগিৰি ৰায়চৌধুৰীয়ে গঠন কৰিছিল 'সনাতন সংগীত সমাজ', মৰোৱাত অৰুণ বৈশ্যই 'শংকৰদেৱ অৰুণ নাট্য সমিতি' নামৰ এটি দল গঠন কৰিছিল আৰু এই দলটিক উৰো বায়নৰ পাৰ্টী বুলি জনা গৈছিল। ১৮৮৮ চনত পাঠশালাৰ নিকটৱৰ্তী ভালুকীত ভোগীৰাম কাকতিয়ে 'ভালুকী যাত্ৰাদল' গঠন কৰে আৰু দলটিয়ে 'সুৰথ উদ্ধাৰ' 'পৰশুৰামৰ মাতৃহত্যা', 'গঢ়াগুৰৰ হৰিসাধন' আদি বাংলা নাটক মঞ্চস্থ কৰিছিল। ১৯০৮ চনত বজালীৰ বামুণকুছি গাঁৱৰ কৃষ্ণকান্ত শৰ্মাই 'বামুণকুছি যাত্ৰাদল' গঢ়ি তোলে। ১৯১০ চনত ভালুকীত ভদিৰাম কলিতাৰ এটি যাত্ৰাদল আৰু ১৯১৬ চনত হেলনাত 'হেলনা যাত্ৰাদল' গঢ়ি উঠে। হেলনা যাত্ৰাদলে মঞ্চস্থ কৰা নাটকেইখন হ'ল— 'প্ৰবীৰ পতন' 'কংসবধ', 'অজামিলৰ বৈকুণ্ঠ লাভ', 'সংসাৰ চক্ৰ' আদি।

১৯১০ চনত পাঠশালাত নাট্যকাৰ অভিনেতা সন্তৰাম চৌধুৰীয়ে 'পাঠশালা থিয়েটাৰ পাৰ্টি' নামৰ এটি যাত্ৰা দল গঠন কৰে। এই দলটিয়ে অসমীয়া ভাষাত নাট্যাভিনয় কৰিছিল। ১৯২৩ চনত এই যাত্ৰাদলটিৰ নাম সলনি হৈ 'পাঠশালা নাট্যসমিতি' হয়গৈ। এই দলটিয়ে কঢ়িয়াব পৰা মঞ্চ আৰু মঞ্চাভিনয়ৰ সা-সঁজুলিসহ গৰুগাড়ীৰে বয়বস্তু কঢ়িয়াই কামৰূপৰ ভালেমান ঠাইত নাট্যাভিনয় কৰি ফুৰিছিল।

যাত্ৰাদলৰ এই বিক্ষিপ্ত যাত্ৰাৰ সময়তে অসমীয়া নাট্য জগতখনক অভিনয়াচাৰ্য বিপ্লৱী ব্ৰজ শৰ্মাই এক নতুন ৰূপ প্ৰদান কৰে। ১৯২১ চনত তেওঁ শিলা কালিকা অপেৰা পাৰ্টি (বৰপেটা) গঠন কৰে। শিলা কালিকা অপেৰা পাৰ্টিক অনূদিত অসমীয়া নাট অভিনয়ৰ পথ প্ৰদৰ্শক বুলিব পাৰি। 'ৰাণা প্ৰতাপ' আৰু 'বাজীৰাও' নাটক দুখন ব্ৰজ শৰ্মাই নিজহাতে অনুবাদ কৰি মঞ্চস্থ কৰিছিল। ১৯২৪ চনলৈ এই দলটো চলিল আৰু উক্ত বছৰতে ব্ৰজ শৰ্মা নেতৃত্বত 'দক্ষিণ গণক গাড়ী অপেৰা' পাৰ্টি গঢ়ি উঠিল। এই দলটো ১৯২৯ চনলৈ চলে। ১৯৩০ চনত নগাঁৱৰ পুৰণি গুদামৰ বিপিন চন্দ্ৰ বৰুৱাৰ সহযোগত 'আছাম কোহিনুৰ অপেৰা পাৰ্টি' ব্ৰজ শৰ্মাই গঢ়ি তোলে আৰু বংগীয় যাত্ৰাদলৰ বিৰুদ্ধে সাংস্কৃতিক সংগ্ৰাম চলাই যায়। ১৯৩৩ চনত নৱেম্বৰ মাহত কোহিনুৰৰ যোগেৰে ডুমডুমা নাট্য মন্দিৰত সহঃ অভিনয়ৰ পাতনি মেলা হয়। ব্ৰজনাথ শৰ্মাক অসমত প্ৰথম সহ অভিনয়ৰ প্ৰচলনকৰ্তাৰ সন্মান দিয়া হয় যদিও তাৰো আগতে পাঠশালা অঞ্চলত অসমীয়া শিল্পীৰ দ্বাৰা সহ অভিনয় হোৱাৰ কথা জনা যায়। সেই সময়ত বাংলাদেশৰ নাটোৰৰ বিখ্যাত 'শৈলবালা অপেৰা' নামৰ যাত্ৰাদলটিত সহ অভিনয়যুক্ত নাট প্ৰত্যক্ষ কৰি এই অঞ্চলতো ডুবিৰ দুগৰাকী দেৱদাসীক অভিনেত্ৰী সজাই সহ অভিনয়যুক্ত নাট কৰাৰ কথা জনা যায় (উৎস ঃ ভূপেন তালুকদাৰৰ দ্বাৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলা শাখাৰ অধীনত পি এইচ ডি ডিগ্ৰীৰ বাবে প্ৰস্তুত কৰা গৱেষণা গ্ৰন্থ)। ১৯৩৬ চনলৈ চলা এই দলটোৱে জনপ্ৰিয় বাংলা নাটক 'বেদ উদ্ধাৰ' 'ভাস্কৰ পণ্ডিত' 'কালাপাহাৰ' 'হিন্দুবীৰ' আদি নাটকৰ লগতে 'মৰাণ জীয়ৰী' 'নগাকোঁৱৰ', 'বাণ ৰজা' আদি অসমীয়া মৌলিক নাট পৰিবেশন কৰি অসমীয়া নাটৰ বাট

প্ৰশস্ত কৰিছিল। উল্লেখ্য যে চন্দ্ৰ চৌধুৰী, কৃষ্ণ শৰ্মা আদিৰ নিচিনা অভিনেতা সকল এই যাত্ৰাদলৰে আৱিষ্কাৰ আছিল।

কোহিনুৰ অপেৰাৰ সমসাময়িক তথা তাৰ পিছত অসমত আন বহুতো ব্যৱসায়িক যাত্ৰাদল গঢ়ি উঠে। এনে কিছুদল হ'ল 'গোবিন্দপুৰ যাত্ৰাদল (১৯২৩), পিপলীবাৰী যাত্ৰাদল (১৯২৫), বৰখলাৰ লক্ষ্মীনাৰায়ণ অপেৰা (১৯২৫) পাৰ্টি, পাঠশালা বামাখাটাৰ শ্ৰী শ্ৰী শংকৰদেৱ অপেৰা (১৯৩০ চন), নপাৰা অপেৰা (বামুণকুছি), অসম নটবাণী নাট্য সমাজ (পাঠশালা) গণাগাঁও অপেৰা (১৯২৭), শ্যামৰায় অপেৰা (১৯৩২), মধ্য বজালী অপেৰা (১৯৩৬), ডুবিৰ নাটকৰ গান (১৯২৮), দলগোমাৰ প্ৰভাত অধিকাৰী যাত্ৰাদল (১৯২৫), ৰাজেন দাসৰ কদমতলা যাত্ৰাদল (১৯২৮), গোপাল ভাগৱতীৰ যাত্ৰাদল (১৯৩০ চনত নলবাৰীৰ সন্ধ্যাত সংগঠিত হয়), জয়হিন্দ অপেৰা পাৰ্টি (১৯৪০ চনত নিধিৰাম মেম্বৰ আৰু তেওঁৰ পুত্ৰ সুৰেন তালুকদাৰে প্ৰতিষ্ঠা কৰে), দুধনৈৰ বীণাপাণি অপেৰা (১৯৩২), থোকা জামৰ তল কৃষ্ণ অপেৰা (১৯৩০), বাহবাৰী অপেৰা (১৯৩০), টিহু নাট্য সমিতি (১৯৪৯), অল আসাম আইডিয়েল ড্ৰামাটিক পাৰ্টি (১৯৩৫ নাহৰকটীয়াত ভদ্ৰ গগৈয়ে গঢ়ি তোলে), অল আসাম ষ্টাৰ থিয়েটাৰ (১৯৩৮ চনত শিৱসাগৰৰ কুজিবালিত গুৰু প্ৰসাদ বৰঠাকুৰে গঢ়ি তোলে), টিহুৰ লাউপাৰা যাত্ৰাদল (১৯৩১-১৯৫৬), মুৰকুছি মিলন নাট্য সমিতি (১৯৫০), ঘগ্ৰাপাৰৰ বসুদেৱ অপেৰা পাৰ্টি (১৯৫৭-১৯৬২), চতুৰ্ভুজ অপেৰা পাৰ্টি (হাউলী, ১৯৫৫), বগৰীগুৰি যাত্ৰাদল (১৯৫৩), বাগনা যাত্ৰাদল (১৯৫৪), সৰ্থেবাৰীৰ আমৃখোৱাৰ 'আমৃখোৱা বাসুদেৱ যাত্ৰা পাৰ্টি', উদয়ন নাট্যগোষ্ঠী (১৯৭৫ সৰ্থেবাৰী) আদি।

নটৰাজ অপেৰা ঃ ভ্ৰাম্যমাণৰ আদিপৰ্ব ঃ স্বৰাজোত্তৰ কালছোৱাত পাঠশালাক কেন্দ্ৰ কৰি যিকেইটা যাত্ৰাদল গঠন হৈছিল সেইবোৰত কেবাজনো প্ৰসিদ্ধ অভিনেতাৰ সমাৱেশ ঘটিছিল। কমলা বৈষ্ণৱ, ধৰণী বৰ্মণ, চন্দ্ৰ চৌধুৰী, অক্ষয় পাটগিৰী, সদানন্দ লহকৰ, ৰুদ্ৰ চৌধুৰী আদিৰ নিচিনা তাৰকা শিল্পীসকল এই যাত্ৰাদলবোৰত উজলি উঠিছিল আৰু পিছলৈ ভ্ৰাম্যমাণ থিয়েটাৰৰ অভিনয়ৰ মূল হোতা হৈ পৰিছিল।

যাত্ৰাৰ পৰা ভ্ৰাম্যমাণলৈ বিৱৰ্তন হোৱাৰ প্ৰথম খোজটি দিছিল অভিনেতা সদানন্দ লহকৰে। সুদক্ষ এই অভিনেতাজনে ১৯৫৯ চনত পাঠশালাত গঠন কৰিছিল 'নটৰাজ অপেৰা' নামৰ এটি আধুনিক যাত্ৰাদলৰ। নাট্যদলটোৰ শিল্পীসকল আছিল কমলা বৈষ্ণৱ, চন্দ্ৰ চৌধুৰী, উপেন বৰ্মন, যোগেশ শৰ্মা, হৰেণ ৰয়, দেবেন দাস, ৰতিকান্ত দাস, সংগীত শিল্পী পৰীক্ষিত পাঠক, সদা দাস আদি। চন্দ্ৰ চৌধুৰী আৰু কমলা বৈষ্ণৱৰ নাট্য পৰিচালনাত নটৰাজ অপেৰাই মঞ্চস্থ কৰা নাটবোৰ আছিল— 'ভক্তৰ আহ্বান', 'কহিনুৰ', 'ধৰ্মৰ বলি' 'কুৰুক্ষেত্ৰৰ আগত' আৰু 'দেৱী অন্নপূৰ্ণা'। নৃত্য-নাটিকাৰ শিল্পী সকল আছিল ক্ৰমে ৰবীন দাস, যতীন দাস, কালাৱন্ত সিং, সূৰ্য বৈশ্য, সনামল দাস আদি শিল্পীসকল। বিখ্যাত নৃত্য শিল্পী খগেন বৰ্মনেও প্ৰথম ভুমুকি মাৰিছিল নটৰাজ অপেৰাতে। এই নাট্যদলটিয়ে উজনি অসমৰ গোলাঘাট পৰ্যন্ত নাটক কৰিছিল আৰু বিশেষকৈ চাহ-বাগিচাবোৰত নটৰাজ অপেৰাই বিশেষ জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৬০ চনত নটৰাজ অপেৰা পূৰ্ণ পৰ্যায়ৰ ভ্ৰাম্যমাণলৈ ৰূপান্তৰিত হয় আৰু এই যাত্ৰা ১৯৬২ চন পৰ্যন্ত বাহাল থাকে। পৰিৱৰ্তিত সামাজিক প্ৰেক্ষাপটত যাত্ৰাৰ লগত ক্ৰমান্বয়ে সম্পৰ্ক ছিন্ন হৈ পৰা নব্য চহৰীয়া লোকসকলৰ মনোৰঞ্জনৰ বাবে এটি নতুন ফৰ্মৰ প্ৰয়োজন হৈছিল আৰু এই অভাব পূৰাইছিল ভ্ৰাম্যমাণে। তদুপৰি ব্যৱসায়িক লাভৰ জৰিয়তে শিল্পী সকলক সংস্থাপন দিয়াৰ এক কামো ক্ৰমে প্ৰশস্ত হৈ পৰিছিল। এনে এক পটভূমিত ভাতৃ সদানন্দ লহকৰ 'নটৰাজ অপেৰা'ক অচ্যুত লহকৰে এক নতুন ৰূপ দিব বিচাৰিছিল। যাত্ৰাদলটোৰ পৰিৱৰ্তন ঘটাই অচ্যুত লহকৰে দলটিক এনেদৰে গঢ়িব বিচাৰিছিল যাতে শিল্পকলাটোও বাচি থাকে আৰু শিল্পীসকলেও বছৰটোৰ বাবে সংস্থাপনৰ এক উপায় বিচাৰি পায়। উল্লেখ্য যে ইয়াৰ আগলৈকে যাত্ৰাদলবোৰে আমন্ত্ৰণমূলকভাৱে দুই একোখন নাট মঞ্চস্থ কৰি বাকী দিনবোৰ এনেই কটাব লগা হৈছিল। শিল্পীসকলৰ আৰ্থিক সুৰক্ষা আৰু যাত্ৰাক আধুনিক ৰূপ প্ৰদান কৰাৰ তাগিদাতে জন্ম হ'ল প্ৰথমখন অসমীয়া ভ্ৰাম্যমাণ 'নটৰাজ থিয়েটাৰ'। প্ৰকৃতপক্ষে অচ্যুত লহকৰৰ স্বকীয় চিন্তা আৰু উদ্ভাৱনী শক্তিৰ বলতে গঢ়ি উঠিছিল প্ৰথমখন ভ্ৰাম্যমাণ থিয়েটাৰ।

পশ্চিমীয়া প্ৰছেনিয়াম মঞ্চ আৰু দৰ্শকৰ বাবে এটি প্ৰেক্ষাগৃহৰ সমাহাৰত ভ্ৰাম্যমাণ থিয়েটাৰৰ কল্পনা কৰা হৈছিল, মাথো এই মঞ্চ আৰু প্ৰেক্ষাগৃহৰ স্বৰূপ হ'ব ভ্ৰাম্যমাণ। অৰ্থাৎ এই থিয়েটাৰে বিভিন্ন অঞ্চললৈ গৈ অস্থায়ী প্ৰেক্ষাগৃহ আৰু মঞ্চ সাজি নাট অভিনয় কৰি ফুৰিব আৰু যাত্ৰাৰ অভিনয়ৰ তুলনাত ইয়াৰ অভিনয় হ'ব আধুনিক। নিজস্ব আলোক ব্যৱস্থা; কাঠ, তক্তা, তম্বু আদিৰে তৈয়াৰী মঞ্চ তথা প্ৰেক্ষাগৃহ; পোহৰ উৎপাদনৰ বাবে জেনেৰেটৰৰ ব্যৱস্থা; শব্দ যন্ত্ৰ, মাইক-ছেট, বাদ্যযন্ত্ৰ, অভিনয় সা-সৰঞ্জাম আদি সকলো সামগ্ৰীৰে ১৯৬৩ চনত গঢ়ি উঠিল নটৰাজ থিয়েটাৰ। নটৰাজ অপেৰাৰ পৰা নটৰাজ থিয়েটাৰলৈ হোৱা এই ৰূপান্তৰ সন্দৰ্ভত অচ্যুত লহকৰে এনেকৈ কৈছে— "বিভিন্ন কাৰণত মই সিদ্ধান্তত উপনীত হ'লো যে 'যাত্ৰা' বিলাক আচলতে 'ভ্ৰাম্যমাণ'। এইবোৰ যলৈকে ইচ্ছা ত'লৈকে যায়। গাঁৱৰ বিবাহ, ভোজ সভা আদিত যাত্ৰাপাৰ্টিবোৰ অপৰিহাৰ্য। মই কলিকতাত থকাৰ সময়তে হওক বা ইয়াত থাকোতে বিভিন্ন ৰংগমঞ্চৰ নাটক চাই ফুৰিছিলো। গুৱাহাটীৰ ভাস্কৰ মঞ্চ, তেজপুৰৰ বাণমঞ্চ আদিৰ নাটক চাই ভাবিছিলো যে অপেৰাতকৈ থিয়েটাৰ অনেক বেছি উন্নত। থিয়েটাৰত ছোৱালীয়ে ছোৱালীৰ অভিনয় কৰে। গতিকে এটা কথা মনলৈ বাৰে বাৰে আহিবলৈ ধৰিলে অপেৰা বা যাত্ৰা যেনেদৰে ভ্ৰাম্যমাণ, তেনেদৰে থিয়েটাৰকো ভ্ৰাম্যমাণ কৰিব নোৱাৰিনে। তেতিয়ালৈকে অসমত কলিকতা, বোম্বে আদিৰ লেখীয়াকৈ থিয়েটাৰ আৰম্ভ হোৱা নাছিল। মই প্ৰথমবাৰৰ বাবে এনেকুৱা থিয়েটাৰ খুলি ভ্ৰাম্যমাণৰ ৰূপ দিব খুজিলো।... থিয়েটাৰ খোলাটো তাৎক্ষণিক

ot on realme 3
The Gorakha

সিদ্ধান্তনাছিল। যেতিয়া দেখিছিলো সদাৰ যাত্ৰাত মাইক, লাইট আদি নোহোৱাকৈয়ে অজস্ৰ মানুহ হয়, গতিকে থিয়েটাৰতো এইবোৰ প্ৰয়োগ কৰি চমক দিয়াৰ চিন্তা কৰিলো। ভ্ৰাম্যমাণৰ ষ্টেজৰ আগত বহি যেতিয়া ছুইচ টিপিয়েই ষ্টেজত ৰঙা-নীলা লাইট জ্বলাবলৈ ধৰিলো তেতিয়া দৰ্শক আচৰিত হৈ পৰিল। ব্যৱসায়িক দৃষ্টিভংগীৰেই ভ্ৰাম্যমাণৰ জন্ম হৈছিল বুলি ক'ব পাৰি।"

এক বিশেষ প্ৰেক্ষাপটত নিজস্ব উদ্ভাৱনী শক্তিৰে অচ্যুত লহকৰে আৱিষ্কাৰ কৰা ভ্ৰাম্যমাণ থিয়েটাৰৰ বৰ্ণময় পৰিক্ৰমাত আজি অসংখ্য থিয়েটাৰ দলে নাম লগালে। কেইটামান দলৰ বাদে বাকী বেছিভাগ দলে সময়ৰ হিচাপত সৰহদিন নিটিকিল। অসমৰ জাতীয় জীৱনৰ এক চলমান সাংস্কৃতিক উপাদানলৈ ৰূপান্তৰিত হৈ পৰা ভ্ৰাম্যমাণ থিয়েটাৰে বিগত সময়ছোৱাত ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় সন্মান বুটলিবলৈ সক্ষম হৈছে। ২০১০ বৰ্ষত ভাৰতৰ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ে (চমুকৈ এন এছ ডি) কহিনুৰ থিয়েটাৰক নতুন দিল্লীলৈ নাট পৰিবেশন কৰিবলৈ নিমন্ত্ৰণ কৰাটো আছিল এই শিল্পকলাটোৰ প্ৰতি এক বিৰল সন্মান। সাংস্কৃতিক আগ্ৰাসনৰ মূলমন্ত্ৰ লৈ চি ডি ছবি, টি ভি চেনেল আদিয়ে সমগ্ৰ বিশ্বতে যেনেদৰে পৰম্পৰা, বিশ্বাস আৰু জাতিসত্তাৰ ভিত্তি থানবান কৰি একধৰ্মী সংস্কৃতি প্ৰৱৰ্তনৰ যি অহৰহ প্ৰচেষ্টাত ব্যস্ত আছে তাক প্ৰতিহত কৰি ভ্ৰাম্যমাণ থিয়েটাৰে আমাৰ জাতিসত্তা ৰক্ষাৰ গুৰুভাৰ গ্ৰহণ কৰিব পাৰে। ভ্ৰাম্যমাণৰ মঞ্চত সেই সম্ভাৱনা প্ৰবলভাৱে লুকাই আছে বুলি অসমৰ সুধী সমাজে বিশ্বাস কৰে। অসমীয়া জাতীয়তাবাদৰ এক শক্তিশালী অনুষ্ঠান ভ্ৰাম্যমাণে যদি সচেতনভাৱে আগ্ৰাসী উপাদানবোৰক চিনাক্ত কৰি অসমীয়া নৃত্য-নাটকক বিকশিত কৰিবলৈ প্ৰচেষ্টা লয় তেন্তে নিসন্দেহে ভ্ৰাম্যমাণ থিয়েটাৰ অসমীয়াৰ হিয়াৰ আমঠুলৈ ৰূপান্তৰিত হ'ব।

১৯৬৩ চনৰ পৰা এতিয়ালৈ গঠন হোৱা ভ্ৰাম্যমাণ থিয়েটাৰৰ এক তালিকা ঃ

ক্ৰমিক নং	বছৰ	নাম	স্থান
১	১৯৬৩	নটৰাজ থিয়েটাৰ	পাঠশালা
২	১৯৬৪	সুৰদেৱী থিয়েটাৰ	চামতা
৩	১৯৬৬	পূৰ্বজ্যোতি থিয়েটাৰ	হাজো
৪	১৯৬৮	মঞ্চৰূপা থিয়েটাৰ	পাঠশালা
৫	১৯৬৮	ৰূপাঞ্জলি থিয়েটাৰ	বৰপেটা
৬	১৯৭০	অসম ষ্টাৰ থিয়েটাৰ	পাঠশালা আৰু গুৱাহাটী
৭	১৯৭২	মকুন্দ থিয়েটাৰ	মাখিবাহা, টিহু
৮	১৯৭৩	নটৰাজ শিল্প নিকেতন	পাঠশালা
৯	১৯৭৪	ৰূপকোঁৱৰ থিয়েটাৰ	নলবাৰী
১০	১৯৭৫	জ্যোতিৰূপা থিয়েটাৰ	নিতাই পুখুৰী
১১	১৯৭৫	ভাগ্যদেৱী থিয়েটাৰ	মৰোৱা, নলবাৰী

ot on realme 3
The Gorakha

১২	১৯৭৬	কহিনুৰ থিয়েটাৰ	পাঠশালা
১৩	১৯৭৭	মুন থিয়েটাৰ	চামতা
১৪	১৯৭৭	মঞ্চকোঁৱৰ থিয়েটাৰ	উত্তৰ গুৱাহাটী
১৫	১৯৭৮	ৰূপালীম থিয়েটাৰ	অভয়াপুৰী
১৬	১৯৭৭	লখিমী থিয়েটাৰ	গোৱালপাৰা
১৭	১৯৭৭	বিষ্ণুজ্যোতি থিয়েটাৰ	চামতা
১৮	১৯৭৭	ৰাধিকা দেৱী থিয়েটাৰ	দক্ষিণ শিংৰা, কাপৰূপ
১৯	১৯৭৮	কল্পনা থিয়েটাৰ	বেলশৰ, নলবাৰী
২০	১৯৭৮	মা লক্ষ্মী থিয়েটাৰ	মৰঙী তিনিআলি, গোলাঘাট
২১	১৯৭৮	অপৰূপা থিয়েটাৰ	পশ্চিম চামতা
২২	১৯৭৮	বিশ্বজ্যোতি থিয়েটাৰ	নলবাৰী
২৩	১৯৭৯	আৰাধনা থিয়েটাৰ	পাঠশালা
২৪	১৯৮০	আৱাহন থিয়েটাৰ	পাঠশালা
২৫	১৯৮২	অনিৰ্বাণ থিয়েটাৰ	পাঠশালা
২৬	১৯৮৩	ইন্দ্ৰধনু থিয়েটাৰ	গুৱাহাটী
২৭	১৯৮৪	চিত্ৰলেখা থিয়েটাৰ	পাঠশালা
২৮	১৯৮৪	কল্পতৰু থিয়েটাৰ	পাঠশালা
২৯	১৯৮৪	অপৰূপা থিয়েটাৰ	পানীখাইতি
৩০	১৯৮৪	ৰংঘৰ থিয়েটাৰ	চামতা
৩১	১৯৮৫	সূৰুয থিয়েটাৰ	ডিব্ৰুগড়
৩২	১৯৮৫	ইন্দ্ৰাণী থিয়েটাৰ	পাটাছাৰকুছি
৩৩	১৯৮৫	হেঙুল থিয়েটাৰ	মৰিয়নি, যোৰহাট
৩৪	১৯৮৬	দেৱদাসী থিয়েটাৰ	হেলনা, পাঠশালা
৩৫	১৯৮৭	গিৰিৰাজ থিয়েটাৰ	বনিয়াকুছি, সৰ্থেবাৰী
৩৬	১৯৮৭	জয়তু অসমী থিয়েটাৰ	সৰুপেটা
৩৭	১৯৮৭	অভিযান থিয়েটাৰ	মঙলদৈ
৩৮	১৯৮৭	মেঘদূত থিয়েটাৰ	গুৱাহাটী
৩৯	১৯৯০	নটসূৰ্য বিষ্ণুজ্যোতি থিয়েটাৰ	পাঠশালা
৪০	১৯৯১	সমন্বয় থিয়েটাৰ	মৰাণ
৪১	১৯৯৩	বৰলুইত থিয়েটাৰ	মৰিগাঁও
৪২	১৯৯৩	বীণাপাণি থিয়েটাৰ	সৰ্থেবাৰী
৪৩	১৯৯৩	পল্লৱী থিয়েটাৰ	পাঠশালা
৪৪	১৯৯৩	শ্ৰীমন্ত শংকৰদেৱ থিয়েটাৰ	হাঁহচৰা, কুজিবালি
৪৫	১৯৯৪	মনালিছা থিয়েটাৰ	গুৱালকুছি
৪৬	১৯৯৫	অনিৰ্বাণ থিয়েটাৰ	গুৱাহাটী

৪৭	১৯৯৫	তৰংগম থিয়েটাৰ	ডিৰক
৪৮	১৯৯৫	জয় জোৱান জয় কিষাণ থিয়েটাৰ	মাখিবাহা
৪৯	১৯৯৬	মঞ্চজ্যোতি থিয়েটাৰ	বৰভাগ
৫০	১৯৯৬	শ্ৰীমন্ত শংকৰ মাধৱ থিয়েটাৰ	গহপুৰ
৫১	১৯৯৭	মেঘালী থিয়েটাৰ	দুধনৈ
৫২	১৯৯৭	অমলতৰা থিয়েটাৰ	নাহৰণি
৫৩	১৯৯৮	শৰাইঘাট থিয়েটাৰ	জাজৰি
৫৪	১৯৯৮	বৰদৈচিলা থিয়েটাৰ	নলবাৰী
৫৫	১৯৯৮	গদাপাণি থিয়েটাৰ	চেপন
৫৬	১৯৯৯	মাধৱদেৱ থিয়েটাৰ	বালিপাৰা
৫৭	২০০০	থিয়েটাৰ মা-জোনাকী	ডিব্ৰুগড়
৫৮	২০০০	শেৱালী থিয়েটাৰ	নাজিৰা
৫৯	২০০৩	ভাগ্যশ্ৰী থিয়েটাৰ	সাপেখাইতি
৬০	২০০৫	অনুৰাগ মুভি থিয়েটাৰ	বেলশৰ
৬১	২০০৫	ৰাজশ্ৰী থিয়েটাৰ	গুৱাহাটী
৬২	২০০৫	শকুন্তলা থিয়েটাৰ	নলবাৰী
৬৩	২০০৫	চিত্ৰলেখা থিয়েটাৰ	নলবাৰী
৬৪	২০০৬	কাৰেংঘৰ থিয়েটাৰ	হাতীগাঁও
৬৫	২০০৭	দেৱৰাজ থিয়েটাৰ	নলবাৰী
৬৬	২০০৮	ৰাজতিলক থিয়েটাৰ	গুৱাহাটী
৬৭	২০০৯	ৰাজমহল থিয়েটাৰ	গুৱাহাটী
৬৮	২০০৯	ইতিহাস থিয়েটাৰ	গুৱাহাটী
৬৯	২০০৯	শ্ৰদ্ধাঞ্জলি থিয়েটাৰ	বনিয়াকুছি
৭০	২০০৯	ৰূপান্তৰ থিয়েটাৰ	হাজো
৭১	২০০৯	ব্ৰহ্মপুত্ৰ থিয়েটাৰ	গুৱাহাটী
৭২		পূৰ্ববাণী থিয়েটাৰ	চিনামৰা, যোৰহাট
৭৩		প্ৰতিধ্বনি থিয়েটাৰ	নাগাজংকা, মৰিয়নি
৭৪		দিব্যধ্বনি থিয়েটাৰ	গহপুৰ
৭৫		ভদৈ থিয়েটাৰ	ডিব্ৰুগড়
৭৬		ভাস্কৰ থিয়েটাৰ	বোকাখাট
৭৭		সম্ৰাট থিয়েটাৰ	তিনিচুকীয়া
৭৮		প্ৰাগজ্যোতিষ থিয়েটাৰ	গুৱাহাটী
৭৯		পঞ্চানন থিয়েটাৰ	দিকচৌ, শিৱসাগৰ
৮০		বৰ্ণালী থিয়েটাৰ	লংকা, নগাঁও
		পাঞ্চজন্য থিয়েটাৰ	জামুগুৰি

Shot on realme 3
By The Gorakha

	থিয়েটাৰ মহাভাৰত	কলিয়াবৰ
৮২	উদয়ন থিয়েটাৰ	বাইহাটা
৮৩	নবাৰুণ থিয়েটাৰ	দক্ষিণপাট
৮৪	অসমজ্যোতি থিয়েটাৰ	আঁৰিকুছি
৮৫	নটসূৰ্য থিয়েটাৰ	সাপেখাইতি
৮৬	শ্ৰীমন্ত থিয়েটাৰ	নাহৰকটীয়া
৮৭	কল্পতৰু থিয়েটাৰ	বনগাঁও, টিহু
৮৮	বন্দনা থিয়েটাৰ	সৰুপেটা
৮৯	ধ্ৰুৱতৰা থিয়েটাৰ	মণিয়ৰী তিনিআলি
৯০	মণিকুট থিয়েটাৰ	হাৱাজান, শোণিতপুৰ
৯১	চিত্ৰবন থিয়েটাৰ	আগিয়া
৯২	দিব্যবাণী থিয়েটাৰ	ডুবিয়া, শোণিতপুৰ
৯৩	নন্দিনী থিয়েটাৰ	দক্ষিণ শিংৰা, কামৰূপ
৯৪	সৌৰাংমঞ্জু থিয়েটাৰ (প্ৰথম বড়ো ভাষাৰ থিয়েটাৰ)	পাঠশালা
৯৫		
৯৬	বৰদৈচিলা থিয়েটাৰ (বড়ো থিয়েটাৰ)	গোৰেশ্বৰ
৯৭	বিনন্দিনী থিয়েটাৰ	সোণাৰী
৯৮	মেঘদূত থিয়েটাৰ	টিংখং, ডিব্ৰুগড়
৯৯	হিমালয় থিয়েটাৰ	খাজিখোৱা, ডিব্ৰুগড়
১০০	পৰিহৰেশ্বৰ থিয়েটাৰ	পাঠশালা
১০১	ইগল থিয়েটাৰ	গণক পুখুৰী, দেৰগাঁও
১০২	ইন্দ্ৰজিৎ থিয়েটাৰ	পাঠশালা
১০৩	মঞ্চতীৰ্থ থিয়েটাৰ	খুটিকটিয়া, নগাঁও
১০৪	শংকৰ মাধৱ থিয়েটাৰ	গহপুৰ, বৰিগাঁও
১০৫	শ্ৰীমাধৱদেৱ থিয়েটাৰ	নগাঁও, চকলাঘাট
১০৬	মা অগ্নিগড় থিয়েটাৰ	লাইডু গড়, যোৰহাট
১০৭	স্বাগতম থিয়েটাৰ	দুলিয়াজান
১০৮	ৰংঘৰ থিয়েটাৰ	দুলিয়াজান, যোৰহাট
১০৯	ৰাজলক্ষ্মী থিয়েটাৰ	চামতা

এই তালিকাখনত যথাসম্ভৱ ভ্ৰাম্যমাণ দলবোৰৰ নাম সন্নিবিষ্ট কৰাৰ প্ৰয়াস কৰা হৈছে। এই তালিকাখনক আমি সম্পূৰ্ণ তালিকা বুলি দাবী কৰিব খোজা নাই।

নটৰাজ থিয়েটাৰ

১৯৬৩ চনৰ পাঠশালাৰ এটি সন্ধিয়াৰ কথা। আধুনিক পাঠশালাৰ বিকাশ তেতিয়া আৰম্ভ হৈছেহে মাথোঁ। চহৰখনৰ চাৰিওপিনৰ দিগন্তব্যাপী ধাননি পথাৰবোৰৰ আৰণ্যক নিৰ্জনতা ভাঙি দুই-এখন যাত্ৰীবাহী বাছ, ৰে'ল আদি চহৰখনৰ মাজেৰে চলিবলৈ আৰম্ভ কৰিছে। গাঁৱলীয়া স্বৰূপটোৰ অৱগুণ্ঠন আঁতৰাই পাঠশালাত দুই-এখন্ দোকান গঢ়ি উঠিছে, আধুনিকতাৰ পোহৰে সুদীৰ্ঘকালৰ আন্ধাৰখিনি যেন খেদিব ধৰিছে। গঢ়ি উঠিছে বজালী হাইস্কুল, বজালী মহাবিদ্যালয় আদি শিক্ষানুষ্ঠান। তেনেকুৱা এক কানিমুনি সন্ধিয়া পাঠশালাৰ চাৰিআলি চ'কত মফচলীয় চহৰখনৰ কেইজনমান বিশিষ্ট ব্যক্তি কাশীনাথ দাস, তৰণী চৌধুৰী আদিয়ে এখন দোকানত বহি সন্ধিয়াৰ আড্ডাটো জমাই তুলিছে। দোকানখনত জ্বলি থকা মেণ্টল লাইটৰ পোহৰত সন্মুখৰ ৰাজআলিটোৰে পাৰ হৈ যোৱা অৱয়ৱবোৰ চকামকাকৈ জিলিকি উঠিছে। এনেতে সন্মুখেৰে এটি তৰুণ অৱয়ৱ পাৰ হৈ গ'ল। আড্ডাৰ মাজৰ পৰা এজনে চিঞৰি উঠিল— 'অ'ই এইফালে আহ।' চুচুক-চামাককৈ তৰুণজন দোকানখনলৈ সোমাই আহিল। এজনৰ অভিভাৱকসুলভ গহীন কণ্ঠ গমগমাই উঠিল— 'অ'ই, তই এইবোৰ কি কৰিবলৈ ওলাইছ। অপেৰাৰ এক ডজন এক্টৰক চম্ভালিবলৈ য'ত ভাগৰ লাগে, তাতে আকৌ এশজনক কেনেদৰে চম্ভালিবি? লগতে ছোৱালীও ৰাখিছ। পাৰিবি জানো?' তেতিয়া সেই তৰুণজনে বয়োজ্যেষ্ঠকেইজনৰ প্ৰতি সেৱা এটা জনাই ক'লে— 'আপোনালোকে মোক কেৱল আশীৰ্বাদ দিয়ক। আপোনালোকৰ আশীৰ্বাদত মই এই ডেওনাখন পাৰ হ'ব পাৰিম নেকি!' পাঠশালাবাসী ৰাইজৰ আশীৰ্বাদত তথা মানসিক-আৰ্থিক সাহায্যত সেইজন ৩২ বছৰীয়া তৰুণ অচ্যুত লহকৰে চল্লিছটা বছৰজুৰি এক অনন্য নাট্য পৰম্পৰাৰে কেৱল অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰাই নহয়, লগতে ইয়াক জাতীয় পটভূমিত সুদৃঢ়ভাৱে প্ৰতিষ্ঠাও কৰালে।

অচ্যুত লহকৰৰ অদমনীয় সাহস আৰু বুদ্ধিমত্তাৰ বলত ১৯৬৩ চনৰ ২ অক্টোবৰত অসমৰ প্ৰথম ভ্ৰাম্যমাণ থিয়েটাৰ 'নটৰাজ থিয়েটাৰ'ৰ জন্ম হয়। ভাৰতীয় নাট্যজগতৰ এই অনন্য আৰু একক পৰম্পৰাবিধে কেৱল অসমীয়া সংস্কৃতিৰে মান বৃদ্ধি কৰা নাই, লগতে ষাঠিৰ দশকৰ পৰা অসমৰ সাংস্কৃতিক অৰ্থনীতিৰ এক শক্তিশালী ভিত্তি হৈ পৰিছে। অসমৰ সকলো প্ৰকাৰৰ পৰিৱেশ্য কলাৰ শিল্পীসকলৰ বাবে তথা বিভিন্ন কলা-কুশলীৰ বাবে ভ্ৰাম্যমাণে সুদীৰ্ঘ দিন সংস্থাপনৰ ব্যৱস্থা কৰি আহিছে; লগতে এই নাট্যশৈলীৰ জৰিয়তে অসমত গঢ়ি উঠিছে অসংখ্য স্কুল-কলেজ আৰু বিভিন্ন সামাজিক-সাংস্কৃতিক প্ৰতিষ্ঠান।

Shot on realme 3
By The Gorakha

নাট্যানুষ্ঠানৰ যোগেদি এনেদৰে সামাজিক-সাংস্কৃতিক বা শৈক্ষিক প্ৰতিষ্ঠান গঢ়ি উঠাৰ উদাহৰণ সম্ভৱতঃ সমগ্ৰ পৃথিৱীতে বিৰল। সন্দেহ নাই, এই সমগ্ৰ কৃতিত্বৰ একক দাবীদাৰ হৈছে অচ্যুত লহকৰ। এই অনন্য প্ৰতিভাধৰজনৰ জীৱনৰ বিভিন্ন কাহিনী, অভিজ্ঞতা আদিত প্ৰতিফলিত হৈছে অসমৰ সমাজ জীৱনৰ কিছুমান গুৰুত্বপূৰ্ণ ঘটনা আৰু সাংস্কৃতিক দিশত হোৱা দ্ৰুত পৰিৱৰ্তন আদি পৰিঘটনাসমূহ।

অচ্যুত লহকৰৰ জন্ম ১৯৩১ চনৰ ৯ জুলাইত পাঠশালাৰ সমীপৰ বাগনা গাঁৱত। তেওঁৰ পিতৃ আছিল গৌৰীকান্ত লহকৰ আৰু মাতৃ কান্তিপ্ৰিয়া লহকৰ। পাঠশালা মজলীয়া বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা সমাপ্ত কৰি ১৯৪৯ চনত বজালী হাইস্কুলৰ পৰা লহকৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। মেট্ৰিক পৰীক্ষালৈ এমাহমান থাকোঁতেই তেওঁৰ পিতৃৰ মৃত্যু ঘটে আৰু ঘৰখনৰ সমগ্ৰ দায়িত্ব নিজে চম্ভালি ল'ব লগা হয় ঘৰুৱা সামগ্ৰিক জঞ্জাল নেওচি। অৱশেষত তেওঁ কলিকাতালৈ পঢ়িবলৈ যায় আৰু তাৰ ছেইণ্ট পল কলেজত বাণিজ্য শাখাত নামভৰ্তি কৰে। কলিকাতাৰ ছাত্ৰসমাজ আৰু আৰু বৌদ্ধিক-সাংস্কৃতিক বাতাৱৰণটোত তেওঁ এক নতুন মাত্ৰা লাভ কৰে আৰু ১৯৫২ চনৰ ১৫ জুনত 'দীপাৱলী' নামৰ এখন সচিত্ৰ আলোচনী সম্পাদনা কৰি উলিয়ায়। 'দীপাৱলী'ৰ জন্ম-কাহিনী সম্পৰ্কত অচ্যুত লহকৰৰ নিজা ভাষ্য এনেধৰণৰ— 'কলিকতাত মোৰ সহপাঠীসকলৰ কিছুমানৰ পৰা মই কিছু নতুন কথা আৱিষ্কাৰ কৰিলোঁ। তেওঁলোকে পঢ়াৰ লগতে আন বহু কাম কৰা দেখিলোঁ; কোনোবাই হকাৰ কৰে, কোনোবাই মুচীৰ কাম কৰে। মোৰ এগৰাকী বুজুম ফ্ৰেণ্ড আছিল— বিজয় কাননগো। তেওঁ আছিল উৰিষ্যাৰ সেই সময়ৰ মন্ত্ৰী নিত্যানন্দ কাননগোৰ ল'ৰা। নিত্যানন্দ কাননগো পাছলৈ উৰিষ্যাৰ মুখ্য মন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰীও হৈছিল। বিজয়ক এদিন সুধিলোঁ— 'অ'ই বিজয়, তই সদায় হোষ্টেলত নাথাকি ক'ত ঘূৰি ফুৰ অ'।' সি তেতিয়া উত্তৰ দিছিল— 'মই ঘূৰি ফুৰা নাই। মই সময়ৰ মূল্য বুজোঁ। এটা কথা মনত ৰাখিবি, যিয়ে সময়ৰ মূল্য নুবুজে, সি জীৱনৰো মূল্য নুবুজে আৰু যিজনে সময়ৰ মূল্য বুজে, তেওঁ জীৱনৰো মূল্য বুজে। তঁহতেতো ইয়াত চিনেমা চাইছ, আড্ডা মাৰিছ, কিন্তু মই দেউতাৰ বহু কাম ইয়াত কৰি আছোঁ।' বিজয়ৰ এই কথাষাৰে মোৰ দেহ-মন জোকাৰি দিলে। ময়ো ভাবিলোঁ, কিবা এটা কৰা যাওঁক। লগে লগে কলিকাতাৰ পৰা এখন আলোচনী উলিওৱাৰ পৰিকল্পনা মনলৈ আহিল। তেতিয়া 'আৱাহন'ৰ প্ৰকাশ বন্ধ হৈছিল। আমাৰ পাঠশালাৰ সন্তান দীননাথ শৰ্মাই উলিওৱা 'আৱাহনে' অসমীয়া সাহিত্যত এটি যুগৰ সৃষ্টি কৰিছিল। আৱাহনে সাহিত্য, বিজ্ঞান, খেলা-ধূলা, মহিলা বিষয়ক বিভিন্ন শিতান অন্তৰ্ভুক্ত কৰিছিল। 'আৱাহন' বন্ধ হোৱাৰ পাছত 'আৱাহন'ৰ অনুকৰণত এখন সচিত্ৰ আলোচনী উলিওৱাৰ সিদ্ধান্ত লওঁ আৰু সিদ্ধান্ত অনুসৰি আলোচনীখনে আত্মপ্ৰকাশ কৰে। মোৰ আলোচনীখনত তাৰক শৰ্মা আৰু হেম বৰুৱা নামৰ দুগৰাকী ব্যক্তিয়ে কাম [illegible] ইয়াৰে তাৰক শৰ্মাই 'আৱাহন'ত কাম কৰিছিল বাবে 'দীপাৱলী' প্ৰকাশ কৰাত

মোৰ ভালেখিনি সুবিধা হ'ল। তাৰক শৰ্মা আৰু হেম বৰুৱাক পাছত ৰাধাগোবিন্দ বৰুৱাই গুৱাহাটীলৈ লৈ আনিলে আৰু 'অসম বাণী' উলিয়ালে। তেওঁলোক দুজন অসমলৈ ঘূৰি অহাত মোৰ ডাঙৰ সমস্যা হ'ল আৰু বিভিন্ন ঘৰুৱা সমস্যা মূৰ পাতি ল'ব লগা হোৱাত 'দীপাৱলী' বন্ধ হৈ পৰিল।'

'দীপাৱলী'ৰ প্ৰকাশ বন্ধ হোৱাৰ পাছত অচ্যুত লহকৰে পাঠশালালৈ প্ৰত্যাৱৰ্তন কৰে আৰু বজালী মহাবিদ্যালয়ৰ পৰা প্ৰাইভেটকৈ আই এ পাছ কৰে। পুনৰ লহকৰে কলিকাতালৈ বি এ পঢ়িবলৈ যায়। বি এ পঢ়ি থকাৰ সময়তে তেওঁ অনুবাদকৰো কাম পাৰিশ্ৰমিকৰ ভিত্তিত কৰিছিল। আমেৰিকান এম্বেছীৰ লগত হোৱা এক বন্দবস্ত অনুসৰি তেওঁ 'আব্ৰাহাম লিংকন', 'গণতন্ত্ৰ' আদি কেবাখনো গ্ৰন্থ অনুবাদ কৰি দিছিল। বি এ পাঠ্যক্ৰম অসম্পূৰ্ণ অৱস্থাত এৰি পুনৰ তেওঁ নিজ চহৰলৈ ঘূৰি আহে আৰ ইতিমধ্যে তেওঁৰ ভ্ৰাতৃ সদা লহকৰৰ দ্বাৰা প্ৰতিষ্ঠিত 'নটৰাজ অপেৰা'ক এক নতুন ৰূপ দিবলৈ প্ৰয়াস কৰে। এক পৰীক্ষামূলক প্ৰয়াসৰ সফল প্ৰতিফলন হিচাপে ১৯৬৩ চনত ভ্ৰাম্যমাণ নটৰাজ থিয়েটাৰৰ জন্ম হয়।

নটৰাজৰ জন্ম-কাহিনী

অচ্যুত লহকৰৰ পিতৃ গৌৰীকান্ত লহকৰ আছিল সেই সময়ত পাঠশালাৰ এগৰাকী নামজ্বলা ব্যৱসায়ী। পিতৃ গৌৰীকান্ত লহকৰৰ যিখন দোকান আছিল, তেনেকুৱা দোকান সেই সময়ত প্ৰায় নাছিলেই। যাত্ৰা-থিয়েটাৰৰ পোছাক, হাৰমনিয়াম, চেতাৰ, গীটাৰ আদি সকলো সম্ভাৰেৰে পূৰ্ণ সেই দোকানখনলৈ স্বাভাৱিকতে সকলো ধৰণৰ শিল্পীৰ আগমন হৈছিল। শৈশৱতে শিল্পীসকলৰ সান্নিধ্যলৈ অহা অচ্যুত লহকৰ আৰু সদা লহকৰে বজালী হাইস্কুলত পঢ়াৰ সময়ৰে পৰা নাটকৰ লগত জড়িত হৈ পৰিল। বজালী হাইস্কুলৰ প্ৰধান শিক্ষক ভৃগুপতি দত্ত আৰু শিক্ষক ধৰণীধৰ গোস্বামীৰ অনুপ্ৰেৰণাত সদা লহকৰে অতি কম দিনৰ ভিতৰতে শিশুশিল্পীৰূপে সমাদৰ লাভ কৰিলে আৰু জীৱনৰ পৰৱৰ্তী কালছোৱা নাট্য আন্দোলনৰ বাবেই উছৰ্গা কৰিলে। আনহাতে, অচ্যুত লহকৰৰ মনটো কেতিয়াও অভিনয়ৰ পিনে ঢাল খোৱা নাছিল। অভয় ডেকাৰ দ্বাৰা ৰচিত 'গৰাখহনীয়া' নামৰ এখন নাটকত এগৰাকী সমদলকাৰীৰ ভাও লোৱাৰ বাদে তেওঁ কাহানিও অভিনয় কৰা নাছিল। অচ্যুত লহকৰ মূলতঃ আকৃষ্ট হ'ল সাহিত্য আৰু মঞ্চৰ লগত জড়িত বিভিন্ন কলা-কৌশলৰ স'তে। কলিকাতাৰ পৰা ঘৰলৈ ঘূৰি আহি তেওঁ যেতিয়া সদা লহকৰে আৰম্ভ কৰা 'নটৰাজ অপেৰা' দেখিলে, তেতিয়া ভ্ৰাতৃৰ প্ৰচেষ্টা তেওঁৰ ভাল লাগিল। কিন্তু লগে লগে তেওঁৰ সৃষ্টিশীল মনত বহু নতুন ধাৰণাৰ উদয় হ'ল। অচ্যুত লহকৰৰ ভাষাত— 'থিয়েটাৰ খোলাৰ সিদ্ধান্ত আকস্মিকভাৱে মনলৈ অহা নাছিল। বিভিন্ন কাৰণত মই এই সিদ্ধান্তত উপনীত হ'লোঁ যে 'যাত্ৰা'বিলাক আচলতে 'ভ্ৰাম্যমাণ'। এইবোৰ য'লৈকে ইচ্ছা ত'লৈকে যায়। গাঁৱৰ বিবাহ, ভোজ, সভা আদিত যাত্ৰা অপৰিহাৰ্য। কলিকাতাৰ বিভিন্ন মঞ্চ, গুৱাহাটীৰ

Shot on realme 3
By The Gorakha

ভাস্কৰ মঞ্চ, তেজপুৰৰ বাণ মঞ্চ আদিত নাটক চাই মই অনুভৱ কৰিছিলোঁ যে অপেৰাতকৈ থিয়েটাৰ অনেক বেছি উন্নত। থিয়েটাৰত ছোৱালীয়ে ছোৱালীৰ অভিনয় কৰে। গতিকে এটা কথা বাৰে বাৰে মনলৈ আহিল যে অপেৰা বা যাত্ৰা যেনেদৰে ভ্ৰাম্যমাণ তেনেদৰে 'থিয়েটাৰ'ক ভ্ৰাম্যমাণ কৰিব নোৱাৰিনে! তেতিয়ালৈ অসমত কলিকাতা, বোম্বে আদিৰ লেখীয়াকৈ থিয়েটাৰ আৰম্ভ হোৱা নাছিল। মই প্ৰথমবাৰৰ বাবে এনেকুৱা থিয়েটাৰ খুলি ভ্ৰাম্যমাণৰ ৰূপ দিব বিচাৰিছিলোঁ।

টেক্‌নিকেল জ্ঞান কিছু থকা বাবে ষ্টেজখন কেনেকুৱা হ'ব, অৰ্কেষ্ট্ৰা ক'ত বহিব, লাইট ক'ত থাকিব, কেতিয়ানো কাষ্টিং দেখুৱাব লাগিব আদি উদ্ভাৱন কৰিলোঁ। যেতিয়া দেখিছিলোঁ সদাৰ 'যাত্ৰা'ত মাইক, লাইট আদি নোহোৱাকৈয়ে অজস্ৰ মানুহ হয়, গতিকে থিয়েটাৰত এইবোৰ প্ৰয়োগ কৰি এক চমক দিয়াৰ চেষ্টা কৰিলোঁ। ভ্ৰাম্যমাণ ষ্টেজৰ আগত বহি যেতিয়া ছুইচ টিপিয়েই ষ্টেজত ৰঙা-নীলা লাইট জ্বলাবলৈ ধৰিলোঁ, তেতিয়া দৰ্শক আচৰিত হৈ পৰিল। এক ব্যৱসায়িক দৃষ্টিভংগীৰে নটৰাজৰ জন্ম হৈছিল বুলি ক'ব পাৰি।

নটৰাজ থিয়েটাৰৰ পৰিক্ৰমা

★ ১৯৬৩	:	নটৰাজ থিয়েটাৰৰ জন্ম।
★ ১৯৬৬-৬৭	:	থিয়েটাৰ স্কোপ পদ্ধতিৰ আৰম্ভণি
★ ১৯৬৮-৬৯	:	চিনে-থিয়েটাৰ পদ্ধতি থিয়েটাৰত আৰম্ভ কৰি এক নতুন ধাৰাৰ সৃষ্টি।
★ ১৯৭০-৭১	:	ভ্ৰাম্যমাণ থিয়েটাৰত প্ৰথমবাৰৰ বাবে তিনিখন মঞ্চৰ ব্যৱস্থা।
★ ১৯৭৭-৭৮	:	বিহাৰ, নেপাল আদি ঠাইত নটৰাজ থিয়েটাৰৰ নাটক প্ৰদৰ্শন।
★ ১৯৭৮-৭৯	:	নটৰাজে কাছাৰ আৰু উত্তৰবংগত বাংলা নাটক প্ৰদৰ্শন কৰে।
★ ১৯৭৯-৮০	:	কাছাৰ আৰু উত্তৰবংগত নটৰাজে অসমীয়া নাটক মঞ্চস্থ কৰে।
★ ১৯৯০-৯১	:	নটৰাজত 'অলছোম' বা ঘূৰন্ত মঞ্চৰ পৰীক্ষামূলক প্ৰয়োগ।

জীৱন-পঞ্জী

★ **জন্ম :** পাঠশালা, ৯ জুলাই, ১৯৩১।

★ **শিক্ষা :** ১৯৪৯ বজালী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ। কলিকাতাৰ ছেইণ্ট পল কলেজৰ পৰা বাণিজ্য বিষয়ত আই এ পাঠ্যক্ৰম অৰ্ধসমাপ্ত কৰি ঘূৰি আহি বজালী মহাবিদ্যালয়ৰ পৰা প্ৰাইভেটকৈ আই এ পাছ কৰে। কলিকাতাৰ বিদ্যাসাগৰ নাইট কলেজৰ পৰা অসম্পূৰ্ণ স্নাতক শিক্ষা।

★ **অনন্য কৃতি :** ১৯৬৩ চনৰ ২ অক্টোবৰত অসমত প্ৰথম ভ্ৰাম্যমাণ থিয়েটাৰ গঢ়ি তোলে।

on realme 3
e Gorakha

★ **সম্পাদিত আলোচনী :** দীপাৱলী, প্ৰথম প্ৰকাশ ১৫ জুন, ১৯৫২, কলিকাতা।

★ **ৰচিত নাটক :** এৰিনা, অজেয় ভিয়েটনাম, আমেৰিকাৰ পুতলা, উষা, ব্ৰেকমানী, ডাক্তৰ বাবু, আদৰ্শৱতী নাৰী, আমি হেনো মানুহ নহয়, হামিদা, এখন পৃথিৱী, শংকৰদেৱ, বন্ধু হত্যাকাৰী বন্ধু, দুলীয়াজান, আল্লা ঈশ্বৰ ইত্যাদি।

★ **অনুবাদ গ্ৰন্থ :** আনা কাৰেনিনা।

★ **প্ৰযোজিত আৰু পৰিচালিত চলচ্চিত্ৰ :** ব্ৰেকমানী (১৯৭৩-৭৪)।

★ **বঁটাপ্ৰাপ্তি :** ১৯৯৭ চনত সংস্কৃতি শিতানত কমল কুমাৰী ৰাষ্ট্ৰীয় বঁটা লাভ। ২০০৬ চনত সদৌ অসম ভ্ৰাম্যমাণ থিয়েটাৰ প্ৰযোজক সংস্থা আৰু বিষ্ণুজ্যোতি শিল্পী সমাজে 'মঞ্চ প্ৰভাকৰ' উপাধিৰে আখ্যায়িত কৰে। ২০০৮ চনত অসম চৰকাৰে অতুল চন্দ্ৰ হাজৰিকা বঁটাৰে সন্মানীত কৰে।

তলত নটৰাজ থিয়েটাৰৰ কেইটামান বৰ্ষৰ নাট্য-পৰিক্ৰমাৰ বিষয়ে উল্লেখ কৰা হ'ল—

প্ৰথম বছৰৰ নাট্য পৰিক্ৰমা : ১৯৬৩ চনত গঢ়ি উঠে অসমৰ প্ৰথমখন ভ্ৰাম্যমাণ থিয়েটাৰ। উল্লেখ্য যে প্ৰথম অৱস্থাত এই নাট্যদলটি 'ভ্ৰাম্যমাণ' বুলি কোনোৱে কোৱা নাছিল। নটৰাজৰ আগত ভ্ৰাম্যমাণৰ উপাধিটো লগাই দিছিল সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাদেৱে। ১৯৬৩-৬৪ বৰ্ষত গুৱাহাটীৰ জজ্ খেলপথাৰত গুৱাহাটী টাউন ক্লাবৰ সাহায্যাৰ্থে নটৰাজক নিমন্ত্ৰণ কৰি অনা হৈছিল। নটৰাজৰ নাটক চলি থকা সময়ত বৰুৱাদেৱে স্বচক্ষে এই বিস্ময়কৰ নাট পৰিবেশন উপভোগ কৰে আৰু এনে পৰিবেশনত অভিভূত হৈ নাট পৰিবেশনৰ এই ৰূপটোক 'ভ্ৰাম্যমাণ' আখ্যা দিয়ে। নাটক চোৱাৰ দ্বিতীয় দিনাখন তেওঁ নিজৰ বাতৰি কাকত এনেধৰণৰ এক বাতৰি পৰিবেশন কৰিছিল— "যাৰ নিজৰ শব্দ যন্ত্ৰ আছে, বৈদ্যুতিক কৌশল প্ৰয়োগ কৰা যন্ত্ৰপাতি আছে, নিজা মঞ্চ আছে, নিজা প্ৰেক্ষাগৃহ আছে, আনকি গাঁত খন্দা খণ্টাৰ পৰা কেৰাহি, বাল্টি সকলো আছে গতিকে এনে একক আৰু অনন্য থিয়েটাৰ পৃথিৱীৰ আন ঠাইত নাই বুলিয়েই বিশ্বৰ সৰ্বপ্ৰথম ভ্ৰাম্যমাণ থিয়েটাৰ বুলি নামকৰণ কৰা হ'ল।"

নটৰাজ থিয়েটাৰে ইয়াৰ প্ৰাৰম্ভিক বৰ্ষত প্ৰকাশ কৰা 'হায়দৰ আলি' নাটখনৰ পুস্তিকাখনত এনেদৰে ঘোষণা দিছিল—

"বুৰঞ্জী-সাহিত্য-কলা-বিজ্ঞান সকলোৰে মিলনকেন্দ্ৰ মঞ্চ শিল্পই আজি জাতীয় চৰিত্ৰ প্ৰকাশৰ এক অনবদ্য অঙ্গ হিচাপে দেখা দিছে। সেয়ে আজি বিশ্বজুৰি এই শিল্পৰ উন্নতিৰ হকে বিশেষভাৱে দৃষ্টিপাত কৰিছে। কিন্তু নক'লেও হ'ব যে অসমৰ এই কলা শিল্প আৰু ইয়াৰ শিল্পীসকলৰ অৱস্থা পুতৌ লগা।

এই শিল্পত আগৰণুৱা ভাৰতৰ অইন ৰাজ্যবোৰত এই শিল্প তাৰ মহানগৰীবোৰক কেন্দ্ৰ কৰি গঢ়ি উঠিছে। অসমত বোম্বাই-কলিকতাৰ দৰে চহৰ নাই বাবেই ইয়াত স্থায়ী

মঞ্চ-শিল্প গঢ়ি উঠিব পৰা নাই। শ্ৰেষ্ঠ নাটকখন আমাৰ ডাণ্ডৰ চহৰখনত কেই নিশামানৰ পিছতেই ভাগৰি পৰে।

সেয়ে এই শিল্পৰ শিল্পীসকলে যেন এই কলা চৰ্চা কৰিয়েই দুবেলা দুমুঠি খাব পাৰে, এই কলাৰ সেৱাত একাগ্ৰপতীয়াভাৱে মনোনিৱেশ কৰিব পাৰে, এই শিল্পৰ উন্নতি সাধিব পাৰে— তাৰ বাবে আমি বহল বজাৰ বিচাৰি এই ভ্ৰাম্যমাণ দলটি সংগঠিত কৰিছো— এক অভিনয় নাটঘৰ সজাইছো। অসমত চহৰমুখী সংস্কৃতিৰ অভিযানটোক আমি জনতামুখী কৰিবলৈ বিচাৰিছোঁ।

এনে ধৰণৰ প্ৰচেষ্টা অসম তথা ভাৰততেই প্ৰথম। এই শিল্প সাধনাই সফলতা লাভ কৰিবলৈ হ'লে, লাগে ৰাইজৰ মৰম আশীৰ্বাদ আৰু উপদেশ। ৰাইজে সেইকণ উদাৰতা দেখুৱাবনে।"

এনে এক গোঁহাৰিৰে নাট নিবেদন কৰা নটৰাজৰ প্ৰথম বছৰৰ নাটসমূহ আছিল উত্তম বৰুৱাৰ 'জেৰেঙাৰ সতী', ফণী শৰ্মা ৰচিত 'ভোগজৰা', অতুল চন্দ্ৰ হাজৰিকাৰ 'টিকেন্দ্ৰজিং' আৰু অনূদিত নাট 'হায়দৰ আলি'। অচ্যুত লহকৰ আৰু সদা লহকৰৰ যুটীয়া প্ৰযোজনাত হোৱা এই নাট্যদলটিৰ প্ৰথম বৰ্ষৰ বিভিন্ন কৰ্মকৰ্তা সকল আছিল—

উপদেষ্টা ঃ বিষ্ণু ৰাভা, ডঃ কৃষ্ণ লহকৰ, ধৰণী গোস্বামী

নাট্য পৰিচালনা ঃ চন্দ্ৰ চৌধুৰী

নৃত্য পৰিচালনা ঃ কালৱন্ত সিং, ৰবীন দাস

যন্ত্ৰসংগীত পৰিচালনা ঃ প্ৰভাত শৰ্মা, চন্দ্ৰ চৌধুৰী

পৰিকল্পনা ঃ অচ্যুত লহকৰ

কলা পৰিকল্পনা ঃ আদ্য শৰ্মা

ৰূপাঙ্কন ঃ আদ্য শৰ্মা, গজেন বৰুৱা, ত্ৰৈলোক্য দত্ত

সহযোগী ঃ প্ৰমোদ ৰায়

আলোক পৰিচালনা ঃ অচ্যুত লহকৰ

আলোক নিয়ন্ত্ৰণ ঃ তুষাৰ দাসগুপ্ত, ৰজনী দাস

স্থিৰচিত্ৰ ঃ ৰাজেন চৌধুৰী

স্মাৰক ঃ নগেন শৰ্মা, মঞ্জিল বৰদলৈ

শব্দযন্ত্ৰ নিয়ন্ত্ৰণ ঃ পৰেশ শৰ্মা, জীতেন দাস

দৃশ্য সজ্জা নিয়ন্ত্ৰণ ঃ সৰ্বেশ্বৰ দাস

সহযোগী ঃ হৰিচৰণ পাটগিৰী, বসন্ত বায়ন, কলা দাস, দধি পাটগিৰী, গঙ্গা দাস, বাবুল দাস, উপেন দাস, মাণিক ডেকা, ভবেন তালুকদাৰ।

প্ৰচাৰ ঃ অক্ষয় পাটগিৰী আৰু শ্ৰীকৃষ্ণ ৰয়।

১৯৬৩-৬৪ বৰ্ষৰ অৰ্থাৎ প্ৰথম বছৰটিত ভ্ৰাম্যমাণৰ অভিনয় শিল্পী সকল আছিল—

চন্দ্ৰ চৌধুৰী, জ্যোৎস্না দেৱী, অনুপমা ভট্টাচাৰ্য, ভোলা কটকী, নেত্ৰকমল বৰঠাকুৰ, জীতেন পাল, বণিতা বৰঠাকুৰ, মঞ্জিল বৰদলৈ, ধৰণী বৰ্মন, বলদেৱ শইকীয়া, সদা লহকৰ, ৰুদ্ৰ চৌধুৰী, হৰেণ ডেকা, স্বৰ্ণলতা বৰা, অক্ষয় পাটগিৰী, কৃষ্ণ বৰুৱা, নগেন শৰ্মা, প্ৰাণেশ্বৰ কাকতি, কৃষ্ণ ৰয়, খগেন বৰ্মন, মুকুল দাস, উদয় দাস আদিৰ দৰে শিল্পীসকল। প্ৰথম বৰ্ষৰ নৃত্য শিল্পীসকল আছিল খগেন (নাউ) বৰ্মন, স্বৰ্ণ বৰা, জয়হৰি দাস, উদয় দাস, মুকুল দাস, বীণা বৰঠাকুৰ, পৱিত্ৰী কাকতি আৰু ভূপেন দাস। ইয়াৰে খগেন বৰ্মা বা খগেন বৰ্মন পৰৱৰ্তী সময়ত ভাৰতবৰ্ষৰ এগৰাকী প্ৰখ্যাত নৃত্য শিল্পীৰূপে পৰিগণিত হৈছিল। তেওঁ আমেৰিকালৈ নৃত্য প্ৰদৰ্শন কৰিবলৈ গৈছিল আৰু তাত 'ভাৰত নাট্যম' প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা লাভ কৰিছিল।

প্ৰথম বৰ্ষৰ যন্ত্ৰশিল্পীসকল হ'ল— গোপী দাস, লীলা শইকীয়া, মুনীন্দ্ৰ বৰকটকী, জয়হৰি দাস, ৰাজকৃষ্ণ বাঢ়ৈ, ৰজনী ৰায়, উদয় দাস, কান্তেশ্বৰ দাস, উপেন্দ্ৰ বৰ্মন আৰু চন্দ্ৰ চৌধুৰী। প্ৰথম বছৰটিত ৰাজকৃষ্ণ বাঢ়ৈয়ে পুৰুষ আৰু মহিলা উভয় কণ্ঠৰ গীতবোৰত কণ্ঠদান কৰিছিল।

১৯৬৩ চনৰ ২ অক্টোবৰ তাৰিখে পাঠশালাৰ হৰিমন্দিৰ প্ৰাঙ্গনত নটৰাজ থিয়েটাৰে প্ৰথম নাট মঞ্চস্থ কৰে। হৰিমন্দিৰ প্ৰাঙ্গনৰ অস্থায়ী মঞ্চত ভ্ৰাম্যমাণ থিয়েটাৰে মঞ্চস্থ কৰা প্ৰথমখন নাট আছিল ফণী শৰ্মাৰ 'ভোগজৰা'। উল্লেখ্য যে প্ৰথম বৰ্ষত ভ্ৰাম্যমাণৰ ৰঙ্গমঞ্চখন (ট্ৰলি) চলন্ত আছিল। ঠেলি দিয়া ষ্টেজ বা ৰিভলভিং ষ্টেজৰ বিশেষত্ব আছিল এয়ে যে এখন মঞ্চত নাট চলি থকা সময়ত আনখন ষ্টেজত ছেটটো সজোৱা থাকে। ড্ৰপ পৰিলেই পূৰ্বৰ ষ্টেজখনক ঠেলা মাৰি আঁতৰাই আনখন ষ্টেজক আগৰখনৰ ঠাইত ৰখা হয়। ড্ৰপ আৰু আঁৰ কাপোৰৰ আঁৰত ষ্টেজৰ ছেটিং চলি থাকে বাবে দৰ্শকে ইয়াৰ একো উমঘাম নাপায়। ইয়াৰ ফলত নাটৰ মঞ্চায়নত কোনো যতি নপৰে আৰু কোনো ধৰণৰ বিৰতি নোলোৱাকৈ ধাৰাবাহিকভাৱে নাট চলি থাকে। এনেদৰে নটৰাজে পাঠশালাৰ পৰা ইয়াৰ যাত্ৰা আৰম্ভ কৰিলে আৰু এই থিয়েটাৰ ৰাজ্যখনৰ সকলো প্ৰান্তলৈ বিয়পি গ'ল। প্ৰথম বৰ্ষৰ আটাইকেইখন নাট, বিশেষকৈ 'হায়দৰ আলি' আৰু জেৰেঙাৰ সতী' নাটদুখনিক অসমীয়া দৰ্শকে বিপুলভাৱে আদৰি লৈছিল। প্ৰথম বছৰটোৰ থিয়েটাৰ হলটি আজিৰ তুলনাত V আকৃতিৰ আছিল। পৰৱৰ্তী সময়ত বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ অন্তত এই প্ৰেক্ষাগৃহটোৱে আজিৰ ৰূপ পাইছে। যিহেতু প্ৰথম বৰ্ষত ষ্টেজ এখনহে আছিল সেয়েহে হলটোৰ সমুখ ভাগটো ৪০ ফুট মানৰ আছিল আৰু পিছলৈ ই V আকৃতিত সম্প্ৰসাৰিত হৈছিল। সেই হিচাপত একেবাৰে পিছমূৰটো দীঘলে ৯০ পৰা ১০০ ফুটমান হৈছিলগৈ। একেদৰে এতিয়াৰ লেখীয়াকৈ সেই সময়ত টিনৰ বা প্লাষ্টিকৰ চকীৰ ব্যৱস্থা নাছিল। কাঠৰ ফোল্ডিং চকীৰ ব্যৱস্থা কৰা হৈছিল।

ভ্ৰাম্যমাণ থিয়েটাৰত প্ৰাৰম্ভিক অৱস্থাত গেলাৰীৰ ব্যৱস্থা নাছিল। বজালীৰ সন্তান

হৰেন দাসৰ 'ডায়মণ্ড চাৰ্কাছ'ৰ গেলাৰীৰ ধাৰণাৰ পৰা অচ্যুত লহকৰে গেলাৰী ব্যৱস্থাটো ভ্ৰাম্যমাণতো আৰম্ভ কৰাৰ পৰিকল্পনা কৰে আৰু তৃতীয় বৰ্ষৰ পৰা নটৰাজত গেলাৰী প্ৰৱৰ্তন কৰে।

বিৰতিবিহীন পেণ্ডেল কৰা ধাৰণাটোও সেই সময়ত ভ্ৰাম্যমাণত প্ৰচলিত হোৱা নাছিল। প্ৰথম বছৰটোৰ পৰা আৰম্ভ কৰি পৰৱৰ্তী কেইটামান বছৰলৈ নটৰাজ থিয়েটাৰে দুটা পেণ্ডেলৰ মাজত বিৰতি ল'ব লগা হৈছিল আৰু এই সময়ছোৱাতে পৰৱৰ্তী পেণ্ডেলটো প্ৰস্তুত কৰা হৈছিল। পাছলৈ যেতিয়া নটৰাজত থিয়েটাৰ প্ৰেক্ষাগৃহটোৰ দুটাকৈ ছেট প্ৰস্তুত কৰা হ'ল তেতিয়াহে পেণ্ডেলবোৰ ধাৰাবাহিকভাৱে ৰাখিব পৰাৰ এক ব্যৱস্থা গঢ়ি উঠিল। প্ৰথম বৰ্ষত টায়াৰ লগোৱাৰ বাবে ষ্টেজখন কঁপি উঠিছিল আৰু পাছলৈ দ্বিতীয় বৰ্ষত সৰুপেটাৰ কৰ্দৈগুৰিৰ নামৰ ঠাইখনত পেণ্ডেল চলি থকা সময়ত টায়াৰৰ চকা গুচাই সৰ্বপ্ৰথম লোৰ চকা লগোৱা হৈছিল।

প্ৰথম বৰ্ষৰ নাট্যযাত্ৰা আছিল চমকপ্ৰদ। পাঠশালাত দৰ্শকে নটৰাজক অন্তৰেৰে আকোঁৱালি লৈছিল আৰু আটাইকেইখন নাটতে দৰ্শকৰ বিপুল সমাগম হৈছিল।

দ্বিতীয় বৰ্ষৰ পৰিক্ৰমা (১৯৬৪-৬৫) : প্ৰথম বৰ্ষৰ সফল সমাপ্তিৰ পিছত দ্বিতীয় বৰ্ষৰ নাট্যপৰিক্ৰমাত ভালেমান অসুবিধাৰ সৃষ্টি হয়। মূলত তীব্ৰ আৰ্থিক দুৰাৱস্থাৰ বাবে থিয়েটাৰ দলটি বন্ধ কৰিব লগা এক অৱস্থা হয়হি। প্ৰথম বৰ্ষৰ প্ৰায় আটাইবোৰ শিল্পীয়ে এই বৰ্ষত নটৰাজৰ পৰা আঁতৰি গৈছিল, আনকি ভাতৃ সদা লহকৰেও অচ্যুত লহকৰৰ সংগ এৰিছিল। তথাপি একমাত্ৰ নিজৰ মনোবল আৰু কিছুসংখ্যক সদাশয় ব্যক্তিৰ সহায়ত অচ্যুত লহকৰে দ্বিতীয় বৰ্ষৰ যাত্ৰা আৰম্ভ কৰিছিল। কহিনুৰ থিয়েটাৰৰ প্ৰযোজক ৰতন লহকৰৰ ভাষাত **"যদিহে অচ্যুতদাই এই বছৰটিত মাৰবান্ধি থিয় নিদিলেহেঁতেন তেন্তে আজি অসমত ভ্ৰাম্যমাণ থিয়েটাৰ দলৰ অস্তিত্বই কল্পনা কৰিব পৰা নগ'লহেঁতেন। সমগ্ৰ প্ৰত্যাহ্বানৰ সাহসেৰে মুখামুখি হৈ নটৰাজক পুনৰবাৰ উজ্জীৱিত কৰাৰ যি নজিৰ অচ্যুতদাই দেখুৱালে, সি অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰ ইতিহাসত চিৰকালৰ বাবে স্মৰণীয় হৈ থাকিব। এই বছৰটিত নটৰাজক পুনৰ গতিশীল কৰি প্ৰকৃতপক্ষে দাদাই আমাৰ দৰে অসংখ্যজনৰ পেটৰ ভাত মোকলাই দিছিল।"**

পাঠশালা নিবাসী কাঠৰ মিলৰ মালিক মেঘৰাজ আগৰৱালা আৰু কাপোৰৰ দোকানী গণেশ শৰ্মাই চূড়ান্ত আৰ্থিক দুৰৱস্থাৰ সময়ত অচ্যুত লহকৰক যথেষ্ট পৰিমাণে সহায় কৰিছিল। আগৰৱালাই লহকৰক মঞ্চ সজাৰ কাঠ আৰু শৰ্মাই প্ৰয়োজনীয় কাপোৰ-কানিবোৰ বাকীত প্ৰদান কৰিছিল। এনেদৰে বিভিন্ন জনৰ আশীৰ্বাদ আৰু সহায়ৰ বলত নটৰাজে দ্বিতীয় বৰ্ষৰ নাট্যযাত্ৰা আৰম্ভ কৰিছিল।

দ্বিতীয় বৰ্ষৰ পৰিক্ৰমাত নটৰাজে লোৱা নাটকেইখন হ'ল— 'হায়দৰ আলি', উৎপল দত্ত ৰচিত মূল বাংলা নাটৰ অনুবাদ 'অঙ্গাৰ', অতুল চন্দ্ৰ হাজৰিকা ৰচিত মূল নাটৰ ভ্ৰাম্যমাণ

নাট্যৰূপ 'বেউলা' আৰু 'জেৰেঙাৰ সতী'। দ্বিতীয় বৰ্ষৰ নৃত্য-নাটিকাকেইখন আছিল— 'ৰাম-বিজয়', 'অহল্যা উদ্ধাৰ', 'চিত্ৰাঙ্গদা', 'সীতা সয়ম্বৰ', 'কুমাৰ হৰণ', 'এই মৃত্যু অপৰাজেয়' আৰু 'চণ্ডালিকা'। অভিনয়ত আছিল— দেবেন দাস, নৃপেন দাস, যোগেশ শৰ্মা, বলো শইকীয়া, ভবানন্দ পাটগিৰী, বসন্ত শৰ্মা, কৃষ্ণ ৰয়, ভুবন বৰুৱা, সুমিত্ৰা বৰুৱা, ৰেণু ফুকন আদি শিল্পীসকল। এই বৰ্ষৰ কণ্ঠ শিল্পী আছিল ৰাজকৃষ্ণ বাঢ়ৈ আৰু ৰেণু দত্ত বৰফুকন। বাদ্য যন্ত্ৰৰ শিল্পীসকল হ'ল কনকেশ্বৰ বৰুৱা, লীলা শইকীয়া, হৰমোহন বড়ো, কান্তেশ্বৰ দাস আদি।

তৃতীয় বৰ্ষৰ পৰিক্ৰমা (১৯৬৫-৬৬) : তৃতীয় বৰ্ষত নটৰাজ পুনৰ নকৈ সজীৱ হৈ উঠিছিল। দ্বিতীয় বৰ্ষত যন্ত্ৰ শিল্পী গোপী দাসৰ তাগিদাত 'বেউলা'নাটখন গ্ৰহণ কৰাটো নটৰাজ থিয়েটাৰ তথা সমগ্ৰ ভ্ৰাম্যমাণৰ ইতিহাসৰ বাবে যেন এক টাৰ্নিং পইণ্ট আছিল। দ্বিতীয় বৰ্ষৰ পৰা আৰম্ভ কৰি ২০০৩ চন পৰ্যন্ত নটৰাজ থিয়েটাৰে (২০০৩ চনত নটৰাজ থিয়েটাৰ সম্পূৰ্ণভাৱে বন্ধ হয়) বেউলা নাটখন মঞ্চস্থ কৰিছিল। 'বেউলা'ৰ বাহিৰেও আন নাটসমূহ আছিল 'নন্দদুলাল', 'আনাৰকলি', 'বন্দিতা' আৰু 'খনা'। ইয়াৰে 'বন্দিতা' নাটখন আছিল ভ্ৰাম্যমাণৰ প্ৰথম সামাজিক নাট। নাটবোৰ পৰিচালনা কৰিছিল চন্দ্ৰ চৌধুৰী আৰু অচ্যুত লহকৰে।

বেউলা নাটখনত বেউলাৰ চৰিত্ৰত অনুপমা বৰুৱা, চন্দ্ৰধৰৰ চৰিত্ৰত যোগেশ শৰ্মা আৰু লেঙাৰ চৰিত্ৰত চন্দ্ৰ চৌধুৰীয়ে অনবদ্য অভিনয় কৰিছিল। একেদৰে 'আনাৰকলি' নাটখন আটাইতকৈ সফল নাট হিচাপে দৰ্শকৰ সমাদৰ পাইছিল। নাটখনত যোগেশ শৰ্মা (ৰহিম), চন্দ্ৰ চৌধুৰী (মামুদ), সুমিত্ৰা বৰুৱা (যোধাবাই), দীপিকা হাজৰিকা (ফিৰোজা) বলদেৱ শইকীয়া (অমৰ সিংহ), ৰমা শীল (মান সিংহ), মোহিনী ভৰালী (আনাৰ) আৰু সদা লহকৰ (চেলিম) আদিয়ে দুৰ্দান্ত অভিনয় কৰিছিল। বছৰটিৰ আন শিল্পীসকল আছিল— বসন্ত শৰ্মা, দেবেন ভূঞা, ৰতন লহকৰ, ভু বন বৰা, প্ৰফুল্ল শৰ্মা, ৰতি দাস, কনক কলিতা, কনকেশ্বৰ বৰুৱা, খগেন বৰ্মন উদয় দাস, ৰেণু ফুকন, বনিতা বৰঠাকুৰ, বাণী বৰঠাকুৰ, মুন পাটগিৰী আদি।

এই বছৰৰ নৃত্য-নাটিকাকেইখন হৈছে— 'কুমাৰ হৰণ', 'চিত্ৰাঙ্গদা' আৰু 'অস্পৃশ্যতা'। এই বৰ্ষত দল পৰিচালনাৰ দায়িত্বত নগেন শৰ্মা, হল পৰিচালনাত হৰেণ তালুকদাৰ, প্ৰচাৰত দেবেন দাস, স্থিৰ চিত্ৰত ৰাজেন চৌধুৰী আৰু ৰূপাংকনত আছিল প্ৰমোদ ৰায়। নৃত্য পৰিচালনা কৰিছিল খগেন বৰ্মন আৰু উদয় দাসে। শব্দযন্ত্ৰত আছিল হৰকান্ত ৰায় আৰু নিতাই ঘোষ। আলোক নিৰ্দেশনা কৰিছিল প্ৰযোজক অচ্যুত লহকৰে। দৃশ্যসজ্জাত মহেশ দাস আৰু বাবুল দাস আৰু স্মাৰকৰ দায়িত্বত আছিল নগেন শৰ্মা, নিৰু শইকীয়া আৰু ভুবন বৰা। এই বৰ্ষৰ আন কলা-কুশলীসকল হ'ল— (ৰূপাংকনত) ৰজনী ৰায়, গগন দাস, হৰকান্ত ৰয়; (আলোকত) হৰেণ দাস, ৰজনী ৰায়, সূৰ্য দাস আৰু মহেশ মেধি; (ৰূপসজ্জাত)

ভদ্ৰেশ্বৰ পাঠক, ৰতিকান্ত দাস; (মঞ্চ কৌশলী) কুমুদ দাস, মনমোহন পাটগিৰী, চন্দ্ৰ দাস, বীৰেন দত্ত, হৰিচৰণ শালৈ, ৰাজেন ৰয়, তাৰিণী কলিতা, খগেন শৰ্মা, হৰেন তালুকদাৰ, ফুকন দাস, ভুবনেশ্বৰ ভাগৱতী, কামাখ্যা শৰ্মা, বসন্ত, দ্বীপনাৰায়ণ, মাণিকলাল আদি।

এই বছৰৰ নৃত্য শিল্পীসকল হ'ল— খগেন বৰ্মণ, উদয় দাস, ভূপেন দাস, কন্দৰ্প দাস, মহেন্দ্ৰ কলিতা, দীনবন্ধু বৈশ্য, বসন্ত দাস আৰু ভবানী দাস।

১৯৬৫-৬৬ বৰ্ষৰ দুটিমান গান দৰ্শকৰ মাজত যথেষ্ট জনপ্ৰিয় হৈছিল। গান দুটিৰ কথা তলত উল্লেখ কৰা হ'ল—

কথা ঃ ৰেণু ফুকন

আকাশ চিকিমিকি কৰা ৰূপোৱালী তৰা
পৃথিবীত চিকিমিকি নিয়ৰৰে থোপা
অ'... সুৰুযৰে আঙনীৰে জিলিকে মুকুতা
মুখৰে চিকিমিকি লাৱনি মুখখনি
মধুমিঠা, অ মধুমিঠা হাঁহি সৰলতা
যেন— আকাশতে ৰামধেনুৰে ৰেখা
জোনালীয়ে হাঁহি মাৰে মনৰ বান্ধ সুলকি পৰে
কল্পনা কল্পনা সোণৰে গঢ়া
চকুৰ পতাত ঘুমতি আপোন পাহৰা
খোপাত যেন গুজি ল'ব আকাশৰে তৰা
জোনালীত যেন চালি দিব চঞ্চলা হিয়া
অ' সুৰুযৰে আঙনীৰে জিলিকে মুকুতা

কথা ঃ দ্বিজেন দাস

দে খোজ দে সমুখলৈ
অ' পোহৰ সন্ধানী যাত্ৰী
তিমিৰ নাশি পোহৰ বিচাৰি
দে খোজ দে সমুখলৈ
পথত আছে তোৰ হেজাৰ বিঘিনি
মৰণৰ আহ্বান হয়তো শুনিবি
শঙ্কা নকৰি মৰণ নেওচি
পথৰ বান্ধোন এৰি থৈ
পোহৰ বিচাৰি যা আগুৱাই
যা আগুৱাই সমুখলৈ

Acc NO 27170/15

চতুৰ্থ বৰ্ষৰ পৰিক্ৰমা (১৯৬৬-৬৭) ঃ চতুৰ্থ বছৰত নটৰাজে থিয়েটাৰে মঞ্চস্থ কৰা নাটসমূহ আছিল— 'বেউলা', 'হায়দৰ আলি', 'সতী সাৱিত্ৰী', 'বিপ্লৱ' আৰু '১৮৫৭'। নাটসমূহ পৰিচালনা কৰিছিল চন্দ্ৰ চৌধুৰী আৰু ধৰণীধৰ গোস্বামীয়ে।

এই বৰ্ষত নটৰাজে 'থিয়েটাৰ স্কোপ' পদ্ধতি আৰম্ভ কৰে। চিনেমাৰ কিছুমান কৌশল যেনে ফেড ইন, ফেড আউট, ইণ্টাৰকাট আদি ব্যৱহাৰ কৰি থিয়েটাৰ স্কোপ পদ্ধতিটো উদ্ভাৱন কৰা হৈছিল। এই পদ্ধতিত চিনেমাৰ কিছুমান কৌশলহে ব্যৱহাৰ কৰা হৈছিল, চিনেমাৰ ৰীল বা কেমেৰাৰ ব্যৱহাৰ হোৱা নাছিল। থিয়েটাৰ স্কোপ পদ্ধতিত আটাইতকৈ সফল নাটৰূপে বিবেচিত হৈছিল '১৮৫৭' নাটখনি। মহেশ দাস আৰু বাবুল দাসৰ দৃশ্যসজ্জা তথা অচ্যুত লহকৰ আলোক নিয়ন্ত্ৰণৰ নিপুণতাই নাটখন আকৰ্ষণীয় কৰি তুলিছিল।

আন বৰ্ষৰ দৰে এইবেলি বেউলা নাটখন যথেষ্ট জনপ্ৰিয় হৈছিল। ৰীণা বৰা (বেউলা), উদয় দাস (লখিন্দৰ), চন্দ্ৰ চৌধুৰী (লেঙা), যোগেশ শৰ্মা (চান্দ সদাগৰ) আৰু ৰেণু ফুকনৰ অভিনয় আছিল চমকপ্ৰদ। এই বৰ্ষৰ আন শিল্পীসকল হ'ল— জিতেন পাল, ৰমা শীল, প্ৰফুল্ল শৰ্মা, ভুবন বৰা, ৰতি দাস, হৰেন ৰায়, নগেন শৰ্মা, কমল কলিতা, উমা কলিতা, জ্যোৎস্না দেৱী, দীপিকা হাজৰিকা, নিৰু শইকীয়া, বনিতা বৰঠাকুৰ, অনু বৰুৱা, বাণী বৰঠাকুৰ, মুন পাটগিৰী আদি।

চতুৰ্থ বছৰত নটৰাজ থিয়েটাৰে পৰিবেশন কৰা নৃত্য-নাটিকাকেইখন হ'ল— 'চিত্ৰাঙ্গদা', 'মদনভস্ম', 'অস্পৃশ্যতা বৰ্জন', 'এই মৃত্যু অপৰাজেয়' 'শকুন্তলা', 'কাৰেঙৰ লিগিৰী' আৰু 'তেজীমলা'। নৃত্য পৰিচালনা কৰিছিল খগেন বৰ্মন আৰু উদয় দাসে। নৃত্য শিল্পীসকল হ'ল খগেন বৰ্মন, উদয় দাস, ভূপেন দাস, কন্দৰ্প দাস, ভবানী দাস আদি।

পঞ্চম বৰ্ষৰ পৰিক্ৰমা (১৯৬৭-৬৮) ঃ পঞ্চম বৰ্ষত নটৰাজে মঞ্চস্থ কৰা নাটসমূহ আছিল '১৮৫৭', 'সতী সাৱিত্ৰী', 'নন্দদুলাল', 'বন্দিতা', 'চোৰাব ৰুস্তম' আৰু 'বেউলা'। নাটসমূহ পৰিচালনা কৰিছিল চন্দ্ৰ চৌধুৰী আৰু ধৰণীধৰ গোস্বামীয়ে।

এই বৰ্ষৰ অভিনয় শিল্পীসকল হ'ল— চন্দ্ৰ চৌধুৰী, সদা লহকৰ, ৰুদ্ৰ চৌধুৰী, প্ৰফুল্ল শৰ্মা, ভবানন্দ পাটগিৰী, ৰমা শীল, ৰতি দাস, ভুবন বৰা, জ্যোৎস্না দেৱী, কিৰণ হাজৰিকা, দিলীপ হাজৰিকা, নিৰু শইকীয়া, ৰুণু খাউণ্ড, সত্য অধিকাৰী, নগেন শৰ্মা, হৰেন ৰায়, ৰঘু মালাকাৰ, লক্ষ্মীকান্ত ভূঞা, প্ৰতাপ খাউণ্ড, মদন শৰ্মা, তনু কলিতা, নৃপেন ৰায়, খগেন বৰ্মন, ভূপেন দাস, দীনবন্ধু বৈশ্য, প্ৰবীণ ৰায়, নন্দেশ্বৰ ৰায়, সুনীল মোহন, কন্দৰ্প দাস, চিত্ৰা দেৱী, বিভা বৰুৱা, মুন পাটগিৰী, ৰেণুকা কলিতা, কমলা দাস আৰু ভাৰতী দাস।

চোৰাব ৰুস্তম নাটখনিত ৰুস্তমৰ চৰিত্ৰত প্ৰফুল্ল শৰ্মাই আৰু কাইকাউচৰ ভাৱত ৰুদ্ৰ চৌধুৰীয়ে দৰ্শনীয় অভিনয় কৰিছিল। একেদৰে নাটখনৰ আন আন চৰিত্ৰসমূহত সদা লহকৰ (চোৰাব), ভবানন্দ পাটগিৰী (জ্বাল), লক্ষীকান্ত ভূঞা (খুৰুম) আৰু জ্যোৎস্না দেৱী (কদম) য়ে মন পৰশা অভিনয় কৰিছিল।

এই বৰ্ষৰ আন এখন ব্যৱসায়িকভাৱে সফল নাট আছিল 'নন্দদুলাল'। নাটখনিত প্ৰফুল্ল শৰ্মা (উগ্ৰসেন), ৰুদ্ৰ চৌধুৰী (কংস), ভবানন্দ পাটগিৰী (বসুদেৱ), কিৰণ হাজৰিকা (দৈৱকী) আৰু নিৰু হাজৰিকা (যশোদা) ই অতি প্ৰশংসনীয় অভিনয় কৰিছিল।

ভ্ৰাম্যমাণৰ প্ৰথমখন সামাজিক নাটক 'বন্দিতা' এইবেলিও নটৰাজে মঞ্চস্থ কৰিছিল। নাটখনিত সদা লহকৰে পাখিৰ ভাৱত দুৰ্দান্ত অভিনয় প্ৰদৰ্শন কৰিছিল। নাটখনত চন্দ্ৰ চৌধুৰী (সজভড়াৰ চৰিত্ৰত) জ্যোৎস্না দেৱী (বন্দিতা) আৰু দীপিকা হাজৰিকাই শক্তিশালী অভিনয় প্ৰদৰ্শন কৰিব সক্ষম হৈছিল। অচ্যুত লহকৰৰ আলোক নিৰ্দেশনা আৰু আদ্য শৰ্মাৰ কলা নিৰ্দেশনাই নাটখনৰ জেউতি চৰাইছিল। এই বৰ্ষত ৰূপসজ্জাৰ নিৰ্দেশনা সদা লহকৰ আৰু মনোমোহন দাসে আৰু সংগীত নিৰ্দেশনা কৰিছিল ক্ৰমে গোপী দাস, ৰবি দাস আৰু দশৰথ দাসে।

পঞ্চম বৰ্ষত নৃত্য পৰিচালনা কৰিছিল যতীন গোস্বামী আৰু ৰঞ্জিৎ সিঙে। অসম তথা ভাৰতবৰ্ষৰ কলা সংস্কৃতিক লৈ যতীন গোস্বামীয়ে ৰচনা কৰা 'সুন্দৰপুৰ' নামৰ নৃত্য-নাটিকাখনত গোস্বামীয়ে ৰত্ন তালুকদাৰৰ সহযোগত দেৱদাসী, ভাৰত নাট্যম, কথক আৰু সত্ৰীয়া নাচৰ আৰ্হি দেখুৱাইছিল। আন নৃত্য-নাটিকাসমূহ হ'ল— 'ৰুক্মিণী হৰণ', (ৰচনা ঃ যতীন গোস্বামী), 'চিত্ৰাঙ্গদা, 'ৰাম বিজয়' (ৰচনা ঃ ৰঞ্জিৎ সিং) আৰু 'শকুন্তলা' (ৰচনা ঃ ৰবীন দাস)। নৃত্য শিল্পীসকল হ'ল ৰুণু খাউণ্ড, চিত্ৰা দেৱী, নিভা বৰুৱা, মুন পাটগিৰী, বেবি হাজৰিকা, কমলা সিং, ৰেণুকা কলিতা, ভাৰতী দাস, খগেন বৰ্মন, ভূপেন দাস, কন্দৰ্প দাস, নগেন লহকৰ, দীনবন্ধু বৈশ্য, বসন্ত দাস, যোগেন তালুকদাৰ, প্ৰবীণ ৰায়, সুনীল মোহন, নৃপেন ৰায়, নন্দেশ্বৰ ৰায় আদি। কণ্ঠ শিল্পীসকল হ'ল— দশৰথ দাস, ৰবি দাস, সুমিত্ৰা দাস, চিত্ৰা দেৱী, খগেন বৰ্মন আৰু কন্দৰ্প দাস। যন্ত্ৰ শিল্পীসকল হ'ল— গোপী দাস, ৰবি দাস, গোবিন্দ হাঁলৈ, দশৰথ দাস, কান্তেশ্বৰ দাস, লীলা শইকীয়া, ভূপেন দাস, কন্দৰ্প দাস, চৰণ দাস আৰু সুনীল মোহন।

পঞ্চমবৰ্ষৰ বিভিন্ন কলাকুশলী সকল আছিল এনেধৰণৰ— তনু কলিতা (দল পৰিচালক), হৰেন তালুকদাৰ (হল পৰিচালক), নগেন শৰ্মা (প্ৰচাৰক), ৰাজেন চৌধুৰী (স্থিৰচিত্ৰ), খগেন বৰ্মন (সহঃনৃত্য পৰিচালনা) নগেন শৰ্মা আৰু ভুবন বৰা (যোগাযোগ প্ৰতিনিধি) খগেন শৰ্মা, নিতাই ঘোষ, পৰেশ শৰ্মা (শব্দ যন্ত্ৰ), মহেশ দাস, বাবুল দাস (দৃশ্য সজ্জা) নগেন শৰ্মা, সুমিত্ৰা দাস আৰু ভুবন বৰা (স্মাৰক), ৰূপাঙ্কনৰ সহযোগীসকল আছিল আদ্য শৰ্মা, মনোমোহন দাস, ৰজনী ৰায়, গগন দাস। আলোকৰ সহযোগী আছিল ভদ্ৰেশ্বৰ পাঠক, ৰতিকান্ত দাস। মঞ্চ কৌশলীসকল হ'ল কুমুদ দাস, মনমোহন পাটগিৰী, কৈলাশ দাস, বীৰেন দত্ত, হৰিচৰণ শালৈ, ৰাজেন ৰয়, তাৰিণী কলিতা, খগেন শৰ্মা, হৰেণ তালুকদাৰ, ভুৱনেশ্বৰ ভাগৱতী, হৰেণ কলিতা, ৰামচন্দ্ৰ মাহাতো, সুধীৰ ৰয়, বাবুল ৰাম, কিশোৰী মেধি, সূৰ্য ৰায়, নিৰঞ্জন দাস, কমলা বসুমতাৰী, হৰেন কলিতা, মহৎ বসুমতাৰী আদি।

ষষ্ঠ বৰ্ষৰ পৰিক্ৰমা (১৯৬৮-৬৯) ঃ এই বৰ্ষত ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চত এক যুগান্তকাৰী পৰিৱৰ্তন সংঘটিত হয়। এই বছৰতে অচ্যুত লহকৰে চিনে থিয়েটাৰ পদ্ধতিৰ আৰম্ভণি কৰে। 'বেউলা' নাটখনিৰ কিছুমান দৃশ্য যেনে নাটকত সাপৰ পৰা পদ্মাৰ আৱিৰ্ভাৱ, পদ্মাৰ পৰা নাপিতলৈ পৰিৱৰ্তন আদি দৃশ্যবোৰ মঞ্চত উপস্থাপন কৰাটো কষ্টসাধ্য আছিল বাবে অচ্যুত লহকৰৰ মনত নাটকৰ মাজত চিনেমাৰ দৃশ্য ভৰোৱাৰ কথা মনলৈ আহিছিল। চিনেমাৰ দৃশ্যাৱলী পৰিচালনা ভবা মতেই কাম। কলিকাতাৰ পৰা কেমেৰাৰ ভাৱাত অনা হ'ল। চিনেমাৰ দৃশ্যাৱলী পৰিচালনা কৰিছিল ভবেন দাসে। আনহাতে কেমেৰামেন আছিল নলীন দুৱৰা সহকাৰী হিচাপে আছিল শংকৰ গুহ। 'জেৰেঙাৰ সতী' নাটকত নগা পাহাৰ দেখুৱাবৰ বাবে মানস অভায়াৰণ্যস্থিত মথনগুৰিৰ পাহাৰবোৰক বাছি লোৱা হৈছিল। একেদৰে বেউলাৰ দৃশ্যাংশ বৰ্তমান বাক্সা জিলাৰ থমনাৰ কাষৰ চুইচ গেটত লোৱা হৈছিল। এনেদৰে 'বেউলা' আৰু 'জেৰেঙাৰ সতী' নাটত চিনেমাৰ দৃশ্য প্ৰয়োগ কৰি নটৰাজ চিনে থিয়েটাৰৰ যাত্ৰা আৰম্ভ হৈছিল।

চন্দ্ৰ চৌধুৰী আৰু ধৰণীধৰ গোস্বামীৰ পৰিচালনাত এইবেলি মঞ্চস্থ হোৱা আন নাটসমূহ আছিল— 'কাৰবালা', 'এখন পৃথিৱী' আৰু 'বিচাৰক সম্ৰাট বিক্ৰমাদিত্য'। অভিনয় শিল্পীসকল হ'ল— চন্দ্ৰ চৌধুৰী, মহানন্দ শৰ্মা, বলদেৱ শইকীয়া, ৰমা শীল, প্ৰফুল্ল শৰ্মা, বসন্ত শৰ্মা, গোপাল মিশ্ৰ, সুমিত্ৰা বৰুৱা, কিৰণ হাজৰিকা, জ্যোৎস্না দেৱী, নিৰু শইকীয়া, ৰেণু খাউণ্ড, ৰেণু কলিতা, চিত্ৰা দেৱী, মনোমতী দাস আদি। এই বৰ্ষৰ নৃত্য-নাটিকাকেইখন হ'ল 'চিত্ৰাঙ্গদা', 'শকুন্তলা', 'পাৰিজাত হৰণ' আদি।

সপ্তম বৰ্ষৰ পৰিক্ৰমা (১৯৬৯-৭০) ঃ নটৰাজ চিনে থিয়েটাৰে এই বৰ্ষত মুঠতে পাঁচখন নাট মঞ্চস্থ কৰাৰ পৰিকল্পনা কৰে। চিনে থিয়েটাৰৰ স্বাক্ষৰ কেৱল 'বেউলা' আৰু 'জেৰেঙাৰ সতী' এই নাট দুখনিতহে আছিল। এই বৰ্ষৰ আন নাট কেইখন আছিল 'বিচাৰক সম্ৰাট বিক্ৰমাদিত্য', 'কুৰুক্ষেত্ৰ' অচ্যুত লহকৰৰ ৰচিত 'পৰশুৰামৰ মাতৃহত্যা' আৰু 'আনাৰকলি'। অভিনয়ত আছিল সদা লহকৰ, সুৰেন পাটগিৰী, জ্যোৎস্না দেৱী, কিৰণ হাজৰিকা আদি শিল্পীসকল। যতীন গোস্বামী ৰচিত 'পাৰিজাত হৰণ' আৰু বিষ্ণুৰাভা ৰচিত 'লুইতৰ পাৰে পাৰে' এই বৰ্ষৰ দুখন উল্লেখনীয় নৃত্য-নাটিকা আছিল। নৃত্য পৰিচালনা কৰিছিল যতীন গোস্বামীয়ে।

অষ্টম বৰ্ষৰ পৰিক্ৰমা (১৯৭০-৭১) ঃ এই বৰ্ষত নটৰাজে ভ্ৰাম্যমাণ থিয়েটাৰত প্ৰথমবাৰৰ বাবে তিনিখন মঞ্চৰ ব্যৱস্থা কৰে। অষ্টম বৰ্ষত নটৰাজ থিয়েটাৰে মঞ্চস্থ কৰা নাটসমূহ আছিল— 'নুৰজাহান', 'বিচাৰক সম্ৰাট বিক্ৰমাদিত্য', 'সতী বেউলা' 'জেৰেঙাৰ সতী' আৰু 'ভৰত মিলন'। পৰিৱেশিত নৃত্য-নাটিকাসমূহ হ'ল— 'বাসৱ দত্তা' 'পাৰিজাত হৰণ' 'অসমক কৰিলো পণ', 'চিত্ৰাঙ্গদা', 'লুইতৰ পাৰে পাৰে' আৰু কচ দেৱযানী। নৃত্য পৰিচালনা কৰিছিল যতীন গোস্বামীদেৱে। সংগীত পৰিচালনাৰ দায়িত্বত আছিল মুকুল বৰুৱা আৰু প্ৰভাত শৰ্মা। নাটসমূহ পৰিচালনা কৰিছিল ধৰণীধৰ গোস্বামীয়ে।

নৱম বৰ্ষৰ পৰিক্ৰমা (১৯৭১-৭২) ঃ নৱম বৰ্ষত এই নাট্যদলটিয়ে মঞ্চস্থ কৰা নাটসমূহ আছিল অচ্যুত লহকৰ ৰচিত তথা পৰিচালিত নাট 'ব্লেকমানি', 'বেউলা' আৰু 'জেৰেঙাৰ সতী'। ইয়াৰে 'ব্লেকমানি' নাটৰ কাহিনীক পাছলৈ অচ্যুত লহকৰে চলচ্চিত্ৰৰ ৰূপ দিছিল যদিও ছবিখনে প্ৰেক্ষাগৃহৰ মুখ দেখিব নোৱাৰিলে। বছৰটিৰ নৃত্য-নাটিকা কেইখন হ'ল— 'কচ দেৱযানী', 'পাৰিজাত হৰণ', 'অসমক কৰিলো পণ' আৰু 'শকুন্তলা'। নাট পৰিচালনা কৰিছিল ধৰণীধৰ গোস্বামীয়ে। নৃত্য পৰিচালনা কৰিছিল যতীন গোস্বামীয়ে।

দশম বৰ্ষৰ পৰিক্ৰমা (১৯৭২-৭৩) ঃ এই বৰ্ষ নটৰাজৰ মঞ্চত মঞ্চস্থ হোৱা নাটসমূহ হৈছে 'ব্লেকমানি' (ৰচনা ঃ অচ্যুত লহকৰ), 'বিপ্লৱী ৰহস্য', 'লাচিত সেনাৰ পৰাজয়', 'বেউলা' আৰু 'জেৰেঙাৰ সতী'। নাট পৰিচালনা কৰিছিল ধৰণীধৰ গোস্বামীয়ে। ৰবীন দাস আৰু যতীন গোস্বামীৰ নৃত্য পৰিচালনাৰে পৰিৱেশিত নৃত্য-নাটিকাকেইখন আছিল— 'সাৱিত্ৰী-সত্যৱান', 'কচ দেৱযানী', 'বাসৱদত্তা', 'পাৰিজাত হৰণ', 'ৰাসলীলা' আৰু 'জয় বাংলা'।

একাদশ বৰ্ষৰ পৰিক্ৰমা (১৯৭৩-৭৪) ঃ আন বছৰবোৰৰ লেখীয়াকৈ এইবেলিও 'বেউলা' আৰু 'জেৰেঙাৰ সতী' নাট মঞ্চস্থ হৈছিল। আন নাটসমূহ আছিল অচ্যুত লহকৰ ৰচিত 'ব্লেকমানি' আৰু 'কাৰবালা'। নাটবোৰ পৰিচালনা কৰিছিল ধৰণীধৰ গোস্বামীয়ে। নৃত্য-নাটিকা কেইখনি আছিল— 'সাৱিত্ৰী সত্যবান', 'শকুন্তলা', 'কচ দেৱযানী' আদি।

চতুৰ্দশ বৰ্ষৰ পৰিক্ৰমা (১৯৭৬-৭৭) ঃ এই বৰ্ষত নটৰাজ থিয়েটাৰে মঞ্চস্থ কৰা নাটকেইখন আছিল 'ধৰণী', 'উষা' (ৰচনা ঃ অচ্যুত লহকৰ), 'জেৰেঙাৰ সতী', 'কাৰবালা', 'ব্লেকমানি' আৰু 'বেউলা'। নাটবোৰ পৰিচালনা কৰিছিল ধৰণীধৰ গোস্বামীয়ে। উল্লেখ্য যে এই বছৰতে অচ্যুত লহকৰে ভ্ৰাম্যমাণক অসমৰ বাহিৰলৈ লৈ যোৱাৰ পৰিকল্পনা ৰচে আৰু সেই উদেশ্য অসমৰ বাংলা অধ্যুষিত এলেকা বিশেষকৈ বৰাক উপত্যকাত বাংলা ভাষাত নাট প্ৰদৰ্শন কৰে। বৰাকত নাট প্ৰদৰ্শন কৰাৰ সময়ছোৱাত এই থিয়েটাৰ দলটিয়ে ত্ৰিপুৰাতো দুই এখন পেশ্চেল কৰিছিল। বৰাক আৰু ত্ৰিপুৰাত যি সকল শিল্পীৰে নাটক কৰা হৈছিল সেই সকলক লৈয়েই নটৰাজ থিয়েটাৰে অসমৰ বাহিৰলৈ যাত্ৰা আৰম্ভ কৰিছিল। এই বছৰটিৰ উল্লেখযোগ্য শিল্পীসকল আছিল দেৱী দাস, পদুমী দেৱী, সৰ্বেশ্বৰ কলিতা, ৰত্নেশ্বৰ ৰয় আদিৰ দৰে শিল্পীসকল।

পঞ্চদশ বৰ্ষৰ পৰিক্ৰমা (১৯৭৭-৭৮) ঃ এই বৰ্ষত নটৰাজে মধ্যপ্ৰদেশলৈ নাট মঞ্চস্থ কৰিবৰ বাবে যাত্ৰা আৰম্ভ কৰে। যোৱাৰ পথত নাট্যদলটিয়ে পশ্চিমবংগ আৰু বিহাৰত নাট মঞ্চস্থ কৰে। পশ্চিমবংগত নাট মঞ্চস্থ কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ কৰ ব্যৱস্থা নাছিল বাবে দলটিয়ে অতি সুকলমে নাট মঞ্চস্থ কৰিছিল যদিও সমস্যা হৈছিল বিহাৰত নাট মঞ্চস্থ কৰাক লৈ। সেই সময়ত বিহাৰত নাট মঞ্চস্থ কৰাৰ ক্ষেত্ৰত কৰ দিয়াৰ প্ৰথা আছিল বাবে নটৰাজে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ল। অৱশেষত অচ্যুত লহকৰে তদানীন্তন বিহাৰৰ মুখ্যমন্ত্ৰী কপূৰী ঠাকুৰক বিষয়টি অৱগত কৰালে আৰু ইয়াৰে দুদিন পিছতে বিহাৰ চৰকাৰে বিহাৰত থিয়েটাৰ কৰমুক্ত কৰিলে। বিহাৰত নাট প্ৰদৰ্শন কৰাৰ সময়ত প্ৰযোজক অচ্যুত লহকৰে ফণী তালুকদাৰলৈ এখন চিঠি প্ৰেৰণ কৰিছিল, যিখন তালুকদাৰদেৱে 'দৈনিক অসম' কাকতত প্ৰকাশ কৰিছিল। অচ্যুত লহকৰে প্ৰেৰণ কৰা চিঠিখনৰ আধাৰত প্ৰকাশিত বাতৰিটোৰ হুবহু ইয়াত তুলি ধৰা হ'ল।

বিহাৰত অসমৰ ভ্ৰাম্যমাণ দল (১৯ মাৰ্চ, ১৯৭৮ দৈনিক অসম) ঃ

(এইবেলি অসম শিল্পী দিৱসৰ দ্বাৰা ৰৌপ্য প্ৰতীকেৰে সম্বৰ্দ্ধিত ভ্ৰাম্যমাণ থিয়েটাৰ দলৰ পুনৰ প্ৰতিষ্ঠাতা শ্ৰীঅচ্যুত লহকৰে এটা অভিনৱ প্ৰচেষ্টা লৈ বিহাৰত অসমৰ থলুৱা সংস্কৃতি প্ৰদৰ্শন কৰি আছে। অসম আৰু হিন্দীভাষী অঞ্চলৰ অভিনেতা-অভিনেত্ৰীৰ সহযোগত মহাপুৰুষৰ অংকীয়া নাটৰ গীতবোৰ একে ৰাখি হিন্দী অভিযোজনাৰ উপৰি অসমৰ থলুৱা নৃত্য-গীত আদি বিহাৰৰ গাঁৱে গাঁৱে মঞ্চ সাজি সাজি প্ৰদৰ্শন কৰি আছে। নিজে সম্বৰ্দ্ধনা সভাত উপস্থিত থাকিব নোৱাৰি, অনুষ্ঠানৰ সভাপতি শ্ৰীফণী তালুকদাৰলৈ লিখা চিঠিৰ অংশ বিশেষ তুলি দিয়া হ'ল। বিঃ সঃ)

ত্ৰিবেণীগঞ্জ, বিহাৰ

শ্ৰদ্ধেয় তালুকদাৰ,

আমাৰ শিল্পী দলটিয়ে বিহাৰত ভ্ৰমণ কৰি আছে। এই শিল্পী দলটোক এখন্তেকো এৰি থাকিব নোৱাৰা অৱস্থাত মই আছো। সেয়ে যাব নোৱাৰা বাবে ক্ষমা মাগিছো আৰু মোলৈ দেখুওৱা উৎসাহ আৰু মৰমকণৰ বাবে ধন্যবাদ জনাইছো।

হুৰমুৰকৈ ওলাই অহাৰ বাবে, অনভিজ্ঞতাৰ বাবে অৰ্থনৈতিক ফালটোত যদিও বহু ক্ষতি স্বীকাৰ কৰিবলগীয়া হৈছে, আমাৰ সাংস্কৃতিক অভিযান কিন্তু সম্পূৰ্ণভাৱে সফল হৈছে। অসমৰ শিল্পীৰ বাবে আৰু আমাৰ লোক সংস্কৃতিৰ বাবে আমি এটা নতুন বাট বান্ধিবলৈ সক্ষম হৈছো। ইয়াৰ চৰকাৰ আৰু ৰাইজ উভয়ে আমাক যথেষ্টভাৱে উৎসাহিত কৰিলে। বিশেষকৈ যিখন ৰাজ্যৰ বাবে সংগ্ৰাম কৰিলো তাৰ চৰকাৰে আমাৰ প্ৰতি যি বিৰূপ ব্যৱহাৰ কৰি আহিছে তাৰ তুলনাত ইয়াৰ চৰকাৰৰ আমাৰ প্ৰতি মৰম দেখি আমি তবধ মানিছো। অকল আমাৰ প্ৰতিয়েই নহয়, সকলো কলাকাৰৰ প্ৰতি ইয়াৰ চৰকাৰ আৰু ৰাইজৰ বৰ মৰম।

কিন্তু দুখৰ বিষয় ইমান মৰম পায়ো ইয়াত কোনো নাট্য আন্দোলন বা সাংস্কৃতিক আন্দোলন গঢ় লৈ উঠা নাই। সেয়ে আমাক পাই ইয়াৰ ৰাইজে আমাক আকোঁৱালি ল'লে।

প্ৰীতি আৰু শুভেচ্ছা জনাই আজিলৈ সামৰিলো।

ইতি

(স্বাঃ) শ্ৰীঅচ্যুত লহকৰ

১৭/২/১৯৭৮

ভ্ৰাম্যমাণক এনেদৰে বাহিৰলৈ নিয়াৰ অন্তৰালত আছিল কলাগুৰু বিষ্ণু ৰাভাৰ তাগিদা।

অচ্যুত লহকৰৰ ভাষাত "...ভ্ৰাম্যমাণক বাহিৰলৈ নিয়াৰ ইচ্ছাটো মোৰ নিজা নাছিল। মোৰ **শ্ৰদ্ধাৰ বিষ্ণু ৰাভাই মোক প্ৰায়ে কৈছিল**— হেৰা, অসমত ইমান ডাঙৰ লোকসংস্কৃতিৰ **ভাণ্ডাৰ আছে, অথচ বাহিৰৰ মানুহে** আমাৰ এই সংস্কৃতিৰ বিষয়ে একো নাজানে। বাহিৰৰ **মানুহে মণিপুৰী বা নগা** নৃত্য-গীত চিনি পায়। অথচ আমাৰ বিহুটিকে নিচিনে। এইবোৰৰ **বহুল প্ৰচাৰ** হ'ব লাগে। এইবোৰৰ এটা ব্যৱস্থা কৰা।"

মই তেতিয়া বিষ্ণু ৰাভাক সুধিলো যে অসমত ইমান ডাঙৰ নামী-দামী ব্যক্তি আছে; **এওঁলোকক এৰি আপুনিনো মোক** কিয় ধৰিছে। তেতিয়া ৰাভাই কৈছিল— 'কৈ চাইছিলো **সকলোকে**, কিন্তু কোনোৱেও কাণসাৰ নিদিলে। মই যি কৰি আছোঁ সেয়া এক পাগলামি **আৰু** তুমি যি কৰি আছা সেইবোৰো এক পাগলামিয়েই। পাগলেহে পাগলৰ কথা বুজিব। সেইবাবে তোমাক কৈছোঁ দিয়া।' (উৎসঃপ্ৰান্তিক, ১৬-৩০ জুন, ২০০৫)

নটৰাজ থিয়েটাৰৰ নাট প্ৰদৰ্শনী বিহাৰ, পশ্চিমবংগ, মধ্যপ্ৰদেশ, নেপাল আদিত হ'ল যদিও দলটিয়ে যথেষ্ট আৰ্থিক কষ্টৰ মুখামুখি হ'ব লগাত পৰিল। যথাযথ প্ৰচাৰৰ অভাৱত দলটিয়ে আৰ্থিকভাৱে লাভান্বিত নহ'ল আৰু এনেদৰে নটৰাজৰ বহিঃৰাজ্য ভ্ৰমণৰ অন্ত পৰিল।

ষষ্ঠদশ বৰ্ষৰ পৰিক্ৰমা (১৯৭৮-৭৯)ঃ এই বৰ্ষত নটৰাজ থিয়েটাৰে পূৰ্বৰ কেইখনমান নাট (বেউলা, জেৰেঙাৰ সতী, ব্ৰেকমানি) মঞ্চস্থ কৰে। এই বছৰটিত থিয়েটাৰ দলটিয়ে কাছাৰ আৰু উত্তৰ বংগত বাংলা নাটক প্ৰদৰ্শন কৰে।

সপ্তদশ বৰ্ষৰ পৰিক্ৰমা (১৯৭৯-৮০)ঃ এই বছৰটিত নটৰাজ থিয়েটাৰত কেবাখনো গুৰুত্বপূৰ্ণ নাট মঞ্চস্থ হয়। 'এৰিনা' আছিল এনে এখনি নাট যাক নাট্যকাৰ অচ্যুত লহকৰে নিজৰ সৰ্বশ্ৰেষ্ঠ নাট বুলি বিবেচনা কৰে। লহকৰৰ ভাষাত "এৰিনা' আছিল মোৰ জীৱনৰ শ্ৰেষ্ঠ নাটক। যেতিয়া ইন্দিৰা গান্ধীয়ে জৰুৰীকালীন শাসন ঘোষণা কৰিলে তেতিয়া আমাৰ বাক স্বাধীনতা হেৰাই গ'ল। আমাৰ থিয়েটাৰৰ ৰিহাৰ্ছেলো বন্ধ হ'ল। তেতিয়া জয় প্ৰকাশ নাৰায়ণে এটি প্ৰশ্ন উত্থাপন কৰিছিল— এতিয়া ভাৰতীয় সৈনিকসকলে কাৰ পক্ষত যুঁজিব— ইন্দিৰাৰ পক্ষত নে জনসাধাৰণৰ পক্ষত। নাৰায়ণৰ এই প্ৰশ্নই মোৰ গা চুই গ'ল আৰু এই কু-শাসনৰ প্ৰতিবাদত মই 'এৰিনা' লিখি উলিয়ালো। অৱশ্যে নাটকখন নিষিদ্ধ নোহোৱাৰ অৰ্থত মই এৰিনাৰ পটভূমি ৰোমলৈ লৈ গ'লো। নাটকখনত এটা গীৰ্জাৰ তলত প্ৰশ্ন কৰিছো— তেতিয়া ৰাছিয়াৰ পৰা এথ্‌নিক ভাৰসাম্যৰ প্ৰতীক হিচাপে জেকভক আনিছো, বৰ্ণ বৈষম্যৰ প্ৰতীক হিচাপে আফ্ৰিকাৰ 'কিটি', ধৰ্মৰ বৈষম্য হিচাপে 'সীতা'ক নাটখনত থিয় কৰাই সুধিছো— এইবোৰ 'গডে' সৃষ্টি কৰিছে নে মানুহে?"

বছৰটিৰ আন নাটসমূহ আছিল— 'লাইলা মজনু', 'অমৰজ্যোতি', 'দেৱীশক্তি কামাখ্যা', 'এখন নাটকৰ জন্ম' আৰু 'কালাপাহাৰ'। নাটবোৰ পৰিচালনা কৰিছিল ধৰণীধৰ গোস্বামীয়ে এইবেলিও নটৰাজে কাছাৰ আৰু উত্তৰ-বংগত বাংলা নাটক প্ৰদৰ্শন কৰিছিল।

অষ্টাদশ বৰ্ষৰ পৰিক্ৰমা (১৯৮০-৮১)ঃ এই বছৰটিত নটৰাজে পূৰ্বৰ নাট 'বেউলা' আৰু 'জেৰেঙাৰ সতী'ৰ বাদেও 'কালাপাহাৰ', 'লাইলা মজনু' আৰু 'এৰিনা' মঞ্চস্থ কৰে। পৰিবেশিত নৃত্য-নাটিকাকেইখন আছিল 'কচ দেবযানী', 'শকুন্তলা', 'লুইতৰ পাৰে পাৰে' আদি।

উনবিংশ বৰ্ষৰ পৰিক্ৰমা (১৯৮১-৮২)ঃ এই নাট্যবৰ্ষত নটৰাজ থিয়েটাৰে মঞ্চস্থ কৰা নাটসমূহ আছিল— 'বেউলা' 'লাইলা মজনু' 'বৰ্ষা নে বহ্নি' (ৰচনাঃ অচ্যুত লহকৰ), এৰিনা (ৰচনা ঃ অচ্যুত লহকৰ) 'কংস' আৰু 'মান আহিল'।

কৰ্মবিমুখ অসমীয়া যুৱ শক্তিক শোষণকাৰীৰ হাতৰ পৰা ৰক্ষা কৰাৰ এক প্ৰয়াসৰ আধাৰত অচ্যুত লহকৰ ৰচিত আৰু পৰিচালিত 'বৰ্ষা নে বহ্নি' নাটখনৰ বিষয়বস্তু সজোৱা হৈছিল। নাটখনত কমলা মালাকৰ (বিজয়ৰ চৰিত্ৰত), ভুবন বৰা, ৰজনী তালুকদাৰ (যুধিষ্ঠিৰ), নগেন চক্ৰৱৰ্তী (হৰিচৰণ), জিতেন পাল (এম এল এ,) আমিনা দেৱান, নিৰু ফুকন, ৰূপা বৰুৱা, প্ৰতিমা ভূঞা আদিয়ে প্ৰশংসনীয় অভিনয় প্ৰদৰ্শন কৰিছিল। বছৰটিৰ বাকী নাট সমূহৰ ভিতৰত 'লাইলা মজনু' নাটখনে বিশেষ ব্যৱসায়িক সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল।

বিংশতম বৰ্ষৰ পৰিক্ৰমা (১৯৮২-৮৩)ঃ যাত্ৰাৰ বিংশতম বৰ্ষত নটৰাজে মঞ্চস্থ কৰা নাট তিনিখন আছিল 'আল্লা ঈশ্বৰ', 'মেঘমুক্তি' আৰু 'বৰভেটা'। আনহাতে এইবেলি পৰিবেশন কৰা নৃত্য-নাটিকাকেইখন আছিল— 'সমন্বয়ৰ প্ৰতীক', 'জয়যাত্ৰা', 'বৃত্ৰাসুৰ বধ' আৰু 'লুইত নৈৰ জন্ম বেদনা'।

অচ্যুত লহকৰৰ দ্বাৰা ৰচনা কৰা 'আল্লা ঈশ্বৰ' নাটখন পৰিচালনা কৰিছিল হেম ভট্টাচাৰ্যই। সম্ভৱত প্ৰথমবাৰৰ বাবে ভ্ৰাম্যমাণৰ মঞ্চত মীৰা ভজন পৰিবেশন কৰা হৈছিল। হিন্দু-মুছলমানৰ মাজত বিভেদ ভাঙি এক সমন্বয়ৰ বাৰ্তা বিলোৱাটোৱেই আছিল নাটখনৰ মূল বিষয়বস্তু। মীৰাবাইৰ চৰিত্ৰত মীনাকুমাৰী আৰু নিমিৰ চৰিত্ৰত পুস্পা দেৱীৰ অভিনয় আছিল অতি প্ৰাণৱন্ত। নাটখনৰ আন আন চৰিত্ৰবোৰত প্ৰাণেশ্বৰ পাঠক (আকবৰ), পংকজ পূজাৰী (ভূজ), লক্ষী বৰুৱা, হেমেন শৰ্মা আদিয়ে প্ৰশংসনীয় অভিনয় প্ৰদৰ্শন কৰিছিল। বছৰটিৰ আন অভিনয় শিল্পীসকল হৈছে— ৰূপা বৰুৱা, নিৰুপমা ফুকন, উপেন নাথ, কৃষ্ণমল্ল বৰুৱা, ৰজনী তালুকদাৰ, শেৱালী চেতিয়া, নগেন চক্ৰৱৰ্তী, অনিল মজুমদাৰ, মাজনী বৰুৱা আদি। এই বৰ্ষত সংগীত পৰিচালনাৰ দায়িত্বত আছিল দ্বিজেন দাস।

বনৰীয়া জন্তুৰূপী দুষ্কৃতিৰ হাতত গাঁৱৰ ৰাইজ অতিষ্ঠ হৈ অৱশেষত ইয়াৰ পৰা ত্ৰাণ পাবলৈ ৰাইজে মিলি এটি বন্দুক কিনিলে। ৰাইজৰ মিলিত শক্তি বন্দুকটো সৰ্বসন্মতিক্ৰমে ৰতনৰ হাতত তুলি দিলে। ৰতনে ৰাইজে দিয়া শক্তিৰে কি কৰিলে? দুষ্কৃতি ধ্বংস নে পালন? ৰতনক ৰাইজে কি কৰিলে? ইয়াকে লৈ ৰচনা হৈছিল বৰভেটাৰ কাহিনীভাগ।

আনহাতে 'মেঘমুক্তি' নাটখন আছিল সমাজত চলি থকা দুৰ্নীতিৰ আধাৰত ৰচিত। সমাজৰ সম্ভ্ৰান্ত শ্ৰেণীৰ বিষয় ববীয়াসকলে কৰা দুৰ্নীতি, লাটবাবুহতে কৰা বিগ্ৰহ চুৰি আদি দেখি অন্ধ ছোৱালী সন্ধ্যাই প্ৰশ্ন কৰিছে চকুৱে যদি অন্যায় সৃষ্টি কৰে, এন্ধাৰ সৃষ্টি

কৰে তেনেহ'লে অন্ধ মানে কি? এন্ধাৰ আৰু পোহৰৰ নাটক মেঘমুক্তি।

একবিংশতম বৰ্ষৰ পৰিক্ৰমা (১৯৮৩-৮৪) ঃ এই বৰ্ষত নটৰাজে মঞ্চস্থ কৰা নাটসমূহ আছিল 'মেঘমুক্তি', 'কনজুই', 'আল্লা ঈশ্বৰ', 'বনৰীয়া ফুল', 'বেউলা' আৰু 'বৰভেটা'। বছৰটিৰ অভিনেতা-অভিনেত্ৰী সকল হৈছে পুষ্পাদেৱী, ৰেজিনা বেগম, কামিনী পাঠক, পংকজ বৰপূজাৰী, কৃষ্ণমল্ল বৰুৱা, প্ৰাণেশ্বৰ পাঠক, অনিল মজুমদাৰ, অতুল বৰদলৈ আৰু শিশু শিল্পী মাজনী বৰুৱা।

দ্বা-বিংশতম বৰ্ষৰ পৰিক্ৰমা (১৯৮৪-৮৫) ঃ ভিয়েটনামৰ ওপৰত আমেৰিকান সাম্ৰাজ্যবাদী শক্তিয়ে চলোৱা আক্ৰমণৰ পটভূমিত অচ্যুত লহকৰে ৰচনা আৰু পৰিচালনা কৰা 'অজেয় ভিয়েটনাম' নামৰ নাটখনে দৰ্শকৰ মাজত বিপুল উৎসুক্যতাৰ সৃষ্টি কৰিছিল। কেনেদৰে ভিয়েটনামত জনসাধাৰণে আমেৰিকান সাম্ৰাজ্যবাদৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিছিল সেয়া আছিল নাটখনৰ মূল বিষয়বস্তু। এই বৰ্ষৰ আন নাটসমূহ হ'ল— 'এৰিনা', 'বেউলা' আৰু 'লাইলা মজনু'।

ত্ৰি-বিংশতম বৰ্ষৰ পৰিক্ৰমা (১৯৮৫-৮৬) ঃ অচ্যুত লহকৰ ৰচিত তথা পৰিচালিত 'ডাক্তৰ বাবু' আছিল এই বৰ্ষৰ এখন উল্লেখনীয় সামাজিক নাট। বছৰটিৰ আন নাটকেইখন হ'ল— 'বেউলা', 'অজেয় ভিয়েটনাম' আৰু 'লাইলা মজনু'।

চতুৰ্বিংশতম বৰ্ষৰ পৰিক্ৰমা (১৯৮৬-৮৭) ঃ অচ্যুত লহকৰ ৰচিত তথা পৰিচালিত 'দুলীয়াজান' নাটৰ বিষয়বস্তু আছিল দুলীয়াজান নগৰীৰ পটভূমিত অসম আন্দোলনক কেন্দ্ৰ কৰি গঢ়ি উঠা এক কাহিনী। দুলীয়াজানৰ তৈলক্ষেত্ৰত চাকৰি কৰা বিপ্লৱ নামৰ এজন ডেকাৰ আন্দোলনকেন্দ্ৰিক কাম-কাজ, আৰক্ষীৰ অত্যাচাৰ, আন্দোলনৰ সময়ত ৰাজনৈতিক নেতা সকলৰ ভূমিকা, সাম্প্ৰদায়িক অশান্তি সৃষ্টিৰ চেষ্টা আদি বিক্ষিপ্ত ঘটনাবোৰ একেলগ কৰি দুলীয়াজান নাটখনত দেখুওৱা হৈছিল। মূলত অসম আন্দোলনৰ চিত্ৰখন অংকন কৰোতে নাট্যকাৰে অন্যান্য দুই এক কাহিনীও নাটখনত সন্নিৱিষ্ট কৰিছিল।

এই বৰ্ষৰ আন নাটসমূহ আছিল 'বেউলা' আৰু 'অজেয় ভিয়েটনাম'।

ষষ্ঠবিংশতম বৰ্ষৰ পৰিক্ৰমা (১৯৮৮-৮৯) ঃ এই বৰ্ষত নটৰাজে মঞ্চস্থ কৰা নাটসমূহ আছিল 'আকাশীজান', 'বেউলা' 'অভিশপ্ত প্ৰেম' আৰু 'পৰশুৰামৰ মাতৃহত্যা'। নাটসমূহ পৰিচালনা কৰিছিল প্ৰযোজক অচ্যুত লহকৰে। আনহাতে এই বৰ্ষৰ নৃত্য-নাটিকাকেইখন হৈছে 'উপেক্ষিতা', 'দস্যু আঙ্গুলীমান', 'শকুন্তলা' আদি।

অষ্টবিশংতম বৰ্ষৰ পৰিক্ৰমা (১৯৯০-৯১) ঃ এই বৰ্ষত নটৰাজে অলছোম বা ঘূৰণীয়া মঞ্চ প্ৰৱৰ্তন কৰে। কলিকতাস্থ বিভিন্ন থিয়েটাৰ দলে ইতিমধ্যে ঘূৰণীয়া মঞ্চ ব্যৱহাৰ কৰিছিল আৰু অচ্যুত লহকৰে এই পদ্ধতিটোকে ভ্ৰাম্যমাণলৈ আমদানি কৰে। ভ্ৰাম্যমাণত ঘূৰণীয়া মঞ্চ ব্যৱহাৰ কৰি অচ্যুত লহকৰে ইয়াৰ নাম দিছিল অলছোম। নটৰাজৰ ঘূৰণীয়া মঞ্চখনক তিনিটা ভাগত ভগাই তাত তিনিটা ছেটৰ ব্যৱস্থা কৰা হৈছিল। মঞ্চৰ তলত চকা আছিল যাতে ছেট পৰিবৰ্তন কৰিবলৈ হ'লে, আঁৰ কাপোৰখন পেলাই লগে লগে মঞ্চখন ঘূৰাই দিয়া হৈছিল আৰু দৰ্শকেও তাৎক্ষণিকভাৱে ছেট সলনি হোৱা হেতুকে এক কৌতূহল অনুভৱ কৰিছিল। অলছোম পদ্ধতিৰে নটৰাজে দুবাৰমান নাট পৰিৱেশন কৰিছিল। এই বৰ্ষত নটৰাজে অলছোম পদ্ধতিত কৰা নাট চাৰিখন আছিল 'বেউলা' 'জোন আৰু জোনাকী' 'বন্ধু হত্যাকাৰী বন্ধু' (ৰচনা ঃ অচ্যুত লহকৰ) আৰু 'স্বামী থাকিও বিধবা'।

পৰৱৰ্তী বছৰবোৰত নটৰাজে ভালেমান গুৰুত্বপূৰ্ণ নাট মঞ্চস্থ কৰে। উপযুক্ত সংৰক্ষণৰ অভাৱত সেই বছৰবোৰৰ সবিশেষ সবিস্তাৰে ইয়াত উল্লেখ কৰিব পৰা নগ'ল। তথাপি এই বছৰবোৰত পৰিৱেশন কৰা উল্লেখনীয় নাটসমূহ আছিল 'প্ৰতিঘাত' 'অক্টোপাচ', 'আমি হেনো মানুহ নহয়' (ৰচনা ঃ অচ্যুত লহকৰ), 'আমেৰিকাৰ পুতলা' (ৰচনা ঃ অচ্যুত লহকৰ), 'আদৰ্শৱতী নাৰী' (ৰচনা ঃ অচ্যুত লহকৰ), 'হামিদা' (ৰচনা ঃ অচ্যুত লহকৰ) 'নুৰজাহান', 'মন্ত্ৰী হম', 'মিৰি জীয়ৰী', 'কাৰ্বি জীয়ৰী', 'এখন পৃথিৱী' (ৰচনা ঃ অচ্যুত লহকৰ), 'শংকৰদেৱ' (ৰচনা ঃ অচ্যুত লহকৰ) আদিয়ে উল্লেখযোগ্য। ১৯৯৫-৯৬ বৰ্ষত থিয়েটাৰৰ দলটিৰ নাট্যযাত্ৰা বন্ধ আছিল।

১৯৯৮-৯৯ নাট্যবৰ্ষত নটৰাজ থিয়েটাৰে মঞ্চস্থ কৰা 'নাৰী জাগৰণ'খন এখন উল্লেখনীয় নাট আছিল। অচ্যুত লহকৰে ৰচনা আৰু পৰিচালনা কৰা এই নাটখনত নাৰী জাগৰণৰ কিছুমান ব্যাখ্যা দাঙি ধৰা হৈছিল। নাটখনিত ৰুদ্ৰ চৌধুৰী, কৃষ্ণ বৰদলৈ, দিলীপ কাকতি, তুলসী বৰদলৈ, শোভন বৰা, জুনুমণি কাকতি, নিভা শইকীয়া আদিয়ে প্ৰশংসনীয় অভিনয় কৰিছিল।

এক দীৰ্ঘকালীন যাত্ৰাৰ অন্তত ২০০৩ খ্ৰীষ্টাব্দত নটৰাজ থিয়েটাৰে আনুষ্ঠানিকভাৱে ইয়াৰ নাট্যযাত্ৰা বন্ধ কৰে। বিভিন্ন আৰ্থিক সংকটৰ পৰিপ্ৰেক্ষিতত নটৰাজৰ জয়যাত্ৰাৰ পৰিসমাপ্তি ঘটে। এনে এক ঘটনাত অচ্যুত লহকৰদেৱে মানসিকভাৱে ভাঙি পৰিল। তেখেতৰ ভাষাত "বিগত বিহাৰী খেদা আন্দোলনৰ সময়ত মই যেতিয়া শাৰীৰিক অসুস্থতাৰ বাবে থিয়েটাৰ এৰি ঘৰলৈ দুমাহৰ বাবে ঘূৰি আহিছিলো তেতিয়া থিয়েটাৰখনৰ সমস্ত ভাৰ শিল্পীসকলৰ ওপৰতে এৰি আহিছিলো। ২০০৩ চনৰ বছৰটোত নটৰাজ মৃত্যুমুখত পৰিল। মোৰ শিল্পীসকলে থিয়েটাৰখন ধৰি ৰাখিব নোৱাৰিলে। মোৰ অমূল্য সা-সৰঞ্জামবোৰ ৰাস্তাতে বিক্ৰী হৈ গ'ল। মানুহৰ পৰা টকা ধাৰে লৈ মই দা-দৰমহা দিব লগা হ'ল। মই চল্লিশ বছৰ ধৰি সযতনে ৰখা থিয়েটাৰখন থাউকতে ভাগি পৰিল। কেৱল মোৰ বাবেই নহয়, ভ্ৰাম্যমাণৰ ইতিহাসৰ বাবেও ই এক চূড়ান্ত দুখজনক ঘটনা। এই কথা কেতিয়াও পাহৰিব নোৱাৰিম"।

চল্লিশ বছৰীয়া নাট্যপৰিক্ৰমাৰ অন্তত ২০০৩ চনত নটৰাজ থিয়েটাৰে ইয়াৰ আনুষ্ঠানিক নাট পৰিৱেশনৰ সমাপ্তি ঘটালে। এই সুদীৰ্ঘকালছোৱাতে অসমত বহুতো থিয়েটাৰ দল গঢ়ি উঠিল। অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসত নটৰাজৰ অৱদান চিৰদিন একক আৰু অনন্য হৈ ৰ'ব।

সুৰদেৱী থিয়েটাৰ

সংগীত নাটক অকাডেমী বঁটা প্ৰাপক ধৰণী বৰ্মনে ১৯৬৪ চনত চামতাত সুৰদেৱী নাট্য সংঘৰ জন্ম দিছিল। ধৰণী বৰ্মনে ১৯৫২ চনত প্ৰথম চামতাৰ মঞ্চত পিয়লি ফুকন নাটকত অভিনয় কৰিছিল। চামতাত সেয়া আছিল প্ৰথম টিকট বিক্ৰী কৰি কৰা থিয়েটাৰ। তেতিয়া পুৰুষেই নাৰী চৰিত্ৰত অভিনয় কৰিছিল। ইয়াৰ পিছত বৰ্মনে অন্যান্য নাটকতো অভিনয় কৰিবলৈ লয়। গুৱাহাটীৰ পাণবজাৰত এসময়ত (১৯৫৫-৫৬ চন মানলৈ) 'জে বৰ্মন এণ্ড ছন্স' নামৰ এখন কাপোৰৰ দোকান আছিল। দোকানখন ধৰণী বৰ্মনৰ পৰিয়ালৰ আছিল। সেইসূত্ৰে বৰ্মনে দোকানৰ ব্যৱসায়তো কিছুদিনৰ বাবে জড়িত আছিল। কিন্তু ৰাজহুৱা কাম আৰু অভিনয়ৰ প্ৰতি থকা তেওঁৰ আসক্তিয়ে খুব সৰহদিন তেওঁৰ ব্যৱসায়িক মনোবৃত্তি জীয়াই নাৰাখিলে। ১৯৬০ চনত ভ্ৰাম্যমাণ নাট্যদল এটিত তেওঁ চাৰিদিনমান অভিনয় কৰিছিল। ১৯৬১ চনত তেওঁ 'নটৰাজ অপেৰা'ত সোমাল আৰু তাৰ পিছত ১৯৬৩ চনত তেওঁ প্ৰথম ভ্ৰাম্যমাণ থিয়েটাৰ দল 'নটৰাজ থিয়েটাৰ'ত অভিনেতা হিচাপে প্ৰৱেশ কৰে। ধৰণী বৰ্মনৰ বাবে আদৰ্শ আছিল অচ্যুত লহকৰ। প্ৰথমৰ পৰাই তেওঁৰ মন আছিল নিজাকৈ এটি নাট্যদল খোলাৰ। ১৯৬৪ চনত তেওঁ সুৰদেৱী নাট্য সংঘ প্ৰতিষ্ঠা কৰে। তাৰ পিছত ১৯৬৬ চনত সুৰদেৱী সংঘৰ পৰিৱৰ্তিত নাম হ'ল 'সুৰদেৱী থিয়েটাৰ'। তেতিয়ালৈ যাত্ৰাৰ মঞ্চখন আছিল সম্পূৰ্ণ খোলা। মাজৰ মুকলি মঞ্চখনৰ চাৰিওফালে বহি দৰ্শকে নাট উপভোগ কৰিছিল। সুৰদেৱীয়ে তিনিওফাল খোলা আৰু পাছফালৰ বন্ধ নতুন মঞ্চ ব্যৱস্থা প্ৰৱৰ্তন কৰে। পাছলৈ আন যাত্ৰাদলেও একে ধৰণৰ মঞ্চ ব্যৱস্থা গ্ৰহণ কৰিবলৈ লয়। ১৯৭০-৭১ চনত ধৰণী বৰ্মনে ভ্ৰাম্যমাণ থিয়েটাৰত থ্ৰি ডাইমেনছন ষ্টেজ' (Three dimension stage) পদ্ধতি আৰম্ভ কৰে। এই পদ্ধতি আৱিষ্কাৰ কৰা ব্যক্তিজন আছিল সুৰদেৱীৰ কলা নিৰ্দেশক গোবিন্দ চৌধুৰী। ধৰণী বৰ্মনৰ পত্নী অৱলা বৰ্মন আৰু পুত্ৰ হিৰণ্য বৰ্মনো ওতঃপ্ৰোতভাৱে ভ্ৰাম্যমাণৰ লগৰ জড়িত আছিল। পত্নী অবলা বৰ্মনে 'মুন থিয়েটাৰ' নামৰ অসমৰ প্ৰথমখন মহিলা থিয়েটাৰ আৰু পুত্ৰ হিৰণ্য বৰ্মনে বিষ্ণুজ্যোতি থিয়েটাৰ নামৰ নাট্যদলটিৰ জন্ম দিছিল যদিও দুয়োখন থিয়েটাৰ স্থায়ী নহ'ল। সংগীত নাটক অকাডেমী বঁটাৰে সন্মানীত ধৰণী বৰ্মনৰ সুৰদেৱী থিয়েটাৰে ইতিমধ্যে ইয়াৰ পৰিক্ৰমা বন্ধ ৰাখিছে যদিও অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰ ইতিহাসৰ প্ৰতি দলটিৰ অৱদান অনন্য। তলত সুৰদেৱীৰ নাট্য পৰিক্ৰমাৰ কেইটিমান বৰ্ষৰ এক আভাস দাঙি ধৰা হ'ল—

সুৰদেৱী নাট্য সংঘৰ প্ৰথম বছৰৰ পৰিক্ৰমা (১৯৬৪-৬৫) ঃ ৰাছিয়ান থিয়েটাৰৰ

আৰ্হিত ধৰণী বৰ্মনে নলবাৰী জিলাৰ চামতাত গঢ় দিয়া সুৰদেৱী নাট্য সংঘৰ শুভ নাট্য উদ্বোধন হৈছিল ১৯৬৪ চনৰ ৯ ছেপ্টেম্বৰ তাৰিখে। চন্দ্ৰ চৌধুৰী আৰু কমল চক্ৰৱৰ্তী পৰিচালিত এই বৰ্ষৰ উল্লেখনীয় নাটসমূহ আছিল— 'ধাত্ৰীমাতা', 'সোণৰ ভাৰত' আৰু 'হৰিশ্চন্দ্ৰ'। অভিনেতা-অভিনেত্ৰীসকল হ'ল— চন্দ্ৰ চৌধুৰী, কমলা চক্ৰৱৰ্তী, ধৰণী বৰ্মন, হৰেন গোস্বামী, ৰুদ্ৰ চৌধুৰী, ৰমা শীল, মহেন্দ্ৰ বৈশ্য, আৰতি বৰুৱা, পুতুল হাজৰিকা, পদুম বড়া, তুনু, প্ৰেমলতা, প্ৰতিমা, পৱিত্ৰী, ধৰ্মেশ্বৰী আদি শিল্পীসকল। এই বছৰৰ নৃত্য পৰিচালনা কৰিছিল ৰবীন দাস আৰু সূৰ্য বৈশ্যই। সংগীত পৰিচালনা কৰিছিল চন্দ্ৰ চৌধুৰীয়ে।

সুৰদেৱী নাট্য সংঘৰ দ্বিতীয় বছৰৰ পৰিক্ৰমা (১৯৬৫-৬৬) ঃ দ্বিতীয় বছৰত সুৰদেৱীৰ মঞ্চত মঞ্চস্থ হোৱা জনপ্ৰিয় নাটখনি আছিল 'ৰাণীবাঈ'। এই নাটত 'আলমগিৰ'ৰ চৰিত্ৰত ৰুদ্ৰ চৌধুৰী, 'ইন্দ্ৰ সিংহ'ৰ চৰিত্ৰত মহানন্দ শৰ্মা, 'ভীম সিংহ'ৰ চৰিত্ৰত হৰেন গোস্বামী, আকবৰৰ ভূমিকাত হৰেন ডেকা আৰু চম্পাৰ চৰিত্ৰত সাৱিত্ৰী বৰুৱাই যথেষ্ট প্ৰশংসনীয় অভিনয় কৰিছিল। প্ৰথম বছৰৰ নিচিনাকৈ এইবাৰো সুৰদেৱী নাট্য সংঘই অসমৰ বিভিন্ন ঠাইত নাট মঞ্চস্থ কৰে।

সুৰদেৱী থিয়েটাৰৰ প্ৰথম বছৰৰ পৰিক্ৰমা (১৯৬৬-৬৭) ঃ ১৯৬৬ চনত সুৰদেৱী নাট্য সংঘই ইয়াৰ নাম সলনি কৰি সুৰদেৱী থিয়েটাৰ নাম লয়। প্ৰথম বছৰতে সুৰদেৱী থিয়েটাৰে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক নাট পৰিচালক হিচাপে ভ্ৰাম্যমাণলৈ আদৰি আনি এই মঞ্চখনৰ সৌষ্ঠৱ বহুখিনি বৃদ্ধি কৰায়। একেদৰে এই বৰ্ষত সংগীত পৰিচালনাৰ দায়িত্ব লয় প্ৰখ্যাত সংগীত পৰিচালক ব্ৰজেন বৰুৱাই। নিজস্ব মঞ্চ, বিজুলী চাকি, তম্বুৰ বিশাল প্ৰেক্ষাগৃহত পোন্ধৰ শ দৰ্শকৰ আসনেৰে সুসজ্জিত এই থিয়েটাৰ দলটিয়ে এই বৰ্ষত মঞ্চস্থ কৰা নাটকেইখন আছিল— 'সমুদ্ৰ গুপ্ত', 'চম্বলৰ অভিশাপ', 'সম্ৰাট অশোক', 'সাৱিত্ৰী সত্যবান' আৰু 'পিয়লি ফুকন'। অভিনেতা-অভিনেত্ৰীসকল আছিল— ধৰণী বৰ্মন, কমলা চক্ৰৱৰ্তী, সূৰ্য বৈশ্য, ভোলা কটকী, ৰজনী তালুকদাৰ, হৰেন গোস্বামী, ধনেশ্বৰ শৰ্মা, স্বৰ্ণলতা বৰা, আৰতি বৰুৱা, পদুমী হাজৰিকা, লাৱণ্য বৰুৱা, ৰেখা বৰুৱা, মঞ্জু বৰা, শোভাৰাণী দাস, গিৰীশ তালুকদাৰ, অক্ষয় পাটগিৰী, জন্মি দাসৰ দৰে শিল্পীবৃন্দ।

এই বছৰৰ নৃত্য-নাটিকাকেইখন হ'ল— 'পৰশমণি', 'লুইতক ভেটিব কোনে' আৰু 'সুভদ্ৰা'। ৰবীন দাসৰ নৃত্য পৰিচালনাত নৃত্য শিল্পীসকল হ'ল— ৰাজাৰাম, পৱিত্ৰী, অনিমা, কল্পনা আৰু বহুতো। ব্ৰজেন বৰুৱাৰ সংগীত পৰিচালনাত তেওঁক সংগত কৰা বাদ্যযন্ত্ৰীসকল আছিল ৰাজকৃষ্ণ বাঢ়ৈ, নৰেন দাস, নৰেন নাগ, কামিনী দাস, জয়হৰি দাস, ধৰ্মেশ্বৰ, সুকুমাৰ স ৰকাৰ, অৰবিন্দ হালৈ, শান্তি দাস আৰু চবিন দাস। কলা-নিৰ্দেশনা কৰিছিল পদুম গোহাঁয়ে।

১৯৬৭-৬৮ নাট্যবৰ্ষ ঃ দ্বিতীয় বৰ্ষতো সুৰদেৱী থিয়েটাৰৰ নাটসমূহ পৰিচালনা কৰিছিল

কলাগুৰু ৰাভাদেৱে। এই নাট্যবৰ্ষৰ নাটকেইখন আছিল 'হৰিশ্চন্দ্ৰ', 'সাৱিত্ৰী', 'ক্ষুধিত চম্বল', '**চম্বলৰ' অভিশাপ**', 'দেবাসুৰ', 'ৰূপ-অপৰূপ' আৰু মল্লিক দাস'। এই বৰ্ষত সুৰদেৱীৰ **মঞ্চ ধৰণী বৰ্মন**, যোগেশ শৰ্মা, ভোলা কটকী, হৰেন গোস্বামী, স্বৰ্ণ বৰা, আৰতি বৰুৱা, **নিজৰা বৰা**, মিনতি ভৰালী আদিৰ লেখীয়া অভিনয় শিল্পীসকলে শুৱনি কৰিছিল। এই **নাট্যবৰ্ষত পৰিবেশিত** নৃত্য-নাটিকাকেইখন হ'ল— 'কনক চম্পা', 'গুপ্ত প্ৰণয়', 'মীৰাবাঈ', '**লুইতক ভেটিব কোনে**' আৰু '**পৰশমণি**'। কণ্ঠশিল্পী ৰাজকৃষ্ণ বাঢ়েয়ে দৰ্শকৰ ভূয়সী প্ৰশংসা লাভ কৰিছিল। নাট্যবৰ্ষটিৰ মঞ্চসজ্জাৰ দায়িত্ব আছিল খগেন দাস আৰু অক্ষয় পাটগিৰী।

১৯৬৮-৬৯ নাট্যবৰ্ষ ঃ সুৰদেৱী থিয়েটাৰৰ নাট্যযাত্ৰাৰ তৃতীয় বছৰত মঞ্চস্থ কৰা নাটসমূহ আছিল 'অভিশপ্ত চনদ', 'মণিৰাম দেৱান', 'নবাব চিৰাজউদ্দৌলা', 'হৰিশ্চন্দ্ৰ', 'নল-দময়ন্তী', 'মহাভাৰত', 'সীমান্তৰ সমাধি' আৰু 'চম্বলৰ অভিশাপ', নাট পৰিচালনা কৰিছিল কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে। এই বৰ্ষৰ পৰিবেশিত নৃত্য-নাটিকাকেইখন আছিল 'জেৰেঙাৰ সতী', 'পৰশমণি', 'বিষকন্যা' 'কনকচম্পা' আৰু '১৯৪২ চনৰ পৰা ১৯৬৮ চনলৈ' (কংগ্ৰেছৰ জয়যাত্ৰাকলৈ লিখা)।

নবাৰ চিৰাজউদ্দৌলা নাটখন এই বৰ্ষৰ এখন মঞ্চসফল নাট আছিল। নবাব চিৰাজউদ্দৌলাৰ চৰিত্ৰত ধৰণী বৰ্মনে ইমান সাৱলীল অভিনয় কৰিছিল যে নলবাৰীৰ ৰাসত এগৰাকী দৰ্শকে তেওঁৰ অভিনয়ত অভিভূত হৈ এটি সোণৰ আঙঠি বৰ্মনদেৱক উপহাৰ দিছিল। বছৰটোৰ আন অভিনয় শিল্পীসকল আছিল— যোগেশ শৰ্মা, ধৰ্মেশ্বৰ শৰ্মা, গিৰিশ তালুকদাৰ, ৰজনী তালুকদাৰ, হৰেন গোস্বামী, সূৰ্য বৈশ্য, ভোলা কটকী আদি। সংগীত পৰিচালনা কৰিছিল মুকুল বৰুৱাই। নৃত্য পৰিচালনাত ৰবীন দাস আৰু কলা নিৰ্দেশনাত আছিল খগেন দাস আৰু গোবিন্দ চৌধুৰী। আগৰ বছৰটোৰ দৰে এইবাৰো কণ্ঠশিল্পী আছিল ৰাজকৃষ্ণ বাঢ়ে।

১৯৬৯-৭০ নাট্যবৰ্ষ ঃ চতুৰ্থ বছৰত সুৰদেৱী থিয়েটাৰে মুঠতে পাঁচখন নাট মঞ্চস্থ কৰে। নাটসমূহ হৈছে— 'ভক্ত প্ৰহ্লাদ', 'শৰাইঘাট', 'কালাপাহাৰ', 'মহাৰাজ শিবি' আৰু 'মহাভাৰত'। এই বৰ্ষৰ উল্লেখযোগ্য নৃত্য-নাটিকা দুখনি হৈছে 'কৃষ্ণলীলা' আৰু 'পৰিয়াল পৰিকল্পনা'।

১৯৭০-৭১ নাট্যবৰ্ষ ঃ পঞ্চম বৰ্ষত সুৰদেৱী থিয়েটাৰে সুৰদেৱী থ্ৰি ডাইমেনছন থিয়েটাৰ নামলৈ এটি নতুন পদ্ধতিৰে নাটকসমূহ মঞ্চস্থ কৰে। এই পদ্ধতি প্ৰৱৰ্তন কৰে সুৰদেৱীৰ কলা-নিৰ্দেশক গোবিন্দ চৌধুৰীয়ে। এই নৱতম পদ্ধতিৰ দ্বাৰা অভিনীত নাটকসমূহৰ অভিনয়ত আঁৰ কাপোৰৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন নহৈছিল। দৰ্শকসকলে চলচ্চিত্ৰৰ লেখীয়াকৈ বিৰামহীনভাৱে নাটকৰ অভিনয় কৰিব পাৰিছিল।

এই বৰ্ষৰ নাটসমূহ হ'ল 'চম্বলৰ অভিশাপ', 'এটি পইচা', 'কালাপাহাৰ', বাসুদেৱ' আৰু

মহানন্দ শৰ্মা ৰচিত নাট 'সন্ধান'।

ধৰ্মমূলক নাটক 'কালাপাহাৰ'ৰ নাম ভূমিকাত অভিনয় কৰিছিল ধৰণী বৰ্মনে। আন চৰিত্ৰত অভিনয় কৰা শিল্পীসকল আছিল ৰজনী তালুকদাৰ, ভোলা কটকী, মহানন্দ শৰ্মা, হৰেন ডেকা, ধনেশ্বৰ শৰ্মা, যোগেশ শৰ্মা, গিৰীশ তালুকদাৰ, সৰ্বেশ্বৰ ৰাজবংশী, দ্বিজেন শৰ্মা, জন্মি দাস, আৰতি বৰুৱা, স্বৰ্ণ দেৱী, অপৰ্ণা ভূঞা, মিনতি ভৰালী আদিয়ে।

কৰুণাকান্ত বৈশ্য ৰচিত নাটক 'চম্বলৰ অভিশাপ' নাটখনৰ মূল চৰিত্ৰ মান সিঙৰ ভাৱত ধৰণী বৰ্মনে, লাখন সিঙৰ ভাৱত ৰজনী তালুকদাৰে আৰু গহ্বৰৰ চৰিত্ৰত হৰেন ডেকাই অভূতপূৰ্ব অভিনয় প্ৰদৰ্শন কৰিছিল। কেপ্টেইন চকলেৰ চৰিত্ৰত ভোলা কটকীৰ অভিনয়ো আছিল অতি প্ৰশংসনীয়। তহচিলদাৰৰ চৰিত্ৰত ধনেশ্বৰ শৰ্মাই আৰু কামিনীৰ ভাৱত মিনতি ভৰালীয়ে দৰ্শনীয় অভিনয় কৰিছিল।

নৃত্য-নাটিকা কেইখনৰ ভিতৰত 'জেৰেঙাৰ সতী' নাটিকাখনে দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। নাটিকাখনৰ নাম ভূমিকাত সুবৰ্ণ গগৈয়ে অতি সুন্দৰ নৃত্য প্ৰদৰ্শন কৰিছিল। এই নাট্যবৰ্ষৰ সংগীত বিভাগৰ শিল্পীসকল হ'ল— গোবিন্দ চৌধুৰী, ৰাজকৃষ্ণ বাঢ়ে, অৰবিন্দ হালৈ, খগেন কলিতা, কেৰামত আলি, উত্তম ৰাজবংশী, শান্তি দাস আদি। নেপথ্য কণ্ঠশিল্পী আছিল— ৰাজকৃষ্ণ বাঢ়ে, নৰ্মদা বৰা, আৰু আৰতি বৰুৱা। সংগীত পৰিচালনাত ৰাজকৃষ্ণ বাঢ়ে আৰু গোবিন্দ চৌধুৰী আৰু নৃত্যৰ নিৰ্দেশনা কৰিছিল ৰবীন দাস। কামিনী তালুকদাৰ আৰু বিদ্যা হাজৰিকাই যুটীয়াভাৱে পোহৰ নিয়ন্ত্ৰণ কৰিছিল।

১৯৭১-৭২ নাট্যবৰ্ষ ঃ সুৰদেৱী থিয়েটাৰে ষষ্ঠ বৰ্ষত নিবেদন কৰা নাটসমূহ হৈছে 'তেজে ৰোৱা ধান', 'এটি পইচা' (বাংলাৰ পৰা অনূদিত), 'সাৱিত্ৰী সত্যৱান', আৰু 'মেঘাবৃত ভাস্কৰ'। নাটবোৰ পৰিচালনা কৰিছিল প্ৰযোজক ধৰণী বৰ্মনে। অভিনয়ত আছিল— ধৰণী বৰ্মন, গিৰিশ তালুকদাৰ, যোগেশ শৰ্মা, নগেন ভট্টাচাৰ্য, দ্বিজেন শৰ্মা, সৰ্বেশ্বৰ ৰাজবংশী, ভবেন গোস্বামী, গুণীন দাস, আৰতি বৰুৱা, মিনতি ভৰালী, অপৰ্ণা ভূঞা, স্বৰ্ণ দেৱী, জয়ন্তী কলিতা আদি। ৰবীন দাসৰ নৃত্য পৰিচালনাত আৰু ৰমেন বৰুৱাৰ সংগীত পৰিচালনাত সুৰদেৱী এইবেলি সাংগীতিকভাৱে শীৰ্ষতম থিয়েটাৰ হিচাপে স্বীকৃত হৈছিল। এইবছৰৰ নৃত্য-নাটিকাকেইখন হ'ল— 'পৰিয়াল পৰিকল্পনা', 'সতী বেউলা', জীৱন আৰু জীৱিকা', 'সত্যম শিৱম সুন্দৰম', 'বিয়াল্লিশৰ বিপ্লৱ', 'সতীৰ পাতাল প্ৰৱেশ' আৰু 'জেৰেঙাৰ সতী'। খগেন দাস আৰু খগেন শৰ্মাই কলা নিৰ্দেশনা কৰিছিল।

১৯৭২-৭৩ নাট্যবৰ্ষ ঃ সুৰদেৱীৰ সামগ্ৰিক যাত্ৰাৰ নৱতম বৰ্ষত (সুৰদেৱী থিয়েটাৰৰ সপ্তম বৰ্ষ) এই দলটিয়ে মঞ্চস্থ কৰা নাটকেইখন আছিল জিতেন শৰ্মা সম্পাদিত 'সৰু বোৱাৰী', মহানন্দ শৰ্মা সম্পাদিত 'পদধ্বনি', জিতেন শৰ্মা সম্পাদিত 'হিটলাৰ' 'এটি পইচা' আৰু 'জয় বাংলা'। অভিনয়ত আছিল গিৰিশ তালুকদাৰ, মহানন্দ শৰ্মা, দ্বিজেন শৰ্মা, অক্ষয় পাটগিৰী, থানেশ্বৰ ৰাজবংশী, মিনতি ভৰালী, অৰ্পণা, আৰতি জ্যোতি ভৰালী,

যোগেশ শৰ্মা, বসন্ত শৰ্মা, ধৰণী বৰ্মন আদি।

ৰবীন দাসৰ পৰিচালনাত পৰিবেশিত নাটিকাকেইখন হৈছে— 'ভক্ত প্ৰহ্লাদ', 'পৰিয়াল **পৰিকল্পনা**', 'স্বাধীনতা আন্দোলনত অসম', 'সত্যম শিৱম সুন্দৰম', 'সতী বেউলা', **'জেৰেঙাৰ সতী' আৰু** 'কনকচম্পা'। নেপথ্য কণ্ঠশিল্পীত্ৰয় হ'ল— ৰাজকৃষ্ণ বাঢ়ৈ, নৰ্মদা **বৰা আৰু আৰতি।**

ধৰণী বৰ্মনৰ পৰিচালনাত মঞ্চস্থ হোৱা 'সৰু বোৱাৰী' নাটখনিয়ে এই বৰ্ষত ব্যৱসায়িকভাৱে যথেষ্ট সফল হৈছিল। শৰৎচন্দ্ৰৰ 'বিন্দুৰ ছেলে' উপন্যাসৰ নাট্যৰূপ এই নাটখনিত সন্তানহীনা এগৰাকী মাতৃৰ কৰুণ কাহিনীক উপস্থাপন কৰা হৈছিল।

১৯৭৩-৭৪ নাট্যবৰ্ষ ঃ চন্দ্ৰ চোধুৰী পৰিচালনাত এইবেলি সুৰদেৱীয়ে সৰ্বমুঠ ছখন নাট মঞ্চস্থ কৰে। নাটবোৰ হ'ল— 'ভোগজৰা', 'ডাঙৰ বোৱাৰী', 'সৰু বোৱাৰী', 'শকুন্তলা', 'পৃথিৱী টকাৰ গোলাম' আৰু 'আতংক'। চন্দ্ৰ চৌধুৰী, মহানন্দ শৰ্মা, যোগেশ শৰ্মা, আৰতি বৰুৱা, মিনতি, মঞ্জুলা আদি শিল্পীয়ে সুৰদেৱীৰ মঞ্চত এই বৰ্ষত অভিনয় কৰিছিল। এই নাট্যবৰ্ষৰ সংগীত শিল্পী সকল হ'ল— ৰাজকৃষ্ণ বাঢ়ৈ, দুগ্ধ কলিতা, সত্য বিশ্বাস, উত্তম ৰাজবংশী আদি।

১৯৭৫-৭৬ নাট্যবৰ্ষ ঃ এই বৰ্ষৰ নাট উদ্বোধন কৰিছিল তদানীন্তন সাংস্কৃতিক মন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৱে। ধৰণী বৰ্মনৰ সুদক্ষ পৰিচালনাত মঞ্চস্থ হোৱা নাটকেইখন হ'ল 'ঘৰ সংসাৰ', 'পুলিচ', 'দুষ্ট ছোৱালী', 'চম্বলৰ অভিশাপ' আৰু 'ভক্ত প্ৰহ্লাদ'। উল্লেখ্য যে সুৰদেৱী থিয়েটাৰে চম্বলৰ অভিশাপ নাটখন দলটিয়ে কেবাবছৰো সফলতাৰে মঞ্চস্থ কৰিছিল আৰু আটাইতকৈ সফল নাট হিচাপে পৰিগণিত হৈছিল। নাটখনত ধৰণী বৰ্মনে মান সিঙৰ চৰিত্ৰত দুৰ্দান্ত অভিনয় কৰিছিল।

নবীন বৰাৰ নৃত্য পৰিচালনা আৰু অপূৰ্ব দাসৰ সংগীত পৰিচালনাত এইবেলি পৰিবেশিত নৃত্য-নাটিকাকেইখন আছিল 'কেতেকী', 'দৰিদ্ৰ মোচন' আৰু 'পাৰিজাত হৰণ'। এই বৰ্ষৰ কলা নিৰ্দেশনা কৰিছিল ৰঞ্জিত শীলে।

১৯৭৬-৭৭ নাট্যবৰ্ষ ঃ এই নাট্যবৰ্ষৰ নাটসমূহ আছিল— 'সোণটি', 'মলয়াৰ সংসাৰ', 'পিয়লি ফুকন', 'পাপপুণ্য', 'ভগবান', 'পোহৰ বিচাৰি', 'হেডমাষ্টৰ' আৰু 'মুগল-ই-আজম'। নাটবোৰ পৰিচালনা কৰিছিল ধৰণী বৰ্মনে। অভিনয়ত আছিল বলদেৱ শইকীয়া, যোগেশ শৰ্মা, বসন্ত শৰ্মা, নগেন ভট্টাচাৰ্য, গিৰীশ তালুকদাৰ, সৰ্বেশ্বৰ ৰাজবংশী, নাৰায়ণ চমুৱা, মিনতি দাস, মঞ্জু দেৱী, ৰেখা বৰুৱা, বুলবালা দাস আদি শিল্পীসকল। নবীন বৰাৰ নৃত্য নিৰ্দেশনাত এইবাৰৰ নৃত্য-নাটিকাকেইখন আছিল— 'এই মাটি কাৰ', 'সৃষ্টিৰ খোজে খোজে', 'কেতেকী', 'কৃষ্ণলীলা', 'অভিশপ্ত অৰ্জুন', 'জয়মতী' আৰু 'মা'। আলোক-নিৰ্দেশনাত দ্বিজেন ভট্টাচাৰ্য আৰু সম্পাদনাৰ দায়িত্বত আছিল নাৰায়ণ শৰ্মা।

১৯৭৭-৭৮ নাট্যবৰ্ষ ঃ এই বছৰটিত সুৰদেৱীৰ মঞ্চত ভুমুকি মাৰে নিপন গোস্বামী

আৰু জৰ্জ বেকাৰৰ নিচিনা জনপ্ৰিয় চলচ্চিত্ৰ তাৰকাই। একেদৰে পোহৰ সংগীত আৰু নৃত্য এই তিনিওটা দিশত সুৰদেৱী জাকত-জিলিকা হৈ উঠে। পোহৰত অ'পি নায়াৰ, সংগীত পৰিচালনাত সুজিৎ সিংহ আৰু নৃত্যত নবীন বৰা আৰু ৰবীন দাসৰ সমাহাৰে এই নাট্যবৰ্ষ অনন্য কৰি তোলে।

এই নাট্যবৰ্ষৰ নাটকেইখন আছিল— 'অভিনেত্ৰী', 'ভাই-ককাই', 'মা-মাটি-মানুহ', 'গাঁৱৰ বোৱাৰী', 'মণিৰাম দেৱান' আৰু 'লাইলা মজনু'। আন অভিনেতা-অভিনেত্ৰীসকল আছিল ৰুদ্ৰ চৌধুৰী, ধৰণী বৰ্মন, যোগেশ শৰ্মা, বসন্ত শৰ্মা, গিৰীশ তালুকদাৰ সৰ্বেশ্বৰ ৰাজবংশী, ৰেখা বৰুৱা, মঞ্জু দেৱী, মিনাক্ষী চক্ৰৱৰ্তী, জিতেন বৰ্মন, অনিমা ফুকন, পূৰ্ণিমা ফুকন আদি। এই বৰ্ষৰ নাটিকাকেইখন আছিল— 'ৰহদৈ লিগিৰী', 'সোঁৱৰণী', 'উষাৰ সপোন', 'সুৰদি পেঁপাৰ মাত' আৰু 'ভাতৃ প্ৰেম'।

১৯৭৮-৭৯ নাট্যবৰ্ষ ঃ নাট্য পৰিক্ৰমাৰ দ্বাদশ বৰ্ষত সুৰদেৱী থিয়েটাৰে মঞ্চস্থ কৰা নাটকেইখন আছিল— 'সভ্যতাৰ আৰ্তনাদ', 'ৰক্তাক্ত পৃথিৱী', 'জুই-ধোঁৱা-ছাই', 'ৰজা হৰিশ্চন্দ্ৰ', 'সোণটি' আৰু 'সাবিত্ৰীৰ চকুলো'। নাট পৰিচালনা কৰিছিল ধৰণী বৰ্মন আৰু ভোলা কটকীয়ে। ভোলা কটকী, গিৰীশ তালুকদাৰ, সৰ্বেশ্বৰ ৰাজবংশী, জিতেন বৰ্মন, জগৎ বৰা, কন্দৰ্প শৰ্মা, গুণ কলিতা, নগেন চক্ৰৱৰ্তী, কমলা চক্ৰৱৰ্তী, দুলাল চৌধুৰী, ৰেখা বৰুৱা, মঞ্জু দেৱী, মিনতি দেৱী, অখিল বৰ্মন, জীৱেশ্বৰ ডেকা, মুকুল দাস আদিৰ নিচিনা অভিনেতা-অভিনেত্ৰীসকলে এই বৰ্ষত সুৰদেৱীৰ মঞ্চ শুৱনি কৰিছিল।

এই বৰ্ষৰ নৃত্য-নাটিকাকেইখন হ'ল— 'ফাগুণী', 'ৰহদৈ লিগিৰী', 'শিল্পী', 'সোঁৱৰণী', 'আমাৰ কৃষ্ণ' আৰু 'মা'।

১৯৭৯-৮০ নাট্যবৰ্ষ ঃ এই নাট্যবৰ্ষটিত সুৰদেৱী থিয়েটাৰে 'চম্বলৰ অভিশাপ', 'অজন্তা ইলোৰা', সাবিত্ৰী সত্যবান', 'আমাৰ ঘৰ' আৰু 'দুষ্ট প্ৰজাপতি' এই নাটকেইখন মঞ্চস্থ কৰিছিল। পৰিবেশিত নাটিকাকেইখন হ'ল 'অভিশপ্ত পৃথিৱী', 'শিল্পী' আৰু 'মন বিৰিণাৰ জুই'।

১৯৮০-৮১ নাট্যবৰ্ষ ঃ এই বছৰত সুৰদেৱী থিয়েটাৰে মূলত চাৰিখন নাট মঞ্চস্থ কৰে। নাটকেইখন হ'ল— 'বনৰীয়া ফুল', 'জুই-ধোঁৱা-ছাই', 'সিহঁত জীয়াই আছে' আৰু 'জীয়া-মৰম'। নৃত্য-নাটিকাকেইখন হৈছে— 'ইতিহাসে ৰিঙিয়ায়', 'অভিশপ্ত পৃথিৱী', 'লুইত আজিও বয়' আৰু 'সোঁৱৰণী'। এইবেলি অভিনয় শিল্পীসকল হৈছে— হৰিশ মেধি, মায়া বৰ্মন, জীতেন বৰ্মন, হৰেণ লহকৰ, ৰবীন দাস, মিনতি দেৱী, কামিনী কলিতা, মনোমোহন বৰ্মন, অনিমা ফুকন আদি।

১৯৮১-৮২ নাট্যবৰ্ষ ঃ ফণী শৰ্মাৰ প্ৰসিদ্ধ নাট 'চিৰাজ' মঞ্চস্থ কৰাৰ জৰিয়তে সুৰদেৱী থিয়েটাৰ পুনৰবাৰ এই বৰ্ষত উজলি উঠে। চিৰাজৰ ভাৱত ধৰণী বৰ্মনৰ অভিনয় আজিও দৰ্শকে অভিভূত হৈ সোঁৱৰে। এই বছৰৰ আন নাটকেইখন আছিল 'সূৰ্যস্বপ্ন', 'কালমেঘ'

'কুঁৱলী', 'বনৰীয়া ফুল' আৰু **'হৰিশ্চন্দ্ৰ'**। নৃত্য-নাটিকাকেইখন হ'ল— 'ৰূপ-অপৰূপ', **'তপস্বনী বাৰিষা', 'সংকল্প'** আৰু **'অভিশপ্ত পৃথিৱী'**। আলোক সম্পাত আৰু কলা নিৰ্দেশনাৰ দায়িত্বত আছিল ক্ৰমে হিৰণ্য বৰ্মন আৰু খগেন শৰ্মা। নাটকেইখন পৰিচালনা কৰিছিল ধৰণী বৰ্মনে।

১৯৮২-৮৩ নাট্যবৰ্ষ ঃ এই বছৰ সুৰদেৱীয়ে 'সপোন কন্যা', 'অদৃশ্য মানৱ', 'চম্বলৰ অভিশাপ' আৰু 'মাটিৰ প্ৰেয়সী' শীৰ্ষক এই চাৰিখন নাট মঞ্চস্থ কৰে। চম্বলৰ অভিশাপ নাটখন সুৰদেৱী থিয়েটাৰৰ মঞ্চত বহু বছৰ ধৰি মঞ্চস্থ হৈছিল। এইবেলিৰ নৃত্য-নাটিকাকেইখনৰ ভিতৰত 'ইতিহাসে ৰিঙিয়ায়' নাটিকাখনি অসমৰ বেছিভাগ ঠাইত সৰ্বাধিকবাৰ পৰিবেশিত হৈছিল।

১৯৮৩-৮৪ নাট্যবৰ্ষ ঃ এই বছৰ সুৰদেৱীৰ মঞ্চত কেবাখনো গুৰুত্বপূৰ্ণ নাট মঞ্চস্থ হয়। প্ৰদীপ শইকীয়া ৰচিত 'লাচিত বৰফুকন' আৰু বাবুল দাস ৰচিত 'বিয়াল্লিশ' নামৰ নাট দুখন আছিল ঐতিহাসিক পটভূমিত ৰচিত নাট। আন নাটবোৰ আছিল— শূদ্ৰকৰ নাটকৰ আধাৰত কৃষ্ণ ৰয় ৰচিত 'মাটিৰ ৰথ', মহানন্দ শৰ্মা ৰচিত 'সীমাৰেখা', মহেশ কলিতা সম্পাদিত 'বনৰীয়া ফুল' আৰু আন এখন নাট 'সপোন কন্যা'।

বাবুল দাস ৰচিত 'বিয়াল্লিছ' নাটৰ পটভূমি ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলন হ'লেও স্বাধীনতাৰ পৰৱৰ্তী সময়ত সৃষ্টি হোৱা হতাশা, ব্যৰ্থতা আৰু মোহভংগৰ প্ৰকাশেই আছিল নাটখনৰ ঘাই উপজীব্য। বিয়াল্লিছৰ সংগ্ৰামত পুলিচৰ গুলীত চিৰদিন পংগু হৈ থকা নিৰঞ্জনে স্বাধীনতা দিৱসৰ দিনা ক্ষোভ আৰু আনন্দেৰে তেওঁৰ বীৰত্বব্যঞ্জক কৰ্মৰাজিৰ সংঘাতময় জীৱনৰ মাজত যেন প্ৰৱেশ কৰিছে। নাটখনিত ফ্লেশ্বেকৰ মাজেৰে নিৰঞ্জনৰ বিপ্লৱী কামকাজ দেখুওৱা হৈছিল। জনসমাজত গঢ়ি উঠা স্বাধীনতাৰ চেতনা, দেশদ্ৰোহী হলধৰ মহাজনৰ কূট চক্ৰান্ত, নিৰঞ্জনৰ দৰে বিবেকী ল'ৰাৰ সাহস, তুলাৰাম দাৰোগাৰ নিষ্ঠুৰ বৰ্বৰতা আদি সমসাময়িক দৃশ্যপটবোৰো নাটখনত সফলভাৱে উপস্থাপন কৰা হৈছিল। নাটখনত হলধৰ মহাজনৰ চৰিত্ৰত হৰিশ মেধি, নিৰঞ্জনৰ চৰিত্ৰত হৰিশ শৰ্মা, ৰংমনৰ চৰিত্ৰত হিৰণ্য ভট্টাচাৰ্য আৰু আন চৰিত্ৰবোৰত হৰেন মালাকৰ, মহানন্দ শৰ্মা, অজিত শৰ্মা কৈলাস শৰ্মা, নাৰায়ণ চমুৱা, মঞ্জু দেৱী, মিনতি দেৱী, স্মৃতিৰেখা, অনিমা আদিৰ অভিনয় চৰিত্ৰানুগত আছিল। হিৰণ্য বৰ্মনৰ পোহৰ আৰু মঞ্চসজ্জাই নাটকখন আকৰ্ষণীয় কৰি তুলিছিল। এই বৰ্ষত পৰিবেশিত দুখন উল্লেখনীয় নৃত্য-নাটিকা আছিল— 'আহুতি' আৰু অভিশপ্ত পৃথিৱী'।

১৯৮৪-৮৫ নাট্যবৰ্ষ ঃ সুৰদেৱী থিয়েটাৰৰ এইবাৰৰ উল্লেখযোগ্য নাটখন আছিল বিষ্ণু ৰাভাৰ জীৱনৰ আধাৰত ৰচিত নাট ' সব্যসাচী বিষ্ণু ৰাভা'। আন নাট তিনিখন আছিল 'ৰাজদ্ৰোহী', 'বন দেৱতা' আৰু 'বনৰীয়া ফুল'। এই বৰ্ষৰ নাটসমূহ পৰিচালনা কৰিছিল ৰুদ্ৰ চৌধুৰীয়ে।

১৯৮৫-৮৬ নাট্যবৰ্ষ ঃ এই বৰ্ষৰ নাটকেইখন আছিল 'এই মৃত্যু অপৰাজেয়', 'আলিবাবা ৪০ চোৰ', 'সপোন কন্যা' আৰু 'সতী তুলসী'। এই নাট সমূহৰ ভিতৰত 'আলিবাবা ৪০ চোৰ' নাটখনিৰ উপস্থাপন ইমান সাৱলীল আছিল যে অসমৰ বিভিন্ন ঠাইত নাটখনিৰ প্ৰদৰ্শন কেবাটাও দৰ্শনীত কৰিব লগা হৈছিল।

সুৰদেৱী থিয়েটাৰ বন্ধ নোহোৱালৈ কেবাখনো উল্লেখনীয় নাট নাট্যদলটিয়ে মঞ্চস্থ কৰিছিল। ১৯৯২-৯৩ নাট্যবৰ্ষত দলটিত বিজু ফুকনৰ দৰে চলচ্চিত্ৰৰ অভিনেতাই ভূমুকি মাৰিছিল। ৰুদ্ৰ চৌধুৰী, মহানন্দ শৰ্মা আৰু বিজু ফুকনৰ যৌথ পৰিচালনাত এই বছৰৰ এখন মঞ্চসফল নাট আছিল মহেশ কলিতা ৰচিত 'দেশৰ মাটিৰ জুই'। অসমৰ সেই সময়ৰ পৰিস্থিতিৰ আধাৰত ৰচিত নাটখনিত প্ৰাক্তন বিপ্লৱীৰ নীচ কুকাৰ্য, প্ৰকৃত বিপ্লৱী দীপ আৰু ৰঞ্জিৎ, মুক্তি যুঁজাৰু তথা সমাজৰ বিবেক স্বৰূপ সৰ্বানন্দ, দালালৰূপী ঘন শইকীয়া আদি চৰিত্ৰক নাটকখনত নিয়াৰিকৈ উপস্থাপন কৰা হৈছিল। সৰ্বানন্দ বৰুৱাৰ চৰিত্ৰটিত বিনোদ শৰ্মাই সাৱলীল অভিনয় কৰিছিল। মহানন্দ শৰ্মা (বিপ্লৱ বৰুৱা), ৰুদ্ৰ চৌধুৰী (ঘনকান্ত শইকীয়া), তুলসী শইকীয়া, বিজু বৰকাকতি, মোহন শইকীয়া, হিৰণ্য বৰ্মন, অনিমা ফুকন, নিভা শইকীয়া আদিৰ অভিনয়ো নাটখনৰ প্ৰধান উপজীব্য আছিল। হিৰণ্য বৰ্মনৰ দৃশ্যসজ্জা আৰু আলোক সম্পাত আছিল প্ৰশংসনীয়।

পূৰ্বজ্যোতি থিয়েটাৰ

১৯৬৬ চনত হাজোত প্ৰয়াত কৰুণাকান্ত মজুমদাৰে পূৰ্বজ্যোতি থিয়েটাৰ আৰম্ভ কৰে। পূৰ্বজ্যোতি থিয়েটাৰে ভ্ৰাম্যমাণত কিছুমান আকৰ্ষণীয় পৰিৱৰ্তন আনিবলৈ সক্ষম হয়। নাট পৰিচালনা আৰু অভিনয়ত নটসূৰ্য ফণী শৰ্মাৰ লেখীয়া ব্যক্তি পূৰ্বজ্যোতিলৈ অহাৰ লগতে ভ্ৰাম্যমাণৰ মঞ্চলৈ প্ৰথমবাৰলৈ আগমন ঘটিছিল বিশ্ববিশ্ৰুত শিল্পী ড° ভূপেন হাজৰিকাৰ। পাছলৈ এই থিয়েটাৰে 'অমৰ থিয়েটাৰ' নাম লয় যদিও ই সৰহদিন টিকি থাকিব নোৱাৰিলে। ১৯৭৬ চনত পূৰ্বজ্যোতি থিয়েটাৰ চিৰদিনৰ বাবে বন্ধ হৈ যায়।

প্ৰথম বছৰৰ পৰিক্ৰমা ঃ প্ৰথম বৰ্ষত পূৰ্বজ্যোতি থিয়েটাৰে চাৰিখন নাট মঞ্চস্থ কৰে। জ্যোতিপ্ৰসাদ আগৰৱালা ৰচিত 'শোণিত কুঁৱৰী' নাটখন ভ্ৰাম্যমাণৰ মঞ্চলৈ লৈ আহি পূৰ্বজ্যোতি থিয়েটাৰে এক অন্য মাত্ৰা প্ৰদান কৰিছিল। আন এখন উল্লেখনীয় নাট আছিল ফণী শৰ্মাৰ 'চাহজাহান'। ১৯৬৬ চনত প্ৰথম বৰ্ষত পূৰ্বজ্যোতিৰ মঞ্চত আন দুখন নাট 'এমুঠি চাউল' আৰু 'কাৰাগাৰ' মঞ্চস্থ হয়। আটাইকেইখন নাট পৰিচালনা কৰিছিল নটসূৰ্য ফণী শৰ্মাই। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰী সকল আছিল ৰুদ্ৰ চৌধুৰী, চন্দ্ৰ চহৰীয়া, ৰমা শীল, দেৱেন ভূঞা, মহানন্দ শৰ্মা, হৰেন ডেকা, নলিনী দেৱী, সুমিত্ৰা বৰুৱা, কিৰণ হাজৰিকা, পাৰুল বড়া, ৰতন লহকৰ, পৰাগ বৰুৱা, ৰীণা বৰা আদি শিল্পীসকল।

প্ৰথম বৰ্ষৰ নৃত্য-নাটিকা তিনিখন আছিল যতীন গোস্বামী ৰচিত আৰু পৰিচালিত 'এনাজৰী', ৰবীন দাস ৰচিত 'শকুন্তলা' আৰু তৃতীয়খন নৃত্য-নাটিকা আছিল 'সুখী পৰিয়াল'। ড° ভূপেন হাজৰিকা আৰু প্ৰভাত শৰ্মাৰ সংগীত পৰিচালনাত মুখৰিত হৈ উঠা পূৰ্বজ্যোতি থিয়েটাৰৰ নৃত্য শিল্পী সকল আছিল উদয় দাস, গুণেশ্বৰ ভূঞা, হেমো বৰুৱা, মনেশ্বৰ দাস আদি। আলোক শিল্পীসকল আছিল আদ্য শৰ্মা, হীৰামন গোস্বামী, দ্বীজেন ভট্ট আদি। আন কলা-কুশলী সকল আছিল সৰ্বেশ্বৰ ৰাজবংশী, সুৰেন ৰয় আদিৰ নিচিনা শিল্পীসকল।

দ্বিতীয় বছৰৰ পৰিক্ৰমা (১৯৬৭-৬৮) ঃ দ্বিতীয় বৰ্ষত পূৰ্বজ্যোতিৰ মঞ্চত মঞ্চস্থ হোৱা নাটসমূহ হ'ল— 'টিপু চুলতান', 'এমুঠি চাউল' (ৰচনা ঃ ফণী শৰ্মা), 'শোণিত কুঁৱৰী' (ৰচনা ঃ জ্যোতিপ্ৰসাদ আগৰৱালা), বব্ৰুবাহন (ৰচনা ঃ মুনীন্দ্ৰ নাথ শৰ্মা), 'ৰায়গড়' আৰু 'দক্ষযজ্ঞ'। 'মৎস্যজীৱী' নামৰ আন এখন নাট মঞ্চস্থ কৰাৰ প্ৰস্তুতিও নাট্যদলটিয়ে চলাইছিল। নাটসমূহ পৰিচালনা কৰিছিল ফণী শৰ্মাই। টিপু চুলতান নাটকত ফৰাচী সেনাপতি লালীৰ চৰিত্ৰত জিতেন পালে আৰু চোফিয়াৰ ভাৱত নলিনী দেৱীৰ অভিনয় আছিল অতি স্মৰণীয়। ভ্ৰাম্যমাণৰ দৰ্শকে পূৰ্বজ্যোতিৰ মঞ্চতে ফণী শৰ্মাৰ দুৰ্দান্ত অভিনয় দেখিবলৈ

পাইছিল। দ্বিতীয় বৰ্ষৰ আন অভিনেতা-অভিনেত্ৰীসকল হৈছে— মহানন্দ শৰ্মা, দেবেন ভূঞা, দেবেন দাস, কনকেশ্বৰ বৰুৱা, অনু বৰুৱা, ৰমেশ দাস, উদয় বৈশ্য, ৰীণা বৰা, অৰ্পণা ভূঞা, প্ৰতিমা ভূঞা, প্ৰসাদ বৰা, নগেন দাস, গুণেশ্বৰ ভূঞা, জ্যোতি, ৰেবা, পাৰুল বৰা আদি। এই বছৰ পৰিবেশিত নাটিকাকেইখন হ'ল— 'শকুন্তলা', 'এনাজৰী', 'পুনৰ মিলন' আৰু 'কল্পনা'। নৃত্য পৰিচালনা কৰিছিল ৰবীন দাসে। কলা নিৰ্দেশকৰ দায়িত্বত আছিল প্ৰমোদ ৰায়। বিশ্ববিশ্ৰুত কণ্ঠশিল্পী ড° ভূপেন হাজৰিকাই এই বৰ্ষতো পূৰ্বজ্যোতিৰ সংগীত পৰিচালনা কৰিছিল।

তৃতীয় বছৰৰ পৰিক্ৰমা (১৯৬৮-৬৯) ঃ তৃতীয় বছৰত পূৰ্বজ্যোতিয়ে মঞ্চস্থ কৰা নাটসমূহ আছিল ফণী শৰ্মা ৰচিত 'চিৰাজ' আৰু 'এমুঠি চাউল', 'কহিনুৰ' (অনূদিত), 'চন্দ্ৰগুপ্ত', 'দক্ষযজ্ঞ' আৰু 'সীতা উদ্ধাৰ'। নাটসমূহ পৰিচালনা কৰিছিল ফণী শৰ্মাই। এই বছৰৰ অভিনয় শিল্পীসকল হ'ল— ৰুদ্ৰ চৌধুৰী, সদা লহকৰ, ভুবন বৰা, ইন্দ্ৰেশ্বৰ বুজৰবৰুৱা, ৰীণা বৰা, জ্যোতিৰেখা, লক্ষ্মী মজুমদাৰ, কুমুদ শৰ্মা, মথুৰা মজুমদাৰ, মঞ্জুশ্ৰী আৰু নলিনী। উল্লেখ্য যে ভ্ৰাম্যমাণৰ প্ৰসিদ্ধ অভিনেত্ৰী ৰীণা বৰাই পূৰ্বজ্যোতিৰ মঞ্চতে নিজৰ অভিনয় জীৱনৰ পাতনি মেলে। ইয়াৰ আগতে তেওঁ নটৰাজ থিয়েটাৰ আৰু পূৰ্বজ্যোতিত আছিল যদিও তেওঁ মূল ভূমিকাত অভিনয়ৰ সুযোগ পোৱা নাছিল। নটসূৰ্য ফণী শৰ্মাৰ উদগনিত চিৰাজ নাটখনত ৰীণা বৰাই 'সাবিত্ৰী' আৰু 'সীতা'ৰ চৰিত্ৰ দুটিত অভিনয় কৰে। 'এমুঠি চাউল' নাটকখনতো তেওঁ অভিনয় কৰাৰ সুযোগ পাইছিল। পৰিবেশিত নৃত্য নাটিকাসমূহৰ ভিতৰত 'শকুন্তলা' নাটিকাখনৰ শ্ৰুতি মধুৰতাই দৰ্শকক মোহিত কৰিছিল। ভ্ৰাম্যমাণৰ স্বনামধন্য সংগীত পৰিচালক, গায়ক দশৰথ দাসে এই বৰ্ষত পূৰ্বজ্যোতিৰ সংগীত পৰিচালনা কৰিছিল।

চতুৰ্থ বছৰৰ পৰিক্ৰমা (১৯৬৯-৭০) ঃ চতুৰ্থ বছৰত পূৰ্বজ্যোতিয়ে মঞ্চস্থ কৰা নাটসমূহ আছিল প্ৰফুল্ল বৰাৰ 'সাঁকো', 'কহিনুৰ' (অনূদিত), 'সোণৰ ভাৰত' আৰু 'দাবী'। পৰিবেশিত নৃত্য-নাটিকাকেইখন হ'ল— 'দেশৰ লখিমী' আৰু 'পৰিয়াল পৰিকল্পনা'। পূৰ্বজ্যোতিৰ মঞ্চত সমবেত হোৱা শিল্পীসকল হ'ল— দেবেন ভূঞা, কুমুদ শৰ্মা, কৃষ্ণ ৰয়, ইন্দ্ৰেশ্বৰ বুজৰবৰুৱা, ৰুদ্ৰ চৌধুৰী, মনোজ শৰ্মা, মনোৰঞ্জন চক্ৰৱৰ্তী, মঞ্জুশ্ৰী, ৰেণু দেৱী, লক্ষ্মী মজুমদাৰ, প্ৰিয় বৈশ্য, জিতেন বৰা, অনু বৰুৱা, আৰু ৰীণা বৰা। প্ৰফুল্ল বৰাৰ 'সাঁকো' নাটখন এইবছৰ যথেষ্ট জনপ্ৰিয় হৈছিল। পূৰ্বজ্যোতি থিয়েটাৰৰ যোগেদি আত্মপ্ৰকাশ কৰা লক্ষ্মীনন্দন মজুমদাৰে 'পল্টু' হেণ্ডিমেনৰ চৰিত্ৰত পাহৰিব নোৱাৰা অভিনয় কৰিছিল।

পঞ্চম বছৰৰ পৰিক্ৰমা (১৯৭০-৭১) ঃ পঞ্চম বৰ্ষত পূৰ্বজ্যোতিৰ মঞ্চত মঞ্চস্থ হোৱা 'শৰ্মিলা' নাটখনি দৰ্শকৰ মাজত অতি জনপ্ৰিয় হৈছিল। নাটখনিত বৰুৱাৰ ভাওত ৰুদ্ৰ চৌধুৰী, শৰ্মিলাৰ ভাৱত সৰস্বতী বৰদলৈ, বৰুৱাৰ পুত্ৰ নীলকান্তৰ ভাৱত ৰতন লহকৰ, বৰুৱাৰ পুত্ৰ দেৱকান্তৰ চৰিত্ৰত মথুৰা মজুমদাৰ, ৰমাকান্তৰ ভাৱত ইন্দ্ৰেশ্বৰ

বুজৰবৰুৱা, ভেবলাৰ চৰিত্ৰত লক্ষ্মী মজুমদাৰ আৰু চামেলীৰ চৰিত্ৰত জ্যোতি ৰেখা দাসৰ অভিনয়ে নাটখনক এক অনন্য মাত্ৰা প্ৰদান কৰিছিল। এইবছৰৰ আন আন নাটসমূহ আছিল— 'ৰাম বনবাস', 'মাৰ্জিয়ামা', 'দিন ডকাইত', প্ৰফুল্ল বৰা ৰচিত 'সাঁকো' আৰু আন এখন নাট 'দাবী'। নাটবোৰ পৰিচালনা কৰিছিল ৰুদ্ৰ চৌধুৰীয়ে। এই বৰ্ষৰ আন শিল্পীসকল হ'ল— শীলা ঘোষ, উদয় ভাগৱতী, পৰাগ বৰুৱা, জীতেন বৰা, হৰিশ মেধি, কমলা মজুমদাৰ, কৃষ্ণ ৰয়, কমলা পাঠক, মঞ্জুশ্ৰী মহন্ত, ভাইটি, বংশী গোস্বামী আদি। কলা নিৰ্দেশনা প্ৰমোদ ৰয় আৰু সুৰেন ৰয়ৰ আৰু আলোক নিৰ্দেশনাৰ দায়িত্বত আছিল কৃষ্ণ ৰয়। ভ্ৰাম্যমাণৰ এগৰাকী জনপ্ৰিয় কণ্ঠশিল্পী প্ৰয়াত দেৱ দাসে এই বৰ্ষতে কণ্ঠশিল্পীৰূপে পূৰ্বজ্যোতিত আত্মপ্ৰকাশ কৰিছিল।

ষষ্ঠ বছৰৰ পৰিক্ৰমা (১৯৭১-৭২) ঃ এই বছৰত পূৰ্বজ্যোতি থিয়েটাৰে ইয়াৰ নাম সলাই 'ত্ৰিল'জী থিয়েটাৰ' ৰাখে। কৰুণাকান্ত মজুমদাৰৰ প্ৰযোজনাত পূৰ্বজ্যোতি 'ত্ৰিল'জী থিয়েটাৰ' এ এই বৰ্ষত কেবাখনো নাট মঞ্চস্থ কৰে। নাটসমূহ আছিল ভবেন বৰুৱা ৰচিত 'সেউতীৰ সেন্দূৰ', পূৰ্বৰ নাট 'শৰ্মিলা', 'খুনী কোন', পৱিত্ৰ পাপী', 'চুলতান মামুদ' আৰু 'দ্বিতীয় অভিমন্যু'। প্ৰভাত শৰ্মাৰ সংগীত পৰিচালনা আৰু যতীন গোস্বামীৰ নৃত্য পৰিচালনাত পৰিবেশিত নৃত্য-নাটিকাকেইখন হ'ল 'সুখী পৰিয়াল', 'কুমাৰ সম্ভৱ', 'ৰূপালীম', আৰু 'এখন দেশ এটি মহান জাতি'। এই বছৰত নাট্যদলটিয়ে মঞ্চত পৰীক্ষামূলকভাৱে পুতলা নাচো প্ৰদৰ্শন কৰিছিল। অভিনয়ত আছিল উদয় ভাগৱতী, ৰজনী তালুকদাৰ, জীতেন পাল, মহানন্দ শৰ্মা, ইন্দ্ৰেশ্বৰ বুজৰবৰুৱা, জীতেন বৰা, লক্ষ্মীনন্দন মজুমদাৰ, ধনেশ্বৰ শৰ্মা, জ্যোতি ভৰালী, দ্বীজেন শৰ্মা, বংশী গোস্বামী, জ্যোৎস্না, নলিনী, ৰূপা দেৱী, মীনা, ৰেণু দেৱী, সৰস্বতী বৰদলৈ, দেবযানী আদি শিল্পীসকল।

সপ্তম বছৰৰ পৰিক্ৰমা (১৯৭২-৭৩) ঃ পূৰ্বজ্যোতি ত্ৰিল'জী থিয়েটাৰৰ এই বৰ্ষৰ শ্ৰেষ্ঠতম নাটক হিচাপে বিবেচিত হৈছিল 'ইহতো মানুহ' নামৰ নাটখন। মূল বাংলা নাটৰ পৰা অনূদিত এই নাটখনিত এগৰাকী পংগু ভাতৃৰ প্ৰতি ককায়েকৰ অপত্য স্নেহ তথা বৌৱেকৰ ঘৃণাক দাঙি ধৰা হৈছিল। নিষ্ঠুৰ বৌৱেকে পংগু দেওৰেকক খাবলৈ নিদিয়ে। গাখীৰৰ পৰিৱৰ্তে ফিকা চাহ, পিন্ধিবলৈ দিয়ে ফটা কামিজ। নাটখনিত দুটি নাৰী চৰিত্ৰৰ এগৰাকীক অতি নিষ্ঠুৰ আৰু আন গৰাকীক (পংগুৰ নিজ ভনীয়েকক) মহীয়সী ৰূপে উপস্থাপন কৰা হৈছিল। মহীয়সীৰূপী নাৰী গৰাকীয়ে নাটখনৰ জৰিয়তে বক্তব্য দাঙি ধৰে যে পংগু হ'লেও এওঁলোকো মানুহ। সাধাৰণ আন মানুহৰ দৰে এওঁলোকো সকলো মানৱীয় অধিকাৰৰ দাবীদাৰ। এই বাৰৰ অভিনয় শিল্পীসকল আছিল উদয় ভাগৱতী, ৰতন লহকৰ, হৰিশ মেধি, লক্ষ্মীনন্দন মজুমদাৰ, কমলা মালাকৰ, পৰাগ বৰুৱা, মথুৰ মজুমদাৰ, জীতেন বৰা, মীনা কুমাৰী, আৰাধনা, ৰামেশ্বৰ হাজৰিকা, জ্যোতিৰেখা দাস, অনুপমা, ৰেণু দেৱী, জ্যোৎস্না, বীণা আদি। এই নাট্যবৰ্ষৰ আন এখন নাট 'হিটলাৰ'ও চমকপ্ৰদভাৱে

সফল হৈছিল। যি সময়ত অসমৰ দৰে ৰাজ্যত টি ভি পৰ্দাৰ আগমন ঘটা নাছিল সেই সময়ত পূৰ্বজ্যোতিৰ এই নাটখনত টি ভিৰ পৰ্দাত হিটলাৰে ৰাজনৈতিক বাণী দিয়াৰ এক দৃশ্য মঞ্চস্থ কৰা হৈছিল। এইবাৰৰ আন নাটসমূহ আছিল— 'অনিতা', 'ৰাম বনবাস', 'ইন্দ্ৰমালতী', 'ফেৰাৰী ফৌজ' আৰু 'সেউতীৰ সেন্দূৰ' (ৰচনা ঃ ভবেন বৰুৱা)। নাটবোৰ সামগ্ৰিকভাৱে পৰিচালনা কৰিছিল আব্দুল মজিদে।

আনন্দমোহন ভাগৱতী আৰু যতীন গোস্বামীৰ নৃত্য নিৰ্দেশনাৰে পৰিৱেশিত নৃত্য-নাটিকা কেইখন আছিল— 'হেমকন্যা', 'দেশৰ লখিমী', 'শকুন্তলা' আৰু 'সুখী পৰিয়াল'। সংগীত পৰিচালনাত প্ৰভাত শৰ্মা আৰু কলা নিৰ্দেশনাৰ দায়িত্বত আছিল আদ্য শৰ্মা। আলোক সম্পাতৰ দায়িত্বত আছিল কৃষ্ণ ৰয়।

অষ্টম বছৰৰ পৰিক্ৰমা (১৯৭৩-৭৪) ঃ এই বৰ্ষত নাট্যদলটিৰ নাম সলনি হয় আৰু পূৰ্বৰ পূৰ্বজ্যোতিৰ ঠাইত ই 'অমৰ থিয়েটাৰ' নাম লয়। এই বৰ্ষৰ নাটসমূহে আছিল 'গৰিবী হটাও', 'ভাই ভাই', 'ইহতো মানুহ', 'ভাৰত সম্ৰাট' আৰু 'সতী তুলসী'। এই নাট্যবৰ্ষত থিয়েটাৰ দলটিয়ে পৰিবেশন কৰা নৃত্য-নাটিকাকেইখন আছিল 'মাটি কাৰ' (ৰচনা ঃ ফণী তালুকদাৰ), 'ৰূপালীম' আৰু 'উৰ্বশী'।

নৱম বছৰৰ পৰিক্ৰমা (১৯৭৪-৭৫) ঃ অমৰ থিয়েটাৰে ইয়াৰ নাট্যযাত্ৰাৰ দ্বিতীয় নাট্যবৰ্ষত কেবাখনো গুৰুত্বপূৰ্ণ নাট মঞ্চস্থ কৰে। নাটসমূহ হ'ল— হৰেন ডেকা ৰচিত 'অভিশপ্ত মছনদ', ফণী শৰ্মাৰ 'এমুঠি চাউল', 'কলঙ্কিনী' (অনূদিত), 'কাৰাগাৰ' আৰু 'সংসাৰ'। এই বছৰৰ নৃত্য-নাটিকাকেইখন হ'ল— 'সুখী পৰিয়াল', 'বাসবদত্তা', 'নৰকাসুৰ', 'ন-সমবায়', 'দাপোন', 'বিহুৱান' আৰু 'কল্পনা'।

লক্ষ্মীনন্দন মজুমদাৰ সম্পাদিত আৰু পৰিচালিত 'কলংকিনী' এই নাট্যবৰ্ষৰ এখন উল্লেখনীয় নাট আছিল। সমাজৰ উচ্চ স্থানত নিজৰ অভিজাত মৰ্যাদা ৰক্ষা কৰা এচামৰ হাতত কিদৰে নিম্ন শ্ৰেণীৰ দুখীয়া লোকৰ জীৱনৰ সমগ্ৰ আশা নিৰ্বাপিত হয় তাৰেই এক শোকাৱহ কাহিনী হৈছে 'কলংকিনী'। এগৰাকী দৰিদ্ৰ যুৱতীয়ে ক্ষমতাশালী জমিদাৰ এজনৰ হাতত প্ৰতাৰিত হৈ নিজৰ সতীত্ব বিসৰ্জন দিব লগা হয়। জমিদাৰৰ ঔৰসত তাইৰ এটি ছোৱালী সন্তান জন্মে। ছোৱালী সন্তানজনীক জমিদাৰে নৈত পেলাই মাৰিবৰ যত্ন কৰে যদিও এক দুখীয়াৰ হাতত এই দেৱসন্তানটি লালিত-পালিত হয়। এনেদৰে অতি নাটকীয় গতিৰে নাটকৰ কাহিনীভাগ আগবাঢ়ে আৰু শেহত তাই যে জমিদাৰৰহে সন্তান, জাৰজ নহয় তাক প্ৰতিপন্ন হয়। নাটখনিত লক্ষ্মীনন্দন মজুমদাৰ, দেৱজিতৰ ভাৱত হৰিশ মেধি, ডিম্বেশ্বৰ কলিতা (মধুকাই), প্ৰতিমা ভূঞা (ৰেখা), বাবুল মজুমদাৰ (ডাক্তৰ), তাৰক চক্ৰৱৰ্তী, দুলাল চৌধুৰী আদিৰ অভিনয় আছিল অতি সাৱলীল। মণ্টু মজুমদাৰ আৰু দেবেন শইকীয়াৰ যৌথ প্ৰচেষ্টাৰ পোহৰ, ৰূপসজ্জা আৰু দৃশ্যসজ্জাইও নাটখনৰ আকৰ্ষণ বঢ়াইছিল।

এইবৰ্ষৰ আন এখন উল্লেখনীয় নাট আছিল ডেকা নাট্যকাৰ তাৰক চক্ৰৱৰ্তী অনূদিত **'সংসাৰ'**। দীনবায় দাস পৰিচালিত এই নাটখনৰ সামগ্ৰিক কাহিনীটো গঢ়ি উঠিছিল সংসাৰৰ ভেদা-ভেদ, অসমতা আদিক ভিত্তি কৰি। এই সংসাৰতে কিছুমানে বিষয়-সম্পত্তি অবাধে লুণ্ঠন কৰি নিজকে সুখী কৰিব বিচাৰিছে আৰু আনচামে প্ৰতাৰিত, লাঞ্ছিত হৈ দুখক আকোঁৱালি ল'ব লগা হৈছে। নাটখনত লক্ষ্মীনন্দন মজুমদাৰ, প্ৰতিমা ভূঞা, তাৰক চক্ৰৱৰ্তী, উদয় ভাগৱতী, হৰেন মালাকৰ, হৰিশ মেধি, ধীৰু গোস্বামী, কুমদ কৰা, মালতী আদিয়ে দৰ্শনীয় অভিনয় কৰিছিল। নৃত্যত ৰজনী পাটগিৰী, ৰুণু দেৱী আৰু সৰ্বেশ্বৰ পাটগিৰীয়ে বিশেষ পাৰদৰ্শিতা দেখুৱাব পাৰিছিল। এই বৰ্ষৰ কণ্ঠ শিল্পীসকল আছিল হৰেন কলিতা, সাবিত্ৰী লস্কৰ, ৰাধা দাস আৰু কুকিল নাগ।

দশম বছৰৰ পৰিক্ৰমা (১৯৭৫-৭৬) ঃ এই বছৰটিয়ে আছিল অমৰ থিয়েটাৰ বা পূৰ্বজ্যোতি থিয়েটাৰৰ অন্তিম বৰ্ষ। এই বছৰৰ নাট কেইখন আছিল 'কলংকিনী', 'সংসাৰ', 'এমুঠি চাউল' (ৰচনা ঃ ফণী শৰ্মা) আৰু 'কাৰাগাৰ'। পৰিবেশিত নৃত্য-নাটিকা কেইখন হ'ল— 'সুখী পৰিয়াল', 'বিহুৱান' আৰু 'উৰ্বশী'।

মঞ্চৰূপা থিয়েটাৰ

১৯৬৯ চনত অৰ্থাৎ অচ্যুৎ লহকৰৰ দ্বাৰা প্ৰযোজিত নটৰাজ থিয়েটাৰে জন্ম লাভ কৰাৰ ছয় বছৰ পিছত পাঠশালাত আন এটি ভ্ৰাম্যমাণ দলে জন্ম পালে। পাঠশালাৰ নিকটৱৰ্তী মুগুৰীয়া গাঁৱৰ শ্ৰীহেমকান্ত তালুকদাৰৰ নেতৃত্বত মঞ্চৰূপা থিয়েটাৰৰ জন্ম হ'ল। শৈশৱৰে পৰা নৃত্য-গানৰ প্ৰতি দুৰ্বল তালুকদাৰৰ এই প্ৰচেষ্টাক মানসিকভাৱে তথা আন আন দিশেৰে সহায় কৰিছিল শ্ৰী বসন্ত তালুকদাৰ, ঁকৃষ্ণ বৰুৱা, ঁকেশৱ বৰুৱা, ঁশুকোৰাম গাঁওবুঢ়া, শ্ৰী চক্ৰধৰ দাস, ঁঅকণ দত্ত, ঁভোলা দৰ্জি, শ্ৰী সুৰেন পাটগিৰী, ঁজিতেন পাল, ঁবিমল তালুকদাৰ, ঁবংশী দাস আদি লোকসকলে। উল্লেখ্য যে ইয়াৰে ঁশুকোৰাম গাঁওবুঢ়াই নাট্যদলটিৰ আৰ্থিক দিশটি চোৱাচিতা কৰাৰ লগতে মূলধনো বিনিয়োগ কৰিছিল।

প্ৰথম বছৰৰ পৰিক্ৰমা ঃ প্ৰথম বৰ্ষত মঞ্চৰূপা থিয়েটাৰে চাৰিখন নাট মঞ্চস্থ কৰে আৰু ইয়াৰ আটাইকেইখন নাট বাংলাৰ পৰা অসমীয়ালৈ অনূদিত আছিল। 'বিজয় বসন্ত' আৰু 'শেষ আফগান' নামৰ নাট দুখন পৰিচালনা কৰিছিল প্ৰয়াত ধৰণীধৰ গোস্বামীয়ে। আনহাতে 'শ্ৰী বৎসচিন্তা' আৰু 'কাৰবালা' পৰিচালনা কৰিছিল মঞ্চসম্ৰাট প্ৰয়াত চন্দ্ৰ চৌধুৰীয়ে। এই বৰ্ষত নন্দ বেনাৰ্জীৰ সংগীত পৰিচালনাৰে মঞ্চৰূপা থিয়েটাৰ উজলি উঠিছিল।

প্ৰথম বছৰৰ নৃত্য-নাটিকা দুখন আছিল 'কংস বধ' (ৰচক ঃ সত্ৰাধিকাৰ, পৰিচালক ঃ শ্ৰীযতীন গোস্বামী) আৰু 'ভৰত মিলন' (পৰিচালক ঃ ৰবীন দাস)।

এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰীসকল আছিল— ঁচন্দ্ৰ চৌধুৰী, শ্ৰীভবানন্দ পাটগিৰী, বলদেৱ শইকীয়া, অনিল কলিতা, ঁপ্ৰিয় পাটগিৰী, ৰঘু মালাকৰ, ঁকৃষ্ণ বৰুৱা, ঁবংশী দাস, ঁপঞ্চো পাটগিৰী, নলিনী শৰ্মা, সুমিত্ৰা বৰুৱা, প্ৰতিমা ভূঞা, নিৰু দাস, চন্দ্ৰ দাস, মায়া বৰুৱা আৰু ভবেন বৰুৱা। দশৰথ দাস, ৰেৱতী বৰুৱা, সুমিত্ৰা বৰুৱা, বিদ্যুৎ মজুমদাৰ আৰু মায়া বৰুৱা আছিল উক্ত বৰ্ষৰ কণ্ঠশিল্পী। নৃত্য শিল্পীসকল আছিল গুণেশ্বৰ ভূঞা, ৰজনী পাটগিৰী, দীনবন্ধু দাস, প্ৰভাত দাস, চন্দ্ৰ ৰয়, মঞ্জুলা দাস, গায়ত্ৰী বৈশ্য আদি। যন্ত্ৰশিল্পীসকল হ'ল— বিদ্যুৎ মজুমদাৰ, হৰেশ্বৰ কলিতা, দশৰথ দাস, অৰবিন্দ শৰ্মা, চৰণ দাস, উপেন দাস, ৰবীন ৰয় আৰু যোগেন বৰা। আলোক শিল্পীৰূপে কাম কৰিছিল হৰিচৰণ পাটগিৰী আৰু ফণী দাসে। আদ্য শৰ্মা আৰু ভবেন বৰুৱাই কলা-কৌশলগত দিশসমূহ চোৱাচিতা কৰিছিল। প্ৰথম বছৰৰ আয়োজক বা সংগঠন আছিল ঁকেশৱ বৰুৱা

আৰু প্ৰিয় পাটগিৰী। এই বছৰ আন কলা-কুশলীসকল হ'ল আলোকত— সুভাষ চৌধুৰী, মহৎ বড়ো, বীৰেন পাটগিৰী, উমেশ বৰ্মন, মোহন পাটগিৰী, জ্যোতিষ দাস, মনোৰম দাস। দৃশ্যপট অংকনত ভবেন বৰুৱা, প্ৰণৱ শৰ্মা, মহৎ বড়ো আৰু বীৰেন্দ্ৰ ভট্টাচাৰ্য। শব্দযন্ত্ৰ নিয়ন্ত্ৰণত পৰেশ শৰ্মা আৰু বাণী তালুকদাৰ।

দ্বিতীয় বছৰৰ পৰিক্ৰমা ঃ মঞ্চৰূপা থিয়েটাৰে ইয়াৰ মঞ্চ পৰিক্ৰমাৰ দ্বিতীয় বছৰতো অভিযোজিত নাটকেৰেই গোটেই নাট্যবৰ্ষটি পাৰ কৰিলে। এই বছৰত নাটবোৰ আছিল 'শ্ৰী ৰামচন্দ্ৰ', 'বিজয় বসন্ত', 'কৃষক সন্তান' আৰু 'হৰিশ্চন্দ্ৰ'। নাটবোৰ পৰিচালনা কৰিছিল প্ৰয়াত জীতেন পাল আৰু ধৰণীধৰ গোস্বামীয়ে। নৰেন দাসৰ পৰিচালনাত মঞ্চস্থ কৰা নৃত্য-নাটিকাবোৰ আছিল— 'সাবিত্ৰী-সত্যবান', 'মীৰাবাই', 'কংসবধ' আৰু 'ভৰত-মিলন'। অভিনয় শিল্পীসকল আছিল— সুৰেন চৌধুৰী, লক্ষী ভূঞা, ভবেন বৰুৱা, প্ৰতিমা ভূঞা আৰু প্ৰথম বৰ্ষৰ প্ৰায় সৰহ সংখ্যক শিল্পীয়েই। আলোক আৰু মঞ্চত প্ৰথম বৰ্ষৰ শিল্পীসকল থকাৰ বিপৰীতে নৃত্য শিল্পী আৰু সংগীত শিল্পীসকল আছিল সৰ্বশ্ৰী নৰেন দাস, প্ৰফুল্ল দাস, অতুল দাস, ৰজনী পাটগিৰী, গণেশ দাস, প্ৰহ্লাদ দাস, ফুলেন ৰয়, প্ৰতিমা ভূঞা, চেনীমাই বৰা, হিমানী, মাধৱী, ডালিমী আদি।

দুটি বছৰ অসমৰ বিভিন্ন ঠাইত নাট প্ৰদৰ্শন কৰি মঞ্চৰূপা থিয়েটাৰে ইয়াৰ পৰিক্ৰমা আৰু আগুৱাই নিব নোৱাৰিলে। তৃতীয়বৰ্ষৰ পৰা এই থিয়েটাৰ দলটি বন্ধ হৈ পৰিল। প্ৰযোজক হেমকান্ত তালুকদাৰৰ মতে মূলত আৰ্থিত নাটনিৰ বাবেই দলটিয়ে ইয়াৰ যাত্ৰা বন্ধ কৰিব লগা হ'ল। প্ৰথম বৰ্ষত কৰা চাৰিখন নাটককেই তেওঁ মঞ্চৰূপা থিয়েটাৰৰ উল্লেখনীয় সফলতা বুলি গণ্য কৰে। কোনো ধৰণৰ বছৰেকীয়া মুখপত্ৰ প্ৰকাশ নকৰা এই দলটিৰ প্ৰতীক চিহ্ন আছিল নটৰাজ। উল্লেখ্য যে মঞ্চৰূপা থিয়েটাৰে পোন প্ৰথমবাৰৰ বাবে টু ডাইমেনচন মঞ্চ ব্যৱস্থা অৰ্থাৎ স্থিতিশীল যুৰীয়া মঞ্চ প্ৰৱৰ্তন কৰে। এই যুৰীয়া মঞ্চৰ পৰিকল্পনাৰ আঁৰত আছিল মহানন্দ শৰ্মা আৰু ভবেন বৰুৱা। উল্লেখযোগ্য যে আজি পৰ্যন্ত অসমৰ সকলোবোৰ ভ্ৰাম্যমাণ দলে মঞ্চৰূপা থিয়েটাৰে আৱিষ্কাৰ কৰি যোৱা যুৰীয়া মঞ্চৰ ব্যৱহাৰ কৰি আছে।

অসম ষ্টাৰ থিয়েটাৰ

১৯৭০ চনৰ ১১ ছেপ্টেম্বৰত পাঠশালাত আন এটি ভ্ৰাম্যমাণ দলে আত্মপ্ৰকাশ কৰে। পাঠশালা চহৰৰ কুমুদ শৰ্মাৰ প্ৰযোজনাত আৰম্ভ হোৱা অসম ষ্টাৰ থিয়েটাৰে পাছলৈ আখৰা শিবিৰ গুৱাহাটীতো আৰম্ভ কৰিছিল। ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসত কেবাখনো উল্লেখনীয় নাট উপহাৰ দিয়া এই থিয়েটাৰ দলটিৰ আনুষ্ঠানিক শুভাৰম্ভ কৰিছিল থানেশ্বৰ শৰ্মাই। পাঠশালা চহৰৰ কেবাগৰাকী ব্যক্তিৰ উৎসাহ আৰু পৃষ্ঠপোষকতাত আৰম্ভ হোৱা নাই দলটিৰ নাট্যপৰিক্ৰমাৰ এক চমু খতিয়ান তলত উল্লেখ কৰা হ'ল—

প্ৰথম বছৰৰ পৰিক্ৰমা (১৯৭০-৭১) ঃ ভ্ৰাম্যমাণ নাট্যদলৰ চিৰসেউজ অভিনেতা-পৰিচালক চন্দ্ৰ চৌধুৰীয়ে এই বছৰৰ আটাইকেইখন নাটৰে পৰিচালনা কৰে। নাটসমূহ হ'ল— 'ৰাজলক্ষ্মী সীতা', 'সম্ৰাট জাহাঙ্গীৰ', 'ভক্ত বীৰ', 'হিন্দুবীৰ', 'অপৰাধী কোন', 'মাতৃ পূজা' আৰু 'নগাকোঁৱৰ'। ইয়াৰে দুখনমান নাট নাট্যদলটিয়ে বছৰটিৰ নাট্য পৰিক্ৰমাৰ পৰা পাছৰ পৰ্যায়ত বাদ দিছিল। অসম ষ্টাৰ থিয়েটাৰৰ প্ৰাৰম্ভিক বৰ্ষৰ অভিনয় শিল্পীসকল হ'ল— চন্দ্ৰ চৌধুৰী, সুৰেন পাটগিৰী, বলদেৱ শইকীয়া, ৰমা শীল, অনিল ৰয়, সুমিত্ৰা বৰুৱা, লাবণ্য বৰুৱা, ফুলকুমাৰী ভূঞা আদি। এই বৰ্ষৰ সংগীত পৰিচালক আছিল প্ৰভাত শৰ্মা আৰু নৃত্য পৰিচালনা কৰিছিল যতীন গোস্বামীয়ে। পৰিবেশিত নৃত্য-নাটিকাসমূহ হ'ল— 'তুলসী হৰণ', 'দিখৌ ঘাটৰ পীৰিতি', 'বসন্ত সেনা' আৰু 'পথাৰৰ লখিমী'।

দ্বিতীয় বৰ্ষৰ পৰিক্ৰমা (১৯৭১-৭২) ঃ দ্বিতীয় বৰ্ষত এই থিয়েটাৰ দলটিয়ে চাৰিখন নাট মঞ্চলৈ লৈ আনে। নাটসমূহ আছিল 'আদিলশ্বাহ', 'কল্যাণী', 'ৰিক্সাৱালা' আৰু 'অপৰাধী কোন'। এই আটাইকেইখন নাটককে বাংলা নাটৰ পৰা সম্পাদিত কৰা হৈছিল। এই বছৰৰ নৃত্য-নাটিকাকেইখন হ'ল— 'বসন্ত সেনা', 'লুইতৰ বিননি' আৰু 'দিখৌ পাৰৰ পীৰিতি'। 'কল্যাণী' নাটখনত চন্দ্ৰ চৌধুৰী, ৰীণা বৰা আৰু সুৰেন পাটগিৰীয়ে অতি প্ৰশংসনীয় অভিনয় কৰিছিল।

তৃতীয় বৰ্ষৰ পৰিক্ৰমা (১৯৭২-৭৩) ঃ তৃতীয় বৰ্ষত অসম ষ্টাৰে মুঠতে ছখন নাট মঞ্চস্থ কৰিছিল। নাটসমূহ হ'ল— 'কল্যাণী', 'ৰিক্সাৱালা', 'হিটলাৰ', 'বাদশ্বাহ', 'সীমা' আৰু 'দেবযানী'। দেবযানী নাটখন ৰচনা কৰিছিল নাট্যকাৰ প্ৰফুল্ল বৰাই। উল্লেখ্য যে অসম ষ্টাৰ থিয়েটাৰে এগৰাকী সফল নাট্যকাৰ হিচাপে প্ৰফুল্ল বৰাক প্ৰতিষ্ঠিত কৰিছিল। 'কল্যাণী' নাটখন পৰিচালক ৰুদ্ৰ চৌধুৰীয়ে মূল বাংলাৰ পৰা অনুবাদ কৰিছিল। একেদৰে 'সীমা' আৰু 'হিটলাৰ' দুয়োখন নাট মূল বাংলাৰ পৰা অনুবাদ কৰি ৰুদ্ৰ চৌধুৰীয়ে দক্ষতাৰে

সৈতে নাট দুখন পৰিচালনা কৰিছিল। আটাইকেইখন নাটেই পৰিচালনা কৰি ৰুদ্ৰ চৌধুৰীয়ে তেওঁৰ বিৰল প্ৰতিভাৰ স্বাক্ষৰ দাঙি ধৰিছিল। দেবযানীত ফেৰীৱালাৰ চৰিত্ৰত ৰুদ্ৰ চৌধুৰী আৰু খলনায়কৰ ৰূপত ডালিম দাসৰ অভিনয় আছিল অতি প্ৰশংসনীয়। আন অভিনেতা-অভিনেত্ৰী সকল হ'ল— বলদেৱ শইকীয়া, ৰমা শীল, বিমল হাজৰিকা, গোপাল শৰ্মা, হেমেন শৰ্মা, গুণেশ্বৰ ভূএগ, হৰেন দাস, প্ৰিয় পাটগিৰী, জগদীশ শৰ্মা, অনিল ৰয়, হেমন্ত দাস, ৰীণা বৰা, ৰেণু কলিতা, ৰীণা শইকীয়া, ফুল ভূএগ, সুৰঞ্জিনী ডেকা আদি। এই বৰ্ষৰ নৃত্য শিল্পীসকল হ'ল অনিমা, গায়ত্ৰী, কৰুণা, জন্মি, হেম শীল, গুণেশ্বৰ আদি।

ৰীণা বৰাৰ অভিনয় আছিল অসম ষ্টাৰ থিয়েটাৰৰ অন্যতম আকৰ্ষণ। 'কল্যাণী' নাটত বুঢ়ী সিদ্ধেশ্বৰী, হিটলাৰ নাটত 'ইভা ব্ৰাউন', 'দেবযানী'ত 'আইভী'ৰ চৰিত্ৰত আৰু বাদশ্বাহ নাটত হাছনাহানাৰ চৰিত্ৰত ৰীণা বৰাই অভিনৱ অভিনয় প্ৰদৰ্শন কৰিছিল।

এই বছৰৰ সংগীত পৰিচালনা কৰিছিল দশৰথ দাসে। দশৰথ দাসৰ মনোমুগ্ধকৰ গীত পৰিবেশনেৰে দৰ্শকক আপ্লুত কৰিব পাৰিছিল। যন্ত্ৰশিল্পী সকল আছিল ধৰণী বণিক্য, হৰেশ্বৰ কলিতা, কান্তি বড়ো আদি।

চতুৰ্থ বৰ্ষৰ পৰিক্ৰমা (১৯৭৩-৭৪) ঃ আগৰ নাট্যবৰ্ষত প্ৰদৰ্শিত 'কল্যাণী' নাটখন এইবছৰবো আকৰ্ষণৰ কেন্দ্ৰবিন্দু আছিল। এই বছৰৰ নাটসমূহ পৰিচালনা কৰিছিল চন্দ্ৰ চৌধুৰীয়ে। চন্দ্ৰ চৌধুৰীয়ে 'কল্যাণী'ৰ এটি কঠিন চৰিত্ৰতো অভিনয় কৰিছিল। নাম ভূমিকাত অভিনয় কৰিছিল বীণা শইকীয়াই। প্ৰফুল্ল বৰা ৰচিত তথা সম্পাদিত নাটকেইখন 'অপৰাধী কোন' 'দেবযানী' আৰু 'নৰ্তকী'। আন নাট দুখন হ'ল 'উল্কা' আৰু 'সৰলা'। নৃত্য-নাটিকা কেইখন হৈছে— 'দিখৌ ঘাটৰ পীৰিতি', 'বসন্ত সেনা' আৰু পথাৰৰ লখিমী'।

পঞ্চম বছৰৰ পৰিক্ৰমা (১৯৭৪-৭৫) ঃ অসম ষ্টাৰ থিয়েটাৰে ইয়াৰ নাট্য পৰিক্ৰমাৰ পঞ্চম বৰ্ষত মঞ্চস্থ কৰা নাটকেইখন হ'ল— 'নৰ্তকী', 'কলংকিনী', 'বাইদেউ' আৰু 'ৰিক্সাৱালা'। আনহাতে এই বছৰৰ নৃত্য-নাটিকাকেইখন হ'ল 'কুমাৰ সম্ভৱ', 'অগ্নিস্নান', 'লাহৰি গগনা', 'আমাক পোহৰ লাগে' আৰু 'ধূলি-বালি'।

ষষ্ঠ বৰ্ষৰ পৰিক্ৰমা (১৯৭৫-৭৬) ঃ নাট্যপৰিক্ৰমাৰ ষষ্ঠতম বৰ্ষত অসম ষ্টাৰে নিবেদন কৰা নাট কেইখন আছিল— 'দেবযানী', ৰজনী শৰ্মা সম্পাদিত আৰু ধৰণীধৰ দেৱগোস্বামী পৰিচালিত 'বোৱাৰীৰ চকুলো', 'মধুমতী', 'ৰজনীগন্ধা', 'আচামী' ভগৱান' (ধন্য ছোৱালী), 'তেজীমলা' আৰু 'ভক্তবীৰ কালকেতু'। একেদৰে মঞ্চলৈ অনা নৃত্য-নাটিকাসমূহ হ'ল— 'আম্ৰপালী', 'অবৈধ', 'আমাৰ কৃষ্ণ', 'উষা-পৰিণয়', 'লাহৰি গগণা', 'লুইত পাৰৰ বিননি', 'মইনামতীৰ হাঁহি', 'আমি হেৰাই যোৱা নাই'। এই বছৰটিত দলটিয়ে মঞ্চত বিহু, ভাংৰা নৃত্যও পৰিবেশন কৰিছিল।

সপ্তম বৰ্ষৰ পৰিক্ৰমা (১৯৭৬-৭৭) ঃ এই বছৰৰ নাটসমূহ হ'ল ৰুদ্ৰ চৌধুৰী অনূদিত 'ৰাধা অনুৰাধা', প্ৰফুল্ল বৰা ৰচিত তথা সম্পাদিত 'নৰ্তকী' আৰু 'সোণ-ৰূপ-হীৰা'; আব্দুল

মালিকৰ 'তেজীমলা'; ৰজনী শৰ্মা সম্পাদিত 'আজিৰ বেউলা' আৰু পূৰ্বৰ বছৰবোৰৰ এখন চিৰ সেউজ নাট 'কল্যাণী'। নাটসমূহ পৰিচালনা কৰিছিল ক্ৰমে ৰুদ্ৰ চৌধুৰী, প্ৰফুল্ল বৰা, ধৰণী চৌধুৰী আৰু ধৰণীধৰ দেৱ গোস্বামীয়ে। এই বৰ্ষৰ অভিনয় তথা আন শিল্পীসকল হ'ল— ৰুদ্ৰ চৌধুৰী, ৰমা শীল, সুৰেন পাটগিৰী, মাধৱ পাঠক, পৰাগ বৰুৱা, পংকজ পূজাৰী, অনিল ৰায়, হেমেন শৰ্মা, ৰীণা শইকীয়া, জ্যোৎস্না গগৈ, খাইৰুল ইছলাম, অমল বৰঠাকুৰ, সুৰেন দাস, ধৰণী বণিক্য, চন্দ্ৰ দাস, বাবুল নাগ, হেমকান্ত বৰুৱা, শিশু শিল্পী মাষ্টাৰ বাণী আৰু বেবী মীৰা, ৰীণা বৰা আৰু মীনা কুমাৰী। নৃত্য পৰিচালনাৰ দায়িত্বত আছিল ক্ৰমে যতীন গোস্বামী আৰু হেমকান্ত বৰুৱা। আলোক সম্পাত কৰিছিল অ'পি নায়াৰ আৰু প্ৰযোজক কুমুদ শৰ্মাই।

ৰুদ্ৰ চৌধুৰীৰ দ্বাৰা অনূদিত নাট 'ৰাধা-অনুৰাধা'ই দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিছিল। মূল বাংলা চলচ্চিত্ৰ 'স্বয়ংসিদ্ধা'ৰ নাট্যৰূপ 'ৰাধা-অনুৰাধা'ৰ পৰিচালনা কৰিছিল ৰুদ্ৰ চৌধুৰীয়ে। উল্লেখ্য যে এই একেই কাহিনীটোকে একেটা নাট্যবৰ্ষত কহিনুৰ থিয়েটাৰে 'গংগা যমুনা' নামেৰে মঞ্চস্থ কৰিছিল। ৰাধাৰ চৰিত্ৰত ৰীণা বৰাই আৰু অনুৰাধাৰ চৰিত্ৰত মীনা কুমাৰীয়ে অতি সাৱলীল অভিনয় কৰিছিল। পৰাগ বৰুৱা, সুৰেন পাটগিৰী, ৰুদ্ৰ চৌধুৰী, মাধৱ পাঠক আদিৰ অভিনয় নিখুঁত হৈছিল। নাটখনৰ 'হে প্ৰভু মোৰ কেনেকৈ হ'লা দিন নাথ', 'নাৰায়ণ তোমাৰ স্ৰজন' আৰু 'মোৰ ভঙা গঢ়াৰ তুমিয়ে কাৰণ' শীৰ্ষক তিনিওটা গীত দৰ্শকৰ মাজত অতি জনপ্ৰিয় হৈছিল।

অষ্টম বৰ্ষৰ পৰিক্ৰমা (১৯৭৭-৭৮) ঃ এই বৰ্ষত নাট্যদলটিয়ে মঞ্চস্থ কৰা নাটসমূহ হ'ল— 'মা মাটি মানুহ (সোণপাহী)', 'ললিতা', 'গীতা আৰু কোৰাণ', 'শোভাযাত্ৰা', 'নিষ্ঠুৰ নিয়তি (বসন্তৰ চকুলো)', 'আজিৰ বেউলা' আৰু 'ভাই ভাই'। পৰিবেশিত নৃত্য-নাটিকাকেইখনৰ ভিতৰত উল্লেখযোগ্য আছিল 'নতুন পুৰুষ' আৰু 'এপাহ ফুলৰ সমাধি'। এই বৰ্ষৰ সামগ্ৰিক পৰিকল্পনাৰ দায়িত্ব আছিল লক্ষ্মীনন্দন মজুমদাৰ। কলা নিৰ্দেশনাত বীৰেন সিংহ আৰু আলোক সম্পাতৰ দায়িত্বত আছিল দ্বিজেন ভট্ট। এই বছৰৰ সম্পাদক আছিল হেমেন শৰ্মা।

নৱম বৰ্ষৰ পৰিক্ৰমা (১৯৭৮-৭৯) ঃ নৱম বৰ্ষৰ নাটসমূহ হ'ল— ভবেন বৰুৱা ৰচিত তথা পৰিচালিত 'দেউতা', সতীশ ভট্টাচাৰ্য সম্পাদিত 'অনুতাপ', মহেশ কলিতা ৰচিত তথা সম্পাদিত 'নয়নমণি' আৰু 'মনোমতী'; প্ৰফুল্ল বৰা ৰচিত তথা সম্পাদিত 'দেবযানী', 'নাচনী ৰঙ্গিলী' আৰু 'মন আমাৰ মন'। নৃত্য-নাটিকাকেইখন হ'ল— 'আমি হেৰাই যোৱা নাই', 'মালবিকা', 'হাত চাপৰিৰ মোহ', 'তোমাৰ মান শুৱনী নাই', 'অবৈধ' আৰু 'আহুতি'। অভিনয় শিল্পীসকল হ'ল— লক্ষীনন্দন মজুমদাৰ, বলদেৱ শইকীয়া, হৰিশ মেধি, কমলা মালাকৰ, পংকজ পূজাৰী, মিলিক কলিতা, অজিত শৰ্মা, বিমল হাজৰিকা, মামণি আৰান্ধৰা, হীৰা তালুকদাৰ, মায়া কোঁৱৰ, হিমানী দত্ত আদি। পোহৰ উপদেষ্টাৰূপে দ্বিজেন ভট্ট আৰু পোহৰ নিয়ন্ত্ৰণৰ দায়িত্বত আছিল মণ্টু মজুমদাৰ।

দশম বৰ্ষৰ পৰিক্ৰমা (১৯৭৯-৮০) ঃ এই বছৰৰ নাটসমূহ আছিল 'প্ৰতিশ্ৰুতি', 'ৰাইজে ৰজা', 'মা-মাটি মানুহ'; প্ৰফুল্ল বৰা ৰচিত 'পৰিচয়' 'বন্ধনমুক্তি' আৰু 'ভাইটি'। নাট পৰিচালনা কৰিছিল হেম ভট্টাচাৰ্য আৰু প্ৰফুল্ল বৰাই। অভিনয়ত আছিল— হৰিশ মেধি, অনিল ৰয়, জিনু মাৰ্চেণ্ট, ধৰ্মেশ্বৰ দাস, ডম্বৰু, দুলাল, অজিত, হৰিশ গব্যাঞ্জলী, কানন, লাবণ্য আদি শিল্পীসকল। এই নাট্যবৰ্ষত সংগীত পৰিচালনা কৰিছিল বিশিষ্ট কণ্ঠশিল্পী ৰিদীপ দত্তই।

একাদশ বৰ্ষৰ পৰিক্ৰমা (১৯৮০-৮১) ঃ একাদশ বৰ্ষত কুমুদ শৰ্মা প্ৰযোজিত অসম ষ্টাৰ থিয়েটাৰে পাঁচখনকৈ নাট মঞ্চলৈ লৈ আনে। এই নাটসমূহ হ'ল— 'লখিমী বোৱাৰী' 'পৰিচয়', 'সংগ্ৰাম', 'অংগীকাৰ' আৰু 'ৰজনীগন্ধা'। নৃত্য-নাটিকাকেইখন হ'ল— 'জ্যোতি সোঁৱৰণ', 'ছয়পো ছয় নাতি', 'নতুন সূৰ্য' 'মাইজান', 'মনজুই' আৰু 'লাহৰি গগণা'।

দ্বাদশ বৰ্ষৰ পৰিক্ৰমা (১৯৮১-৮২) ঃ এই বৰ্ষত অসম ষ্টাৰ থিয়েটাৰত ভুমুকি মাৰে চলচ্চিত্ৰ অভিনেতা প্ৰাঞ্জল শইকীয়াই। এই বৰ্ষৰ নাটসমূহ হ'ল— 'বাইদেউ', 'জয়জয়ন্তী', 'চক্ৰবেহু', 'মন আমাৰ মন', 'লখিমী বোৱাৰী' আৰু পূৰ্বৰ দুখনমান নাট। নৃত্য-নাটিকাকেইখন হ'ল— 'জ্যোতি সোৱৰণ', 'তেজীমলা', 'উৰ্বশী' আৰু 'এপাহ ফুলৰ সমাধি'। আন অভিনয় শিল্পীসকল হৈছে প্ৰাণেশ্বৰ পাঠক, কৃষ্ণমল্ল বৰুৱা, জীনু মাৰ্চেণ্ট, ৰেজিনা বেগম, ডালিম দাস, খালেক চৌধুৰী, দীনেশ ভাগৱতী, ৰবীন ডেকা আদি। এই বৰ্ষৰ সংগীত পৰিচালনা কৰিছিল ৰিদীপ দত্তই।

ত্ৰয়োদশ বৰ্ষৰ নাট্য পৰিক্ৰমা (১৯৮২-৮৩) ঃ অসম ষ্টাৰে এইবৰ্ষতো পুনৰ মঞ্চলৈ 'কল্যাণী' নাটখন লৈ আনে। আন নাটসমূহ আছিল— 'ভাগ্য', 'কিহৰ বাবে' আৰু 'ঈশ্বৰৰ অভিশাপ'। মঞ্চস্থ হোৱা নৃত্য-নাটিকাকেইখন আছিল 'সোণালী সাঁকো', 'তেজীমলা', 'জ্যোতি সোঁৱৰণ' আৰু 'এপাহ ফুলৰ সমাধি'।

অসম ষ্টাৰ থিয়েটাৰে ইয়াৰ পিছত আৰু সৰহকাল সময় টিকি থাকিব নোৱাৰিলে। কেইবছৰমান পিছত নাট্যদলটিয়ে আনুষ্ঠানিকভাৱে ইয়াৰ নাট্যযাত্ৰাৰ যৱনিকা পেলায়।

ৰূপকোঁৱৰ থিয়েটাৰ

১৯৭৪ চনত নলবাৰীত বীৰেন কলিতাৰ প্ৰযোজনাত ৰূপকোঁৱৰ থিয়েটাৰ আৰম্ভ হয়। ৰূপকোঁৱৰ থিয়েটাৰত চন্দ্ৰ চৌধুৰীৰ দৰে প্ৰবীণ নাট্য পৰিচালকৰ উপৰি আন বহুতো ভ্ৰাম্যমাণৰ শিল্পী সমবেত হয়। বিশিষ্ট নাট্যকাৰ-পৰিচালক ভবেন বৰুৱাই ৰূপকোঁৱৰৰ মঞ্চতে প্ৰথমবাৰৰ বাবে নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ সুবিধা লাভ কৰে। এই দলটিয়ে পুষ্পা দেৱীৰ নিচিনা সাৰ্থক ভ্ৰাম্যমাণ শিল্পীক দৰ্শকৰ মাজলৈ উলিয়াই আনিছিল। ৰূপকোঁৱৰ থিয়েটাৰৰ নাট্যযাত্ৰা খুব বেছি বছৰ কাল নচলিল। বিভিন্ন কাৰণত আশীৰ দশকৰ আৰম্ভণিতে এই থিয়েটাৰ দলটি বন্ধ হৈ পৰিল। তলত ৰূপকোঁৱৰ থিয়েটাৰৰ কেইটামান বছৰৰ নাট্য পৰিক্ৰমা উল্লেখ কৰা হ'ল।

১৯৭৪-৭৫ নাট্যবৰ্ষ ঃ প্ৰথম বৰ্ষত ৰূপকোঁৱৰ থিয়েটাৰে পাঁচখন নাট মঞ্চস্থ কৰাৰ বাবে নিজকে প্ৰস্তুত কৰিছিল। এই নাটসমূহ আছিল 'কলংকিনী নায়িকা', 'মল্লিকা', 'এয়েতো সংসাৰ', 'নবৌ' আৰু 'ইহতো মানুহ'। প্ৰায় কেইখন নাটেই আছিল সম্পাদিত আৰু এই নাটসমূহ পৰিচালনা কৰিছিল চন্দ্ৰ চৌধুৰীয়ে। ৰূপকোঁৱৰ থিয়েটাৰৰ প্ৰথম বৰ্ষৰ সংগীত পৰিচালনা কৰিছিল প্ৰভাত শৰ্মাই।

১৯৭৫-৭৬ নাট্যবৰ্ষ ঃ এই বৰ্ষত ৰূপকোঁৱৰ থিয়েটাৰে প্ৰথম বৰ্ষৰ লেখীয়াকৈ সম্পাদিত নাটক মঞ্চস্থ কৰে। নাটসমূহ আছিল— 'ঈশ্বৰৰ ফাচি', 'কাঞ্চনজংঘা', 'কলঙ্কিনী নায়িকা' আৰু 'মল্লিকা'। এই বৰ্ষৰ নৃত্য-নাটিকাকেইখন আছিল— 'উৰ্বশী', 'মৃত্যু' আৰু 'অসমজ্যোতি'।

১৯৭৬-৭৭ নাট্যবৰ্ষ ঃ এই বৰ্ষত ৰূপকোঁৱৰ থিয়েটাৰ মঞ্চৰ সকলো দিশৰ পৰা উজলি উঠে। ৰূপকোঁৱৰৰ মঞ্চত সমবেত হয়হি জীৱেশ্বৰ ডেকা, অখিল বৰ্মন, চন্দ্ৰ চহৰীয়া, ডালিম দাস, পৰেশ গোস্বামী, হীৰেন মেধি, হৰিশ কলিতা, জীতেন বৰা, গুণেশ্বৰ ভূঞা, কমল, আৰাধনা দে, পাৰুল বৰা, ৰীণা তালুকদাৰ, জুনু দেৱীৰ নিচিনা অভিনয় শিল্পীসকল। এইবেলি মঞ্চস্থ কৰা নাটসমূহ আছিল প্ৰফুল্ল বৰা ৰচিত 'ৰূপৱতী' আৰু 'জীৱন কাহিনী' ভবেন বৰুৱা ৰচিত আৰু পৰিচালিত 'মা', মণি ভট্ট আৰু ভবেন বৰুৱাই যুটীয়াভাৱে লিখা 'পৰস্ত্ৰী'; ৰত্ন ওজা ৰচিত আৰু পৰিচালিত 'জীয়া জুই'।

ৰত্ন ওজা ৰচিত আৰু পৰিচালিত 'জীয়া জুই' নাটখনে ভ্ৰাম্যমাণলৈ অগতানুগতিক এক নাট্য পৰম্পৰাৰ বাট মুকলি কৰিছিল। নাটখনত গতানুগতিক নাটকীয় উৎকণ্ঠা, হত্যা ৰহস্যৰ উদ্‌ঘাটনৰ প্ৰচেষ্টা আদি থাকিলেও হত্যাকাণ্ডত মৃত সকল আৰু জীয়াই থকা

সকলৰ সন্মিলিত অভিযোগৰ কল্পনা আৰু হত্যাকাৰীৰ মানসপটত সম্ভাব্য পৰিস্থিতিৰ অৱলোকনৰ প্ৰচেষ্টা আছিল অগতানুগতিক। নাটখনত এজন অত্যাচাৰী কামান্ধ লোকৰ অবৈধ কন্যাৰ লগত নিজৰ পুতেকৰ বিয়া হোৱাত ফুলশয্যাৰ নিশা বিহ দি পুতেক আৰু অবৈধ কন্যাক হত্যা কৰা লোমহৰ্ষক কাহিনীৰ পৰিণতি দেখুওৱা হৈছে। নাটখনত শেহলৈ উৎকণ্ঠা ধৰি ৰখা হৈছে। নাটখনত সৰু পুতেক জনে আমেৰিকাৰ পৰা ঘৰলৈ উভতি আহি এই হত্যাকাণ্ডৰ অনুসন্ধান কৰি দেউতাকৰ অসৎ কাৰ্য ধৰা পেলায়। কল্যাণ দেৰ আলোক সম্পাত, ধনেশ্বৰ দাসৰ মঞ্চসজ্জা আৰু প্ৰণৱ শৰ্মা, কলা নিৰ্দেশনাত নাটখন আকৰ্ষণীয় হৈছিল।

এই বৰ্ষত পৰিবেশিত নৃত্য-নাটিকাসমূহ হৈছে— 'প্ৰগতিৰ প্ৰতিজ্ঞা', 'অসমজ্যোতি', 'আমি' আৰু 'জিৰণীয়া মৌ'। নৃত্যশিল্পী সকল হ'ল— পদুমী হালৈ, উৰ্মিলা ঠাকুৰীয়া, মলয়া মেধি, মাতু বৰা, ৰমেশ, চাণক্য, শশী আৰু ধৰণী। সংগীত শিল্পীসকল হ'ল— খগেন কলিতা, কেৰামত আলি, ৰায় সিং আৰু বাণী ৰয়। কণ্ঠশিল্পীসকল হ'ল— ৰাজকৃষ্ণ বাঢ়ৈ, মাজনী ডেকা আৰু অনিতা।

১৯৭৭-৭৮ নাট্যবৰ্ষ ঃ নলবাৰী চহৰৰ গোপাল বজাৰৰ ৰূপকোঁৱৰ থিয়েটাৰে এই বৰ্ষত নতুন দুখন নাটক মঞ্চস্থ কৰে। এই নাট দুখন হ'ল 'প্ৰেম জনমে জনমে' আৰু 'মনোমতী'। আন দুখন নাট আছিল 'কলংকিনী নায়িকা' আৰু 'মল্লিকা'। পৰিবেশিত নৃত্য-নাটিকা কেইখন হ'ল— 'উৰ্বশী', 'অসম জ্যোতি', আৰু 'আমিও মানুহ'। অভিনয় শিল্পীসকল হ'ল— কমলা মালাকৰ, অখিল বৰ্মন, জীৱেশ্বৰ ডেকা, ভোলা বৰা, অতুল বৰদলৈ, মিঃ আবৰ, অৰুণ নাথ, গুণেশ্বৰ ভূঞা, জীতেন বৰা, ভাস্কৰ বৰ্মন, ৰুণু দেৱী, কেৰামত আলি, পাৰুল বৰা, জুনু দেৱী, মঞ্জু ৰয় আদি।

১৯৭৮-৭৯ নাট্যবৰ্ষ ঃ এই বছৰত মঞ্চস্থ কৰা নাটসমূহ আছিল উগ্ৰ মেনা ৰচিত আৰু পৰিচালিত 'নিমাতী কন্যা', বসন্ত কুমাৰ ভট্টাচাৰ্যৰ 'জীৱন, জুই ছাই' আৰু 'প্ৰিয়তমা'; ভবেন বৰুৱা ৰচিত আৰু পৰিচালিত 'নয়নতৰা' আৰু 'কাঞ্চনজংঘা' আৰু আন এখন নাট 'আজিৰ অভিমন্যু' পৰিবেশিত নৃত্য-নাটিকা সমূহ আছিল 'অসমজ্যোতি', 'উৰ্বশী' আৰু 'বালিচন্দা'। ৰূপকোঁৱৰ থিয়েটাৰত এই বৰ্ষত সংগীত পৰিচালনা কৰিছিল মুকুল বৰুৱাই।

এই বৰ্ষতে মঞ্চস্থ 'আজিৰ অভিমন্যু' নামৰ নাটখনে ভ্ৰাম্যমাণৰ মঞ্চত পৰীক্ষামূলক নাটৰ আন এক শুভাৰম্ভ ঘটাইছিল। নাটখনক দৰ্শকে আকোঁৱালি লোৱাৰ লগতে চিন্তাগধুৰ নাটককো যে দৰ্শকে সহজে আকোঁৱালি লয় সি প্ৰতিপন্ন হৈছিল।

১৯৮০-৮১ নাট্যবৰ্ষ ঃ ১৯৭৯-৮০ বৰ্ষত ৰূপকোঁৱৰ থিয়েটাৰে ইয়াৰ নাট্যযাত্ৰা বিভিন্ন কাৰণত বন্ধ ৰাখিছিল। ১৯৮০-৮১ বৰ্ষত দলটিয়ে পুনৰ নতুন প্ৰস্তুতিৰে ইয়াৰ নাট্যযাত্ৰা আৰম্ভ কৰে। এই বছৰৰ পৰিকল্পিত নাটসমূহ আছিল ভবেন বৰুৱাৰ দ্বাৰা সম্পাদিত আৰু পৰিচালিত 'মল্লিকা', 'কলংকিনী নায়িকা' আৰু 'সন্ধ্যা প্ৰদীপ শিখা' আৰু ৰুদ্ৰ চৌধুৰী

সম্পাদিত আৰু পৰিচালিত 'ক্ষুধা'। পৰিবেশিত নৃত্য-নাটিকা কেইখন আছিল 'নিছিগা ধাৰ', 'সোৱণশিৰিৰ বালিচন্দা' আৰু 'অসমজ্যোতি'।

ৰুদ্ৰ চৌধুৰী সম্পাদিত তথা পৰিচালিত 'ক্ষুধা'ৰ কাহিনীভাগ আছিল এটি উপাৰ্জনহীন পৰিয়ালৰ তিনিজন বেকাৰ যুৱকৰ কৰুণ জীৱন-গাঁথা। পৰিয়ালৰ চিৰন্তন সমস্যা ক্ষুধাৰ লগত যুঁজি যুঁজি পৰাজিত হোৱা এক কৰুণ কাহিনীক নাটখনত উপস্থাপন কৰিছিল। ভ্ৰাম্যমাণ থিয়েটাৰৰ লৌহ মানৱ ৰুদ্ৰ চৌধুৰীৰ সুদক্ষ পৰিচালনাত নাটখনে দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

মকুন্দ থিয়েটাৰ

টিহুৰ নিকটৱৰ্তী মাখিবাহা গাঁৱত জন্ম লাভ কৰা মকুন্দ থিয়েটাৰ আদিতে এটি যাত্ৰা দলহে আছিল। পৰৱৰ্তী সময়ত ই ভ্ৰাম্যমাণ নাট্যদললৈ ৰূপান্তৰিত হয়। ১৯৭২ চনত জন্ম গ্ৰহণ কৰা 'মকুন্দ অপেৰা' ১৯৭৩ চনত 'যাত্ৰিক থিয়েটাৰ'লৈ ৰূপান্তৰিত হয়। ১৯৭৭-৭৮ নাট্যবৰ্ষৰ পৰা 'মকুন্দ থিয়েটাৰ' পূৰ্ণাংগ ভ্ৰাম্যমাণ থিয়েটাৰলৈ ৰূপান্তৰিত হয়। ১৯৯৭ চনত ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা এই নাট্যগোষ্ঠীটোৰ প্ৰযোজক অতুল ভট্টাচাৰ্যৰ মৃত্যু ঘটে আৰু তেখেতৰ মৃত্যুৰ পিছত পুত্ৰ মৃগেন ভট্টাচাৰ্যই প্ৰযোজনাৰ দায়িত্ব লয়। পাছলৈ থিয়েটাৰ দলটিয়ে নাম সলায় আৰু 'থিয়েটাৰ মকুন্দ' নামে নাট পৰিৱেশন কৰে। কিছুবছৰ এই নামেৰে নাট মঞ্চস্থ কৰে যদিও কেইবছৰমানৰ ভিতৰতে এই দলটি বন্ধ হৈ পৰে। এই থিয়েটাৰ দলটিৰ সবিশেষ বিচাৰি আমি মাখিবাহাস্থ শিবিৰত ভট্টাচাৰ্যক লগ ধৰিছিলো যদিও তেখেতে এইক্ষেত্ৰত আমাক বিশেষভাৱে সহায় কৰিব নোৱাৰিলে। তলত বিভিন্ন উৎসৰ পৰা সংগৃহীত কেইটামান বৰ্ষৰ তথ্য উল্লেখ কৰা হ'ল—

১৯৭৮-৭৯ নাট্যবৰ্ষ ঃ মকুন্দ থিয়েটাৰৰ প্ৰাৰম্ভিক বছৰ কেইটিত নাট ৰচনা কৰা পৰিচালনাৰ সামগ্ৰিক দায়িত্ব আছিল উগ্ৰ মেনাৰ ওপৰত। উগ্ৰ মেনা সম্পাদিত আৰু পৰিচালিত এই বৰ্ষৰ নাটসমূহ আছিল 'নিমাতী কন্যা', 'ধৰ্মপত্নী', 'চম্বলৰ বিননি', 'মমতা', 'সূৰ্যগ্ৰহণ' আৰু 'নাৰী দস্যু'। নৃত্য-নাটিকাবোৰৰ ভিতৰত উল্লেখনীয় নৃত্য-নাটিকা দুখন হ'ল 'চিত্ৰাঙ্গদা' আৰু 'কনকচম্পা'। নাট্যগোষ্ঠীটোৰ প্ৰযোজনাৰ দায়িত্বত আছিল আশুতোষ ঋষিপদ ভট্টাচাৰ্য।

১৯৮১-৮২ নাট্যবৰ্ষ ঃ এই বৰ্ষত মকুন্দ থিয়েটাৰে মঞ্চৰ বাবে পৰিকল্পনা কৰা নাট্যবোৰ আছিল উগ্ৰ মেনা সম্পাদিত আৰু পৰিচালিত 'বিপ্লৱী চেতনা', 'আজিও মৰা নাই' আৰু 'দেৱতাৰ নিৰ্মালী'; জীৱেশ্বৰ ডেকা সম্পাদিত 'পুৱতি ভেটা'; আন এখন নাট আছিল 'প্ৰতিধ্বনি'। নৃত্য-নাটিকা কেইখন হ'ল— 'দেৱীদুৰ্গা', 'সংকল্প', 'ৰজা হৰিশ্চন্দ্ৰ' আৰু 'নতুন দিগন্ত'। অভিনয় শিল্পীসকল হৈছে— জীৱেশ্বৰ ডেকা, কৈলাশ শৰ্মা, মনোজ শৰ্মা, ডলি মুক্তিয়াৰ, লক্ষ্মী মজুমদাৰ, মিঃ দ্ৰোণ, নীলিমা দাস, গুণময় চৌধুৰী, শশী ভট্ট, দীনেশ কলিতা, দ্বীজেন শৰ্মা, মাণিক দাস, উষা দাস আদি।

১৯৮২-৮৩ নাট্যবৰ্ষ ঃ এই নাট্যবৰ্ষত মকুন্দ থিয়েটাৰে মঞ্চস্থ কৰা নাটসমূহ আছিল মূলত সম্পাদিত। এই নাটবোৰ হৈছে— 'যুগে যুগে সংগ্ৰাম', 'বিপ্লৱী চেতনা', 'অভিযাত্ৰী', 'আকাশ বন্তি' আৰু 'শিলাবৃষ্টি'। নাটবোৰ পৰিচালনা কৰিছিল উগ্ৰ মেনাই। নৃত্য- নাটিকাসমূহ হৈছে— 'নাচনী ৰংগিলী', 'শ্ৰীমন্ত শংকৰদেৱ', 'অভিশপ্ত উৰ্বশী' আৰু 'তৰংগ'।

১৯৮৩-৮৪ নাট্যবৰ্ষ ঃ এই বছৰৰ নাটসমূহ হ'ল 'পৰশমণি', 'মেঘৰ মাদল', 'দস্যুৰাণী পুতুলী বাঈ', 'শিলাবৃষ্টি' আৰু 'সোণৰ হৰিণ'। ইয়াৰে 'সোণৰ হৰিণ' নাটখনৰ বাহিৰে বাকী আটাইকেইখন নাটৰ নাট্যকাৰ হৈছে উগ্ৰ মেনা। 'সোণৰ হৰিণ' নাটখনৰ নাট্যকাৰ হ'ল জীৱেশ্বৰ ডেকা। নাটবোৰ পৰিচালনা কৰিছিল উগ্ৰ মেনাই।

এই বছৰৰ উল্লেখনীয় নাট হিচাপে 'মেঘৰ মাদল' নাটখনে দৰ্শকৰ সঁহাৰি লাভ কৰিব পাৰিছিল। নাটখনৰ মূল বিষয়বস্তু হ'ল মহাজনৰ শোষণৰ বিৰুদ্ধে গাঁৱৰ বনুৱাসকলৰ ঐক্যবদ্ধ বিক্ষোভ। কৰং উন্নয়ন খণ্ডৰ পথাৰ খৰাং বতৰৰ বাবে চিৰাল ফটা দিছে। এনে এক পৰিস্থিতিত কৃষকসকলৰ মাজত হাহাকাৰ লাগি পৰিল। চৰকাৰে কৃষকৰ মাজত কাম বিতৰণ কৰিলে যদিও ঠিকাদাৰ আৰু প্ৰতাপ মহৰিৰ কৃষকৰ কামৰ ওপৰত মুনাফা খোৱাৰ চক্ৰান্ত চলিল। ন্যায্য প্ৰাপ্যৰ পৰা কৃষকসকল বঞ্চিত হোৱা দেখি এচাম যুৱকে তাৰ তীব্ৰ প্ৰতিবাদ জনালে। ফলত সিহঁতে কামৰ পৰা খেদা খালে। ঠিকাদাৰ প্ৰতাপ বৰ্মন, মহৰী পঞ্চানন আৰু চৰ্দাৰ গাঙ্গুৰামৰ অত্যাচাৰত অতিষ্ঠ হৈ বিজুলীয়ে ঠিকাদাৰৰ মূৰটো কাটি আনিলে আৰু এনেদৰে শোষণৰ গতি স্তব্ধ হৈ পৰিল। নাটখনত জীৱেশ্বৰ ডেকা, নীলিমা দাস, আমিনা দেৱান আৰু মুকুল শইকীয়াই দৰ্শনীয় অভিনয় কৰিছিল।

এই বছৰৰ নৃত্য-নাটিকা কেইখন হ'ল— 'নল-দময়ন্তী', 'বুঢ়া-লুইত', 'মৃত্যুঞ্জয়', 'সূত্ৰধাৰ' আৰু 'দেৱী দুৰ্গা'।

১৯৮৪-৮৫ নাট্যবৰ্ষ ঃ এই নাট্যবৰ্ষত মকুন্দ থিয়েটাৰে মূলত এখন নাটৰে উজলি উঠিল। নাটখনি হৈছে জ্যোতিপ্ৰসাদ আগৰৱালা ৰচিত 'লভিতা'। নৰেন দাসৰ সংগীত আৰু উগ্ৰ মেনাৰ সুদক্ষ নাটপৰিচালনাত 'লভিতা' নাটখনে দৰ্শকৰ মন মুহিবলৈ সক্ষম হৈছিল। নাম ভূমিকাত জুৰি শৰ্মাৰ আৰু ইলাহী বক্সৰ ভূমিকাত জীৱেশ্বৰ ডেকাৰ অভিনয় আছিল চমকপ্ৰদ। পূৰ্বৰ দুখনমান নাটৰ লগতে এই বছৰ মঞ্চস্থ আন এখন নাট আছিল উগ্ৰ মেনা ৰচিত আৰু পৰিচালিত 'দস্যু ৰত্নাকৰ'।

১৯৮৫-৮৬ নাট্যবৰ্ষ ঃ এই নাট্যবৰ্ষত মকুন্দ থিয়েটাৰে কেবাখনো নাটেৰে শ্ৰেষ্ঠতাৰ শিখৰ পায়হি। মহেন্দ্ৰ বৰঠাকুৰ ৰচিত আৰু হেম ভট্টাচাৰ্য পৰিচালিত এই বৰ্ষৰ আটাইতকৈ শ্ৰেষ্ঠ নাটখন আছিল 'দধীচি'। স্বাধীনতা আন্দোলনৰ মুক্তি যুঁজাৰু গান্ধীবাদী বৃদ্ধ নন্দ পাঠকৰ নিস্বাৰ্থ দেশপ্ৰেম আৰু স্বাধীনতাৰ পৰৱৰ্তীকালত দেশখনৰ চূড়ান্ত অৰাজকতাক নাটখনত উপস্থাপন কৰা হৈছিল। নন্দ পাঠকৰ ভূমিকাত অভিনয় কৰা জীৱেশ্বৰ ডেকাই এই নাটখনৰ অভিনয়ৰ বাবে ১৯৮৭ চনত অসম চৰকাৰৰ পৰা নটসূৰ্য ফণী শৰ্মা বঁটাৰে সন্মানিত হৈছিল। আন অভিনয় শিল্পী ক্ৰমে সৰ্বেশ্বৰ ৰাজবংশী, কৈলাশ শৰ্মা, সংগীতা দত্ত, পাৰুল বৰা আদিয়েও শলাগিবলগীয়া অভিনয় কৰিছিল।

এই বছৰৰ আন নাটসমূহ হ'ল— 'দস্যু ৰত্নাকৰ', 'পবিত্ৰ বন্ধন' আৰু 'মিলন মালা'। এই নাটকেইখন পৰিচালনা কৰিছিল উগ্ৰ মেনা আৰু হেম ভট্টাচাৰ্যই। সংগীত পৰিচালনাত মুক্তিকাম, নৃত্যত ৰবীন দাস আৰু নগেন লহকৰ আৰু কলা নিৰ্দেশনা কৰিছিল ৰমেশ

শৰ্মাই। আলোক সম্পাতৰ দায়িত্বত আছিল ব'স্বেৰ বি পি দাস।

১৯৮৬-৮৭ নাট্যবৰ্ষ ঃ এই নাট্যবৰ্ষৰ নাটসমূহ আছিল মহেন্দ্ৰ বৰঠাকুৰ ৰচিত আৰু হেম ভট্টাচাৰ্য পৰিচালিত 'মকৰাজাল', উগ্ৰ মেনা ৰচিত তথা পৰিচালিত 'লব কুশ', 'মায়া নদীৰ ঢৌ', 'মন্দিৰ মছজিদ' আৰু 'দুষ্ট প্ৰজাপতি'। নৃত্য নাটিকা কেইখন হ'ল— 'দেৱী দুৰ্গা', 'লব-কুশ' আৰু 'সেউজী বনৰ সুৰীয়া কাহিনী'।

'মকৰাজাল' নাটখনি এই বছৰৰ এখন উল্লেখনীয় নাট আছিল। এজন আদৰ্শবাদী উকীলৰ ঘৰুৱা জীৱনত হোৱা ব্যৰ্থতাৰ কাহিনীয়ে আছিল নাটখনৰ সাৰবস্তু। এচাম উচ্চাকাংক্ষী লোকৰ বিকৃত মানসিকতা, এগৰাকী আদৰ্শবান উকীলৰ ভাল স্বামী হোৱাত ব্যৰ্থতা, মিছা অভিযোগেৰে সন্ত্ৰাসবাদী সজোৱা আদি ঘটনাৰে নাটকৰ কাহিনীভাগ আগবাঢ়িছিল। মহেন্দ্ৰ বৰঠাকুৰৰ সুদক্ষ ৰচনা আৰু হেম ভট্টাচাৰ্যৰ চমকপ্ৰদ পৰিচালনা, আলোক-সম্পাত আদিয়ে নাটখন উপভোগ্য কৰি তুলিছিল। জীৱেশ্বৰ ডেকা, দীপালী দাস, মুনিন কাকতি, ঘনশ্যাম মেধি, সংগীতা দত্ত, উপমা লস্কৰ আদিয়ে নাটখনত খুব সুন্দৰ অভিনয় কৰিছিল।

১৯৮৭-৮৮ নাট্যবৰ্ষ ঃ এই বৰ্ষত মকুন্দ থিয়েটাৰে 'দধীচি' নাটখন পুনৰ মঞ্চস্থ কৰে। মহেন্দ্ৰ বৰঠাকুৰ ৰচিত আৰু হেম ভট্টাচাৰ্য পৰিচালিত আন এখন নাট আছিল 'অৱতাৰ'। এই নাট্যবৰ্ষৰ আন নাটবোৰ আছিল উগ্ৰ মেনা ৰচিত আৰু পৰিচালিত 'দানবীৰ কৰ্ণ', 'মায়া প্ৰজাপতি' আৰু 'মঃ বিন টোঘলক'।

পৌৰাণিক চৰিত্ৰ 'কৰ্ণ'ৰ কাহিনীৰে 'দানবীৰ কৰ্ণ' নাটখনিক দৰ্শকে আদৰি লৈছিল। কৰ্ণৰ চৰিত্ৰটিত জীৱেশ্বৰ ডেকাই অপূৰ্ব অভিনয় কৰিছিল। একেদৰে সুৰেন ঠাকুৰীয়া, মায়া বৰ্মন, বিনীতা হাজৰিকা, মুনিন কাকতি, সংগীতা দত্ত আদিয়ে চৰিত্ৰানুগত অভিনয় প্ৰদৰ্শন কৰিব পাৰিছিল। এই বছৰৰ গীতি-নৃত্য-নাটিকাবোৰৰ ভিতৰত উল্লেখযোগ্য আছিল— 'দেৱী দুৰ্গা' আৰু 'নিৰ্মলা কপিলী'।

১৯৮৮-৮৯ নাট্যবৰ্ষ ঃ মকুন্দ থিয়েটাৰে ১৯৮৮-৮৯ নাট্যবৰ্ষত নিবেদন কৰা নাটবোৰৰ ভিতৰত 'বিদ্ৰোহী বাদশ্বাহ' নামৰ বুৰঞ্জীমূলক নাটখন আছিল উল্লেখনীয়। নিচেই ওচৰা-উচৰিকৈ থকা মোগল সম্ৰাট মহম্মদ শ্বাহৰ কবৰ আৰু মাৰাঠা ৰাজবোৱাৰী পদ্মিনীৰ স্মৃতিসৌধৰ ওচৰত গোটখোৱা এদল ইতিহাসৰ ছাত্ৰ-ছাত্ৰীৰ আগত ইতিহাসৰ এক নতুন অধ্যায় মুকলি কৰে এগৰাকী মানসিকভাৱে অসুস্থ যেন লগা পথিকে। এখন ঐক্যবদ্ধ ভাৰত সৃষ্টিৰ আকবৰৰ সপোন বাস্তৱায়িত কৰিবলৈ যাওতে মহম্মদ শ্বাহে কি এক অসহায় অৱস্থাৰ মুখামুখি হ'ব লগা হৈছিল তাক নাটখনত উপস্থাপন কৰা হৈছিল। মহম্মদ শ্বাহৰ ঐক্যবদ্ধ ভাৰত সৃষ্টিৰ প্ৰচেষ্টাত মাৰাঠা শক্তিৰ সহযোগৰ সংঘাত, পদ্মিনীৰ আত্মত্যাগৰ কাহিনী আদি নাটখনত সুন্দৰভাৱে উপস্থাপন কৰা হৈছিল। অখিল বৰ্মন, ধৰ্মেশ্বৰ তালুকদাৰ, মায়া বৰ্মন, প্ৰমোদ শৰ্মা, উপেন ভূঞা আদিৰ অভিনয় যথেষ্ট শক্তিশালী আছিল।

১৯৮৯-৯০ নাট্যবৰ্ষ ঃ এই বৰ্ষত মকুন্দ থিয়েটাৰে চাৰিখন নাট মঞ্চস্থ কৰে। এই

নাটবোৰ হৈছে উগ্ৰ মেনা সম্পাদিত তথা পৰিচালিত 'মণিমুগ্ধ অজগৰ', 'সম্ভৱামি যুগে যুগে' আৰু 'এখন সাগৰ অলেখ নদী' তথা হেম ভট্ট পৰিচালিত 'অমলাৰ সংসাৰ'।

১৯৯০-৯১ নাট্যবৰ্ষ ঃ ১৯৯০-৯১ নাট্যবৰ্ষত উগ্ৰ মেনা ৰচিত আৰু পৰিচালিত 'মামৰে ধৰা অলংকাৰ' নাটখনৰ বিষয়বস্তু সাধাৰণ প্ৰেম আৰু দাম্পত্য জীৱনৰ আধাৰত আছিল যদিও কেবাটাও দিশৰ পৰা নাটখন বৈশিষ্ট্যপূৰ্ণ আছিল। দুটা চৰিত্ৰৰ বাহিৰে নাটখনৰ আটাইবোৰ চৰিত্ৰ জনজাতীয় আছিল। নাটখনিৰ চৰিত্ৰত মাজে মাজে কাৰ্বি আৰু বড়ো ভাষাৰ সংলাপ দিয়া হৈছিল। নাটখনিত ভূপেন ডেকা (লুইত), দ্বিজেন শৰ্মা (ৰংবং), বিনীতা দাস (কদম), সংগীতা দত্ত (ৰেংমা) আদি শিল্পীয়ে দৰ্শনীয় অভিনয় কৰিছিল।

১৯৯৪-৯৫ নাট্যবৰ্ষ ঃ এই নাট্যবৰ্ষত মকুন্দ থিয়েটাৰে পুনৰবাৰ মহেন্দ্ৰ বৰঠাকুৰ ৰচিত 'দধীচি' নাটখন মঞ্চস্থ কৰে। নাটখন আগৰবাৰৰ লেখীয়াকৈ এইবাৰো হেম ভট্টাচাৰ্যই পৰিচালনা কৰিছিল। সেৱাব্ৰত বৰুৱা ৰচিত আৰু পৰিচালিত 'নিৰুদ্দেশ' নাটখনৰ বিষয়বস্তু আছিল এতিয়াও সৰু সৰু মানুহে অন্তৰাত্মাত পুহি ৰখা মানৱীয় গুণৰাজি। সম্পত্তি আৰু প্ৰাচুৰ্যৰ বাবে দৌৰোতে দৌৰোতে এচাম মানুহৰ বিবেকৰ পৰা ক্ৰমে হেৰাই গৈছে মানৱীয় সহানুভূতি-ভাবাবেগ আদি সকলো, কিন্তু সমাজৰ সৰু সৰু মানুহৰ মনবোৰ বস্তুবাদী চিন্তাৰ উপকৰণ, স্বাৰ্থপৰতা, লোভ-মোহ আদিৰে প্ৰদূষিত হৈ পৰা নাই। এনে এক গভীৰ বিষয়ৰ আধাৰত ৰচিত নাটখনে স্বাভাৱিকতে দৰ্শকৰ অন্তৰ ভৰাই তুলিছিল।

মহেশ কলিতা ৰচিত আৰু হেম ভট্টাচাৰ্য পৰিচালিত 'দায়বদ্ধ' নাটৰ বিষয়বস্তু হ'ল ভাৰতীয় সংস্কৃতিত ঐক্যবদ্ধ পৰিয়ালৰ যৌথশক্তি অগ্ৰগতিৰ মূল ভেটি। যৌথ পৰিয়ালৰ আদৰ্শক লৈ লিখা এই নাটখন আছিল এখন পাৰিবাৰিক নাট।

অৱতাৰ সিং ৰচিত আৰু উগ্ৰ মেনা পৰিচালিত 'তেজ লগা ফুল' নাটখনত কলা বজাৰী, নাৰী ধৰ্ষণকাৰী আদি শত্ৰুসকলৰ হাতৰ পৰা দেশৰ বাই-ভনীসকলক নিৰাপত্তা কোনে দিব বুলি এক প্ৰশ্ন তোলা হৈছিল।

মহাভাৰতৰ পৰিচিত চৰিত্ৰবোৰক নতুন ব্যাখ্যা প্ৰদানেৰে উগ্ৰ মেনাই ৰচনা কৰিছিল 'গান্ধাৰী জননী'। নাটখনৰ পৰিচালনা নাট্যকাৰে নিজে কৰিছিল।

মকুন্দৰ এই বছৰৰ সংগীত পৰিচালনা কৰিছিল নাৰায়ণ তালুকদাৰে। নৃত্য পৰিচালনা ভবানন্দ কলিতাৰ। আলোক নিৰ্দেশনাত আছিল অ' পি নায়াৰ (সহযোগী ঃ চক্ৰ তালুকদাৰ)। কলা নিৰ্দেশনা কৰিছিল ভদ্ৰেশ্বৰ দাস আৰু বদৰুদ্দিন আহমেদে। সহযোগী আছিল কল্যাণ শৰ্মা। শব্দ চন্দ্ৰ মহন্তৰ। কণ্ঠ শিল্পী আছিল হৰেন দাস আৰু মামণি চহৰীয়া। অভিনয় শিল্পীসকল হ'ল— জীৱেশ্বৰ ডেকা, স্বপন কুমাৰ ঘোষ, হৰেন মালাকৰ, সৰুকণ বৰা, ভূপেন ডেকা, মাণিক দাস, চন্দন শৰ্মা, শশী ভট্ট, কুশল শইকীয়া, যোগেন্দ্ৰ বৰা, সোমেশ্বৰ দাস, প্ৰতিমা ডেকা, উপমা লস্কৰ, বৰ্ণালী হাজৰিকা, ৰুমী গগৈ, দুলু দেৱী, ঋতুপৰ্ণা ভূঞা আদি।

১৯৯৫-৯৬ নাট্যবৰ্ষ ঃ কিষাণ চান্দৰ সোঁৱৰণত মকুন্দ থিয়েটাৰে ১৯৯৫-৯৬ নাট্যবৰ্ষত

মঞ্চস্থ কৰা 'পৰম সম্পদ' নাটখনৰ মৌলিকতাই ভ্ৰাম্যমাণৰ মঞ্চত এক পৰিবৰ্তনৰ বতৰা কঢ়িয়ায়। বৈষয়িক সম্পত্তিৰ পিছত দৌৰি দৌৰি আজিৰ মানুহে নিজৰ মাটিৰ লগত সম্পৰ্ক ছেদ কৰিছে। বিশ্বাস, ভালপোৱা আদি পৰম সম্পদবোৰো এই ক্ষণত আমি হেৰুৱাই পেলাইছোঁ। বিশ্বাসহীনতাৰ এনে কাহিনীৰে ৰচিত হৈছে 'পৰম-সম্পদ' নাটখনৰ কাহিনীভাগ। পৰিচালকৰ নিপুণতাৰ লগতে জয়ন্ত দাস, অৰুণ বেজবৰুৱা, ভূপেন ডেকা, তুলসী শইকীয়া, সৰ্বেশ্বৰ ৰাজবংশী, বাবুল খাটনিয়াৰ, বিনোদ ডেকা, পৰেশ গোস্বামী, দিলোৱাৰ হক চৌধুৰী, অনিল কোঁৱৰ, নীলিমা ডেকা, কৃষ্ণা খাটনিয়াৰ, কল্যাণী বায়ন আদি শিল্পীসকলৰ সামগ্ৰিক অভিনয়ে নাটখন আকৰ্ষণীয় কৰিছিল।

এই বছৰৰ আন এখন উল্লেখযোগ্য নাট হ'ল 'জীয়া মানুহৰ সমাধি'। অৱতাৰ সিং ৰচিত এই নাটখনত আধুনিক মানুহৰ স্বাৰ্থপৰতা আৰু অ-মানৱীয় চৰিত্ৰৰ প্ৰকাশ ঘটিছে।

১৯৯৭-৯৮ নাট্যবৰ্ষ ঃ এগৰাকী লোক-শিল্পীৰ জীৱন গাথাক লৈ মহেশ কলিতা ৰচিত 'মহাযাত্ৰা' নাটখনি বছৰটিৰ সফলতম নাট হিচাপে স্বীকৃতি পাইছিল। হেম ভট্টাচাৰ্য্যই পৰিচালনা কৰা এই নাটখনত নামনি অসমৰ এক পৰিবেশ্য কলা ওজাপালিৰ অৱহেলিত এখন ছবি অংকন কৰা হৈছিল। ৰমাকান্ত ওজাৰ বিশৃংখল পাৰিবাৰিক জীৱন, আৰ্থিক দুৰ্দশাৰে পিষ্ট জীৱনযাত্ৰা, গাঁৱলীয়া ৰাজনীতি, তথাকথিত চহৰীয়া লোক-সংস্কৃতি উৎসৱত ওজাপালি শিল্পীক কৰা অপমান আদি বিষয়েৰে নাটখনক এক গভীৰতা প্ৰদান কৰা হৈছিল। জীৱেশ্বৰ ডেকাৰ অভিনয়ে সকলোৰে অন্তৰ স্পৰ্শ কৰিব পাৰিছিল। অন্যান্য চৰিত্ৰত উৎসৱ কলিতা, মহেন্দ্ৰ শইকীয়া, সুৰেন ঠাকুৰীয়া, অনুপ হাজৰিকা, ৰঞ্জিত মিশ্ৰ, পাকিজা বেগম, জোনালী বৰ্মন আদিয়েও দৰ্শনীয় অভিনয় কৰিছিল।

থিয়েটাৰ ভাগ্যদেৱী

অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসত যিসকল লোকে অনবদ্য অৱদান আগবঢ়াই গ'ল সেই সকলৰ ভিতৰত বৰ্তমানৰ থিয়েটাৰ ভাগ্যদেৱীৰ প্ৰতিষ্ঠাপক প্ৰযোজক শৰৎ মজুমদাৰৰ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব। ১৯২৮ খ্ৰীষ্টাব্দৰ ২৯ আগষ্ট তাৰিখে জন্ম গ্ৰহণ কৰা শৰৎ মজুমদাৰে ১৯৪৯ চনৰ পৰা ১৯৫৫ চনলৈ ৭ বছৰ কাল মৰোৱা শঙ্কৰদেৱ অৰুণ নাট্য সমিতিত কাম কৰিছিল। বাগনা, বুনগাঁও পাৰ্টি, যুগকুছি মিলন নাট্য সমিতি, বাসুদেৱ অপেৰা (ভোতেপোৱা), আদি যাত্ৰাদল সমূহৰ সৈতে জড়িত থকা মজুমদাৰে ১৯৫৮ চনৰ পৰা ১৯৬২ চনলৈ ৪ বছৰ কাল নটৰাজ অপেৰাৰ সম্পাদক হিচাপে দায়িত্ব নিৰ্বাহ কৰিছিল। ১৯৬৪-৬৬ খ্ৰীষ্টাব্দত নটবাণী সমাজৰ বুকিং মেনেজাৰ হিচাপে কাম কৰাৰ পিছত মজুমদাৰে ১৯৬৫-৬৬ খ্ৰীষ্টাব্দত পূৰ্বজ্যোতি থিয়েটাৰত যোগ দিয়ে। ১৯৬৬-৬৭ নাট্যবৰ্ষত তেওঁ উক্ত দলটিৰ সম্পাদকৰ দায়িত্ব লয় আৰু তাৰ পৰৱৰ্তী বছৰটোতো তেওঁ এই একে দায়িত্ব নিষ্ঠাসহকাৰে পালন কৰে। অধ্যৱসায় আৰু শৈল্পিক নিষ্ঠাৰ জোৰত ১৯৬৮ খ্ৰীষ্টাব্দত তেওঁ 'ভাগ্যদেৱী নাট্য সমিতি' নামেৰে নিজাকৈ এটি যাত্ৰাদল গঠন কৰিবলৈ সক্ষম হয়। মাত্ৰ এশ টকা মূলধন হিচাপে লৈ বাদ্য যন্ত্ৰ আদি অ'ৰ ত'ৰ পৰা খুজি আনি তেওঁ এই নাট্য দলটি আৰম্ভ কৰিছিল। হয়তো তেওঁৰ ভাগ্য সুপ্ৰসন্ন আছিল। সেই বছৰত আখৰা চলি থকা সময়ত মোমায়েক কাৰ্তিক বৈশ্যই আখৰা চাই অভিভূত হৈ পৰে আৰু নগদ সাত হাজাৰ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। সেই টকাৰে ভাগ্যদেৱী নাট্য সমিতিয়ে নাট্য যাত্ৰা আৰম্ভ কৰে। ১৯৬৮-৬৯ নাট্যবৰ্ষত এই নাট্য সমিতিয়ে তিনিখন নাট মঞ্চস্থ কৰে। নাট কেইখন আছিল 'মিলন মন্দিৰ', 'দস্যু মোহন' আৰু 'ৰাজদ্ৰোহী'। অভিনেতা-অভিনেত্ৰীসকল হৈছে— কমলা চক্ৰৱৰ্তী, থানেশ্বৰ বৈশ্য, পাৰুল বৰা, প্ৰিয় বৈশ্য, প্ৰতিমা ভূঞা, দুৰ্গা ডেকা, দুৰ্গা বৰা, ভদ্ৰেশ্বৰ ডেকা, নয়ন কলিতা, বুলু শইকীয়া, সুৰেন দত্ত, নিৰু হাজৰিকা, গজেন বৈশ্য, মাধৱী ভূঞা, ৰত্ন পাঠক, নলিনী দেৱী, কৃষ্ণ নাথ, উদয় সাউদ, কৰুণা শীল, সতীশ সাউদ। পৰিৱেশিত নৃত্য-নাটিকা তিনিখন হৈছে 'হৰিশ্চন্দ্ৰ', 'লুইতৰ বুকুত' আৰু 'অকাল বোধন'। নৃত্য-নাটিকা তিনিখন ৰচনা কৰিছিল প্ৰফুল্ল হালৈয়ে আৰু নৃত্য শিল্পীসকল আছিল প্ৰফুল্ল হালৈ, ৰত্ন শীল, গঙ্গা দাস, শ্ৰীকান্ত বড়ো, হেমো শীল, সৰ্বে চৌধুৰী আৰু ভুৱনেশ্বৰ বৰা। বশিষ্ঠ মজুমদাৰৰ সংগীত পৰিচালনাত সংগীত শিল্পীসকল হ'ল— ব্ৰজ বৈশ্য, অনিল কলিতা, নৰেন শীল, বিপুল ভূঞা, বৈকুণ্ঠ দাস, আৰু শৰৎ তালুকদাৰ। এই বছৰৰ নাটসমূহ পৰিচালনা কৰিছিল ' কমলা প্ৰসাদ চক্ৰৱৰ্তীয়ে

আৰু নাট্যবৰ্ষটিৰ সংগঠক আছিল বিজু বৈশ্য আৰু বিনোদ পাটগিৰী। মোমায়েক কাৰ্তিক বৈশ্যৰ লগতে ডাঃ মাধৱ তালুকদাৰে এই নাট্যদলটি গঢ় লৈ উঠাত প্ৰভূত বৰঙণি দিছিল।

১৯৬৯-৭০ নাট্যবৰ্ষত ভাগ্যদেৱী নাট্য সমিতিয়ে লোৱা নাট কেইখন আছিল 'ৰক্ত আহুতি', 'দস্যু জলন্ধৰ', 'দেনা পাওনা' আৰু 'ৰামায়ণৰ আগত'। নাটসমূহ পৰিচালনা কৰিছিল ভৈৰৱ বৰ্মনে। নৃত্য-নাটিকা কেইখন আছিল— 'সপ্তৰথী', 'লুইতৰ বুকুত', 'পৰশুৰামৰ মাতৃ হত্যা' আৰু 'মহীৰাৱণ বধ'। এই নাট্যবৰ্ষৰ শিল্পীসকল হ'ল— অখিল বৰ্মণ, পাৰুল বৰা, জীৱেশ্বৰ ডেকা, ৰুদ্ৰ হাজৰিকা, সাবিত্ৰী ভূএগ, লক্ষ্মী ভূএগ, ৰঞ্জু বৰা, সোমনাথ ভূএগ, লাৱণ্য কলিতা, বলিন বৰুৱা, মাধৱী ভূএগ, কৃষ্ণ নাথ, নিৰু হাজৰিকা, বিপিন নাথ, মনোমতী বৰা, হলধৰ পাঠক, লিলিবালা দাস, পৰমা কলিতা, বিমলা তালুকদাৰ, কন্দৰ্প দাস, হৰকান্ত দাস, হৰিশ কলিতা, উগ্ৰ মেনা, শশধৰ ভৰালী, মুকুল দাস, হেমো কলিতা, ধনেশ্বৰ দাস আৰু পদুম বৰা।

১৯৭০-৭১ নাট্যবৰ্ষত ভাগ্যদেৱী নাট্য সমিতিয়ে লোৱা নাটসমূহ হৈছে 'লালহীৰা', 'অৰুণ বৰুণ কিৰণ মালা', 'খুনকা বদলা খুন', আৰু 'জোনাকীৰ চকুলো'। নাটসমূহ পৰিচালনা কৰিছিল ভৈৰৱ বৰ্মনে। পৰিৱেশিত নৃত্য-নাটিকা কেইখন হৈছে— 'মিৰি জীয়ৰী', 'সপ্তৰথী', 'বেউলা' আৰু 'মহীৰাৱণ বধ'। এই বছৰৰ অভিনেতা-অভিনেত্ৰী সকল হৈছে— অখিল বৰ্মন, জীৱেশ্বৰ ডেকা, মিলিক কলিতা, কৃষ্ণ নাথ, সমীৰ ভট্ট, লক্ষ্মী মজুমদাৰ, পাৰুল বৰা, ধনা দাস আৰু নিভা বৰুৱা আদি।

১৯৭১-৭২ নাট্যবৰ্ষত ভাগ্যদেৱী নাট্য সমিতিয়ে মঞ্চস্থ কৰা নাটসমূহ হৈছে— 'দস্যু জলন্ধৰ', মিঃ ৰাজপাখী', 'মিলন মালা', 'তখতে তাউছ' আৰু 'সোণাই দীঘিৰ পিছত'। নাট পৰিচালনা কৰিছিল ভৈৰৱ বৰ্মন আৰু উগ্ৰ মেনাই। এই বছৰৰ অভিনেতা-অভিনেত্ৰী সকল হৈছে অখিল বৰ্মন, জীৱেশ্বৰ ডেকা, মাণিক কলিতা, কল্প কুমাৰ, কৃষ্ণ নাথ, সমীৰ ভট্ট, হৰিশ কলিতা, উগ্ৰ মেনা, কুমুদ বৰ্মন, লক্ষ্মী মজুমদাৰ, কেশৱ ৰাজবংশী, নৰনাথ বৈশ্য, ৰামদাস বৰ্মন, কৰুণা শীল, নগেন চক্ৰৱৰ্তী, সন্তো বৰ্মন, ভৈৰৱ বৰ্মন, ৰবীন, দাস, পাৰুল বৰা, নিভা বৰুৱা, বীণা পাটগিৰী, বুলু শইকীয়া, গুণময়ী দেৱী, ব্ৰজবালা বৈশ্য, পুতুলী দাস, জয়ন্তী দাস, কুঞ্জ কলিতা, মুকুল দাস, নৰেন শীল, বাণীকান্ত ৰয়, ধনেশ্বৰ দাস, হৰিহৰ বৈশ্য, বাবুল বৰ্মন, বিনোদ বৰ্মন, বসন্ত দাস, জগদীশ বৈশ্য, মোহন বৈশ্য আৰু সনাতন বসুমতাৰী। নৃত্য-নাটিকা কেইখন হ'ল— 'ফুল কোঁৱৰ', 'সপ্তৰথী', 'কৃষ্ণ লীলা', 'আমাৰ ঘৰ' আৰু 'অধিক শস্য উৎপাদন'।

১৯৭২-৭৩ নাট্যবৰ্ষত ভাগ্যদেৱী নাট্য সমিতিৰ নাট সমূহ আছিল 'মিলন মালা', 'পাঁচ পইচাৰ পৃথিৱী', 'বেগম আচমান তৰা', 'তৃতীয় পানীপথ', আৰু 'আমাৰ দাবী'। নাট পৰিচালনা কৰিছিল ভৈৰৱ বৰ্মন আৰু উগ্ৰ মেনাই। অভিনেতা-অভিনেত্ৰীসকল হৈছে অখিল বৰ্মন, জীৱেশ্বৰ ডেকা, কুমুদ বৰ্মন, লক্ষ্মী মজুমদাৰ, সমীৰ ভট্ট, কল্প কুমাৰ, কৃষ্ণ

নাথ, কেশৱ ৰাজবংশী, ৰামদাস বৰ্মন, বিপিন কাকতি, সন্তো বৰ্মন, বিহু বৈশ্য, ৰবীন শীল, ৰমণী ৰাভা, পাৰুল বৰা।

১৯৭৩-৭৪ নাট্যবৰ্ষত ভাগ্যদেৱী নাট্য সমিতিয়ে খোলা পাৰ্টীৰ ৰূপ পৰিহাৰ কৰি 'ভাগ্যদেৱী যাত্ৰাস্কোপ' আৰম্ভ কৰে। এই যাত্ৰাস্কোপত ডাইনামো, মঞ্চ আদিৰ শুভাৰম্ভ ঘটে। যাত্ৰাস্কোপত সূৰ্য বৈশ্যই দিহা পৰামৰ্শ দিছিল। এইবাৰৰ নাটক সমূহ আছিল 'দুই বোৱাৰী', 'জীৱনৰ আঁৰে আঁৰে', 'মিলন মালা', 'ৰক্ত গঙ্গা', 'পুষ্পাঞ্জলী'। নৃত্য-নাটিকা কেইখন হৈছে 'ফুল কোঁৱৰ', 'দেৱযানী', 'হৰমোহন', 'ৰাম বিজয়' আৰু 'আমাৰ ঘৰ'।

১৯৭৪-৭৫ নাট্যবৰ্ষত 'ভাগ্যদেৱী যাত্ৰাস্কোপ'ৰ মঞ্চত মঞ্চস্থ হোৱা নাটসমূহ আছিল 'মিলন মালা', 'নকল মানুহ', 'জীৱনৰ আঁৰে আঁৰে', 'কৃষ্ণ সুদামা' আৰু 'নতুন পুৰুষ'। নাট পৰিচালনা কৰিছিল প্ৰয়াত সূৰ্য বৈশ্যই। নাটিকা সমূহ আছিল 'এমুঠি চাউলৰ বাবে', 'মাটি কাৰ', 'ৰূপশিখা', 'ফুলকোঁৱৰ', 'সুখী পৰিয়াল' আৰু 'আদিকাণ্ড ৰামায়ণ'।

১৯৭৫-৭৬ নাট্যবৰ্ষত এই নাট্যদলটিৰ পুনৰ গাঁথনিগত পৰিৱৰ্তন সাধন হয়। 'ভাগ্যদেৱী যাত্ৰাস্কোপ'ৰ সলনি 'ভাগ্যদেৱী থিয়েটাৰ' নামেৰে দলটিয়ে নাট পৰিৱেশন কৰিবলৈ আৰম্ভ কৰে আৰু এই নাম ১৯৮১ খ্ৰীষ্টাব্দলৈ বাহাল থাকে। ১৯৭৫-৭৬ নাট্যবৰ্ষত দলটিয়ে মঞ্চস্থ কৰা নাটসমূহ আছিল 'মিলন মালা', 'ৰাতি আৰু ৰমণী', 'অমানুহ', 'কৃষ্ণ সুদামা' আৰু 'ছদ্মবেশী'। নাট পৰিচালনা কৰিছিল ৰুদ্ৰ চৌধুৰীয়ে। নাটিকা সমূহ আছিল 'মইনামতী', 'সুখী পৰিয়াল', 'কৃষ্ণৰ লীলা', 'মহাভাৰতৰ জন্ম' আৰু 'মিৰি জীয়ৰী'।

১৯৭৬-৭৭ নাট্যবৰ্ষত ভাগ্যদেৱী থিয়েটাৰে পাঁচখন নাট আৰু পাঁচখন নৃত্য-নাটিকা পৰিৱেশন কৰে। মঞ্চস্থ কৰা নাটসমূহ হ'ল— 'অভিশপ্ত ফুলশয্যা', 'পৰস্ত্ৰী', 'খুনকা বদলা খুন', 'গাঁৱৰ বোৱাৰী' আৰু 'আদালত'। নাটিকা সমূহ হৈছে— 'মইনামতী', 'দিখৌ ঘাটৰ পীৰিতি', 'পাৰিজাত হৰণ', 'প্ৰগতিৰ পথত' আৰু 'মিৰি জীয়ৰী'। নাট পৰিচালনা কৰিছিল ৰুদ্ৰ চৌধুৰীয়ে।

১৯৭৭-৭৮ নাট্যবৰ্ষত এই থিয়েটাৰৰ নাটসমূহ আছিল 'অভিনেত্ৰী (মধুমিতা)', 'জয়দেৱ', 'মা মাটি মানুহ', 'প্ৰেম আৰু চকুলো' আৰু 'বৰ্ণ পৰিচয়'। নাট পৰিচালনা কৰিছিল ˚ সূৰ্য বৈশ্য আৰু কিৰণ দাসে। নাটিকা সমূহ হ'ল— 'সীতাৰ পাতাল প্ৰৱেশ', 'দিখৌ ঘাটৰ পীৰিতি', 'হৰ পাৰ্বতী', 'অসম জ্যোতি' আৰু 'জীৱন যৌৱন'।

১৯৭৮-৭৯ নাট্যবৰ্ষত ভাগ্যদেৱী থিয়েটাৰে পৰিবেশন কৰা নাটসমূহ হৈছে 'ধৰ্ম পত্নী', 'মুখা', 'অশ্বমেধ যজ্ঞ', 'অৰণ্য পৃথিৱী' আৰু 'মন ময়ূৰীৰ মৃত্যু'। নাটসমূহ পৰিচালনা কৰিছিল ˚ সূৰ্য বৈশ্য আৰু কিৰণ দাসে। এই বেলিৰ নৃত্য-নাটিকা সমূহ হৈছে— 'জীৱন-যৌৱন', 'মই কেতেকী', 'মন পখিলী', 'কৃষ্ণ লীলা' আৰু 'বেউলা'।

১৯৭৯-৮০ নাট্যবৰ্ষত ভাগ্যদেৱী থিয়েটাৰে 'জোন বেলি', 'চম্পাৱতী', 'চিৰিয়াখানা', দাইনী' আৰু 'মনোমতী' এই পাঁচখন নাট মঞ্চস্থ কৰে। নাটসমূহ পৰিচালনা কৰিছিল

ভবেন বৰুৱা আৰু অনিল চক্ৰৱৰ্তীয়ে। অভিনয়ৰ শিল্পীসকল আছিল কন্দৰ্প শৰ্মা, ৰাজেশ্বৰ হাজৰিকা, কমলা ৰাভা, খৰ্গ ঠাকুৰীয়া আদি। এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন হৈছে 'মন পখিলী', 'সুন্দৰী কন্যা', 'জীৱন বাঁহীৰ সুৰ', 'আমাৰ অসম', আৰু 'লৱ-কুশ'।

১৯৮০-৮১ বৰ্ষত ভাগ্যদেৱী থিয়েটাৰে মুঠতে পাঁচখন নাট মঞ্চৰ বাবে প্ৰস্তুত কৰি উলিয়ায়। এই নাটসমূহ হ'ল— 'জোনবেলি', 'সন্ধিক্ষণ', 'কলংকিনী ৰাধা', 'জীয়া জুই' আৰু 'দেৱতাৰ মৃত্যু'। নাট পৰিচালনা কৰিছিল অনিল চক্ৰৱৰ্তীয়ে। নৃত্য-নাটিকা দুখন হৈছে 'বুঢ়া লুইত' আৰু 'মা বিষ কন্যা'।

থিয়েটাৰ ভাগ্যদেৱী ঃ ১৯৮১-৮২ বৰ্ষত ভাগ্যদেৱী থিয়েটাৰত ভবেন বৰুৱা আৰু কল্যাণ দেৰ প্ৰৱেশ ঘটিল আৰু এওঁলোকৰ পৰামৰ্শ অনুসৰি প্ৰযোজক শৰৎ মজুমদাৰে থিয়েটাৰ দলটিৰ নাম সলনি কৰি থিয়েটাৰ ভাগ্যদেৱী ৰাখে আৰু তেতিয়াৰে পৰা আজি পৰ্যন্ত এই দলটিয়ে এই নামটিৰেই নাট পৰিৱেশন কৰি আহিছে। এই বৰ্ষত পাঁচখন নাট মঞ্চস্থ কৰা হ'ল। নাটসমূহ হৈছে— 'শাওঁণৰ মেঘ', 'জোন বেলি', মহাযুদ্ধৰ পিছত', 'মইনামতী' আৰু 'ছিৰাজ'। ভবেন বৰুৱাৰ নাট পৰিচালনাত অভিনয় কৰিছিল বিনোদ ডেকা, আৰাধনা দে, কন্দৰ্প শৰ্মা, ৰীতা হাজৰিকা আদি শিল্পীসকলে। ভবেন বৰুৱাইও নাটসমূহত অভিনয় কৰিছিল। এই বছৰৰ নৃত্য-নাটিকা সমূহ হৈছে— 'সোণালী সুবাস', 'বহ্নিমান ব্ৰহ্মপুত্ৰ', 'শকুন্তলা' আৰু 'জীৱন ৰথৰ চকৰি'।

১৯৮২-৮৩ নাট্যবৰ্ষ ঃ এই বৰ্ষত থিয়েটাৰ ভাগ্যদেৱীয়ে পাঁচখন নাট মঞ্চস্থ কৰে। অনিল চক্ৰৱৰ্তীৰ পৰিচালনাত মঞ্চায়ন কৰা এই নাটসমূহ হৈছে— 'আক্ৰোশ', 'পুৱতী তৰা', 'আনাৰকলি', 'সন্ধিক্ষণ' আৰু 'পূজনীয় দেউতা'। নৃত্য-নাটিকা দুখন হৈছে— 'স্বৰ্গদপী গৰীয়সী' আৰু 'লৱ কুশ'।

১৯৮৩-৮৪ নাট্যবৰ্ষ ঃ থিয়েটাৰ ভাগ্যদেৱীৰ এই বৰ্ষ পৰিক্ৰমাৰ নাটসমূহ আছিল 'কাঞ্চনমতী', 'মন বিৰিণাৰ জুই', 'বহ্নিমান', 'পৃথিৱীৰ মৃত্যু' আৰু 'অমৰ প্ৰেম'। নাট পৰিচালনা কৰিছিল নগেন নাথ আৰু ৰুদ্ৰ চৌধুৰীয়ে। অভিনেতা-অভিনেত্ৰীসকল হৈছে— ৰুদ্ৰ চৌধুৰী, প্ৰদীপ বৰা, ধীৰু গোস্বামী, মায়া বৰ্মন, কমলা ৰাভা, কনক কলিতা, তাৰক চক্ৰৱৰ্তী, ৰাজদ্বীপ গোস্বামী, গিৰিধৰ ভাগৱতী, অৰুণ হাজৰিকা, নৃপেন শৰ্মা, হিৰণ্য ডেকা, মীনাকুমাৰী নাথ, কল্পনা কোচ, পূৰ্ণিমা বৰকটকী আৰু জুৰি চক্ৰৱৰ্তী।

১৯৮৪-৮৫ নাট্যবৰ্ষ ঃ 'জোনাকীৰ বিয়া' নামৰ নাটখনৰ বাহিৰে এই বছৰৰ আন কোনো তথ্য থিয়েটাৰ দলটিৰ পৰা যোগান ধৰিব নোৱাৰিলে।

১৯৮৫-৮৬ নাট্যবৰ্ষ ঃ এই বৰ্ষৰ এখন অন্যতম আকৰ্ষণীয় নাট আছিল মহেন্দ্ৰ বৰঠাকুৰ ৰচিত আৰু হেম ভট্টাচাৰ্য পৰিচালিত নাট 'গোঁসানী'। নিষ্ঠাৱান চৰকাৰী অভিযন্তা, গাঁৱৰ সহজ সৰল মানুহখিনিৰ অভাৱ-অভিযোগ, ঠিকাদাৰৰ লুণ্ঠনৰ অভিপ্ৰায় আৰু বানপানী সমস্যাক লৈ গঢ়ি উঠা নাটকৰ কাহিনীভাগে অসমৰ সমাজ জীৱনৰ কেতবোৰ দিশ

উন্মোচন কৰিবলৈ সক্ষম হৈছিল। কৃষ্ণ নাথ, ধীৰু গোস্বামী, ৰূপধন পাঠক, পদ্ম বৰা, বাবুল খাটনিয়াৰ, বিজু বৰকাকতি, কামিনী গোস্বামী, অঞ্জলি বৰ্মন, মীনা বৈশ্য, হৰেন মালাকৰ আদিয়ে নাটখনত দৰ্শনীয় অভিনয় কৰিছিল। জন্মি দাসৰ সংগীত পৰিচালনাত নাটখন অধিক অৰ্থবহ হৈ উঠিছিল। এই বছৰৰ আন নাটসমূহ হৈছে ভবেন বৰুৱাৰ 'মা', নগেন নাথৰ 'কলা বাঘ' আৰু 'বিষাক্ত পৃথিৱী' (নাট্যকাৰৰ নাম অজ্ঞাত)। নাটসমূহ পৰিচালনা কৰিছিল— হেম ভট্ট, ভবেন বৰুৱা আৰু নগেন নাথে।

১৯৮৭-৮৮ নাট্যবৰ্ষ ঃ এই বৰ্ষত থিয়েটাৰ ভাগ্যদেৱীয়ে মঞ্চলৈ লৈ অহা নাটসমূহ হৈছে ভবেন বৰুৱাৰ 'মহাতীৰ্থ মৰিশালি', 'মই বিধবা নহয়', নগেন নাথৰ 'শুকুলা ঘোঁৰা', ৰমাপতি দাসৰ 'দস্যুৰাণী ফুলন দেৱী' আৰু 'কাদ্ৰু বিনতা' (নাট্যকাৰ অজ্ঞাত)। নাটসমূহ পৰিচালনা কৰিছিল ভবেন বৰুৱাই।

১৯৮৮-৮৯ নাট্যবৰ্ষ ঃ শৰৎ মজুমদাৰৰ প্ৰযোজনা আৰু সুবোধ মজুমদাৰৰ পৰিকল্পনাত থিয়েটাৰ ভাগ্যদেৱীয়ে এই বেলি পাঁচখন নাট মঞ্চস্থ কৰে। নাটসমূহৰ ভিতৰত ভবেন বৰুৱাৰ 'মই বিয়াত নবহো' আৰু ৰমাপতি দাসৰ 'বোবা ছোৱালীৰ উচুপনি' নাট দুখনে দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিব সক্ষম হৈছিল। আন নাট তিনিখন হৈছে 'মাহী আই মোৰ আই', 'মিলন মালা' আৰু 'মাজ ৰাতিৰ আতংক'।

১৯৮৯-৯০ নাট্যবৰ্ষ ঃ এই বৰ্ষৰ নাটসমূহ হৈছে ৰমাপতি দাসৰ 'মহুৱা সুন্দৰী', ভবেন বৰুৱাৰ 'মোক স্বামী নালাগে', 'মানৱী নে দেৱী' (নাট্যকাৰৰ নাম জনা নাযায়) আৰু 'মই বিয়াত নবহো'। আনহাতে এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন হৈছে 'মা চামুণ্ডা', 'অজামিল উপাখ্যান', 'মাৰ্চিলা ইজা বেল' আৰু 'অদৃশ্য বন্ধন'।

১৯৯০-৯১ নাট্যবৰ্ষ ঃ এই নাট্যবৰ্ষত থিয়েটাৰ ভাগ্যদেৱীয়ে মঞ্চস্থ কৰা নাটসমূহ আছিল ৰমাপতি দাসৰ 'মা আজিও কুমাৰী', ভবেন বৰুৱাৰ 'মই এটা পাপ কৰিম', 'মই মহাসতী' আৰু 'মোক স্বামী নালাগে'। নৃত্য নাটিকা সমূহ হ'ল— 'মা চামুণ্ডা', 'সাগৰ মন্থন', 'বৰ মা কুঁৱৰী' আৰু 'লুইত পৰীয়া সাধু'।

১৯৯১-৯২ নাট্যবৰ্ষ ঃ নৱৈৰ দশকৰ প্ৰথম ভাগত থিয়েটাৰ ভাগ্যদেৱী দলটিয়ে নাটক আৰু পৰিচালনাৰ দিশত ভালেমান পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰে। এই বছৰত থিয়েটাৰ দলটিত মহানন্দ শৰ্মা, জয়ন্ত দাস, পদ্ম বৰা আদি সফল অভিনেতাসকলৰ পদাৰ্পন আছিল এক উল্লেখনীয় ঘটনা। এই বৰ্ষৰ নাটসমূহ হ'ল 'দেৱী মহাশ্বেতা', 'কাবুলীৱালা', 'তেজে ধোৱা গামোছা' আৰু 'বন্দিনী লখিমী'। নৃত্য নাটিকাসমূহ হৈছে 'দেৱী মহাশ্বেতা', 'মা চামুণ্ডা', 'সন্ধ্যা ললিতা কান্তা' আৰু 'সন্ধান'।

১৯৯২-৯৩ নাট্যবৰ্ষ ঃ এই বৰ্ষৰ নাটসমূহ আছিল 'মহাভাৰতৰ মা' (নাট্যকাৰৰ নাম জনা নাযায়), ভবেন বৰুৱাৰ 'মাছমৰীয়া ছোৱালী' আৰু 'মন্ত্ৰী মহাশয় নমস্কাৰ' তথা ৰমাপতি দাসৰ 'মনে বিচৰা কইনা'। পৰিৱেশিত নৃত্য-নাটিকা দুখনি হৈছে 'মহাভাৰতৰ মা'

আৰু 'মহাসতী'।

১৯৯৩-৯৪ নাট্যবৰ্ষ ঃ এই নাট্যবৰ্ষৰ নাটসমূহ হৈছে অৱতাৰ সিঙৰ 'মন বাগিচাৰ গাভৰু', ভবেন বৰুৱাৰ 'সাগৰৰ সাঁকো', মহেন্দ্ৰ বৰঠাকুৰৰ 'বালি ঘৰৰ আলহী' আৰু ৰমাপতি দাসৰ 'কাগজৰ কইনা'। নাট পৰিচালনা কৰিছিল ভবেন বৰুৱা আৰু বাহাৰুল ইছলামে। অভিনেতা-অভিনেত্ৰীসকল হ'ল জীৱেশ্বৰ ডেকা, বাহাৰুল ইছলাম, সৰুকণ বৰা, সুৰেন ঠাকুৰীয়া, ৰণজিৎ মিশ্ৰ, ভূপেন ডেকা, নাৰায়ণ চমুৱা, বিনু কলিতা, কামিনী গোস্বামী, অনিমা ফুকন আৰু ৰঞ্জু দাস।

নৃত্য-নাটিকা কেইখন হৈছে প্ৰফুল্ল হালৈ ৰচিত 'মা-মনসা', বীৰেন শইকীয়াৰ 'মাধুৰীকণা', তিলক বৈশ্যৰ 'নিশাৰ পৃথিৱী' আৰু হিৰণ্য ডেকাৰ 'সোণৰ কাৰেং'। নাটিকাসমূহৰ নৃত্য পৰিচালনা কৰিছিল প্ৰফুল্ল হালৈয়ে। সংগীত পৰিচালনা আৰু পোহৰ নিৰ্দেশনাৰ দায়িত্বত আছিল ক্ৰমে দিবাকৰ ডেকা আৰু কৰুণা পাঠক। শৰৎ মজুমদাৰৰ প্ৰযোজনাত সুকলমে নাট পৰিবেশন কৰা থিয়েটাৰ ভাগ্যদেৱীত এই বছৰত সহকাৰী প্ৰযোজনাৰ দায়িত্ব লৈছিল পুত্ৰ সুবোধ মজুমদাৰে।

১৯৯৪-৯৫ নাট্যবৰ্ষ ঃ এই বৰ্ষত থিয়েটাৰ ভাগ্যদেৱীয়ে মঞ্চস্থ কৰা নাটসমূহ হৈছে মুনিন বৰুৱাৰ 'নিয়ৰৰ ফুল', ভবেন বৰুৱাৰ 'আজলী ছোৱালী', হেমন্ত দত্তৰ 'গঙ্গাপুত্ৰ ভীষ্ম' আৰু মহেন্দ্ৰ বৰঠাকুৰৰ 'চাহাব দাদা'।

'নিয়ৰৰ ফুল' নাটখন এই বৰ্ষৰ এখন উল্লেখযোগ্য সফল নাটৰূপে বিবেচিত হৈছিল। তৌফিক ৰহমানৰ সুদক্ষ পৰিচালনাত নাটখনত সৰল প্ৰতীকী অৰ্থত ব্যক্তি মানসিকতাৰ অন্তৰ্দ্বন্দ্ব, নিষ্ঠাবান এগৰাকী শিক্ষকৰ ৰাজনৈতিক আকাংক্ষা, সমসাময়িক ৰাজনৈতিক নেতাসকলৰ ছবি তথা সামাজিক শুদ্ধিবোধৰ প্ৰতি দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰা আদি পৰিঘটনা সফলভাৱে উপস্থাপন কৰা হৈছিল। ভায়োলেট নাজিৰ, প্ৰাণজিৎ দাস, ৰামেশ্বৰ, হাজৰিকা, সুৰেন ঠাকুৰীয়া, বিনন্দ বিকাশ কন্দলী, বিনু কলিতা, কামিনী গোস্বামী, মীনাক্ষি ভট্টাচাৰ্য, মৃদুল চুতীয়া আদি শিল্পীসকলে নাটখনত আকৰ্ষণীয় অভিনয় প্ৰদৰ্শন কৰিছিল। সংগীত পৰিচালক দিবাকৰ ডেকা, আলোক নিয়ন্ত্ৰক অৰবিন্দ কলিতা আৰু কলা নিৰ্দেশক ধীৰেন দাসে নিজ নিজ প্ৰচেষ্টাৰে নাটখনৰ প্ৰযোজনা অনবদ্য কৰি তোলাত অৰিহণা যোগাইছিল। এই বছৰৰ আন অভিনেতা-অভিনেত্ৰীসকল হৈছে— তৌফিক ৰহমান, বিনোদ শৰ্মা, বিপুল বৰা, ৰাজীৱ, বৰা, যুগল বিহাৰী ডেকা, বিপুল মহন্ত, ৰূপধন পাঠক, হৰিশ কলিতা আৰু গীতা দেৱী। নাট সমূহ পৰিচালনা কৰিছিল হেমন্ত দত্ত, তৌফিক ৰহমান আৰু ভবেন বৰুৱাই। পৰিৱেশিত নৃত্য-নাটিকা তিনিখন হৈছে প্ৰফুল্ল হালৈ ৰচিত 'মা মনসা', অজিত তালুকদাৰৰ 'সপোন মাধুৰী' আৰু তিলক বৈশ্যৰ 'অগ্নিগৰ্ভা অসম'।

১৯৯৫-৯৬ নাট্যবৰ্ষ ঃ ৯৫-৯৬ নাট্যবৰ্ষত থিয়েটাৰ ভাগ্যদেৱীয়ে চাৰিখন নাট মঞ্চলৈ লৈ আহে। এই নাটসমূহ হ'ল মুনিন বৰুৱাৰ 'অজ্ঞাত বাস', মহেন্দ্ৰ বৰঠাকুৰৰ 'আধাৰ

শিলা', অৱতাৰ সিঙৰ 'বন্দিনী প্ৰতিমা' আৰু ভবেন বৰুৱাৰ 'বিপ্লৱী গুৰুদেৱ'। অভিনেতা-অভিনেত্ৰীসকল হৈছে প্ৰাণজিৎ দাস, ৰাজীৱ গোস্বামী, অৰুণ বৰা, বিপুল বৰা, বিনোদ শৰ্মা, গুণেশ্বৰ ভূঞা, অন্ন শৰ্মা, সুনীল দত্ত, নৃপেন কুমাৰ, মহী ভৰালী, তুলসী বৰদলৈ বিপুল মহন্ত, অনিমা ফুকন, ফুনু প্ৰভা, প্ৰীতিৰেখা সেনাপতি আৰু মিনতি দাস।

অমিত সিনহাৰ সংগীত পৰিচালনা আৰু গুণেশ্বৰ ভূঞাৰ নৃত্য পৰিচালনাত এই বেলি পৰিবেশিত নৃত্য-নাটিকা সমূহ হ'ল গুণেশ্বৰ ভূঞা ৰচিত 'মধুৰগুঞ্জন', তিলক বৈশ্যৰ 'গুৰু দক্ষিণা' আৰু 'চিত্ৰ হেতু', আৰু হিৰণ্য ডেকাৰ 'নতুন পুৱাৰ ৰদালি'। কণ্ঠ শিল্পীদ্বয় হ'ল— জগদীশ বৈশ্য আৰু দীপালি বৰ্মন।

১৯৯৬-৯৭ নাট্যবৰ্ষ ঃ এই নাট্যবৰ্ষৰ নাটসমূহ আছিল মুনিন বৰুৱাৰ 'অধিনায়ক', জিতেন শৰ্মাৰ 'জ্বালামুখী', মহেন্দ্ৰ বৰঠাকুৰৰ 'কুৰুক্ষেত্ৰ' আৰু মহেশ কলিতাৰ 'বাঘজৰী'। নাটসমূহ পৰিচালনা কৰিছিল প্ৰাণজিৎ দাসে। শিক্ষানুষ্ঠানত চলা চৰম ৰাজনৈতিক অৰাজকতা, ছাত্ৰসংগঠনৰ ক্ষমতালোভী কুচ-কাৱাজ আদি বিষয়ক লৈ ৰচনা কৰা মহেশ কলিতাৰ 'বাঘজৰী' নাটখনে দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। অৰুণ বৰা, বিপুল বৰা, হৰেন মালাকৰ, ৰূপধৰ পাঠক, বিনোদ শৰ্মা আদিৰ অভিনয় আছিল অতি সাৱলীল। বীৰেন দাসৰ কলা নিৰ্দেশনা, অবিনাশ কছাৰীৰ শব্দ সংযোজন আৰু ভুৱনেশ্বৰ ভাগৱতীৰ নিৰ্দেশনাৰ আলোক সম্পাতে নাটখনক অধিক মনোগ্ৰাহী কৰি তুলিছিল। এই বৰ্ষৰ আন অভিনেতা-অভিনেত্ৰীসকল হ'ল, প্ৰাণজিৎ দাস, ৰাজীৱ গোস্বামী, জয়ন্ত দাস, অমৰজ্যোতি শৰ্মা, ভূপেন শৰ্মা, মুন বৰকটকী, কল্পনা বৰদলৈ, অঞ্জলী ছেত্ৰী আৰু দীপশিখা বৰা।

নাৰায়ণ ৰয়ৰ সংগীত পৰিচালনাত এইবেলি পৰিৱেশিত নৃত্য-নাটিকাসমূহ হ'ল 'বলিশাল' (তিলক বৈশ্য), 'মা-মনসা', 'সপোন সন্ধা' আৰু 'ৰূপকাৰ'।

১৯৯৭-৯৮ নাট্যবৰ্ষ ঃ থিয়েটাৰ ভাগ্যদেৱীয়ে প্ৰযোজনা কৰা এই বছৰৰ নাটসমূহ হ'ল জিতেন শৰ্মাৰ 'মাতাল ঘোঁৰা', মুনিন বৰুৱাৰ 'গোলাম', সেৱাব্ৰত বৰুৱাৰ 'নেদেখা চকী' আৰু মহেন্দ্ৰ বৰঠাকুৰৰ 'পঁজা ঘৰৰ ৰজা। এই বৰ্ষত থিয়েটাৰ ভাগ্যদেৱী শ্ৰেষ্ঠ নাট্যদল হিচাপে বিবেচিত হৈ পুৰস্কাৰ লাভ কৰিছিল। নাটসমূহ পৰিচালনা কৰিছিল সেৱাব্ৰত বৰুৱা, মুনিন বৰুৱা আৰু ভবেশ বৰুৱাই। অভিনয় শিল্পীসকল হ'ল ভবেশ বৰুৱা, ৰাজীৱ গোস্বামী, জয়ন্ত দাস, বিনোদ শৰ্মা, অৰুণ বৰা, বিপুল বৰা, মৃদুল ভূঞা, হৰেন মালাকৰ, অমৰজ্যোতি শৰ্মা, বীৰেণ শইকীয়া, বিপুল মহন্ত, যাদব চমুৱা, অঞ্জলী ছেত্ৰী, বিনু কলিতা, কল্পনা বৰদলৈ, ৰেখা শৰ্মা আৰু হেপিমণি শইকীয়া। দিবাকৰ ডেকাৰ সংগীত পৰিচালনাত পৰিৱেশিত নৃত্য-নাটিকাখন হৈছে 'মা-মনসা'।

১৯৯৮-৯৯ নাট্যবৰ্ষ ঃ চাৰিখন ভিন্নধৰ্মী নাটেৰে এই নাট্যবৰ্ষ এক সফলতম ব্যৱসায়িক নাট্যবৰ্ষৰূপে পৰিগণিত হয়। মুনিন বৰুৱাৰ ৰচনা আৰু পৰিচালনাৰ 'ছাৰ', সেৱাব্ৰত বৰুৱাৰ

ৰচনা আৰু পৰিচালনাৰ 'লাট চাহাবৰ লাজ', বিজু ফুকনৰ পৰিচালনাৰ 'পিতা পুত্ৰ' আৰু অৱতাৰ সিং ৰচিত আৰু প্ৰাণজিৎ দাস পৰিচালিত 'অগ্নি'। এই চাৰিখন নাটকক দৰ্শকে আকোঁৱালি লৈছিল। অভিনেতা-অভিনেত্ৰীসকল আছিল বিজু ফুকন, প্ৰাণজিৎ দাস, অৰুণ বৰা, বিনোদ শৰ্মা, ননি মাধৱ শৰ্মা, মৃদুল ভূঞা, পলাশ দাস, বিশ্বজিৎ বৰঠাকুৰ, বুবুল কলিতা, যাদৱ চমুৱা, মুহি বৰা, গিৰিজা শৰ্মা, সুৰভী কটকী আৰু মণি গগৈ। পাৰ্থপ্ৰতীম চৌধুৰীৰ সংগীত পৰিচালনা এই বৰ্ষৰ এক অন্যতম আকৰ্ষণীয় উপাদান আছিল। প্ৰফুল্ল হালৈৰ পৰিচালনাত পৰিৱেশিত নৃত্য-নাটিকা কেইখন হৈছে 'ভাগ্যদেৱী', 'লাইলা মজনু' আৰু 'মা-মনসা'। কলা নিৰ্দেশনাৰ দায়িত্বত প্ৰমোদ কাকতি আৰু সম্পাদনাৰ দায়িত্বত আছিল লংকেশ্বৰ বৰ্মন।

১৯৯৯-২০০০ নাট্যবৰ্ষ ঃ এই বৰ্ষত অসমৰ সমাজ জীৱনত সংঘটিত কিছু ঘটনা-পৰিঘটনা নাট্য মাধ্যমৰ জৰিয়তে উপস্থাপন কৰাৰ প্ৰয়াস লয় এই নাট্যদলটিয়ে। তেনে এখন নাট আছিল জিতেন শৰ্মা ৰচিত আৰু পৰিচালিত 'গুপ্ত ঘাতক'। এই বৰ্ষৰ আন নাটসমূহ হৈছে চম্পক শৰ্মা ৰচিত আৰু পৰিচালিত 'গড়্‌ফাদাৰ', মুনিন বৰুৱা ৰচিত আৰু বাহাৰুল ইছলাম পৰিচালিত 'চিকাৰী' আৰু কনৌজ বৈশ্য ৰচিত আৰু চম্পক শৰ্মা পৰিচালিত নাট 'প্ৰেম আৰু প্ৰিয়া'। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰীসকল হ'ল চম্পক শৰ্মা, মৃদুল ভূঞা, জয়ন্ত দাস, ৰামেশ্বৰ হাজৰিকা, বিনোদ শৰ্মা, সুৰেন ঠাকুৰীয়া, সৰুকণ বৰা, মুকুল ডেকা, পলাশ দাস, বিপুল দাস, মুহি বৰা, যাদৱ চমুৱা, নীলিমা ডেকা, অনিতা, পপী কলিতা, নীলাক্ষি বৰা আৰু কবিতা শ্ৰেষ্ঠ। পাৰ্থপ্ৰতীম চৌধুৰীৰ সংগীত আৰু প্ৰফুল্ল হালৈৰ নৃত্য পৰিচালনাত মঞ্চস্থ কৰা নৃত্য-নাটিকা কেইখন হ'ল 'মা-মনসা', 'হাতেম তাই', কাৰ্গিল' আৰু 'সুন্দৰৰ অভিযাত্ৰী'। কলা নিৰ্দেশনা আৰু আলোক সম্পাতৰ দায়িত্বত আছিল ক্ৰমে প্ৰমথেশ চক্ৰৱৰ্তী আৰু অৰবিন্দ কলিতা।

২০০০-২০০১ নাট্যবৰ্ষ ঃ এই বছৰ থিয়েটাৰ ভাগ্যদেৱীয়ে মঞ্চস্থ কৰা নাট কেইখন আছিল জিতেন শৰ্মাৰ 'হাইজেক', কনৌজ বৈশ্যৰ 'দেওলগা ঘৰ', মুনিন বৰুৱাৰ 'মায়ামৃগ', আৰু অৰূপ বৰঠাকুৰৰ 'গ্ৰহণান্ত'। নাটসমূহ পৰিচালনা কৰিছিল মুনিন বৰুৱা, অৰূপ বৰঠাকুৰ আৰু তৌফিক ৰহমানে। অভিনয়ত আছিল দিলীপ ৰঞ্জন দত্ত, মৃদুল চুতীয়া, অশ্বিনী বৰুৱা, সমুদ্ৰ বৰদলৈ, জয়ন্ত দাস, চিমি গোস্বামী, বিপুল মহন্ত, জিতা শইকীয়া, দুলু দেৱী, সুৰেন ঠাকুৰীয়া আদি শিল্পীসকল। পাৰ্থপ্ৰতীম চৌধুৰীৰ সংগীত পৰিচালনাত পৰিৱেশিত নৃত্য নাটিকা তিনিখন হ'ল 'মা-মনসা' (ৰচনা ঃ প্ৰফুল্ল হালৈ, পৰিচালনা ঃ মৰমী মেধি), 'উৰ্বশী' আৰু 'হাতেম তাই'। কলা নিৰ্দেশনাত নুৰুদ্দিন আহমেদ আৰু প্ৰমথেশ চক্ৰৱৰ্তী আৰু পোহৰৰ দায়িত্বত আছিল প্ৰমোদ বৰ্মন।

২০০১-২০০২ নাট্যবৰ্ষ ঃ কেইখনমান গুৰুত্বপূৰ্ণ নাটকৰ জৰিয়তে থিয়েটাৰ ভাগ্যদেৱী এই নাট্যবৰ্ষত উজলি উঠিছিল। নাটসমূহ হৈছে সমৰেন্দ্ৰ বৰ্মনৰ 'মহাৰাজা', মুনিন বৰুৱাৰ

'মন্ত্ৰী আৰু মানুহ', কনৌজ বৈশ্যৰ 'জলপদ্ম' আৰু অভিজিৎ ভট্টাচাৰ্য 'এ কে ৪৭'। নৃত্য-নাটিকা কেইখনি হৈছে 'উৰ্বশী', 'মা-মনসা', 'ডাইনী কুঁৱৰী' আৰু 'ভক্তৰ ভগৱান'।

সমৰেন্দ্ৰ বৰ্মন ৰচিত আৰু দিলীপ ৰঞ্জন দত্ত পৰিচালিত 'মহাৰাজা' নাটখনে গাঁৱৰ আৰ্থিক দুৰ্দশাগ্ৰস্ত এটা পৰিয়ালৰ ছবি, নগৰীয়া আত্মম্ভৰি পৰিয়ালৰ দম্ভালি আৰু সৰু মানুহৰ হৃদয়ৰ বিশালতাক সঠিকভাৱে উপস্থাপন কৰি দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। নাটখনত দিলীপৰঞ্জন দত্ত, সুৰেন ঠাকুৰীয়া, পৱিত্ৰপ্ৰাণ বৰা, পৰাগ শৰ্মা, জ্যোৎস্না বৰা, সমুদ্ৰ বৰদলৈ, বৰ্ণালী শইকীয়া আদি অভিনেতা-অভিনেত্ৰীসকলে মনোমোহা অভিনয় প্ৰদৰ্শন কৰিছিল। বসন্ত-দিবাকৰৰ সংগীত, প্ৰমোদ বৰ্মনৰ আলোক সম্পাত আৰু প্ৰমথেশ চক্ৰৱৰ্তীৰ কলা নিৰ্দেশনাই নাটখনৰ শৈল্পিক উপস্থাপন আৰু অধিক অৰ্থবহ কৰি তুলিছিল।

ৰীতা চৌধুৰীৰ জনপ্ৰিয় উপন্যাস 'জলপদ্ম'ৰ কনৌজ বৈশ্যই একে নামত নাট্যৰূপ দিয়া নাটখনি আছিল এই বৰ্ষৰ এখন আকৰ্ষণীয় নাট। বিশিষ্ট চলচ্চিত্ৰ তথা নাট পৰিচালক প্ৰবীণ হাজৰিকাৰ সুদক্ষ পৰিচালনাত এই নাটখনে উপন্যাসখনৰ বিষয়বস্তুক সঠিক অৰ্থত উপস্থাপন কৰিব পাৰিছিল। দিলীপৰঞ্জন দত্ত, পৱিত্ৰপ্ৰাণ বৰা, সুৰেন ঠাকুৰীয়া, নিৰ্মল দত্ত, পৰাগ শৰ্মা, সমুদ্ৰ বৰদলৈ, দুলু দেৱী, বৰ্ণালী শইকীয়া, ৰঞ্জুশ্ৰী দত্ত আদি শিল্পীসকলে নাটখনত সাৱলীল অভিনয় কৰিছিল। লোক সংগীতৰ আধাৰত নাটখনত সন্নিৱিষ্ট কৰা সংগীতে নাটখনৰ সৌষ্ঠৱ অধিক বৃদ্ধি কৰিছিল।

২০০২-২০০৩ নাট্যবৰ্ষ ঃ থিয়েটাৰ ভাগ্যদেৱীৰ বাবে এই বছৰটি আছিল এক দুৰ্ভাগ্যৰ বছৰ। ২০০২ চনৰ ২৮ ডিচেম্বৰ তাৰিখে শিংৰাত থিয়েটাৰ চলি থকা সময়তে থিয়েটাৰ ভাগ্যদেৱীৰ প্ৰযোজক শৰৎ মজুমদাৰৰ মৃত্যু হয়। ১৯২৮ খ্ৰীষ্টাব্দৰ ২৯ আগষ্টত জন্ম গ্ৰহণ কৰা মজুমদাৰে জীৱিত কালছোৱাত ভ্ৰাম্যমাণ থিয়েটাৰৰ সামগ্ৰিক উৎকৰ্ষ সাধনত যি অনবদ্য অৱদান আগবঢ়াই গ'ল সি সন্দেহাতীতভাৱে চিৰস্মৰণীয় হৈ ৰব। তেখেতৰ মৃত্যুৰ পাছত পুত্ৰ সুবোধ মজুমদাৰে দলটিৰ দায়িত্ব চমজি লয়।

এই বৰ্ষৰ নাট্যসমূহ আছিল সেৱাব্ৰত বৰুৱাৰ ৰচনা আৰু পৰিচালনাৰ 'মাক আৰু মৰম' আৰু 'কাঠমাণ্ডুৰ দেৱযানী', জিতেন শৰ্মাৰ ৰচনা আৰু ভবেশ বৰুৱা পৰিচালিত 'প্ৰেতাত্মাৰ খং', কনৌজ বৈশ্য ৰচিত আৰু ভবেশ বৰুৱা পৰিচালিত 'এই প্ৰেম হিয়াৰ প্ৰেম'। অভিনয়ত আছিল ভবেশ বৰুৱা, মৃদুল ভূঞা, অকণ বৰা, দুলাল শৰ্মা, নিৰ্মল দত্ত, হৰ্ষ দাস, গুণীন শৰ্মা, বিপুল মহন্ত, জুৰি শৰ্মা, মল্লিকা শৰ্মা, কল্পনা শৰ্মা আৰু মনিতা বৈশ্য। শান্তমণি শৰ্মাৰ নৃত্য পৰিচালনাত পৰিৱেশিত নাটিকা কেইখনি হৈছে 'উৰ্বশী', 'সেউজী সপোন', 'মৃত্যুমুখী স্বপ্ন' আৰু 'চিনডাৰেলা'। সংগীত পৰিচালনা কৰিছিল বসন্ত ঠাকুৰীয়াই। এই বৰ্ষৰ পোহৰ আৰু কলা নিৰ্দেশনাৰ দায়িত্বত আছিল ক্ৰমে প্ৰমোদ বৰ্মন আৰু প্ৰমথেশ চক্ৰৱৰ্তী।

২০০৩-২০০৪ নাট্যবৰ্ষ ঃ ড° ভূপেন হাজৰিকাৰ প্ৰখ্যাত গীত 'শৈশৱতে ধেমালিতে' শীৰ্ষক গীতটিৰ আধাৰত একে শিৰোনামেৰে সেৱাব্ৰত বৰুৱাই ৰচনা কৰা নাটখনিয়ে এই বৰ্ষত অভূতপূৰ্ব সফলতা লাভ কৰিছিল। উল্লেখ্য যে এই বৰ্ষত একে নামৰ এখন নাটিকাও থিয়েটাৰ ভাগ্যদেৱীয়ে পৰিৱেশন কৰিছিল। এই বছৰৰ আন নাটসমূহ হৈছে সেৱাব্ৰত বৰুৱাৰ 'যৌতুক', জিতেন শৰ্মাৰ 'কালসন্ধ্যা' আৰু কনৌজ বৈশ্যৰ 'ছাঁ পোহৰৰ খেল'। অভিনেতা-অভিনেত্ৰীসকল হৈছে— ভবেশ বৰুৱা, মৃদুল ভূঞা, হৰেন মালাকৰ, অৰুণ বৰা, বিপুল বৰা, বিপুল মহন্ত, জয়ন্ত বৰা, হৰ্ষ দাস, অবিনাশ কলিতা, অঞ্জলী ছেত্ৰী, কল্পনা শৰ্মা দাস, জ্যোৎস্না লস্কৰ, জুমু ভূঞা আদি।

দিবাকৰ ডেকাৰ সংগীত পৰিচালনা আৰু শান্তমণি শৰ্মাৰ নৃত্য পৰিচালনাত মঞ্চস্থ হোৱা আন নাটিকা কেইখনি হৈছে 'মৃত্যু পথৰ যাত্ৰী', 'ভাগ্যদেৱী' আৰু 'ঝাণাদিল'। এই বৰ্ষত পোহৰ আৰু কলা নিৰ্দেশনাৰ দায়িত্বত আছিল ক্ৰমে প্ৰমোদ বৰ্মন আৰু প্ৰমোদ কাকতি।

২০০৪-২০০৫ নাট্যবৰ্ষ ঃ কবি হেম বৰুৱাৰ চিৰযুগমীয়া 'মমতাৰ চিঠি' শীৰ্ষক কবিতাৰ নাট্যৰূপ আছিল থিয়েটাৰ ভাগ্যদেৱীৰ এইবেলিৰ এক অভিনৱ প্ৰচেষ্টা। একে নামেৰে সেৱাব্ৰত বৰুৱাই ৰচনা কৰা নাটখনিত অভিনয়ৰ লগতে সংগীতৰ প্ৰয়োগ আছিল অতি অৰ্থবহ। ভবেশ বৰুৱা, মৃদুল ভূঞা, অঞ্জলী ছেত্ৰী আদি অভিনয় শিল্পীসকলে মন পৰশা অভিনয় কৰাৰ লগতে বসন্ত ঠাকুৰীয়াৰ সংগীত নিৰ্দেশনাত নাটখনত কাব্যিক বাঙ্ময়তা সাৰ্থক ৰূপত উপস্থাপিতত হয়। এই বছৰৰ আন নাটসমূহ হ'ল সেৱাব্ৰত বৰুৱাৰ 'সেন্দূৰ', কনৌজ বৈশ্যৰ 'আছিল এখনি হিয়া' আৰু ধ্ৰুৱজ্যোতি শৰ্মাৰ 'সপোনৰ ঘৰ'। পৰিৱেশিত নৃত্য-নাটিকা কেইখনি হ'ল 'সুকন্যা সুন্দৰী', 'দিচাংমুখৰ ডেকাটি', 'গ্ৰীষ্ম নিশাৰ সপোন' আৰু 'মৃত্যু পথৰ যাত্ৰী'। উল্লিখিত অভিনয় শিল্পীসকলৰ বাদেও আন অভিনেতা-অভিনেত্ৰীসকল হৈছে অৰুণ বৰা, দুলাল শৰ্মা, বিপুল বৰা, কবিতা চুতীয়া, অদিতি ভূঞা, মনালিছা শইকীয়া আদি।

নাটিকা সমূহৰ নৃত্য পৰিচালনাৰ দায়িত্বত আছিল শান্তমণি শৰ্মা। কলা আৰু পোহৰ নিৰ্দেশনাৰ দায়িত্বত আছিল ক্ৰমে বীৰেন দাস আৰু উমা ঠাকুৰীয়া।

২০০৫-২০০৬ নাট্যবৰ্ষ ঃ এই নাট্যবৰ্ষৰ নাটসমূহ আছিল সেৱাব্ৰত বৰুৱাৰ 'চেনাই মই যাও দেই' আৰু 'দৃষ্টিদান', হেমন্ত দত্তৰ 'তৃষ্ণা' আৰু ধ্ৰুৱজ্যোতি শৰ্মাৰ 'মদাৰৰ ফুল'। অভিনয়ত আছিল ভবেশ বৰুৱা, হৰেন মালাকৰ, অৰুণ বৰা, শেখৰ প্ৰীতম, দ্বীনো ভৰালী, বিপুল বৰা, অবিনাশ কলিতা, দিপাংকৰ মালাকৰ, খনীন্দ্ৰ চৌধুৰী, ৰাণা বৰা, জিতু বৰা, ৰিপুণ মহন্ত, কবিতা চুতীয়া, বৰ্ণালী শইকীয়া, অনিতা চক্ৰৱৰ্তী আৰু সংগীতা চহৰীয়া।

ভূপেশ শৰ্মাৰ নৃত্য পৰিচালনা আৰু দিগন্ত ভাৰতীৰ সংগীত নিৰ্দেশনাত এইবছৰ পৰিৱেশিত নৃত্য-নাটিকা কেইখন হ'ল 'ভাগ্যদেৱী', নুমলীয়া পো', 'মৃত্যু পথৰ যাত্ৰী' আৰু 'নদীৰ নাম ভালপোৱা'। নৃত্য শিল্পীসকল হৈছে হিতেন দাস, পিংকু ডেকা, নিখিল কাকতি, দিগন্ত বৰা, প্ৰফুল্ল দত্ত, প্ৰতিভা ডেকা, ৰেখা কলিতা, মমী দাস, উপমা ডেকা, মণি তালুকদাৰ, মামনি কলিতা আৰু বীৰেন বৰ্মন। পোহৰ নিৰ্দেশনাত কৰুণা পাঠক আৰু সংগীত ব্যৱস্থাপনাৰ দায়িত্বত আছিল উমেশ নাথ। এই বছৰৰ সম্পাদকৰ দায়িত্বত আছিল ৰণজিৎ গগৈ। সহঃ ব্যৱস্থাপনাৰ দায়িত্বত আছিল গোপেশ খাটনিয়াৰ আৰু বীৰেন বৰ্মন।

২০০৬-২০০৭ নাট্যবৰ্ষ ঃ এই বছৰৰ নাটসমূহ আছিল সেৱাব্ৰত বৰুৱাৰ 'অঘৰীৰ ঘৰ', চন্দ্ৰ মুদৈৰ 'চুৰেন চোৰৰ পুতেক', অভিজিৎ ভট্টচাৰ্যৰ 'মৰম মৰম লাগে' আৰু ধ্ৰুৱজ্যোতি শৰ্মাৰ 'মই পাপ কৰা নাই'। সুবোধ মজুমদাৰৰ প্ৰযোজনা আৰু পৰিকল্পনাত নাট্য সম্ভাৰ আগবঢ়োৱা দলটিৰ অভিনেতা-অভিনেত্ৰীসকল হৈছে যতীন বৰা, জয়ন্ত দাস, ধৰ্মেন্দ্ৰ নাথ, মুহি বৰা, জিতু বৰা, অবিনাশ কলিতা, দিপাংকৰ মালাকৰ, মৃণালদেৱ গোস্বামী, প্ৰিয়ম নিৰ্মল, শাৰংগ শেখৰ, কবিতা চুতীয়া, মমী ডেকা, নীলিমা ডেকা, জুমু ভূঞা আৰু জোনাকী মজুমদাৰ।

এই বৰ্ষৰ নাটিকা কেইখনি হৈছে— 'মা-মনসা', 'শৈশৱৰ বোকোচাত', 'চুৰেন চোৰৰ পুতেক' আৰু 'ইপাৰ সিপাৰ'। দিবাকৰ ডেকাৰ সংগীত পৰিচালনাত গীতবোৰৰ কথা আৰু সুৰ আছিল দিগন্ত ভাৰতীৰ। গীতসমূহত কণ্ঠদান কৰিছিল কুমাৰ তপন, তপন শৰ্মা আৰু ৰুমা গগৈয়ে। বাদ্য-যন্ত্ৰৰ শিল্পীসকল হ'ল দিবাকৰ ডেকা, হৰেন দাস, প্ৰাঞ্জল চৌধুৰী, জয়ন্ত বৰুৱা, কালিচৰণ ডেকা, তপন কুমাৰ, ৰুমী গগৈ আৰু কৰুণা খাখলাৰী। নৃত্য পৰিচালনাৰ দায়িত্বত আছিল শৈলেন ৰামচিয়াৰী। পোহৰ আৰু কলা নিৰ্দেশনাৰ দায়িত্বত আছিল ক্ৰমে কৰুণা পাঠক আৰু প্ৰমোদ কাকতি। কৰিঅ'গ্ৰাফীত আছিল পংকজ ইংতি আৰু সম্পাদকৰ দায়িত্ব লৈছিল ৰঞ্জিৎ গগৈয়ে।

২০০৭-২০০৮ নাট্যবৰ্ষ ঃ ৰাজেশ ভূঞা আৰু সেৱাব্ৰত বৰুৱাৰ নাট পৰিচালনাৰে থিয়েটাৰ ভাগ্যদেৱীয়ে এই বছৰৰ নাটসমূহ মঞ্চস্থ কৰে। নাটসমূহ হ'ল সেৱাব্ৰত বৰুৱাৰ 'গৰখীয়া ল'ৰাৰ গান', মুনিন বৰুৱাৰ 'পুৱা গধূলিৰ ৰং', অভিজিৎ ভট্টাচাৰ্যৰ 'মিলন মালা-এক প্ৰেম কাহিনী' আৰু ধ্ৰুৱজ্যোতি শৰ্মাৰ 'মিছলীয়াৰ মিঠা মৰম'। অভিনয়ত আছিল ৰাজীৱ গোস্বামী, অৰুণ বৰা, ভাস্কৰ বৰ্মন, মৃণালদেৱ গোস্বামী, আকাশদ্বীপ, মুহি বৰা, আঙ্গুৰলতা, বৰ্ণালী শইকীয়া, অৰ্চনা পূজাৰী, পংকজ পূজাৰী, বিপুল কলিতা আৰু মনোজ কোঁৱৰ। সংগীত পৰিচালনাৰ দায়িত্বত আছিল দিবাকৰ ডেকা আৰু মানস ৰবীন।

পংকজ ইংতিয়ে কৰিঅ' গ্ৰাফীত আৰু প্ৰফুল্ল হালৈয়ে নৃত্য পৰিচালনাৰ দায়িত্বত আছিল। এই বছৰ পৰিৱেশিত নৃত্য-নাটিকা সমূহৰ ভিতৰত উল্লেখনীয় নাটিকাখন হ'ল 'মা মনসা'। পোহৰ আৰু কলা নিৰ্দেশনাৰ দায়িত্বত আছিল ক্ৰমে চক্ৰ তালুকদাৰ আৰু প্ৰমথেশ চক্ৰৱৰ্তী। থিয়েটাৰ ভাগ্যদেৱীৰ এই বছৰৰ কণ্ঠশিল্পীদ্বয় হ'ল— কৃষ্ণ বৰা আৰু ৰুমী গগৈ।

২০০৮-২০০৯ নাট্যবৰ্ষ ঃ এই বছৰ থিয়েটাৰ ভাগ্যদেৱীয়ে মঞ্চস্থ কৰা নাটসমূহ হ'ল— সেৱাব্ৰত বৰুৱাৰ 'এৰাতিৰ ঈশ্বৰ', অভিজিৎ ভট্টাচাৰ্যৰ 'গিৰিপ-গাৰাপ কইনা আহিছে' আৰু ধ্ৰুৱজ্যোতি শৰ্মাৰ 'মনত পৰেনে অৰুন্ধতী'। সেৱাব্ৰত বৰুৱা আৰু ৰাজেশ ভূঞাই পৰিচালনা কৰা এই নাটসমূহৰ অভিনয় শিল্পীসকল হ'ল— অৰুণ বৰা, ভাস্কৰ বৰ্মন, মৃণালদেৱ গোস্বামী, সঞ্জীৱ শৰ্মা, নয়ন শইকীয়া, ঋতুপৰ্ণ ফুকন অবিনাশ কলিতা, মহন্ত আৰ্য্য, মনোজ শইকীয়া, অৰূপ শৰ্মা, পংকজ পূজাৰী, অৰ্চনা পূজাৰী, ডেইজী শৰ্মা, চন্দ্ৰমা বৰা, জোনালী দেৱী আৰু প্ৰস্তুতি পৰাশৰ।

জয়ন্ত নাথৰ সংগীত পৰিচালনা আৰু শান্তমণি শৰ্মাৰ নৃত্য পৰিচালনাত পৰিৱেশিত নৃত্য-নাটিকা দুখনি হৈছে 'মা-মনসা', আৰু 'মৰম লগা ছোৱালীজনী'। গীতবোৰত কণ্ঠদান কৰিছিল ৰুমী গগৈ, তপন দাস আৰু মৃগেন সৰকাৰে। কলা আৰু পোহৰ নিৰ্দেশনা কৰিছিল বি চন্দ্ৰমোহন আৰু দীনেশ ডেকাই। এই বছৰ কৰিঅ'গ্ৰাফৰ দায়িত্বত আছিল পংকজ ইংতি।

কহিনুৰ থিয়েটাৰ

১৯৭৬ চনত অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসত এটি নতুন নামে ভূমুকি মাৰিলে। অসমীয়া ঐতিহ্যক যথাৰ্থভাৱে অন্বেষণ কৰা, অসমত অসমীয়া জাতীয় নাটকৰ সূচনা কৰা এই ভাবাদৰ্শৰে কহিনুৰ থিয়েটাৰ আৰম্ভ হ'ল। নিভাঁজ অসমীয়া গীত, মাত, নৃত্য আদিৰে প্ৰথমবাৰৰ বাবে অসমীয়া কাহিনীক নাট্যৰূপ দিবলৈ কহিনুৰে প্ৰয়াস কৰিলে। প্ৰথম বছৰতে চাৰিজন অসমীয়া নাট্যকাৰৰ নাটক মঞ্চস্থ কৰাৰ সিদ্ধান্ত লোৱা হয়।

ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসত কহিনুৰৰ উত্থান আন এক দিশৰ পৰাও তাৎপৰ্যপূৰ্ণ। আৰ্থিক দিশৰ পৰা এই দলটি আছিল এক সু-সংগঠিত ৰূপত আত্মপ্ৰকাশ কৰা প্ৰথম ভ্ৰাম্যমাণ নাট্যদল। গুৱাহাটীস্থ 'চেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়া'ৰ আৰ্থিক সহায়েৰে গঢ়ি উঠা এই দলটিয়ে প্ৰথমবাৰৰ বাবে এক সংগঠিত মূলধনী প্ৰক্ৰিয়াৰ বাট দেখুৱাই দিছিল। ইয়াৰ আগলৈকে অসমত যিমানবোৰ ভ্ৰাম্যমাণ দল গঠন হৈছিল তেওঁলোকে হয় বিভিন্ন জনৰ পৰা ঋণ লৈ অথবা সহায়ত দলবোৰ গঢ়ি তুলিছিল আৰু এনে ব্যৱস্থাই প্ৰায়েই দলবোৰক আহুকালত পেলাইছিল। অচ্যুত লহকৰৰ প্ৰযোজনাত ১৯৬৩ চনত গঠিত হোৱা 'নটৰাজ থিয়েটাৰ'ৰ পিছত ১৯৭৬ চনত দুই বন্ধু ৰতন লহকৰ আৰু কৃষ্ণ ৰয়ৰ যুটীয়া প্ৰচেষ্টাত আৰম্ভ হোৱা কহিনুৰ থিয়েটাৰে ভ্ৰাম্যমাণৰ নাটকৰ ক্ষেত্ৰত এক ৰূপান্তৰৰ সূচনা কৰিলে। কহিনুৰে ভ্ৰাম্যমাণলৈ বোৱালে দৰ্শকৰ সোঁত; লগতে প্ৰথমবাৰৰ বাবে 'গ্লেমাৰ' শব্দটোৰ সংযোজন ঘটিল। ইয়াৰ আগলৈ ভ্ৰাম্যমাণৰ দৰ্শক সমাজৰ এটি অংশৰ মাজত সীমাবদ্ধ আছিল। অসমৰ বিভিন্ন ঠাইত বসবাস কৰা কামৰূপ জিলাৰ লোকসকলেই আছিল মূলত ইয়াৰ আগলৈকে ভ্ৰাম্যমাণৰ দৰ্শক। সমাজৰ নিম্নস্তৰৰ লোকসকলেই ভ্ৰাম্যমাণৰ প্ৰাথমিক দৰ্শক আছিল। ভ্ৰাম্যমানে মধ্যবিত্ত আৰু উচ্চবিত্তৰ দুৱাৰত তেতিয়ালৈ টোকৰ মাৰিবলৈ সক্ষম হোৱা নাছিল। কহিনুৰ থিয়েটাৰে ভ্ৰাম্যমাণৰ এই দৰ্শক পৰিবৃত্তৰ ব্যাপক সম্প্ৰসাৰণ ঘটাই ভ্ৰাম্যমাণক সমাজৰ সকলো স্তৰৰ মাজলৈ লৈ গ'ল। অসমীয়া নাট্যকাৰৰ নাটক সূচনা কৰাৰ লগে লগে কহিনুৰে স্থায়ীভাৱে আন এটা কামো কৰিলে। অসমৰ বৌদ্ধিক জগতৰ শীৰ্ষমহলক ভ্ৰাম্যমাণলৈ চকু দিবলৈ কহিনুৰে বাধ্য কৰালে, কিয়নো অসমীয়া কেবাজনো লব্ধপ্ৰতিষ্ঠ নাট্যকাৰে ভ্ৰাম্যমাণৰ বাবে নাটক ৰচনা কৰাৰ প্ৰক্ৰিয়া এটা আৰম্ভ হ'ল। কহিনুৰৰ জৰিয়তে ভ্ৰাম্যমাণলৈ চলচ্চিত্ৰ অভিনেতা-অভিনেত্ৰী অহাৰ প্ৰক্ৰিয়াটো ত্বৰান্বিত হোৱাৰ লগে লগে চলচ্চিত্ৰ শিল্পীসকলৰ বাবে বিকল্প ক্ষেত্ৰ এখনৰ জন্ম হ'ল। একেদৰে অসমৰ বিভিন্ন প্ৰান্তৰ অপেছাদাৰী নাট্যগোষ্ঠীবোৰৰ অভিনেতা-অভিনেত্ৰী সকলৰ

বাবে ভ্ৰাম্যমাণ এক আৰ্থিক জীৱিকাৰূপে পৰিগণিত হ'বলৈ ধৰিলে আৰু কহিনুৰ এই প্ৰক্ৰিয়াক অধিক দৃঢ়তৰ কৰি তুলিলে। ভ্ৰাম্যমাণৰ শিল্পী, কলা-কুশলীসকলৰ বাবে ভ্ৰাম্যমাণ থিয়েটাৰ কহিনুৰে যি এক আৰ্থিক মাপকাঠী নিৰ্ধাৰণ কৰিলে সি বাকীবোৰ দলেও অনুকৰণ কৰা পৰিলক্ষিত হ'ল আৰু এনেদৰে এক ঔদ্যোগিক ৰূপান্তৰ এই থিয়েটাৰ দলটিয়ে সংঘটিত কৰিলে।

প্ৰথম বছৰৰ পৰিক্ৰমা (১৯৭৬-৭৭) ঃ বেংকৰ ঋণেৰে দুই বন্ধুৱে গঢ়ি তোলা কহিনুৰ থিয়েটাৰ ডাঃ কৃষ্ণকান্ত লহকৰ, ডাঃ নীলকান্ত ভূএগ, হৰেন্দ্ৰনাথ ডেকা, হৰেন লহকৰ, জ্যোতিপদ চৌধুৰী আদি লোকৰ উৎসাহ উদ্দীপনাত ঠন ধৰি উঠিছিল। ইয়াৰে জ্যোতিপদ চৌধুৰীয়ে প্ৰথম বৰ্ষত প্ৰধান পৃষ্ঠপোষকৰ দায়িত্ব লৈছিল। ব্যৱস্থাপনাত আছিল ড° নিশিপদ চৌধুৰী, যোগেশ দাস, অৰবিন্দ কাকতি আৰু মহেন্দ্ৰ তালুকদাৰ।

কহিনুৰ প্ৰথম বছৰৰ নাটসমূহ আছিল তেজীমলা (নাট্যকাৰ ঃ প্ৰফুল্ল বৰা), গঙ্গা যমুনা (নাট্যকাৰ ঃ চন্দ্ৰ চৌধুৰী), অলংকাৰ (নাট্যকাৰ ঃ প্ৰফুল্ল বৰা) আৰু মায়ামৃগ (নাট্যকাৰ ঃ মহানন্দ শৰ্মা)। আটাইকেইখন নাটৰে নাট্য পৰিচালক আছিল প্ৰয়াত চন্দ্ৰ চৌধুৰী। যতীন গোস্বামীৰ নৃত্য পৰিচালনাৰে এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন আছিল, 'সোণপখিলী' (গীতিকাৰ ঃ জ্যোতিপ্ৰসাদ আগৰৱালা), 'সীতাহৰণ', 'আম্ৰপালি' আৰু 'শংকৰদেৱ'। সংগীত পৰিচালক আছিল দশৰথ দাস। গীতিকাৰ আছিল প্ৰফুল্ল বৰা, দশৰথ দাস, মহানন্দ শৰ্মা আৰু দেৱেশ্বৰ শৰ্মা। প্ৰথম বছৰৰ অভিনেতা-অভিনেত্ৰী সকল আছিল ক্ৰমে— চন্দ্ৰ চৌধুৰী, প্ৰশান্ত হাজৰিকা, মহানন্দ শৰ্মা, ৰতন লহকৰ, প্ৰাণেশ্বৰ পাঠক, তুলসী শইকীয়া, আমজাদ হুছেইন, কৃষ্ণমল্ল বৰুৱা, জ্যোতিষ ভৰালী, অমৰ শৰ্মা, শৈলেন দত্ত, মিঃ এছ দত্ত, ইলা কাকতি হাজৰিকা, উপমা বৰুৱা, মামণি আৰন্ধৰা, কানন কুমাৰী, মায়া কোঁৱৰ, সৰোজিনী কলিতা, ভণ্টি সোণটি। কণ্ঠশিল্পী আছিল দশৰথ দাস, দেৱেশ্বৰ শৰ্মা, নৰ্মদা ৰাজবংশী, চিত্ৰা ডেকা, আৰু নীলিমা ৰায়। বাদ্য যন্ত্ৰৰ শিল্পীসকল আছিল— দশৰথ দাস, লোকনাথ বৈশ্য, নন্দ বেনাৰ্জী, খুচিমোহন ৰায়, নিৰ্মল বসুমতাৰী, পীতাম্বৰ তামুলী, অৱনী ৰায়, দেৱ আৰন্ধৰা আৰু মনেশ্বৰ দাস। নৃত্যশিল্পী সকল হ'ল— উদয় দাস, মনেশ্বৰ দাস, সৰোজিনী কলিতা, ৰেণু দেৱী, পুতুলী সিং, মাধৱী কলিতা, উষা চৌধুৰী, খগেন তালুকদাৰ, নাৰায়ণ ৰাজবংশী, ভবানন্দ ৰায় আৰু সোণেশ্বৰ ডেকা। আন কলা-কুশলী সকল হ'ল— মণিকান্তদাস, কন্দৰ্প শৰ্মা, সিদ্ধেশ্বৰ দাস, অভিৰাম বড়ো, হৰগোবিন্দ দাস, হৰিহৰ সিংহ, হৰিপদ বৈশ্য, কন্দৰ্প দাস, চেনিৰাম বৰা, তৰুণ চন্দ্ৰ ৰায়, পূৰ্ণ শৰ্মা, অশ্বিনী শৰ্মা, ফণীধৰ ৰায়, বদ্ৰী প্ৰসাদ, ৰামদেৱ মাহাতো, কেশৱ কলিতা, ডিম্বেশ্বৰ বৈশ্য আদি। এই বৰ্ষত কলাৰ দায়িত্বত আছিল বিশিষ্ট শিল্পী প্ৰমোদ ৰায় আৰু আলোক নিয়ন্ত্ৰণ কৰিছিল কৃষ্ণ ৰয় আৰু দ্বিজেন ভট্টই। প্ৰশান্ত হাজৰিকাৰ সম্পাদনাত সামগ্ৰিক পৰিচালনা কৰিছিল মহানন্দ শৰ্মাই; ৰূপসজ্জাত অজিত হালৈ আৰু মঞ্চৰ দায়িত্বত আছিল সুৰেন ৰায়। এই

বৰ্ষৰ প্ৰতিনিধি আছিল বসুধৰ ডেকা।

তেজীমলা ঃ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ অমৰ সাধুকথা 'তেজীমলা'ৰ নাট্যৰূপ মঞ্চলৈ আনি কহিনুৰ থিয়েটাৰে প্ৰথম বছৰতে দুঃসাহসিকতাৰ পৰিচয় দিছিল। নাট্যকাৰ প্ৰফুল্ল বৰাই অতি সাৱলীলভাৱে এটি লোক-গাঁথাক মঞ্চত জীৱন্ত ৰূপত উপস্থাপন কৰিছিল। তেজীমলাৰ জীৱনৰ কৰুণ কাহিনী ভণ্টি সোণটি (সৰু তেজীমলা) আৰু সৰোজিনী কলিতা (ডাঙৰ তেজীমলা) ৰ সাৱলীল অভিনয়ত সফলভাৱে ফুটি উঠিছিল। সাউদৰ ভূমিকাত মহানন্দ শৰ্মা আৰু এটি ৰোমাণ্টিক চৰিত্ৰত ৰতন লহকৰেও সাৱলীল অভিনয় কৰিছিল।

অলংকাৰ ঃ কলাগুৰু বিষ্ণুৰাভাৰ পৱিত্ৰ স্মৃতিত প্ৰফুল্ল বৰা ৰচিত 'অলংকাৰ' নাটখনে প্ৰথম বৰ্ষত দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিছিল। ৰতন লহকৰ, ইলা কাকতি আৰু প্ৰশান্ত হাজৰিকাৰ সাৱলীল অভিনয়ে দৰ্শকৰ মনত গভীৰ সাঁচ বহুৱাইছিল। বিষ্ণু প্ৰসাদ ৰাভা ৰচিত আৰু সুৰাৰোপিত এটি গীত 'নাহৰ ফুলে নুশুৱায়, তগৰ ফুলে শুৱাব' এই নাটখনত ব্যৱহাৰ কৰা হৈছিল।

দ্বিতীয় বছৰত পৰিক্ৰমা (১৯৭৭-৭৮) ঃ দ্বিতীয় বছৰত কহিনুৰ থিয়েটাৰে লোৱা নাট কেইখন আছিল প্ৰফুল্ল বৰাৰ 'আশীৰ্বাদ', 'অনুপমা মোৰ' আৰু 'তেজীমলা'। আন এখন নাট 'চৰিত্ৰহীন' ৰচনা কৰিছিল মহানন্দ শৰ্মাই। নাটসমূহ পৰিচালনা কৰিছিল নাট্য সম্ৰাট চন্দ্ৰ চৌধুৰীয়ে। প্ৰফুল্ল বৰা ৰচিত 'আশীৰ্বাদ' নাটখন এই বৰ্ষৰ এখন উল্লেখযোগ্য নাট আছিল। হৃদয়স্পৰ্শী কাহিনী, বলিষ্ঠ সংলাপ আৰু সুনিপুণ নাট পৰিচালনাৰে এই নাটখনে ভ্ৰাম্যমাণৰ মঞ্চক এক অনন্য প্ৰাণ দিছিল। চন্দ্ৰ চৌধুৰী, পবিত্ৰ বৰকাকতি আৰু বীণা বাৰুৱতীয়ে এই নাটত মন পৰশা অভিনয় কৰিছিল। কৃষ্ণ ৰয়ৰ আলোক সম্পাত আৰু দশৰথ দাস আৰু দেৱেশ্বৰ শৰ্মাৰ সংগীতে নাটখন অধিক প্ৰাণৱন্ত কৰি তুলিছিল। এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন আছিল— 'সোণপখিলী', 'সভ্যতাৰ আৰ্তনাদ' আৰু 'এক আছিল ৰজা'। এই বছৰৰ অভিনেতা-অভিনেত্ৰী সকল হ'ল— চন্দ্ৰ চৌধুৰী, মহানন্দ শৰ্মা, পৱিত্ৰ বৰকাকতী, ৰতন লহকৰ, বলদেৱ শইকীয়া, প্ৰাণেশ্বৰ পাঠক, কৃষ্ণমল্ল বৰুৱা, তুলসী শইকীয়া, ইন্দ্ৰেশ্বৰ শৰ্মা, শৈলেন শৰ্মা, লিয়াকৎ আলি, দেৱেন হাজৰিকা, বীণা বাৰুৱতী, মামণি আৰান্ধৰা, জিনু মাৰ্চেণ্ড, মীনাক্ষি চক্ৰৱৰ্তী, শশীপ্ৰভা বৰুৱা, ৰীতা গগৈ, প্ৰতিমা বৰা, সৰলা ডেকা, উষা চৌধুৰী, সোণটি চৌধুৰী আৰু ভণ্টি ইভা দত্ত। নৃত্য শিল্পীসকল আছিল— উদয় দাস, হেম বৰুৱা, কৃষ্ণ দাস, বাপন পাঠক, গিৰিশ পাঠক, মাধৱী তালুকদাৰ, উষা চৌধুৰী, অনিমা বৰুৱা, সৰলা ডেকা আৰু উত্তৰা দাস। কণ্ঠ শিল্পী সকল হ'ল দশৰথ দাস, দেৱেশ্বৰ শৰ্মা, অনিতা শইকীয়া, প্ৰতিমা বৰা আৰু পদুমী দাস। যন্ত্ৰ শিল্পীসকল হ'ল— দশৰথ দাস, নন্দ বেনাৰ্জী, কমলা দাস, মানসিং ৰায়, চত্ৰজিৎ জহুাও, পীতাম্বৰ তামুলী, অৱনী ৰায়, দেৱ আৰন্ধৰা। অন্যান্য কলা-কুশলী সকল— গিৰিশ কলিতা, বিপিন

তালুকদাৰ, ক্ষীতিশ শৰ্মা, লক্ষেশ্বৰ দাস, মদন মেধি, তৰুণ ৰায়, গোপাল কলিতা, বীৰবাহু ৰায়, ফণীধৰ ৰায়, প্ৰহ্লাদ মেধি, ধৰ্মেশ্বৰ বৰা, ফুলেন সিং, ডিম্বেশ্বৰ ৰায়, অমৰ নাথ, উপেন শৰ্মা, ৰঘুনাথ ভগত, ৰামদেউ মাহাতো আদি। এই বৰ্ষৰ কলা নিৰ্দেশনাত আছিল ৰথীন বৰঠাকুৰ আৰু লাইট এণ্ড ছাউণ্ডত আছিল— বিপুল পাল চৌধুৰী আৰু ৰতন দাসগুপ্ত। ৰূপসজ্জা আৰু মঞ্চত আছিল ক্ৰমে অভিৰাম বড়ো আৰু গিৰিশ কলিতা।

কহিনুৰ দ্বিতীয় বৰ্ষৰ নাট 'অনুপমা মোৰ' ভ্ৰাম্যমাণৰ প্ৰথম শিশু চৰিত্ৰ কেন্দ্ৰিক নাট। এই নাটখনিত অভিনয় কৰা শিশু শিল্পী ভণ্টি সোণটিৰ চমকপ্ৰদ অভিনয়ে দৰ্শকৰ মন জিনিছিল আৰু এই বৰ্ষৰ সফলতম নাটৰূপে নাটখন প্ৰতিষ্ঠিত হৈছিল। এই বছৰৰ আটাইকেইখন নাটতে কেবাটাও মন-পৰশা গীত আছিল আৰু এই গানবোৰৰ গীতিকাৰ আছিল প্ৰফুল্ল বৰা, দশৰথ দাস, মহানন্দ শৰ্মা আৰু দেৱেশ্বৰ শৰ্মা।

তৃতীয় বছৰৰ পৰিক্ৰমা (১৯৭৮-৭৯) ঃ ৰতন লহকৰ আৰু কৃষ্ণ ৰয়ৰ প্ৰযোজনাত কহিনুৰে ইতিমধ্যে সফল নাট্য পৰিক্ৰমাৰ তৃতীয় বৰ্ষত ভৰি দিছিলহি। এই বৰ্ষৰ নাট সমূহ আছিল প্ৰফুল্ল বৰাৰ 'অনুৰাগ', মহানন্দ শৰ্মা সম্পাদিত 'চন্দ্ৰগ্ৰহণ', ফণী শৰ্মা ৰচিত 'এমুঠি চাউল', প্ৰফুল্ল বৰাৰ 'অপৰাধ', 'অলংকাৰ' আৰু 'আশীৰ্বাদ'।

তাৰাশংকৰ বন্দোপাধ্যায়ৰ উপন্যাস 'না'ৰ ব্ৰজেন দেই দিয়া বাংলা নাট্যৰূপৰ মহানন্দ শৰ্মা অনূদিত আৰু সম্পাদিত 'চন্দ্ৰগ্ৰহণ' বছৰটিৰ এখন ব্যতিক্ৰমী নাটক আছিল। নাটখনিত মীনাকুমাৰী, চন্দ্ৰ চৌধুৰী, সুৰেন মহন্ত, পৰাগ বৰুৱা আদিৰ অভিনয় আছিল চমকপ্ৰদ। ৰতন লহকৰ আৰু কৃষ্ণমল্ল বৰুৱাৰ অভিনয় এই নাটখনত উজলি উঠিছিল। ৰীণা বৰাৰ দ্বিভাষিক সংলাপেও নাটখনক অধিক প্ৰাণ দিছিল। দশৰথ দাসৰ কণ্ঠ সংগীতে উক্ত বৰ্ষত দৰ্শকৰ মন হৰি নিছিল। নাটখনিৰ দুটিমান গান ভ্ৰাম্যমাণৰ মঞ্চৰ চিৰযুগমীয়া গানৰূপে স্বীকৃত।

এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন আছিল 'সুন্দৰৰ পূজাৰী', 'সোণ পখিলী', 'কুকুৰীকণা', 'ৰক্ত পৰাগ' আৰু 'সন্ধান'। ইয়াৰে 'ৰক্ত পৰাগ' নৃত্য-নাটিকাখনৰ ৰচনা আছিল অৰুণ শৰ্মাৰ আৰু 'সন্ধান' আৰু 'সুন্দৰৰ পূজাৰী'ৰ ৰচনা আছিল দশৰথ দাসৰ। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰী সকল আছিল— চন্দ্ৰ চৌধুৰী, মহানন্দ শৰ্মা, সুৰেন মহন্ত, ৰতন লহকৰ, পৰাগ বৰুৱা, প্ৰাণেশ্বৰ পাঠক, কৃষ্ণমল্ল বৰুৱা, অজিত হাজৰিকা, অবিনাশ শৰ্মা, শৈলেন শৰ্মা, উৎসৱ কলিতা, চবিন শীল, ৰীণা বৰা, মীনাকুমাৰী, শান্তা ভট্টাচাৰ্য, ক্ষীৰ শইকীয়া আৰু মঞ্জু ৰায়, নৃত্য শিল্পীসকল হ'ল— উদয় দাস, হেম বৰুৱা, উৎসৱ কলিতা, বাপন পাঠক, গিৰিশ পাঠক, বীৰেন পাঠক, পূৰ্ণিমা বৰ্মন, আৰতি তালুকদাৰ, কুসুমী ৰায়, চাৰু হালৈ, আৰু মীৰা দাস। কণ্ঠশিল্পী আছিল দশৰথ দাস, ৰীমা দেৱী, ৰুগুমী শইকীয়া। যন্ত্ৰ শিল্পীসকল হ'ল— দশৰথ দাস, নন্দ বেনাৰ্জী, ৰাজকুমাৰ, ৰবি দাস, মাণিকী সিং ৰায়, পীতাম্বৰ তামুলী, আব্দুল মান্নান, বাসুদেৱ দেউৰী। কলা-কুশলীসকল হ'ল দিলীপ ডেকা, গোবিন্দ

গোৱাল, অখিল শৰ্মা, উমেশ শৰ্মা, অমৰ নাথ সিং মোহন বৰদলৈ, বুঝু, গোবিন্দ, গিৰিধৰ, কাজল, ফুলেন সিং আৰু ডালিম কলিতা। কৃষ্ণ ৰয়ৰ আলোক নিৰ্দেশনাত সহকাৰী সকল আছিল ক্ষীতিশ শৰ্মা, কৰুণা পাঠক আৰু হেমেন ডেকা। মঞ্চ পৰিচালনা কৰিছিল গিৰিশ কলিতাই; ৰূপসজ্জা আৰু শব্দযন্ত্ৰত আছিল ক্ৰমে পানীৰাম ৰায় আৰু আঘোণা দাস। এই বৰ্ষৰ আটাইকেইখনৰ নাটৰ পৰিচালক আছিল নাট্যসম্ৰাট চন্দ্ৰ চৌধুৰী।

চতুৰ্থ বৰ্ষৰ পৰিক্ৰমা (১৯৭৯-৮০) ঃ এই বৰ্ষত কহিনুৰ থিয়েটাৰৰ প্ৰযোজনাৰ দিশৰ পৰা কৃষ্ণ ৰয় আঁতৰি যায় আৰু দলটি চলাই যোৱাৰ সমগ্ৰ দায়িত্ব ৰতন লহকৰৰ ওপৰত পৰে। চেণ্ট্ৰেল বেংকৰ গুৱাহাটী শাখাৰ আৰ্থিক সাহায্যত কহিনুৰ চলাই নিয়াৰ গুৰুদায়িত্ব লয় ৰতন লহকৰে। এই বছৰৰ নাটসমূহ আছিল মহানন্দ শৰ্মা সম্পাদিত 'গণদেৱতা', প্ৰফুল্ল বৰাৰ 'মৰম তৃষ্ণা' আৰু 'পাহাৰৰ জুই'; চন্দ্ৰ চৌধুৰী সম্পাদিত 'সূৰ্যগ্ৰহণ', আৰু মহানন্দ শৰ্মা সম্পাদিত 'চন্দ্ৰ গ্ৰহণ'। পোহৰৰ যাদুকৰী খেল, অদ্ভুত কৌশল, দ্বৈত অভিনয় আৰু চাচপেন্সৰে পূৰ্ণ 'পাহাৰৰ জুই' আছিল এই বছৰৰ এখন উল্লেখনীয় নাট। 'হিলভিউ' বাংলাৰ নাৰীকণ্ঠৰ উচুপনি, নৰকংকালৰ নৃত্য, আত্মাৰ গীত আদি দৃশ্যই সমগ্ৰ নাটখনকে ৰহস্যঘন কৰি তুলিছিল। নাটখনৰ দুটি গীত দেৱেশ্বৰ শৰ্মাৰ কথা-সুৰৰ 'পিয়াসী মন জাগে দিন' আৰু 'মন নাচে মোৰ মাদল বাই...' যথেষ্ট জনপ্ৰিয় হৈছিল। এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন আছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'সোণ-পখিলী', দশৰথ দাসৰ 'অমৃত ঝংকাৰ', অৰুণ শৰ্মাৰ 'ৰক্ত পৰাগ', 'শেৱালি' আৰু অজিত তালুকদাৰ ৰচিত 'প্ৰস্তুতিৰ স্পন্দন'। নাট্যসম্ৰাট চন্দ্ৰ চৌধুৰী আৰু সমৰেন্দ্ৰ নাৰায়ণ দেৱৰ নাট পৰিচালনা আছিল এই বৰ্ষৰ উল্লেখযোগ্য কীৰ্তি। সংগীত পৰিচালনা কৰিছিল দশৰথ দাস আৰু দেৱেশ্বৰ শৰ্মাই। নৃত্য পৰিচালক আছিল যতীন গোস্বামী আৰু উদয় দাস। কলা আৰু আলোক পৰিচালনা কৰিছিল ক্ৰমে জয়দেৱ পাত্ৰ আৰু কল্যাণ দে। শব্দযন্ত্ৰ পৰিচালক আছিল আঘোণা দাস আৰু মঞ্চৰ দায়িত্বত আছিল ধনীৰাম হালৈ আৰু দিলীপ ডেকা। কহিনুৰৰ সম্পাদক তথা প্ৰতিনিধি আছিল হৰেন দাস। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰী সকল আছিল — চন্দ্ৰ চৌধুৰী, মহানন্দ শৰ্মা, বলদেৱ শইকীয়া, পৰাগ বৰুৱা, ৰতন লহকৰ, হীৰেণ মেধি, ৰূপধন পাঠক, ৰমেশ ডেকা, গুণেশ্বৰ ভূএগ্ৰা, বিজয় দাস, শৈলেন শৰ্মা, চবিন শীল, বলেন্দ্ৰজিৎ, মাণিক, কান্তে, ভবেশ বৰুৱা, ৰীণা বৰা, মিনতি দাস, আৰাধনা দে, দুলু দেৱী, মঞ্জু দে আৰু সোণটি চৌধুৰী।

নৃত্য শিল্পীসকল আছিল— উদয় দাস, গুণেশ্বৰ ভূএগ্ৰা, বাপন পাঠক, বীৰেন পাঠক, প্ৰবীণ দাস, কেশৱ কলিতা, পদুম দাস, ভৱানী ডেকা, চাৰু দেৱী, উৰ্মিলা ঠাকুৰীয়া, সোণটি চৌধুৰী আৰু কল্পনা দাস।

কণ্ঠ শিল্পীসকল হ'ল— দশৰথ দাস, ৰবি দাস, মাণিকী দাস, লাৱণ্য বৰগোহাঁই। যন্ত্ৰ শিল্পীসকল হ'ল— দশৰথ দাস, নন্দ বেনাৰ্জী, ৰবি দাস, ৰাজকুমাৰ ৰবি দাস, পীতাম্বৰ

তামুলী, বাসুদেব দেউৰী, বাপন পাঠক, থানেশ্বৰ দাস আদি। এই বৰ্ষৰ আন কলা-কুশলীসকল আছিল— গিৰিধৰ দাস, মাণিক সোণোৱাল, ভোলা দাস, কুশ বড়ো, সত্যজিং হালৈ, পৰমেশ্বৰ ৰায়, প্ৰবীণ, তপন, কনক, ফণীধৰ, অমৰনাথ, অখিল, উমেশ, বাহাদুৰ, দেৱেন, কান্তে, অৰুণ, গোবিন্দ, ডালিম, নৃপেন আৰু কনক বৰ্মন।

পঞ্চম বৰ্ষৰ পৰিক্ৰমা (১৯৮০-৮১)ঃ পঞ্চম বৰ্ষত নাট পৰিচালনাৰ দায়িত্ব লয় ক্ৰমে মহানন্দ শৰ্মা আৰু হেমন্ত দত্তই। এই বছৰৰ আটাইতকৈ উল্লেখনীয় নাটখন আছিল কাঞ্চন বৰুৱাৰ চিৰ জনপ্ৰিয় উপন্যাস 'অসীমত যাৰ হেৰাল সীমা'ৰ প্ৰফুল্ল বৰাই একে নামেৰে দিয়া নাট্যৰূপ। এই বৰ্ষৰ সংগীত পৰিচালক নন্দ বেনাৰ্জী আৰু আনন্দনাৰায়ণ দেৱে নাটখনিত দিয়া সংগীত সংযোজনে দৰ্শকৰ মনত গভীৰ সাঁচ বহুৱাইছিল। হেমন্ত দত্তৰ তিনিটা গীত ক্ৰমে 'চলে আজি আগবাঢ়ি...', 'এখুজি দুখুজি চবা মা ...' আৰু 'ওলাই আহ সমনীয়া' যথেষ্ট জনপ্ৰিয় হৈছিল। শব্দ যন্ত্ৰ পৰিচালক আযোণা দাসৰ সময়োচিত ধ্বনি সংযোজনে নাটখনক অনন্য মাত্ৰা প্ৰদান কৰিছিল। প্ৰাণ চঞ্চল চম্পাৰ চৰিত্ৰটিত অভিনয় কৰিছিল আমিনা দেৱানে। চলচ্চিত্ৰ জগতৰ পৰা ভ্ৰাম্যমাণত ভুমুকি মৰা নিপন গোস্বামীয়ে চন্দনৰ চৰিত্ৰটিত অভিনয় কৰিছিল যদিও ভ্ৰাম্যমাণৰ মঞ্চত সাৱলীল অভিনয় প্ৰদৰ্শন কৰাত তেওঁ ব্যৰ্থ হৈছিল। অশোকৰ ৰূপত মহানন্দ শৰ্মাই আৰু উমাৰ চৰিত্ৰত মিনতি দাসৰ অভিনয় প্ৰশংসনীয় আছিল।

এই বৰ্ষৰ আন এখন সম্পাদিত নাট আছিল 'মন মন্দিৰ'। মহানন্দ শৰ্মা আৰু ডাঃ অনিল তালুকদাৰৰ সম্পাদনাৰ এই নাটখনিত বাইজীৰ জীৱন কাহিনী দেখুওৱা হৈছিল। আন নাটবোৰ আছিল হেমন্ত দত্তৰ 'ৰাহুমুক্তি', অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ শ্বহীদসকলৰ স্মৃতিত মহানন্দ শৰ্মাৰ 'আকৌ শৰাইঘাট' আৰু প্ৰফুল্ল বৰাৰ 'মৃত্যুদেৱতা'।

নৃত্য নাটিকা কেইখন হ'ল যতীন গোস্বামীৰ 'বৰলুইতৰ বাউলি' আৰু 'উত্তৰণ', জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'নিমাতী কইনা' আৰু অজিত তালুকদাৰৰ দুখনি নৃত্য-নাটিকা— 'সোৱণী সোণালী' আৰু 'আৰক্ত আগুনি'।

এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰীসকল হ'ল— মহানন্দ শৰ্মা, হেমন্ত দত্ত, নিপন গোস্বামী, ৰতন লহকৰ, ৰবীন নেওগ, হেমেন শৰ্মা, ৰতিকান্ত দাস, হীৰেন মেধি, তুলসী শইকীয়া, দুলাল চৌধুৰী, চাহাদউল্লা, শোণিত দাস, বাহাৰুল আজিজ, গঙ্গা তালুকদাৰ, শিশু শিল্পী ভাইটি আনন্দ, হীৰা নেওগ, মিনতি দাস, দুলু দেৱী, আমিনা দেৱান, লীনা হাজৰিকা, ৰুবী হাজৰিকা, লাৱণ্য বৰগোহাঁই আৰু শিশু শিল্পী ভণ্টি ৰিংকুমণি। নৃত্য শিল্পীসকল হ'ল হেমো বৰুৱা, মনেশ্বৰ দাস, প্ৰবীণ দাস, সৰ্বেশ্বৰ চৌধুৰী গোপী ডেকা, কান্তেশ্বৰ, অপূৰ্ব উজীৰ, অভি বড়ো, মাধৱী তালুকদাৰ, সৰোজিনী কলিতা, উৰ্মিলা ঠাকুৰীয়া, আৰতি চৌধুৰী, সৰোজিনী ডেকা আৰু পূৰ্ণিমা পাঠক। এই বৰ্ষৰ কণ্ঠ শিল্পীসকল আছিল আনন্দনাৰায়ণ দেৱ, পুষ্প শালৈ, মাণিকী দাস, ৰীণা কলিতা আৰু লাৱণ্য বৰগোহাঁই। যন্ত্ৰ

শিল্পী সকল আছিল নন্দ বেনাৰ্জী, আনন্দনাৰায়ণ দেৱ, লোকনাথ বৈশ্য, পীতাম্বৰ তামুলী, থানেশ্বৰ দাস, শুক্ৰেশ্বৰ বসুমতাৰী, ৰাহুল দাস, কেশৱ বৰা, নিতুল শইকীয়া আদি।

ষষ্ঠ বৰ্ষৰ পৰিক্ৰমা (১৯৮১-৮২)ঃ ষষ্ঠ বৰ্ষত কহিনুৰৰ মঞ্চত মুঠতে চাৰিখন নাট মঞ্চস্থ হৈছিল। এই নাট কেইখন হ'ল হেমন্ত দত্ত ৰচিত 'দেৱী সন্ন্যাসিনী', প্ৰফুল্ল বৰা ৰচিত তিনিখন নাট 'অভিশপ্ত অৰণ্য' 'অলংকাৰ' আৰু 'তপস্যা'। নৃত্য-নাটিকা কেইখন আছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'নিমাতী কইনা', হেমন্ত দত্ত সম্পাদিত 'শকুন্তলা', অজিত তালুকদাৰ ৰচিত 'ঋনঝজয়ী' আৰু 'ৰজনীগন্ধা', যতীন গোস্বামী ৰচিত 'কামসেন্দূৰ' আৰু 'গুৱাহাটী', শ্ৰীনাথ দাস ৰচিত 'পিৰীতিৰে বান্ধিলো হাতী'। মহানন্দ শৰ্মা আৰু হেমন্ত দত্তৰ পৰিচালনাৰে কহিনুৰৰ ষষ্ঠ বৰ্ষৰ উল্লেখনীয় নাট হিচাপে 'দেৱী সন্ন্যাসিনী' যথেষ্ট জনপ্ৰিয় হৈছিল। এই বৰ্ষৰ সংগীত পৰিচালক পূৰ্ববৰ্ষৰ দৰে নন্দ বেনাৰ্জী আৰু আনন্দ নাৰায়ণ দেৱেই আছিল। অভিনেতা-অভিনেত্ৰীসকল আছিল মহানন্দ শৰ্মা, নিপন গোস্বামী, ৰতন লহকৰ, পৱন ফুকন, জিতেন বৰা, হীৰেন মেধি, অজিত শৰ্মা, শোণিত দাস, বুবুল বৰা, গুণেশ্বৰ ভুঞা, হেমন্ত দত্ত, মিনতি দাস, কল্পনা বৰদলৈ, মণি থাপা, লাৱণ্য বৰগোহাঁই, মীনা কুমাৰী আৰু শিশু শিল্পী ভণ্টি মাজনী। নৃত্য আৰু বাদ্যযন্ত্ৰৰ শিল্পী সকল পঞ্চম বৰ্ষৰ দৰে একেই আছিল। কণ্ঠ শিল্পীসকল হ'ল আনন্দ নাৰায়ণ দেৱ, নন্দ বেনাৰ্জী, মাণিকী দাস আৰু লাৱণ্য বৰগোহাঁই। ষষ্ঠ বৰ্ষৰ মঞ্চ পৰিকল্পনাৰ দায়িত্বত আছিল হেমন্ত দত্ত আৰু আলোক পৰিচালনা কৰিছিল অৰুণাভে। উল্লেখ্য যে চতুৰ্থ বৰ্ষৰ পৰা কহিনুৰৰ মুখপত্ৰ কৰণি নিয়মিতভাৱে সম্পাদনা কৰে সতীশ চন্দ্ৰ চৌধুৰীয়ে।

সপ্তম বৰ্ষৰ পৰিক্ৰমা (১৯৮২-৮৩)ঃ সপ্তম বৰ্ষত কহিনুৰে চাৰিখন নাট মঞ্চস্থ কৰে যাৰ ভিতৰত পদ্ম বৰকটকী ৰচিত 'ক্লিওপেট্ৰা' নাটখনে ভ্ৰাম্যমাণৰ গতিধাৰাত এক নব্যধাৰাৰ সূচনা কৰে। ৰাউবাৰ এইচ হাগাৰ্ডৰ মূল উপন্যাসৰ যশস্বী কথা সাহিত্যিক পদ্ম বৰকটকীয়ে কৰা অসমীয়া অভিযোজনা 'ক্লিওপেট্ৰা' ৰে ভ্ৰাম্যমাণৰ মঞ্চত প্ৰথমবাৰৰ বাবে বিদেশী এক নাট্য কাহিনী মঞ্চস্থ হয়। নাট পৰিচালকদ্বয় হেমন্ত দত্ত আৰু মহানন্দ শৰ্মাই নাটখনিত মিছৰীয় ৰীতি-নীতি প্ৰতিফলন ঘটাবলৈ অহোপুৰুষাৰ্থ কৰিছিল। আনন্দ নাৰায়ণ দেৱ আৰু নন্দ বেনাৰ্জীয়ে সংগীতৰ ক্ষেত্ৰত একে মিছৰীয় সাংগীতিক লয়ক উপস্থাপন কৰিবৰ প্ৰয়াস কৰিছিল। ৰুণু দেৱী (ক্লিওপেট্ৰা), তৌফিক ৰহমান (হাৰ্মাচিছ) আৰু কল্পনা বৰদলৈ (চাৰ্মিয়া) ৰ অভিনয় আছিল চমকপ্ৰদ। প্ৰবীণ অভিনেতা মহানন্দ শৰ্মা আৰু হেমন্ত দত্তইও হিয়াঢালি অভিনয় কৰিছিল। গৰিমা হাজৰিকা আৰু নীৰা দেৱ মঞ্চসজ্জাৰ পৰিকল্পনাও আছিল পাহৰিব নোৱাৰা। ভদ্ৰেশ্বৰ চৌধুৰীৰ ৰূপসজ্জাৰ পৰিকল্পনাও এই নাটখনিৰ এক লেখত ল'বলগীয়া বৈশিষ্ট্য আছিল। এই বছৰৰ আন নাটসমূহ আছিল 'বিষকন্যা' (কাহিনীঃ বসন্ত দাস, নাট্যৰূপঃ মহানন্দ শৰ্মা), হেমন্ত দত্ত ৰচিত 'নায়ক' আৰু মহেন্দ্ৰ বৰঠাকুৰ ৰচিত 'বন্দিনী'। এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন হ'ল

অজিত তালুকদাৰ ৰচিত 'ঝনঝজয়ী' আৰু 'মৰুতৃষ্ণা', শ্ৰীনাথ দাসৰ 'অভিশপ্ত জুনুকা', **নীলিম কুমাৰৰ 'মুকুতা'**, যতীন গোস্বামীৰ 'তেজপুৰ' আৰু শ্ৰীনাথ দাসৰ 'পিৰীতিৰে **বান্ধিলো হাতী'**।

সপ্তম বৰ্ষৰ অভিনেতা-অভিনেত্ৰী সকল আছিল— মহানন্দ শৰ্মা, হেমন্ত দত্ত, ৰতন **লহকৰ, পৱন ফুকন, জীতেন বৰা**, মহিম দাস, দীনেশ ভাগৱতী, নন্দ বেনাৰ্জী, কুমুদ নাথ, **সুৰেন তালুকদাৰ, গুণেশ্বৰ ভূঞা**, তৌফিক ৰহমান, ৰুণু দেৱী, কল্পনা বৰদলৈ, জীনু **মাৰ্চেণ্ট**, মণি বৰা, বাণী বৰদলৈ, বাণী গগৈ, শিশু শিল্পী ভণ্টি মাজনী।

এই বছৰৰ নৃত্য-শিল্পীসকল হ'ল— হেমো বৰুৱা, গুণেশ্বৰ ভূঞা, প্ৰবীণ দাস, ভবানন্দ **ৰয়, গোপী ডেকা, অক্ষয় মেধি**, বিপুল শৰ্মা, বীৰেন্দ্ৰনাৰায়ণ ডেকা, কান্তেশ্বৰ দাস, মাধৱী **তালুকদাৰ**, উৰ্মিলা ঠাকুৰীয়া, লিলিতা দাস, মণি বৰা, মলয়া মেধী আৰু বাণী গগৈ। কণ্ঠ **শিল্পীসকল হ'ল**— আনন্দনাৰায়ণ দেৱ, নন্দ বেনাৰ্জী, শ্ৰীনাথ দাস, ৰুণু বেগম আৰু ৰাণী **বৰ্মন। যন্ত্ৰ শিল্পীসকল** আছিল নন্দ বেনাৰ্জী, আনন্দনাৰায়ণ দেৱ, শ্ৰী নাথ দাস, কমলা **দাস, কুঞ্জ ৰয়, প্ৰভাত ৰয়**, বাপন পাঠক, গোপী ডেকা, ফুলেশ্বৰ গগৈ, পুৰন্দৰ ৰামচিয়াৰী **আৰু তপন বৰ্মন**। সপ্তম বৰ্ষৰ কলা-নিৰ্দেশক ৰূপে আছিল বিশিষ্ট চিত্ৰশিল্পী প্ৰণৱ বৰুৱা **আৰু আদ্য শৰ্মা**। নৃত্য পৰিচালনাৰ দায়িত্বত আছিল যতীন গোস্বামী আৰু হেমো বৰুৱা। আলোক পৰিচালকৰ দায়িত্বত আছিল অৰুণাভ।

অষ্টম বৰ্ষৰ পৰিক্ৰমা (১৯৮৩-৮৪)ঃ অষ্টম বৰ্ষ কহিনুৰ উজলি উঠিল ধ্ৰুপদী নাটৰ সমাহাৰেৰে। এই বৰ্ষত কহিনুৰৰ সৰ্বশ্ৰেষ্ঠ নাট্য-নিবেদন বুলি পৰিচিত 'মাটিৰ গাড়ী' য়ে ভ্ৰাম্যমাণক এক নতুন মাত্ৰা প্ৰদান কৰিছিল। শূদ্ৰক ৰচিত মূল সংস্কৃত নাটক 'মৃচ্ছকটিকম'ৰ **অৰুণ শৰ্মাই** দিয়া অসমীয়া নাট্যৰূপ 'মাটিৰ গাড়ী' পৰিচালনা কৰিছিল প্ৰখ্যাত নাট পৰিচালক কুলদা কুমাৰ ভট্টাচাৰ্যই। নাটখনিৰ প্ৰস্তাৱনাৰ কথাখিনি নেপথ্যৰ পৰা এক ন-ৰূপত কোৱা হৈছিল। পৰৱৰ্তী পৰ্যায়ত ওজাপালিৰ মাধ্যমেৰে বিষয়বস্তুৰ গভীৰতালৈ দৰ্শকক লৈ যোৱা হৈছিল। নাট্যকাহিনীক এক ভিন্ন ৰূপত উপস্থাপন কৰাৰ এই প্ৰয়াস আছিল অনন্য। ভবেশ বৰুৱা, ৰবীন নেওগ, কল্পনা বৰদলৈ, পবন ফুকন আদিৰ অভিনয় আছিল অতি সাৱলীল। এই বছৰৰ আন দুখন গুৰুত্বপূৰ্ণ নাট আছিল অৰুণ শৰ্মাৰ 'বাঘজাল' আৰু মহেন্দ্ৰ বৰঠাকুৰৰ 'শৰাগুৰি চাপৰি'। উল্লেখ্য যে কহিনুৰ থিয়েটাৰৰ এই বছৰৰ নাট্য ধাৰাই ভ্ৰাম্যমাণক এক উচ্চ আসন প্ৰদান কৰিছিল।

এই বছৰৰ নৃত্য-নাটিকা কেইখন আছিল অজিত তালুকদাৰৰ 'মৰুতৃষ্ণা', 'সাগৰিকা', 'ছন্দ-প্ৰশান্ত', 'লুইত কোঁৱৰ', হেমন্ত দত্তৰ 'শকুন্তলা' আৰু যতীন গোস্বামীৰ 'নীলা শিয়াল'। সংগীত পৰিচালনা কৰিছিল নন্দ বেনাৰ্জী আৰু আনন্দ নাৰায়ণ দেৱে।

অভিনেতা-অভিনেত্ৰীসকল হ'ল— ভবেশ বৰুৱা, ৰবীন নেওগ, ৰতন লহকৰ, পৱন ফুকন, জিতেন বৰা, অখিল বৰ্মন, অচ্যুত চুতীয়া, দীনেশ ভাগৱতী, দেবেন ভূঞা, হেমেন

শৰ্মা, গুণেশ্বৰ ভূঞা, প্ৰবীণ হাজৰিকা, হীৰেন মেধি, কুল কমল দত্ত, কল্পনা বৰদলৈ, হীৰা নেওগ, নীলিমা কুমাৰী, বিউটি শইকীয়া আৰু শিশু শিল্পী মণি বৰুৱা। যন্ত্ৰ শিল্পী সকল হ'ল— শ্ৰী নাথ দাস, কমল দাস, ৰবি দাস, কুঞ্জ ৰয়, গোপী ডেকা, গোপী ৰয়, নাৰায়ণ বৰুৱা আৰু কান্তেশ্বৰ দাস। নৃত্য শিল্পীসকল হ'ল— উদয় দাস, গুণেশ্বৰ ভূঞা, প্ৰবীণ দাস, ভবানন্দ ৰয়, গোপী ডেকা, ফুলেন ভৰালী, ধনেশ্বৰ ঠাকুৰীয়া, হোমেশ্বৰ দাস, দীপক পাটোৱাৰী, মাধৱী তালুকদাৰ, উৰ্মিলা ঠাকুৰীয়া, ললিতা দাস আদি। এই বৰ্ষৰ মঞ্চ সাজপাৰ পৰিকল্পনা কৰিছিল গৰিমা হাজৰিকাই। কণ্ঠ শিল্পীসকল হ'ল আনন্দ নাৰায়ণ দেৱ, নন্দ বেনাৰ্জী, শ্ৰী নাথ দাস, যামিনী দাস আৰু ৰাণী বৰ্মন। বিশিষ্ট জিকিৰ শিল্পী ৰেকিবুদ্দিন আহমেদেও এই বৰ্ষত কহিনুৰৰ সতে জড়িত হৈ পৰিছিল। নৃত্য পৰিচালনা কৰিছিল উদয় দাস, যতীন গোস্বামী আৰু হেমো বৰুৱাই।

নৱম বৰ্ষৰ পৰিক্ৰমা (১৯৮৪-৮৫)ঃ ৰতন লহকৰৰ প্ৰযোজনাত কহিনুৰ থিয়েটাৰে নাট্য পৰিক্ৰমাৰ অষ্টম বছৰত 'মহাভাৰত'ৰ কাহিনীক মঞ্চলৈ আনি ভ্ৰাম্যমাণক এক নতুন ৰূপ প্ৰদান কৰে। হেমন্ত দত্তৰ মঞ্চৰূপত 'মহাভাৰত' সেই বৰ্ষৰ আটাইতকৈ জনপ্ৰিয় নাটলৈ পৰিণত হয়। কুলদা কুমাৰ ভট্টাচাৰ্য আৰু হেমন্ত দত্তৰ পৰিচালনাত নাটখনিত সাৱলীল অভিনয় কৌশল দাঙি ধৰে হেমন্ত দত্ত, তৌফিক ৰহমান, ভবেশ বৰুৱা, হীৰেন মেধি, মীনা কুমাৰী বৰ্মন, বিদ্যা ৰাও আদি শিল্পীসকলে। এইসকলৰ বাহিৰেও এই বৰ্ষৰ আন অভিনেতা-অভিনেত্ৰী সকল আছিল ৰতন লহকৰ, জিতেন বৰা, পৰেশ হাজৰিকা, ডলি মুক্তিয়াৰ, পৱিত্ৰপ্ৰাণ বৰা, অনিল ৰয়, উপেন ভূঞা, হৰিশ কলিতা, চিৰাজুল হুছেইন, পুলিন নাথ, হৰিহৰ নাথ, মুহি কোঁৱৰ, অমূল্য কোচ, শিশু শিল্পী নৃপেন শইকীয়া, নমিতা বৰুৱা, নীলিমা কুমাৰী, ইভা দত্ত আদি শিল্পীসকল। নন্দ বেনাৰ্জী আৰু আনন্দ নাৰায়ণ দেৱৰ সংগীত পৰিচালনাত মহাভাৰতত চাৰিটি গীত পৰিৱেশন কৰা হৈছিল। ইয়াৰে এটি গীত ৰচনা কৰিছিল হেমন্ত দত্তই আৰু বাকী তিনিটাৰ ৰচক আছিল বিশিষ্ট শিল্পী গোকুল পাঠক। এই বৰ্ষৰ আন নাট সমূহ আছিল অৰুণ শৰ্মাৰ 'পৰশুৰাম', পৱিত্ৰ কুমাৰ ডেকাৰ অসমীয়া অভিযোজনা 'ৰাজদ্ৰোহী', আৰু হেমন্ত দত্তৰ অসমীয়া অভিযোজনা 'কলংক তিলক'।

এই বছৰৰ গীতি-নত্য নাটিকাসমূহ আছিল 'ৰক্ত পৰাগ' (কবি যতীন্দ্ৰ নাথ দুৱৰাৰ মূল ৰচনাৰ আধাৰত নৃত্য-নাট্যৰূপ অৰুণ শৰ্মাৰ), কবি-গীতিকাৰ কীৰ্তিনাথ বৰদলৈ আৰু মুক্তিনাথ বৰদলৈৰ 'লুইত কোঁৱৰ', ৰবীন্দ্ৰ নাথ ঠাকুৰৰ মূল ৰচনাৰ নবীন বৰাৰ দ্বাৰা সম্পাদিত অসমীয়া অভিযোজনা 'চণ্ডালিকা', অজিত তালুকদাৰৰ 'শান্তিৰ কপৌ' আৰু হেমন্ত দত্তৰ খণ্ডিত নৃত্যৰূপৰ নৃত্য নাটিকা 'মহাভাৰত'। এই বৰ্ষৰ নৃত্য শিল্পীসকল আছিল উদয় দাস, প্ৰবীণ দাস, ফুলেন ভৰালী, বলিন দিহিঙীয়া, ডিম্বেশ্বৰ তালুকদাৰ, বাবুল দাস, মাধৱী তালুকদাৰ, উৰ্মিলা ঠাকুৰীয়া, ললিতা দাস, মলয়া মেধি, বিউটি শইকীয়া আৰু ইভা

দত্ত। কণ্ঠ শিল্পী আছিল- আনন্দ নাৰায়ণ দেৱ, নন্দ বেনাৰ্জী, ৰাখী বেনাৰ্জী আৰু ৰাণী বৰ্মন। যন্ত্ৰ শিল্পীসকল আছিল- কমলা দাস, কৃষ্ণ ৰয়, নাৰায়ণ বৰুৱা, বীৰেন দাস, বাসুদেৱ দাস, গজেন চৌধুৰী, বিমল ডাৰিনেল, সুৰেশ বৰুৱা আৰু যতীন নাৰ্জাৰী। এই বৰ্ষৰ আলোক ধ্বনি আৰু ৰূপসজ্জাৰ পৰিচালক আছিল ক্ৰমে অৰুণাভ, আঘোণা দাস আৰু ভবেশ ডেকা। নৃত্য পৰিচালনা কৰিছিল গৰিমা হাজৰিকা, নবীন বৰা আৰু উদয় দাসে।

দশম বৰ্ষৰ পৰিক্ৰমা (১৯৮৫-৮৬) ঃ দশম বৰ্ষত কহিনুৰৰ মঞ্চলৈ আহে আন এখন গুৰুত্বপূৰ্ণ নাটক 'দাস্তান শ্বহীদে কাৰবালা'। হেমন্ত দত্তই দিয়া মঞ্চৰূপত মদিনাৰ কাহিনীৰে সমৃদ্ধ হৈ উঠিল কহিনুৰৰ মঞ্চ। হেমন্ত দত্তৰ নাট পৰিচালনাত ভবেশ বৰুৱা, জিতেন বৰা, হীৰেন মেধি, অখিল বৰ্মন, পুলিন নাথ, পৰাগ বৰুৱা আদিৰ অভিনয়ে নাটখনক এখন জনপ্ৰিয় নাটলৈ ৰূপান্তৰ কৰিছিল। এইবাৰ কহিনুৰৰ মঞ্চত ৰূপায়িত হৈছিল আন এখন মহাকাব্য 'ৰামায়ণ'। হেমন্ত দত্তৰ মঞ্চৰূপত 'ৰামায়ণে' মহাভাৰতৰ মঞ্চৰূপৰ নিচিনাকৈ দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিব সক্ষম হৈছিল। গীতি-ধৰ্মী সংলাপেৰে হেমন্ত দত্তই ৰামায়ণৰ কাহিনীভাগক আগুৱাই নিছিল। হেমন্ত দত্ত, ভবেশ বৰুৱা, পুলিন নাথ, অখিল বৰ্মণ, ডলি মুক্তিয়াৰ, কমলা ৰাভা, পৰাগ বৰুৱা, ৰীণা বৰা, মঞ্জু বৰদলৈ, ৰূপা বৰুৱা, শিশু শিল্পীদ্বয় মাজনী বৰুৱা আৰু জিনু হাজৰিকাৰ প্ৰাণ পৰশা অভিনয়ে 'ৰামায়ণ' ক এখন উৎকৃষ্ট নাটলৈ ৰূপান্তৰ কৰিছিল। এই দুখন নাটৰ বাহিৰেও এই বৰ্ষত পূৰ্বৰ এখন নাট 'কলংক তিলক' আৰু পবিত্ৰ কুমাৰ ডেকাৰ অসমীয়া অভিযোজনা 'ঠিকনা' মঞ্চস্থ হৈছিল। এই বৰ্ষৰ গীতি-নৃত্য নাটিকাকেইখন আছিল গৰিমা হাজৰিকা ৰচিত 'আলিবাবা' আৰু 'সাগৰ দেৱতা' আৰু অজিত তালুকদাৰৰ 'সোণবৰণীয়া চৰাই'।

দশম বছৰত কহিনুৰলৈ কেবাজনো বিশিষ্ট শিল্পীৰ আগমন ঘটিছিল। এই বছৰৰ সংগীত পৰিচালনাৰ দায়িত্ব লৈছিল বিশিষ্ট শিল্পী তফজ্জুল আলি আৰু বিভূৰঞ্জন চৌধুৰীয়ে। আলোক পৰিচালনাৰ দায়িত্ব লৈছিল তাপস সেনে। নৃত্য পৰিচালনাৰ দায়িত্বত আছিল গৰিমা হাজৰিকা আৰু উদয় দাস। সাজপাৰ পৰিকল্পনাৰ দায়িত্বত আছিল গৰিমা হাজৰিকা। কলা পৰিচালক আছিল আদ্য শৰ্মা।

এই বৰ্ষৰ নৃত্যশিল্পীসকল হ'ল— উদয় দাস, ফুলেন ভৰালী, ডিম্বেশ্বৰ তালুকদাৰ, বাবুল দাস, গোপাল মজুমদাৰ, গুণেশ্বৰ ভূএগ, থানেশ্বৰ ৰয়, খগেন দাস, ৰত্না বৰুৱা, মলয়া মেধি, কমলা বৰুৱা, পদুমী পাঠক, সৰোজনী মজুমদাৰ আৰু ৰুণুমী দেৱী। যন্ত্ৰশিল্পী সকল হ'ল— ৰবি দাস, নাৰায়ণ বৰুৱা, ৰঞ্জিৎ দে, কুঞ্জ ৰয়, বাসুদেৱ দাস, গজেন চৌধুৰী, বাবু কুমাৰ সিং, গিৰীন পাঠক আৰু ৰঞ্জিত দত্ত। দশম বৰ্ষৰ কণ্ঠ শিল্পীসকল আছিল টিকেন চৌধুৰী, ৰবি দাস, স্বপ্না লামা আৰু ৰাণী বৰ্মন।

একাদশ বৰ্ষৰ পৰিক্ৰমা (১৯৮৬-৮৭) ঃ একাদশ বৰ্ষত কহিনুৰ মঞ্চস্থ কৰে ৰবাৰ্ট ষ্টিভেনচনৰ বিশ্ববিখ্যাত বিজ্ঞানভিত্তিক উপন্যাস 'ডঃ জেকিল আৰু মিঃ হাইড'ৰ আধাৰত

অতুল বৰদলৈয়ে ৰচনা কৰা নাট 'কালশক্ৰ'। নাটখন পৰিচালনা কৰিছিল নাট্যকাৰ অতুল বৰদলৈয়ে। অৰুণাভৰ আলোক পৰিচালনা আৰু আঘোণা দাসৰ ধ্বনি পৰিচালনাৰে নাটখনত চমকপ্ৰদ কাৰিকৰী কৌশল প্ৰদৰ্শন কৰা হৈছিল। এই বৰ্ষৰ আন নাটসমূহ আছিল ভবেন বৰুৱাৰ 'শ্বহীদ', মহেন্দ্ৰ বৰঠাকুৰৰ 'ৰজা হৰিশ্চন্দ্ৰ' অতুল বৰদলৈৰ অসমীয়া অভিযোজনা 'অপৰাজিতা' আৰু একেই নাট্যকাৰৰ আন এখন নাট 'মমতা'। এই বৰ্ষৰ গীতি-নৃত্য নাটিকাসমূহ আছিল গৰিমা হাজৰিকাৰ 'বাঘ মানুহ', দয়া শইকীয়াৰ 'ঋতু স্নান', নিৰ্মল কুমাৰ শৰ্মাৰ 'ডাৰ্মিনাছ', প্ৰতিমা দাসৰ 'পগলা ৰজা', কুশল দাস আৰু জয়ন্ত শৰ্মাৰ 'ছাটি-মাটি-বাই-ভাই' আৰু গুণেশ্বৰ ভূএগৰ 'আয়না ফণি'।

একাদশ বৰ্ষত নাট পৰিচালনাৰ সামগ্ৰিক দায়িত্বত আছিল অতুল বৰদলৈ আৰু ভবেন বৰুৱা। অভিনেতা-অভিনেত্ৰী সকল হ'ল— দিলীপ ৰঞ্জন দত্ত, ডলি মুক্তিয়াৰ, কমলা মালাকাৰ, হীৰেন মেধি, কমলা ৰাভা, ৰাণা আহমেদ, অম্বিকা কলিতা, প্ৰভাত বৰা, মিলিক কলিতা, গুণেশ্বৰ ভূএগ, শিশুশিল্পী টুটু দাস, টুটুমণি, নীলিমা দাস, বিনু কলিতা, ৰূপা বৰুৱা, হেমা নাথ, বিনিতা দাস আদি। নৃত্য শিল্পীসকল হ'ল— গুণেশ্বৰ ভূএগ, ফুলেন ভৰালী, থানেশ্বৰ ৰয়, ডিম্বেশ্বৰ তালুকদাৰ, বাবুল দাস, লক্ষী ৰাজবংশী, উৰ্মিলা ঠাকুৰীয়া, আৰতি চৌধুৰী, বিমলা দাস, তৰালি ৰাভা, প্ৰতিমা পাঠক আৰু অকনি ডেকা। নন্দ-আনন্দৰ সংগীত পৰিচালনাত যন্ত্ৰ শিল্পীসকল আছিল— নন্দ বেনাৰ্জী, আনন্দ নাৰায়ণ দেৱ, কমলা দাস, বাসুদেৱ দাস, গোপী ডেকা, গোপী ৰাভা, টিকেন্দ্ৰজিৎ পাঠক, পুৰন্দৰ ৰামছিয়াৰী, দেবেন দাস, লক্ষী ৰাজবংশী আৰু দিলীপ বৰা। আদ্য শৰ্মাৰ কলা পৰিচালনাত সহকাৰীৰূপে কাম কৰিছিল হেমেন দাস, মঞ্জু তামুলী আৰু অজয় কুমাৰ ৰাভাই। নৃত্য পৰিচালনা কৰিছিল গৰিমা হাজৰিকা আৰু গুণেশ্বৰ ভূএগই। এই বৰ্ষৰ কণ্ঠশিল্পীসকল হ'ল— আনন্দ নাৰায়ণ দেৱ, নন্দ বেনাৰ্জী, প্ৰতিমা দাস আৰু লাৱণ্য চলিহা।

দ্বাদশ বছৰৰ পৰিক্ৰমা (১৯৮৭-৮৮) ঃ হোমাৰৰ অমৰ মহাকাব্য 'ইলিয়াড ওডিচী'ৰ আধাৰত ৰচিত অতুল বৰদলৈ নাট্যৰূপ আৰু পৰিচালনাৰে এই একেই নামৰ নাটখনেৰে কহিনুৰে দ্বাদশ বছৰত আন এক ছিৰিয়াছধৰ্মী প্ৰয়াস কৰিছিল। এই বৰ্ষতে ড° লক্ষ্মীনন্দন বৰাৰ 'পাতাল ভৈৰৱী' নামৰ জনপ্ৰিয় উপন্যাসখনৰ ওপৰত অতুল বৰদলৈয়ে একেই নামত নাট্যৰূপ দিছিল। নাটখন পৰিচালনা কৰিছিল অতুল বৰদলৈয়ে। অতুল বৰদলৈৰ সম্পাদনা আৰু পৰিচালনাত মঞ্চস্থ হৈছিল আন এখন নাট 'এজাক কাউৰীৰ কোলাহল'। মহেন্দ্ৰ বৰঠাকুৰৰ 'মানুহ' আছিল আন এখন গুৰুত্বপূৰ্ণ নাট যাৰ পৰিচালনাও কৰিছিল অতুল বৰদলৈয়ে।

এই বছৰৰ গীতি -নৃত্য-নাটিকা কেইখন হ'ল— কুশল দাস আৰু জয়ন্ত শৰ্মাই জ্যোতিপ্ৰসাদৰ গল্পৰ আধাৰত ৰচনা কৰা 'নীলা চৰাই'। অজিত তালুকদাৰৰ 'শূন্য তোমাৰ সেউজী কোলা' আৰু 'ফেহজালিৰ পোহৰত', নিৰ্মল কুমাৰ শৰ্মাৰ 'আজব নগৰী' আৰু

অপূৰ্বজ্যোতি ভূঞাৰ 'কপৌফুল কাগজৰ'। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰীসকল হ'ল— **সুৰেন মহন্ত, ভবেশ বৰুৱা, ৰতন লহকৰ**, ডলি মুক্তিয়াৰ, হীৰেন মেধি, কমলা ৰাভা, **তুলসী বৰদলৈ, গুণ কলিতা**, তৰুণ কলিতা, গুণেশ্বৰ ভূঞা, ভূপেন মেধি, মানবেন্দ্ৰ গোস্বামী, প্ৰদীপ গোস্বামী, বিনু কলিতা, নীলিমা দাস, হেমা নাথ, ৰেজিনা বেগম আৰু ৰীতা হাজৰিকা। নৃত্য শিল্পীসকল হ'ল— গুণেশ্বৰ ভূঞা, ডিম্বেশ্বৰ তালুকদাৰ, লক্ষ্মী ৰাজবংশী, ৰণ্টু শইকীয়া, সুনীল কলিতা, উৰ্মিলা ঠাকুৰীয়া, অকনি ডেকা, প্ৰতিমা পাঠক, কিৰণ ৰাজবংশী, অনিতা মজুমদাৰ আৰু মীনা বৰদলৈ। এই বৰ্ষৰ নৃত্য পৰিচালক আছিল ক্ৰমে গৰিমা হাজৰিকা আৰু গুণেশ্বৰ ভূঞা।

নন্দ বেনাৰ্জীৰ সংগীত পৰিচালনাত যন্ত্ৰ শিল্পীৰূপে সংগত কৰিছিল বাসুদেৱ দাস, মণিন্দ্ৰ বৰা, গোপী ৰাভা, টিকেন্দ্ৰজিৎ পাঠক, দেবেন দাস, পুৰন্দৰ ৰামচিয়াৰী, দিলীপ বৰা, লক্ষ্মী ৰাজবংশী, শৰৎ কলিতা আৰু প্ৰসেনজিৎ দাসে। আলোক আৰু ৰূপসজ্জাৰ পৰিচালনা কৰিছিল ক্ৰমে অৰুণাভ আৰু ভবেশ ডেকা, মণি ৰয়ে। আদ্য শৰ্মাৰ কলা পৰিচালনাত সহযোগীৰূপে আছিল খৰ্গপাণি বৰ্মন, অজান বৰুৱা, অজিত তালুকদাৰ, অজয় ৰাভা, আৰু বেদজ্যোতি তালুকদাৰ।

ত্ৰয়োদশ বছৰৰ পৰিক্ৰমা (১৯৮৮-৮৯) ঃ ত্ৰয়োদশ বৰ্ষত কহিনুৰ মুঠতে চাৰিখন নাট মঞ্চস্থ কৰে। এই কেইখন হ'ল মহেন্দ্ৰ বৰঠাকুৰ ৰচিত আৰু অতুল বৰদলৈ পৰিচালিত 'সম্ৰাট আৰু সুন্দৰী', আগাথা ক্ৰিষ্টিৰ এটি গল্পৰ আধাৰত অতুল বৰদলৈয়ে নাট্যৰূপ দিয়া তথা পৰিচালনা কৰা 'ৰক্তাক্ত আদালত', এখনি বঙালী নাটৰ আলমত ভবেশ বৰুৱাই নাট্যৰূপ দিয়া তথা পৰিচালনা কৰা 'দেৱতা' আৰু থমাছ হাৰ্ডীৰ 'মেয়ৰ অফ কেষ্টাৰব্ৰীজ'ৰ আধাৰত সূত্ৰধাৰে নাট্যৰূপ দিয়া তথা পৰিচালনা কৰা 'প্ৰাৰ্থনা'।

মহামতি অশোকৰ ব্যক্তিগত জীৱনৰ এক অপ্ৰকাশিত অধ্যায়ৰ আধাৰত মহেন্দ্ৰ বৰঠাকুৰে ৰচনা কৰা 'সম্ৰাট আৰু সুন্দৰী' এই বৰ্ষৰ এখন উল্লেখনীয় নাট আছিল। কলিঙ্গ যুদ্ধৰ আগৰ অত্যাচাৰী অশোকৰ কামনাৰ বলি হোৱা এগৰাকী শল্য-চিকিৎসকৰ সুন্দৰী কন্যা তৃষাৰ যৌৱনৰ অহংকাৰ আৰু প্ৰতিশোধৰ বাসনা নাটখনত দেখুওৱা হৈছিল। ৰতন লহকৰৰ নেতৃত্বত কহিনুৰে এই নাটখন চমকপ্ৰদভাৱে মঞ্চত মঞ্চস্থ কৰিছিল। অতুল বৰদলৈৰ সুন্দৰ পৰিচালনাত তৃষাৰ চৰিত্ৰৰ জুৰি শৰ্মাই অপূৰ্ব অভিনয় কৰিছিল। সুৰেন মহন্ত (অশোক), বিনু কলিতা (শান্ত্ৰ), সাৰঙ্গ বৰা, হীৰেন মেধি, জ্যোৎস্না কলিতা আদিয়ে নাটখনিত সুন্দৰ অভিনয় কৰিছিল। দশৰথ দাসৰ সংগীত পৰিচালনাত নাটখন সাংগীতিক দিশেৰেও আকৰ্ষণীয় হৈছিল। নাটখনৰ এটি গীত 'কিয়নো পাতিলি কামনাৰ মায়াজাল/নিজকে নুবুজি নিজেই বান্ধে খালি...' শীৰ্ষক গীতটি যথেষ্ট জনপ্ৰিয় হৈছিল। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰী সকল হ'ল— সুৰেন মহন্ত, ৰতন লহকৰ, সাৰঙ্গ বৰা, ডলি মুক্তিয়াৰ, হীৰেন মেধি, জিতেন বৰা, মহেন্দ্ৰ শইকীয়া, ৰাজীৱ মুক্তিয়াৰ, প্ৰাণেশ্বৰ

পাঠক, পদ্ম বৰা, তাৰক দাস, গুণেশ্বৰ ভূঞা, পুলেন্দ্ৰ দাস, বিনু কলিতা, জুৰি শৰ্মা, জ্যোৎস্না কলিতা, ৰূপা বৰুৱা আৰু ৰীতা হাজৰিকা।

এই বছৰৰ নৃত্য-নাটিকা কেইখন হ'ল অজিত তালুকদাৰৰ 'বঞ্চনাৰ ফুল', দশৰথ দাস আৰু অজিত তালুকদাৰৰ 'শুভ্ৰ পাষাণ' আৰু 'স্বপ্না বাসৱদত্তা' আৰু গৰিমা হাজৰিকাৰ 'বাঘ মানুহ'। নৃত্য-পৰিচালনা কৰিছিল গৰিমা হাজৰিকা আৰু গুণেশ্বৰ ভূঞাই। নৃত্য শিল্পীসকল হ'ল— গুণেশ্বৰ ভূঞা, ডিম্বেশ্বৰ তালুকদাৰ, ফুলেন ভৰালী, গুৰুচৰণ দাস, ধীৰেশ্বৰ কলিতা, দিলীপ তালুকদাৰ, উৰ্মিলা ঠাকুৰীয়া, প্ৰতিমা পাঠক, মীনা বৰদলৈ, ৰীতা বৰা, গীতা ডেকা, ৰীতা হাজৰিকা আৰু মেৰী শইকীয়া। কণ্ঠ শিল্পীসকল হ'ল— দশৰথ দাস, দিপালী বৰ্মন আৰু মামণি হালৈ। কলা পৰিচালনাৰ দায়িত্বত আছিল নুৰুদ্দিন আহমেদ আৰু সদানন্দ বৰ্মন। আলোক পৰিচালনা কৰিছিল অৰুণাভে।

চতুৰ্দশ বছৰৰ পৰিক্ৰমা (১৯৮৯-৯০) ঃ চতুৰ্দশ বছৰত কহিনুৰে তিনিখন নাট মঞ্চস্থ কৰে। প্ৰথমবাৰৰ বাবে হলীউড/বলীউডৰ চলচ্চিত্ৰৰ প্ৰত্যক্ষ প্ৰভাৱ ভ্ৰাম্যমাণৰ মঞ্চত এই বৰ্ষৰ পৰা পৰিবলৈ আৰম্ভ কৰে। 'টাৰ্জান' নামৰ বিশ্বজুৰি খ্যাতি অৰ্জন কৰা চলচ্চিত্ৰখন মঞ্চস্থ কৰাৰ দুঃসাহিক পৰিকল্পনা কৰে প্ৰযোজক ৰতন লহকৰে। মূল চৰিত্ৰ 'টাৰ্জান'ত অভিনয় কৰিছিল ভ্ৰাম্যমাণৰ এগৰাকী চিৰসেউজ অভিনেতা ভবেশ বৰুৱাই।

স্খলিত যুৱ-মানসিকতাৰ পটভূমিত মহেন্দ্ৰ বৰঠাকুৰে ৰচনা কৰা 'বলিয়া হাতী' কহিনুৰৰ মঞ্চত পৰিবেশিত এখন উল্লেখযোগ্য নাট আছিল। নাটখনে সমাজৰ ক্ষয়িষ্ণু ব্যৱস্থাটোক উদঙাই দিয়াৰ লগতে এক গভীৰ সামাজিক মূল্যবোধ দৰ্শকৰ আগত উপস্থাপন কৰিছিল। ভবেশ বৰুৱাই মূল চৰিত্ৰটিত সাহসী অভিনয় কৰি দৰ্শকৰ বিপুল প্ৰশংসা লাভ কৰিব পাৰিছিল। 'শুনিবি ভাই দেশৰ কথা কওঁ' শীৰ্ষক অম্বিকাগিৰী ৰায়চৌধুৰী ৰচিত গানটি নাটখনৰ বহু দৃশ্যতে নেপথ্য সংগীত হিচাপে ব্যৱহাৰ কৰাত নাটখন অধিক গভীৰ আৰু প্ৰাণৱন্ত হ'ব পাৰিছিল।

এই বছৰৰ আন নাটসমূহ হ'ল— স্বৰ্গীয় দুৰ্গেশ্বৰ বৰঠাকুৰ ৰচিত 'বাপৰে বাপ', মহানন্দ শৰ্মা সম্পাদিত 'কালসংকট' আৰু অতুল বৰদলৈ সম্পাদিত 'জননী'।

পঞ্চদশ বৰ্ষৰ পৰিক্ৰমা (১৯৯০-৯১) ঃ এই বৰ্ষত লোৱা নাটকেইখন আছিল মহেন্দ্ৰ বৰঠাকুৰৰ 'তেজ লগা বাট', পবিত্ৰ কুমাৰ ডেকাৰ 'অভাৰকোট', ইন্দ্ৰপ্ৰসাদ হাজৰিকাৰ অসমীয়া অভিযোজনা 'ককাইদেউ' আৰু হেমন্ত দত্তৰ 'পলাতক'। ইয়াৰে তেজ লগা বাট নাটখনত মুখ্য চৰিত্ৰটিয়ে তেজ লগা বাটেৰে খোজ কাঢ়ি উপলব্ধি কৰিছে— এজন বা দুজনক হত্যা কৰি এটা নিয়মক, এটা গতিক ঘূৰাব নোৱাৰি। সমাজৰ চকা ঘূৰাবলৈ প্ৰণালীবদ্ধ সংগ্ৰাম লাগে। এই নাটখনিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত গীতো ব্যৱহাৰ কৰা হৈছিল। অভাৰকোট নাটৰ গীতবোৰ ৰচনা কৰিছিল ৰত্ন ওজাই। পঞ্চদশ বছৰত নাট পৰিচালনা কৰিছিল ৰত্ন ওজা আৰু মহানন্দ শৰ্মাই। অভিনেতা-অভিনেত্ৰীসকল

আছিল— মহানন্দ শৰ্মা, ভবেশ বৰুৱা, ৰতন লহকৰ, পদ্ম বৰা, হীৰেন মেধি, জিতেন বৰা, মহেন্দ্ৰ শইকীয়া, তাৰক দাস, বিজু গগৈ, প্ৰবোধ চৌধুৰী, ডিম্বেশ্বৰ তালুকদাৰ, পুতুল মিশ্ৰ, শিশু শিল্পী অঞ্জন চৌধুৰী, ৰেবা ফুকন, ৰিজু ভূএগ্রা, নিৰুপমা ভূএগ্রা, কল্পনা বৰা আৰু প্ৰীতম ভূএগ্রা।

এই বৰ্ষত তিনিখন নৃত্য-নাটিকা মঞ্চস্থ কৰা হৈছিল— যাৰ ৰচক আছিল ক্ৰমে অজিত তালুকদাৰ, যতীন গোস্বামী আৰু মহানন্দ শৰ্মা। নৃত্য-নাটিকা পৰিচালনা কৰিছিল উদয় দাস আৰু গুণেশ্বৰ ভূএগ্রাই। এই বৰ্ষতে মইনুল হকৰ পৰিচালনাত কহিনুৰৰ মঞ্চত এখন মুকাভিনয় পৰিবেশিত হৈছিল আৰু এই মুকাভিনয়ে দৰ্শকৰ ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছিল। খঞ্জন নাথৰ সংগীত পৰিচালনাত সংগীত শিল্পীসকল আছিল— বাপন পাঠক, পংকজ ডেকা, কান্তেশ্বৰ দাস, প্ৰসেনজিৎ দাস, লক্ষী ৰয়, বীৰেন দাস, হৰেণ দাস, দিলীপ বৰা, অনিল পাঠক, নাৰায়ণ ৰয়, আৰু নৃপেন তালুকদাৰ। নৃত্যশিল্পীসকল আছিল— উদয় দাস, উৰ্মিলা ঠাকুৰীয়া, ডিম্বেশ্বৰ তালুকদাৰ, দিলীপ তালুকদাৰ, বিমলা দাস, নৰেন দাস, সুভাষ দাস, প্ৰতিমা পাঠক, অম্বিকা ৰয়, অপূৰ্ব উজিৰ, প্ৰণীতা বৰ্মন, তৰুলতা মেধি, আৰু ধীৰাজ কলিতা। এই বৰ্ষৰ কণ্ঠশিল্পী সকল আছিল অনিল পাঠক, মিনু শইকীয়া আৰু মামণি হালৈ।

ধ্বনি আৰু আলোক পৰিচালনা কৰিছিল ক্ৰমে গংগা কলিতা আৰু অৰুণাভে। এই বৰ্ষৰ কলা পৰিচালনাৰ দায়িত্বত আছিল বীৰেন মুছাহাৰী, মুকুল কলিতা, মৃগেন পাটগিৰি আৰু হৰিকান্ত ৰামছিয়াৰী।

ষষ্ঠদশ বৰ্ষৰ পৰিক্ৰমা (১৯৯১-৯২) ঃ ষষ্ঠদশ বৰ্ষত কহিনুৰৰ মঞ্চত পৰিবেশিত নাট কেইখন আছিল পবিত্ৰ কুমাৰ ডেকাৰ 'নাগিনীৰ অমৃত দংশন', ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'গহ্বৰ', মহেন্দ্ৰ বৰঠাকুৰৰ 'নৰক বন্দনা' আৰু হেমন্ত দত্তৰ 'সেন্দূৰীয়া মেঘ'। এটি বাংলাদেশী লোক কাহিনীৰ আধাৰত ৰচিত 'নাগিনীৰ অমৃত দংশন' নামৰ নাটখনে এই বৰ্ষত বিপুল জনপ্ৰিয়তা অৰ্জন কৰিছিল। দশৰথ দাসৰ সংগীত পৰিচালনাত নাটখনৰ পাঁচোটি গীত জনপ্ৰিয় হৈছিল। ইয়াৰে তিনিটি গান দশৰথ দাসে আৰু দুটি গীত হেমন্ত দত্তই ৰচনা কৰিছিল। এই নাটখনত মণি দেৱীৰ অভিনয় আছিল অতিকৈ মনপৰশা।

'গহ্বৰ' নাটখনৰ জৰিয়তে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ কহিনুৰৰ মঞ্চত প্ৰথমবাৰৰ বাবে আগমন ঘটে। ড° ভবেন্দ্ৰ নাথ শইকীয়াই নিজে পৰিচালনা কৰা নাটখনিত অভিনেতা সুৰেন মহন্ত, কমলা ৰাভা, ৰেবা ফুকন আৰু মণি দেৱীৰ অভিনয় আছিল প্ৰশংসনীয়। এই বৰ্ষৰ আন অভিনেতা-অভিনেত্ৰীসকল আছিল-ভবেশ বৰুৱা, তাৰক দাস, প্ৰাণজিৎ চৌধুৰী, ভূপেন মেধি, কৈলাশ শৰ্মা, গুণেশ্বৰ ভূএগ্রা, প্ৰদীপ গোস্বামী, পৰমা কলিতা, কল্পনা বৰা, কল্যাণী বায়ন আদি। এই বছৰৰ আন নাট দুখন আছিল মহেন্দ্ৰ বৰঠাকুৰৰ 'নৰক বন্দনা' আৰু হেমন্ত দত্তৰ 'সেন্দূৰীয়া মেঘ'। নাটসমূহ পৰিচালনা কৰিছিল ড° ভবেন্দ্ৰ নাথ শইকীয়া

আৰু হেমন্ত দত্তই।

নৃত্য-নাটিকা কেইখন আছিল অজিত তালুকদাৰৰ 'সুন্দৰৰ অভিযাত্ৰী', 'মৃত্যুহীন সুৰ', 'মুকলি আকাশ মুকলি মন', দশৰথ দাসৰ 'জ্যোতিস্নান' আৰু নিৰ্মল কুমাৰ শৰ্মাৰ 'ৰাহুমুক্তি'। দশৰথ দাসৰ সংগীত পৰিচালনাত যন্ত্ৰ শিল্পীসকল আছিল হিতেশ ডেকা, কনক দাস, পুৰন্দৰ ৰামচিয়াৰী, যতীন পাঠক, মনোজ দাস, গিৰীশ পাঠক, দিবাকৰ দাস আৰু কান্তেশ্বৰ বসুমতাৰী। নৃত্য পৰিচালনা কৰিছিল উদয় দাস আৰু গুণেশ্বৰ ভূএগ্রাই। নৃত্য শিল্পীসকল হ'ল উদয় দাস, ডিম্বেশ্বৰ তালুকদাৰ, ফুকন ভৰালী, দিলীপ ডেকা, ধনীৰাম তালুকদাৰ, ৰবী ৰয়, চম্পা দাস, গীতিকা দাস, প্ৰণীতা পাঠক আৰু পুতুলী হালৈ। আলোক, ধ্বনি আৰু কলা নিৰ্দেশনাৰ দায়িত্বত আছিল ক্ৰমে অৰুণাভ, গংগা কলিতা আৰু বিশিষ্ট শিল্পী আদ্য শৰ্মা।

সপ্তদশ বৰ্ষৰ পৰিক্ৰমা (১৯৯২-৯৩) ঃ এই বৰ্ষত কহিনুৰ মঞ্চত ড° ভবেন্দ্ৰ নাথ শইকীয়াই প্ৰদান কৰে আন এখন উল্লেখনীয় নাট 'মহাৰণ্য'। নাটখন পৰিচালনা স্বয়ং শইকীয়াদেৱে কৰিছিল। কহিনুৰে এই বছৰতে লিও ওৱেলছৰ বিখ্যাত উপন্যাসৰ মহেন্দ্ৰ বৰঠাকুৰে দিয়া নাট্যৰূপ 'বেনহুৰ' সফলতাৰে মঞ্চস্থ কৰিছিল। হেমন্ত দত্তৰ দ্বাৰা পৰিচালিত নাটখনিত শাসকৰ দ্বাৰা ইহুদী ৰাজ্য জুডিয়াৰ প্ৰজাৰ ওপৰত চলা অমানুষিক অত্যাচাৰ, ইহুদী বেনহাৰ আৰু ৰোমান মেছেলোৰ শৈশৱৰ বন্ধুত্ব আদি নৃত্য-গীত আৰু সংগীতৰে অনুপমকৈ উপস্থাপন কৰা হৈছিল। কেন্দ্ৰীয় চৰিত্ৰ বেনহুৰৰ ভূমিকাত অনুপ হাজৰিকা আৰু মেছেলোৰ ৰূপত প্ৰাণজিৎ দাসৰ অভিনয় মনোগ্ৰাহী হৈছিল। অন্যান্য চৰিত্ৰত সুৰেন মহন্ত, তাৰক দাস, কমলা ৰাভা, মণি বৰা, গিৰিজা বৰুৱা, কল্যাণী বায়ন, ত্ৰিবেণী বৰুৱা আদিৰ অভিনয় উচ্চ মানৰ আছিল। দশৰথ দাসৰ সংগীত পৰিচালনা আৰু অৰুণাভৰ আলোক নিৰ্দেশনাত নাটখনে কাৰিকৰীভাৱেও কৃতকাৰ্যতা লভিছিল। এই বছৰৰ আন অভিনেতা-অভিনেত্ৰীসকল আছিল— ৰতন লহকৰ, গুণেশ্বৰ ভূএগ্রা, প্ৰদীপ গোস্বামী, পৰমা কলিতা, দিপালী দাস, গিৰিজা বৰুৱা, জয়ন্ত দাস, মাধৱ কলিতা, ডিম্বেশ্বৰ তালুকদাৰ আৰু ফুলেন ভৰালী। ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ নাটখনৰ বাদে বাকী নাটসমূহ পৰিচালনা কৰিছিল হেমন্ত দত্তই।

এই বৰ্ষৰ আন নাটসমূহ আছিল হেমন্ত দত্তৰ 'আপোন মানুহ', পবিত্ৰ কুমাৰ ডেকাৰ 'নাগিনীৰ অমৃত দংশন' আৰু মহেন্দ্ৰ বৰঠাকুৰৰ 'ৰজাৰো ৰজা'। নৃত্য-নাটিকাবোৰ হ'ল— গৰিমা হাজৰিকা ৰচিত 'চাৰি বন্ধু'; অজিত তালুকদাৰৰ 'অঞ্জলি' আৰু 'নতুন পুৱাৰ সপোন'। নৃত্য-পৰিচালনাৰ দায়িত্বত আছিল গৰিমা হাজৰিকা আৰু গুণেশ্বৰ ভূএগ্রা। নৃত্য-শিল্পীসকল হ'ল— ডিম্বেশ্বৰ তালুকদাৰ, ফুলেন ভৰালী, ধীৰাজ কলিতা, ৰণজিৎ ৰাজবংশী, বীৰেন বৰ্মন, ৰবী ৰয়, দীপা ৰয়, গীতিকা দাস, প্ৰণীতা পাঠক, ৰূপালী বৰা আৰু জুনুমণি বৰা। এই বৰ্ষৰ কণ্ঠ শিল্পী আছিল অনিল পাঠক, দীপালি তালুকদাৰ আৰু অঞ্জলি মেধি। কলা

নির্দেশনা কৰিছিল ক্ৰমে নুৰুদ্দিন আহমেদ আৰু নিৰ্মল লহকৰে। যন্ত্ৰ শিল্পীসকল হ'ল— কনক দাস, প্ৰসেনজিৎ দাস, যতীন পাঠক, কান্তেশ্বৰ দাস, গিৰীশ পাঠক, দিবাকৰ দাস, মনোজ দাস, পংকজ ডেকা, পানীৰাম দৈমাৰী আৰু দেবু ৰয়ে।

অষ্টাদশ বৰ্ষৰ পৰিক্ৰমা (১৯৯৩-৯৪)ঃ উইলিয়াম শ্বেইক্সপীয়েৰৰ অমৰ সৃষ্টি 'হেমলেট'ৰ মহেন্দ্ৰ বৰঠাকুৰে কৰা অসমীয়া অভিযোজনা 'হেমলেট' ১৯৯৩-৯৪ বৰ্ষত কহিনুৰে মঞ্চস্থ কৰিছিল। হেমন্ত দত্তৰ সুদক্ষ পৰিচালনাত তপন দাসে 'হেমলেট'ৰ চৰিত্ৰত দৃষ্টিনন্দন অভিনয়ন কৰিছিল। অফেলিয়াৰ চৰিত্ৰত পূৰবী শৰ্মা, প'লোনিয়াছৰ চৰিত্ৰত কমলা ৰাভা, লিয়াৰটিছৰ ভাৱত প্ৰাণজিৎ দাসৰ অভিনয় আছিল প্ৰশংসনীয়। অন্যান্য চৰিত্ৰত সুৰেন মহন্ত, জুৰি শৰ্মা আদিৰ অভিনয়ো উচ্চমানৰ আছিল। নন্দ বেনাৰ্জীৰ সংগীত পৰিচালনাত নাটখন অৰ্থবহ হোৱাৰ লগতে নুৰুদ্দিন আহমেদৰ কলা পৰিচালনা, অৰুণাভৰ আলোক নিৰ্দেশনা আৰু ভবেশ ডেকাৰ ৰূপসজ্জাৰ পৰিচালনাই নাটখনক দৰ্শকৰ অধিক ওচৰ চপাই আনিছিল। এই বৰ্ষৰ আন অভিনেতা-অভিনেত্ৰীসকল হ'ল— ৰতন লহকৰ, গুণেশ্বৰ ভূঞা, পৰমা কলিতা, মৃদুল চুতীয়া, বিপুল মহন্ত, হেমেন শৰ্মা, ডিম্বেশ্বৰ তালুকদাৰ, ফুলেন ভৰালী, গীতা দেৱী আৰু কল্যাণী বায়ন। এই বৰ্ষৰ আন নাটসমুহ মহেন্দ্ৰ বৰঠাকুৰৰ 'ৰাতিৰ জুই', হেমন্ত দত্তৰ 'আনাৰকলি' আৰু 'দাগ'। আটাইকেইখন নাট পৰিচালনা কৰিছিল হেমন্ত দত্তই।

গীতি নৃত্য-নাটিকাকেইখন হ'ল নিৰ্মল শৰ্মাৰ 'অবিনাশী সেই সুৰ, সেই গীত', অজিত তালুকদাৰৰ 'প্ৰতিমাই পালে প্ৰাণ' আৰু কৃষ্ণ ফুকনৰ 'বন কুঁৱৰী'। নৃত্য পৰিচালনাৰ দায়িত্বত আছিল গুণেশ্বৰ ভূঞা। এইবাৰৰ নৃত্য শিল্পীসকল হ'ল— গুণেশ্বৰ ভূঞা, ডিম্বেশ্বৰ তালুকদাৰ, ফুলেন ভৰালী, ববী ৰয়, ৰণজিৎ ৰাজবংশী, অপূৰ্ব উজিৰ, কমল স্বৰ্গীয়াৰী, দীপা ৰয়, প্ৰণীতা পাঠক, চিত্ৰা ডেকা, বিমলা ডেকা, আৰু লীলা ডেকা। কণ্ঠ শিল্পীসকল হ'ল— অনিল পাঠক, দীপালি বৰ্মন, আৰু অঞ্জলি মেধি। যন্ত্ৰ সংগীতত সংগত কৰিছিল ক্ৰমে— অনিল পাঠক, প্ৰসেনজিৎ দাস, যতীন পাঠক, কান্তেশ্বৰ দাস, গিৰীশ পাঠক, মনোজ দাস, দিবাকৰ দাস, অৰবিন্দ পাঠক, তীৰ্থ চহৰীয়া, কৰ্ণ বড়ো আৰু দেবু ৰয়।

উনবিংশ বৰ্ষৰ পৰিক্ৰমা (১৯৯৪-৯৫)ঃ উনবিংশ বৰ্ষত কহিনুৰে লোৱা নাটকেইখন আছিল জিতেন শৰ্মাৰ 'প্ৰতিঘাত', মহেন্দ্ৰ বৰঠাকুৰৰ 'পোহৰৰ ছাঁ', গ্ৰীক নাট্যকাৰ চফোক্লিছৰ অমৰ ট্ৰেজেডী 'ইডিপাছ দ্য কিং' নাটৰ সেৱাব্ৰত বৰুৱাই দিয়া অসমীয়া নাট্যৰূপ 'পবিত্ৰ পাপী', সেৱাব্ৰত বৰুৱাৰ আন এখন নাট 'আলিংগন' আৰু মহেন্দ্ৰ বৰঠাকুৰৰ 'হে মহানগৰ'। বৰ্তমান যুৱ সমাজৰ স্খলিত মানসিকতাক লৈ ৰচিত 'প্ৰতিঘাত' নাটখন পৰিচালনা কৰিছিল যশস্বী পৰিচালক আব্দুল মজিদে। 'পোহৰৰ ছাঁ' নাটখন পৰিচালনা কৰিছিল অবিনাশ শৰ্মাই। আনহাতে এই বৰ্ষৰ আটাইতকৈ আকৰ্ষণীয় নাট 'পবিত্ৰ পাপী'ৰ পৰিচালনাৰ দায়িত্ব লৈছিল বিশিষ্ট অভিনেতা আৰু পৰিচালক বাহাৰুল ইছলামে। ইছলামে 'হে মহানগৰ'

নাটখনিও পৰিচালনা কৰিছিল। সেৱাব্ৰত বৰুৱা ৰচিত 'আলিংগন' নাটখনিৰ পৰিচালনা কৰিছিল আব্দুল মজিদে।

এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰীসকল হ'ল— সুৰেন মহন্ত, বাহাৰুল ইছলাম, ৰাজীৱ গোস্বামী, কমলা ৰাভা, জয়ন্ত দাস, দীপক তালুকদাৰ, পৰমা তালুকদাৰ, দিগন্ত চৌধুৰী, নিখিল তালুকদাৰ, ৰাজীৱ শইকীয়া, প্ৰণৱজ্যোতি শইকীয়া, ডিম্বেশ্বৰ তালুকদাৰ, ৰতন লহকৰ, ৰেবা ফুকন, অনিমা ফুকন, কল্যাণী বায়ন, দীপালি শইকীয়া, ৰীণা গগৈ আৰু কুঞ্জ দাস। দশৰথ দাসৰ সংগীত পৰিচালনাত কণ্ঠ শিল্পীসকল হ'ল— দশৰথ দাস, দীপালি বৰ্মন, নাৰায়ণ ৰয় আৰু গীতা কুমাৰী। এই বৰ্ষৰ যন্ত্ৰ শিল্পীসকল হ'ল— দশৰথ দাস, কান্তেশ্বৰ দাস, প্ৰসেনজিৎ দাস, যতীন পাঠক, গিৰীশ পাঠক, মনোজ দাস, কৰ্ণ ৰামচিয়াৰী, দিবাকৰ দাস, ৰঞ্জিৎ কাকতি আৰু দেবু ৰয়।

এই বছৰৰ নৃত্য-নাটিকাকেইখন হ'ল অজিত তালুকদাৰৰ 'শংখ বৰণী', 'পাতি সেই মহাৰণ'; দশৰথ দাসৰ 'হেৰোৱা চেনেহৰ সুঁতি' আৰু 'মেঘকন্যা'। নৃত্যশিল্পীসকল হ'ল— ডিম্বেশ্বৰ তালুকদাৰ, অপূৰ্ব উজিৰ, কমল স্বৰ্গীয়াৰী, গৌতম পাটৰ, ৰঞ্জিৎ শইকীয়া, চিত্ৰা ডেকা, বিমলা ডেকা, পুতুলী হালৈ, জুতিকা দাস, ৰুমী দাস আদি। নৃত্য পৰিচালনা কৰিছিল গৰিমা হাজৰিকা আৰু মনেশ্বৰ দাসে। কলা নিৰ্দেশনাত নুৰুদ্দিন আহমেদ আৰু ৰূপসজ্জাৰ দায়িত্বত আছিল ক্ৰমে নুৰুদ্দিন আহমেদ, ভবেন ডেকা আৰু সুনীল দত্ত।

বিংশ বৰ্ষৰ পৰিক্ৰমা (১৯৯৫-৯৬)ঃ এই বৰ্ষত কহিনুৰ থিয়েটাৰে মুঠতে চাৰিখন নাট মঞ্চস্থ কৰে। ইয়াৰে এখন নাট মহেন্দ্ৰ বৰঠাকুৰৰ দ্বাৰা ৰচিত আৰু বাকী তিনিখন নাটৰ নাট্যকাৰ আছিল সেৱাব্ৰত বৰুৱা। 'এইডছ'ৰ দৰে এক মাৰাত্মক ব্যাধিৰ ওপৰত ৰচিত মহেন্দ্ৰ বৰঠাকুৰ ৰচিত 'ডাইনীৰ প্ৰেম' শীৰ্ষক নাটখন পৰিচলনা কৰিছিল আব্দুল মজিদে। এই নাটখনত নাট্যকাৰৰ বিশ্লেষণে আৰক্ষীৰ মানৱতা বিৰোধী স্বৰূপ উদঙাই দিছিল। মূল বিষয়বস্তুক খুব সূক্ষ্মভাৱে উপস্থাপন কৰাৰ লগতে নাটখনে সমাজৰ আন কিছু গুৰুত্বপূৰ্ণ সমস্যাও সাৱলীলভাৱে উপস্থাপন কৰিছিল। এগৰাকী দুৰাৰোগ্য ৰোগীৰ যন্ত্ৰণা, কৰুণ পৰিণাম তথা এগৰাকী আদৰ্শবান যুৱকৰ নিষ্ঠা, সততা আদি অভিব্যক্তি তপন দাসে সঠিকভাৱে চৰিত্ৰায়ন কৰাত সফল হৈছিল। চিকিৎসকৰ ৰূপত মৃদুল বৰুৱা আৰু এইডছ আক্ৰান্ত পুত্ৰৰ পিতৃৰ ৰূপত ৰতন লহকৰৰ অভিনয় আছিল অতি নিখুঁত। আন আন চৰিত্ৰত চিমি গোস্বামী, ৰীমা গোস্বামী, দিলীপৰঞ্জন দত্ত, প্ৰদীপ বুঢ়াগোহাঁই, উত্তম বৰুৱা, সুৰজিৎ বৰা, গুণীন্দ্ৰ বৰা, মানী গগৈ আদিৰ অভিনয়ো চৰিত্ৰানুগত আছিল। এই বৰ্ষৰ আন অভিনেতা-অভিনেত্ৰীসকল হ'ল— ধীৰু গোস্বামী, পৰমা কলিতা, দীপক তালুকদাৰ, হেমেন শৰ্মা, কৃষ্ণা প্ৰিয়দৰ্শিনী আৰু ডিম্বেশ্বৰ তালুকদাৰ।

এগৰাকী অৱসৰপ্ৰাপ্ত কৰ্ণেলৰ সাংসাৰিক জীৱনৰ আধাৰত ৰচিত সেৱাব্ৰত বৰুৱাৰ নাট 'কৰ্ণেল চাহাবৰ সংসাৰ' নাটখন পৰিচালনা কৰিছিল আব্দুল মজিদে। সেৱাব্ৰত বৰুৱাৰ

আন এখন নাট অমূল্য কাকতিৰ নাটকৰ আধাৰত ৰচিত 'ধুমুহা পখীৰ সাধু' নাটখনো পৰিচালনা কৰিছিল আব্দুল মজিদে। জনপ্ৰিয় শিল্পী তপন দাসে সেৱাব্রত বৰুৱা ৰচিত তৃতীয়খন নাট 'পদাতিক' সফলতাৰে পৰিচালনা কৰি দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল।

এই বৰ্ষৰ নৃত্য-নাটিকা চাৰিখন হ'ল— অজিত তালুকদাৰৰ 'মৃত্যুদূত' আৰু 'সূৰ্য শিশুৰ কলৰৱ', গৰিমা হাজৰিকাৰ 'চাৰি বন্ধু' আৰু ৰবীন বৰুৱাৰ কাহিনীৰ আধাৰত দশৰথ দাসে নৃত্য-নাট্যৰূপ দিয়া 'নীলাঞ্জনা'। নৃত্য-নাটিকাবোৰ পৰিচালনা কৰিছিল মনেশ্বৰ দাস আৰু কুমাৰ আদিত্যই। নৃত্য শিল্পীসকল হ'ল— পুতুলী হালৈ, পদুমী পাঠক, যুতিকা দাস, ভানু দাস, পম্পী অধিকাৰী, চেনেহী বসুমতাৰী, ডিম্বেশ্বৰ তালুকদাৰ, ফুলেন ভৰালী, অপূৰ্ব উজিৰ, ৰণজিৎ শইকীয়া, শ্ৰীকান্ত বসুমতাৰী আৰু তৰুণ শৰ্মা।

দশৰথ দাসৰ সংগীত পৰিচালনাত কণ্ঠশিল্পী সফল আছিল— দশৰথ দাস, অলি লাহন আৰু অনামিকা শৰ্মা। বাদ্য যন্ত্রত সংগত কৰিছিল প্ৰসেনজিৎ দাস, যতীন পাঠক, কান্তেশ্বৰ দাস, বাপন পাঠক, দিবাকৰ পাঠক, কৰ্ণ বড়ো, হিতেশ দাস, ৰঞ্জিৎ কাকতি আৰু দেবু ৰয়ে। পোহৰ নিৰ্দেশনাত আৰু শব্দ নিৰ্দেশনাৰ দায়িত্বত আছিল ক্ৰমে তাপস সেন আৰু গিৰীশ হালৈ। আদ্য শৰ্মাৰ সহায়ত এই বৰ্ষৰ কলা নিৰ্দেশনা কৰিছিল হৰিজৎ সিঙে। এই বছৰৰ গীতসমূহ ৰচনা কৰিছিল অজিত তালুকদাৰ, দশৰথ দাস, সেৱাব্রত বৰুৱা আৰু তপন দাসে।

একবিংশ বছৰৰ পৰিক্ৰমা (১৯৯৬-৯৭) ঃ জাহ্নু বৰুৱাৰ বিশ্ব বিশ্ৰুত কথাছবি 'সাগৰলৈ বহু দূৰ' শীৰ্ষক চলচ্চিত্ৰখনৰ আলমত মনোৰম গগৈয়ে ৰচনা কৰা উপন্যাসৰ আধাৰত মহেন্দ্ৰ বৰঠাকুৰে কহিনুৰৰ মঞ্চৰ বাবে ৰচনা কৰি উলিয়ায় একে নামৰ এখনি নাট। অতুল বৰদলৈৰ পৰিচালনাত 'সাগৰলৈ বহু দূৰ' নামৰ নাটখনে দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। এখনি চলচ্চিত্ৰক ভ্ৰাম্যমাণৰ মঞ্চত অৰ্থবহভাৱে উপস্থাপন কৰাটো এক দুৰূহ কাম যদিও বৰদলৈৰ পৰিচালনাত সেই প্ৰচেষ্টা ফলৱতী হৈছিল। কলা নিৰ্দেশক চন্দন চুতীয়া, আলোক নিয়ন্ত্রক নিৰ্মল লহকৰ আৰু সঙ্গীত পৰিচালক দশৰথ দাসৰ সন্মিলিত প্ৰচেষ্টাত নাটখনে সঁচা অৰ্থত দৰ্শকৰ অন্তৰ জয় কৰিব পাৰিছিল। পোৱালৰ ৰূপত দিলীপৰঞ্জন দত্তৰ অভিনয় আছিল হৃদয়স্পৰ্শী। শিশু শিল্পী ৰিতুমণি তালুকদাৰৰ অভিনয় মনপৰশা বিধৰ হৈছিলগৈ। একেদৰে নাটখনৰ আন আন চৰিত্ৰত দেৱজিৎ মজুমদাৰ, অৰ্চনা বৰা, তপন দাস আৰু ৰতন লহকৰৰ অভিনয় নিখুঁত আছিল। এই বৰ্ষৰ আন অভিনেতা-অভিনেত্ৰীসকল হ'ল— দীপক তালুকদাৰ, পৰমা কলিতা, হেমেন শৰ্মা, চিমি গোস্বামী, মীনাক্ষি দত্ত, ববী লহকৰ, ডিম্বেশ্বৰ তালুকদাৰ, ৰাজীৱ লোচন বৰা, লক্ষ্মী বৰদলৈ, সুনীল দত্ত আৰু পৱন গায়ন। এই বৰ্ষৰ আন নাটসমূহ হ'ল সেৱাব্রত বৰুৱা ৰচিত আৰু তপন দাস পৰিচালিত 'অশ্লীল', অতুল বৰদলৈৰ ৰচনা আৰু পৰিচালনাৰ 'আজিৰ চাণক্য', অৰুণ শৰ্মাৰ মূল মঞ্চ নাটৰ মহেন্দ্ৰ বৰঠাকুৰে কৰা অভিযোজনা 'সূৰুয' (পৰিচালনা

ঃ তপন দাস) আৰু সেৱাব্রত বৰুৱাৰ ৰচনা আৰু অতুল বৰদলৈ পৰিচালনাৰ 'ৰণভূমি'।

একবিংশ বৰ্ষত কহিনুৰে মুঠতে চাৰিখন নৃত্য-নাটিকা মঞ্চত পৰিবেশন কৰে। এইকেইখন হ'ল অজিত তালুকদাৰৰ 'শিলৰ চকুলো', 'আমাৰ শিৰ', 'বান্দৰ, জোনাকী পৰুৱা আৰু চৰাই' (মূল ঃ পঞ্চতন্ত্র), মইনুল হকৰ 'অসমে আকৌ হাঁহিছে' আৰু দশৰথ দাসৰ 'মেঘকন্যা'। নৃত্য পৰিচালনা কৰিছিল মনেশ্বৰ দাসে। নৃত্য শিল্পীসকল হ'ল— ডিম্বেশ্বৰ তালুকদাৰ, ফুলেন ভৰালী, দীপক দুৱৰা, গুৰু প্ৰসাদ দাস, ৰাজু দাস, জগদীশ দাস, ভানু দাস, ৰুণুমী চৌধুৰী, ৰুমী গগৈ, অষ্টমী কলিতা আৰু মাইনু শইকীয়া। এই বৰ্ষৰ কণ্ঠশিল্পী সকল হ'ল— দশৰথ দাস, অলি লাহন আৰু পূৰ্ণিমা স্বৰ্গীয়াৰী। নাটক আৰু নৃত্য-নাটিকাৰ গীতসমূহ ৰচনা কৰিছিল অজিত তালুকদাৰ, দশৰথ দাস আৰু তপন দাসে। এইবাৰৰ বাদ্যযন্ত্রীসকল হ'ল— দশৰথ দাস, মাণিক সিং ৰয়, লাচিত স্বৰ্গীয়াৰী, ভগৱান ৰয়, প্ৰবীণ তালুকদাৰ, অসীম বড়ো, হিৰণ্য দাস, ৰঞ্জিত কাকতি, অসমী বসুমতাৰী আৰু অমূল্য ডেকা। উল্লেখযোগ্য যে এই বৰ্ষত বিশিষ্ট মুকাভিনয় শিল্পী মইনুল হকেও কহিনুৰৰ মঞ্চত মুকাভিনয় প্ৰদৰ্শন কৰিছিল।

দ্বাবিংশ বৰ্ষৰ পৰিক্ৰমা (১৯৯৭-৯৮) ঃ এই বৰ্ষত কহিনুৰৰ মঞ্চত পৰিবেশিত নাটসমূহ আছিল হেমন্ত দত্তৰ ৰচনা আৰু পৰিচালনাৰ 'ভয়' আৰু 'ক্ৰান্তিকাল'; সেৱাব্রত বৰুৱাৰ ৰচনা আৰু অতুল বৰদলৈৰ পৰিচালনাৰ 'নকলহীৰা' আৰু মহেন্দ্ৰ বৰঠাকুৰৰ ৰচনা আৰু অতুল বৰদলৈৰ পৰিচালনাৰ 'কাৰাগাৰৰ বাঘ'। এই বছৰৰ অভিনেতা-অভিনেত্ৰীসকল হ'ল— দিলীপৰঞ্জন দত্ত, ৰতন লহকৰ, অশ্বিনী বৰা, প্ৰণৱ শৰ্মা, সুশীল দত্ত, ৰাজীৱ লোচন বৰা, লক্ষ্মী বৰদলৈ, দীপক তালুকদাৰ, পৰমা কলিতা, ডিম্বেশ্বৰ তালুকদাৰ, নাজিমূল ইছলাম, সমৰেন্দ্ৰ বৰ্মন, অৰ্চনা বৰা, মীনাক্ষি দত্ত, ৰীতা ভূএগ আৰু মানী গগৈ।

দ্বাবিংশ বৰ্ষত কহিনুৰৰ মঞ্চত পৰিবেশিত নৃত্য-নাটিকা সমূহ আছিল— অজিত তালুকদাৰ ৰচিত— 'আকাশৰ ঠিকনা', 'মুক্তিৰ সোণালী সপোন', 'জীয়া ভৰলীৰ উচুপনি' আৰু 'একতাৰ শকতি'। নৃত্য পৰিচালনা কৰিছিল মনেশ্বৰ দাসে। নৃত্যশিল্পীসকল হ'ল— ডিম্বেশ্বৰ তালুকদাৰৰ, ফুলেন ভৰালী, দীপক দুৱৰা, ৰাজু দাস, ৰঞ্জিত শইকীয়া, অকণি কলিতা, গীতিকা ভূএগ, মমী শইকীয়া, অৰ্চনা দাস, মণি ৰয় আৰু মনোমতী দাস। সংগীত পৰিচালক দশৰথ দাসক কণ্ঠক সহযোগ কৰিছিল পূৰ্ণিমা স্বৰ্গীয়াৰী আৰু অঞ্জনা দাসে। আনহাতে বাদ্য যন্ত্রত সংগত কৰিছিল— ভগৱান ৰয়, প্ৰবীণ তালুকদাৰ, অসীম বড়ো, লাচিত স্বৰ্গীয়াৰী, ৰঞ্জিৎ কাকতি, অমূল্য ডেকা আৰু টিকেন দাসে। এই বৰ্ষৰ গীতিকাৰ সকল আছিল অজিত তালুকদাৰ, দশৰথ দাস আৰু হেমন্ত দত্ত। আদ্য শৰ্মাৰ কলা নিৰ্দেশনাত সহকাৰী সকল আছিল সন্তোষ ঘোষ, নিৰ্মল লহকৰ আৰু মনজিৎ। ৰূপসজ্জা আৰু দৃশ্য সজ্জাৰ দায়িত্বত আছিল ক্ৰমে ভবেন ডেকা আৰু ভূপেন বড়ো।

ত্ৰয়োবিংশ বছৰৰ পৰিক্ৰমা (১৯৯৮-৯৯) ঃ এই বৰ্ষত কহিনুৰে জেমছ্ কেমৰুণৰ

বিশ্ব-বিখ্যাত চলচ্চিত্ৰ 'টাইটানিক'ক মঞ্চলৈ আদৰি আনি ভ্ৰাম্যমাণৰ মঞ্চত এক নতুন চাঞ্চল্যৰ সৃষ্টি কৰে। হেমন্ত দত্তই মঞ্চৰূপ দিয়া তথা পৰিচালনা কৰা এই নাটখনে উক্ত বৰ্ষত বৃহৎ ব্যৱসায়িক সফলতা দিয়াৰ লগতে দেশ-বিদেশৰ সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। অসমৰ বিভিন্ন ঠাইত কহিনুৰে প্ৰায় আটাইকেইটা নিশাতে টাইটানিক প্ৰদৰ্শন কৰিব লগা হৈছিল আৰু একোটা দিনতে নাটখনৰ তিনিটা পৰ্যন্ত দৰ্শনী আয়োজন কৰিব লগা হৈছিল। নাটকখনে দেশ-বিদেশৰ সাংবাদিক-সমালোচকৰ আগত অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰক উন্মুখ কৰোৱাৰ লগতে প্ৰথমবাৰৰ বাবে ভ্ৰাম্যমাণক আন্তৰ্জাতিক পৰ্যায়ত উপস্থাপন কৰাবলৈ সক্ষম হৈছিল। 'ইণ্ডিয়া টুডে' নামৰ আলোচনীখনত টাইটানিকৰ মূল পৰিচালক জেমছ কেমৰুণৰ সৈতে কহিনুৰৰ প্ৰযোজক ৰতন লহকৰক তুলনা কৰা হৈছিল। একেদৰে উক্ত বৰ্ষৰ পৰা অসমৰ ভ্ৰাম্যমাণক কেন্দ্ৰ কৰি বহুসংখ্যক তথ্যচিত্ৰ পৰিচালকে তথ্যচিত্ৰ নিৰ্মাণ কৰিবলৈ আগবাঢ়ি আহে। নাটখনত কুন্তলজ্যোতি গোস্বামী আৰু নিকুমণি বৰুৱাই মূল চৰিত্ৰ দুটিত হৃদয়স্পৰ্শী অভিনয় কৰিছিল। দিলীপৰঞ্জন দত্ত, হেমন্ত দত্ত, অশ্বিনী বৰুৱা, সুনীল দত্ত, গুণেশ্বৰ ভূএগ, মীনাক্ষি ভৰালী আদি শিল্পীসকলৰ অভিনয় আছিল প্ৰশংসনীয়। দশৰথ দাসৰ সংগীত পৰিচালনাত নাটখনৰ আবহ সংগীত অতি উচ্চমানৰ হৈছিল। একেদৰে আদ্য শৰ্মাৰ কলা নিৰ্দেশনাৰ চমৎকাৰ কৌশলৰ বাবেহে সাগৰৰ দৃশ্যৰাজি, জাহাজ দুৰ্ঘটনা আদি দৃশ্য মঞ্চত উপস্থাপন কৰাটো সম্ভৱপৰ হৈছিল। এই বৰ্ষত মঞ্চসজ্জা আৰু ৰূপসজ্জাৰ দায়িত্বত আছিল ক্ৰমে ধনী হালৈ আৰু ভৱেশ ডেকা। এই বৰ্ষৰ আন অভিনেতা-অভিনেত্ৰীসকল হ'ল— নাজিমূল ইছলাম, লক্ষী বৰদলৈ, দীপক তালুকদাৰ, মনোজ হাজৰিকা, উৎসৱ ডেকা, পৰমা কলিতা, ফুলেন ভৰালী, দীপক দুৱৰা, লতা চেতিয়া আৰু ৰঞ্জুশ্ৰী বৰা।

উৎপল দত্তৰ 'সাদা পোচান' নাটকৰ ছাঁ লৈ সেৱাব্ৰত বৰুৱাই ৰচনা কৰা 'অঘৰী অঞ্জনা' আছিল এই বছৰৰ আন এখন উল্লেখনীয় নাট। নাটখন পৰিচালনা কৰিছিল হেমন্ত দত্তই। ৰাম গোস্বামীৰ কাহিনীৰ ছাঁলৈ মহেন্দ্ৰ বৰঠাকুৰে ৰচনা ক ৰা 'প্ৰতিমা' আৰু হেমন্ত দত্তৰ 'তেজ' নামৰ নাটদুখনো আছিল কহিনুৰৰ এই বৰ্ষৰ দুখন উল্লেখনীয় নাট। দুয়োখন নাটৰে পৰিচালক আছিল হেমন্ত দত্ত।

ত্ৰয়োবিংশ বৰ্ষত কহিনুৰে খুব কম মঞ্চতহে নৃত্য-নাটিকা প্ৰদৰ্শন কৰিব পাৰিছিল। প্ৰদৰ্শনীৰ সংখ্যা বৃদ্ধিৰ বাবে নৃত্য-নাটিকা নোহোৱাকৈয়ে নাটসমূহ পৰিবেশন কৰা হৈছিল। এই বছৰৰ গীতি-নৃত্য নাটিকা সমূহ হ'ল— ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'সোণপখিলী', অজিত তালুকদাৰৰ 'মানুহৰ পৃথিৱী' আৰু 'জীৱনৰ চাকি'। মনেশ্বৰ দাসে নৃত্য পৰিচালনা কৰিছিল আৰু গীত সমূহ ৰচনা কৰিছিল অজিত তালুকদাৰ, দশৰথ দাস আৰু হেমন্ত দত্তই। নৃত্য শিল্পীসকল হ'ল— ফুলেন ভৰালী, ৰঞ্জিত শইকীয়া, দীপক দুৱৰা, ৰূপজ্যোতি গগৈ, শংকৰজ্যোতি দত্ত, মঞ্জুমণি ৰয়, নৰ্মদা বৰ্মন, কবিতা গগৈ, নিজুমণি

কলিতা, মৃদুলা কলিতা, আৰু দীপামণি চুতীয়া। যন্ত্ৰ শিল্পীসকল হ'ল— যতীন পাঠক, কান্তেশ্বৰ দাস, টিকেন পাঠক, প্ৰৱীণ তালুকদাৰ, প্ৰকাশ দাস, দিলীপ দাস, অমূল্য ডেকা, দশৰথ দাস, প্ৰতাপ কলিতা, বিপুল বৰ্মন, ৰঞ্জন ভৰালী আৰু ধৰ্মেশ্বৰ ডেকা। এই বছৰৰ কণ্ঠশিল্পীসকল হ'ল— দশৰথ দাস, দীপালি বৰ্মণ, জোনমণি দেৱী আৰু চাণক্য হাজৰিকা। শব্দ নিৰ্দেশনাৰ দায়িত্বত আছিল শ্যামল বৰ্মন আৰু দীপক ভৰালী।

চতুৰ্বিংশ বছৰৰ পৰিক্ৰমা (১৯৯৯-২০০০) : সম্পূৰ্ণ এক ব্যতিক্ৰমী প্ৰয়াস কহিনুৰে এইবেলি দৰ্শকৰ সমুখলৈ লৈ আনিলে। অসমৰ জাতীয় জীৱনৰ আপোচহীন পুৰুষ, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱনৰ ভিত্তিত মহেন্দ্ৰ বৰঠাকুৰে ৰচনা কৰা 'বিষ্ণুপ্ৰসাদ' নাটখন কহিনুৰে এইবেলি মঞ্চস্থ কৰে। নাটখন সন্দৰ্ভত নাট্যকাৰ মহেন্দ্ৰ বৰঠাকুৰৰ মতামত আছিল এনেধৰণৰ ... 'আমাৰ মুখ্য উদ্দেশ্য উত্তৰ প্ৰজন্মই ৰাভাৰ দৰে সংস্কৃতি সংগ্ৰামী ৰাজনীতিক, ক্ৰীড়াবিদ আদি অসাধাৰণ প্ৰতিভাসম্পন্ন পুৰুষ জনক জানক। ৰাভাক আমি দেৱতা সজাব খোজা নাই, অতিমানৱ কৰিব খোজা নাই, মাটিৰ মানুহ, মানুহৰ মানুহ কৰিয়েই দেখুৱাব খুজিছো'।

বিষ্ণু ৰাভাৰ বৰ্ণাঢ্য জীৱনৰ সামগ্ৰিকতাক নাটখনত তুলি ধৰাৰ এক প্ৰয়াস কৰা হৈছিল। বিষ্ণু ৰাভাৰ জীৱনৰ আদি কালছোৱা নেপথ্যৰ বৰ্ণনাৰে দাঙি ধৰা হৈছিল। নাট পৰিচালক হেমন্ত দত্ত আৰু মহানন্দ শৰ্মাৰ প্ৰচেষ্টাত নাটখনে আশাতীত সাফল্য লাভ কৰিছিল। বিষ্ণুৰাভাৰ জীৱনৰ আদিছোৱাৰ প্ৰতীকী উপস্থাপন মনোগ্ৰাহী হোৱাৰ লগতে নাটখন গতিশীল হোৱাত ই সহায় কৰিছিল। ফণী শৰ্মাৰ সতে অভিন্ন বন্ধুত্ব, নিৰু আৰু কনকলতাৰ স'তে সংযোগ, বিপ্লৱী সংগঠনৰ কাম কাজ, কাৰাগাৰৰ জীৱন, চীনা যুদ্ধৰ সময়ত পুলিচে কঁকালত ৰছীৰে বান্ধি নিয়া দৃশ্য আদি ঘটনাৰ নাটকীয় উপস্থাপন আছিল প্ৰশংসনীয়। দশৰথ দাসৰ অনুপম সংগীত পৰিচালনা অবিহনে নাটখনে হয়তো ভবা ধৰণে উৎকৃষ্টতাৰ সীমা চুব নোৱাৰিলেহেঁতেন। বিশেষকৈ ৰাভাৰ চিৰযুগমীয়া গীতবোৰ দশৰথ দাস, কণ্ঠশিল্পী দীপালি মালাকৰ আৰু জোনমণি দেৱীৰ কণ্ঠত অতি সুৰীয়া হৈ দৰ্শকক মুগ্ধ কৰিছিল। আলোক নিৰ্দেশক নিৰ্মল লহকৰ আৰু কলা নিৰ্দেশক আদ্য শৰ্মাৰ অৱদান আছিল এইক্ষেত্ৰত উল্লেখনীয়। নাটখনিৰ নাম ভূমিকাত পৃথ্বিৰাজ ৰাভা আৰু ফণী শৰ্মাৰ ভূমিকাত মহানন্দ শৰ্মাই অনন্য অভিনয় কৰিছিল। হেমন্ত দত্ত, অশ্বিনী বৰুৱা, সুনীল দত্ত, পৰমা কলিতা,মণিতা কাকতি, গুণেশ্বৰ ভূএগ, নাজিমূল হুছেইন, আদিৰ অভিনয়ো আছিল চৰিত্ৰানুগত। এই বৰ্ষৰ আন নাটসমূহ আছিল হেমন্ত দত্ত ৰচিত 'বন্দী' (পৰিচালনা : হেমন্ত দত্ত, মহানন্দ শৰ্মা), 'দেৱী মনসা' আৰু 'টাইটানিক'। শেহৰ নাট দুখন পৰিচালনা কৰিছিল নাট্যকাৰ হেমন্ত দত্তই। এইবাৰৰ আন অভিনেতা-অভিনেত্ৰীসকল হ'ল— নাজিমূল ইছলাম, গুণেশ্বৰ ভূএগ, পৰমা কলিতা, হেমেন শৰ্মা, দুলু বৰদলৈ, দেৱজিৎ বৰা, দিলীপ হীৰা, দীপক দুৱৰা, ফুলেন ভৰালী, ৰতন লহকৰ, ৰঞ্জুশ্ৰী বৰা, বিনীতা দাস, জানমণি

তামুলী, আৰু মণি শইকীয়া।

চতুৰ্বিংশ বৰ্ষৰ নৃত্য-নাটিকা তিনিখন হ'ল জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'সোণপখিলী', অজিত তালুকদাৰৰ 'মৃত্যুঞ্জয়ী' আৰু 'অজান্তি মুলুক সংবাদ'। মনেশ্বৰ দাসৰ নৃত্য পৰিচালনাত নৃত্য-নাটিকাবোৰত নৃত্য শিল্পীৰূপে নৃত্য পৰিবেশন কৰিছিল— ফুলেন ভৰালী, দীপক দুৱৰা, ৰঞ্জিৎ শইকীয়া, ধ্ৰুৱ মালাকৰ, দীপক দাস, পদুমী পাঠক, প্ৰভা দাস, জুনুমণি দাস, ববিতা দাস আৰু মৃদুলা কলিতাই। গীতিকাৰ আছিল ক্ৰমে অজিত তালুকদাৰ, দশৰথ দাস আৰু হেমন্ত দত্ত। যন্ত্ৰ-শিল্পীসকল হ'ল— দশৰথ দাস, কান্তেশ্বৰ দাস, যতীন পাঠক, প্ৰসেনজিৎ দাস, টিকেন পাঠক, গিৰীশ পাঠক, প্ৰসন্ন বৰুৱা আৰু অমূল্য ডেকা।

পঞ্চবিংশ বৰ্ষৰ পৰিক্ৰমা (২০০০-২০০১) ঃ এইবেলি কহিনুৰে ইয়াৰ নিৰৱচ্ছিন্ন যাত্ৰাৰ পছিশ বছৰ পূৰ্ণ কৰিলে। একেদৰে ইয়াৰ মুখপত্ৰ কৰণিৰো ২৫ টা বৰ্ষ পূৰ্ণ হ'ল। ইয়াৰ আগতে কেৱল ভ্ৰাম্যমান থিয়েটাৰতে নহয়, অসমৰ যিকোনো সাংস্কৃতিক মঞ্চৰ এনে নিয়মীয়া মুখপত্ৰৰ ধাৰাবাহিকতা অব্যাহত নাছিল।

ৰূপালী জয়ন্তী বৰ্ষত কহিনুৰ থিয়েটাৰে অসমৰ এখন অতি জনপ্ৰিয় 'অনুৰাধাৰ দেশ' নামৰ উপন্যাসখনক মঞ্চৰূপ দিয়াৰ পৰিকল্পনা গ্ৰহণ কৰে। ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ বহুপঠিত উপন্যাসখনৰ মঞ্চৰূপ দিয়ে হেমন্ত দত্তই। উৰিষ্যাৰ পাৰা দ্বীপত তেলৰ সন্ধানৰ এগৰাকী অভিযন্তাৰ হৃদয়ৰ কাহিনীক লৈ ৰচিত এই উপন্যাসখনে পাঠকৰ মাজত বিপুলভাৱে জনপ্ৰিয়তা লভিছিল বাবে উপন্যাসখনৰ মঞ্চৰূপেও সমানে জনপ্ৰিয়তা লাভ কৰাৰ আশা কৰা হৈছিল। অনুৰাধাৰ দেশ নাটখনে আশাকৰা ধৰণে সফলতাও লাভ কৰিছিল। মূল চৰিত্ৰত প্ৰাঞ্জনা দত্ত আৰু প্ৰবাল বৰঠাকুৰে দৰ্শনীয় অভিনয় কৰিছিল। আন শিল্পী সুনীল দত্ত, তাপসনন্দন বৰদলৈ, নাজিমুল ইছলাম, হেমেন শৰ্মা, গুণেশ্বৰ ভূঞা বীৰেন বৰুৱা, ইতিৰাণী ডেকা পাঠক, কল্পনা শৰ্মা আদিৰ অভিনয় প্ৰশংসনীয় হৈছিল। হেমন্ত দত্তৰ নাট্য পৰিচালনাত তথা দশৰথ দাসৰ সংগীত পৰিচালনাত নাটখন অধিক জীৱন্ত হৈ পৰিছিল। আদ্য শৰ্মাৰ কলা আৰু নিৰ্মল লহকৰৰ পোহৰ নিৰ্দেশনাত নাটখনৰ মঞ্চায়ন দৰ্শকৰ বাবে গ্ৰহণীয় হৈ উঠিছিল।

ৰূপালী জয়ন্তী বৰ্ষত কহিনুৰত অভিনয় কৰা আন শিল্পীসকল হ'ল হেমন্ত দত্ত, মীনাক্ষি ফুকন বৰা, দীপাশিখা বৰা, দীপক তালুকদাৰ, ইউচুফ আলি খান (ৰাজ), বিপুল দাস, কণমণি ঠাকুৰীয়া, নৱ লহকৰ, ফুলেন ভৰালী, দীপক দুৱৰা, ৰঞ্জিত শইকীয়া, হেমন্ত মেধি আৰু পৰমা কলিতা। এই বৰ্ষৰ আন নাটসমূহ হ'ল হেমন্ত দত্তৰ ৰচনা আৰু পৰিচালনাৰ 'হিয়াত প্ৰেমৰ ফুল' মহেন্দ্ৰ বৰঠাকুৰৰ 'মুখাৰ মুখ', ৰঞ্জিত শৰ্মাৰ মূল কাহিনীৰ আধাৰত মহেন্দ্ৰ বৰঠাকুৰে মঞ্চ অভিযোজনা কৰা 'প্ৰিয় শত্ৰু' আৰু পূৰ্বৰ নাট 'টাইটানিক'। নাটসমূহ পৰিচালনা কৰিছিল হেমন্ত দত্তই।

এই বৰ্ষত কহিনুৰে অজিত তালুকদাৰ আৰু দশৰথ দাসে ৰচনা কৰা তিনিখন নৃত্য-

নাটিকা পৰিবেশন কৰে। এই বৰ্ষৰ নৃত্য শিল্পীসকল হ'ল— ফুলেন ভৰালী, দীপক দুৱাৰ, ৰঞ্জিত ৰাজবংশী, ৰঞ্জিত শইকীয়া, হেমন্ত মেধি, গীতা কলিতা, প্ৰণীতা ৰাজবংশী, জুৰি গগৈ, মনালিছা ভূএগ আৰু টুটুমণি ৰয়। দশৰথ দাসৰ সংগীত পৰিচালনাত গীতবোৰত কণ্ঠদান কৰিছিল দশৰথ দাস, পূৰ্ণিমা স্বৰ্গীয়াৰী আৰু তুলিকা দাসে। যন্ত্ৰশিল্পীসকল হ'ল দশৰথ দাস, কান্তেশ্বৰ দাস, যতীন পাঠক, লাচিত স্বৰ্গীয়াৰী, টিকেন পাঠক, গিৰীশ পাঠক, মনোজ দাস, গোপী ডেকা আৰু অমূল্য ডেকা।

নৃত্য পৰিচালনা কৰিছিল অসীম বৈশ্য, মনেশ্বৰ দাস আৰু গুণেশ্বৰ ভূঞাই। গীত সমূহ ৰচনা কৰিছিল অজিত তালুকদাৰ, দশৰথ দাস আৰু হেমন্ত দত্তই। ৰূপসজ্জা আৰু মঞ্চসজ্জাৰ দায়িত্বত আছিল ক্ৰমে ভবেশ ডেকা আৰু ধনী হালৈ।

ষষ্ঠবিংশ বৰ্ষৰ পৰিক্ৰমা (২০০১-২০০২) ঃ ড° প্ৰণৱজ্যোতি ডেকাৰ উপন্যাসৰ কাহিনীৰ আধাৰত পংকজজ্যোতি ভূঞাই দিয়া নাট্যৰূপ 'তেজপিয়া গোসাঁনী' এই বৰ্ষৰ এখন উল্লেখনীয় নাট। এগৰাকী মূৰ্তি বিশেষজ্ঞৰ নেতৃত্বত উত্তৰ কামৰূপৰ সুৱনখাটা হাবিৰ মাজত গুপ্ত মহামায়াৰ এটি মন্দিৰত মহামায়াৰ সোণৰ মূৰ্তি উদ্ধাৰ কৰিবলৈ এটি দল উপস্থিত হ'ল। দলটোত আছিল চৰকাৰী অনুজ্ঞাপত্ৰৰে নকল মূৰ্তিৰ ব্যৱসায়ী মোহন খাণ্ডেলৱাল, তিব্বতৰ সন্ন্যাসী ৰিমপোছ, ৰিমপোছ বাবাৰ সহায়িকা সন্ন্যাসিনী গীতা দেৱী, খাণ্ডেলৱালাৰ ভাগিনীয়েক ডেইজী, মূৰ্তি বিশেষজ্ঞ বিশ্বেশ্বৰ মিশ্ৰক গৱেষণাত সহায় কৰিবলৈ চৰকাৰে দিয়া গৱেষক পুণ্য চক্ৰৱৰ্তী আদি লোকসকল। অৱশেষত মূৰ্তিটো উদ্ধাৰ হ'ল যদিও চৰকাৰী ডাকবঙলাৰ চকীদাৰে তেওঁলোকক সতৰ্ক কৰি দিলে— 'মূৰ্তিটো আকৌ আগৰ ঠাইতে থৈ আহক। এইজনা গোসাঁনী এতিয়াও জাগ্ৰত।' পৰৱৰ্তী সময়ত এজন এজনকৈ কেবাজনো মৃত্যুমুখত পৰিল। কোনে হত্যা কৰিলে মিশ্ৰ, গীতা দেৱী অথবা চকীদাৰক? এনে এক চাচপেন্সৰ মাজেৰে নাটৰ কাহিনীভাগ আগবাঢ়ে। নাটখন পৰিচালনা কৰিছিল হেমন্ত দত্তই। হেমন্ত দত্তৰ ৰচনা আৰু পৰিচালনাৰে আন দুখন নাট আছিল 'উলঙ্গ নাচোন' আৰু 'খোজ'।

অসমৰ ইতিহাসৰ এক গৌৰৱোজ্বল অধ্যায় কোচ ৰাজবংশৰ চিৰ-পৰাক্ৰমী বীৰ মহাবীৰ চিলাৰায়ৰ জীৱন কাহিনীৰ আধাৰত মহেন্দ্ৰ বৰঠাকুৰে ৰচনা কৰা 'মহাবীৰ চিলাৰায়' এই বছৰৰ এক ব্যতিক্ৰমী প্ৰয়াস আছিল। শাস্ত্ৰজ্ঞ পণ্ডিত, চিকিৎসক, সংগীতপ্ৰেমী, চিত্ৰকৰ, ৰাজনীতিজ্ঞ চিলাৰায়ক ভাৰতীয় নৌ-বাহিনীৰো প্ৰথম প্ৰৱৰ্তক আখ্যা দিয়া হয়। হেমন্ত দত্তৰ পৰিচালনাত নাটখনি ভ্ৰাম্যমাণৰ ইতিহাসত এক অনন্য নাট বুলি বিবেচিত হৈছে। চৰিত্ৰসমূহৰ সঠিক উপস্থাপন, বৰগীতৰ ব্যৱহাৰ, থলুৱা নৃত্য-গীতক নাটখনিৰ সৈতে ৰজিতা খোৱাকৈ সঠিকৰূপত ব্যৱহাৰ কৰা আৰু আলোকসজ্জাই নাটখন আকৰ্ষণীয় কৰি তুলিছিল। প্ৰদীপ নিশীথ (চিলাৰায়), মৃদুল চুতীয়া (নৰনাৰায়ণ) জ্যোৎস্না কলিতা (ৰাজমাতা), বিনীতা কলিতা (বৌ মাতৃ), জীতা শইকীয়া (ভুৱনেশ্বৰী) আদিৰ অভিনয়

আছিল শলাগলব'লগীয়া। একেদৰে সংগীত পৰিচালক দশৰথ দাস, আলোক নিয়ন্ত্ৰক কৰুণা পাঠক, আদ্য শৰ্মা আৰু মনো দত্তৰ কলা নিৰ্দেশনা আছিল নাটখনৰ উল্লেখনীয় বৈশিষ্ট্য।

এই বৰ্ষৰ আন অভিনয় শিল্পীসকল হ'ল— হেমন্ত দত্ত, দীপক তালুকদাৰ, বিজু ভট্ট, ধৰ্মেন্দ্ৰ নাথ, দিগন্ত চৌধুৰী, গুণেশ্বৰ ভূঞা, হেমেন শৰ্মা, ইলিয়াছ দেৱান, ভগৱান কলিতা, চিন্ময় কটকী, অজিত কুমাৰ বৰুৱা, পৰমা কলিতা, মণি দেৱী, বীণা পটঙ্গীয়া আৰু জ্যোৎস্না লস্কৰ।

এই বছৰত কহিনুৰৰ মঞ্চত মুঠতে তিনিখনি নৃত্য-নাটিকা পৰিবেশিত হয়। এইবোৰ হ'ল— আব্দুল কৰিম খানৰ 'নয়নৰ কাজল' আৰু অজিত তালুকদাৰৰ 'মধুময় পৃথিৱী' আৰু 'উৰ্বশী' (পৌৰাণিক আখ্যান)। নৃত্য পৰিচালনা কৰিছিল— গুণেশ্বৰ ভূঞা, অসীম বৈশ্য আৰু আব্দুল কৰিম খানে। এইবেলিৰ নৃত্য শিল্পীসকল হ'ল হেমন্ত মেধি, ৰণজিৎ শইকীয়া, গৌতম পাটৰ, উৎপল বৰ্মন, সঞ্জীৱ পাটগিৰি, গীতা কলিতা, প্ৰণীতা ৰাজবংশী, প্ৰতিভা ডেকা, ৰেখা দেৱী আৰু মীনা ৰয়। কণ্ঠ শিল্পীসকল হ'ল দশৰথ দাস, পূৰ্ণিমা স্বৰ্গীয়াৰী আৰু অৰ্চনা দাস। যন্ত্ৰ শিল্পীসকল হ'ল— দশৰথ দাস, কান্তেশ্বৰ দাস, যতীন পাঠক, মনোজ দাস, টিকেন পাঠক, গিৰীশ পাঠক, তৰুণ শৰ্মা, অমূল্য ডেকা আৰু লাচিত স্বৰ্গীয়াৰী। এই বছৰৰ গীতিকাৰ সকল হ'ল— অজিত তালুকদাৰ, দশৰথ দাস আৰু হেমন্ত দত্ত।

সপ্তবিংশ বৰ্ষৰ পৰিক্ৰমা (২০০২-২০০৩)ঃ এই বৰ্ষত কহিনুৰৰ মঞ্চত পৰিবেশিত নাটসমূহ আছিল হেমন্ত দত্তৰ ৰচনা আৰু পৰিচালনাৰ 'জুই' আৰু 'মোৰ প্ৰিয়াৰ আলিঙ্গন'; পংকজজ্যোতি ভূঞাৰ ৰচনা আৰু হেমন্ত দত্তৰ পৰিচালনাৰ 'মৃত্যুপথ', থমাছ হাৰ্ডীৰ উপন্যাসৰ আধাৰত মহেন্দ্ৰ বৰঠাকুৰ ৰচিত আৰু হেমন্ত দত্ত পৰিচালিত 'আবেলিৰ ৰং' আৰু হেমন্ত দত্ত পৰিচালিত 'টাইটানিক'।

এজন তৰুণ চিকিৎসকে গাঁৱত চিকিৎসা সেৱা আগবঢ়াবলৈ যোৱাক কেন্দ্ৰ কৰি ৰচনা কৰা 'মোৰ প্ৰিয়াৰ আলিঙ্গন' নাটখনত নাট্যকাৰে চহৰীয়া সমাজৰ কপটতাৰ বিপৰীতে গ্ৰাম্য জীৱনৰ সৰলতা, বড়ো জনগোষ্ঠীৰ মাজত ক্ৰমান্বয়ে বাঢ়ি অহা বিচ্ছিন্নতা আদিক উপস্থাপন কৰিছে। দশৰথ দাসৰ সংগীত, নুৰুদ্দিন আহমেদৰ কলা নিৰ্দেশনাই নাটখন অধিক প্ৰাণৱন্ত কৰি তুলিছিল। সুৰেন মহন্ত, গুণেশ্বৰ ভূঞা, হীৰেন মেধি, অশ্বিনী বৰুৱা, সুনীল দত্ত, ধৰ্মেন্দ্ৰ নাথ, বৰ্ণালী শৰ্মা আদিৰ অভিনয়ে নাটখন আকৰ্ষণীয় কৰি তুলিছিল।

উদীয়মান নাট্যকাৰ পংকজজ্যোতি ভূঞাৰ নাট 'মৃত্যুপথ' এই বৰ্ষৰ এখনি অগতানুগতিক নাটৰূপে দৰ্শকৰ দৃষ্টিত স্বীকৃতি লাভ কৰিছিল। নাটখনত এই ভোগ লালসা দুৰ্নীতিগ্ৰস্ত সমাজখনত ভোলা লখিমীৰ দৰে মৰম চেনেহেৰে পৰিপূৰ্ণ হৈ থকা অন্তৰৰ হোজা মানুহো যে আছে তাক দেখুওৱা হৈছিল। দিবাকৰ, ডেইজীৰ দৰে সুবিধাবাদী চৰিত্ৰ, পুতুল মহাজন

আৰু জেঠীৰ দৰে স্বাৰ্থ জড়িত চৰিত্ৰৰ আৰু শ্যামলৰ দৰে যুৱকৰ প্ৰতিবাদী কাহিনীৰে নাটকখন আগবাঢ়িছে।

এই বৰ্ষত কহিনুৰৰ আন অভিনেতা-অভিনেত্ৰীসকল হ'ল— চিন্ময় কটকী, জিতেন দাস, জয়ন্ত গগৈ, চন্দন বৰা, ৰাজু বৰা, মণিতা কাকতি, লিপিকা ভৰালী, জ্যোৎস্না লস্কৰ আৰু মিনতি শৰ্মা। পৰিবেশিত নৃত্য-নাটিকা সমূহ হ'ল— কবি হেম বৰুৱাৰ কবিতা 'মমতাৰ চিঠি'ৰ অজিত তালুকদাৰে দিয়া নৃত্যৰূপ 'তলসৰা শেৱালি', আব্দুল কৰিম খানৰ 'নয়নৰ কাজল', মইনুল হকৰ মুকাভিনয়সহ 'গভাইত চোৰ' আৰু অজিত তালুকদাৰৰ 'আপোন মাটিৰ চিনাকি সুৰ'। এই বৰ্ষৰ নৃত্য-নাটিকা সমূহৰ নৃত্য পৰিচালনা কৰিছিল ক্ৰমে গুণেশ্বৰ ভূঞা, আব্দুল কৰিম খান, ধনা দৈমাৰী আৰু মইনুল হকে। নৃত্য শিল্পীসকল হ'ল গুণেশ্বৰ ভূঞা, হেমন্ত মেধি, ৰঞ্জিত ৰাজবংশী, গৌতম পাটৰ, অপূৰ্ব উজিৰ, ধ্ৰুৱ মালাকৰ, গীতা কলিতা, প্ৰণীতা ৰাজবংশী, প্ৰতিভা ডেকা, ভনীতা বৰ্মন আৰু বনলতা ৰয়। কণ্ঠ শিল্পীসকল হ'ল দশৰথ দাস, পূৰ্ণিমা স্বৰ্গীয়াৰী আৰু ৰীতা উজিৰ। বাদ্যযন্ত্ৰত সংগত কৰিছিল লাচিত স্বৰ্গীয়াৰী, বিপিন বড়ো, অসীম বড়ো, ভগীৰথ ৰয়, অমূল্য ডেকা, কান্তেশ্বৰ দাস, যতীন পাঠক, গিৰীশ পাঠক, অখিল বৰ্মন আৰু চন্দিত ৰয়। এই বছৰৰ গীতসমূহ ৰচনা কৰিছিল অজিত তালুকদাৰ আৰু হেমন্ত দত্তই।

অষ্টাবিংশ বৰ্ষৰ পৰিক্ৰমা (২০০৩-২০০৪)ঃ কহিনুৰৰ মঞ্চত এই বৰ্ষত পৰিবেশিত নাটসমূহ হ'ল হেমন্ত দত্ত ৰচিত আৰু পৰিচালিত 'পাপ', 'হৃদয় এখন সাঁকো' আৰু 'জুই', বিশিষ্ট ঔপন্যাসিক কাঞ্চন বৰুৱাৰ একেই নামৰ উপন্যাসৰ মহেন্দ্ৰ বৰঠাকুৰে দিয়া নাট্যৰূপ 'অশান্ত প্ৰহৰ' আৰু অতুল বৰদলৈৰৰ দ্বাৰা সম্পাদিত আৰু হেমন্ত দত্ত পৰিচালিত নাট 'দেউতা'। কহিনুৰৰ মঞ্চৰ এই বছৰৰ অভিনেতা-অভিনেত্ৰীসকল হ'ল— সুৰেন মহন্ত, হীৰেন মেধি, সুনীল দত্ত, সুৰভি ডেকা, নাজবিন আখটাৰ, পৰ্ণালী শৰ্মা, অমিতাভ কলিতা, গুণেশ্বৰ ভূঞা, ধৰ্মেন্দ্ৰ নাথ, ইউচুফ আলি খান, জিতেন দাস, চিন্ময় কটকী, চন্দন বৰা, জিণ্টু শৰ্মা, তিলক শৰ্মা, নৱজ্যোতি কাশ্যপ, লিপিকা ভৰালী, আৰু মনালিছা শইকীয়া। হেমন্ত দত্তৰ মুখ্য নাটনিৰ্দেশনাত নাটসমূহ পৰিচালনা কৰাৰ দায়িত্ব সুৰেন মহন্তই লৈছিল।

অষ্টাবিংশ বৰ্ষত কহিনুৰৰ মঞ্চত পৰিবেশিত নৃত্য-নাটিকা সমূহ হ'ল— উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ বিখ্যাত উপন্যাস মিৰি-জীয়ৰীৰ আধাৰত অজিত তালুকদাৰ ৰচিত 'ঘুণা সুঁতিৰ চকুলোঁ', বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱৰ একে নামৰ আধাৰত অজিত তালুকদাৰ ৰচিত 'বহাগীৰ বিয়া', গোৱালপৰীয়া লোক-সংস্কৃতিৰ আলমত আব্দুল কৰিম খান ৰচিত আৰু পৰিচালিত 'নয়নৰ কাজল', ক্ষুদ্ৰ সঞ্চয় আঁচনিৰ বিষয়বস্তুক লৈ অজিত তালুকদাৰ ৰচিত 'আশাৰ চাকি' আৰু স্ব-নিয়োজন দুগ্ধপাম আঁচনিৰ আধাৰত অজিত তালুকদাৰৰ 'জীৱন জেউতি'। দশৰথ দাসৰ সংগীত পৰিচালনাত গীত সমূহত কণ্ঠদান কৰিছিল দশৰথ দাস, ধৰ্মেন্দ্ৰ নাথ, মৰমী দাস আৰু ছায়াৰাণী ব্ৰহ্মাই। নৃত্য পৰিচালনা

কৰিছিল গুণেশ্বৰ ভূঞা, আব্দুল কৰিম খান আৰু অসীম বৈশ্যই। নৃত্য শিল্পীসকল হ'ল— গুণেশ্বৰ ভূঞা, হেমন্ত মেধি, ৰঞ্জিত ৰাজবংশী, গৌতম পাটৰ, ধ্ৰুৱ মালাকৰ, কুমুদ শইকীয়া, প্ৰতিমা ডেকা, ভনিতা বৰ্মন, বনলতা ৰয়, মনালিছা ভূঞা আৰু উপমা ডেকা। যন্ত্ৰশিল্পীসকল হ'ল— যতীন পাঠক, কান্তেশ্বৰ দাস, বিপিন বড়ো, লাচিত স্বৰ্গীয়াৰী, অসীম বড়ো, অমূল্য ডেকা, গোপী ডেকা। পোহৰ আৰু কলা নিৰ্দেশনাৰ দায়িত্বত আছিল ক্ৰমে কৰুণা পাঠক আৰু নুৰুদ্দিন আহমেদ। এই বৰ্ষৰ গীতিকাৰ সকল হ'ল হেমন্ত দত্ত, অজিত তালুকদাৰ আৰু দশৰথ দাস।

উনত্ৰিশতম বৰ্ষৰ পৰিক্ৰমা (২০০৪-২০০৫) : টাইটানিকৰ পিছত কহিনুৰ এইবেলি আন এখন হলীউডৰ চলচিত্ৰ মঞ্চত ৰূপায়ণ কৰিবলৈ আগবাঢ়ে। ষ্টিফেন স্পিলবাৰ্গৰ বিখ্যাত সৃষ্টি 'জুৰাছিক পাৰ্ক' চলচ্চিত্ৰখনৰ আধাৰত সেৱাব্ৰত বৰুৱাৰ ৰচনা আৰু পৰিচালনাত 'ডাইন'ছৰৰ আতংক' কহিনুৰৰ মঞ্চত সফলভাৱে উপস্থাপন কৰা হয়। বিভূৰঞ্জন চৌধুৰী আৰু দীপক বৰুৱাৰ সংগীত পৰিচালনা, নুৰুদ্দিন আহমেদৰ কলা নিৰ্দেশনা আৰু কৰুণা পাঠকৰ পোহৰ নিয়ন্ত্ৰণৰ চমৎকাৰিতাৰ বাবে নাটখনে দৰ্শকৰ মাজত বিপুল জনপ্ৰিয়তা অৰ্জন কৰে। এখন কাৰিকৰী নাট এনেদৰে মঞ্চত পৰিবেশন কৰাটো এক বৃহৎ প্ৰত্যাহ্বানেই আছিল আৰু ৰতন লহকৰৰ সাহসী নেতৃত্বত কহিনুৰে এই প্ৰত্যাহ্বান সফলতাৰে অতিক্ৰম কৰিব পাৰিছিল। এই বৰ্ষতো কহিনুৰৰ মঞ্চত টাইটানিকৰ জয়যাত্ৰা অব্যাহত থাকে। উল্লেখ্য যে টাইটানিকৰ সফল মঞ্চায়নে ভ্ৰাম্যমাণক এক নতুন গতি প্ৰদান কৰিছিল। ভ্ৰাম্যমাণৰ ব্যৱসায় বঢ়াৰ লগতে নাট্যগোষ্ঠীবোৰে কাৰিকৰী নাটবোৰ মঞ্চত ৰূপায়ন কৰাৰ বাবে আগবাঢ়ি আহিছিল। স্বাভাৱিকভাৱে এনে কৰাত ছিৰিয়াছধৰ্মী নাটৰ ঠাইত ভ্ৰাম্যমাণে ক্ৰমান্বয়ে ব্যৱসায়িকভাৱে সফল চিনেমা কাহিনী আদিত দৃষ্টি নিবদ্ধ কৰিব লয়।

এই বৰ্ষৰ আন নাটসমূহ হ'ল— হেমন্ত দত্তৰ ৰচনা-পৰিচালনাৰ 'প্ৰেমৰ ঠিকনা', 'পত্নী আৰু মহেন্দ্ৰ বৰঠাকুৰৰ ৰচনা আৰু দিলীপ ৰঞ্জন দত্তৰ পৰিচালনাত 'মন-মন্দাকিনী'। এই বছৰৰ অভিনেতা-অভিনেত্ৰীসকল হ'ল— দিলীপৰঞ্জন দত্ত, হীৰেন মেধি, দিব্যজ্যোতি দাস, গুণেশ্বৰ ভূঞা, ধৰ্মেন্দ্ৰ নাথ, জিতেন দাস, চিন্ময় কটকী, চন্দন বৰা, সঞ্জীৱ কুমাৰ, পৰমা কলিতা, গুণ কলিতা, বৰ্ণালী শইকীয়া বৰ্মন, মিচ ৰাণী বেগম, ৰূপালী বৰা আৰু মনিতা বৈশ্য।

এই বৰ্ষৰ নৃত্য-নাটিকাসমূহ হ'ল অজিত তালুকদাৰৰ ৰচনা আৰু দশৰথ দাসৰ সংগীত পৰিচালনাৰ— 'তলসৰা শেৱালী', 'মৃত্যুদূত', 'আশাৰ চাকি' আৰু অজিত তালুকদাৰৰ ৰচনা আৰু বিভূৰঞ্জন চৌধুৰীৰ সংগীত পৰিচালনাৰে 'ফুলনিত ফুলিছে ফুল'। গুণেশ্বৰ ভূঞাৰ নৃত্য পৰিচালনাত নৃত্য শিল্পীসকল হ'ল গুণেশ্বৰ ভূঞা, ৰঞ্জিত ৰাজবংশী, ধ্ৰুৱ মালাকৰ, গৌতম পাটৰ, ৰঞ্জিত দাস, কুমুদ শইকীয়া, প্ৰণিতা ৰাজবংশী, প্ৰতিভা ডেকা, উপমা ডেকা, কবিতা ৰয় আৰু বৰ্ণালী দাস। কণ্ঠ শিল্পী আছিল নিৰোদ বৰ্মন, পূৰ্ণিমা

স্বৰ্গীয়াৰী আৰু মিনু বড়ো। বিভূৰঞ্জন চৌধুৰী আৰু দীপক বৰুৱাৰ সংগীত পৰিচালনাত যন্ত্ৰ সংগীতত সংগত কৰিছিল যতীন পাঠক, লাচিত স্বৰ্গীয়াৰী, অসীম বড়ো, গোপী ডেকা, অমূল্য ডেকা, প্ৰতাপ বড়ো, হীৰেন দাস, আৰু বীৰেন ৰামচিয়াৰীয়ে। মঞ্চ আৰু দৃশ্যসজ্জাৰ দায়িত্বত আছিল ক্ৰমে ধনী হালৈ আৰু গৌতম ৰয়। ৰূপসজ্জাৰ পৰিচালনা কৰিছিল ভবেন ডেকাই। এই বৰ্ষৰ বিভিন্ন নাটত পৰিবেশিত গীতবোৰৰ গীতিকাৰ আছিল হেমন্ত দত্ত আৰু অজিত তালুকদাৰ।

ত্ৰিশতম বৰ্ষৰ পৰিক্ৰমা (২০০৫-২০০৬) : ত্ৰিশতম বৰ্ষত কহিনুৰে মঞ্চলৈ লৈ আনে উইলিয়াম শ্বেইক্সপীয়েৰৰ অমৰ সৃষ্টি 'অথেল''। মহেন্দ্ৰ বৰঠাকুৰে নাটখনিৰ অসমীয়া অভিযোজনা কৰে আৰু নাটখন পৰিচালনা কৰে যশস্বী পৰিচালক কুলদা কুমাৰ ভট্টাচাৰ্যই। অথেল'ৰ মূল চৰিত্ৰটিত বলিষ্ঠ অভিনয় কৰে ভ্ৰাম্যমাণৰ এগৰাকী কীৰ্তিমান অভিনেতা দিলীপ ৰঞ্জন দত্তই। নিৰ্মল লহকৰৰ পোহৰ নিৰ্দেশনা আৰু নুৰুদ্দিন আহমেদৰ কলা নিৰ্দেশনাত নাটখনে ভ্ৰাম্যমাণৰ মঞ্চত অন্যএক যুগান্তকাৰী পদক্ষেপৰ সৃষ্টি কৰে। একেদৰে এই বৰ্ষৰ সংগীত পৰিচালক দীপক বৰুৱা আৰু তৰালী শৰ্মাৰ সংগীত পৰিচালনাত নাটখন সংগীত মধুৰ হৈ পৰিছিল।

এই বৰ্ষৰ আন নাটসমূহ হ'ল সেৱাব্ৰত বৰুৱাৰ ৰচনা আৰু পৰিচালনাৰ 'মায়া-মমতা', 'জীৱন নদীৰ ঘাট' আৰু 'ডাইন'ছৰৰ আতংক', হেমন্ত দত্তৰ ৰচনা আৰু পৰিচালনাৰ 'অন্য আকাশ'। এই বছৰৰ আন অভিনেতা-অভিনেত্ৰীসকল হ'ল— গুণেশ্বৰ ভূঞা, ধৰ্মেন্দ্ৰ নাম, চিন্ময় কটকী, জিতেন দাস, চন্দন বৰা, জীৱন হাতীকাকতি, সৌৰভ ফুকন, পৰমা কলিতা, হৰবল্লভ বৰুৱা, দীপৰাজ বৰুৱা, মোস্তাফা আহমেদ, মনীষা ৰাগিনী, ৰাণী বেগম, যুতিকা নন্দিনী আৰু পল্লৱী শইকীয়া কটকী।

এই বছৰৰ নৃত্য-নাটিকা তিনিখন আছিল অজিত তালুকদাৰৰ 'পীৰিতি মৰমৰ জৰী', 'ধৰণী ধুনীয়া' আৰু 'আশাৰ চাকি'। প্ৰথম দুখনি নৃত্য-নাটিকাৰ সংগীত পৰিচালনা কৰিছিল দীপক বৰুৱা আৰু যতীন পাঠকে তথা শেহৰখনিৰ সংগীত পৰিচালনা কৰিছিল দশৰথ দাসে। নৃত্য-নাটিকাৰ নৃত্য পৰিচালনা কৰিছিল গুণেশ্বৰ ভূঞাই। নৃত্য-শিল্পীসকল হ'ল— গুণেশ্বৰ ভূঞা, হেমন্ত মেধি, ৰঞ্জিত ৰাজবংশী, ধ্ৰুৱ মালাকৰ, গৌতম পাটৰ, দীপক দাস, প্ৰণীতা, ৰাজবংশী, বন্দনা ডেকা, বৰ্ণালী দাস, ৰূপাঞ্জলী বৰা আৰু মণিকা ৰয়। এই বছৰৰ কণ্ঠশিল্পীসকল হ'ল— অনিল পাঠক, পূৰ্ণিমা স্বৰ্গীয়াৰী আৰু কুমুদ ডেকা। যন্ত্ৰ সংগীতত সংগত কৰিছিল যতীন পাঠক, লাচিত স্বৰ্গীয়াৰী, অসীম বড়ো, কান্তেশ্বৰ দাস, বিপিন বড়ো, বীৰেন ৰামচিয়াৰী, তৰুণ শৰ্মা আৰু হিৰণ চহৰীয়াই। নাটসমূহত পৰিবেশন কৰা গীতসমূহৰ গীতিকাৰ আছিল সেৱাব্ৰত বৰুৱা আৰু অজিত তালুকদাৰ।

একত্ৰিশতম বৰ্ষৰ পৰিক্ৰমা (২০০৬-২০০৭) : এই বছৰৰ নাটসমূহ আছিল জৰাসন্ধৰ কাহিনীৰ ছাঁ লৈ হেমন্ত দত্তই ৰচনা তথা পৰিচালনা কৰা নাট 'কথা' আৰু 'অলপ মৰম

অলপ ঘৃণা', সেৱাব্ৰত বৰুৱাৰ ৰচনা আৰু পৰিচালনাৰ 'লগন উকলি যায়' আৰু অভিজিৎ ভট্টাচাৰ্যৰ 'শান্ত শিষ্ট দুষ্ট ছোৱালী'। এই বছৰৰ অভিনেতা-অভিনেত্ৰীসকল হ'ল সুৰেন মহন্ত, চিন্ময় কটকী, দুলুমণি ডেকা, জিতেন দাস, হিৰণ্য ডেকা, ৰূপজ্যোতি দাস, দীপক তালুকদাৰ, হৰবল্লভ বৰুৱা, কৃষ্ণমণি নাথ, দেৱজিৎ বৰা, প্ৰস্তুতি পৰাশৰ, লিকুমা শৰ্মা, ৰঞ্জুশ্ৰী বৰা, পল্লবী শইকীয়া কটকী আৰু স্মাইলী বৰুৱা।

এই বছৰৰ কহিনুৰৰ মঞ্চত মাথো দুখন নৃত্য-নাটিকা পৰিবেশন কৰা হয়। নৃত্য-নাটিকা দুখন হ'ল— অজিত তালুকদাৰৰ 'জীৱনৰ বাটে বাটে' আৰু শান্তমণি শৰ্মাৰ 'জোন তৰা'। নৃত্য-নাটিকা দুখনিৰ সংগীত পৰিচালনা কৰিছিল বছৰটিৰ সংগীত পৰিচালকৰ দ্বয় দীপক বৰুৱা আৰু তৰালী শৰ্মাই। যন্ত্ৰশিল্পী সকল হ'ল— যতীন পাঠক, কান্তেশ্বৰ দাস, বিপিন বড়ো, তৰুণ শৰ্মা, পৰীক্ষিৎ স্বৰ্গীয়াৰী, বিশ্বজিৎ দাস, গজেন ৰাভা, গৌতম জহলাও আৰু ৰক্তিম কলিতা।

শান্তমণি শৰ্মা আৰু পংকজ ইংতিৰ নৃত্য পৰিচালনাত নৃত্য শিল্পীসকল হ'ল— ৰঞ্জিত ৰাজবংশী, ধ্ৰুৱ মালাকৰ, দীপক দাস, তৰুণ গগৈ, শশী বৰ্মন, চামচুল আলী, পুতুলী হালৈ, ৰূপাঞ্জলী বৰা, জুৰি বৰা, অঞ্জলী নায়ক আৰু পূৰবী কলিতা। কণ্ঠ শিল্পীসকল হ'ল চামিম আখতাৰ, দীপালি তালুকদাৰ, মৃগেন দাস আৰু কুসুম ডেকা। কলা আৰু পোহৰ নিৰ্দেশনা কৰিছিল ক্ৰমে নুৰুদ্দিন আহমেদ আৰু নিৰ্মল লহকৰে। উল্লেখ্য যে বিগত কেইবাটাও বছৰ ধৰি কহিনুৰৰ কলা উপদেষ্টাৰূপে আছিল বিশিষ্ট শিল্পী আদ্য শৰ্মা। একেদৰে শব্দ উপদেষ্টাৰূপে বিভিন্ন প্ৰকাৰে সহায় কৰিছিল হীৰেন ভট্টাচাৰ্যই। মুখ্য ৰূপসজ্জাৰ দায়িত্ব লৈছিল ৰাণী বৰুৱাই; তেওঁক সহায় কৰিছিল সুৰথ বৰুৱাই। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে কহিনুৰৰ সুদীৰ্ঘ কালৰ চিলাই কাৰ্য সুকলমে কৰি আহিছিল পাঠশালাৰ দীপক টেইলৰিঙৰ ৰঞ্জিত দাসে।

দ্বাত্ৰিংশ বৰ্ষৰ পৰিক্ৰমা (২০০৭-২০০৮) ঃ এই বৰ্ষত কহিনুৰৰ মঞ্চত পৰিবেশিত নাটসমূহ হৈছে হেমন্ত দত্ত ৰচিত আৰু পৰিচালিত 'সপোন ভঙা যৌৱন', সেৱাব্ৰত বৰুৱাৰ ৰচনা আৰু পৰিচালনাৰ 'জোনাকত আন্ধাৰ' আৰু অভিজিৎ ভট্টাচাৰ্যৰ ৰচনা আৰু পৰিচালনাৰ 'অবুজ দৰা অচিন কইনা'। এইকেইখন নাটত কেবাটাও গান মঞ্চায়ন কৰা হৈছিল আৰু গীতবোৰৰ গীতিকাৰ আছিল হেমন্ত দত্ত, দিগন্ত ভাৰতী আৰু তৰালী শৰ্মা। অভিনেতা-অভিনেত্ৰীসকল হ'ল হীৰেন মেধি, যতীন বৰা, দুলমণি ডেকা, জিতেন দাস, কৃষ্ণমণি নাথ, দীপক তালুকদাৰ (দীপু) জয়ন্ত আৰ্য, অপূৰ্ব মালাকৰ, মনোজ পৰান, সৰ্বেশ্বৰ দাস, আমিৰুল ইছলাম, বৰষাৰাণী বিষয়া, ৰঞ্জুশ্ৰী বৰা, জুমু ভূএগ আৰু মধুস্মিতা পাটোৱাৰী।

এই বছৰত কহিনুৰে তিনিখন নৃত্য-নাটিকা মঞ্চত পৰিবেশন কৰে। এইবোৰ হ'ল— যতীন্দ্ৰ নাথ গোস্বামীৰ ৰচনা আৰু অজিত তালুকদাৰৰ অভিযোজনাত 'গুৱাহাটী গুৱাহাটী',

স্বৰ্গীয় শ্ৰীনাথ দাসৰ কাহিনীৰ আধাৰত আব্দুল কৰিম খানৰ দ্বাৰা ৰচিত 'পিৰীতিৰে বান্ধিলো হাতী' আৰু অসম কৃষি সামৰ্থ্যবৰ্দ্ধন প্ৰকল্পৰ সৌজন্যত অজিত তালুকদাৰ ৰচিত 'ভোগালীৰ ৰং'। নৃত্য পৰিচালনা কৰিছিল আব্দুল কৰিম খান, উদয় দাস, মাধৱী বৰুৱা আৰু জিয়া লহকৰে। এই বছৰৰ নৃত্যশিল্পীসকল হ'ল— ধ্ৰুৱ মালাকৰ, হিমাংক তালুকদাৰ, গুঞ্জন চৌধুৰী, বলেন তালুকদাৰ, কুনালজিৎ দাস, কালীকান্ত দাস, জুৰি বৰা, জুৰি শৰ্মা, ৰবীন চেত্ৰী, জোনাকী ৰয় আৰু জোনাকী বৈশ্য। দীপক বৰুৱা, তৰালী শৰ্মা আৰু দিগন্ত ভাৰতীৰ সংগীত পৰিচালনাত গীতসমূহত কণ্ঠদান কৰিছিল বিপুল সিংহ, মৃগেন দাস, কণিকা কলিতা আৰু গোলাপী বৰ্মণে। এইবেলিৰ যন্ত্ৰ শিল্পীসকল হ'ল যতীন পাঠক, কান্তেশ্বৰ দাস, গৌতম জহলও, পৰীক্ষিৎ স্বৰ্গীয়াৰী, বিশ্বজিৎ দাস, গজেন ৰাভা, কৰ্ণ বড়ো, নিপম ডেকা আৰু ৰঞ্জিৎ কলিতা। পোহৰ আৰু কলা নিৰ্দেশনা কৰিছিল ক্ৰমে কৰুণা পাঠক আৰু নুৰুদ্দিন আহমেদে। আগৰ বছৰবোৰৰ লেখীয়াকৈ কলা, পোহৰ আৰু শব্দত সহযোগ কৰা শিল্পীসকল হ'ল মনজিৎ কলিতা, কিশোৰ মালাকৰ, লক্ষেশ্বৰ কলিতা, বসন্ত কলিতা, প্ৰতাপ দাস, ভবেশ দাস, মণ্টু তালুকদাৰ, হিতেশ লহকৰ, নৃপেন চৌধুৰী, ৰাজু আলী, অখিল বৰ্মন আৰু বাপুৰাম ৰয়। এইবোৰৰ উপদেষ্টা আছিল ক্ৰমে আদ্য শৰ্মা, গৌতম ঘোষ আৰু হীৰেন ভট্টাচাৰ্য। বাণী বৰুৱা মুখ্য ৰূপসজ্জাকাৰ আছিল আৰু দৃশ্যসজ্জা পৰিচালনা কৰিছিল গৌতম ৰয়ে।

ত্ৰয় ত্ৰিংশ বৰ্ষৰ পৰিক্ৰমা (২০০৮-২০০৯) ঃ এই বছৰ কহিনুৰৰ মঞ্চত পৰিবেশিত নাটসমূহ হ'ল হেমন্ত দত্তৰ ৰচনা আৰু পৰিচালনাৰ 'অগ্নি ৱাণ্টেড ডেড্ অৰ এলাইভ', সেৱাব্ৰত বৰুৱাৰ ৰচনা আৰু পৰিচালনাৰ 'লজ্জিত প্ৰেমৰ অধ্যায়', অভিজিৎ ভট্টাচাৰ্যৰ ৰচনা আৰু পৰিচালনাৰ 'অনামিকা' আৰু 'অবুজ দৰা অচিন কইনা'। নাটৰ গীত সমূহ ৰচনা কৰিছিল ক্ৰমে হেমন্ত দত্ত, দিগন্ত ভাৰতী আৰু প্ৰণৱ বৰুৱাই। বছৰটিৰ অভিনেতা-অভিনেত্ৰীসকল হ'ল যতীন বৰা, হীৰেন মেধি, দুলুমণি ডেকা, গুণেশ্বৰ ভূএগ, জিতেন দাস, চন্দন বৰা, দীপক তালকদাৰ, অপূৰ্ব মালাকাৰ, পংকজ বৰা, প্ৰণৱ বৰা, সৰ্বেশ্বৰ দাস, আমিৰুল ইছলাম, জুপিতৰা ভূএগ, ৰঞ্জুশ্ৰী বৰা, জুমু ভূএগ আৰু মধুস্মিতা পাটোৱাৰী।

কহিনুৰৰ মঞ্চত এইবেলি পৰিবেশিত নৃত্য-নাটিকাসমূহ হ'ল অজিত তালকদাৰৰ 'ভেকোলা পুৰাণ', 'বিষ্ণুৰাভা তুমি আকৌ আহা' আৰু 'ধৰণী ধুনীয়া'। নৃত্য-নাটিকাবোৰৰ পৰিচালনা কৰিছিল গুণেশ্বৰ ভূএগই। নৃত্য-শিল্পীসকল হ'ল— ধ্ৰুৱ মালাকৰ, হিমাংক তালুকদাৰ, গুঞ্জন চৌধুৰী, বলেন তালুকদাৰ, কুনালজিৎ দাস, জুৰি বৰা, প্ৰতিভা ডেকা, ৰবীন চেত্ৰী, সংগীতা কটকী আৰু ববিতা ৰয়। এই বছৰ কহিনুৰৰ সংগীত পৰিচালনা কৰিছিল ক্ৰমে দীপক বৰুৱা, তৰালী শৰ্মা, দিগন্ত ভাৰতী আৰু জুবিন গাৰ্গে। কণ্ঠ শিল্পীসকল হ'ল বিপুল সিংহ আৰু কণিকা কলিতা। আগৰ বছৰটোৰ লেখীয়াকৈ পোহৰ, কলা, ৰূপসজ্জা আৰু শব্দৰ শিল্পী আৰু উপদেষ্টা সকল একেই আছিল। এই বৰ্ষৰ যন্ত্ৰ শিল্পীসকল হ'ল—

যতীন পাঠক, কান্তেশ্বৰ দাস, পৰীক্ষিৎ স্বৰ্গীয়াৰী, প্ৰসেনজিৎ দাস, কৰ্ণ বড়ো, গজেন ৰাভা, নিপন ডেকা, দেৱজিৎ বসুমতাৰী আৰু ৰঞ্জিৎ কলিতা।

কৰণিৰ পৰিক্ৰমা

কহিনুৰ থিয়েটাৰৰ মুখপত্ৰ 'কৰণি'য়ে থিয়েটাৰখনৰ লগতে বিগত তেত্ৰিশটাবৰ্ষ সফলতাৰে অতিক্ৰম কৰিলে। এনে সুদীৰ্ঘ পৰিক্ৰমাৰ সাংস্কৃতিক পত্ৰিকা অসমীয়া সাহিত্যত বিৰল। এই সময়ছোৱাত কৰণিয়ে থিয়েটাৰখনৰ সামগ্ৰিক কৰ্মসূচী লিপিবদ্ধ কৰাৰ লগতে প্ৰকাশ কৰিছে অসমৰ সাংস্কৃতিক জগতখনৰ বাবে অতিকৈ প্ৰয়োজনীয় বুলি বিবেচিত ভালেমান ৰচনাৰাজি। এইখিনিতে কৰণিৰ স'তে জড়িত লোকসকলৰ কথা উল্লেখ কৰা হ'ল—

	সম্পাদক	**সহযোগী সম্পাদক**
১ম, ২য়, ৩য় বছৰ	জ্যোতিপদ চৌধুৰী	ধীৰেশ্বৰ শৰ্মা বসন্ত কুমাৰ বৰ্মন
৪ৰ্থৰ পৰা ৯ ম বছৰলৈ	সতীশ চন্দ্ৰ চৌধুৰী	নগেন ৰয়
১০মৰ পৰা ১৩শ „	সতীশ চন্দ্ৰ চৌধুৰী	নৰনাৰায়ণ দেৱ শৰ্মা
১৪ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	মাধৱ চন্দ্ৰ অধিকাৰী
১৫ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	নৰনাৰায়ণ দেৱ শৰ্মা
১৬ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	প্ৰবোধ শৰ্মা, মুকুল গোস্বামী, নৃপেন কলিতা, চক্ৰপাণি কলিতা, হৰগোবিন্দ শৰ্মা
১৫ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	নৰনাৰায়ণ দেৱ শৰ্মা
১৬ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	প্ৰবোধ শৰ্মা, মুকুল গোস্বামী, নৃপেন কলিতা, চক্ৰপাণি কলিতা, হৰগোবিন্দ শৰ্মা।
১৭ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	মুনীন চৌধুৰী, পুৰন্দৰ পাটগিৰী, নৰনাৰায়ণ দেৱ শৰ্মা, মাধৱ চন্দ্ৰ অধিকাৰী।
১৮ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	নৰনাৰায়ণ দেৱ শৰ্মা, পুৰন্দৰ পাটগিৰী, সুনীল চৌধুৰী, নৃপেন কলিতা।
১৯ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	নৰনাৰায়ণ দেৱ শৰ্মা, প্ৰবোধ শৰ্মা, পুৰন্দৰ পাটগিৰী, নৃপেন কলিতা।
২০ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	নৰনাৰায়ণ দেৱ শৰ্মা, প্ৰবোধ শৰ্মা, নৃপেন কলিতা, বৰুণ দাস, পুৰন্দৰ পাটগিৰী।

	সতীশ চন্দ্ৰ চৌধুৰী	পৰেশ দেৱ চৌধুৰী।
২১ শ বছৰ ২২ শ বছৰ	**মুখ্য সম্পাদক** সতীশ চন্দ্ৰ চৌধুৰী **সম্পাদক** পুৰন্দৰ পাটগিৰি	নৰনাৰায়ণ দেৱ শৰ্মা, প্ৰবোধ শৰ্মা, নৃপেন কলিতা, কবিতা তালুকদাৰ, ত্ৰৈলোক্য চৌধুৰী, নয়নজ্যোতি চৌধুৰী।
২৩ শ বছৰ	**মুখ্য সম্পাদক** সতীশ চন্দ্ৰ চৌধুৰী **সম্পাদক** পুৰন্দৰ পাটগিৰী,	নৃপেন কলিতা, প্ৰীতিলতা খাটনিয়াৰ, ত্ৰৈলোক্য চৌধুৰী।
২৪ শ বছৰ	**মুখ্য সম্পাদক** সতীশ চন্দ্ৰ চৌধুৰী **সম্পাদক** পুৰন্দৰ পাটগিৰি	
২৫ শ বছৰ	**মুখ্য সম্পাদক** সতীশ চন্দ্ৰ চৌধুৰী **সম্পাদক** পুৰন্দৰ পাটগিৰি	দীপা লহকৰ, প্ৰবোধ শৰ্মা
২৬ শ বছৰ	**মুখ্য সম্পাদক** সতীশ চন্দ্ৰ চৌধুৰী **সম্পাদক** পুৰন্দৰ পাটগিৰি	
	মুখ্য সম্পাদক	**সহকাৰী সম্পাদক**
২৭ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	সুকুমাৰ তালুকদাৰ
২৮ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	টিকেন্দ্ৰজিৎ কলিতা, নৃপেন কলিতা।
২৯ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	টিকেন্দ্ৰজিৎ কলিতা, নৃপেন কলিতা।
৩০ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	টিকেন্দ্ৰজিৎ কলিতা, নৃপেন কলিতা।
৩১ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	টিকেন্দ্ৰজিৎ কলিতা, নৃপেন কলিতা।
৩২ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	টিকেন্দ্ৰজিৎ কলিতা, নৃপেন কলিতা।
৩৩ শ বছৰ	সতীশ চন্দ্ৰ চৌধুৰী	টিকেন্দ্ৰজিৎ কলিতা, নৃপেন কলিতা।

'পাপৰি' নাট্য সমাজ

সত্তৰৰ দশকৰ আদিভাগত উজনি অসমৰ প্ৰথমটি ভ্ৰাম্যমাণ নাট্যদল গঢ়ি উঠে। **শিমলুগুৰিৰ বাঁহগড়ত** গঠিত হোৱা উজনি অসমৰ এই প্ৰথম ভ্ৰাম্যমাণ নাট্যদলটিৰ নাম আছিল 'পাপৰি' নাট্য সমাজ। এই নাট্যদলটি গঢ়ি উঠাৰ লগত জড়িত থকা ব্যক্তিসকল আছিল ৰোহিতেশ্বৰ শইকীয়া, যোগেন ফুকন, ৰজনী শইকীয়া, সুৰেন বৰুৱা, অনিল চেতীয়া, জয়নাথ বুঢ়াগোহাঁই আদি। গাঁও অঞ্চলৰ শিল্পীসকলৰ অনাদৃত প্ৰতিভাক এক সুযোগ দিয়াৰ উদ্দেশ্যে গঢ়ি উঠা বুলি ঘোষণা দিয়া এই দলটিয়ে প্ৰাৰম্ভিক বৰ্ষত তিনিখন নাটক লয়। এই তিনিওখন নাট আছিল অনূদিত। মূল বাংলা নাটৰ পৰা অসমীয়ালৈ অনুবাদ কৰা এই নাটসমূহ আছিল— 'বেকাৰ', 'সুখী কোন' আৰু 'কলঙ্কিনী সতী'। পুৰুষ অভিনয় শিল্পীসকল হ'ল— বসন্ত সন্দিকৈ, কুমুদ শইকীয়া, সুৰেন সন্দিকৈ, বীৰেন, যতীন, ৰবীন বৰুৱা, সৰুৰাম গগৈ, বলো, ফণী কোঁৱৰ, নিতা গোহাঞি, মনো ফুকন, সুৰেশ শৰ্মা, যুগ কোঁৱৰ, লীনাৰাম, মিলেশ্বৰ, চানু, পুষ্পধৰ আৰু কুশ আদি। অভিনেত্ৰী সকল আছিল কুমাৰী ভাৰতী বৰুৱা, কুসুম শইকীয়া, মীনা শইকীয়া, বীণা শইকীয়া, ইলা কোঁৱৰ আদি। নাট আৰু নৃত্য পৰিচালনা কৰিছিল ভূপেন বড়াই।

প্ৰথম বৰ্ষত প্ৰদৰ্শন কৰা নৃত্য-নাটিকা কেইখন হৈছে 'ঢোলৰ মাত নুশুনো' আৰু 'ৰজা হৰিশ্চন্দ্ৰ'। নৃত্য শিল্পীসকল হ'ল— মিচ বহাগী, মণি, অঞ্জু, ইলা আদি। কণ্ঠ শিল্পীদ্বয় হ'ল চুচেন সন্দিকৈ আৰু মিচ ভাৰতী বৰুৱা। বাদ্যযন্ত্ৰৰ শিল্পীসকল হ'ল— যুগকান্ত বৰুৱা, দেৱ হাজৰিকা, চানু কোঁৱৰ, মিলেশ্বৰ গগৈ, পুণ্য ফুকন, পুনাৰাম ফুকন।

পাপৰি নাট্য সমাজৰ ৰূপসজ্জাত মহেন হাতীমূৰীয়া আৰু থানু কোঁৱৰ আৰু আৰু পোহৰ নিয়ন্ত্ৰণত আছিল ভবানী গগৈ চন্দ্ৰ গগৈ আৰু নেবিবুল হুছেইন। ৰাইজৰ দান-বৰঙণিৰে গঢ়ি উঠা এই নাট্যদলটি বৰ বেছিদিন জীয়াই থাকিব নোৱাৰিলে। অতি কমে সময়ৰ ভিতৰত এই দলটিৰ ভ্ৰাম্যমাণ নাট্য পৰিক্ৰমাৰ অন্ত পৰিল।

ৰাধিকাদেৱী থিয়েটাৰ

১৯৭৭ চনত কামৰূপ জিলাৰ দক্ষিণ শিংৰাৰ সোণেশ্বৰ গাঁৱত ৰাধিকা দেৱী থিয়েটাৰে জন্ম লাভ কৰে। অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসত এটা দহকতকৈও অধিককাল ধৰি নিৰৱচ্ছিন্নভাৱে নাট প্ৰদৰ্শন কৰা দলসমূহৰ ভিতৰত ৰাধিকাদেৱী থিয়েটাৰো অন্যতম। এই দলটিৰ প্ৰযোজক আছিল উপেন কলিতা। তলত দলটিৰ কেইটামান বৰ্ষৰ পৰিক্ৰমা উল্লেখ কৰা হ'ল—

প্ৰথম বছৰৰ পৰিক্ৰমা (১৯৭৭-৭৮) ঃ প্ৰথম বৰ্ষত ৰাধিকাদেৱী থিয়েটাৰে মঞ্চস্থ কৰা নাটসমূহ আছিল প্ৰফুল্ল বৰা ৰচিত আৰু পৰিচালিত 'উপবন' আৰু 'নিৰুদ্দেশ', বিখ্যাত জাৰ্মান নাট্যকাৰ বাৰ্টোল্ট ব্ৰেখটৰ 'থ্ৰি পেনী অপেৰা' নাটৰ দুলাল ৰয়ৰ দ্বাৰা অসমীয়া অভিযোজনা। আন দুখন নাট আছিল 'ভাই বোৱাৰী' আৰু 'দেৱী'। এই বছৰৰ নৃত্য-নাটিকা সমূহ আছিল— 'তিলোত্তমা', 'কোনে মতা নাই', 'নিমাতী কন্যা', 'বৰদৈচিলা' আৰু 'ৰাভাৰ আভা'। পোহৰ নিৰ্দেশনাত কল্যাণ দে, সংগীত উপদেষ্টা হিচাপে মুকুল বৰুৱা আৰু নৃত্য পৰিচালনাৰ দায়িত্বত আছিল নবীন বৰা।

দ্বিতীয় বছৰৰ পৰিক্ৰমা (১৯৭৮-৭৯) ঃ দ্বিতীয় বছৰটিত এই দলটিয়ে মঞ্চস্থ কৰা নাট কেইখন আছিল 'বেইমান', 'পৱিত্ৰ পাপী', 'কামিনী কাঞ্চন', 'সত্য-নাৰায়ণ' 'উপবন', 'জীৱন-তৃষ্ণা' আৰু 'ৰঙিলী'। অভিনেতা-অভিনেত্ৰী সকল হ'ল— কেশৱ বৰা, নাৰায়ণ চমুৱা, মহীকান্ত ভৰালী, মায়া বৰ্মন, প্ৰবীণ ডেকা, তুলসী শইকীয়া, বিকাশ বৰুৱা, দ্বিজেন শৰ্মা, সুনীল বৰকটকী, মিনতি দাস আদি।

তৃতীয় বছৰৰ পৰিক্ৰমা (১৯৭৯-৮০) ঃ নাট্য পৰিক্ৰমাৰ তৃতীয় বছৰটিত ৰাধিকা দেৱী থিয়েটাৰে পাঁচখন নাট মঞ্চস্থ কৰাৰ পৰিকল্পনা লয়। এই নাটসমূহ হ'ল 'কক্ষচ্যুত', 'দেৱী', 'উপবন', 'পৱিত্ৰ নৰক' আৰু 'ভাই-বোৱাৰী'। এই বছৰৰ অভিনয় শিল্পীসকল হ'ল— নাৰায়ণ চমুৱা, মহী ভৰালী, তুলসী শইকীয়া, জ্যোতি ভৰালী, মায়া বৰ্মন, দ্বিজেন শৰ্মা, সুবল কুমাৰ মজুমদাৰ, ধৰ্ম কাকতি, গোপাল পাটোৱাৰী, ডিম্বেশ্বৰ দাস, বগী শইকীয়া, মালতী কলিতা, নীমাই দাস, নীলিমা দাস, অনু শইকীয়া আৰু বীণা দাস।

পঞ্চম বছৰৰ পৰিক্ৰমা (১৯৮১-৮২) ঃ এই বৰ্ষৰ মঞ্চস্থ নাটসমূহ হ'ল 'প্ৰজাপতি', 'ভাই বোৱাৰী', 'অক্ষয় সেন্দুৰ' আৰু 'এটি নিশাৰ কাহিনী'। পৰিবেশিত নৃত্য-নাটিকা কেইখন হ'ল— 'নতুন সূৰ্য', 'তিলোত্তমা', 'বৰদৈচিলা' আৰু 'দেৱযানী'।

ষষ্ঠ বছৰৰ পৰিক্ৰমা (১৯৮২-৮৩) ঃ ষষ্ঠ বৰ্ষত ৰাধিকা দেৱী থিয়েটাৰে মঞ্চস্থ কৰা

নাটসমূহৰ ভিতৰত উল্লেখযোগ্য নাট কেইখন আছিল— 'এটি নিশাৰ কাহিনী' 'স্বামী' আৰু 'দেৱী মাতৃ'। আনহাতে পৰিবেশিত নৃত্য-নাটিকা কেইখনি হৈছে 'দেৱযানী, 'বনজুই' আৰু 'নতুন সূৰ্য'।

সপ্তম বছৰৰ পৰিক্ৰমা (১৯৮৩-৮৪)ঃ এই বৰ্ষত ৰাধিকা দেৱী থিয়েটাৰৰ মঞ্চস্থ হোৱা নাটসমূহ হ'ল— 'প্ৰজাপতি', 'আহতৰ ছাঁ', 'এই যুদ্ধৰ সেনাপতি', 'জীৱন ৰংগ' 'উপবন' আৰু 'বনৰীয়া মানুহ'।

অষ্টম বছৰৰ পৰিক্ৰমা (১৯৮৪-৮৫)ঃ অষ্টম বৰ্ষত মঞ্চস্থ কৰা উল্লেখযোগ্য নাটসমূহ হৈছে 'অশান্ত পৃথিৱী', 'এটা নিশাৰ কাহিনী আৰু 'বিষাক্ত প্ৰেম'। উল্লেখযোগ্য যে 'বিষাক্ত প্ৰেম' নাটখন প্ৰাপ্তবয়স্কৰ নাট বুলি নাট্যদলটিয়ে প্ৰচাৰ চলাইছিল। এই বৰ্ষত পৰিৱেশিত নৃত্য-নাটিকাসমূহৰ উল্লেখনীয় দুখন হৈছে 'বনজুই' আৰু 'হৰিহৰৰ যুদ্ধ'।

১৯৮৮-৮৯ নাট্যবৰ্ষঃ এই বৰ্ষৰ নাট্য পৰিক্ৰমাৰ নাটসমূহ হ'ল 'কন্যাকুমাৰী', 'উপবন', 'তেজৰ মৃত্যু নাই' আৰু 'চম্পাৱতী'। অভিনয়ত আছিল নাৰায়ণ চমুৱা, সমীৰ ভট্ট, তৰুণ বৰা, কুসুম দেৱী, দিলীপ বৰা, জুৰি শৰ্মা, মুকুল বৰ কাকতি, প্ৰফুল্ল দাস, সত্য বিশ্বাস, কৰুণা দাস, দীনেশ বৰুৱা, উষাৰাণী নাথ, সনাতন শইকীয়া, গীতা ডেকা, মহেন্দ্ৰ মেধি, সোণেশ্বৰ ৰয়, নিতু মেধি, অন্ন শৰ্মা আদি।

মুন থিয়েটাৰ

১৯৭৭ চনত নলবাৰী জিলাত গঢ়ি উঠে অসমৰ প্ৰথমখন মহিলা ভ্ৰাম্যমাণ নাট্যদল। বিশিষ্ট শিল্পী ধৰণী বৰ্মনৰ পৃষ্ঠপোষকতাত তেখেতৰ পত্নী অবলা বৰ্মনে গঢ়ি তোলা এই নাট্যদলটি সম্পূৰ্ণৰূপে মহিলাৰ দ্বাৰা অভিনীত, পৰিচালিত আৰু সংগঠিত আছিল। প্ৰথম বৰ্ষৰ নাটক কেইখন আছিল 'মাজু বাইদেউ', 'ইলাৰ বিননি', 'কণিকাৰ সপোন' আৰু 'পুস্পলতা'। নাট সমূহ পৰিচালনা কৰিছিল পুস্পা দেৱীয়ে।

১৯৭৭ চনৰ ৮ জুলাই তাৰিখে মুন থিয়েটাৰৰ শুভ নাট্যাৰম্ভ হয়। শুভ নাট্যাৰম্ভৰ আনুষ্ঠানিক সভাত সভাপতিৰ আসন শুৱনি কৰিছিল ড° নিৰ্মল প্ৰভা বৰদলৈয়ে আৰু এই সভাৰ মুখ্য অতিথি আছিল ড° লক্ষ্যহীৰা দাস। মুন থিয়েটাৰৰ আটাইকেইখন নাটৰ ভিতৰত পুস্পলতাৰ বাদে বাকী তিনিখনত কোনো পুৰুষ চৰিত্ৰ নাছিল। পুস্পলতাত পুৰুষ চৰিত্ৰ আছিল যদিও পুৰুষৰ চৰিত্ৰ মহিলাৰ দ্বাৰাই অভিনীত হৈছিল। এই নাট্যদলটিৰ অভিনয় শিল্পীসকল আছিল— পুস্পা দেৱী, প্ৰভাময়ী বৰা, চিত্ৰা কলিতা, বিচিত্ৰা প্ৰতিমা ফুকন, কল্পনা, ৰেণু, শশীমাই পাঠক, চিত্ৰা কলিতা, মিঠু দে সৰকাৰ, মলয়া কলিতা, আৰতি, কামিনী, বাসন্তী, গোলাপী, কৌশল্যা, মনোবালা, প্ৰতিভা, ভাৰতী, নিৰলা পাঠক, চন্দ্ৰ দাস, মিচমি, ৰুবি, জ্যোৎস্না আদি।

পৰিবেশিত নৃত্য নাটিকা কেইখনি হৈছে— 'শকুন্তলা', 'সমাধি' 'ৰাসলীলা' আৰু 'শংকৰজ্যোতি'। সংগীত পৰিচালনা কৰিছিল মিঠু দে সৰকাৰে। নেপথ্যৰ কণ্ঠশিল্পী আছিল পুস্পা দেৱী। অবলা বৰ্মনৰ প্ৰযোজনা আৰু জিতেন শৰ্মাৰ তত্বাৱধানত গঢ়ি উঠা এই নাট্যদলটিয়ে ইয়াৰ নাট্যযাত্ৰা গতিময় কৰিবলৈ সক্ষম নহ'ল। প্ৰথম বৰ্ষৰ নাট পৰিক্ৰমাৰ অন্তত এই দলটি বন্ধ হৈ পৰে।

লখিমী থিয়েটাৰ

অসমৰ সু-সন্তান প্ৰমথেশ বৰুৱাৰ স্মৃতিত ১৯৭৭ চনত গোৱালপাৰাত জন্ম লাভ কৰে লখিমী থিয়েটাৰে। এই থিয়েটাৰ লগত জড়িত আছিল ৰত্নেশ্বৰ দাস, নৃপেন ভট্ট আদিৰ দৰে গোৱালপাৰাৰ নাট্য জগতৰ লগত জড়িত লোকসকল। ইয়াৰে ৰত্নেশ্বৰ দাস লখিমী থিয়েটাৰ পৰিচালনা সমিতিৰ সভাপতি আছিল। প্ৰথম বৰ্ষতে এই থিয়েটাৰ দলটিয়ে যথেষ্ট আড়ম্বৰ আৰু ব্যয়বহুলতাৰে নাট্য যাত্ৰা আৰম্ভ কৰিছিল। উল্লেখ্য যে জয়ন্ত হাজৰিকাৰ নিচিনা এগৰাকী স্বনামধন্য শিল্পীয়ে এই নাট্যদলটিৰ প্ৰথম বৰ্ষৰ সংগীত পৰিচালনাৰ দায়িত্ব লৈছিল। সামগ্ৰিক পৰিকল্পনাৰ দায়িত্বত আছিল প্ৰফুল্লদেৱ মহন্ত।

প্ৰথম বৰ্ষত (১৯৭৭-৭৮) লখিমী থিয়েটাৰে পাঁচখন নাট মঞ্চস্থ কৰে। এই নাটসমূহ আছিল ভবেন বৰুৱা ৰচিত আৰু পৰিচালিত 'আকাশী গংগা', মণি ভট্ট ৰচিত আৰু পৰিচালিত 'পুৰস্কাৰ', ইন্দুকল্প হাজৰিকা ৰচিত আৰু পৰিচালিত 'মইনামতী' আৰু প্ৰফুল্ল বৰা ৰচিত আৰু পৰিচালিত দুখন নাট 'নতুন পৃথিৱী' আৰু 'পাপী দেৱতা'। লখিমী থিয়েটাৰে এইবেলি চলচ্চিত্ৰ জগতৰ শিল্পী বিজু ফুকনৰ অন্তৰ্ভুক্তিৰে এক নতুন চমক আনিছিল। আন অভিনেতা-অভিনেত্ৰী সকল হ'ল— অনিল দাস, সুৰেন মহন্ত, ডালিম দাস, ভবেশ বৰুৱা, ৰঞ্জিত দাস, ৰাজীৱ চহৰীয়া, মিনতি দাস, সুৰেন দত্ত বৰুৱা, হিৰণ দাস, অমৰ শৰ্মা, বিমল হাজৰিকা, হীৰেন বৰা, বিকাশ বৰুৱা আদি। আনহাতে নৃত্য শিল্পীসকল হ'ল— বীণা তালুকদাৰ, চাৰুলতা, সৰোজিনী, চিত্ৰা, দেবযানী, নীলিমা, হৰেন দাস, খগেন, দিলীপ, সোণেশ্বৰ আৰু তৰুণ। বাদ্য যন্ত্ৰৰ শিল্পীসকল হ'ল— ধৰণী বণিক্য, বাবুল নাগ, লোকনাথ বৈশ্য, বাণী ৰায়, তুলেশ্বৰ বৰা, উপেন দাস, মৃদুল দেৱ আৰু দিলীপ দাস।

এই বৰ্ষত লখিমী থিয়েটাৰে পৰিবেশন কৰা নৃত্য-নাটিকা কেইখনৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্যখন হ'ল— 'কুমাৰ সম্ভৱ'। নৃত্য পৰিচালনা কৰিছিল নবীন বড়াই। বছৰটিৰ কলা নিৰ্দেশনা আৰু পোহৰৰ দায়িত্ব আছিল ক্ৰমে আদ্য শৰ্মা আৰু শুক্লা ৰয়। গীতবোৰৰ ৰচক আছিল ক্ৰমে নিৰ্মল প্ৰভা বৰদলৈ আৰু প্ৰফুল্ল বৰা। উল্লেখ্য যে গীতিকাৰ নিৰ্মলপ্ৰভা বৰদলৈয়ে এই বছৰত লখিমী থিয়েটাৰৰ বাবে ১১ টা গীত ৰচনা কৰিছিল আৰু জয়ন্ত হাজৰিকাৰ অপূৰ্ব সংগীত নিৰ্দেশনাত তথা দেৱ দাস, জোনবাই নাগ, মনু ডেকা আৰু হৰেন মালাকৰৰ কণ্ঠৰ সফল সমাহাৰত আটাইকেইখন নাটে সাংগীতিকভাৱে বিশেষ

সমাদৰ লাভ কৰিছিল। জয়ন্ত হাজৰিকা সুৰাৰোপিত 'হে দয়াময় কৰিছো কাকুতি/চৰণে শৰণ দিয়া/মিছা মৰীচিকা যাতনাৰ পৰা/শীঘ্ৰে মুকুতি দিয়া...' শীৰ্ষক গীতিটিয়ে দৰ্শকৰ অন্তৰ ভৰাই তুলিছিল। নাট্যকাৰ প্ৰফুল্ল বৰাইও কেইটিমান গীত ৰচনা কৰিছিল।

১৯৭৮-৭৯ বৰ্ষ আৰু নিউ লখিমী থিয়েটাৰ ঃ প্ৰথম বৰ্ষৰ সফল নাট পৰিক্ৰমাৰ অন্তত আভ্যন্তৰীণ কিছুমান বেমেজালিৰ বাবে নাট্যদলটিৰ পৰিচালনা মণ্ডলীৰ কিছুমান সাল-সলনি ঘটে আৰু প্ৰযোজনাৰ সমগ্ৰ দায়িত্ব নৃপেন ভট্টৰ ওপৰত ন্যস্ত হয়। একেদৰে নাট্যদলটিৰ নাম সলনি কৰি ইয়াৰ নাম নিউ লখিমী থিয়েটাৰ ৰখা হয়। এই বৰ্ষৰ প্ৰস্তাৱিত নাটসমূহ আছিল ৰুদ্ৰ চৌধুৰী অনূদিত 'স্বামীৰ কোলাত মৃত্যু', প্ৰফুল্ল বৰাৰ 'মৃত্যু' আৰু 'আকাশী গংগা', ভবেন বৰুৱা ৰচিত আৰু পৰিচালিত 'মইনামতী' আৰু 'চম্পাৱতী', মহেশ কলিতা ৰচিত আৰু অনিল চক্ৰৱৰ্তী পৰিচালিত 'পৰিচয়', 'কামিনী কাঞ্চন' আৰু 'অৰ্ধাংগিনী'। উল্লেখ্য যে এই আটাইকেইখন নাটৰ সামগ্ৰিক পৰিচালনাৰ দায়িত্বত আছিল ডাঃ অনিল চক্ৰৱৰ্তী, ভবেন বৰুৱা আৰু ভদ্ৰ চৌধুৰী।

এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন আছিল— 'এখন আকাশ এখন পৃথিৱী', 'মাধৱৰ মাছ মৰা', 'মোৰ নাম গোৱালপাৰা', 'শ্ৰীযুত ৰাৱণ', 'সৃষ্টিৰ দিগন্ত' 'অমৃত মন্থন' আৰু 'সাগৰ মন্থন'। সংগীত পৰিচালনাৰ দায়িত্বত আছিল মহানন্দ মজিন্দাৰ বৰুৱা আৰু সহঃসংগীত পৰিচালনা কৰিছিল অপূৰ্ব বেজবৰুৱা আৰু লোকনাথে। কলা নিৰ্দেশনাত খগেন দাস, আলোক সম্পাতত নাৰায়ণ দাস আৰু নৃত্য পৰিচালনা কৰিছিল যতীন গোস্বামীয়ে।

এই নাট্যদলটিৰ যাত্ৰা দীৰ্ঘদিনীয়া নহ'ল। অতি কম সময়ৰ ভিতৰতে এই ভ্ৰাম্যমাণ নাট্যদলটিৰ নাট্যযাত্ৰাৰ অৱসান ঘটিল।

কল্পনা মহিলা থিয়েটাৰ

মুন থিয়েটাৰৰ পিছতে নলবাৰীৰ বেলশৰৰ পৰা আন এখনি মহিলা ভ্ৰাম্যমাণ নাট্যদল গঢ়ি উঠে। যাদৱ সেন ডেকাৰ প্ৰযোজনাত গঢ়ি উঠা এই নাট্যদলটিয়েও এবছৰতকৈ অধিক কাল জীয়াই থাকিব নোৱাৰিলে। অৰ্থাভাৱত এবছৰৰ পিছতে প্ৰযোজকে নাট্যদলটি বন্ধ কৰি দিব লগা হয়।

প্ৰথম বৰ্ষৰ নাটসমূহ আছিল 'শকুন্তলা', 'জেৰেঙাৰ সতী', 'ৰূপ কিয় লাগে' আৰু 'জাল'। নাটসমূহ পৰিচালনা কৰিছিল ভৈৰৱ বৰ্মন আৰু মুক্তা বৰ্মনে। এই বৰ্ষৰ অভিনয় শিল্পীসকল হ'ল— ভাগ্যবাণী পাঠক, ৰেণু ৰয়, ফুল, পুতুলী, বেনু ডেকা, প্ৰতিমা, উষা, সোণালী, মাকনি, আৰতি কুঞ্জ, প্ৰেমদা, অনিমা, পূৰ্ণিমা, মাজনী, দয়মন্তী, হেলেন, জোনাকী, মন্দিৰা, মালতী, মইনা, শেৱালী আদি। ইয়াৰে ভাগ্যবানি পাঠকে শকুন্তলা নাটত 'দুস্মন্ত' আৰু 'জেৰেঙাৰ সতী' নাটকত গদাপাণিৰ ভাৱত অভিনয় কৰিছিল। কল্পনা মহিলা থিয়েটাৰে এই বৰ্ষত গন্ধিয়া, ভেৰভেৰী, পিপলীবাৰী, শালবাৰী, পাঠশালা, গণককুছি, নলবাৰী, কলাই গাঁও, মাজবাট, পাটিদৰং, হৰিশিঙা, হাজৰিকাপাৰা, ছিপাঝাৰ, বলোৱা, ৰঙিয়া, কমলপুৰ, মুকালমুৱা, গুৱাহাটী আদি ঠাইত নাট মঞ্চস্থ কৰিছিল। নাট্যদলটিৰ সংগীত আৰু নৃত্য পৰিচালনা কৰিছিল ক্ৰমে ভুৱনেশ্বৰ তালুকদাৰ আৰু গোপেশ্বৰ হালৈয়ে। তবলা বজাইছিল হৰেন বায়নে। সম্পাদকৰ দায়িত্বত আছিল বদন মেনা।

আৰাধনা থিয়েটাৰ

অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসত যি গৰাকী ব্যক্তিয়ে সাহসেৰে ইয়াৰ সেন্দূৰীয়া আলিটো নিৰ্মাণ কৰিছিল সেইজনে হ'ল প্ৰয়াত সদা লহকৰ। ২০০৫ খ্ৰীষ্টাব্দৰ ১৬-৩০ জুন সংখ্যা 'প্ৰান্তিক'ত প্ৰকাশিত এক সাক্ষাৎকাৰত ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক, সদা লহকৰৰ জ্যেষ্ঠ ভাতৃ অচ্যুত লহকৰে এনেদৰে কৈছিল— 'আমাৰ শিক্ষক ধৰণীধৰ গোস্বামী আৰু ভৃগুপতি দত্তই যদি অনুপ্ৰেৰণা আৰু উৎসাহ দি সদা লহকৰক গঢ়ি নুতুলিলেহেঁতেন, তেন্তে হয়তো 'নটৰাজ অপেৰা'ৰ জন্ম নহ'লহেঁতেন। আৰু মোৰ ভাতৃ সদাই যদি এই অপেৰা নুখুলিলেহেঁতেন, তেন্তে মোৰ থিয়েটাৰ নহ'লহেঁতেন। যেতিয়াই ভ্ৰাম্যমাণ থিয়েটাৰক লৈ গৌৰৱ কৰা যায় আৰু মানুহে মোক প্ৰশংসা কৰে তেতিয়া মোৰ ভাই সদাৰ কথাও মনত পেলোৱা উচিত।'

ভ্ৰাম্যমাণ থিয়েটাৰৰ ৰূপকাৰ সদা লহকৰৰ জন্ম হৈছিল পাঠশালা চহৰত ১৯৩৩ চনত। পাঠশালা মজলীয়া বিদ্যালয়ত প্ৰাথমিক শিক্ষা লাভ কৰি স্থানীয় বজালী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পাছত তেওঁ কটন মহাবিদ্যালয়ত নাম ভৰ্তি কৰে যদিও ঘৰুৱা অসুবিধাৰ বাবে আধাতে শিক্ষা সামৰি ঘৰলৈ উভতিব লগা হয়।

স্কুলীয়া জীৱনতে অভিনয়ৰ ক্ষেত্ৰখনত ভৰি দিয়া সদা লহকৰে হাইস্কুলত পঢ়ি থকা সময়ত 'নন্দ দুলাল' নামৰ নাটক এখনত শ্ৰীকৃষ্ণৰ ভূমিকাত অভিনয় কৰিছিল। গতিকে নাটকৰ সোৱাদ পোৱা লহকৰে ৩০ ৰ দশকৰ পৰা ৫০ ৰ দশকলৈ বিভিন্ন অপেছাদাৰী নাট্যগোষ্ঠীত অভিনয় কৰে। পাঠশালাৰ পৰা দক্ষিণে অৱস্থিত বগৰীগুৰি গাঁৱৰ এটি অপেৰা দলত অভিনেতা হিচাপে যোগ দি সদা লহকৰে ১৯৫৩ চনত আৰম্ভ কৰে ভ্ৰাম্যমাণ সাংস্কৃতিক জীৱন। নাট্য দলটিৰ 'বন্দীৰ সন্তান' নাটকত শতদল আৰু 'কোহিনুৰ' নাটকত হোছেনৰ ভূমিকাত দৰ্শনীয় অভিনয়েৰে তেওঁ দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিছিল। ১৯৫৪ চনত বাগনাৰ নাট্যদল এটাত যোগ দি প্ৰয়াত সদা লহকৰে (২০০৬ চনৰ ১০ ডিচেম্বৰ তাৰিখে পাঠশালাৰ নিজ বাসভৱনত তেখেতৰ মৃত্যু ঘটে।) 'বিপ্লৱী' বীৰ নাটকত দীপাসুৰৰ ভাৱত অভিনয় কৰে।

১৯৫৯ চনটি আছিল ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসৰ বাবে এক গুৰুত্বপূৰ্ণ বছৰ। এই বছৰতে সদানন্দ লহকৰৰ প্ৰযোজনাত 'নটৰাজ অপেৰা' নামৰ নাট্যদলটি গঢ়ি উঠে। তেখেতৰ আশাগুধীয়া প্ৰচেষ্টাৰ ফলত জন্ম লভা এই নাট্যদলটিয়ে অতি কম দিনৰ ভিতৰতে নাট্য জগতত আলোড়নৰ সৃষ্টি কৰে। বিখ্যাত অভিনেতা চন্দ্ৰ চৌধুৰী আৰু কমলা চক্ৰৱৰ্তী

নটৰাজ অপেৰাৰ নাট পৰিচালক আছিল। প্ৰযোজক লহকৰ, নাট পৰিচালকদ্বয়ৰ উপৰি নাট্যদলটিত যোগেশ শৰ্মা, উপেন বৰ্মন, হৰেন ৰয়, দেৱেন দাস, তনু কলিতা আদি অভিনেতাই পুৰুষ চৰিত্ৰত আৰু কমলেশ্বৰ দাস, গিৰীশ পাটগিৰী, গদা দাস, খগেন দাস, পৰীক্ষিত পাঠক আদিয়ে স্ত্ৰী চৰিত্ৰত অভিনয় কৰিছিল। পূৰ্ববৰ্তী যাত্ৰাদলবোৰৰ গতানুগতিক অনেক পদ্ধতি সলনি কৰি নৃত্যগীত আৰু আবহ সংগীতৰ ক্ষেত্ৰত 'নটৰাজ অপেৰা'ই ভালেমান পৰিবৰ্তন সাধন কৰিলে। কালৱন্ত সিং, ৰবীন দাস, যতীন দাস আৰু সনাতন দাসৰ সু-পৰিচালনাত নটৰাজ অপেৰাই সৰ্বপ্ৰথম কেবাটাও সৰ্বভাৰতীয় নৃত্য প্ৰদৰ্শন কৰে। তৃতীয় বৰ্ষত নটৰাজ অপেৰালৈ আগমন ঘটিছিল ধৰণী বৰ্মন আৰু হৰেন দাসৰ দৰে অভিনেতাৰ। একেদৰে সুৰেন পাটগিৰী, ভবানন্দ পাটগিৰী, বসন্ত শৰ্মা আদি অভিনয় শিল্পীয়ে এই নটৰাজ অপেৰাৰ জৰিয়তে মঞ্চজগতত ভূমুকি মাৰে। মাদ্ৰাজ কলাক্ষেত্ৰত শিক্ষা লাভ কৰা বিখ্যাত নৃত্য শিল্পী খগেন বৰ্মনক নাট্য দলটিয়ে প্ৰথম বৰ্ষত আৱিষ্কাৰ কৰিছিল।

১৯৫৯ চনৰ পৰা ১৯৬২ চনলৈ নটৰাজ অপেৰাৰ অভিনীত নাটকবোৰ হ'ল— অভিশাপ, সম্ৰাট অশোক, আকালৰ দেশ, ভক্ত প্ৰহ্লাদ, কুৰুক্ষেত্ৰৰ আগত, সহধৰ্মিনী, কালাপাহাৰ, কোহিনুৰ, দেৱী অন্নপূৰ্ণা, দিন ডকাইত, ভাস্কৰ পণ্ডিত, লোৰজাল, কৃষ্ণ কালিন্দী, ধৰ্মৰ বলি, দুখীয়াৰ জীয়ৰী আদি। এই দলটিয়ে নাট্য প্ৰদৰ্শনত সম্পূৰ্ণ পেছাদাৰী মনোবৃত্তি গ্ৰহণ কৰি অভিনয় যে এক মৰ্যাদা সম্পন্ন পেছা হ'ব পাৰে তাৰ নমুনা দাঙি ধৰিছিল। ইয়াৰ আগলৈকে যাত্ৰা-পাৰ্টিবোৰে পূজা-উৎসৱ আদিত সাময়িকভাৱে নাট প্ৰদৰ্শন কৰিছিল। কিন্তু নটৰাজ অপেৰাই বছৰ জুৰি (প্ৰায় ৯ মাহ কাল) বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, স্কুল-কলেজ, ক্লাব, সংঘ আদিৰ সাহায্যাৰ্থে নাট প্ৰদৰ্শন কৰিছিল। উল্লেখযোগ্য যে পৰৱৰ্তী সময়ত ভ্ৰাম্যমাণ থিয়েটাৰ দলবোৰে নটৰাজ অপেৰাই দেখুৱাই থৈ যোৱা এই আৰ্হিটোৰেই নাট প্ৰদৰ্শন কৰিছিল।

সদা লহকৰৰ 'নটৰাজ অপেৰা'ৰ বুকুতেই মঞ্চ প্ৰভাকৰ অচ্যুত লহকৰে লহপহকৈ গঢ়ি তুলিছিল ভ্ৰাম্যমাণ থিয়েটাৰৰ আৰ্হিটো। কলিকতাৰ পৰা উভতি অহাৰ পিছতে অচ্যুত লহকৰে ভাতৃ সদা লহকৰক অপেৰাৰ ৰূপটো সামান্য সলনি কৰি ইয়াক ভ্ৰাম্যমাণৰ ৰূপ দিলে। এনেদৰে ১৯৬৩ চনত এই দুই ভাতৃৰ সংঘবদ্ধ প্ৰচেষ্টাত গঢ়ি উঠিল 'নটৰাজ থিয়েটাৰ'। ১৯৬৩ চনৰ ২ অক্টোবৰত নাট প্ৰদৰ্শনৰ পৰিক্ৰমা আৰম্ভ কৰা এই থিয়েটাৰ দলটো সমগ্ৰ ভাৰতৰ ভিতৰতে প্ৰথম ভ্ৰাম্যমাণ নাট্যদল আছিল।

দ্বিতীয় বৰ্ষত সদা লহকৰে নটৰাজ থিয়েটাৰৰ পৰা ওলাই আহে। তাৰ পিছত তেওঁ জড়িত হৈ পৰে 'নটবাণী নাট্য সমাজ'ৰ সৈতে। এই দলটিৰ সামগ্ৰিক নাট পৰিচালনা লহকৰ দেৱে কৰিবলৈ লয়। সমবায় ভিত্তিত গঠিত এই নাট্যদলটোৰ নাট্য-আন্দোলনলৈ আছে অভূতপূৰ্ব অৱদান। এই নটবাণী নাট্য সমাজৰ উদ্যোগতেই 'কামৰূপ আৰ্য অপেৰা'ৰ পৰৱৰ্তী মুকলি মঞ্চত সহ-অভিনয় প্ৰদৰ্শিত হৈছিল।

অসম নটবাণী নাট্য সমাজৰ পৰা বিদায় লৈ তেওঁ পুনৰ নটৰাজ থিয়েটাৰত অভিনয় শিল্পী হিচাপে যোগ দিয়ে। মাথো এবছৰ নটৰাজ থিয়েটাৰত অভিনয় কৰি পিছৰ বছৰ হাজোৰ 'পূৰ্বজ্যোতি থিয়েটাৰ'ত অভিনেতা হিচাপে যোগ দিয়ে। পূৰ্বজ্যোতি থিয়েটাৰত অভিনয় কৰা সময়ছোৱাত নাট পৰিচালক আছিল নটসূৰ্য ফণী শৰ্মা। 'পূৰ্বজ্যোতি'ত তেখেতে অভিনয় কৰা বিখ্যাত নাট হ'ল— চিৰাজ, এমুঠি চাউল আদি। পূৰ্বজ্যোতিত এবছৰ অভিনয় কৰাৰ পিছত তেওঁ পুনৰ নটৰাজ থিয়েটাৰলৈ উভতি আহে আৰু ১৯৭১ চন পৰ্যন্ত উক্ত দলটিত থাকে।

১৯৭২ চনত লহকৰে পুনৰ নিজৰ উদ্যোগত 'নটৰাজ অপেৰা' গঢ়ি তোলে। পৰিচালনা-পৰিকল্পনা-প্ৰযোজনাৰ লগতে নটৰাজ অপেৰাত তেওঁ অভিনয়ো কৰিছিল। ১৯৭৩ চনত 'নটৰাজ অপেৰা'ক 'নটৰাজ শিল্পী নিকেতন' নাম দি মিনি থিয়েটাৰ ৰূপত ১৯৭৭ চনলৈ চলাই থাকে। তাৰ পিছত ১৯৭৮ চনত ব্যয়বহুল প্ৰচেষ্টাৰে গঢ়ি তোলে আৰাধনা থিয়েটাৰ।

আৰাধনা থিয়েটাৰৰ পৰিক্ৰমা

প্ৰথম বছৰৰ পৰিক্ৰমা (১৯৭৮-৭৯)ঃ ১৯৭৮ চনত সদা লহকৰে গঢ়ি তোলা আৰাধনা থিয়েটাৰে নাট পৰিবেশনৰ ক্ষেত্ৰত এক নতুন তৰংগৰ সৃষ্টি কৰে। জাতীয় চেতনাৰে আৰম্ভ হোৱা আৰাধনা থিয়েটাৰৰ মূল মন্ত্ৰ আছিল 'দুস্কৃতিক বিনাশিম সংস্কৃতিৰে, সেয়ে আমাৰ আৰাধনা'। আৰাধনাৰ প্ৰথম বৰ্ষৰ নাটসমূহ আছিল— ভবেন বৰুৱাৰ 'জয় মা কামাখ্যা (প্ৰথম ধৰ্মমূলক সামাজিক নাটক), 'বদনাম', ৰুদ্ৰ বৰুৱা সম্পাদিত 'অভিনন্দন' আৰু তিনি কন্যা' আৰু ৰজনীকান্ত বৰদলৈৰ উপন্যাস 'মিৰি জীয়ৰী'ৰ মহেশ কলিতাই একে নামেৰে দিয়া নাট্যৰূপ। এই বৰ্ষৰ নাটবোৰ পৰিচালনা কৰিছিল ভবেন বৰুৱা আৰু ৰুদ্ৰ চৌধুৰীয়ে। অভিনয় শিল্পীসকল হ'ল ৰুদ্ৰ চৌধুৰী, ভবেন বৰুৱা, পংকজ পূজাৰী, ভৰত ৰাজখোৱা, অৰুণ নাথ, গুণেশ্বৰ ভূঞা, অনিল ৰয়, পৰমা কলিতা, জিনু মাৰ্চেণ্ডু, ৰেজিনা বেগম, নিৰদা বৰা আদি।

উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ অমৰ উপন্যাস 'মিৰি জীয়ৰী'ক অতি সহজভাৱে উপস্থাপন কৰিছিল নাট্যকাৰ মহেশ কলিতাই। ৰুদ্ৰ চৌধুৰীৰ সুদক্ষ পৰিচালনাত নাটখনত মিচিং সমাজৰ সহজ-সৰল জীৱন শৈলী, কথোপকথন সুচাৰুৰূপে উপস্থাপন কৰা হৈছিল। মূল দুই চৰিত্ৰ পানেই আৰু জংকিৰ ভূমিকাত নিৰদা বৰা আৰু পংকজ পূজাৰীয়ে মিচিংসকলৰ কথনভংগীৰ অনুকৰণত সুন্দৰ অভিনয় কৰিছিল। জিনু মাৰ্চেণ্ডে ডালিমীৰ চৰিত্ৰটিৰ ভিতৰত যেন সোমাই গৈছিল। দৃশ্যসজ্জা আৰু আলোক সজ্জাৰ লগতে নাটখনৰ সংগীত ব্যৱস্থাপনা অধিক জীৱন্ত আছিল। দেৱদাস আৰু বাবুল নাগৰ সংগীত নিৰ্দেশনাৰ জৰিয়তে মিচিং লোকজীৱনক অৰ্থবহভাৱে নাটখনত উপস্থাপন কৰা হৈছিল। এই বৰ্ষত পৰিৱেশিত নৃত্য-নাটিকাবোৰৰ ভিতৰত 'জয়ন্তৰ অনন্ত শয়ন' আৰু 'সুন্দৰৰ আৰাধনা' নামৰ নাটিকা দুখনৰ পৰিৱেশন অনন্য আছিল।

দ্বিতীয় বছৰৰ পৰিক্ৰমা (১৯৭৯-৮০)ঃ দ্বিতীয় বৰ্ষত আৰাধনাৰ মঞ্চত পৰিবেশিত নাটসমূহ হ'ল ভবেন বৰুৱাৰ 'মহানদী গঙ্গা', প্ৰফুল্ল বৰাৰ 'জীৱন তৃষ্ণা', 'সূৰ্য সন্ধান' আৰু 'আকাশী গঙ্গা' আৰু ধৰ্মমূলক নাট 'জয় মা কামাখ্যা'। এই বৰ্ষৰ অভিনয় শিল্পীসকল হ'ল ভবেন বৰুৱা, সুৰেন মহন্ত, সুজিত শৰ্মা, প্ৰাণেশ্বৰ পাঠক, মনোজ শৰ্মা, কৃষ্ণমল্ল বৰুৱা, মীনা কুমাৰী, হীৰা তালুকদাৰ, সোমেশ্বৰী দাস আদি। উল্লেখ্য যে সুজিত শৰ্মা আৰু সুৰেন মহন্তই আৰাধনাত মঞ্চতে প্ৰথমবাৰৰ বাবে আত্মপ্ৰকাশ কৰিছিল। দ্বিতীয় বৰ্ষৰ নৃত্য-নাটিকাকেইখন হৈছে— 'অচিন বাঁহীৰ সুৰ', 'জয়ন্তৰ অনন্ত শয়ন' আৰু 'হেৰোৱা আঁত বিচাৰি'।

তৃতীয় বছৰৰ পৰিক্ৰমা (১৯৮০-৮১)ঃ এই নাট্যবৰ্ষত প্ৰদৰ্শিত নাটসমূহ আছিল ভবেন বৰুৱাৰ 'দেৱী মা মনসা', প্ৰফুল্ল বৰাৰ 'মন্থন' আৰু 'মাটিৰ মৰম' আৰু ভবেন বৰুৱাৰ 'পোৰা সোণৰ জিলিকনি'।

১৯৮০-৮১ নাট্যবৰ্ষৰ প্ৰফুল্ল বৰা ৰচিত আৰু প্ৰশান্ত হাজৰিকা পৰিচালিত 'মন্থন' নাটখনে এক সামাজিক বৈপৰীত্যক সঠিকভাৱে দেখুৱাইছিল। অভিজাত সমাজৰ ভণ্ডামি আৰু হাড়ভগা পৰিশ্ৰমেৰে জীৱন নিৰ্বাহ কৰা শ্ৰমিকৰ মনৰ বিশালতা নাটখনত ফুটি উঠিছিল। নাটখনত সুজিৎ শৰ্মাই মনপৰশা অভিনয় কৰিছিল। একেদৰে প্ৰশান্ত হাজৰিকা (চাহ মজদুৰৰ চৰ্দাৰ), ইলা কাকতি (চাহ মজদুৰ ছোৱালী) আৰু কৃষ্ণ মল্ল বৰুৱাৰ অভিনয়ে নাটখনক অধিক প্ৰাণৱন্ত কৰি তুলিছিল। একেদৰে ঝুমুৰৰ গীত, নিচুকনি গীত আছিল সমাবেশেৰে সংগীত পৰিচালক দেৱদাস আৰু বাবুল নাগে নাটখনক অধিক বাস্তৱিক কৰি তুলিছিল।

এই বৰ্ষত আৰাধনাৰ মঞ্চ বহুকেইগৰাকী নামী-দামী শিল্পীৰে ভৰি পৰে। এই শিল্পীসকল হৈছে— ইলা কাকতি, প্ৰশান্ত হাজৰিকা, বিষ্ণু খাৰঘৰীয়া, কৃষ্ণমল্ল বৰুৱা, উপকূল বৰদলৈ, সুজিত শৰ্মা, সৰ্বেশ্বৰ ৰাজবংশী, ৰূপধন পাঠক, মনোজ শৰ্মা, পুতুলী দাস, গব্যাঞ্জলী দাস, পৰমা কলিতা, ৰত্ন, ডালিম, দেৱদাস, নমিতা, পুতুলী, বাবুল, মাধৱ, প্ৰভাত, গিৰীশ, থানেশ্বৰ, কমলা, অকনি, দুলাল, ধৰ্মেন্দ্ৰ, উলুপী আৰু ৰেণু। এই বছৰৰ নৃত্য-নাটিকা কেইখন হৈছে— 'সূৰ্যমুখী', 'আকৌ গৰজে শৰাইঘাট' আৰু 'নতুন পুৰুষৰ সংকল্প'।

চতুৰ্থ বছৰৰ পৰিক্ৰমা (১৯৮১-৮২)ঃ এই বৰ্ষত ভ্ৰাম্যমাণ থিয়েটাৰে এই ক্ষেত্ৰখনলৈ এক বিৰল সন্মান কঢ়িয়াই আনে। প্ৰয়াত ফণী তালুকদাৰৰ উপন্যাসৰ আধাৰত সুজিৎ সিংহই একে নামত দিয়া নাট্যৰূপ 'পৃথিৱীৰ প্ৰেম' নাটখনৰ বাবে নাট্যদলটিয়ে All India Critics Association (AICA) ৰ বৰ্ষশ্ৰেষ্ঠ নাটকৰ পুৰস্কাৰ লাভ কৰিছিল। নাটখন পৰিচালনা কৰিছিল সুজিৎ সিংহই। সৰ্বভাৰতীয় বঁটা পাবলৈ সক্ষম হোৱা 'পৃথিৱীৰ প্ৰেমে'ই একমাত্ৰ ভ্ৰাম্যমাণৰ নাটক। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জ্ঞানপীঠ বঁটা বিজয়ী উপন্যাস 'মৃত্যুঞ্জয়'ৰ ফুলেন বৰ্মনে দিয়া নাট্যৰূপ নাটদলটিৰ এই বছৰৰ আন এক কৃতিত্ব আছিল।

নাটখনৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰা শিল্পীসকল হৈছে জ্ঞানদা বৰা (মহদা গোস্বামীৰ চৰিত্ৰত), ৰবীন নেওগ (ধনপুৰ), সুৰেন মহন্ত (ৰূপনাৰায়ণ), ৰুদ্ৰ চৌধুৰী (আহিনা কোঁৱৰ), ৰামেশ্বৰ হাজৰিকা (ভোলা চিপাহী), হীৰা নেওগ (জিমি), হিৰু বৰঠাকুৰ, ৰুদ্ৰ চৌধুৰী, ভৱানী নাথ, ত্ৰিবেণী শইকীয়া, মণি হাজৰিকা আদি। নাটখনি পৰিচালনা কৰিছিল ৰুদ্ৰ চৌধুৰীয়ে। নাটখনিত 'বিশ্ব বিজয়ী ন জোৱান' শীৰ্ষক গীতটিক থীম ছং হিচাপে ব্যৱহাৰ কৰা হৈছিল। 'শুন শুন ৰে শুন বৈৰী প্ৰমান্য' গীতটিও আৱহ সংগীত হিচাপে ব্যৱহাৰ কৰা হৈছিল। নাটখনিত 'বন্দে মাতৰম' শীৰ্ষক ধ্বনি সংগীত পৰিচালক দেৱদাস আৰু ধৰণী বণিক্যই অতি কুশলতাৰে উপস্থাপন কৰিছিল।

ফণী তালুকদাৰৰ অতি জনপ্ৰিয় উপন্যাস 'পৃথিৱীৰ প্ৰেম' অনাতাঁৰ যোগে পোনতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পৰা ধাৰাবাহিকভাৱে প্ৰচাৰ হৈছিল। পাছলৈহে ই উপন্যাসৰ ৰূপ লয়। সেয়েহে স্বাভাৱিকতে অনাতাঁৰৰ শ্ৰোতাসকলৰ বাবে এই নাটখনি অধিক আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছিল। সুজিৎ সিংহৰ ৰচনা আৰু পৰিচালনাৰ এই নাটখনত আৰাধনাৰ শিল্পীসকলে মন-প্ৰাণ দি অভিনয় কৰিছিল। ৰুদ্ৰ চৌধুৰী, হীৰু বৰঠাকুৰ, ভবানী নাথ, ৰবীন নেওগ, জ্ঞানদা বৰা, হীৰা নেওগ, ত্ৰিবেণী শইকীয়া মণি হাজৰিকা আদিয়ে প্ৰশংসনীয় অভিনয় কৰাৰ লগতে দেৱদাস আৰু ধৰণী বণিক্যৰ সংগীতে প্ৰতিটো দৃশ্য মনোমোহা কৰিছিল। একেদৰে সুজিৎ সিংহৰ আলোক সম্পাতে নাটখনৰ উপস্থাপন অধিক জীৱন্ত কৰিছিল। বছৰটিৰ নৃত্য-নাটিকাসমূহ আছিল— 'সূৰ্যমুখী', 'সপ্তসুৰে ৰিঙিয়ায়', 'আমি একেখন নাৱৰে যাত্ৰী' আৰু 'কমলা কুঁৱৰী'।

পঞ্চম বছৰৰ পৰিক্ৰমা (১৯৮২-৮৩)ঃ এই নাট্যবৰ্ষত আৰাধনা থিয়েটাৰে কুমাৰ কিশোৰৰ বহুপঠিত 'কবৰ আৰু কংকাল' উপন্যাসখনৰ নাট্যৰূপ দিয়ে। ঔপন্যাসিক গৰাকীয়ে নিজে ইয়াৰ নাট্যৰূপ দিছিল। নাটখনত দেৱদত্তৰ ৰূপত অভিনেতা ৰুদ্ৰ চৌধুৰীয়ে আৰু ৰজতৰ দৰে হোজা গাঁৱলীয়া চৰিত্ৰত বলদেৱ শইকীয়াই শক্তিশালী অভিনয় কৰিছিল। অভিনেতা উপকূল বৰদলৈয়ে সমান দক্ষতাৰে এজন জিঅ'লজিষ্ট আৰু চন্দ্ৰকান্ত সিংহৰ চৰিত্ৰ দুটি ফুটাই তুলিছিল। জাহ্নৱীৰ ভাওত হীৰা নেওগ আৰু বনলতাৰ ভাৱত মণি হাজৰিকাই প্ৰশংসনীয় অভিনয় কৰিছিল। নাটখনত শিশু শিল্পী অৰুণ বৈশ্য আৰু মাধৱ পাঠকে দৰ্শনীয় অভিনয়ে দৰ্শকক সন্তুষ্ট কৰিছিল। নাটখন যুটীয়াভাৱে পৰিচালনা কৰিছিল ৰুদ্ৰ চৌধুৰী আৰু প্ৰশান্ত হাজৰিকাই।

এই বৰ্ষৰ আন নাটসমূহ হ'ল মহেন্দ্ৰ বৰঠাকুৰৰ 'আইৰ চকুলো', প্ৰফুল্ল বৰাৰ 'সূৰ্য তপস্যা' আৰু 'মন্থন' (আশুতোষ মুখোপাধ্যায়ৰ 'আৰো একজন' উপন্যাসৰ ছাঁ লৈ লিখা) আৰু মহেশ কলিতাৰ 'পুৱতি তৰা'। নাট পৰিচালনা কৰিছিল ৰুদ্ৰ চৌধুৰী আৰু প্ৰশান্ত হাজৰিকাই। সংগীত পৰিচালনাৰ দায়িত্বত আছিল বাবুল নাগ। আলোক, কলা আৰু শব্দৰ দায়িত্বত আছিল ক্ৰমে অজিত দাস (সহযোগী ঃ মদন শৰ্মা, টিকেন দাস আৰু জগদীশ

নাথ), প্ৰণৱ দাস (সহযোগী ঃ প্ৰমোদ ৰয়) হেমেন দাস, বনমালী দাস আৰু গিৰিশ হালৈ। ৰূপসজ্জাৰ দায়িত্বত আছিল বলদেৱ শইকীয়া। সম্পাদক, ব্যৱস্থাপক আৰু কাৰ্যাধ্যক্ষ আছিল ক্ৰমে জীতেন বৰুৱা, মনোজ শৰ্মা, পৰমা কলিতা আৰু গিৰিধৰ লহকৰ।

এইবছৰৰ অভিনয় শিল্পীসকল হৈছে— ৰুদ্ৰ চৌধুৰী, প্ৰশান্ত হাজৰিকা, বলদেৱ শইকীয়া, উপকূল বৰদলৈ, ৰামেশ্বৰ হাজৰিকা, মনোজ শৰ্মা, ৰূপধন পাঠক, হীৰা নেওগ, মঞ্জু বৰদলৈ, মণি হাজৰিকা, অজিত হাজৰিকা, প্ৰতিমা ভূঞা, প্ৰশান্ত শইকীয়া, লিলি বৰা, প্ৰফুল্ল ভূঞা, পৰমা কলিতা, প্ৰিয় পাটগিৰী, গোপাল মজুমদাৰ, শিশু শিল্পী অৰুণ বৈশ্য আৰু সাধনা পাঠক।

আৰাধনাৰ মঞ্চত পৰিবেশিত এই বৰ্ষৰ নৃত্য-নাটিকা সমূহ হ'ল ভূপেন হাজৰিকাৰ 'মহাবাহু ব্ৰহ্মপুত্ৰ', ফণী তালুকদাৰৰ 'গতিশীল উত্তৰণ', যতীন গোস্বামীৰ 'এই দেশ এই মাটি' আৰু হলি বৰাৰ 'শ্যামন্ত হৰণ'। নৃত্য পৰিচালনা কৰিছিল যতীন গোস্বামী, হলি বৰা আৰু দিলীপ দাসে। নৃত্য শিল্পীসকল হ'ল— দিলীপ ডেকা, নন্দা দেৱী, সহদেৱ ভৰালী, আৰতি মেধি, গোপাল মজুমদাৰ, পদ্মা কলিতা, অলকা পাটগিৰী, বীৰেন পাঠক, জোনমণি বৈশ্য, ধৰ্মকান্ত পাঠক, কল্পনা বৰা আৰু দিলীপ দাস। কণ্ঠ শিল্পীসকল হ'ল গগন গগৈ, তিলোত্তমা বৰ্মন আৰু বাবুল নাগ। যন্ত্ৰ শিল্পী সকল হ'ল— বাবুল নাগ, মুকুল নাগ, মাধৱ কলিতা, বাসুদেৱ দাস, টিকেন্দ্ৰজিৎ পাঠক, তুলেশ্বৰ বৰা, দেবীচৰণ কাকতি আৰু গগন গগৈ।

ষষ্ঠ বছৰৰ পৰিক্ৰমা (১৯৮৩-৮৪) ঃ এই বৰ্ষত আৰাধনা থিয়েটাৰে পৰিবেশন কৰা আটাইতকৈ উল্লেখনীয় নাটখন আছিল মহেন্দ্ৰ বৰঠাকুৰ ৰচিত আৰু প্ৰশান্ত হাজৰিকা পৰিচালিত নাট 'বাঘ হাজৰিকা'। এগৰাকী নিষ্ঠাবান দেশপ্ৰেমিক তথা অসমৰ ইতিহাসত স্বৰ্ণময় আখৰেৰে নিজৰ নাম লিখি যোৱা বাঘ হাজৰিকাৰ জীৱনৰ আধাৰত ৰচিত এই নাটখন আছিল আৰাধনাৰ এক অনন্য প্ৰয়াস। প্ৰশান্ত হাজৰিকাৰ সফল পৰিচালনাত এই ঐতিহাসিক চৰিত্ৰটি আৰাধনাৰ মঞ্চত উজলি উঠিছিল। নাম ভূমিকাত ৰাণা প্ৰতাপ বৰুৱাই সাৱলীল অভিনয় প্ৰদৰ্শন কৰিছিল। প্ৰশান্ত হাজৰিকাই লাচিত বৰফুকনৰ চৰিত্ৰটিত আৰু প্ৰখ্যাত কথা ছবি শিল্পী বিজয় শংকৰে যথাযথ অভিনয়েৰে দৰ্শকৰ মন মুহিছিল। নাটখনৰ আন চৰিত্ৰবোৰত মীনা কুমাৰী, পৰেশ হাজৰিকা, খগেন বৰুৱা, মুনিন বৰা, প্ৰভাত হাজৰিকা আদিৰ অভিনয় আছিল যথাযথ। এই বৰ্ষৰ আন নাটকেইখন হ'ল মহেন্দ্ৰ বৰঠাকুৰৰ 'আইৰ চকুলো', মহেশ কলিতাৰ 'পুৱতি তৰা' আৰু প্ৰফুল্ল বৰাৰ 'মন্থন'। এই বছৰৰ নৃত্য-নাটিকসমূহ হ'ল— 'মহাবাহু ব্ৰহ্মপুত্ৰ', 'মেঘদূত', 'সপ্তসুৰে ৰিঙিয়ায়' আৰু 'একেখন নাৱৰে যাত্ৰী'।

সপ্তম বছৰৰ পৰিক্ৰমা (১৯৮৪-৮৫) ঃ অসমৰ নাট্য পৰম্পৰাত এক ব্যতিক্ৰম সূচনা কৰি আৰাধনা থিয়েটাৰে এই বৰ্ষত মঞ্চত পৰিবেশিত কৰিছিল 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ'। কথা সাহিত্যিক পদ্ম বৰকটকীয়ে ৰচনা কৰা আৰু আব্দুল মজিদ পৰিচালিত এই নাটখনৰ

উপস্থাপন শৈলীও আছিল অভিনৱ। নাটখনৰ মূল চৰিত্ৰ শ্ৰীশংকৰৰ কথা অন্য চৰিত্ৰৰ মুখে-মুখে যদিও শংকৰৰ চৰিত্ৰটি উপস্থাপন নকৰাকৈয়ে নাটখন সামৰা হৈছিল। নাটখনৰ সংগীত পৰিচালনা কৰিছিল ড° ভূপেন হাজৰিকাই। এই বৰ্ষত নৃত্য পৰিচালনাৰ দায়িত্বত আছিল যতীন গোস্বামী আৰু কলা নিৰ্দেশনা কৰিছিল গৌৰী বৰ্মনে। এই নাটখনৰ 'মধুদানৱ দানৱ দেৱ বৰং...' শীৰ্ষক গীতত টোটয়টোৰ পৰীক্ষামূলক প্ৰয়োগেৰে ড° হাজৰিকাই এক নতুন ধাৰা প্ৰৱৰ্তন কৰিবলৈ বিচাৰিছিল আৰু সংগীতশিল্পী টিকেন চৌধুৰীয়ে অতি সাৱলীলভাৱে গীতটিত কণ্ঠদান কৰিছিল। দাস বিদ্ৰোহৰ চাঞ্চল্যকৰ নাট 'স্পাৰ্টাকাছ' আছিল এই বৰ্ষৰ আন এখন উল্লেখযোগ্য নাট। নাটখনৰ অসমীয়া অভিযোজনা তথা পৰিচালনা কৰিছিল যশস্বী অভিনেতা-পৰিচালক আব্দুল মজিদে। এই বছৰৰ আন এখন নাট আছিল 'ভৈৰবী'। বছৰটোৰ অভিনয় শিল্পীসকল হ'ল— ৰবীন নেওগ, উপকূল বৰদলৈ, ৰামেশ্বৰ হাজৰিকা, পৱন শৰ্মা, ৰূপধন পাঠক, পৰমা কলিতা, অজিত হাজৰিকা, জাহ্নু বৰবৰা, হীৰা নেওগ, মণি হাজৰিকা, ৰেণু দাস আৰু স্বনামধন্য অভিনেতা জ্ঞানদা বৰা। উল্লেখযোগ্য যে পূৰ্বৰ মৃত্যুঞ্জয় নাটখনি এইবেলিও পৰিৱেশন কৰা হৈছিল।

অষ্টম বছৰৰ পৰিক্ৰমা (১৯৮৫-৮৬) ঃ এই বৰ্ষত আৰাধানাৰ মঞ্চত মঞ্চস্থ হোৱা নাটসমূহ হ'ল 'পাপ আৰু প্ৰায়শ্চিত্ত', 'গৰিৱ কি মৰে', 'উষা অনিৰুদ্ধ', 'নৰকাসুৰ বধ', 'চিপাহী বিদ্ৰোহ' আৰু 'ৰাজ নৰ্তকী'। নৃত্য-নাটিকাসমূহ হৈছে— 'মহাবাহু ব্ৰহ্মপুত্ৰ', 'সুৰুযমুখীৰ স্বপ্ন' আৰু 'কন্নকী'।

নৱম বছৰৰ পৰিক্ৰমা (১৯৮৬-৮৭) ঃ নৱম বৰ্ষত আৰাধনাৰ মঞ্চত মঞ্চস্থ কৰা নাটকেইখনি আছিল প্ৰফুল্ল বৰাৰ 'সূৰ্য সন্ধান', সদানন্দ লহকৰৰ 'পুলিচ' আৰু শম্ভুগুপ্তৰ 'আচামী ঈশ্বৰ হাজিৰ'। এই বছৰৰ দুখন উল্লেখযোগ্য নৃত্য-নাটিকা হ'ল— 'কন্নকী' আৰু 'সিহঁতো মানুহ'।

দশম বছৰৰ পৰিক্ৰমা (১৯৮৭-৮৮) ঃ দশম বৰ্ষত আৰাধনাই মঞ্চস্থ কৰা নাটসমূহ আছিল— 'ধুমুহা পখীৰ গান', 'জীৱন তৃষ্ণা', 'এখন যুদ্ধ লাগে' আৰু 'পৰাজিত নায়ক'। নাট পৰিচালনা কৰিছিল অনিল মজুমদাৰে। প্ৰভাত ৰয়ৰ সংগীত পৰিচালনাত আৰু যতীন গোস্বামী আৰু থানেশ্বৰ কুমাৰৰ নৃত্য পৰিচালনাত আৰাধনাৰ মঞ্চত কেবাখনো নৃত্য-নাটিকা পৰিৱেশিত হৈছিল। এই বছৰৰ কলা নিৰ্দেশক আছিল নিৰ্মল লহকৰ।

প্ৰায় দহটা বছৰৰ সফল পৰিক্ৰমাৰ অন্তত ১৯৮৯ চনত আৰাধনা থিয়েটাৰ আনুষ্ঠানিকভাৱে বন্ধ হৈ পৰে।

মা-লক্ষ্মী থিয়েটাৰ

১৯৭৮ চনত গোলাঘাটৰ মৰঙী চাৰিআলিৰ পৰা আত্মপ্ৰকাশ কৰে মা-লক্ষ্মী থিয়েটাৰে। ইয়াৰ আগতেও উজনি অসমৰ পৰা ভ্ৰাম্যমাণ দল গঠন হৈছিল যদিও এনেদৰে পৰিপূৰ্ণ ৰূপত ভ্ৰাম্যমাণ দল গঠন কৰাৰ ইয়েই আছিল প্ৰথম প্ৰয়াস। নাট্যদলটিৰ প্ৰযোজক জীতেন শৰ্মাই এই থিয়েটাৰ দলটি আৰম্ভ কৰাৰ আগতে প্ৰায় পোন্ধৰ বছৰমান ধৰি ভ্ৰাম্যমাণ নাট্যদলৰ লগত জড়িত আছিল। শৰ্মাই এম এ মহলালৈ অধ্যয়ন কৰি ৰে'লৱেত চাকৰি কৰিছিল। ১৯৬৪ চনত তেওঁ ধৰণী বৰ্মনৰ সুৰদেৱী নাট্য সমাজত যোগ দিয়ে। ১৯৭৭ চনত শৰ্মা ভাৰতৰ প্ৰথম মহিলা ভ্ৰাম্যমাণ থিয়েটাৰ 'মুন থিয়েটাৰ'ৰ প্ৰযোজনাৰ সৈতে জড়িত হৈ পৰে। ইয়াৰ পৰৱৰ্তী বছৰটিতে শৰ্মাই গোলাঘাট শাখাৰ ইউনাইটেড বেংকৰ পৰা ১,২৫,০০০ টকা ঋণ লৈ মা-লক্ষ্মী থিয়েটাৰ আৰম্ভ কৰে। এই দলটি আৰম্ভ কৰাত মুখ্য পৃষ্ঠপোষকৰ গুৰু দায়িত্ব লৈছিল মনোমোহন বায়নে। আনহাতে প্ৰথম বছৰৰ সংগঠকদ্বয় আছিল বিনয় মেধি আৰু দ্বিজেন শৰ্মা।

প্ৰথম বছৰৰ পৰিক্ৰমা ঃ প্ৰথম বৰ্ষত মা-লক্ষ্মী থিয়েটাৰে পাঁচখন নাট মঞ্চস্থ কৰে। নাটসমূহৰ ভিতৰত নটসূৰ্য ফণী শৰ্মাৰ 'চিৰাজ' আৰু উৎপল দত্তৰ 'ফেৰাৰী ফৌজ' আছিল অন্যতম। উৎপল দত্তৰ নাটখন অসমীয়ালৈ বাংলাৰ পৰা অনুবাদ কৰা হৈছিল। আন তিনিখন নাটো বঙালীৰ পৰা অসমীয়ালৈ অনুবাদ কৰি লোৱা হৈছিল। এই তিনিখন নাট হ'ল— 'সোণ মইনা' (অনুবাদঃ পুস্পা দেৱী) 'আমিও মানুহ' আৰু 'মণিকা' (দুয়োখন নাটৰে অনুবাদ বসন্ত শৰ্মাৰ)। এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন হ'ল মহাপুৰুষ শংকৰদেৱৰ কৰ্মজীৱনৰ ওপৰত সত্ৰীয়া আৰ্হিত পৰিৱেশিত 'শংকৰজ্যোতি', পৰ্বত-ভৈয়াম সম্প্ৰীতিৰ ওপৰত 'ইতিহাসে ৰিঙিয়ায়', সাম্প্ৰতিক সমস্যাৰ ওপৰত 'আৰ্তনাদ' আৰু ভাৰতৰ সনাতন কাব্য ৰামায়ণৰ পৰা 'লব কুশ'।

এই বৰ্ষৰ নাটসমূহ পৰিচালনা কৰিছিল বিশিষ্ট অভিনেতা, চলচ্চিত্ৰ পৰিচালক আব্দুল মজিদে। অভিনয় শিল্পীসকল হ'ল— আব্দুল মজিদ, পুস্পা দেৱী, হৰিপ্ৰসাদ, বীণা শইকীয়া, দ্বিজেন শৰ্মা, দীপা মহন্ত, সুৰেন দত্ত, নন্দিতা বৰগোহাঁই, যোগেন হালৈ, আনন্দ বুঢ়াগোহাঁই, অনন্ত, হেমন্ত, পৰেশ, ধৰ্মেশ্বৰ, গণেশ ঘোষ, ৰুকুমদ্দিন, কুমুদ, দেবেন, কৈলাশ শৰ্মা, ইছমাইল আদি। পৰিচালনাৰ দায়িত্বত আছিল ভ্ৰাম্যমাণৰ এগৰাকী প্ৰখ্যাত নৃত্য পৰিচালক ৰবীন দাস। কলা নিৰ্দেশনাত খগেন শৰ্মা আৰু আলোক সম্পাতৰ দায়িত্বত আছিল অ' পি নায়াৰ।

দ্বিতীয় বছৰৰ পৰিক্ৰমা ঃ দ্বিতীয় বছৰৰ পৰা থিয়েটাৰ দলটিৰ প্ৰযোজনা আৰু পৰিকল্পনাৰ দায়িত্ব লয় ৰমেশ দাসে। গোলাঘাটৰ ইউনাইটেড বেংকৰ আৰ্থিক ঋণৰ জৰিয়তে দলটিয়ে সাংস্কৃতিক যাত্ৰা অব্যাহত ৰাখে। এই বৰ্ষৰ নাটসমূহ আছিল শিৱ ঠাকুৰ ৰচিত আৰু পৰিচালিত 'কলংকিত ৰঙাবিল' উগ্ৰ মেনাৰ 'ব্ৰহ্মচাৰী', সুৰেন পাটগিৰীৰ 'মহাৰাজা হৰিশ্চন্দ্ৰ', 'ছন্দপতন' আৰু আব্দুল মজিদৰ 'নতুন প্ৰভাত'। এই বছৰৰ নৃত্য নাটিকাবোৰৰ নৃত্য পৰিচালনা কৰিছিল যতীন গোস্বামীয়ে আৰু সংগীত পৰিচালনাৰ দায়িত্বত আছিল কুমাৰ ৰঞ্জন আৰু বসন্ত বৰদলৈ।

১৯৮১-৮২ বৰ্ষত মা-লক্ষ্মী থিয়েটাৰ দলটিয়ে ইয়াৰ নাম সলাই 'বীণাদেৱী থিয়েটাৰ' ৰাখে আৰু নাট্যদলটিৰ আখৰাগৃহ নগাঁৱৰ ধিঙলৈ সলনি হয়। বীণাদেৱী থিয়েটাৰে সৰহকাল ধৰি নাট্য-পৰম্পৰা অব্যাহত ৰাখিব নোৱাৰিলে। কম দিনৰ ভিতৰত এই দলটিৰ নাট্যযাত্ৰা বন্ধ হ'ল। প্ৰথম বৰ্ষত এই দলটিয়ে পৰিৱেশন কৰা নৃত্য-নাটসমূহ হৈছে— 'লাইলা মজনু', 'দেৱাল', 'নবৌ', 'অশ্বমেধ', 'সংঘাত' আৰু 'অমৰ প্ৰেম'। নৃত্য-নাটিকা কেইখন হ'ল 'শ্বহীদ তৰ্পন' 'মইনাজান', 'এটি কলি দুটি পাত', 'বিচাৰ' আৰু 'শিল্পীৰ পৃথিৱীক'। এই বৰ্ষৰ অভিনয় শিল্পীসকল হ'ল— নুৰুল হক, অখিল বৰ্মন, মঞ্জু বৰদলৈ, মায়া বৰ্মন, হেমা নাথ, কুলকমল দত্ত, মুকুল শইকীয়া, অঞ্জলি বৰ্মন আদি।

ৰূপালীম থিয়েটাৰ

নামনি অসমৰ এখনি সৰু চহৰ অভয়াপুৰীৰ পৰা ১৯৭৮ চনত ৰূপালীম থিয়েটাৰে আত্মপ্ৰকাশ কৰে। নৃপেন শৰ্মাৰ প্ৰযোজনাত জন্ম লভা এই দলটি শৰ্মাই নিজৰ সুদীৰ্ঘকালীন ভ্ৰাম্যমাণ থিয়েটাৰৰ অভিজ্ঞতাৰে গঢ় দিছিল। অভয়াপুৰীস্থ ইউনাইটেড বেংক অৱ ইণ্ডিয়াই পাছলৈ শৰ্মাক আৰ্থিক সাহায্য প্ৰদান কৰাত দলটিয়ে আৰ্থিকভাৱে কিছু স্বচ্ছল হয়। উল্লেখ্য যে নিজাকৈ দল গঠন কৰাৰ আগতে নৃপেন শৰ্মাই নটৰাজ থিয়েটাৰত সংগঠকৰূপে কাম কৰিছিল। নিজ গৃহ চহৰ অভয়াপুৰীৰ কিছুসংখ্যক লোকৰ অনুপ্ৰেৰণা আৰু সহায়ক সাৰথি কৰি নৃপেন শৰ্মাই গঢ় দিয়া এই দলটিৰ কেইটামান বছৰৰ নাট্য পৰিক্ৰমা তলত উল্লেখ কৰা হ'ল।

প্ৰথম বছৰৰ পৰিক্ৰমা (১৯৭৮-৭৯) : প্ৰাৰম্ভিক বৰ্ষত ৰূপালীম থিয়েটাৰে মুঠতে পাঁচখন নাটৰ পৰিকল্পনা কৰে। এই নাট কেইখন হ'ল— 'জন্ম মৃত্যু বিবাহ', 'ফুল চন্দন' (ৰচনা : হেমেন শৰ্মা) 'বন্দিনী', 'স্বামী-সন্তান-সংসাৰ' আৰু 'অৰ্দ্ধাংগিনী'। এই বছৰৰ নৃত্য-নাটিকা কেইখন হ'ল— 'অগ্নিশিখা', 'জন্ম-ৰহস্য', 'ৰূপালীম' আৰু 'লায়লা মজনু'। অভিনয়ত আছিল ৰমা শীল, হেমেন শৰ্মা, বেণীমাধৱ, খগেন বৰুৱা, প্ৰিয় পাটগিৰী, দিনেশ পাঠক, জয়ন্ত তালুকদাৰ, ৰতি দাস, ৰুণুমী নাথ, ত্ৰিবেণী শইকীয়া, বিনু কলিতা, মুন পাটগিৰী, অম্বিকা কলিতা, মনেশ্বৰ দাস, কৃষ্ণ দাস, কৰ্ণ তালুকদাৰ, নিৰ্মল কাকতি, সুশীল নাথ, নৃপেন ৰয়, অৰুণ কলিতা, মনো পাঠক আদি। নাট পৰিচালনা কৰিছিল ৰুদ্ৰ চৌধুৰী, দিলীপ চৌধুৰী আৰু হেমেন শৰ্মাই। ধৰণী বণিক্যই সংগীত পৰিচালনা আৰু খগেন ৰয় আৰু বিপিন সিঙে কলা নিৰ্দেশনা কৰিছিল। আলোক সম্পাতত আছিল বিপিন তালুকদাৰ আৰু বিপিন সিং।

দ্বিতীয় বছৰৰ পৰিক্ৰমা (১৯৭৯-৮০) : দ্বিতীয় বছৰৰ নাট্য পৰিক্ৰমাত ৰূপালীম থিয়েটাৰে মঞ্চস্থ কৰা নাটসমূহ আছিল (হেমেন শৰ্মা ৰচিত) 'ফুল চন্দন', 'যুগে যুগে কান্দে সতী', 'অশ্ৰু-অঞ্জলী', 'মহাযুদ্ধৰ ঘোঁৰা', 'দুষ্ট প্ৰজাপতি' আৰু 'অৰ্দ্ধাংগিনী'। নৃত্য নাটিকা কেইখন হ'ল— 'লাইলা মজনু', 'ৰূপালীম', 'জন্ম ৰহস্য' আৰু 'অগ্নিশিখা'। এই বছৰৰ অভিনয় শিল্পীসকল আছিল— হেমেন শৰ্মা, মহেশ ৰায় চৌধুৰী, ৰমা শীল, প্ৰিয়নাথ পাটগিৰী, খগেন বৰুৱা, ভাইটি মণিকান্ত দাস (শিশু শিল্পী) আদি। সংগীত পৰিচালনাৰ দায়িত্বত আছিল ভ্ৰাম্যমাণৰ এগৰাকী আগশাৰীৰ সংগীত পৰিচালক ধৰণী বণিক্য।

তৃতীয় বছৰৰ পৰিক্ৰমা (১৯৮০-৮১) : তৃতীয় বৰ্ষত ৰূপালীম থিয়েটাৰৰ নাট পৰিচালনাৰ দায়িত্ব ল'বলৈ আগবাঢ়ি আহে নাট-পৰিচালক ঐশ্বৰ্য কাকতিয়ে। এই বছৰ মঞ্চস্থ হোৱা নাটসমূহ আছিল— 'যুগে যুগে কান্দে সতী', 'জতুগৃহ', 'ৰাতিৰ জুই', 'সত্যম শিৱম সুন্দৰম', 'মানৱ আক্ৰমণ' আৰু 'ভোলানাথৰ সংসাৰ'। অৱশ্যে নাট্যদলটিয়ে এই আটাইকেইখন নাটেই বছৰটিত মঞ্চস্থ কৰা নাছিল। পৰিবেশিত নৃত্য-নাটিকা কেইখন হ'ল— 'অগ্নিশিখা', 'প্ৰতিজ্ঞা সাত ভনী', 'পাৰিজাত হৰণ' আৰু 'ৰূপালীম'। এই বৰ্ষৰ অভিনয় শিল্পীসকল হ'ল— ৰমা শীল, দীনেশ পাঠক, খগেন বৰুৱা, দীনেশ ভাগৱতী, মুকুল শইকীয়া, মণি দাস, লাবণ্য ফুকন, নিৰদা বৰা, ত্ৰিবেণী শইকীয়া, ৰুণুমী মজুমদাৰ আদি। ধৰণী বণিক্যৰ সংগীত পৰিচালনাত কণ্ঠদান কৰিছিল অৰুণ কলিতা, প্ৰতিমা দাস আৰু অমিয়া দাসে। নৃত্য পৰিচালনাৰ দায়িত্ব লৈছিল মহেন্দ্ৰ ৰাজবংশী আৰু কৰ্ণই। শব্দ যন্ত্ৰত মদন শৰ্মা আৰু আলোক সম্পাত কৰিছিল দুৰ্গা আৰু পৰীক্ষিতে।

চতুৰ্থ বছৰৰ পৰিক্ৰমা (১৯৮১-৮২) : এই নাটসমূহ হ'ল— 'সত্যম শিৱম সুন্দৰম', 'সীতা', 'মমৰ পাখি', 'শেষ প্ৰহৰ', 'প্ৰেম অমৃতৰ নদী' আৰু 'পৱিত্ৰ গংগা কাবেৰী'। নাট পৰিচালনা কৰিছিল ঐশ্বৰ্য কাকতিয়ে। অভিনয়ত আছিল— ৰমা শীল, দীনেশ পাঠক, হেমেন শৰ্মা, খগেন বৰুৱা, তুলসী শইকীয়া, হিৰণ দাস, জ্যোতি ভৰালী, খগেন ডেকা, মুকুল শইকীয়া, নিৰদা বৰা, উপমা দাস, অনু শইকীয়া, নিৰ্মল কাকতি আদি। এই বৰ্ষত ৰূপালীম থিয়েটাৰে 'বহ্নিমান ব্ৰহ্মপুত্ৰ', 'ফুল কুঁৱৰী', 'নৰ্তকী সীতা' আৰু 'অগ্নি শিখা'— এই চাৰিখন নৃত্য-নাটিকা পৰিৱেশন কৰিছিল। বাবুল নাগ আৰু মুকুল নাগৰ সংগীত পৰিচালনাত কণ্ঠশিল্পীদ্বয় হ'ল— অৰুণ কলিতা আৰু তিলোত্তমা বৰ্মন।

১৯৮৩-৮৪ নাট্যবৰ্ষ : এই বৰ্ষৰ নাটসমূহ হ'ল— প্ৰফুল্ল বৰাৰ 'সমুদ্ৰ মন্থন', 'সপ্তসিন্ধু', দীনেশ পাঠকৰ 'প্ৰেম অমৃতৰ নদী', হেমেন বৈশ্যৰ 'ৰংঘৰে ৰিঙিয়ায়' আৰু অনিল মজুমদাৰৰ 'কলংকিত দেৱতা'। অভিনয়ত আছিল ৰজনী তালুকদাৰ দীনেশ পাঠক, তুলসী শইকীয়া, ডালিম দাস, পৱিত্ৰ, সৰুকণ, গদা, বিনোদ, নিৰদা আদি। সংগীত পৰিচালনাত ধৰণী বণিক্য আৰু নৃত্য পৰিচালনাত আছিল সনামল আৰু কৰ্ণ। এই বৰ্ষৰ কণ্ঠশিল্পীদ্বয় হ'ল অৰুণ কলিতা, প্ৰতিমা দাস আৰু বীণা বৈশ্য। পৰিবেশিত নৃত্য নাটিকাসমূহ হ'ল— 'ৰূপালীম', 'ৰামায়ণৰ জন্ম', 'জয়তু গংগা', আৰু 'মহামিলন'।

১৯৮৪-৮৫ নাট্যবৰ্ষ : এই বৰ্ষত ৰূপালীম থিয়েটাৰে এক অভিনৱত্ব অনাৰ প্ৰয়াস কৰে। আলোক, মঞ্চসজ্জা আৰু স্পেচিয়েল এফেক্টৰ বাবে প্ৰযোজকে যোগাযোগ কৰে কলিকতীয়া শিল্পী 'কালাচান্দা'ৰ সৈতে। এই বছৰৰ নাট সমূহৰ ভিতৰত উল্লেখযোগ্য নাটকেইখন হ'ল— 'সুৰুয উঠাৰ গান', 'শৰাইঘাটৰ শপত' আৰু 'নল-দময়ন্তী'। অভিনেতা-অভিনেত্ৰীসকল হৈছে— প্ৰাণেশ্বৰ পাঠক, ডালিম দাস, সৰুকণ বড়া, মহেন্দ্ৰ শইকীয়া, মণ্টু গোস্বামী, শৈলেন দাস, গদা ৰয়, নিৰদা বড়া, অনিমা পাচনী, পুতুলী দাস, দীপ্তি

দেৱী, বিনোদ, অতুল শৰ্মা আদি। পৰিৱেশিত নৃত্য-নাটিকাকেইখন হ'ল— কীচক বধ, অভিশপ্ত মানৱ, অগ্নিশিখা আৰু ৰূপালীম।

১৯৮৫-৮৬ নাট্যবৰ্ষ ঃ এই বৰ্ষত ৰূপালীম থিয়েটাৰে কেবাখনো নাটৰ বাবে পৰিকল্পনা কৰে। এই নাট্যবোৰ আছিল 'লখিমী', 'বোৱাৰী', 'হাডিৰাই চকুলো টুকে', 'নল-দময়ন্তী' আৰু 'আলিবাবা আৰু দুকুৰি ডকাইত'। অভিনয় শিল্পীসকল আছিল— প্ৰাণেশ্বৰ পাঠক, ডালিম দাস, সৰুকণ বড়া, মহেন্দ্ৰ শইকীয়া, মণ্টু গোস্বামী, শৈলেন দাস, গদা ৰয়, নিৰদা বড়া, অনিমা পাচনী, পুতুলী দাস আৰু দীপ্তি দেৱী। নাট পৰিচালনা কৰিছিল— গোকুল পাঠক আৰু হৰেন শৰ্মাই। নৃত্য পৰিচালনাত সনামল দাস আৰু সংগীত পৰিচালনা কৰিছিল ধৰণী বণিক্যই।

১৯৮৭-৮৮ নাট্যবৰ্ষ ঃ এই বছৰৰ নাটসমূহ হ'ল 'বিদায় প্ৰিয়তম', 'চৰিত্ৰহীন', 'নায়ক' আৰু 'জতুগৃহ'। দীনেশ পাঠক সুনীল শৰ্মাই নাটসমূহ পৰিচালনা কৰিছিল। অভিনয়ত আছিল— দীনেশ পাঠক, অম্বিকা কলিতা, হেমন্ত দাস, গদা ৰয়, নিৰু ফুকন, মীনা দত্ত, মামনি বেজবৰুৱা, ভণ্টি, পাৰুল আদি শিল্পসকল। নৃত্য পৰিচালনাত হৰেশ্বৰ আৰু দিলীপ, পোহৰত অৰুণোদয়, সংগীতত অৰুণ কলিতা আৰু কলা নিৰ্দেশনা কৰিছিল দুৰ্গা দাসে।

১৯৮৮-৮৯ নাট্যবৰ্ষ ঃ এই বৰ্ষত নাট্যদলটিয়ে চাৰিখন নাট মঞ্চস্থ কৰাৰ কথা জানিব পৰা যায়। এই নাট কেইখন হ'ল— 'ছোৰাব ৰুস্তম', 'বৈধ-পিতৃ-অবৈধ কন্যা', 'যুগে যুগে কান্দে সতী' আৰু 'মোৰে নতুন কইনা'। অভিনয়ত আছিল— ডালিম দাস, ভোলা কটকী, জিন্তী, দিপালী আদি শিল্পীসকল। যোগেশ শৰ্মাই নাট পৰিচালনা, সনামল দাসে নৃত্য আৰু সংগীত পৰিচালনা কৰিছিল ধৰণী বণিক্যই।

১৯৮২-৮৩ বৰ্ষত ৰূপালীমৰ মঞ্চত জনচ্ মহলীয়া, জ্ঞানদা বৰা, আলি হাইদৰ আদিৰ নিচিনা নাট পৰিচালক সকল সমবেত হোৱাৰ কথা চলিছিল। একেদৰে অভিনয়ৰ বাবে চুক্তিবদ্ধ হৈছিল ৰমা শীল, দীনেশ পাঠক, তুলসী শইকীয়া, ডালিম দাস, মুকুল শইকীয়া, খগেন ডেকা, পৱিত্ৰপ্ৰাণ বৰা, সৰুকণ বৰা, নৱ চহৰীয়া, মুকুল সাহা, নিৰদা বৰা আদি। সংগীত পৰিচালনাত ধৰণী বণিক্য আৰু কণ্ঠ শিল্পীদ্বয় আছিল অৰুণ কলিতা আৰু প্ৰতিমা দাস। এই বৰ্ষত মঞ্চ আৰু স্পেচিয়েল এফেক্টৰ দায়িত্ব লৈছিল জনচ্ মহলীয়াই।

প্ৰায় এটা দশকৰো অধিক কাল সফলতাৰে নাট মঞ্চস্থ কৰি এই ভ্ৰাম্যমাণ থিয়েটাৰ দলটিয়ে নিজৰ নাট্যযাত্ৰাৰ পৰিসমাপ্তি ঘটায়।

চিত্ৰলেখা থিয়েটাৰ

পাঠশালা চহৰৰ নিকটৱৰ্তী মুগুৰীয়া গাঁৱত জন্মলাভ কৰা ৰজনীকান্ত পাটগিৰীয়ে জন্ম দিয়া চিত্ৰলেখা থিয়েটাৰে পাছলৈ উপাসনা থিয়েটাৰ নামকৰণেৰে কিছুবছৰ চলিছিল। ভাটখাণ্ডেৰ কথক নৃত্য বিশাৰদ তথা নিখিল ভাৰত সংগীত সমিতিৰ পৰা বিশাৰদ উপাধি পোৱা পাটগিৰীয়ে ১৯৬৯ চনত মঞ্চৰূপা থিয়েটাৰত নৃত্য শিল্পীৰূপে যোগ দিয়ে। ইয়াৰ পিছৰ বছৰত তেওঁ নটৰাজ থিয়েটাৰত নৃত্য শিল্পীৰূপে আৰু তাৰ পিছৰ বছৰত বৰপেটা বাৰাদিৰ ৰূপাঞ্জলী থিয়েটাৰত নৃত্য পৰিচালকৰ দায়িত্ব লয়। তেওঁ হাজোৰ পূৰ্বজ্যোতি থিয়েটাৰতো মুখ্য নৃত্য পৰিচালক হিচাপে কাম কৰিছিল। উল্লেখ্য যে পূৰ্বজ্যোতি থিয়েটাৰে পিছলৈ 'অমৰ থিয়েটাৰ' নাম লৈছিল আৰু পাটগিৰীয়ে ইয়াতো মুখ্য নৃত্য পৰিচালকৰ দায়িত্ব লয়। ১৯৭২-৭৩ চনত তেওঁ পাঠশালালৈ উভতি আহি নটৰাজত যোগদান কৰে। মুখ্য নৃত্য পৰিচালকৰ উপৰি তেওঁ নটৰাজত কৌতুক শিল্পীৰূপেও অভিনয় কৰিছিল। নটৰাজত থকা সময়ছোৱাতে তেওঁ যথেষ্ট অভিজ্ঞতা আহৰণ কৰে। ১৯৭৮-৭৯ চনত নটৰাজ থিয়েটাৰে বঙালী নাটক লৈ পশ্চিমবংগত নাট প্ৰদৰ্শন কৰিবলৈ যায়। সেই দলত ৰজনী পাটগিৰীও আছিল। এই পৰিক্ৰমাত নটৰাজ থিয়েটাৰে ভীষণভাৱে লোকচান ভৰিব লগা হেতুকে প্ৰযোজক অচ্যুৎ লহকৰে বছৰ পূৰ্ণ হোৱাৰ এমাহ আগতে থিয়েটাৰখন ভংগ কৰি দিলে। নটৰাজ থিয়েটাৰৰ উক্ত বৰ্ষৰ সংগীত বিভাগৰ শিল্পীসকলে ঘৰলৈ ঘূৰি আহি সংকল্পবদ্ধ হৈ পাটগিৰীৰ নেতৃত্বত 'চিত্ৰ ভেৰাইটিজ কলা কেন্দ্ৰ' নামৰ এটি দলৰ জন্ম দিয়ে। ৩৫ জন শিল্পীৰে গঠিত এই দলটিয়ে সমগ্ৰ অসমজুৰি বিভিন্ন শাস্ত্ৰীয় লোকনৃত্য আদি পৰিবেশন কৰিছিল। যিহেতু এই দলৰ আটাইবোৰ শিল্পীয়ে ভ্ৰাম্যমাণৰ লগত জড়িত শিল্পী আছিল সেইবাবে পেছাগত কাৰণত তেওঁলোকে ভ্ৰাম্যমাণলৈ যাব লগাৰ এক পৰিবেশ সৃষ্টি হ'ল। ইয়াৰ ফলশ্ৰুতিত ১৯৭৯ চনৰ জুলাই মাহত ৰজনীকান্ত পাটগিৰীৰ প্ৰযোজনাত 'চিত্ৰলেখা থিয়েটাৰ'ৰ জন্ম হ'ল। এই দলটিৰ জন্মৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল হেমকান্ত তালুকদাৰ, কেশৱ বৰুৱা, কংকে কলিতা, প্ৰেমকান্ত কলিতা, তৰণী চৌধুৰী আৰু ভৱানন্দ পাটগিৰী।

প্ৰথম বছৰৰ পৰিক্ৰমা ঃ ১৯৭৯-৮০ চনৰ প্ৰথম বৰ্ষত দলটিয়ে তিনিখন নাট মঞ্চস্থ কৰে। জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ 'ৰূপালীম' নাটখন পৰিচালনা কৰিছিল ভ্ৰাম্যমাণৰ এগৰাকী অগ্ৰজ পুৰুষ প্ৰয়াত ধৰণীধৰ দেৱ গোস্বামীয়ে। আন দুখন নাট আছিল ক্ৰমে 'বেকাৰ জীৱন' (অনুবাদ ঃ সুৰেন পাটগিৰী, সহকাৰী ঃ ৰতিকান্ত দাস) আৰু

'কৃষ্ণ-কাবেৰী' (ৰচনা ঃ ৰুদ্ৰ চৌধুৰী)। এই বছৰৰ নৃত্য-নাটিকা তিনিখন আছিল 'চিত্ৰলেখা' (ৰচনা ঃ নগেন লহকৰ), 'মেঘদূত' (ৰচনা ঃ মহেন্দ্ৰ ৰাজবংশী), 'বাসৱদত্তা' (ৰচনা ঃ যতীন গোস্বামী, পৰিচালনা ঃ ৰজনী পাটগিৰী আৰু মহেন্দ্ৰ ৰাজবংশী)। সংগীত পৰিচালনাৰ দায়িত্বত আছিল হৰকেশ্বৰ কলিতা আৰু মহেন্দ্ৰ ৰাজবংশী।

প্ৰথম বৰ্ষৰ অভিনেতা অভিনেত্ৰীসকল আছিল— ৰতিকান্ত দাস, কংকে কলিতা, মনোজ দাস, মাধৱ কলিতা, শশী চৌধুৰী, প্ৰতিমা কলিতা, সবিতা দাস, কাকলি শৰ্মা, মিনতি কলিতা, সতীশ নাথ, ৰাজুমোহন তালুকদাৰ, গোলক দাস, বসন্ত দাস আদি। নৃত্য শিল্পীসকল আছিল গোপী দাস, যোগেন কাকতি, বসন্ত দাস, চিত্ৰ কাকতি, গোলাপী ৰয়, মিনতি, সবিতা, গজেন, বিনোদ আৰু ৰজনী। সংগীতৰ শিল্পী সকল আছিল হৰকেশ্বৰ কলিতা, নৃপেন ৰয়, প্ৰবীণ ৰয়, দেবেন দেউৰী, কিৰণ দাস, পদুমী দাস, গজেন চৌধুৰী আৰু বিনোদ গোস্বামী। আলোকৰ দায়িত্ব লৈছিল ক্ৰমে অৰুণ পাটগিৰী, বিপিন কলিতা, ভবেন কলিতা, অনিল ৰয় আৰু প্ৰফুল্ল তালুকদাৰে। এই বৰ্ষৰ সংগঠকদ্বয় আছিল কংকে কলিতা আৰু সতীশ নাথ।

দ্বিতীয় বছৰৰ পৰিক্ৰমা ঃ ১৯৮০-৮১ বৰ্ষত চিত্ৰলেখা থিয়েটাৰে চাৰিখন নাট মঞ্চস্থ কৰে। নাটকেইখন আছিল 'বেকাৰ জীৱন' (সম্পাদনা ঃ সুৰেন পাটগিৰী), 'অজন্তা ইলোৰা' (সম্পাদনা ঃ ৰুদ্ৰ চৌধুৰী), 'মৰ্মীয়ানা' (ৰচনা ঃ অতুল হাজৰিকা) আৰু 'নল-দময়ন্তী' (ৰচনা ঃ আনন্দ চন্দ্ৰ বৰুৱা)। এই আটাই কেইখন নাট পৰিচালনা কৰিছিল প্ৰয়াত ধৰণীধৰ গোস্বামীয়ে। এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন আছিল 'আই অসমী' (ৰচনা ঃ ৰবিন দাস) 'বিক্ৰম-উৰ্বশী' (ৰচনা ঃ কালিদাস), 'চিত্ৰলেখা' (ৰচনা ঃ নগেন লহকৰ) আৰু শংকৰদেৱ বিৰচিত 'পাৰিজাত হৰণ'। এই আটাইকেইখন নৃত্য-নাটিকা পৰিচালনা কৰিছিল ৰজনীকান্ত পাটগিৰীয়ে। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰী সকল হ'ল কংকে কলিতা, মিলিক কলিতা, ভোগীৰাম ডেকা, চিত্ত মেধি, সূৰ্য ৰয়, মাধৱ বৰ্মন, অম্বিকা কলিতা, মথুৰা কলিতা, গোপাল মিস্ত্ৰি, দণ্ডী ভৰালী, ৰোহিণী কলিতা, সবিতা দাস, পক্ষী কলিতা, লীলা কলিতা, কুসুম পাঠক আদি। নৃত্য তথা সংগীত শিল্পীসকল আছিল ৰমণী অধিকাৰী, নন্দ পাঠক, ধনশ্যাম ৰয়, প্ৰদীপ মালাকৰ, সবিতা, গোলাপী, অঞ্জলী, মালতী, কুসুম আদি। সম্পাদকৰ দায়িত্বত আছিল কংকে কলিতা। প্ৰতিনিধিৰূপে আছিল অৰুণ পাটগিৰী, আলোকৰ দায়িত্বত আছিল অৰুণ পাটগিৰী। আন আন শিল্পীসকল আছিল অনিল ৰয় আৰু প্ৰফুল্ল ৰয়। মঞ্চৰ দায়িত্বত আছিল বুদ্ধ দাস, নবীন কলিতা, ৰমেন দাস, অপূৰ্ব তালুকদাৰ, অনিল ৰয়, প্ৰফুল্ল কলিতা আদি শিল্পীসকল।

তৃতীয় বছৰৰ পৰিক্ৰমা ঃ ১৯৮২-৮৩ তৃতীয় বৰ্ষত চিত্ৰলেখা থিয়েটাৰে লোৱা নাটসমূহ আছিল— 'মৰ্মীয়ানা' (ৰচনা ঃ অতুল হাজৰিকা), 'ঘৰ-সংসাৰ' (ৰচনা ঃ ৰুদ্ৰ চৌধুৰী), 'হৰিশ্চন্দ্ৰ' (মূল বাংলা নাটৰ অনুদিত ৰূপ), আৰু 'ৰুম নম্বৰ' (ৰচনা ঃ সুৰেন

ৰয়)। নাট সমূহ পৰিচালনা কৰিছিল প্ৰয়াত ধৰণীধৰ দেৱ গোস্বামীয়ে। নৃত্য-নাটিকা কেইখন আছিল 'চিত্ৰলেখা', 'পাৰিজাত হৰণ', 'দাপোন শেৱালী' আৰু 'শকুন্তলা'। নৃত্য পৰিচালনা কৰিছিল ৰজনীকান্ত পাটগিৰীয়ে। প্ৰতিনিধিৰূপে আছিল কেশৱ বৰুৱা আৰু দণ্ডী ভৰালীয়ে। পূৰ্বৰ অভিনেতা-অভিনেত্ৰী সকলৰ লগতে এই বৰ্ষত চিত্ৰলেখালৈ আহিল হৰিপ্ৰসাদ ঠাকুৰীয়া, সুবল মজুমদাৰ, মিলিক কলিতা, অম্বিকা কলিতা আদি অভিনয় শিল্পীসকল।

চতুৰ্থ বছৰৰ পৰিক্ৰমা ঃ ১৯৮৩-৮৪ বৰ্ষত চিত্ৰলেখা থিয়েটাৰে লোৱা নাটকসমূহ আছিল 'ভক্ত ধ্ৰুৱ' (অনুবাদ), 'লভিতা' (ৰচনা ঃ জ্যোতিপ্ৰসাদ আগৰৱালা), 'ৰুণুমী' (ৰচনা ঃ সুৰেশ গোস্বামী) আৰু 'বেকাৰ জীৱন' (অনুবাদ)। এই বৰ্ষত চিত্ৰলেখা থিয়েটাৰৰ নাম সলনি হৈ 'উপাসনা থিয়েটাৰ' হয়। উক্ত বৰ্ষত হোৱা প্ৰলয়ংকৰী বানপানীৰ ফলশ্ৰুতিত এই দলে বেয়াকৈ আৰ্থিক লোকচানৰ মুখা-মুখি হ'ব লগা হয়। ১৯৮৪ চনৰ ফেব্ৰুৱাৰী মাহত এই দলটি দুৰৱস্থাৰ হেতু বন্ধ হৈ পৰে।

অপ্‌সৰা থিয়েটাৰ

সুৰদেৱী থিয়েটাৰত আৰম্ভণিৰে পৰা ঘনিষ্ঠভাৱে জড়িত হৈ থকা জীতেন শৰ্মাই পৰৱৰ্তী সময়ত গোলাঘাটৰ পৰা 'মা লক্ষ্মী থিয়েটাৰ'ৰ প্ৰযোজনা কৰে। এই দলটি বন্ধ হৈ যোৱাৰ পিছত ১৯৭৯ চনত চামতাত (নলবাৰী জিলা) নিজাকৈ আৰম্ভ কৰে 'অপ্‌সৰা থিয়েটাৰ'। প্ৰায় এটা দশকৰো অধিক কাল নিৰৱচ্ছিন্নভাৱে নাট্যযাত্ৰা অব্যাহত ৰখা এই দলটিৰ কেইটামান বৰ্ষৰ নাট্যপৰিক্ৰমা তলত উল্লেখ কৰা হ'ল।

১৯৮০-৮১ নাট্যবৰ্ষ ঃ এই নাট্যবৰ্ষত অপ্‌সৰা থিয়েটাৰে পাঁচখন নাট মঞ্চস্থ কৰে। নাটসমূহ হ'ল— 'অভিশপ্ত নিৰ্মালি', 'অন্তৰৰ সন্ধানত', 'অৰণ্যৰ বিননি', 'অশ্ৰু তৰংগ', আৰু 'অভাগিনী সৰু বোৱাৰী'। পৰিবেশিত নৃত্য-নাটিকা কেইখন হ'ল— 'অস্তিত্বৰ আৰ্তনাদ', 'অমৰ শংকৰ', 'অৰ্জুন নন্দন' আৰু 'অসমী আই মোৰ'।

১৯৮১-৮২ নাট্যবৰ্ষ ঃ এই বৰ্ষৰ নাটসমূহ হ'ল— 'তপস্যা', 'অতীত সুঁৱৰি কান্দে', 'পল্লৱী' আৰু 'অৱগাহন'। এই বছৰৰ অভিনয় শিল্পীসকল হৈছে— বলদেৱ শইকীয়া, লক্ষ্মীনন্দন মজুমদাৰ, সৰ্বেশ্বৰ ৰাজবংশী, বসন্ত শৰ্মা, গিৰীশ তালুকদাৰ, গোপাল গোস্বামী, ৰেৱ বৰা, কলেশ্বৰ পাঠক, অঞ্জলি ছেত্ৰী, উলুপী ডেকা আদি। মঞ্চত পৰিবেশন কৰা নৃত্য-নাটিকাসমূহৰ ভিতৰত 'বিৰাট পৰ্ব' আৰু 'চিত্ৰাঙ্গদা' উল্লেখনীয় আছিল।

১৯৮২-৮৩ নাট্যবৰ্ষ ঃ এই নাট্যবৰ্ষত অপ্‌সৰাই ভ্ৰাম্যমাণৰ মঞ্চত জনপ্ৰিয়তা অৰ্জন কৰা কেবাখনো নাট মঞ্চস্থ কৰে। এই নাটসমূহ আন আন ভ্ৰাম্যমাণ নাট্যদলবোৰেও মঞ্চস্থ কৰিছিল। নাটবোৰ হৈছে— 'হাইদৰ আলি', 'বনৰজা', 'দক্ষযজ্ঞ', 'পূজাৰ ফুল' আৰু 'এমুঠি চাউল'। নৃত্য-নাটিকা কেইখন হৈছে— 'মৰুতৃষ্ণা', 'কীচক বধ', 'বহ্নিমান চেতনা' আৰু 'ৰাংঢালী'। অভিনয়ত আছিল ভোলা কটকী, পাৰুল বড়া, জিতেন পাল, লক্ষ্মীনন্দন মজুমদাৰ আদিৰ নিচিনা ভ্ৰাম্যমাণৰ প্ৰসিদ্ধ শিল্পীসকল।

১৯৮৩-৮৪ নাট্যবৰ্ষ ঃ দস্যুৰাণী ফুলন দেৱীৰ দুঃসাহসিক জীৱনৰ আধাৰত ৰমাপতি দাস ৰচিত 'দস্যুৰাণী ফুলন দেৱী' নাটখন এইবাৰ অপসৰাৰ মঞ্চত মঞ্চস্থ কৰা হয়। সমাজ আৰু স্বামীৰ অত্যাচাৰত অতিষ্ঠ হৈ ডকাইতৰ সাজ পিন্ধা ফুলন দেৱীৰ জীৱনৰ সংঘাতপূৰ্ণ কাহিনীয়েই হ'ল এই নাটৰ মূল বিষয়বস্তু। নাটৰ অভিনয়ৰ দিশত নাম ভূমিকাত অভিনয় কৰা মৌচুমী দাসৰ অভিনয় উল্লেখযোগ্য। একেদৰে বলদেৱ শইকীয়া, বিনোদ শৰ্মা, মণি বৰা আদিৰ অভিনয়ো প্ৰশংসনীয় আছিল। এই বৰ্ষৰ আন নাটসমূহ আছিল— সেৱাব্ৰত বৰুৱাৰ 'দক্ষযজ্ঞ', কুমুদ শৰ্মাৰ ৰহস্যঘন তথা ভৌতিক নাটক 'সিপাৰৰ পৃথিৱী' আৰু সেৱাব্ৰত বৰুৱাৰ 'বালিঘৰ'।

বালিঘৰ নাটখনৰ কাহিনীভাগ এটি পৰিয়ালৰ ব্যক্তিগত আশা-আকাংক্ষাকেন্দ্ৰিক যদিও নাটখনত আনুষঙ্গিক কাহিনীও আছে। নাটখনত সমাজৰ দুৰ্বল শ্ৰেণীটোৱে প্ৰতিপত্তিশীল শ্ৰেণীটোৰ হাতত কেনেদৰে শোষিত হয় তাৰ এখন ছবি দাঙি ধৰা হৈছে। জোনৰ চৰিত্ৰটিত মহেন্দ্ৰ শইকীয়াই অতি সাৱলীল অভিনয় কৰিছিল। মৌচুমী দেৱী, মণি বৰা, ধৰ্মেশ্বৰ তালুকদাৰ, সৰ্বেশ্বৰ ৰাজবংশী, বলদেৱ শইকীয়া, জ্যোতিষ শৰ্মা, পাৰুল বৰা, কেশৱ বৰা, দেৱযানী ভূঞা, সুলেখা কৌৰ, কল্পনা বৰ্মন আদিৰ সামূহিক সফল অভিনয় আছিল নাটখনৰ মূল আকৰ্ষণ।

১৯৮৪-৮৫ নাট্যবৰ্ষ ঃ পূৰ্বৰ বৰ্ষৰ 'দস্যুৰাণী ফুলন দেৱী'ৰ সৈতে অপ্‌সৰাৰ মঞ্চত এইবাৰ ভুমুকি মাৰিছিল আন এখন একেই শ্ৰেণীৰ নাট 'ৰঙ্গা বিল্লা'ই। আন নাটবোৰ হৈছে 'সিপাৰৰ পৃথিৱী' (ৰচনা ঃ কুমুদ শৰ্মা), 'পূজাৰ ফুল' আৰু সেৱাব্ৰত বৰুৱা ৰচিত তথা পৰিচালিত 'বালিঘৰ'।

১৯৮৫-৮৬ নাট্যবৰ্ষ ঃ জীতেন শৰ্মাৰ পৰিচালনাত অপ্‌সৰাই মঞ্চস্থ কৰা এই বৰ্ষৰ নাটসমূহ হৈছে— 'আলাদ্দিনৰ চাকি', 'অলিভাৰ টুইষ্ট', 'সৰু বোৱাৰী' আৰু 'দস্যুৰাণী ফুলন দেৱী'। এই বৰ্ষৰ সংগীত পৰিচালনাৰ দায়িত্বত অপসৰা আৰু নৃত্য পৰিচালনা কৰিছিল ৰবীন দাসে। আলোক সম্পাত কৰিছিল নাৰায়ণ দাসে।

১৯৮৬-৮৭ নাট্যবৰ্ষ ঃ এই নাট্যবৰ্ষত অপসৰা থিয়েটাৰে মঞ্চস্থ কৰা নাটসমূহ আছিল— 'পৰিচয়', 'বন ৰজা', 'দস্যুৰাণী ফুলন দেৱী', 'কবি কালিদাস' আৰু 'ৰাতি পুৱাল সূৰ্য নোলাল'। ইয়াৰে 'দস্যুৰাণী ফুলন দেৱী' আৰু 'কবি কালিদাস' ৰচনা কৰিছিল ৰমাপতি দাসে।

১৯৮৭-৮৮ নাট্যবৰ্ষ ঃ এই বৰ্ষৰ নাটসমূহ আছিল চন্দ্ৰ মুদৈৰ 'অনুনাদ', বিপিন দাসৰ 'কালপুৰুষ' আৰু ৰমাপতি দাস ৰচিত 'দস্যুৰাণী ফুলন দেৱী' আৰু 'মহাকবি কালিদাস'। নাট পৰিচালনা কৰিছিল জীতেন শৰ্মা আৰু লক্ষ্মী নন্দন মজুমদাৰে। অভিনয়ত আছিল— লক্ষ্মীনন্দন মজুমদাৰ, ৰজনী তালুকদাৰ, মহেন্দ্ৰ শইকীয়া, বিনোদ শৰ্মা, সৰুকণ বৰা, মণ্টু গোস্বামী, নিত্যানন্দ নাথ, প্ৰণৱ গগৈ, কলেশ্বৰ পাঠক, কণিকা কলিতা, জুৰি শৰ্মা, কল্পনা বৰ্মন, কল্যাণী বায়ন আদি। সংগীত পৰিচালনা কৰিছিল অজিত কুমাৰে আৰু সুৰ সংযোজন কৰিছিল প্ৰখ্যাত গায়ক ৰিদীপ দত্তই।

১৯৮৮-৮৯ নাট্যবৰ্ষ ঃ এই বৰ্ষত অপ্‌সৰা থিয়েটাৰে সৰ্বমুঠ চাৰিখন নাট মঞ্চলৈ লৈ আনে। নাটবোৰ হৈছে— 'নতুন সংসাৰ', 'গুৰু দক্ষিণা', 'দুষ্ট ছোৱালী' আৰু 'দস্যুৰাণী ফুলন দেৱী'। নাটবোৰ সামগ্ৰিকভাৱে পৰিচালনা কৰিছিল জীতেন শৰ্মাই।

আবাহন থিয়েটাৰ

১৯৮০-৮১ চনত পাঠশালাৰ নাট্যজগতত আন এক নাট্যদলে ভুমুকি মাৰে। বিশিষ্ট আলোক শিল্পী, কহিনুৰ থিয়েটাৰৰ জন্মলগ্নৰ প্ৰযোজকদ্বয়ৰ এজন, কৃষ্ণ ৰয়ে নিজাববীয়াকৈ এটি ভ্ৰাম্যমাণ থিয়েটাৰ দল আৰম্ভ কৰে। দলটিয়ে নাম লয়— আবাহন থিয়েটাৰ। কহিনুৰ থিয়েটাৰৰ প্ৰযোজনাৰ অভিজ্ঞতাখিনিৰে কৃষ্ণ ৰয়ে অতি কম সময়ৰ ভিতৰতে দলটিক আটোম-টোকাৰিকৈ গঢ় দিবলৈ সক্ষম হয়। নাট্যদলটিৰ প্ৰতিষ্ঠাৰ লগত জড়িত ব্যক্তিসকল হ'ল— পৱন চৌধুৰী, জনাৰ্দন চৌধুৰী, বাসুদেৱ জালান আৰু ডিম্বেশ্বৰ তালুকদাৰ।

আবাহনে ইয়াৰ যাত্ৰাকালত দুগৰাকী প্ৰখ্যাত নাট্যকাৰক পোনপ্ৰথমবাৰৰ বাবে ভ্ৰাম্যমাণলৈ আদৰি আনে। 'শিমলু চন্দন' নাটেৰে আবাহনৰ মঞ্চত মহেন্দ্ৰ বৰঠাকুৰৰ আগমন ঘটাৰ লগতে 'ৰামধেনু' নাটেৰে প্ৰৱেশ ঘটে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ। উল্লেখ্য যে এই দুগৰাকী নাট্যকাৰে পৰৱৰ্তী সময়ত ভ্ৰাম্যমাণৰ নাটকক এক সুকীয়া মৰ্যাদা দিবলৈ সক্ষম হৈছিল আৰু ভ্ৰাম্যমাণৰ নাটে সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। চমুকৈ ক'বলৈ হ'লে ভ্ৰাম্যমাণৰ পৰম্পৰাগত সীমাৰেখা ভেদি আবাহনে নাটকৰ এক নতুন পৰম্পৰা সৃষ্টি কৰিছিল।

প্ৰথম বছৰত আবাহনে চাৰিখন নাট মঞ্চস্থ কৰে। এই নাটসমূহ হ'ল প্ৰফুল্ল বৰাৰ— 'কাজিৰঙাৰ বাঘ', 'অগ্নিকন্যা', আৰু 'স্নেহ বন্ধন', আব্দুল মজিদৰ 'জীৱন মৃত্যু'। নাটসমূহ পৰিচালনা কৰিছিল চন্দ্ৰ চৌধুৰী আৰু আব্দুল মজিদে। প্ৰথম বৰ্ষৰ অভিনেতা-অভিনেত্ৰীসকল হ'ল— চন্দ্ৰ চৌধুৰী, সুৰেন মহন্ত, বলদেৱ শইকীয়া, ভৱেশ বৰুৱা, পৰাগ বৰুৱা, শৈলেন শৰ্মা, উৎসৱ কলিতা, ৰূপক বৰুৱা, প্ৰদীপ শইকীয়া, মহীধৰ ভৰালী, বিজয় চৌধুৰী, ধৰ্মেশ্বৰ বৰুৱা, ৰীণা বৰা, আৰাধনা দে, জিনু মাৰ্চেণ্ড, বাণী বৰদলৈ, সোণটি চৌধুৰী, ৰুণটি আৰু পদুমী। কলা, শব্দ আৰু সাজসজ্জা পৰিচালনা কৰিছিল খগেন দাস, এম চি চৌহান আৰু ভোলা চৌধুৰীয়ে। আবাহনৰ এই বছৰৰ সম্পাদক আছিল প্ৰয়াত অধৰ দাস আৰু নগেন শৰ্মা। আন কলা-কুশলী সকল হ'ল— সুৰেন ৰয়, ফণী শৰ্মা, ৰজনী, দিলীপ দাস, দশৰথ ৰয়, গম্ভীৰ দাস, প্ৰবীণ, মাণিক বলোৰাম আৰু ডালিম।

আবাহনৰ প্ৰথম বৰ্ষৰ এখনি নাট প্ৰফুল্ল বৰাৰ 'স্নেহবন্ধন' ভ্ৰাম্যমাণৰ মঞ্চৰ এখনি উল্লেখনীয় নাট। নাটখনে দৰ্শকৰ বিপুল সমাদৰ লাভ কৰাৰ লগতে নাটখনৰ এটি গান আজি পৰ্যন্ত জনপ্ৰিয় হৈ আছে। দশৰথ দাসৰ কণ্ঠৰ 'স্নেহবন্ধন ছিঙি যায়' শীৰ্ষক গীতটিয়ে বিপুল জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল।

প্ৰথম বছৰৰ নৃত্য-নাটিকাসমূহ হ'ল দশৰথ দাসৰ 'আলোক বসন্ত', অজিত তালুকদাৰৰ 'ক্লান্তি কান্দোন', আব্দুল মজিদৰ 'নীলা আকাশ' আৰু বসন্ত বৰ্মনৰ 'ৰাগ অনুৰাগ', 'বসন্ত অনুৰাগ' আৰু 'চেতনাৰ ছন্দ'। নৃত্য-নাটিকাবোৰ পৰিচালনা কৰিছিল যতীন গোস্বামী আৰু উদয় দাসে। নৃত্য শিল্পীসকল হ'ল— উদয় দাস, উৎসৱ কলিতা, বীৰেন পাঠক কেশৱ কলিতা, ধনেশ্বৰ বিষয়া, ভৱানন্দ ৰয়, পদুমী পাঠক, চাৰু দেৱী, সৰলা দাস, ভৱানী ডেকা, সোণটি আৰু শশীমা। দশৰথ দাস আৰু দেৱেশ্বৰ শৰ্মাৰ সংগীত পৰিচালনাত যন্ত্ৰ সংগীত সংগত কৰিছিল ৰবি দাস, ৰাজকুমাৰ, প্ৰাৰ্থপ্ৰতিম চৌধুৰী, মাণিক সিং ৰায়, নবীন বড়ো, আৰু বিজয় ভূঞাই। গীতবোৰত কণ্ঠ দান কৰিছিল দশৰথ দাস, ৰবি দাস আৰু বিজু বৰাই। গীতসমূহৰ গীতিকাৰ আছিল ক্ৰমে দেৱেশ্বৰ শৰ্মা আৰু দশৰথ দাস। আলোক পৰিচালনাৰ দায়িত্বত কল্যাণ দে আৰু মঞ্চৰ দায়িত্বত আছিল ক্ৰমে সুৰেন ৰয় আৰু ফণী শৰ্মা। প্ৰথম বৰ্ষত আবাহনৰ প্ৰতিনিধি আছিল নগেন শৰ্মা।

দ্বিতীয় বৰ্ষৰ পৰিক্ৰমা (১৯৮১-৮২) ঃ প্ৰথম বছৰৰ সফল পৰিক্ৰমাৰ অন্তত আবাহনে দ্বিতীয় বৰ্ষৰ বাবে প্ৰস্তুতি আৰম্ভ কৰে। এই বছৰত আবাহনে চাৰিখন নাট মঞ্চস্থ কৰে। নাটবোৰ হৈছে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'ৰামধেনু', মহেন্দ্ৰ বৰঠাকুৰৰ 'শিমলু চন্দন', ভৱেশ বৰুৱাৰ 'কাজল কস্তুৰী' আৰু আব্দুল মজিদৰ 'প্ৰেয়সী'। নাটসমূহ পৰিচালনা কৰিছিল ড° ভবেন্দ্ৰ শইকীয়া, আব্দুল মজিদ আৰু চন্দ্ৰ চৌধুৰীয়ে। অভিনেতা-অভিনেত্ৰীসকল হ'ল— চন্দ্ৰ চৌধুৰী, সদানন্দ শৰ্মা, ভৱেশ বৰুৱা, পৰাগ বৰুৱা, তৌফিক ৰহমান, শৈলেন শৰ্মা, ৰূপক বৰুৱা, তৰুণ বেজবৰুৱা, দিগন্ত বৰুৱা, বিজয় চৌধুৰী, উৎসৱ কলিতা, ৰীণা বৰা, পুস্পা দেৱী, মামণি আৰন্ধৰা, দুলু দেৱী, সোণটি বৰুৱা, পদুমী পাঠক, ৰুণটি, ৰিংকু।

আবাহনৰ মঞ্চত এইবেলি চাৰিখন নৃত্য-নাটিকা পৰিৱেশিত হয়। সেইবোৰ হ'ল— দশৰথ দাসৰ 'শকুন্তলা', অজিত তালুকদাৰৰ 'স্বপ্ন স্ৰোতস্বিনী', দশৰথ দাস আৰু দেৱেশ্বৰ শৰ্মাই যুটীয়াভাৱে ৰচনা কৰা 'সোণ পখিলী' আৰু 'অ' ফুল অ' ফুল নুফুলা কিয়' তথা অৰুণ শৰ্মাৰ 'জীৱন সংগ্ৰাম'। নৃত্য পৰিচালনা কৰিছিল যতীন গোস্বামী আৰু মনেশ্বৰ দাসে। দশৰথ দাস আৰু দেৱেশ্বৰ শৰ্মাৰ সংগীত পৰিচালনাত বাদ্য-যন্ত্ৰত সংগত কৰা শিল্পীসকল হ'ল— দশৰথ দাস, ৰবি দাস, ৰাজকুমাৰ, পাৰ্থপ্ৰতিম চৌধুৰী, ৰতন দাস আৰু নবীন বড়ো। কণ্ঠ শিল্পীসকল হ'ল— দশৰথ দাস, মিনু শইকীয়া, ৰবি দাস আৰু বিজু বৰা। এই বছৰৰ শিল্পীসকল হ'ল— মনেশ্বৰ দাস, উৎসৱ কলিতা, বীৰেন পাঠক, কেশৱ কলিতা, ভৱানন্দ ৰয়, নৰেন বৈশ্য, পদুমী পাঠক, বিমলা দাস আৰু সোণটি বৰুৱা। এই বছৰত আবাহনৰ শব্দ আৰু কলা নিৰ্দেশনা কৰিছিল ক্ৰমে এম চি চৌহান আৰু খগেন দাসে। মঞ্চ আৰু সাজসজ্জা পৰিচালনাৰ দায়িত্বত আছিল সুৰেন ৰয়, ফণী শৰ্মা আৰু তৰুণ ৰয়। গীতিকাৰ সকল হ'ল— দেৱেশ্বৰ শৰ্মা আৰু দশৰথ দাস।

তৃতীয় বৰ্ষৰ পৰিক্ৰমা (১৯৮২-৮৩)ঃ তৃতীয় বৰ্ষৰ আটাইতকৈ উল্লেখনীয় নাট দুখন আছিল ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'অন্ধকূপ' আৰু 'বন্দীশাল'। প্ৰয়াত শইকীয়াৰ দ্বাৰা ৰচিত আৰু পৰিচালিত 'অন্ধকূপ' নামৰ ৰহস্যঘন নাটখনত নাট্যকাৰে নাটখনৰ শেহলৈকে উৎকণ্ঠা বৰ্তাই ৰাখিব পাৰিছিল। বনকৰা ছোৱালী কুন্তলা আৰু ড্ৰাইভাৰ জগন্নাথৰ মৃত্যুক কেন্দ্ৰ কৰি ৰহস্যৰ আৱৰ্তত সোমাই পৰে নাটখনৰ আন চৰিত্ৰ মৃণাল, অভিৰাম, লস্কৰ, মিহেছ মজুমদাৰ আদি। পুলিচৰ অনুসন্ধানৰ পৰা চূড়ান্ত অপৰাধীজনক নিশ্চিত নকৰা পৰ্যন্ত প্ৰতিটো চৰিত্ৰকে দৰ্শকে দোষী বুলি ভাবিবলৈ বাধ্য হোৱাটো নাটখনৰ এক উল্লেখনীয় বৈশিষ্ট্য আছিল। সুকুমাৰ মজুমদাৰৰ চৰিত্ৰত বিশিষ্ট চলচ্চিত্ৰ অভিনেতা নিপন গোস্বামীৰ অভিনয় আছিল অতি প্ৰশংসনীয়। এক অগতানুগতিক শৈলীৰে তেওঁ তেওঁৰ চৰিত্ৰটি নাটখনত উপস্থাপন কৰিছিল। ইন্সপেক্টৰ দত্তৰ ভাৱত সুৰেন মহন্ত আৰু সহকাৰী শান্তনু শৰ্মাৰ ভাৱত ৰূপক বৰুৱাৰ অভিনয় অতি সুন্দৰ আছিল। কেন্দ্ৰীয় চৰিত্ৰ কুন্তলাৰ ভাৱত ৰীণা বৰাক অভিনয়ে দৰ্শকৰ মনত সাঁচ বহুৱাইছিল। পৰাগ বৰুৱা, অৰুণ বেজবৰুৱা, দিগন্ত বৰুৱা আদিৰ অভিনয়ো আছিল শলাগ ল'বলগীয়া। কৃষ্ণ ৰয় আৰু হীৰামন গোস্বামীৰ আলোক নিৰ্দেশনাত নাটখনৰ পৰিৱেশন অধিক উন্নত হৈ পৰিছিল।

ঘূণে ধৰা এক সমাজ ব্যৱস্থাক তথা সমাজ জীৱনৰ বিভিন্ন কদাচাৰক উন্মুক্ত কৰি দিয়াৰ প্ৰয়াস ঘটিছিল 'বন্দীশাল' নাটত। ড° ভবেন্দ্ৰ শইকীয়াৰ ৰচনা আৰু পৰিচালনাত এই নাটখনে সমাজৰ প্ৰচলিত ৰীতি-প্ৰথা আদিৰ বিৰুদ্ধে ভালেমান প্ৰশ্নৰ অৱতাৰণা কৰিছিল। সুৰেন মহন্ত, নিপন গোস্বামী, ৰেজিনা বেগম, ৰীণা বৰা, পৰাগ বৰুৱা, ৰূপক বৰুৱা, অৰুণ বেজবৰুৱা আদিৰ অভিনয়ে নাটখনক অধিক অৰ্থবহ কৰি তুলিছিল। এই বৰ্ষৰ আন নাট দুখন হ'ল— মহেন্দ্ৰ বৰঠাকুৰৰ 'এই মাটিতে' আৰু অৰুণ শৰ্মাৰ 'মনোমতী'। বছৰটোৰ আন অভিনেতা-অভিনেত্ৰী সকল হৈছে চন্দ্ৰ চৌধুৰী, সদানন্দ শৰ্মা, দুলু দেৱী, মাইনু ৰয় আৰু ৰেণু শইকীয়া।

এই বৰ্ষৰ নৃত্য নাটিকাসমূহ হ'ল ৰবীন দাসৰ 'শোণিত কুঁৱৰী', দশৰথ দাস সম্পাদিত 'শকুন্তলা', 'সেই ছোৱালীজনী', কানন ইছলাৰীৰ বাগডুম্বা নৃত্য আৰু ৰবীন দাসৰ কামৰূপী লোকগীতত 'কৃষ্ণ'। নৃত্য পৰিচালনাত আছিল যতীন গোস্বামী, ৰবীন দাস, কানন ইছলাৰী আৰু মনেশ্বৰ দাসে। এই বছৰৰ নৃত্য শিল্পীসকল হ'ল— মনেশ্বৰ, কেশৱ, ধনেশ্বৰ, উৎসৱ, উষা, পূৰ্ণিমা, প্ৰতিমা আৰু হেম বৰুৱা। বাদ্যযন্ত্ৰৰ শিল্পীসকল হ'ল— দশৰথ দাস, দেৱজিৎ শইকীয়া, নবীন বড়ো, নিকুঞ্জ পাঠক আৰু পীতাম্বৰ তামুলী। কলা নিৰ্দেশনা আৰু সাজসজ্জা পৰিচালনা কৰিছিল ক্ৰমে খগেন দাস আৰু অৰুণ ৰয়ে।

চতুৰ্থ বৰ্ষৰ পৰিক্ৰমা (১৯৮৩-৮৪)ঃ এই বছৰ আৱাহন থিয়েটাৰত পৰিৱেশিত পাঁচখন নাটৰ চাৰিখনেই আছিল ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ। নাটসমূহ হ'ল— 'আম্ৰপালী', 'মণিকূট', 'বন্দীশাল' আৰু 'অন্ধকূপ'। আনখন নাট 'মনোমতী'ৰ নাট্যকাৰ আছিল অৰুণ শৰ্মা। নাটসমূহ পৰিচালনা কৰিছিল ড° ভবেন্দ্ৰ নাথ শইকীয়াই।

'মণিকূট' নাটখন ১৯৮৩-৮৪ নাট্যবৰ্ষৰ শ্ৰেষ্ঠ নাটৰূপে বিবেচিত হৈছিল। গাঁৱৰ মুকলিমুৰীয়া সমাজ এখনত উদ্যোগ এটি স্থাপন হোৱাৰ পিছত সমাজখনত সৃষ্টি হোৱা নীচাত্মিকতাবোধক নাটখনত উপস্থাপন কৰা হৈছে। গামোচা পিন্ধি গাখীৰ বেচা ৰজতহঁতে পেন্ট পিন্ধাৰ পিছত গাখীৰ বেচিবলৈ লাজ কৰা হ'ল। মাটিৰ ক্ষতিপূৰণৰ ধনেৰে ৰজত যতীনহতে চাহৰ দোকান দিলে। চাহৰ দোকানত লোকচান ভৰি ৰজতে অৱশেষত মদৰ দোকানত ধৰে। এনেদৰে এখন ঘৰ, এখন সমাজ ক্ৰমান্বয়ে ধ্বংসৰ গৰাহলৈ আগবাঢ়ি যোৱাৰ কাহিনীৰে 'মণিকূট' নাটখন পৰিৱেশন কৰা হৈছিল। চন্দ্ৰ চৌধুৰী, নিপন গোস্বামী, পৰাগ বৰুৱা, সদানন্দ শৰ্মা, শৈলেন শৰ্মা, অৰুণ বেজবৰুৱা, ৰূপক বৰুৱা, ৰীণা বৰা, নীলিমা ৰাজবংশী, কুৰঙ্গনয়নী কোঁৱৰ আদি শিল্পীৰ অভিনয়েৰে নাটখনে অসমৰ সকলো প্ৰান্ততে সমাদৰ লভিব সক্ষম হৈছিল। দশৰথ দাস আৰু দেৱেশ্বৰ শৰ্মাৰ সংগীত পৰিচালনাত নাটখন অধিক আকৰ্ষণীয় হৈ পৰিছিল। কৃষ্ণ ৰয় আৰু হীৰামন গোস্বামীৰ আলোক নিৰ্দেনা আছিল শলাগ লবলগীয়া। এই বছৰৰ আন অভিনেতা-অভিনেত্ৰীসকল হ'ল সুৰেন মহন্ত, জেহিৰুল হুছেইন আৰু দুলু দেৱী।

এই বৰ্ষৰ নৃত্য-নাটিকাসমূহ হ'ল দশৰথ দাসৰ দ্বাৰা সম্পাদিত 'শকুন্তলা', 'সেই আজলী ছোৱালীজনী', ৰবীন দাসৰ 'শোণিতকুঁৱৰী', যতীন গোস্বামীৰ 'ৰামধেনু' আৰু 'অফুল অফুল'। নৃত্য পৰিচালনা কৰিছিল যতীন গোস্বামী আৰু হেম বৰুৱাই। নৃত্য শিল্পীসকল হৈছে মনেশ্বৰ দাস, কেশৱ কলিতা, ধনেশ্বৰ বিষয়া, ৰেৱতী ৰায়, হৰেণ দাস, প্ৰতিমা পাঠক, কামিনী বৰ্মন আৰু ৰেণু শইকীয়া। কণ্ঠ শিল্পীসকল হ'ল দশৰথ দাস আৰু মিনু শইকীয়া। গীত সমূহ ৰচনা কৰিছিল দশৰথ দাস আৰু দেৱেশ্বৰ শৰ্মাই। বাদ্যযন্ত্ৰৰ শিল্পীসকল আছিল— দশৰথ দাস, নবীন বড়ো, সুৰেন দাস আৰু নিকুঞ্জ দাস। চতুৰ্থ বৰ্ষত আৱাহনৰ ৰূপসজ্জা আৰু শব্দৰ দায়িত্বত আছিল ক্ৰমে তৰুণ ৰয়, কেশৱ দাস আৰু মদন শৰ্মা (শব্দ)। কলা নিৰ্দেশনা কৰিছিল হেমেন দাস আৰু অজান বৰুৱাই।

পঞ্চম বৰ্ষৰ পৰিক্ৰমা (১৯৮৪-৮৫)ঃ ১৯৮৪-৮৫ বৰ্ষত আৱাহনে মুঠতে পাঁচখন নাট মঞ্চস্থ কৰে। এই নাটসমূহ হ'ল— ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'নীলকণ্ঠ' আৰু 'বিষকুম্ভ', মহেন্দ্ৰ বৰঠাকুৰৰ 'বিলকিচ বেগম', প্ৰফুল্ল বৰাৰ 'স্নেহ বন্ধন' আৰু অৰুণ শৰ্মাৰ 'নেপোলিয়ন বোনাপাৰ্ট'। নাট পৰিচালনা কৰিছিল ড° ভবেন্দ্ৰ নাথ শইকীয়াই।

বিশিষ্ট বাংলা সাহিত্যিক তৰুণ ভাদুড়ীৰ মূল কাহিনীৰে মহেন্দ্ৰ বৰঠাকুৰে দিয়া অসমীয়া নাট্যৰূপ 'বিলকিচ বেগম' এই বছৰ সফলতাৰে আৱাহনৰ মঞ্চত পৰিৱেশন কৰা হৈছিল। ব্ৰিটিছ শাসিত ভাৰতবৰ্ষৰ সৰু সৰু ৰাজন্যবৰ্গৰ আত্মাভিমানী আচৰণত আলাই-আথানি ভোগা সাধাৰণ প্ৰজাৰ কৰুণ অৱস্থাক নাটখনত প্ৰতিফলিত কৰা হৈছে। ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ পৰিচালনাত নাটখনে উক্ত বৰ্ষত আৱাহনক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছিল।

এই বছৰৰ যিখন নাটে দৰ্শকৰ অন্তৰাত্মাক জোকাৰি গৈছিল সেয়া আছিল ড° ভবেন্দ্ৰ

নাথ শইকীয়াৰ ৰচনা আৰু পৰিচালনাৰ নাট 'নীলকণ্ঠ'। উচ্চশিক্ষিত তথা উচ্চাভিলাষী নীলকণ্ঠ চৌধুৰীয়ে মাতৃৰ মৃত্যুৰ পাছত সামাজিক নীতি-নিয়মক প্ৰশ্ন কৰিছে— 'পিতৃ-মাতৃৰ প্ৰতি পুত্ৰৰ কৰ্তব্য মৃত্যুৰে আগত নে পাছত? জীৱনকালত মাতৃৰ মুখত এচামুচ পানীও দিবলৈ আহৰি নোপোৱা পুত্ৰই মৃত্যুৰ পাছত মুখাগ্নি কৰাতেই কৰ্তব্য শেষ হয়নে? নিজৰ ব্যক্তিগত জীৱনৰ সংঘাত, গৰ্ভৱতী পত্নীৰ মৃত্যুসম দুখকো আওকাণ কৰি মাতৃসেৱাত ব্ৰতী হোৱা নীলকণ্ঠই মাকৰ মৃত্যুৰ পাছত সামাজিক নীতি-নিয়মৰ প্ৰতি মুকলি বিদ্ৰোহ ঘোষণা কৰিছে। নাটখনৰ মূল চৰিত্ৰটিত সুৰেন মহন্তৰ দুৰ্দান্ত অভিনয় ভ্ৰাম্যমাণৰ ইতিহাসত চিৰসেউজ হৈ ৰব বুলি নাটখনৰ দৰ্শকে মত প্ৰকাশ কৰিছিল। দ্বৈত ভূমিকাত বীণা বৰাৰ অভিনয় চিৰস্মৰণীয় হৈ ৰব। একেদৰে অৰুণ বেজবৰুৱা, প্ৰাণজিৎ দাস, ৰূপক বৰুৱা, দিগন্ত বৰুৱা, দুলু দেৱী আদিৰ অভিনয় আছিল অনবদ্য। দশৰথ দাস আৰু দেৱেশ্বৰ শৰ্মাৰ সংগীত পৰিচালনা আৰু হীৰামন গোস্বামীৰ নিৰ্দেশত আলোক পৰিচালনাইও নাটখনক অতি আবেগময় কৰি তুলিছিল। এই বছৰৰ আন অভিনেতা-অভিনেত্ৰী সকল হৈছে পৰাগ বৰুৱা, ৰেজিনা বেগম, মীনা কুমাৰী আদি।

এই বছৰ পৰিবেশিত নৃত্য-নাটিকা কেইখন হৈছে যতীন গোস্বামীৰ 'মাউখে উটিল', দশৰথ দাসৰ 'শকুন্তলা', নাৰায়ণ বৰুৱাৰ 'সীতা হৰণ', আৰু আৱাহনৰ সৌজন্যত 'জয় মা কামাখ্যা'। নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱাই। নৃত্য শিল্পীসকল হ'ল— উৎসৱ কলিতা, হেম বৰুৱা, খগেন দাস, কৰুণা দাস, বিমলা পূৰ্ণিমা দাস আদি। নৃত্য-নাটিকাবোৰ পৰিচালনা কৰিছিল যতীন গোস্বামী আৰু হেম বৰুৱাই। এই বছৰৰ গানবোৰ ৰচনা কৰিছিল দশৰথ দাস আৰু দেৱেশ্বৰ শৰ্মাই। উল্লেখ্য যে 'স্নেহবন্ধন' নাটখনৰ এটি গীতে বিপুল জনপ্ৰিয়তা লাভ কৰিব সক্ষম হৈছিল। আৱাহনৰ এই বৰ্ষৰ কলা নিৰ্দেশক আছিল ক্ৰমে হেমেন দাস আৰু অজান বৰুৱা।

ষষ্ঠ বৰ্ষৰ পৰিক্ৰমা (১৯৮৫-৮৬)ঃ এই বৰ্ষৰ যিখন নাটে ভ্ৰাম্যমাণ মঞ্চত আলোড়ন সৃষ্টি কৰিছিল সেইখন আছিল মহেন্দ্ৰ বৰঠাকুৰ ৰচিত 'জীৱন ড্ৰাইভাৰ'। উল্লেখ্য যে অসমীয়া চলচ্চিত্ৰ জগতৰ জনপ্ৰিয় তাৰকা বিজু ফুকনে নাটখনৰ মূল চৰিত্ৰটিত অভিনয় কৰিছিল। বছৰটিৰ আন নাট তিনিখন হ'ল— লক্ষ্যধৰ চৌধুৰীৰ 'ভগৱান শ্ৰীকৃষ্ণ', ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'নীলকণ্ঠ' আৰু আব্দুল মজিদ সম্পাদিত 'সম্ৰাট'। নাট পৰিচালনা কৰিচিল ক্ৰমে ড° ভবেন্দ্ৰনাথ শইকীয়া আৰু লক্ষ্যধৰ চৌধুৰীয়ে। এই বৰ্ষৰ আন অভিনয় শিল্পীসকল হ'ল— সুৰেন মহন্ত, অৰুণ বেজবৰুৱা, প্ৰাণজিৎ দাস, ৰেবা গগৈ, দুলু দেৱী, মণি বৰা আদি শিল্পীসকল। দেৱেশ্বৰ শৰ্মা আৰু নাৰায়ণ বৰুৱাই সংগীত আৰু হেম বৰুৱাই নৃত্য পৰিচালনা কৰিছিল। বাদ্যযন্ত্ৰ শিল্পীসকল হ'ল হাৰুণ আলী, ৰূপেন দাস, কল্প কাকতি আদি। কণ্ঠ শিল্পীদ্বয় হ'ল মৰমী দাস আৰু মহেন্দ্ৰ মেধি। এই নাট্যবৰ্ষত আৱাহনৰ শব্দ নিয়ন্ত্ৰণ কৰিছিল গিৰিশ হালৈ আৰু হিতেশ দাসে।

এই বছৰৰ পৰিবেশিত নৃত্য নাটিকাকেইখন হ'ল তীৰ্থ চহৰীয়াৰ 'সোণ পখিলী', নাৰায়ণ বৰুৱাৰ 'পাৰিজাত', আৱাহনৰ সৌজন্যত 'সেউজী ধৰা' আৰু তীৰ্থ চহৰীয়াৰ 'ৰুক্মিণী হৰণ'। নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱাই।

সপ্তম বৰ্ষৰ পৰিক্ৰমা (১৯৮৬-৮৭)ঃ সপ্তম বৰ্ষত আৱাহনে মুঠতে পাঁচখন নাট মঞ্চস্থ কৰে। এই নাটবোৰ হৈছে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'অমৃত', প্ৰফুল্ল বৰাৰ 'ৰত্নদ্বীপ' মহেন্দ্ৰ বৰঠাকুৰৰ 'জীৱন ড্ৰাইভাৰ', দুৰ্গেশ্বৰ বৰঠাকুৰৰ 'অমানুহ' আৰু পঞ্চমখন নাট আছিল 'নিৰুদ্দেশ'। নাটবোৰ পৰিচালনা কৰিছিল ড° ভবেন্দ্ৰ নাথ শইকীয়াই।

ড° ভবেন্দ্ৰ নাথ শইকীয়া ৰচিত আৰু পৰিচালিত 'অমৃত' নাটখন এই বছৰৰ শ্ৰেষ্ঠ প্ৰযোজনাৰূপে বিবেচিত হৈছিল। আন্দোলনৰ বিষয়বস্তুৰ আধাৰত ৰচিত এই নাটখনে অসমৰ কোনো বিশেষ আন্দোলনক নিৰ্দেশ কৰা নাছিল যদিও নাটখনে সামগ্ৰিকভাৱে এটি আন্দোলনৰ অন্তৰালত, ইয়াৰ কৰ্মপদ্ধতি আদিত থকা বিভিন্ন উপাদানক উপস্থাপন কৰিবলৈ প্ৰয়াস কৰিছিল। আন্দোলন কৰ্মীৰ আদৰ্শ, আন্দোলনৰ ভিতৰত আদৰ্শবিৰোধী লোকৰ প্ৰবেশ, সৎ আৰু নিষ্ঠাবান কৰ্মীজনক দোষী কৰা আদি পৰিঘটনাবোৰ নাটখনে দাঙি ধৰিছিল। ড° শইকীয়াৰ সফল পৰিচালনা আৰু যথাযথ প্ৰতীকধৰ্মিতাৰ প্ৰয়োগে নাটখনক অধিক আকৰ্ষণীয় কৰি তুলিছিল। প্ৰাণজিৎ দাস, অৰুণ বেজবৰুৱা, উৎসৱ কলিতা, গিৰিজা বৰুৱা, মঞ্জু বৰদলৈ আদি শিল্পীৰ অভিনয় আছিল অতি সাৱলীল।

এই বৰ্ষৰ আন অভিনেতা-অভিনেত্ৰীসকল হৈছে— ৰমণী চৌহান, প্ৰসন্ন, দুলাল কিৰণ, ক্ষীৰেশ্বৰ, নৃপেন, গিৰিজা অঞ্জলী আৰু ইন্দ্ৰাণী। সংগীত পৰিচালনা কৰিছিল দেৱেশ্বৰ শৰ্মাই আৰু বাদ্য যন্ত্ৰত সংগত কৰিছিল বাপন পাঠক, নবীন বড়ো, সুৰেশ দাস, মাণিক সিং আৰু ৰতন দাসে। কণ্ঠ শিল্পীদ্বয় আছিল অনিল পাঠক আৰু মিনু শইকীয়া। গীতিকাৰ আছিল দেৱেশ্বৰ শৰ্মা। সাজ-সজ্জা আৰু কলা নিৰ্দেশনা কৰিছিল ক্ৰমে নগেন শৰ্মা আৰু অজিত দাসে। এই বছৰৰ নৃত্য-নাটিকাসমূহ হ'ল— দেৱেশ্বৰ শৰ্মাৰ 'বিপ্ৰ দামোদৰ', তীৰ্থ চহৰীয়াৰ 'সাত ভনী', আৱাহনৰ সৌজন্যত 'বৃক্ষৰোপন' আৰু নাৰায়ণ বৰুৱাৰ 'জয় মা গংগা'। নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱাই।

অষ্টম বৰ্ষৰ পৰিক্ৰমা (১৯৮৭-৮৮)ঃ এই বছৰ আৱাহনে মঞ্চলৈ লৈ আনে চাৰিখন উল্লেখনীয় নাট। নাটসমূহ হৈছে— ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'জন্মভূমি', বিনোদ ভাগৱতীৰ 'পম্পেয়ীৰ প্ৰলয়', ভবেন বৰুৱাৰ 'গৃহস্থ কুকুৰ চাকৰ' আৰু হেমন্ত দত্তৰ 'শ্ৰীমদ্ভাগৱত গীতা'।

'শ্ৰী মদ্ভাগৱত গীতা'ৰ আধ্যাত্মিক তত্ত্বৰ আধাৰত হেমন্ত দত্তই ৰচনা কৰা একে নামৰ নাটখনে এই বৰ্ষত দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। প্ৰাঞ্জল শইকীয়া, পুলিন নাথ, মুনিন ডেকা, প্ৰাণজিৎ দাস, জুৰি শৰ্মা, ৰেবা গগৈ, ডিম্বেশ্বৰ দাস, জ্যোৎস্না কলিতা আদিৰ অভিনয় অতি সাৱলীল আছিল আৰু দেৱেশ্বৰ শৰ্মা আৰু নাৰায়ণ বৰুৱাৰ

সংগীত পৰিচালনাত নাটখন সংগীত মধুৰ হৈ পৰিছিল।

বিনোদ ভাগৱতী ৰচিত 'পম্পেয়ীৰ প্ৰলয়' নাটখনত আবাহন থিয়েটাৰে কাৰিকৰী চমক প্ৰদৰ্শনত বিশেষ সফলতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। কৰুণা পাঠকৰ আলোক-সম্পাত আৰু মদন শৰ্মাৰ শব্দ পৰিচালনাত পম্পেয়ী চহৰৰ প্ৰলয়ৰ দৃশ্যৰাজি অতি সুন্দৰকৈ উপস্থাপন কৰিব পাৰিছিল। কেশৱ ৰয়ৰ দৃশ্যসজ্জাইও নাটখনৰ আকৰ্ষণ বঢ়াইছিল। একেদৰে সৰ্বেশ্বৰ ৰয়ৰ মঞ্চসজ্জাও আছিল প্ৰশংসনীয়।

আবাহনৰ এই বছৰটিৰ নাটসমূহ পৰিচালনা কৰিছিল ক্ৰমে ড° ভবেন্দ্ৰ শইকীয়া, ভবেন বৰুৱা আৰু হেমন্ত দত্তই। এইবেলিৰ নৃত্য শিল্পীসকল হ'ল— হেম বৰুৱা ভুবনেশ্বৰ, কেশৱ, বিমলা, পূৰ্ণিমা, পূৰ্ণিমা দাস আৰু গোপী। নৃত্য-নাটিকা পৰিচালনা কৰিছিল হেম বৰুৱা। এই বছৰৰ নৃত্য নাটিকা কেইখন হ'ল হেমন্ত দত্তৰ 'সোণালী হৰিণ', দেৱেশ্বৰ শৰ্মাৰ 'বিপ্ৰ দামোদৰ', 'ৰাম বিজয়' আৰু দশৰথ দাসৰ 'আলোক বসন্ত'। নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱা।

দেৱেশ্বৰ শৰ্মা আৰু নাৰায়ণ বৰুৱাৰ সংগীত পৰিচালনাত বাদ্য যন্ত্ৰত সংগত কৰিছিল ভুবনেশ্বৰ দাস, ৰতন দাস, বাপন পাঠক আৰু গোপী ডেকাই। কণ্ঠ শিল্পীদ্বয় আছিল অনিল পাঠক আৰু মিনু শইকীয়া। এই বৰ্ষৰ গীতসমূহ ৰচনা কৰিছিল হেমন্ত দত্ত আৰু দেৱেশ্বৰ শৰ্মাই।

নৱম বৰ্ষৰ পৰিক্ৰমা (১৯৮৮-৮৯) ঃ আবাহন থিয়েটাৰে ১৯৮৮-৮৯ নাট্যবৰ্ষত মঞ্চস্থ কৰা ড° ভবেন্দ্ৰ নাথ শইকীয়া ৰচিত আৰু পৰিচালিত 'দীনবন্ধু' নাটখন আবাহনৰ সুদীৰ্ঘ পৰিক্ৰমাৰ অন্যতম সফল নাটৰূপে বিবেচিত হৈছে। উল্লেখ্য যে অসমৰ প্ৰায়বোৰ ঠাইতে দৰ্শকৰ বিপুল সঁহাৰিলৈ লক্ষ্য ৰাখি নাটখনৰ প্ৰদৰ্শনীৰ সংখ্যা বৃদ্ধি কৰিব লগা হৈছিল। তদুপৰি পৰৱৰ্তী সময়ত কৃষ্ণ ৰয়ৰ প্ৰযোজনাত 'দীনবন্ধু'ক চলচ্চিত্ৰৰূপ প্ৰদান কৰা হৈছিল আৰু ছবিখনে আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ ছবি হিচাপে ৰজত কলম বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। ড° শইকীয়াৰ অনবদ্য পৰিচালনাত 'দীনবন্ধু'ৱে ভ্ৰাম্যমাণৰ মঞ্চত এক নতুন নাট্যধাৰা সূচনা হোৱাৰো ইংগিত বহন কৰিছিল। নাটখনৰ নামভূমিকাত জীৱেশ্বৰ ডেকাৰ অভিনয় আছিল চিত্তাকৰ্ষক। ধৰ্মকান্তৰ ৰূপত অৰুণ বেজবৰুৱা তথা মণি বৰা, প্ৰাণজিৎ দাসৰ অভিনয় আছিল পাহৰিব নোৱাৰা ধৰণৰ। একেদৰে উৎসৱ কলিতা, ভবেশ বৰুৱা, মুনীন ডেকা, পৰেশ গোস্বামী, ফুলুপ্ৰভা সেনাপতি আদিয়ে সু-অভিনয় কৰিছিল। নাটখনৰ এটি গীত ড° ভবেন্দ্ৰ নাথ শইকীয়া ৰচিত আৰু সুৰাৰোপিত 'ক'ৰ এজাক সপোন যেন বৰষুণ' শীৰ্ষক গীতটিয়ে নাটখনক এক অনন্য মাত্ৰা প্ৰদান কৰিছিল।

এই বছৰৰ আন তিনিখন নাট ৰচনা কৰিছিল হেমন্ত দত্তই। তেওঁৰ দ্বাৰা ৰচিত আৰু পৰিচালিত নাটকেইখন হ'ল— 'বসুন্ধৰা', 'ধন্য ধন্য কলিকাল' আৰু 'শ্ৰীবৎস চিন্তা'।

সবল নাট্যৰচনা আৰু কৌশলী সংলাপধৰ্মিতাৰ বাবে 'শ্ৰীবৎস চিন্তা' নাটখনো এই

বহুৰ জনপ্ৰিয় হৈছিল। এই পৌৰাণিক নাটখনত নাট্যকাৰ হেমন্ত দত্তই নতুন দৃষ্টিভংগীৰে পৰীক্ষা কৰাৰ প্ৰয়াস কৰিছিল। বিষ্ণুৰ চৰিত্ৰত প্ৰাণজিৎ দাসৰ অভিনয় আছিল অতি সাৱলীল। বৎসৰূপী ভবেশ বৰুৱা, শনিৰ চৰিত্ৰত জীৱেশ্বৰ ডেকা আৰু চিন্তাৰূপী মণি বৰা আৰু সদাগৰৰ চৰিত্ৰত অৰুণ বেজবৰুৱাৰ অভিনয়ো আছিল অতি প্ৰশংসনীয়।

এই তিনিওখন নাট পৰিচালনা কৰাৰ লগতে দত্তই নাটকেইখনৰ গানো ৰচনা কৰিছিল।

এই বছৰৰ নৃত্য-নাটিকা কেইখন হ'ল হেমন্ত দত্তৰ 'সোণালী হৰিণ', দেৱেশ্বৰ শৰ্মাৰ 'বিপ্ৰ দামোদৰ' আৰু দশৰথ দাসৰ 'আলোক বসন্ত'। নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱাই। একেদৰে সংগীত পৰিচালনা কৰিছিল দেৱেশ্বৰ শৰ্মা আৰু নাৰায়ণ বৰুৱাই। বাদ্য যন্ত্ৰীসকল হ'ল— নাৰায়ণ বৰুৱা, ডিম্বেশ্বৰ দাস, সুৰেশ দাস, পীতাম্বৰ তামুলী, কনক দাস, গোপাল দাস। নৃত্য শিল্পীসকল হ'ল— মাধৱী বৰুৱা, ৰবিতা ৰয়, চম্পা, গোলাপী, অক্ষয় মেধি, প্ৰবীণ দাস আৰু অপূৰ্ব উজিৰ। কণ্ঠ শিল্পীদ্বয় আছিল ক্ৰমে অনিল পাঠক আৰু মৰমী দাস। কলা নিৰ্দেশনা আৰু সাজ-সজ্জাৰ দায়িত্বত আছিল ক্ৰমে ৰূপেন দাস, কেশৱ আৰু তৰুণ দাস। আলোক সম্পাতৰ দায়িত্বত আছিল — ধৰণী কলিতা, কমল শৰ্মা আৰু আদ্য গোস্বামী।

দশম বৰ্ষৰ পৰিক্ৰমা (১৯৮৯-৯০) ঃ এই বৰ্ষত লোৱা নাটকেইখন আছিল ড° ভবেন্দ্ৰনাথ শইকীয়া ৰচিত আৰু পৰিচালিত 'প্ৰতিবিম্ব' আৰু 'দীনবন্ধু', ভবেন বৰুৱা ৰচিত আৰু পৰিচালিত 'অশুচি পূজাৰ ফুল', মহেন্দ্ৰ বৰঠাকুৰ ৰচিত 'কলংকিনী সতী' আৰু সেৱাব্ৰত বৰুৱাৰ 'গণশত্ৰু'। নাটসমূহ সামগ্ৰিকভাৱে পৰিচালনা কৰিছিল ড° ভবেন্দ্ৰনাথ শইকীয়া, ভবেন বৰুৱা আৰু হেম ভট্টাচাৰ্যই। অভিনয় শিল্পীসকল হ'ল— জীৱেশ্বৰ ডেকা, অৰুণ বেজবৰুৱা, দিলীপৰঞ্জন দত্ত, পৰেশ গোস্বামী, পদুম বৰা, মুনিন কাকতি, কিৰণ দাস, হৰবল্লভ বৰুৱা, দ্বীজেন ৰয়, উপেন শৰ্মা, মণি দেৱী, ইন্দিৰা কলিতা, মণি দত্ত, ৰুণুমী পাঠক, ৰাণী বেগম আৰু প্ৰিয়ম লেজাৰ।

সংগীত পৰিচালনাত দেৱেশ্বৰ শৰ্মা আৰু নাৰায়ণ বৰুৱা; শব্দ নিয়ন্ত্ৰণত গিৰীশ হালৈ আৰু হিতেশ দাস; ৰূপসজ্জাত কেশৱ দাস আৰু কলা নিৰ্দেশনাত আছিল ক্ৰমে হাৰুণ আলী, ৰূপেন দাস আৰু কল্প কাকতি। বাদ্যযন্ত্ৰৰ শিল্পীসকল হৈছে নাৰায়ণ বৰুৱা, সুৰেশ বৰুৱা, কনক দাস, ৰায়সিং পাঠক, ডিম্বেশ্বৰ দাস আৰু গিৰীণ দাস। কণ্ঠ শিল্পীসকল হ'ল— মৰমী দাস, মহেন্দ্ৰ মেধি আৰু ৰুণুমী পাঠক।

এই বৰ্ষৰ পৰিৱেশিত নৃত্য নাটিকা কেইখন হৈছে লক্ষ্মীনাথ বেজবৰুৱাৰ 'দুই বুধিয়ক', অতুল চন্দ্ৰ হাজৰিকাৰ 'ওলট-পালট' আৰু দেৱেশ্বৰ শৰ্মাৰ 'সোণৰ কংকন'। নৃত্য পৰিচালনা কৰিছিল মাধৱী বৰুৱাই।

একাদশ বৰ্ষৰ পৰিক্ৰমা (১৯৯০-৯১) ঃ এই বৰ্ষত আবাহনে পৰিৱেশন কৰা নাটসমূহ হ'ল ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'দিগম্বৰ', ভবেন বৰুৱাৰ 'কচাইখানাৰ গাভৰু', সেৱাব্ৰত

বৰুৱাৰ 'ককাদেউতাৰ মৰম' আৰু অৱতাৰ সিঙৰ 'অন্ধ দেৱতা' আৰু 'লখিমী বোৱাৰী'। নাটসমূহ পৰিচালনা কৰিছিল ক্ৰমে ড° ভবেন্দ্ৰ নাথ শইকীয়া, ভবেন বৰুৱা আৰু হেম ভট্টাচাৰ্যই।

এই বছৰৰ অতি বলিষ্ঠ নাটৰূপে সমাদৰ লাভ কৰিছিল অৱতাৰ সিং ৰচিত আৰু হেম ভট্টাচাৰ্য পৰিচালিত 'অন্ধ দেৱতা' নাটখনে। এটি পৰিয়ালৰ পিতৃ আৰু তিনি পুত্ৰৰ মাজৰ আদৰ্শগত সংঘাতেই আছিল নাটখনৰ মূল বৈশিষ্ট্য। জীৱেশ্বৰ ডেকাই এই নাটখনত এগৰাকী মুক্তি যুঁজাৰুৰ ভাৱত অভিনয় কৰিছিল। দিলীপ ৰঞ্জন দত্ত, জুৰি শৰ্মা, অঞ্জলি ছেত্ৰী, মুনিন কাকতি, উৎসৱ কলিতা আদি শিল্পীৰ অভিনয়ো আছিল অতি প্ৰশংসনীয়। এই বৰ্ষৰ আন অভিনেতা-অভিনেত্ৰীসকল হ'ল— প্ৰদীপ বৰা, বাবুল খাটনিয়াৰ, মুনিন কাকতি, মৰমী, ৰুণুমী, গীতিকা আৰু ৰবিতা।

নৱম বৰ্ষত আৱাহনৰ মঞ্চত পৰিবেশিত নৃত্য-নাটিকাসমূহ হ'ল হেমন্ত দত্তৰ 'বহাগী বসন্ত', লক্ষ্মীনাথ বেজবৰুৱাৰ 'দধি মথন' আৰু 'আমাৰ গাঁও আমাৰ দেশ'। প্ৰবীণ তালুকদাৰ আৰু মাধৱী বৰুৱাই নৃত্য-নাটিকাসমূহ পৰিচালনা কৰিছিল। নাৰায়ণ বৰুৱা আৰু দেৱেশ্বৰ শৰ্মাৰ সংগীত পৰিচালনাত বাদ্যযন্ত্ৰীৰূপে আছিল ক্ৰমে— ডিম্বেশ্বৰ দাস, গিৰীণ দাস, গোপী ডেকা, তুলেশ্বৰ বৰা, ৰায়সিং পাঠক, সিদ্ধেশ্বৰ পাঠক আৰু প্ৰতাপ বড়ো। কণ্ঠ শিল্পী দুগৰাকী হ'ল মহেন্দ্ৰ মেধি আৰু মৰমী দাস। গীতিকাৰ আছিল ক্ৰমে কেশৱ দত্ত আৰু দেৱেশ্বৰ শৰ্মা। হাৰুণ আলি আৰু ৰূপক দাসে কলা-নিৰ্দেশনাত, টিকেন দাসে পোহৰত, গিৰিশ দাসে মঞ্চত আৰু সাজসজ্জাৰ দায়িত্বত আছিল অনুপমা ৰয়। আৱাহনৰ মঞ্চত সুদীৰ্ঘ সময়ৰ বাবে চবিন শীল স্মাৰকৰূপে দায়িত্ব নিৰ্বাহ কৰিছিল।

দ্বাদশ বৰ্ষৰ পৰিক্ৰমা (১৯৯১-৯২)ঃ দ্বাদশ বছৰত আৱাহন মঞ্চত মঞ্চস্থ হোৱা নাটসমূহ হ'ল— ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'গধূলি', ভবেন বৰুৱাৰ 'মহিলা পুলিচ',মহেশ কলিতাৰ 'জন্ম মৃত্যু বিবাহ' আৰু অৱতাৰ সিং ৰচিত 'বনৰীয়া ছোৱালী'।

এগৰাকী ধৰ্ষিতা মহিলাক সমাজৰ বৰমূৰীয়া সকলে, মহিলা সংগঠন, চৰকাৰ আদিয়ে নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে ব্যৱহাৰ কৰে তাক সফলভাৱে প্ৰতিফলিত কৰা হৈছিল 'গধূলি' নাটখনত। দুৰ্লভ চিপাহীৰ অসৎ প্ৰবৃত্তি আৰু পিছলৈ নিজৰ ভুলৰ শুদ্ধিৰ বাবে সেই ধৰ্ষিতা মহিলা গৰাকীক বিয়া কৰিবলৈ আগবাঢ়ি অহা ঘটনাই নাটখনক অতি আবেগিক কৰি তুলিছিল। প্ৰথমবাৰৰ বাবে ভ্ৰাম্যমাণৰ মঞ্চত ড° শইকীয়াৰ নাট অইনে পৰিচালনা কৰিছিল। হেম ভট্টাচাৰ্যৰ সুদক্ষ পৰিচালনাত নাটখন ত্ৰুটিহীন হৈ পৰিছিল। মাষ্টৰৰ চৰিত্ৰত জীৱেশ্বৰ ডেকাই, ধৰ্ষিতা অমলাৰ চৰিত্ৰটিত জুৰি শৰ্মাৰ অভিনয় আছিল অতি প্ৰশংসনীয়। বাবুল খাটনিয়াৰ, উৎসৱ কলিতা, প্ৰদীপ বৰা, বিনু কলিতা আদিৰ অভিনয়ো আছিল চৰিত্ৰানুগত। এইবাৰৰ আন অভিনেতা-অভিনেত্ৰীসকল হ'ল— ৰাজীৱ গোস্বামী, সৰুকণ বৰা, বিনোদ ডেকা, সুৰেন তালুকদাৰ, বাহাৰুল ইছলাম, অঞ্জলী ছেত্ৰী, দিপালী শইকীয়া

আৰু নিভা শইকীয়া। বাকী নাট তিনিখন পৰিচালনা কৰিছিল ভবেন বৰুৱা, হেম ভট্টাচাৰ্য আৰু ড° ভবেন্দ্ৰ নাথ শইকীয়াই। এই বছৰৰ নৃত্য-নাটিকা কেইখন হ'ল সুমিত্ৰা গোস্বামীৰ 'শৰৎ শাৰদী', দিলীপ কাকতিৰ 'মেঘকন্যা', কেশৱ দত্তৰ 'মৎস্য কন্যা' আৰু সেৱাব্ৰত বৰুৱাৰ 'স্বপ্ন ভঙাৰ গান'। নৃত্য পৰিচালনা কৰিছিল প্ৰবীণ তালুকদাৰে। নৃত্য শিল্পীসকল হ'ল— প্ৰবীণ, বাবুল, সুৰেন, গৌতম, অকণি, দিপালী, ৰুণু, ৰূপালী আৰু জোনালী। নাৰায়ণ বৰুৱাৰ সংগীত পৰিচালনাত বাদ্য যন্ত্ৰত সংগত কৰিছিল ডিম্বেশ্বৰ, গোপী, তুলেশ্বৰ আৰু গিৰীণ দাসে। গীতিকাৰ আছিল কেশৱ দত্ত আৰু সেৱাব্ৰত বৰুৱা। পোহৰত কৰুণা পাঠক, কলাত নুৰুদ্দিন আহমেদ আৰু সাজসজ্জা পৰিচালনা কৰিছিল অনুপমা ৰয়ে। কলা সহযোগী আছিল খগেন দাস, হাৰুণ আলি আৰু ৰূপেন দাস। বিগত বছৰৰ দৰে এই বছৰো আৱাহনৰ প্ৰতিনিধি আছিল বাপ বড়া।

ত্ৰয়োদশ বৰ্ষৰ পৰিক্ৰমা (১৯৯২-৯৩)ঃ আৱাহনে এই বৰ্ষত চাৰিখন নাটৰ তিনিখনত অভূতপূৰ্ব সফলতা লাভ কৰিছিল। ড° ভবেন্দ্ৰ নাথ শইকীয়া ৰচিত আৰু পৰিচালিত 'বৃন্দাবন' নাটখন আছিল এই বৰ্ষৰ আটাইতকৈ সফলতম নাট। মানুহ হত্যা কেনেদৰে স্বাৰ্থ পূৰণৰ এক প্ৰতিযোগিতালৈ ৰূপান্তৰিত হয় তাৰ বাস্তৱ ছবি এখন দাঙি ধৰা 'বৃন্দাবন' নাটখনত নাট্যকাৰে মিতব্যয়ী সংলাপ সংযোজন আৰু উপস্থাপন কৌশল চমৎকাৰভাৱে ব্যৱহাৰ কৰিছিল। নাটখনত তালুকদাৰ চৰিত্ৰটি কেতিয়াবা সূত্ৰধাৰ হৈছে আৰু কেতিয়াবা ঘটনাক্ৰমৰ মাজলৈ সোমাই গৈছে। তালুকদাৰৰ চৰিত্ৰটিত জীৱেশ্বৰ ডেকাৰ সংলাপবিহীন অভিব্যক্তি অতি মনোমুগ্ধকৰ আছিল। একেদৰে বাবুল খাটনিয়াৰ, প্ৰদীপ বৰা, জুৰি শৰ্মা, বিনু কলিতা চম্পক শৰ্মা, বিনীতা দাস আৰু কিশোৰ শৰ্মাৰ অভিনয়ে নাটখন অতি সফল কৰি তুলিছিল। নাৰায়ণ বৰুৱাৰ সংগীত পৰিচালনা আৰু টিকেন দাসৰ যথাযথ আলোক সম্পাতে নাটখন আকৰ্ষণীয় কৰি তুলিছিল।

থলুৱা লোক-সংস্কৃতিৰ পটভূমিত ভবেন বৰুৱাই লিখা 'মুখাগ্নি' নাটখনে পুতলা নাচৰ শিল্পীসকলৰ বৰ্তমানৰ দুৰৱস্থা দাঙি ধৰিছিল। ভানু ওস্তাদৰ দৰে শিল্পীসকলে অৰ্থাভাৱত কেনেদৰে সন্মানৰ পুৰস্কাৰবোৰ বেচি খাব লগা হৈছিল তাৰ মঞ্চায়ন আছিল সঁচাকৈয়ে বৰ আবেগিক। এজন বৃদ্ধ পুতলা শিল্পীৰ দুৰ্দশাগ্ৰস্ত জীৱনক জীৱেশ্বৰ ডেকাই অভিনয়ৰ জৰিয়তে অতি নিখুঁতভাৱে উপস্থাপন কৰিছিল। চম্পক শৰ্মা, প্ৰদীপ বৰা, কিশোৰ শৰ্মা আদিৰ অভিনয়ো আছিল চৰিত্ৰানুগত। নাটখনৰ উল্লেখনীয় দিশ আছিল ইয়াৰ সংগীত আৰু কলা নিৰ্দেশনা। এই বছৰ আৱাহনৰ কলা নিৰ্দেশনা কৰিছিল হাৰুণ আলিয়ে। এই বছৰটোৰ আন এখন উল্লেখনীয় নাট হ'ল— মহেশ কলিতা ৰচিত আৰু হেম ভট্টাচাৰ্য পৰিচালিত 'মহাসংগ্ৰাম'। এটা জাতিৰ স্বাধীনতা পিপাসু মনৰ অভিব্যক্তি দাঙি ধৰিছিল এইনাটখনে। মহৰ্ষিৰূপী জীৱেশ্বৰ ডেকাই নাটখনত নিজৰ অভিনয় দক্ষতা আৰু অভিজ্ঞতাক সঠিকভাৱে উপস্থাপন কৰিব সক্ষম হৈছিল। ৰজা পেণ্টাগনৰ চৰিত্ৰত চম্পক শৰ্মা, নিৰুপমাৰ

চৰিত্ৰত প্ৰদীপ বৰা আৰু নৰেশ্বৰৰ ৰূপত উৎসৱ কলিতাৰ অভিনয় আছিল অতি শলাগ ল'বলগীয়া। আন চৰিত্ৰবোৰত ৰঞ্জিত মিশ্ৰ, বাবুল খাটনিয়াৰ, দীপালী শইকীয়া, আদিয়ে সু-অভিনয় কৰিছিল। এই বছৰৰ চতুৰ্থখন নাট আছিল সেৱাব্ৰত বৰুৱাৰ দ্বাৰা ৰচিত 'অহংকাৰ'।

এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন হ'ল যতীন গোস্বামীৰ 'জটায়ু বধ', দেৱেশ্বৰ শৰ্মাৰ 'সাৱিত্ৰী সত্যবান', তীৰ্থ চহৰীয়াৰ 'গণ দেৱতা' আৰু দিলীপ কাকতিৰ 'মেঘকন্যা'। নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱাই। নৃত্যত বীৰেন পাঠক, প্ৰতিমা পাঠক, চিত্ৰা, বিমলা আদি শিল্পীসকল আছিল। গীতিকাৰসকল হ'ল ভবেশ বৰুৱা, সেৱাব্ৰত বৰুৱা আৰু কেশৱ দত্ত।

চতুৰ্দশ বৰ্ষৰ পৰিক্ৰমা (১৯৯৩-৯৪) ঃ এই বৰ্ষত আবাহনে মঞ্চস্থ কৰা নাটসমূহ হৈছে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'স্বৰ্গদ্বাৰ', মুনিন বৰুৱাৰ 'খলনায়ক' আৰু ভবেন বৰুৱাৰ 'আত্মসমৰ্পণ'। নাটসমূহ পৰিচালনা কৰিছিল ড° ভবেন্দ্ৰ নাথ শইকীয়া, মুনিন বৰুৱা, ভবেন বৰুৱা আৰু হেম ভট্টাচাৰ্যই। অভিনেতা-অভিনেত্ৰীসকল হ'ল প্ৰাণজিৎ দাস, চম্পক শৰ্মা, সুৰেণ তালুকদাৰ, প্ৰদীপ বৰা, উৎসৱ কলিতা, হৰবল্লভ বৰুৱা, অৰুণ বেজবৰুৱা, চালমি ছিদ্দিকি, পূৰ্ণিমা পাঠক, কৃষ্ণা বৰা আৰু মঞ্জুশ্ৰী দত্ত।

এই বছৰৰ পৰিবেশিত নৃত্য-নাটিকাসমূহ হ'ল কীৰ্তিকমল ভূঞাৰ 'কচ দেৱযানী', মঞ্জুল তামুলীৰ 'মৰুৰ মাণিক', দিলীপ কাকতিৰ 'সুৰুয উঠাৰ গান' আৰু কুমুদ শৰ্মাৰ 'বৃত্ৰাসুৰ বধ'। নাৰায়ণ বৰুৱাই সংগীত পৰিচালনা আৰু নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱাই। নৃত্য শিল্পীসকল হ'ল— বীৰেণ পাঠক, মহেন্দ্ৰ হালৈ, নৰেন দাস, প্ৰতিমা পাঠক, কুসুম, গীতু আৰু হিমাশ্ৰী। বাদ্য যন্ত্ৰৰ শিল্পীসকল হ'ল নাৰায়ণ বৰুৱা, ডিম্বেশ্বৰ দাস, গোপী দাস, গিৰীণ আৰু প্ৰতাপ বড়ো। পোহৰ নিৰ্দেশনা টিকেন দাসে আৰু ক'লা নিৰ্দেশনা কৰিছিল হাৰুণ আলিয়ে। এই বছৰৰ গীতসমূহ ৰচনা কৰিছিল কেশৱ দত্তই।

পঞ্চদশ বৰ্ষৰ পৰিক্ৰমা (১৯৯৪-৯৫) ঃ ১৯৯৪-৯৫ বৰ্ষত মঞ্চলৈ লৈ অহা নাটবোৰ হৈছে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'পৰমানন্দ', মুনিন বৰুৱাৰ 'সূৰ্যপুত্ৰ কৰ্ণ' আৰু 'সদাগৰ', আৰু মহেশ কলিতাৰ 'আক্ৰমণ'। নাট পৰিচালনা কৰিছিল ড° ভবেন্দ্ৰ নাথ শইকীয়া আৰু মুনিন বৰুৱাই। অভিনেতা-অভিনেত্ৰী সকল হ'ল চম্পক শৰ্মা, প্ৰদীপ বৰা, দিলীপ ৰঞ্জন দত্ত, বাবুল খাটনিয়াৰ, উৎসৱ কলিতা, জুৰি শৰ্মা, কৃষ্ণ বৰা, পূৰ্ণিমা পাঠক, কানন কুমাৰী, ৰমেন দত্ত আৰু ৰণজিৎ মিশ্ৰ।

আবাহনে এইবেলি পৰিবেশন কৰা নৃত্য-নাটিকা কেইখন হৈছে বসন্ত তালুকদাৰৰ 'সূৰ্য পুত্ৰ কৰ্ণ', তিলক বৈশ্যৰ 'মহীত ৰাৱণ বধ', মঞ্জুল তামুলীৰ 'বিক্ৰম বেতাল' আৰু দিলীপ কাকতিৰ 'নাগিনীৰ প্ৰেম'। আগৰ বৰ্ষৰ লেখীয়াকৈ নৃত্য আৰু সংগীত পৰিচালনা কৰিছিল হেম বৰুৱা আৰু নাৰায়ণ বৰুৱাই। নৃত্য শিল্পী সকল হ'ল হেম বৰুৱা, নৰেন দাস, মহেন্দ্ৰ হালৈ, বীৰেণ পাঠক, প্ৰতিমা, চিত্ৰা বিমলা আৰু দীপা। সংগীত শিল্পীসকল হ'ল

নাৰায়ণ বৰুৱা, ডিম্বেশ্বৰ দাস, গোপী ডেকা, গিৰীণ দাস, প্ৰবীণ তালুকদাৰ আৰু প্ৰতাপ বড়ো। কলা নিৰ্দেশনা আৰু গীত ৰচনা কৰিছিল ক্ৰমে হাৰুণ আলি আৰু কেশৱ দত্তই। আবাহনৰ মুখপত্ৰ ৰঙ্গবেদিকা আগৰ বছৰৰ নিচিনাকৈ এই বছৰো সম্পাদনা কৰিছিল পুলু শৰ্মাই।

ষষ্ঠদশ বৰ্ষৰ পৰিক্ৰমা (১৯৯৫-৯৬) ঃ ১৯৯৫-৯৬ বৰ্ষত আবাহন থিয়েটাৰে যিখন নাটকৰ দ্বাৰা দৰ্শকৰ বিপুল প্ৰশংসা লাভ কৰিব সক্ষম হৈছিল সেয়া হ'ল ড° ভবেন্দ্ৰ নাথ শইকীয়া ৰচিত আৰু পৰিচালিত নাট 'সমুদ্ৰ মন্থন'। অৰ্থ বৈভৱ আদিয়ে একো একোজন মানুহৰ সামগ্ৰিক সত্তাটোলৈ আনি দিয়া অহংকাৰ, আত্মাভিমান আৰু ইয়াৰ বলত বলীয়ান হৈ অতীতৰ নিছলা জীৱনটোক পাহৰি যোৱা— এনে এক পৰিয়ালকেন্দ্ৰিক সংঘাতক লৈয়ে ৰচনা কৰা হৈছিল এই নাটখন। নাটখনৰ মূল চৰিত্ৰ গৌৰীশঙ্কৰে জীৱনৰ বিয়লি বেলা অতীত পাগুলি বৰ্তমানৰ সমুদ্ৰ মন্থন কৰিবৰ প্ৰয়াস কৰিছে যদিও সৰ্বত্ৰ বিহহে নিৰ্গত হৈছে। ব্যক্তিগত জীৱনৰ লগতে সামূহিক জীৱন ধাৰাকো নাটখনত উপস্থাপন কৰা হৈছিল। কলা নিৰ্দেশক নুৰুদ্দিন আহমেদৰ দৃশ্যসজ্জা নাটখনৰ এক আকৰ্ষণীয় বিষয় আছিল। ড° শইকীয়াৰ নাটত প্ৰথমবাৰৰ বাবে যেন ব্যয় বহুল দৃশ্যসজ্জা ব্যৱহাৰ কৰা হৈছিল। একেদৰে টিকেন দাসৰ আলোক সম্পাত আছিল নাটখনৰ এক উল্লেখনীয় সম্পদ। জীৱনৰ বিয়লি পৰত গৌৰীশঙ্কৰে নিজৰ পাৰিবাৰিক জীৱনৰ কথা লিখিবলৈ যাওতে অতীতৰ ডুখৰীয়া কাহিনী, কেতিয়াবা সূত্ৰধাৰৰ ভূমিকাত অথবা দৃশ্যপটৰ জৰিয়তে উপস্থাপন কৰাত নাট পৰিচালক ড° শইকীয়া বাৰুকৈ কৃতকাৰ্য হৈছিল। মূল চৰিত্ৰটিত চম্পক শৰ্মাৰ অভিনয় আছিল স্মৰণীয়। নিভাৰ চৰিত্ৰত গিৰিজা শৰ্মাৰ অভিনয়ো আছিল অনবদ্য। আন চৰিত্ৰবোৰত যতীন বৰা, মিহিৰজ্যোতি বৰুৱা, প্ৰদীপ বৰা, ৰমেন দত্ত, অখিল বৰ্মন, উৎসৱ কলিতা, সৰুকণ বৰা, অঞ্জলী ছেত্ৰী, বিনীতা দাস, দুলু দেৱী আদিৰ অভিনয় আছিল চৰিত্ৰানুগত। সংগীত পৰিচালক নাৰায়ণ বৰুৱাৰ সংগীতে নাটখনৰ প্ৰয়োজন পুৰাব পাৰিছিল।

এইবাৰৰ আন নাট দুখন আছিল মুনিন বৰুৱা ৰচিত আৰু পৰিচালিত— 'শশধৰ' আৰু 'চিৰিয়াখানা' এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন হ'ল তিলক বৈশ্য আৰু নগেন বৈশ্যৰ 'ভাগ্য বিধাতা', অজিত তালুকদাৰৰ 'জীৱন জ্যোতি', তিলক বৈশ্যৰ 'অভিশপ্ত ৰাজকুমাৰ' আৰু দিলীপ কাকতিৰ 'সমুদ্ৰ যাত্ৰা'। নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱা আৰু নৃত্য শিল্পীসকল হ'ল হেম বৰুৱা, নৰেন, মহেন্দ্ৰ হালৈ, চিত্ৰা, বিমলা আৰু প্ৰতিমা। বাদ্য যন্ত্ৰৰ শিল্পীসকল হৈছে নাৰায়ণ বৰুৱা, ডিম্বেশ্বৰ দাস, মাণিক দাস, কৰ্ণ বড়া গিৰীণ দাস আৰু সিদ্ধেশ্বৰ পাঠক।

সপ্তদশ বৰ্ষৰ পৰিক্ৰমা (১৯৯৬-৯৭) ঃ এই বছৰৰ নাটসমূহ হ'ল ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'পাণ্ডুলিপি', মুনিন বৰুৱাৰ 'সৎকাৰ' আৰু 'অজাতশত্ৰু'। অন্ধবিশ্বাস, চিকিৎসা

ব্যৱস্থাৰ ত্ৰুটিপূৰ্ণ অৱস্থা, পৰিয়ালৰ ভিতৰৰ দ্বন্দ্ব, ধৰ্মগুৰুৰ ভণ্ডামি আদি বিষয়কলৈ ড° শইকীয়াৰ দ্বাৰা ৰচিত আৰু পৰিচালিত 'পাণ্ডুলিপি' নাটখন এইবেলি মঞ্চলৈ লৈ অনা হৈছিল। এটা পৰিয়ালৰ কাহিনীৰে নাটখনৰ ঘটনাক্ৰম আগবাঢ়িছে যদিও ইয়াত সন্নিবিষ্ট হৈছে পাৰ্শ্ব অলেখ দৃশ্য আৰু ঘটনা। শেষ দৃশ্যত নিত্যানন্দৰ সংলাপবিহীন অভিব্যক্তি আৰু মহাপ্ৰভু জীৱনানন্দৰ দৰ্শনৰ অসাৰ্থকতাৰ উপলব্ধিয়ে নাট্যকাৰৰ প্ৰগতিবাদী দৃষ্টিভংগীক সবলভাৱে উপস্থাপন কৰিবলৈ সক্ষম হৈছিল। নিত্যানন্দৰ চৰিত্ৰটিত প্ৰদীপ বৰাই আৰু বিজয়ৰ ৰূপত চম্পক শৰ্মাৰ অভিনয় অতি সাৱলীল। একেদৰে ৰমেন দত্ত, বিৰাজবল্লভ, মিহিৰজ্যোতি বৰুৱা, পদুম বৰা, দুলু দেৱী, সৰুকণ বৰা, পূৰ্ণিমা পাঠক, মাকনি বৈশ্য ৰয়, ৰঞ্জিত মিশ্ৰ, অখিল বৰ্মন আদিয়ে প্ৰশংসনীয় অভিনয় কৰিছিল। নুৰুদ্দিন আহমেদৰ কলা নিৰ্দেশনা, নাৰায়ণ বৰুৱাৰ অৰ্থবহ সংগীত আৰু টিকেন দাসৰ আলোক সম্পাতে নাটখন অধিক গভীৰ আৰু অৰ্থবহ কৰি তুলিছিল। এই বছৰৰ আন দুখন নাট পৰিচালনা কৰিছিল যশস্বী নাট্যকাৰ-পৰিচালক মুনিন বৰুৱাই।

এই বৰ্ষৰ গীতি নৃত্য-নাটিকা কেইখন হৈছে তিলক বৈশ্যৰ 'মহিত ৰাৱণ বধ', দিলীপ কাকতিৰ 'সহযাত্ৰী', অজিত তালুকদাৰৰ 'মৃত্যুহীন সংগ্ৰাম', বসন্ত তালুকদাৰ আৰু নগেন বৈশ্যৰ 'দৰিদ্ৰ ভোজন'। নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱাই। নৃত্য শিল্পীসকল হ'ল হেম বৰুৱা, নৰেন, মহেন্দ্ৰ হাজৈ, চিত্ৰা, বিমলা আৰু প্ৰতিমা। বাদ্য যন্ত্ৰৰ শিল্পীসকল হৈছে নাৰায়ণ বৰুৱা, ডিম্বেশ্বৰ দাস, মাণিক দাস, কৰ্ণ বড়ো, গিৰীণ দাস আৰু সিদ্ধেশ্বৰ পাঠক। স্মাৰক আছিল চবিন শীল।

অষ্টাদশ বৰ্ষৰ পৰিক্ৰমা (১৯৯৭-৯৮) ঃ ১৯৯৭-৯৮ বৰ্ষত আৱাহনৰ মঞ্চত মঞ্চস্থ হোৱা নাটসমূহ আছিল ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'স্বৰ্ণ জয়ন্তী', মুনিন বৰুৱাৰ 'মহাযজ্ঞ' আৰু 'অকালবৃষ্টি।

সমাজ জীৱনৰ কিছুমান পৰিবৰ্তন, নিজৰ পিতৃ-ভেটিৰ প্ৰতি চূড়ান্ত উদাসীনভাৱ, ক্ৰমান্বয়ে বাঢ়ি অহা আত্মকেন্দ্ৰিকতা আদি বিষয়ক লৈ 'স্বৰ্ণজয়ন্তী' নাটখন সজাই পৰাই তোলা হৈছিল। পূৰ্বৰ নাটসমূহৰ তুলনাত নাটখনৰ ৰচক তথা পৰিচালক ড° শইকীয়াই এই নাটখনত উপস্থাপন আৰু সংলাপ প্ৰক্ষেপণৰ ক্ষেত্ৰত ভিন্ন প্ৰচেষ্টা চলাইছিল। পৰিমল, ঘনকান্ত, আৰু কাকলিক কেন্দ্ৰ কৰি নাটখনৰ ঘটনাৰাজি কেন্দ্ৰীভূত আছিল। ঘনকান্তই মূল কাহিনীৰ পৰা মাজে মাজে ওলাই আহি সূত্ৰধাৰৰ ভূমিকা লৈছিল। একেদৰে পৰিমলে নিজৰ পঞ্চাশ বছৰীয়া জন্মদিনত হাতত সুৰাৰ গিলাচ লৈ ককায়েক-ভনীয়েকহঁতৰ আত্মকেন্দ্ৰিক মনোবৃত্তিয়ে বিধ্বস্তকৰি থৈ যোৱা সিহঁতৰ ঘৰখনৰ তথা নিজৰ জীৱনৰ পোৱা-নোপোৱাৰ হিচাপ কৰিছিল। পৰিমল আৰু ঘনকান্তৰ চৰিত্ৰত ক্ৰমে মিহিৰজ্যোতি বৰুৱা আৰু অৰুণ বেজবৰুৱাই দুৰ্দান্ত অভিনয় কৰিছিল। বিৰাজবল্লভ, সাগৰিকা গোস্বামী, সুৰভী কটকী, উৎসৱ কলিতা আদিৰ অভিনয় আছিল অতি প্ৰশংসনীয়। নুৰুদ্দিন আহমেদৰ কলা নিৰ্দেশনা আৰু নাৰায়ণ বৰুৱাৰ সংগীতে নাটখন অধিক অৰ্থবহ কৰি তুলিছিল। একেদৰে টিকেন দাসৰ আলোক নিৰ্দেশনাই নাটখনৰ বিষয়বস্তুক অধিক দৃষ্টিনন্দন কৰি তুলিছিল।

আন দুখন নাট পৰিচালনা কৰিছিল নাট্যকাৰ মুনিন বৰুৱাই। এই বেলিৰ এখন উল্লেখনীয় নাট আছিল 'মহাযজ্ঞ'। নৃত্য-গীতেৰে ভৰপূৰ এই নাটখনৰ বিষয়বস্তু আছিল এখন কাল্পনিক ৰাজ্য 'সোণালী বিল'ৰ ৰজা আৰু প্ৰজাৰ মাজত থকা বিভিন্ন দ্বন্দ্ব আৰু ভেদ। ৰজাঘৰৰ নিপীড়ন আৰু তাৰ বিপৰীতে প্ৰজাৰ নিজৰ অধিকাৰ সাব্যস্ত কৰণৰ সংগ্ৰামেই আছিল নাটখনৰ মূল কেন্দ্ৰীয় বিষয়। ৰমেন দত্ত, (আন্ত) অৰুণ বেজবৰুৱা (দুগদুগি), নিৰ্মল দত্ত (চামুণ্ডা), অখিল বৰ্মন (কুলগুৰু), সমীৰ ভূএগ (হীৰা), দুলু দেৱী (কাচেম), বিনীতা দাস (ৰাজেশ্বৰী) আদি শিল্পীয়ে নাটখনত মনপৰশা অভিনয় কৰিছিল। গৰিমা হাজৰিকাৰ নৃত্য নিৰ্দেশনাত নাটখনত অধিক মোহনীয় হৈ পৰিছিল।

এই বৰ্ষত আৱাহনে পৰিবেশন কৰা নৃত্য-নাটিকা সমূহ হৈছে— দেৱেশ্বৰ শৰ্মাৰ 'কালিদাস', অজিত তালুকদাৰৰ 'মহাকাল', নাৰায়ণ বৰুৱাৰ 'শোণিত কুঁৱৰী' আৰু দেৱেশ্বৰ শৰ্মাৰ 'চন্দ্ৰকলা'। নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱাই। নৃত্য শিল্পী সকল হ'ল হেম বৰুৱা, নৰেন, মহেন্দ্ৰ, বিমলা আৰু প্ৰতিমা। নাৰায়ণ বৰুৱাৰ সংগীত পৰিচালনাত বাদ্য-যন্ত্ৰৰ শিল্পীসকল আছিল ক্ৰমে নাৰায়ণ বৰুৱা, ডিম্বেশ্বৰ দাস, মাণিক দাস, কৰ্ণ বড়ো, গিৰীণ দাস আৰু সিদ্ধেশ্বৰ পাঠক।

উনৈশতম বৰ্ষৰ পৰিক্ৰমা (১৯৯৮-৯৯) ঃ উনৈশতম বৰ্ষত আৱাহনে মঞ্চলৈ লৈ অহা নাটসমূহ আছিল ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'ৰম্যভূমি', 'বৰ্ণমালা', মুনিন বৰুৱাৰ 'ৰং বিৰং' আৰু চম্পক শৰ্মাৰ 'তেজাল হাত'।

ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ দ্বাৰা সম্পাদিত প্ৰান্তিক আলোচনীত ধাৰাবাহিকভাৱে প্ৰকাশ হোৱা তেখেতৰ 'ৰম্যভূমি' নামৰ উপন্যাসখনৰ আলমত 'ৰম্যভূমি' নাটখন প্ৰস্তুত কৰি তোলা হৈছিল। ড° শইকীয়াৰ সুনিপুণ পৰিচালনাত নাটখনৰ মঞ্চায়ন অতি সফল বুলি প্ৰতিপন্ন হৈছিল। নাটখনত সুজিৎ শৰ্মা, ৰমেন দত্ত, চম্পক শৰ্মা, দুলু দেৱী, অৰুণ বেজবৰুৱা, যতীন বৰা, সমীৰ ভূএগ, মিতালী শৰ্মা, সাগৰিকা গোস্বামী আদিয়ে মন পৰশা অভিনয় কৰিছিল। নাৰায়ণ বৰুৱা আৰু দেৱেশ্বৰ শৰ্মাৰ সংগীত পৰিচালনা আৰু নুৰুদ্দিন আহমেদৰ কলা নিৰ্দেশনাই নাটখনৰ বিষয়বস্তুক অধিক অৰ্থবহ কৰি তুলিছিল। দীপক ৰয় আৰু বিজয়ৰ আলোক-সম্পাতো নাটখনৰ লগত সংগতিপূৰ্ণ আছিল।

এইবৰ্ষৰ আন নাটসমূহ পৰিচালনা কৰিছিল ড° ভবেন্দ্ৰ নাথ শইকীয়া (বৰ্ণমালা), মুনিন বৰুৱা (ৰং বিৰং) আৰু চম্পক শৰ্মাই (তেজাল হাত)। নৃত্য-নাটিকাসমূহ হ'ল ড° জয়শ্ৰী গোস্বামী মহন্তৰ 'বছৰা ৰাণী', দেৱেশ্বৰ শৰ্মাৰ 'দক্ষযজ্ঞ' আৰু 'মানস পুত্ৰ ব্ৰহ্মপুত্ৰ' আৰু তিলক বৈশ্যৰ 'অমৰ প্ৰেম'। নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱাই। নৃত্য শিল্পীসকল

হ'ল মহেন্দ্ৰ হালৈ, প্ৰদীপ, মালাকৰ, ধ্ৰুৱ দাস, জিতেন দাস, গীতা, বিমলা, চিত্ৰা, মিনাক্ষী, ববিতা আৰু ৰঞ্জু বৰা। বাদ্য-যন্ত্ৰৰ শিল্পীসকল হ'ল নাৰায়ণ বৰুৱা, তপেশ্বৰ ৰাভা, তীৰ্থ চহৰীয়া, কৰ্ণ বড়ো, গিৰীশ দাস, মাণিক দাস, সিদ্ধেশ্বৰ পাঠক আৰু অনিল ডেকা। এই বছৰৰ আন অভিনেতা-অভিনেত্ৰীসকল হৈছে নিৰ্মল দত্ত, অলি লাহন আৰু সীমা ৰয়।

বিংশ বৰ্ষৰ পৰিক্ৰমা (১৯৯৯-২০০০) ঃ এই বছৰত আবাহনে মঞ্চস্থ কৰে ড° ভবেন্দ্ৰ নাথ শইকীয়া ৰচিত তথা পৰিচালিত নাট 'শতাব্দী', প্ৰফুল্ল বৰাৰ 'চিএৰ', মুনিন বৰুৱাৰ 'ৰৌদ্ৰ ছায়া', আৰু অভিজিৎ ভট্টাচাৰ্যৰ কাহিনীৰ আধাৰত সেৱাব্ৰত বৰুৱা ৰচিত নাট 'লেডী ডায়েনা'। নাটসমূহ পৰিচালনা কৰিছিল ড° ভবেন্দ্ৰ নাথ শইকীয়া, মুনিন বৰুৱা, হেম ভট্টাচাৰ্য আৰু প্ৰাণজিৎ দাসে। অভিনেতা-অভিনেত্ৰীসকল হৈছে ক্ৰমে— প্ৰাণজিৎ দাস, সুজিৎ শৰ্মা, ৰমেন দত্ত, অৰুণ বেজবৰুৱা, নিৰ্মল দত্ত, সমীৰ দত্ত, ৰিজু দত্ত, মুকিব আহমেদ, জুবিলী ৰাজকুমাৰী, মানী গগৈ, কল্যাণী বায়ন, লিকুমা শৰ্মা আৰু বন্তি বৰুৱা।

এই বৰ্ষৰ নৃত্য-নাটিকাসমূহ হ'ল দেৱেশ্বৰ শৰ্মাৰ 'জয় মা কামাখ্যা', আবাহনৰ সৌজন্যত 'স্বাধীনতাৰ স্বৰ্ণজয়ন্তী' আৰু দেৱেশ্বৰ শৰ্মাৰ 'মানস পুত্ৰ ব্ৰহ্মপুত্ৰ' আৰু 'লেডী ডায়েনা'। হেম বৰুৱাৰ নৃত্য পৰিচালনা আৰু মুম্বাইৰ কৰিঅ' গ্ৰাফাৰ কমল নাথৰ যুগ্ম প্ৰচেষ্টা এই বৰ্ষৰ এক আকৰ্ষণীয় উপাদান আছিল। নৃত্য শিল্পীসকল হ'ল মহেন্দ্ৰ, প্ৰদীপ, নৰেন, ধ্ৰুৱ, পুতুলী, মীৰা, ৰীতা, তুলিকা, জোনালী আৰু কুমাৰ সঞ্জীৱ। দেৱেশ্বৰ শৰ্মা আৰু নাৰায়ণ বৰুৱাৰ সংগীত পৰিচালনাত বাদ্য শিল্পীৰূপে কাম কৰিছিল ক্ৰমে তীৰ্থ চহৰীয়া, তপেশ্বৰ ৰাভা, গিৰীণ দাস আৰু কৰ্ণ বড়ো। কণ্ঠশিল্পীসকল হ'ল সৰ্বানন্দ বড়ো আৰু অলি লাহন। নুৰুদ্দিন আহমেদে কলানিৰ্দেশনা আৰু ৰাতুল শৰ্মা সম্পাদকৰ দায়িত্বত আছিল। আলোক সম্পাতৰ দায়িত্বত আছিল ক্ৰমে ৰাজেশ সাহা আৰু দীপক ৰয়।

একৈশতম বৰ্ষৰ পৰিক্ৰমা (২০০০-২০০১) ঃ এই বৰ্ষত আবাহনে চাৰিখন নাট মঞ্চস্থ কৰে। নাটসমূহ আছিল ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'অৰণ্যত গধূলি', মুনিন বৰুৱাৰ 'মায়া', অভিজিৎ ভট্টাচাৰ্যৰ 'তুমি কোন মোৰ বাবে' আৰু 'অৰবিন্দ কলিতা জিন্দাবাদ'। নাট পৰিচালনা কৰিছিল ক্ৰমে ড° ভবেন্দ্ৰ নাথ শইকীয়া, হেম ভট্টাচাৰ্য আৰু মুনিন বৰুৱাই। অভিনয়ত আছিল সুজিৎ শৰ্মা, ভাৰ্গৱ কটকী, ৰমেন দত্ত, দেৱজিৎ শৰ্মা, কৃষ্ণমণি নাথ, ধ্ৰুৱ শৰ্মা, অৰুণ বেজবৰুৱা, মুকিব আহমেদ, বেণু কলিতা, পপী কলিতা আৰু বিনীতা দাস। নৃত্য পৰিচালনাত হেম বৰুৱা আৰু সংগীত পৰিচালনাৰ দায়িত্বত আছিল নাৰায়ণ বৰুৱা আৰু দেৱেশ্বৰ শৰ্মা। এই বছৰৰ নাটিকাসমূহ হ'ল দেৱেশ্বৰ শৰ্মাৰ 'সুকন্যা' আৰু 'কামাখ্যা', তিলক বৈশ্যৰ 'সত্য নাৰায়ণ', আৰু আবাহনৰ সৌজন্যত 'আমাৰ গাঁও আমাৰ দেশ' আৰু 'স্বাধীনতাৰ স্বৰ্ণজয়ন্তী'। নৃত্য শিল্পীসকল হৈছে মহেন্দ্ৰ হালৈ, প্ৰদীপ মালাকৰ, নৰেন দাস, দুলু দাস, পদুমী পাঠক, মামণি দাস, চম্পা আৰু বিজুলী। বাদ্যযন্ত্ৰৰ শিল্পী হ'ল— নাৰায়ণ বৰুৱা, তীৰ্থ চহৰীয়া, তপেশ্বৰ ৰাভা, বীৰেন দাস, মালিক দাস, গিৰীণ

দাস আৰু অনিল ডেকা। গীতসমূহ ৰচনা কৰিছিল দেৱেশ্বৰ শৰ্মাই আৰু ইয়াত কণ্ঠদান কৰিছিল সৰ্বানন্দ বড়ো, মাইনু ৰাজবংশী আৰু ৰশ্মি ৰয়ে। নুৰুদ্দিন আহমেদে কলা নিৰ্দেশনা, দীপক ৰয়ে পোহৰ আৰু মঞ্চসজ্জাৰ দায়িত্বত আছিল সিংহ সৰকাৰ। সাজসজ্জাৰ দায়িত্বত আছিল নুৰুদ্দিন আহমেদ আৰু অনুপমা ৰয়।

দ্বাবিংশ বৰ্ষৰ পৰিক্ৰমা (২০০১-২০০২) ঃ অসমৰ বিশিষ্ট গল্পকাৰ মনোজ কুমাৰ গোস্বামীৰ 'কথা' পুৰস্কাৰপ্ৰাপ্ত গল্প 'সমীৰণ বৰুৱা আহি আছে'ৰ আধাৰত অভিজিৎ ভট্টাচাৰ্যই একে নামেৰে দিয়া নাট্যৰূপ আছিল এই বৰ্ষৰ আকৰ্ষণীয় উপাদান। হেম ভট্টাচাৰ্যৰ পৰিচালনাত আবাহন থিয়েটাৰে নাটখন সফলভাৱে মঞ্চায়ন কৰিব সক্ষম হৈছিল। নুৰুদ্দিন আহমেদৰ কলা-নিৰ্দেশনা, দেৱেশ্বৰ শৰ্মা, নাৰায়ণ বৰুৱাৰ সংগীত পৰিচালনা আৰু ৰাজেন সাহাৰ আলোক নিৰ্দেশনাই নাটখন সফল হোৱাত প্ৰভূত অৰিহনা যোগাইছিল। প্ৰাণজিৎ দাস, সমীৰ ভূঞা, অৰুণ বেজবৰুৱা, সুজিৎ শৰ্মা, লিকুমা শৰ্মা, মানি গগৈ, বিনু কলিতা আদিৰ অভিনয় আছিল প্ৰসংশনীয়। এই বৰ্ষৰ আন অভিনেতা-অভিনেত্ৰীসকল হ'ল— ভাৰ্গৱ কটকী, ৰমেন দত্ত, দেৱজিৎ শৰ্মা, ধ্ৰুৱ শৰ্মা, কৃষ্ণমণি নাথ, সূৰ্য বৰা, মুকিব আহমেদ, পপী কলিতা, আৰু কল্যাণী বায়ন।

এইবেলিৰ আন নাটসমূহ হৈছে ড° ভবেন্দ্ৰ নাথ শইকীয়া ৰচিত আৰু পৰিচালিত 'শুভ সংবাদ', মুনিন বৰুৱাৰ ৰচনা আৰু পৰিচালনাৰ 'নিজানৰ গান' আৰু সেৱাব্ৰত বৰুৱাৰ ৰচনা আৰু পৰিচালনাৰ 'ৰূপ অৰূপৰ খেলা'। নাৰায়ণ বৰুৱা আৰু দেৱেশ্বৰ শৰ্মাৰ সংগীত পৰিচালনাত বাদ্য-যন্ত্ৰত সংগত কৰিছিল তীৰ্থ, গিৰীণ, তপেশ্বৰ, বীৰেন, মাণিক, অনিল, সিদ্ধেশ্বৰ আৰু নাৰায়ণ বৰুৱাই। কণ্ঠ দান কৰিছিল সৰ্বানন্দ বড়ো, মাইনু ৰাজবংশী আৰু ৰশ্মি ৰয়ে। গীত সমূহ ৰচনা কৰিছিল দেৱেশ্বৰ শৰ্মাই। এইবেলি পৰিবেশিত নৃত্য-নাটিকাসমূহ হ'ল দেৱেশ্বৰ শৰ্মাৰ 'আঘোণী বাই' আৰু 'গংগা', তিলক বৈশ্যৰ 'এক আছিল ৰজা' আৰু আবাহনৰ সৌজন্যত 'স্বাধীনতাৰ স্বৰ্ণজয়ন্তী'। এইবাৰৰ নৃত্যশিল্পীসকল হ'ল— মহেন্দ্ৰ, নৰেন, প্ৰদীপ, পদুমী, মামণি, মণি, কুমাৰ আৰু সঞ্জীৱ। নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱাই। শব্দ আৰু মঞ্চ পৰিচালনাৰ দায়িত্বত আছিল ক্ৰমে দীপক আৰু সিংহ সৰকাৰ।

ত্ৰয়োবিংশতম বৰ্ষৰ পৰিক্ৰমা (২০০২-২০০৩) ঃ পঞ্চম বৰ্ষত আবাহনে পৰিবেশন কৰা ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ ৰচনা আৰু পৰিচালনাৰ 'নীলকণ্ঠ' নাটখন এইবছৰ পুনৰ আবাহনে মঞ্চস্থ কৰে। আন নাট তিনিখন হৈছে মুনিন বৰুৱাৰ ৰচনা আৰু পৰিচালনাৰ 'চেকগেট', অভিজিৎ ভট্টাচাৰ্যৰ ৰচনা আৰু হেম ভট্টাচাৰ্যৰ দ্বাৰা পৰিচালিত 'কাবুলীবালা বিদেশী কন্যা' আৰু 'মৰমে মৰম জানে'। অভিনয়ত আছিল প্ৰাণজিৎ দাস, অৰুণ বেজবৰুৱা, দুলুমণি ডেকা, সুৰেন ঠাকুৰীয়া পৰাগমণি শৰ্মা, বিমল ডেকা, নিপোল বৰ্মন, অতুল বুঢ়াগোহাঁই, উদিত পলাশ, অনুপ কলিতা, হিমাংশু শইকীয়া, মহেন্দ্ৰ হালৈ, কবিতা চুতীয়া,

বিনু কলিতা, পপী কলিতা, পিকু শৰ্মা আৰু অৰ্চনা কলিতা। নাৰায়ণ বৰুৱা আৰু দেবেশ্বৰ শৰ্মাৰ সংগীত পৰিচালনাত কণ্ঠদান কৰিছিল সৰ্বানন্দ বড়ো, মাইনু ৰাজবংশী আৰু ৰশ্মি ৰয়ে। এই বছৰৰ নৃত্য-নাটিকাসমূহ হ'ল দেবেশ্বৰ শৰ্মাৰ 'সতী তুলসী', আৰু 'ভূত আৰু বাঢ়নী' তথা দেবেশ্বৰ শৰ্মা আৰু পুলুকুমাৰ শৰ্মাৰ দ্বাৰা ৰচিত 'আশীৰ্বাদ' আৰু অজিত তালুকদাৰৰ 'অঙ্গীকাৰ'। কলা নিৰ্দেশনাত নুৰুদ্দিন আহমেদ, শব্দ নিয়ন্ত্ৰণত দীপক দাস আৰু অঞ্জন আৰু পোহৰ সম্পাতৰ দায়িত্বত আছিল দীপক ৰয়। এই বৰ্ষৰ গীত সমূহ ৰচনা কৰিছিল ড° ভবেন্দ্ৰ নাথ শইকীয়া, দেবেশ্বৰ শৰ্মা আৰু তীৰ্থ চহৰীয়াই। সাজ-সজ্জাৰ দায়িত্বত আছিল— অনুপমা ৰয় আৰু নুৰুদ্দিন আহমেদ।

চতুৰ্বিংশতম বৰ্ষৰ পৰিক্ৰমা (২০০৩-২০০৪) : এই নাট্যবৰ্ষত আৰাহনে মঞ্চস্থ কৰা নাটসমূহ হ'ল ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'দীনবন্ধু', মুনিন বৰুৱাৰ 'চিনাকি মানুহ অচিনাকি মন', অভিজিৎ ভট্টাচাৰ্যৰ 'বাঘ' আৰু 'বাগদাদৰ বাকদত্তা'। নাটসমূহ পৰিচালনা কৰিছিল ক্ৰমে ড° ভবেন্দ্ৰ নাথ শইকীয়া, মুনিন বৰুৱা আৰু হেম ভট্টাচাৰ্যই। এই বছৰৰ অভিনেতা-অভিনেত্ৰীসকল হ'ল প্ৰাণজিৎ দাস, অৰুণ বেজবৰুৱা, দিলোৱাৰ হুছেইন, সুৰেন ঠাকুৰীয়া, নিপন দাস, কালজেয়, পৰাগ শৰ্মা, উদিত পলাশ, হিমাংশু শইকীয়া, জিতু বৰা, মুনমী বৰা, পপী কলিতা, পিকু শৰ্মা, যুগল বিহাৰী ডেকা আৰু গুণলতা পাটগিৰী।

এইবৰ্ষৰ নৃত্য নাটিকাসমূহ হ'ল দেবেশ্বৰ শৰ্মাৰ 'মহাকাল', 'আহত গুৰিৰ লখিমী' আৰু 'আলোক যাত্ৰা', তিলক বৈশ্যৰ 'ওম গণেশায় নমঃ'। নাৰায়ণ বৰুৱা আৰু দেবেশ্বৰ শৰ্মাৰ সংগীত পৰিচালনাত বাদ্য-যন্ত্ৰীৰূপে সংগত কৰিছিল— নাৰায়ণ বৰুৱা, তীৰ্থ চহৰীয়া, তপেশ্বৰ ৰাভা, গিৰীণ দাস, অনিল ডেকা, মাণিক দাস আৰু বীৰেন দাসে। নৃত্য শিল্পীসকল হ'ল মহেন্দ্ৰ হালৈ, প্ৰদীপ মালাকাৰ, নৰেন দাস, পদুমী পাঠক, মামণি দাস, ধনমণি দাস আৰু কুমাৰ সঞ্জীৱ। নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱাই। এইবেলি আৰাহনৰ মঞ্চত পৰিবেশিত গীতবোৰ ৰচনা কৰিছিল দেবেশ্বৰ শৰ্মা আৰু তীৰ্থ চহৰীয়াই। কণ্ঠ শিল্পীসকল হ'ল সৰ্বানন্দ বড়ো, মাইনু আৰু ৰশ্মি। মঞ্চ আৰু পোহৰ পৰিচালনাৰ দায়িত্বত আছিল ক্ৰমে সিংহ সৰকাৰ আৰু দীপক ৰয়। স্মাৰকৰ দায়িত্বত আছিল দীপক ৰয়।

পঞ্চবিংশ বৰ্ষৰ পৰিক্ৰমা (২০০৪-২০০৫) : প্ৰথিতযশা নাট্যকাৰ ড° ভবেন্দ্ৰ নাথ শইকীয়া ৰচিত আৰু পৰিচালিত দুখন নাট ক্ৰমে 'কামধেনু' আৰু 'জোনাক ৰাতি' এই বৰ্ষৰ উল্লেখনীয় নাট্য পৰিবেশন আছিল। আন নাটসমূহ হৈছে হেমন্ত দত্ত ৰচিত আৰু পৰিচালিত 'অশ্ৰু', মুনিন বৰুৱা ৰচিত আৰু পৰিচালিত 'প্ৰতিপল-প্ৰতিক্ষণ', প্ৰফুল্ল বৰাৰ 'স্নেহ বন্ধন' আৰু অভিজিৎ ভট্টাচাৰ্য ৰচিত আৰু হেম ভট্টাচাৰ্য পৰিচালিত 'চাহাব বিবি গোলাম'। অভিনয়ত আছিল প্ৰাণজিৎ দাস, ৰাজ শৰ্মা, প্ৰবাল বৰঠাকুৰ, হৰ্ষজ্যোতি দাস, ৰামেশ্বৰ হাজৰিকা, সুৰেন ঠাকুৰীয়া, দিলোৱাৰ হুছেইন, আলোকজ্যোতি শইকীয়া, ৰিদিম কাশ্যপ, কল্পনা শৰ্মা দাস, ৰেখা শৰ্মা, মঞ্জুশ্ৰী দত্ত, মাকনি বৈশ্য, জোনাকী, নৱজিৎ বৈশ্য আৰু হিমানী ডেকা (শিশু শিল্পী)।

ৰূপালী জয়ন্তী বৰ্ষৰ নৃত্য-নাটিকাকেইখন হ'ল দেবেশ্বৰ শৰ্মাৰ 'দেৱাঙ্গভূষণ বস্ত্ৰ' আৰু 'ৰজা যযাতি' আৰু আৰাহনৰ সৌজন্যত 'মহাকাল' আৰু 'আলোক যাত্ৰা'। আৰাহন থিয়েটাৰত ইয়াৰ আগৰ বৰ্ষৰ প্ৰায় আটাই কেইজন নৃত্য শিল্পীয়ে এইবছৰো নৃত্য পৰিৱেশন কৰিছিল। নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱাই। একেদৰে সংগীত বিভাগৰ শিল্পীসকলৰো বিশেষ সাল-সলনি ঘটা নাছিল। নাৰায়ণ বৰুৱা আৰু দেবেশ্বৰ শৰ্মাৰ সংগীত পৰিচালনাত গীতবোৰত কণ্ঠদান কৰিছিল সৰ্বানন্দ বড়ো, নলিনী ৰয়, আৰু সাবিত্ৰী স্বৰ্গীয়াৰীয়ে। গীতবোৰ ৰচনা কৰিছিল তীৰ্থ চহৰীয়া আৰু দেবেশ্বৰ শৰ্মাই। পোহৰত দীপক ৰয়, সাজ-সজ্জাত অনুপমা ৰয় আৰু কলা নিৰ্দেশনা কৰিছিল নুৰুদ্দিন আহমেদে।

ষষ্ঠবিংশ বৰ্ষৰ পৰিক্ৰমা (২০০৫-২০০৬) : এই বৰ্ষৰ নাটসমূহ আছিল ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'অন্ধকূপ', অভিজিৎ ভট্টাচাৰ্যৰ 'চুনামি', প্ৰফুল্ল বৰাৰ 'ঘৰ' আৰু মুনিন বৰুৱাৰ 'অগ্নিময়'। নাটসমূহ পৰিচালনা কৰিছিল মুনিন বৰুৱা, প্ৰাণজিৎ দাস আৰু অভিজিৎ ভট্টাচাৰ্যই।

ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ মৃত্যুৰ পিছত আৰাহন থিয়েটাৰে প্ৰতিবছৰে তেখেতৰ স্মৃতিত নাট পৰিৱেশন কৰাৰ যি এক পৰম্পৰা ৰক্ষা কৰিব বিচাৰিছিল তাৰ এক উজ্বল সাক্ষ্য হৈছিল এই বৰ্ষৰ 'অন্ধকূপ' নাটখন। প্ৰাণজিৎ দাস, প্ৰবাল বৰঠাকুৰ, বিক্ৰম ৰাজখোৱা, সুৰেন ঠাকুৰীয়া, কল্পনা শৰ্মা দাস, মঞ্জুশ্ৰী দত্ত আদি শিল্পীসকলে নাটখনত প্ৰশংসনীয় অভিনয় কৰিছিল। একেদৰে নাৰায়ণ বৰুৱা আৰু দেবেশ্বৰ শৰ্মাৰ সংগীত নিৰ্দেশনা, নুৰুদ্দিন আহমেদৰ কলা নিৰ্দেশনা আৰু দীপক ৰয়ৰ আলোক সম্পাতে নাটখন অধিক সজীৱ কৰি তুলিছিল। এই বছৰৰ আন অভিনেতা-অভিনেত্ৰীসকল হ'ল আলোকজ্যোতি শইকীয়া, হৰ্ষজ্যোতি দাস, দিব্যজ্যোতি ভৰালী, ত্ৰৈলোক্য নাথ, ডিম্বেশ্বৰ তালুকদাৰ আৰু মাকনি বৈশ্য।

নৃত্য-নাটিকা কেইখন হ'ল— দেবেশ্বৰ শৰ্মাৰ 'ৰজা পৰীক্ষিত', 'ভূত আৰু মানুহ', তীৰ্থ চহৰীয়া আৰু নাৰায়ণ বৰুৱা ৰচিত 'মৃত্যুহীন যাত্ৰা' আৰু 'সুন্দৰৰ সেন্দূৰীয়া পথ'। নৃত্য শিল্পীসকল হ'ল মহেন্দ্ৰ হালৈ, প্ৰদীপ মালাকাৰ, চক্ৰ দাস, নৰেন দাস, ৰবিতা ৰয়, কৰবী, কবিতা দাস, প্ৰীতি কলিতা আৰু কুমাৰ সঞ্জীৱ। নৃত্য পৰিচালনা কৰিছিল হেম বৰুৱাই। নাৰায়ণ বৰুৱা, তীৰ্থ চহৰীয়া, গিৰীণ দাস, ডিম্বেশ্বৰ দাস, অনিল ডেকা, সুভাষ, বুবুল আদিয়ে বাদ্য-যন্ত্ৰ সংগত কৰাৰ বিপৰীতে সংগীতবোৰত কণ্ঠদান কৰিছিল অচ্যুৎ দাস, নলিনী ৰয় আৰু সাবিত্ৰীয়ে। গীতবোৰ ৰচনা কৰিছিল দেবেশ্বৰ শৰ্মা আৰু তীৰ্থ চহৰীয়াই।

সপ্তবিংশ বৰ্ষৰ পৰিক্ৰমা (২০০৬-২০০৭) : এই বৰ্ষত আৰাহন থিয়েটাৰে মঞ্চস্থ কৰা নাটসমূহ হৈছে ড° ভবেন্দ্ৰ নাথ শইকীয়া ৰচিত 'সমুদ্ৰ মন্থন', মুনিন বৰুৱা ৰচিত আৰু পৰিচালিত 'জোন বাইৰ দৰে' আৰু অভিজিৎ ভট্টাচাৰ্য ৰচিত দুখন নাট ক্ৰমে 'নাচ ময়ূৰী

নাচ' আৰু 'মন মৰমী'। নাটসমূহ পৰিচালনা কৰিছিল যশস্বী নাট্যকাৰ পৰিচালক মুনিন বৰুৱা আৰু সংগীত শিল্পী জুবিন গাৰ্গে ('নাচ ময়ূৰী নাচ' নাটখন)। আবাহনৰ 'নাচ ময়ূৰী নাচ' নামৰ নাটখন এই বৰ্ষৰ এখন জনপ্ৰিয় নাটৰূপে বিবেচিত হৈছিল তথা অসমৰ সকলো ঠাইতে বিপুল সমাদৰ লাভ কৰিব সক্ষম হৈছিল। জুবিন গাৰ্গ, নাৰায়ণ বৰুৱা আৰু দেৱেশ্বৰ শৰ্মাৰ সংগীত পৰিচালনা, পংকজ ইংতিৰ কৰিঅ'গ্ৰাফী তথা হেম বৰুৱাৰ নৃত্য পৰিচালনা আৰু নুৰুদ্দিন আহমেদৰ কলা পৰিচালনাৰ সমাহাৰত এই নাটখনে উল্লেখনীয় ব্যৱসায়িক সফলতা লাভ কৰিব পাৰিছিল। একেদৰে প্ৰয়াত ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ স্মৃতিত পুনঃ মঞ্চস্থ কৰা নাট 'সমুদ্ৰ মন্থনে' আবাহনৰ মঞ্চত ছিৰিয়াছধৰ্মী নাট পৰিবেশনৰ ধাৰাটো অব্যাহত ৰাখিছিল। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰীসকল হ'ল— মৃদুল ভূঞা, সুৰেন ঠাকুৰীয়া, মহেন্দ্ৰ শইকীয়া, অঞ্জনজ্যোতি বেজ, প্ৰণৱ শৰ্মা, আলোকজ্যোতি শইকীয়া, দিব্যজ্যোতি ভৰালী, ত্ৰৈলোক্য নাথ, হিমৰাজ কোঁৱৰ, গায়ত্ৰী মহন্ত, কল্পনা শৰ্মা দাস, অদিতি ভূঞা, বিনীতা দাস আৰু চালমী চিদ্দিকী।

এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন হৈছে দেৱেশ্বৰ শৰ্মা ৰচিত 'কালিদাস', 'গংগা পুত্ৰ ভীষ্ম', 'আহত গুৰিৰ লখিমী' আৰু বৰদা শইকীয়াৰ 'সোণালী সপোন'। মৃণালকান্তি মেধি আৰু তীৰ্থ চহৰীয়া ৰচিত গীতসমূহত কণ্ঠদান কৰিছিল অপূৰ্ব পাঠক, নলিনী ৰয় আৰু সাবিত্ৰী স্বৰ্গীয়াৰীয়ে। বাদ্য-যন্ত্ৰত সংগত কৰিছিল তীৰ্থ, গিৰীণ, ডিম্বেশ্বৰ, গিৰিশ, অনিল, সুভাষ, বুবুল আৰু নাৰায়ণ বৰুৱাই। নৃত্য শিল্পীসকল হৈছে কবিতা, প্ৰীতি, কৰবী, দীপা, তুলিকা, নিবাৰণ, খগেন, বীৰেন পাঠক, বিপুল আৰু কুমাৰ সঞ্জীৱ। মঞ্চ পৰিচালনাত সিংহ সৰকাৰ, সাজ-সজ্জাত অনুপমা ৰয় আৰু নুৰুদ্দিন আহমেদ আৰু শব্দ নিয়ন্ত্ৰণৰ কুশলী সকল আছিল ক্ৰমে ৰমণী, শশীন আৰু মথুৰা। এই বৰ্ষত আবাহনৰ সম্পাদকৰ দায়িত্ব বহন কৰিছিল প্ৰভাত ৰয়ে।

অষ্টাবিংশ বৰ্ষৰ পৰিক্ৰমা (২০০৭-২০০৮)ঃ ড° ভবেন্দ্ৰ নাথ শইকীয়া ৰচিত 'স্বৰ্ণ জয়ন্তী'ৰ লগতে এই বৰ্ষত আবাহন থিয়েটাৰে মঞ্চস্থ কৰা আন নাট তিনিখন হৈছে মুনিন বৰুৱা ৰচিত আৰু পৰিচালিত 'জন্ম-জন্মান্তৰ' আৰু অভিজিৎ ভট্টাচাৰ্য ৰচিত আৰু পৰিচালিত দুখন নাট 'সুন্দৰী সন্ন্যাসিনী' আৰু 'নাচ ময়ূৰী নাচ'। মুনিন বৰুৱাৰ সফল পৰিচালনাত 'স্বৰ্ণ জয়ন্তী' নাটখন আবাহনৰ মঞ্চত এইবেলি পুনৰ উজলি উঠিছিল। নুৰুদ্দিন আহমেদৰ কলা-নিৰ্দেশনা, দীপক ৰয়ৰ আলোক সম্পাত আৰু নাৰায়ণ বৰুৱা আৰু দেৱেশ্বৰ শৰ্মাৰ সংগীত পৰিচালনাত নাটখনে দৰ্শকৰ সমাদৰ লাভ কৰিব পাৰিছিল। এইদৰে মুনিন বৰুৱাৰ 'জন্ম-জন্মান্তৰ' নাটখনো দৰ্শকে আদৰি লৈছিল।

এই বছৰৰ অভিনয় শিল্পীসকল হৈছে মৃদুল ভূঞা, সুৰেন ঠাকুৰীয়া, হৰ্ষজ্যোতি দাস, আলোকজ্যোতি শইকীয়া, দুলাল শৰ্মা, জিণ্টু শৰ্মা, বীৰেন পাঠক, ভূপেন ডেকা, দিব্যজ্যোতি ভৰালী, প্ৰসেনজিৎ, কিশোৰ, গায়ত্ৰী মহন্ত, কল্পনা শৰ্মা দাস, অদিতি ভূঞা, চালমী চিদ্দিকী

আৰু বিনীতা দাস। এইবেলিৰ নৃত্য-নাটিকা কেইখনি হৈছে— দেৱেশ্বৰ শৰ্মাৰ 'কাল যৱন', 'আহতগুৰিৰ লখিমী', বৰদা শইকীয়াৰ কাহিনীৰ আধাৰত আৰু আবাহনৰ সৌজন্যত 'সোণালী সপোন', অজিৎ তালুকদাৰৰ 'সোণ জুৰিৰ গান' আৰু গোপাল জালানৰ 'কাজিৰঙা'। নৃত্য শিল্পীসকল হৈছে— বীৰেন পাঠক, বিপুল দাস, খগেন ৰয়, সঞ্জীৱ কুমাৰ, নিবাৰণ, পুতুলী হালৈ, জোনালী দেৱী, বৰ্ণালী, দুলু আৰু অনুৰেখা। এই বৰ্ষৰ গীতসমূহ ৰচনা কৰিছিল দিগন্ত ভাৰতী আৰু তীৰ্থ চহৰীয়াই। কণ্ঠদান কৰিছিল অপূৰ্ব পাঠক আৰু সাবিত্ৰী স্বৰ্গীয়াৰীয়ে। বাদ্য-যন্ত্ৰৰ শিল্পীসকল হৈছে নাৰায়ণ বৰুৱা, তীৰ্থ চহৰীয়া, গিৰীণ, ডিম্বেশ্বৰ, গিৰিশ, অনিল আৰু বুবুল দাস।

ঊনত্ৰিংশতম বৰ্ষৰ পৰিক্ৰমা (২০০৮-২০০৯)ঃ পাকিস্তানৰ প্ৰয়াত প্ৰধানমন্ত্ৰী বেনজিৰ ভূট্টোৰ জীৱন কাহিনীৰ আধাৰত ধ্ৰুৱজ্যোতি শৰ্মাই ৰচনা কৰা 'বেনজিৰ ভূট্টো' নামৰ নাটখনে এই বৰ্ষত যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। নুৰুদ্দিন আহমেদৰ কলা নিৰ্দেশনা, নাৰায়ণ বৰুৱাৰ সংগীত পৰিচালনা আৰু ৰাজেশ ভূঞাৰ নাট পৰিচালনাত নাটখনে এক বিদেশী পটভূমি সফলভাৱে মঞ্চায়ন কৰিব সক্ষম হৈছিল আৰু নাটখনে উল্লেখনীয় ব্যৱসায়িক সফলতা লাভ কৰিব পাৰিছিল। অনুপমা ৰয় আৰু নুৰুদ্দিন আহমেদৰ ৰূপসজ্জা, দীপক ৰয়ৰ আলোক সম্পাত আৰু হেমন্ত দাসৰ শব্দ সংযোজনা আছিল নাটখনত চমকপ্ৰদ। অভিনয়ত আছিল— আলোকজ্যোতি শইকীয়া, নয়ন নিৰ্বাণ, হৰ্ষ দাস, চিন্ময় কটকী, ভূপেন ডেকা, দিব্যজ্যোতি ভৰালী, কিশোৰ পাঠক, আঙুৰলতা, কল্পনা শৰ্মা আৰু পল্লৱী কটকী।

নৃত্য-নাটিকাকেইখন হৈছে দেৱেশ্বৰ শৰ্মাৰ 'ৰামায়ণৰ কথাৰে', কুমাৰ দীপক দাসৰ 'ৰূপাই সোণজুৰিৰ প্ৰেম কথা', বৰদা শইকীয়াৰ কাহিনীৰ আধাৰত 'সোণালী সপোন' আৰু গোপাল জালানৰ 'কাজিৰঙা'। হেম বৰুৱাৰ নৃত্য পৰিচালনাত তথা শান্তমণি শৰ্মা আৰু বাপা আহমেদৰ কৰিঅ'গ্ৰাফীত নৃত্য পৰিৱেশন কৰিছিল বীৰেন পাঠক, কুমাৰ সঞ্জীৱ, টুটু ডেকা, পুতুলী, গীতা, অনু, ববিতা, মৌচুমী আৰু তুলিকাই। বাদ্য-যন্ত্ৰৰ শিল্পীসকল হ'ল নাৰায়ণ বৰুৱা, তীৰ্থ, গিৰীণ, ডিম্বেশ্বৰ, অনিল, গিৰিশ, হৃষিকেশ আৰু বুবুল দাস। গীতসমূহ ৰচনা কৰিছিল তীৰ্থ চহৰীয়া আৰু দিগন্ত ভাৰতীয়ে। এই বৰ্ষৰ সম্পাদক আৰু প্ৰতিনিধিৰ দায়িত্বত আছিল ক্ৰমে প্ৰভাত ৰয় আৰু থানেশ্বৰ ৰয়।

অনিৰ্বাণ থিয়েটাৰ

১৯৮২ চনত ভ্ৰাম্যমাণ থিয়েটাৰৰ কেন্দ্ৰবিন্দু পাঠশালাত আন এটি দলে আত্মপ্ৰকাশ কৰে। সুভাষ চৌধুৰী প্ৰযোজিত অনিৰ্বাণ থিয়েটাৰে প্ৰথম বছৰতে ভ্ৰাম্যমাণৰ মঞ্চত এক চমক দিয়ে। জন্মৰ বছৰতে অসমীয়া ছবিৰ প্ৰসিদ্ধ অভিনেত্ৰী ইভা আচাওৰ আগমন ঘটে এই দলত। ভবেন বৰুৱাৰ পৰিচালনাৰে এই নাট্যদলটিয়ে প্ৰথম বৰ্ষৰ নাট্যাৰম্ভত লৈছিল মুঠতে চাৰিখন নাটক।

প্ৰথম বছৰৰ পৰিক্ৰমা (১৯৮২-৮৩)ঃ প্ৰথম বছৰত অনিৰ্বাণ থিয়েটাৰে লোৱা নাটসমূহ আছিল 'কবৰৰ কংকাল', 'পূজনীয়া মা', 'অগ্নিগড়' আৰু 'মহাযুদ্ধৰ পিছত'। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰীসকল হৈছে— ইভা আচাও, ভবেশ বৰুৱা, দীপ্তি হাজৰিকা, ৰাফেল, দিলীপ বৰুৱা, আৰাধনা দে, ৰহিম আদি। আটাইকেইখন নাট পৰিচালনা কৰিছিল ভবেন বৰুৱাই। আলোক সম্পাতৰ দায়িত্বত কল্যাণ দে আৰু মঞ্চ পৰিচালনাৰ দায়িত্বত আছিল নিৰ্মল গৃহৰত্ন। সংগীত পৰিচালনা কৰিছিল জন্মি দাস আৰু দেৱ দাসে। এই বছৰৰ নৃত্য-নাটিকা কেইখন হ'ল— 'সপোন কুঁৱৰী', 'বিষ্ণুৰাভা এতিয়া কিমান ৰাতি' আৰু 'আকৌ নতুন প্ৰভাত হ'ব'।

দ্বিতীয় বছৰৰ পৰিক্ৰমা (১৯৮৩-৮৪)ঃ দ্বিতীয় বছৰত অনিৰ্বাণ থিয়েটাৰে চাৰিখন নাট মঞ্চস্থ কৰে। এই নাট চাৰিখন হ'ল— ভবেন বৰুৱা ৰচিত তথা পৰিচালিত 'কনকলতা', 'কবৰৰ কংকাল' আৰু 'শেষ ভাওনাৰ গান'। আনহাতে 'অন্তিম উছৰ্গা' নামৰ নাটখনি পৰিচালনা কৰিছিল প্ৰাঞ্জল শইকীয়াই। পূৰ্বৰ নৃত্য-নাটিকাসমূহৰ লগতে এইবেলি সংযোজিত হোৱা এখনি নৃত্য-নাটিকা আছিল 'মাটিৰ সুৰ'।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত দৰং জিলাৰ বৰঙাবাৰীৰ যোড়শী গাভৰু কনকলতাই গহপুৰ থানাত পতাকা উত্তোলন কৰিবলৈ গৈ অসীম সাহসেৰে পুলিচৰ গুলী বুকুত পাতি লৈ স্বাধীনতা আন্দোলনৰ ইতিহাসত অসমৰ নাম মহীয়ান কৰিছিল। এই মহান দেশপ্ৰেমৰ আধাৰতে ভবেন বৰুৱাই 'কনকলতা' নাটখন ৰচনা কৰিছিল। ভবেন বৰুৱাৰ দ্বাৰা পৰিচালিত এই নাটখনৰ নাম ভূমিকাত পূৰ্ণিমা পাঠক শইকীয়াৰ অভিনয় আছিল মৰ্মস্পৰ্শী। আন এক চৰিত্ৰ মোলোকাৰ ভাৱত প্ৰাঞ্জল শইকীয়াৰ অভিনয়ে দৰ্শকৰ অন্তৰ চুই গৈছিল। ৰেৱতীৰ চৰিত্ৰত ভবেন বৰুৱাই, ঘনকান্তৰ ভাৱত অনিল ৰয়, মুকুন্দৰ চৰিত্ৰত দুলাল চৌধুৰীয়ে, কমিচনাৰৰ চৰিত্ৰত নগেন বৰা আৰু বৃদ্ধ স্বাধীনতা সংগ্ৰামীৰ চৰিত্ৰত শশী ভট্টৰ অভিনয় আছিল শলাগ ল'বলগীয়া। জোনাকীৰ চৰিত্ৰত ৰীণা দত্তৰ

অভিনয় আংশিকভাৱে সফল হৈছিল যদিও বাকী কেইগৰাকীমান অভিনেত্ৰীৰ অভিনয়ত জঠৰতা দেখা গৈছিল। জন্মি দাস আৰু দেৱ দাসৰ সংগীত পৰিচালনাত নাটকখন অৰ্থবহ হৈ পৰিছিল। এই বৰ্ষত মঞ্চসজ্জা আৰু দৃশ্য সজ্জাৰ দায়িত্বত আছিল সুভাষ চৌধুৰী।

তৃতীয় বছৰৰ পৰিক্ৰমা (১৯৮৪-৮৫)ঃ নাট্যযাত্ৰাৰ তৃতীয় বছৰত অনিৰ্বাণ থিয়েটাৰে চাৰিখন নাট মঞ্চস্থ কৰে। ভবেন বৰুৱাৰ পৰিচালনাত মঞ্চস্থ হোৱা এই নাটসমূহ হ'ল 'কুশল কোঁৱৰ' (নাট্যকাৰ ঃ ভবেন বৰুৱা) 'ছাৰ্কাছৰ বাঘিনী', 'নাম তাইৰ পৱিত্ৰী', 'ড্ৰাকুলা' আৰু 'কনকলতা'। উল্লেখযোগ্য যে যাদুসম্ৰাট এম হুছেইনে এইবৰ্ষত অনিৰ্বাণ থিয়েটাৰৰ নাট পৰিৱেশনত যাদু বিদ্যাৰ প্ৰয়োগ কৰিছিল। এইবেলিৰ নৃত্য-নাটিকাসমূহ হ'ল— 'অসম জ্যোতি', 'কণ্ঠৰে কণ্ঠক সোঁৱৰিম' আৰু 'তাজমহল'।

চতুৰ্থ বৰ্ষত অনিৰ্বাণ থিয়েটাৰে মঞ্চস্থ কৰা উল্লেখনীয় নাটখন আছিল 'কালাপাহাৰ'। এই বছৰটিৰ পিছতে অনিৰ্বাণে আখৰা শিবিৰ সৰ্থেবাৰীলৈ স্থানান্তৰিত কৰে যদিও এই নাট্যদলটিয়ে বৰ বেছিদিন তিষ্ঠি থাকিব নোৱাৰিলে। ১৯৮৬-৮৭ অৰ্থাৎ পঞ্চম বছৰত এই দলটিয়ে পাঁচখন নাটৰ পৰিকল্পনা লৈছিল। এই নাটসমূহ হ'ল— 'শ্যামল প্ৰান্তৰ', 'আইজনী', 'চম্পাৰ চকুলো', 'ফুল চন্দৰ' আৰু 'সাৰথি'।

ইন্দ্ৰধনু থিয়েটাৰ

১৯৮৩ চনত গুৱাহাটীৰ মজিয়াত ঠন ধৰি উঠে এটি নতুন থিয়েটাৰ গোষ্ঠী— ইন্দ্ৰধনু থিয়েটাৰ। গুৱাহাটীৰ নৱগ্ৰহ কালিমন্দিৰত ইন্দ্ৰেশ্বৰ বুজৰবৰুৱাৰ প্ৰযোজনাত গঢ় লৈ উঠা এই ভ্ৰাম্যমাণ দলটিয়ে প্ৰথম বছৰটিতে কেবাখনো গুৰুত্বপূৰ্ণ নাটকেৰে ভ্ৰাম্যমাণৰ মঞ্চ চহকী কৰি তোলাৰ প্ৰয়াস কৰে। প্ৰথম বছৰটিত এই দলটিয়ে পৰিবেশন কৰা নাটসমূহ হ'ল— শ্বেইক্সপীয়েৰৰ 'অথেলো', কাঞ্চন বৰুৱা ৰচিত 'অশান্ত প্ৰহৰ' উপন্যাসৰ একে নামৰ মঞ্চৰূপ, ঘন হাজৰিকাৰ ৰহস্যধৰ্মী নাট 'সুৰঙ্গৰ শেষত' আৰু কিৰণ শংকৰৰ 'মৃত্যু ক্ষুধা'।

পদ্ম বৰকটকীৰ অসমীয়া অভিযোজনাৰে 'অথেলো' নাটখনে দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ সহজ-সৰল দৰ্শকৰ আগত এখন বিশ্ববিশ্ৰুত নাট মঞ্চস্থ কৰি তাৰ সমাৰ্থ সৰলভাৱে আগবঢ়োৱাটো এটা জটিল কাম আছিল। পদ্ম বৰকটকীৰ সৰল উপস্থাপন আৰু নাট পৰিচালক আব্দুল মজিদৰ সন্মিলিত প্ৰচেষ্টাত এই দুৰূহতা আঁতৰিছিল। নাটখনৰ দৃশ্য সজ্জা, সাজসজ্জা আদিও পৰিকল্পিত আছিল। তৌফিক ৰহমান, হেমন্ত দত্ত, উপকূল বৰদলৈ, মনি হাজৰিকা আদিয়ে নাটখনত দৰ্শনীয় অভিনয় কৰিছিল। আনহাতে ৰিদীপ দত্ত আৰু জন্মি দাসৰ সংগীত পৰিচালনাই নাটখন অধিক উপভোগ্য কৰি তুলিছিল।

আনহাতে ঘন হাজৰিকা ৰহস্যধৰ্মী 'সুৰঙ্গৰ শেষত' নাটখনে ইতিমধ্যে আকাশবাণীৰ যোগেদি যথেষ্ট জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল। তিনিজন নিবনুৱা যুৱকৰ হতাশগ্ৰস্ত মানসিকতা নাটখনত খুব সৰলভাৱে উপস্থাপন কৰা হৈছিল। একেদৰে এগৰাকী বুদ্ধিমতী ছোৱালীৰ লগ হৈ সিহঁতে বেংক ডকাইতি কৰা আৰু পৰৱৰ্তী সময়ত সেই ঘটনাই কেনেদৰে সিহঁতৰ জীৱন সলাই পেলালে তাক খুব সাৱলীলভাৱে ভ্ৰাম্যমাণৰ মঞ্চত দেখুওৱা হৈছিল। নাটখন পৰিচালনা কৰিছিল নাট্যকাৰ ঘন হাজৰিকাই।

এই বৰ্ষৰ অভিনয় শিল্পীসকল হৈছে— তৌফিক ৰহমান, উপকূল বৰদলৈ, হেমন্ত দত্ত, মিনতি দাস, মণি হাজৰিকা, মহিম দাস, মনোজ শৰ্মা, মঞ্জু বৰদলৈ, ডলি মুক্তিয়াৰ, ৰীতা হাজৰিকা, উপেন ভূঞা, জুৰি শৰ্মা, জুনু বৰবৰা, আৰতি তালুকদাৰ, মহি ভড়ালী, পৰ্বন শৰ্মা, ৰামেশ্বৰ হাজৰিকা আদি।

প্ৰথম বৰ্ষৰ নৃত্য নাটিকা কেইখন আছিল 'ৰামধেনু', 'ইন্দ্ৰধনু' আৰু 'কিউপিড আৰু ছাইকি'। নৃত্য পৰিচালনা কৰিছিল যতীন গোস্বামী আৰু নগেন লহকৰে। খগেন দাস আৰু

অবিনাশ শৰ্মাই কলা নিৰ্দেশনাত, মদন শৰ্মা আৰু ক্ষিতীশ শৰ্মাই পোহৰ আৰু প্ৰভাত শৰ্মা আৰু গোকুল শৰ্মাই শব্দ নিয়ন্ত্ৰণৰ দায়িত্বত আছিল। এই বৰ্ষৰ পুৰুষ কণ্ঠশিল্পী টিকেন চৌধুৰীৰ সুৰীয়া কণ্ঠই আটাইকেইখন নাট অধিক মনোমোহা কৰি তুলিছিল।

দ্বিতীয় বৰ্ষত (১৯৮৪-৮৫) ইন্দ্ৰধনু থিয়েটাৰে চাৰিখন নাট মঞ্চস্থ কৰে। কালিদাস ৰচিত 'অভিজ্ঞানম শকুন্তলা' ক মঞ্চলৈ অনাৰ প্ৰয়াস কৰে ইন্দ্ৰধনু থিয়েটাৰে। তাৰোপৰি এই নাটখনৰ সংগীত পৰিচালনাৰ দায়িত্ব লয় বিশ্ববিশ্ৰুত সংগীত পৰিচালক ড° ভূপেন হাজৰিকাই। ইয়াৰ আগৰ বৰ্ষৰ অথেল' নাটখনৰ উপৰি এই বছৰৰ আন নাট তিনিখন আছিল— উইলিয়াম শ্বেইক্সপীয়েৰ ৰচিত 'মেকবেথ'ৰ একে নামৰ অসমীয়া অভিযোজনা, আৰু ঘন হাজৰিকা পৰিচালিত 'বেলিফুল'। পৰিবেশিত নৃত্য-নাটিকাসমূহৰ ভিতৰত 'ৰামধেনু' 'ইন্দ্ৰধনু' আৰু কিউপিড আৰু ছাইকিয়ে আছিল অন্যতম।

তৃতীয় বৰ্ষত (১৯৮৫-৮৬) ইন্দ্ৰধনু থিয়েটাৰে আগৰ বৰ্ষৰ দুখনমান নাটৰ লগতে 'সম্পূৰ্ণ ৰামায়ণ' আৰু 'মোগল-ই-আজম' মঞ্চস্থ কৰে। এই বৰ্ষৰ নাট্য পৰিক্ৰমা সুচাৰুৰূপে আৰম্ভ হৈছিল যদিও নৱেশ্বৰ মাহত হোৱা বৰষুণত দলটিৰ বিস্তৰ ক্ষতি সাধন হয় তথা বহু শিল্পীয়ে মাজডোখৰতে দলটি ত্যাগ কৰে। ইয়াৰ ফলত দলটিয়ে নাট্য পৰিক্ৰমা বন্ধ কৰি ঘূৰি আহিব লগা হয় আৰু এনেদৰে নাট্যদলটিৰ জয়যাত্ৰাৰ সমাপ্তি ঘটে।

সূৰুয থিয়েটাৰ

১৯৮৫ চনত ডিব্ৰুগড় জিলাৰ টিংখাং থানাৰ অন্তৰ্গত আঘোণীবাৰী নামৰ এক অখ্যাত পিছপৰা অঞ্চল ভ্ৰাম্যমাণ থিয়েটাৰৰ দৰ্শকৰ বাবে এক আশাৰ স্থলীলৈ ৰূপান্তৰিত হৈছিল। কেইজনমান তৰুণ যুৱকে পূৰ্বাঞ্চল নাট্যগোষ্ঠী নামৰ এটি নাট্যানুষ্ঠান গঢ়ি 'কনৌজ কুঁৱৰী' (নাট্যকাৰ ঃ অতুল চন্দ্ৰ হাজৰিকা) আৰু 'সংলাপ' নামৰ দুখন নাট প্ৰদৰ্শন কৰি বিপুল প্ৰশংসা লাভ কৰিছিল। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই পৰৱৰ্তী সময়ত গঢ় লৈ উঠিল সূৰুযমণি থিয়েটাৰ। এই ন-দলটিৰ প্ৰতিষ্ঠাৰ লগত জড়িত থকা ব্যক্তিসকল আছিল মনোজ বৰগোহাঞি, ললিত কলিতা, ৰাম গগৈ, উৎপল গগৈ, গগন বৰগোহাঁই, তৰুণ বৰুৱা, ভূপেন সন্দিকৈ, বুদ্ধেশ্বৰ বৰগোহাঁই, ˚ অবনী গগৈ, উমেশ বুঢ়াগোহাঁই, কুলেন গগৈ, জীৱন গগৈ আদি। ১৯৮৭ চনত জন্ম হোৱা এই দলটিৰ প্ৰযোজক আছিল মনোজ বৰগোহাঞি। ১৯৬৫ চনত ডিব্ৰুগড় জিলাৰ বামুণবাৰীত জন্ম লাভ কৰা বৰগোহঞিক প্ৰযোজনাত সহায় কৰিছিল গগন বুঢ়াগোহাঁই আৰু উৎপল গগৈয়ে, প্ৰতিনিধি আছিল তৰুণ বৰুৱা।

প্ৰথম বৰ্ষ ঃ প্ৰথম নাট্যবৰ্ষত স্থানীয় আৰু কেৱল উজনি অসমৰ কলা-কুশলীৰ দ্বাৰা সৃষ্টি হোৱা দলটিত চাৰিখন নাটক মঞ্চস্থ হয়। নাট কেইখন হ'ল ভবেন বৰুৱাৰ 'জুয়ে পোৰা সোণ', মহেশ কলিতাৰ 'অৱক্ষয়', ফণী শৰ্মাৰ 'কিয়', আৰু আন এখন সম্পাদিত নাট 'কবৰৰ বিননি'। পৰিচালক আছিল প্ৰতীম গগৈ। এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন আছিল 'সাতভনী', 'জোনাকী কাৰেং' আৰু 'চিত্ৰলেখা'। আটাইকেইখন নৃত্য-নাটিকাৰ ৰচনা আৰু পৰিচালনা যোগেন তামুলীৰ। সংগীত পৰিচালনা কৰিছিল দুলাল শইকীয়াই। এই বৰ্ষৰ অভিনেতা- অভিনেত্ৰী সকল আছিল অভিজিৎ গগৈ, জীৱন ঘৰফলীয়া, দীপক গগৈ, অৰুণ বৰা, মণি বৰুৱা, ৰাজীৱ গগৈ, কমলা গগৈ, শশী বৰা, বিভা গগৈ, জানুমণি নেওগ, ৰীতা সন্দিকৈ, প্ৰতাপ গগৈ। সংগীত শিল্পী আছিল পুতুল বৰগোহাঁই আৰু অনিমা গগৈ। নৃত্য শিল্পীসকল আছিল ৰেখা গগৈ, মেঘালী কাকতি, উষা বৰা, অলি গগৈ, মণ্টু গগৈ, দ্বীপেন গোহাঁই, পবিত্ৰ মোহন ফুকন। আলোক শিল্পী আছিল নিতেন ফুকন, পুবেশ্বৰ সন্দিকৈ আৰু ৰঞ্জিত গোহাঁই।

দ্বিতীয় বৰ্ষ ঃ দ্বিতীয় বৰ্ষত সূৰুযমণি থিয়েটাৰে প্ৰদৰ্শন কৰা নাটকেইখন আছিল 'অনুপমা মোৰ' (নাট্যকাৰ ঃ প্ৰফুল্ল বৰা), 'মা-মাটি-মানুহ' (নাট্যকাৰ ঃ প্ৰফুল্ল বৰা), 'শিৰৰ সেন্দুৰ' আৰু 'অগ্নি স্বপ্নাতুৰ' (নাট্যকাৰ ঃ অখিল চক্ৰৱৰ্তী)। ইয়াৰ শেহৰখন নাট নাট্যকাৰে

নিজে পৰিচালনা কৰাৰ বিপৰীতে প্ৰথম তিনিখনৰ পৰিচালক আছিল প্ৰতিম গগৈ।

দ্বিতীয় বৰ্ষৰ সামৰণিৰ পিছত সূৰুযমণি থিয়েটাৰৰ নাট্যযাত্ৰা বিভিন্ন কাৰণত ব্যাহত হৈ পৰে। তৃতীয় বৰ্ষত এই দল ঔগুৰিৰ বীৰেন গগৈৰ প্ৰযোজনাত চলিত 'ইন্দুমণি' থিয়েটাৰৰ সহযোগী হৈ ইন্দুসূৰুয থিয়েটাৰ হৈ পৰে। সেই বৰ্ষতে এই থিয়েটাৰৰ যৱনিকা পৰাত চতুৰ্থ বৰ্ষত ডিব্ৰুগড়ৰ কলাখোৱাৰ বিপুল লাহন প্ৰযোজিত প্ৰভাতী থিয়েটাৰৰ সহযোগী হৈ 'প্ৰভাতী সূৰুয' নামেৰে নিজৰ স্থিতি ঘোষণা কৰে।

বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে আগবঢ়া সূৰুযমণি থিয়েটাৰে ১৯৯৩ চনত পুনৰ এক নতুন উদ্যমৰে 'সূৰুয' নামেৰে আত্মপ্ৰকাশ কৰে। প্ৰযোজনাত মনোজ বৰগোহাঞিক সহযোগ কৰে ধীৰেন শইকীয়াই। ১৯৯৫ চনত এই থিয়েটাৰ পুনৰ আৰ্থিক কাৰণত বন্ধ হৈ পৰে।

১৯৯৯ চনৰ পৰা মনোজ বৰগোহাঞি আৰু অভিজিৎ গগৈৰ যুটীয়া প্ৰযোজনাত সূৰুয থিয়েটাৰ পুনৰ ঠন ধৰি উঠে।

২০০২-২০০৩ নাট্যবৰ্ষ ঃ এই বৰ্ষৰ নাটক কেইখন আছিল ক্ৰমে 'দগাবাজ' (নাট্যকাৰ ঃ ভবেন বৰুৱা, পৰিচালক ঃ জীৱেশ্বৰ ডেকা, সহযোগী ঃ ৰঞ্জিত মিশ্ৰ), 'অগ্নিপথ' (নাট্যকাৰ ঃ মহেশ কলিতা, পৰিচালক ঃ মনোজ বৰগোহাঞি), 'জীয়া মানুহৰ সমাধি (নাট্যকাৰ ঃ অৱতাৰ সিং, পৰিচালক ঃ হেম দত্ত), 'নিমখ হাৰাম' (নাট্যকাৰ ঃ ভবেন বৰুৱা, পৰিচালনা ঃ অভিজিৎ গগৈ), 'সন্ত্ৰাস' (ৰচনা ঃ মহেশ কলিতা, পৰিচালক ঃ অভিজিৎ গগৈ)। নৃত্য-নাটিকা আছিল সূৰুয (ৰচনা ঃ হৰেশ্বৰ ৰাজপাঠক, পৰিচালনা ঃ দ্বীপেন গোহাঁই), 'সপোন দেশৰ সাধু' (ৰচনা/পৰিচালনা ঃ প্ৰশান্ত শইকীয়া) 'অচিন পক্ষীৰ বিননি (ৰচনা/পৰিচালনা ঃ লক্ষ্মী ৰাজবংশী), 'মৃত্যু দূত এইড্ছ' (ৰচনা/পৰিচালনা ঃ প্ৰশান্ত শইকীয়া)। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰী সকল আছিল ৰাতুল বড়া, ৰঞ্জিত চেতিয়া, অজিত শৰ্মা, পাৰুল বড়া, সংগীতা দত্ত, ৰশ্মি চাংমাই গগৈ, জিতু গগৈ, পুতুল শইকীয়া, প্ৰফুল্ল গগৈ, শান্তনু দত্ত, জগমোহন চৌধুৰী, সঞ্জীৱ দত্ত আদি। আনহাতে নৃত্য-শিল্পী সকল আছিল জিতেন্দ্ৰ ৰাভা, ৰাজীৱ বৰুৱা, মুক্তি গগৈ, বিজিত গগৈ, মিকু হাজৰিকা, মৃদুলা গয়াৰী, ৰূপা নাথ আদি। কণ্ঠ শিল্পীদ্বয় আছিল ক্ৰমে অৰবিন্দ ৰাভা আৰু কল্পনা শৰ্মা। অজিত ডেকাৰ সংগীত পৰিচালনাত সহযোগী বাদ্য শিল্পীৰূপে কাম কৰিছিল ক্ৰমে উদিত মহন, জয়ন্ত ফুকন, ৰুবুল গগৈ আৰু বীৰেন তাঁতীয়ে। আলোক নিৰ্দেশকৰূপে আছিল মহেশ ৰায়। মঞ্চ পৰিচালনা আৰু সাজ-সজ্জাৰ দায়িত্বত আছিল ক্ৰমে মহেন্দ্ৰ ফুকন আৰু মহেশ ৰায়।

২০০৩-২০০৪ নাট্যবৰ্ষ ঃ এই বৰ্ষত প্ৰদৰ্শন কৰা নাটবোৰ আছিল ক্ৰমে 'মন্দিৰৰ জুই' (ৰচনা ঃ অৱতাৰ সিং, পৰিচালনা ঃ মনোজ বৰগোহাঞি), 'অসম বন্ধ' (ৰচনা আৰু পৰিচালনা ঃ প্ৰতিম গগৈ), 'বনদস্যু বীৰাপ্পান' (ৰচনা ঃ মহেশ কলিতা, পৰিচালনা ঃ অভিজিৎ গগৈ), 'বিদেশী বোৱাৰী' (ৰচনা ঃ ভবেন বৰুৱা, পৰিচালনা ঃ আজাদ হুছেইন)।

নৃত্য-নাটিকাকেইখন হ'ল— সূৰুয, মানৱতাৰ পৃথিবী, প্ৰেমৰ মৃত্যু আৰু শকুন্তলা। শেষৰ তিনিখনৰ ৰচনা আৰু পৰিচালনা আছিল প্ৰশান্ত শইকীয়াই। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰী সকল আছিল ক্ৰমে ৰমেন শৰ্মা, প্ৰশান্ত শইকীয়া, নব কুমাৰ গগৈ, ফটিক লাহন, ৰবীন্দ্ৰ বসুমতাৰী, ৰবীন গগৈ, লক্ষ্মী বৰপাত্ৰগোহাঁই, মৃগেন সোণোৱাল, দুলুমণি বৰদলৈ, ৰছিদ হাজৰিকা, ৰবীন কোঁৱৰ, শান্তনু দত্ত, সঞ্জীৱ নাথ, মনোজ শইকীয়া, ৰাজীৱ গগৈ, খগেন কোচ, নিতুল গগৈ আদি। মূলত সামাজিক কাহিনী আদিক মঞ্চস্থ কৰা এই নাট্যদলটিয়ে মঞ্চত পৰীক্ষামূলক কোনো ধৰণৰ নাট পৰিবেশন কৰা নাই। দলটিয়ে 'বসুন্ধৰা' নামৰ এখন বছৰেকীয়া মুখপত্ৰ প্ৰকাশ কৰিছে। দলটিয়ে লোৱা প্ৰতীক চিহ্নটোৱে 'সংস্কৃতি, সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক' বুজায়।

হেঙুল থিয়েটাৰ

১৯৮৬-৮৭ বৰ্ষত অসমৰ ভ্ৰাম্যমাণ জগতত এটি নতুন দলে ভূমুকি মাৰিলে। যোৰহাট জিলাৰ মৰিয়নিত প্ৰখ্যাত অভিনেতা প্ৰশান্ত হাজৰিকাৰ প্ৰযোজনাত ১৯৮৬ চনত গঠিত হয় হেঙুল থিয়েটাৰ। ভ্ৰাম্যমাণ থিয়েটাৰৰ দীৰ্ঘকালীন অভিজ্ঞতাৰে পুষ্ট প্ৰশান্ত হাজৰিকা আৰু ইলা কাকতিয়ে গঢ়ি তোলা এই থিয়েটাৰ দলটিয়ে আৰম্ভণি বৰ্ষৰ পৰা নাট প্ৰযোজনা আৰু পৰিচালনাৰ ক্ষেত্ৰত এক পৰিৱৰ্তন অনাৰ ইংগিত বহন কৰিছিল। উল্লেখ্য যে ভ্ৰাম্যমাণৰ নামনি অসম কেন্দ্ৰিক পৰম্পৰাটোৰো পৰিৱৰ্তন সাধিছিল হেঙুল থিয়েটাৰে আৰু একেদৰে ভ্ৰাম্যমাণৰ সম্প্ৰসাৰণৰ দিশত হেঙুলে এক বৃহৎ খোজ দিবলৈ সক্ষম হৈছিল। বৃহৎ সংখ্যক লোকৰ সহায় আৰু সমৰ্থনত এই থিয়েটাৰ দলটি গঢ় লৈ উঠিছিল। আৰম্ভণি বৰ্ষৰ এনে সহৃদয় ব্যক্তিসকল হ'ল— মাকন কাকতি, মহম্মদ চৈদুল্লাখান মালকান, নগেন বুঢ়াগোঁহাই, পবন ফুকন, সুভাষ শৰ্মা, খৰ্গেশ্বৰ গগৈ, বদন শ্যাম, প্ৰভাত হাতী বৰুৱা, ড° পদ্মেশ্বৰ গোহাঁই, ৰাজু আগৰৱালা, বেগৰাজ মুৰুলীধৰ মুলচান্দ আগৰৱালা, সত্যনাৰায়ণ শৰ্মা, চাকিৰ খান, দীপ্তি কুমাৰ বৰপূজাৰী, ত্ৰৈলোক্য শৰ্মা, ভূপেন শৰ্মা, কানাই ভূঞা, অমৰ বৰুৱা, পবিত্ৰ ডেকা, ৰঞ্জিৎ দাস, হীৰেন বৰুৱা, ড° দিলীপ ৰঞ্জন গোস্বামী, অৰুণ শৰ্মা, অৰুণ দত্ত, দ্বিজেন ভট্ট আৰু ৰতন লহকৰ।

১৯৯৯ চনৰ ১৭ জানুৱাৰীত প্ৰশান্ত হাজৰিকাৰ আকস্মিক বিয়োগৰ পিছত নাট্য দলটিৰ ভৱিষ্যতক লৈ এক গভীৰ শংকাৰ সৃষ্টি হয় যদিও হেঙুলৰ কাৰ্যবাহী প্ৰযোজকৰ দায়িত্ব ল'বলৈ আগবাঢ়ি আহে অভিনেতা ৰবীন নেওগে। পাঁচটি বৰ্ষৰ বাবে নেওগে সুকলমে হেঙুল প্ৰযোজনা কৰে আৰু তাৰ পিছত প্ৰশান্ত হাজৰিকা আৰু ইলা কাকতিৰ একমাত্ৰ সন্তান সংকল্পজিৎ হাজৰিকাই হেঙুল প্ৰযোজনাৰ গুৰুদায়িত্ব চমজি লয়।

প্ৰথম বৰ্ষৰ পৰিক্ৰমা (১৯৮৬-৮৭)ঃ প্ৰাৰম্ভিক বৰ্ষত হেঙুল থিয়েটাৰে চাৰিখন নাট মঞ্চস্থ কৰে। নাটসমূহ হৈছে— মহেন্দ্ৰ বৰঠাকুৰ ৰচিত 'বেয়া মানুহ', মহেশ কলিতাৰ 'শুকুলা মেঘৰ ছাঁ', হোমেন বৰগোহাঞিৰ প্ৰসিদ্ধ উপন্যাস 'হালধীয়া চৰায়ে বাওধান খায়'ৰ আধাৰত মহেন্দ্ৰ বৰঠাকুৰে একে নামত দিয়া নাট্যৰূপ আৰু মহেন্দ্ৰ বৰঠাকুৰৰ আন এখন নাট— 'মোৰ আই'। আটাইকেইখন নাট পৰিচালনা কৰিছিল প্ৰশান্ত হাজৰিকাই।

সন্দেহাতীতভাৱে উপন্যাসখনৰ লেখীয়াকৈ 'হালধীয়া চৰায়ে বাওধান খায়' শীৰ্ষক নাটখনে প্ৰভূত জনপ্ৰিয়তা লাভ কৰিব সক্ষম হৈছিল। গাঁৱৰ জীৱনৰ সৈতে ৰজিতা খুৱাই নাটখনৰ সংগীত, সংলাপ মঞ্চ আদি সজোৱা হৈছিল। প্ৰশান্ত হাজৰিকাৰ দক্ষ পৰিচালনা

মৈনী আৰু সুৰেন মহন্ত, পৰাগ বৰুৱা, উপকূল বৰদলৈ, প্ৰশান্ত হাজৰিকা, বীণা বৰা, মণি হাজৰিকা আদিৰ অভিনয় নাটখনত অনবদ্য আছিল। প্ৰথম বৰ্ষৰ আন অভিনেতা-অভিনেত্ৰীসকল হৈছে— ৰাজ আহমেদ, শশাঙ্ক পাল, ৰামেশ্বৰ হাজৰিকা, পৱন ফুকন, প্ৰবীণ গগৈ, ৰঞ্জিত দেউৰী, বিনিতা হাজৰিকা, মিনাৰ্ভা বৰদলৈ, জিনামণি বৰা, ইলা কাকতি আৰু শিশু শিল্পী এচিক আৰু জুনু।

এই বৰ্ষত পৰিবেশিত নৃত্য-নাটিকাসমূহ হৈছে গিৰিন গগৈ ৰচিত তথা পৰিচালিত 'চণ্ডীঘৰ', শ্ৰীনাথ দাসৰ 'জোনাকী কাৰেং', আৰতি দাস বৈৰাগী ৰচিত আৰু পৰিচালিত 'ফুলকোঁৱৰ' আৰু শ্ৰীনাথ দাসৰ 'সুৰ ছন্দা'। বাবুল নাগৰ সংগীত পৰিচালনাত আটাইকেইখন নৃত্যনাটিকাৰ গীতবোৰ ৰচনা কৰিছিল শ্ৰীনাথ দাসে। নৃত্য-শিল্পীসকল হৈছে— মলয়া ৰয়, প্ৰমীলা দাস, ভানু বাহেক, আৰতি মেধি, সৰোজনী মজুমদাৰ, ৰণজিৎ দাস, অৰুণ হালৈ, প্ৰবীণ তালুকদাৰ, সহদেৱ দাস আৰু বীৰেন পাঠক। কণ্ঠ শিল্পীসকল হ'ল— সংগীতা দাস, দীপালি বৰা আৰু প্ৰদীপ শইকীয়া। যন্ত্ৰ সংগীত শিল্পী সকল আছিল— পীয়ুষ নাগ, বাবুল নাগ, শ্ৰীনাথ দাস, নাৰায়ণ বৰুৱা, ৰঞ্জিৎ দত্ত, কুঞ্জ ৰয়, দিনেশ্বৰ শইকীয়া, প্ৰবীণ ৰয় আৰু জিণ্টু শইকীয়া।

দ্বিতীয় বৰ্ষৰ পৰিক্ৰমা (১৯৮৭-৮৮) : প্ৰাৰম্ভিক বৰ্ষৰ সাফল্যৰ পিছত হেঙুল থিয়েটাৰে দ্বিতীয় বৰ্ষত জ্যোতি প্ৰসাদ আগৰৱালা ৰচিত 'কাৰেঙৰ লিগিৰী' মঞ্চস্থ কৰাৰ সিদ্ধান্ত লয়। এই বৰ্ষৰ আন নাটসমূহ হৈছে মহেন্দ্ৰ বৰঠাকুৰৰ 'মুখ্যমন্ত্ৰী' আৰু 'ভাল মানুহ'; মহেশ কলিতাৰ দুখন নাট ক্ৰমে 'চকুলোৰে লেখা' আৰু 'শুকুলা মেঘৰ ছাঁ'। আটাইকেইখন নাট পৰিচালনা কৰিছিল প্ৰশান্ত হাজৰিকাই।

এখন পিছপৰা ঠাইলৈ মুখ্যমন্ত্ৰীৰ আগমনক লৈ হোৱা ব্যস্ততা, পথ-দলং আদি আকস্মিকভাৱে নিৰ্মাণ কৰিবলৈ বিভাগীয় লোকসকলৰ তৎপৰতা আদি বিষয়ক লৈ ব্যঙ্গাত্মক অভিব্যক্তিৰ নাট 'মুখ্যমন্ত্ৰী' আছিল এই বৰ্ষৰ এখন অতি জনপ্ৰিয় নাট। নাটখনত প্ৰশান্ত হাজৰিকা, পৱন ফুকন, তৌফিক ৰহমান, বীণা বৰা, পৰাগ বৰুৱা, ৰামেশ্বৰ হাজৰিকা আদিয়ে সাৱলীল অভিনয় কৰিছিল। এই বছৰৰ আন অভিনেতা-অভিনেত্ৰীসকল হৈছে— পংকজ পূজাৰী, ৰাণা আহমেদ, শশাঙ্ক পাল, অনিল দত্ত, প্ৰাণজ্যোতি শৰ্মা, মাঃ বিপিন, ইলা কাকতি, কল্পনা ফুকন, জিনামণি বৰা আৰু চালমী চিদ্দিকী।

দ্বিতীয় বৰ্ষত হেঙুল থিয়েটাৰে পৰিবেশন কৰা নৃত্য-নাটিকা সমূহ হ'ল— আৰতি দাস বৈৰাগী ৰচিত 'দেৱবানী', নলিনী বালা হাজৰিকা ৰচিত 'মই লুইত হৈ বৈ যাওঁ', শ্ৰীনাথ দাসৰ 'গৰখীয়াৰ সপোন' আৰু 'জোনাকী কাৰেং'। বাবুল নাগৰ সংগীত পৰিচালনাত কণ্ঠদান কৰিছিল ৰহিমা বেগম কলিতা আৰু অজয় দাসে। যন্ত্ৰ-সংগীতত সংগত কৰিছিল বাবুল নাগ, শ্ৰীনাথ দাস, মাধৱ কলিতা, বাসুদেৱ দেউৰী, ৰতন দাস, জিণ্টু শইকীয়া, কৈলাসপতি ৰাভা আৰু সুভাষ বড়োৱে। এই বছৰৰ নৃত্যশিল্পীসকল হ'ল— আৰতি মেধি, মণি হালৈ, জোনাকী পাঠক, ৰণটি তামুলী, ৰেখা দেৱী, মঞ্জু ৰয়, বীৰেন পাঠক, সহদেৱ দাস, প্ৰতুল পাঠক, প্ৰবীণ তালুকদাৰ, ৰঞ্জিৎ দাস আৰু প্ৰফুল্ল ৰয়। কলা নিৰ্দেশনাত অজিত দাস, দৃশ্যসজ্জাত দ্বিজেন চৌধুৰী, ৰূপসজ্জাত। ভদ্ৰেশ্বৰ চৌধুৰী আৰু শব্দ নিৰ্দেশনাৰ দায়িত্বত আছিল অবিনাশ বৰা। আলোক সম্পাতৰ দায়িত্বত আছিল ক্ৰমে ভবেশ কলিতা আৰু তৰুণ কলিতা।

তৃতীয় বৰ্ষৰ পৰিক্ৰমা (১৯৮৮-৮৯) : এই বৰ্ষত হেঙুল থিয়েটাৰে মুঠতে পাঁচখন নাট মঞ্চস্থ কৰে। ইয়াৰে চাৰিখন নাটৰ নাট্যকাৰ আছিল মহেন্দ্ৰ বৰঠাকুৰ আৰু পঞ্চমখন নাট ৰচনা কৰিছিল মহেশ কলিতাই। আগৰ বছৰৰ 'মুখ্যমন্ত্ৰী' নাটখনৰ উপৰি মহেন্দ্ৰ বৰঠাকুৰৰ আন নাটসমূহ হ'ল— 'কামৰূপ কামাখ্যা', 'পাগলা চাহাব' আৰু কবি গল্পকাৰ তথা সাহিত্য সমালোচক হৰেকৃষ্ণ ডেকাৰ 'মুক্তবন্দী' উপন্যাসৰ আলমত মহেন্দ্ৰ বৰঠাকুৰে নাট্যৰূপ দিয়া নাট 'প্ৰিয়া আৰু পুলিচ'। মহেশ কলিতাৰ নাটখন হৈছে— 'ইয়াতো ৰাতি হয়'। নাটসমূহ পৰিচালনা কৰিছিল— প্ৰশান্ত হাজৰিকাই। এই বছৰৰ নৃত্য-নাটিকাসমূহ হ'ল যতীন গোস্বামী ৰচিত 'মলুৱাক নিদিবা লাই' (গীত : শ্ৰীনাথ দাস, সুৰ : বাবুল নাগ), যতীন গোস্বামীৰ 'প্ৰভাতী হেঙুল' (গীত : যতীন গোস্বামী, সুৰ : বাবুল নাগ), আৰু আৰতি দাস বৈৰাগী ৰচিত 'ফুল কোঁৱৰ' (গীত : শ্ৰীনাথ দাস, সুৰ : বাবুল নাগ)। সংগীত পৰিচালনাৰ দায়িত্বত আছিল বাবুল নাগ।

১৯৮৮-৮৯ বৰ্ষৰ হেঙুল থিয়েটাৰৰ অভিনেতা-অভিনেত্ৰীসকল হৈছে— নিপন গোস্বামী, প্ৰশান্ত হাজৰিকা, ৰবীন নেওগ, ৰূপক বৰুৱা, পৱন ফুকন, পৰাগ বৰুৱা, ৰামেশ্বৰ হাজৰিকা, শশাংক পাল, ৰাণা আহমেদ, তুলসী বৰদলৈ, ৰঞ্জিৎ দেউৰী, হৰেণ গগৈ, বীণা বৰা, হীৰা নেওগ, মীনা নাথ আৰু পূৰ্ণিমা নাথ। নৃত্য শিল্পী সকল হৈছে— ৰণটি তামুলী, প্ৰতিমা কলিতা হিমানী বৰ্মন, চম্পা দাস, মামণি তালুকদাৰ, মঞ্জুমণি হাজৰিকা, বীৰেন পাঠক, বিনোদ বৰ্মন, সহদেৱ দাস, প্ৰতুল পাঠক আৰু সুনীল কলিতা, যন্ত্ৰ শিল্পীসকল হ'ল— বাবুল নাগ, শ্ৰীনাথ দাস, মাধৱ কলিতা, ৰতন দাস, শুক্ৰেশ্বৰ বসুমতাৰী, কৈলাসপতি ৰাভা, সুভাষ বড়ো আৰু জিণ্টু শইকীয়া।

আলোক সম্পাতত তৰুণ কলিতা, সাজ-সজ্জা পৰিচালনাত ৰামেশ্বৰ হাজৰিকা আৰু গৰিমা হাজৰিকা, ৰূপসজ্জাত ভদ্ৰেশ্বৰ চৌধুৰী, দৃশ্য সজ্জাত দ্বিজেন চৌধুৰী, শব্দ আৰু কলা পৰিচালনাৰ দায়িত্বত আছিল আঘোণা দাস। মঞ্চসজ্জাৰ দায়িত্ব বহন কৰিছিল বাবুল দাস আৰু হেমন্ত বৰাই।

চতুৰ্থ বৰ্ষৰ পৰিক্ৰমা (১৯৮৯-৯০) : চতুৰ্থ বৰ্ষত হেঙুলৰ মঞ্চত মঞ্চস্থ হোৱা নাট চাৰিখন হৈছে মুনীন বৰুৱাৰ 'ঘৰ', হেমন্ত দত্তৰ 'কাঁইট' আৰু মহেন্দ্ৰ বৰঠাকুৰৰ 'মহাত্মা' আৰু 'পিতামহ'। নাট সমূহ পৰিচালনা কৰিছিল প্ৰশান্ত হাজৰিকাই। পৰিবেশিত নৃত্য-নাটিকা কেইখন হৈছে 'মলুৱাক নিদিবা লাই', 'প্ৰভাতী হেঙুল', 'এখন মানুহৰ দেশ', 'কমই

ধৰ্ম' আৰু 'চম্পাৱতী'। এই নৃত্য নাটিকাসমূহৰ প্ৰথম চাৰিখনৰ ৰচনা আৰু গীতসমূহৰ স্ৰষ্টা হৈছে যতীন গোস্বামী। লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৰ আধাৰত যতীন গোস্বামীয়ে নাট্যৰূপ দিয়া 'চম্পাৱতী' নামৰ নৃত্য-নাটিকাখন এই বছৰৰ এখন উল্লেখনীয় নৃত্য-নাটিকা আছিল। এই আটাইবোৰ নৃত্য নাটিকাৰ গীতবোৰ সুৰ দিছিল বাবুল নাগে।

এই বছৰৰ পৰিক্ৰমাত হেঙুলৰ মঞ্চত অভিনয় কৰা শিল্পীসকল হৈছে— প্ৰশান্ত হাজৰিকা, সুৰেন মহন্ত, তৌফিক ৰহমান, পৱন ফুকন, পৰাগ বৰুৱা, ৰামেশ্বৰ হাজৰিকা, ডলি মুক্তিয়াৰ, শশাঙ্ক পাল, চম্পক শৰ্মা, হীৰেন চেতিয়া, ৰীণা বৰা, মীনা নাথ, চালমী চিদ্দিকী আৰু শিশুশিল্পী মাঃ চুনমুন। নৃত্য শিল্পীসকল হৈছে— ৰুণটি তামুলী, প্ৰতিমা কলিতা, অৰুণি কলিতা, মঞ্জুমণি হাজৰিকা, বীৰেন পাঠক, বিনোদ বৰ্মণ, সহদেৱ দাস, সুনীল কলিতা, ৰঞ্জিৎ দাস আৰু তৰুণ শৰ্মা ভট্ট। আলোক সম্পাতত ক্ষিতীশ শৰ্মা, কলাত যোগেন দাস, সাজসজ্জাত ৰামেশ্বৰ হাজৰিকা আৰু দৃশ্যসজ্জাৰ পৰিচালনাৰ দায়িত্বত আছিল দ্বিজেন চৌধুৰী। যন্ত্ৰ সংগীতৰ শিল্পীসকল হৈছে— বাবুল নাগ, ৰতন দাস, মাধৱ শৰ্মা, প্ৰভাত ৰয়, দ্বিজেন বৰা আৰু গোপী ডেকা। নাট আৰু নৃত্য-নাটিকাৰ গীতবোৰত কণ্ঠদান কৰিছিল অৰুণ কলিতা আৰু মিনু শইকীয়াই।

পঞ্চম বৰ্ষৰ পৰিক্ৰমা (১৯৯০-৯১) ঃ যশস্বী নাট্যকাৰ মহেন্দ্ৰ বৰঠাকুৰে জন্মলগ্নৰে পৰা হেঙুল থিয়েটাৰৰ মঞ্চৰ বাবে ধাৰাবাহিকভাৱে নাট ৰচনা কৰিছিল আৰু সেই একেই পৰম্পৰা অব্যাহত ৰাখি এই বছৰত তেওঁ তিনিখন নাট হেঙুলৰ মঞ্চৰ বাবে আগবঢ়াই দিছিল। নাট তিনিখন হ'ল 'যদুবংশ', 'তেজাল ঘোঁৰা' আৰু 'মোৰ আই'। এই বৰ্ষৰ আন নাটসমূহ হ'ল মুনীন বৰুৱাৰ 'আঘাত' আৰু মহেশ কলিতাৰ 'পলাশৰ জুই'। প্ৰশান্ত হাজৰিকাৰ নাট পৰিচালনাত আটাইকেইখন নাটকে দৰ্শকে আকোঁৱালি লৈছিল। 'তেজাল ঘোঁৰা' নাটখনে সুদক্ষ পৰিচালনা, অভিনয়, তৰুণ কলিতা আৰু অৰবিন্দ কলিতাৰ কৌশলী আলোকসজ্জা, অজিত দাসৰ কলা নিৰ্দেশনা আৰু বৈকুণ্ঠ কাকতিৰ দৃশ্যসজ্জা আদিৰ সমাহাৰত বিশেষ সমাদৰ লাভ কৰিব সক্ষম হৈছিল। নৃত্য-নাটিকাসমূহ হ'ল লক্ষ্মীনাথ বেজবৰুৱাৰ কাহিনীৰ আধাৰত গুণেশ্বৰ ভূঞাই গীত আৰু নৃত্য নাট্যৰূপেৰে পৰিবেশন কৰা 'নাচনী শালিকা', যতীন গোস্বামীৰ 'প্ৰভাতী হেঙুল', গ্ৰীক ৰূপ কথাৰ আধাৰত গুণেশ্বৰ ভূঞাৰ গীত আৰু নৃত্যনাট্যৰূপৰ 'বৰষা ৰাণী' আৰু যতীন গোস্বামী ৰচিত 'সূৰ্য সন্ধান'। নৃত্য নাটিকা কেইখনিত সুৰাৰোপন কৰিছিল অৰুণ কলিতাই। এই বছৰৰ অভিনেতা-অভিনেত্ৰীসকল হৈছে— প্ৰশান্ত হাজৰিকা, সুৰেন মহন্ত, পৱন ফুকন, পৰাগ বৰুৱা, ৰামেশ্বৰ হাজৰিকা, শশাঙ্ক পাল, চম্পক শৰ্মা, ৰমেন দত্ত, কুমাৰ কিৰণ, প্ৰৱাল দত্ত, গুণেশ্বৰ ভূঞা, ৰীণা বৰা, চালমি চিদ্দিকী, মীনা নাথ আৰু ৰাণী বেগম। নৃত্য শিল্পীসকল হৈছে ৰণটি তামুলী, প্ৰতিমা কলিতা, মীনা বৰদলৈ, চম্পা দাস, দিপালী দাস, গুণেশ্বৰ ভূঞা, বিনোদ বৰ্মন, সহদেৱ দাস, ৰঞ্জিৎ দাস আৰু অনুজ কোঁৱৰ। অৰুণ কলিতা আৰু চিনু কোঁৱৰে

কণ্ঠশিল্পীৰূপে গীতসমূহত কণ্ঠদান কৰাৰ লগতে যন্ত্ৰ সংগীতৰ শিল্পীসকল আছিল— ৰতন দাস, প্ৰবীৰ ৰয়, কনক দাস, তপেশ্বৰ ৰাভা, কৰুণা ৰাভা আৰু ৰবীন বৰদলৈ। সাজ-সজ্জা আৰু ৰূপসজ্জাৰ দায়িত্বত আছিল ক্ৰমে ৰামেশ্বৰ হাজৰিকা আৰু ভদ্ৰেশ্বৰ চৌধুৰী।

ষষ্ঠ বৰ্ষৰ পৰিক্ৰমা (১৯৯১-৯২) ঃ জনপ্ৰিয় চলচিত্ৰ 'আজলী নবৌ'ৰ আধাৰত মহেন্দ্ৰ বৰঠাকুৰে একে নামত দিয়া নাট্যৰূপ এই বৰ্ষৰ আটাইতকৈ উল্লেখনীয় কৃতি আছিল। প্ৰশান্ত হাজৰিকাৰ পৰিচালনা, বাবুল নাগৰ সংগীত পৰিচালনা, অৰবিন্দ কলিতাৰ আলোক সম্পাত তথা দিলীপ ৰঞ্জন দত্ত, হিৰেণ মেধি, চম্পক শৰ্মা, ইলা কাকতি, চালমী চিদ্দিকী আদিৰ মন পৰশা অভিনয়ৰ বাবে নাটখনে দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। এই বছৰৰ আন নাটসমূহ হৈছে মহেন্দ্ৰ বৰঠাকুৰৰ 'নেদেখা নদীৰ ঘাট', মুনীন বৰুৱাৰ 'শেষ ভাওনাৰ ভাৱৰীয়া' আৰু মহেশ কলিতাৰ 'দেওলগা হাঁহ'। নাটসমূহ পৰিচালনা কৰিছিল প্ৰশান্ত হাজৰিকাই। ষষ্ঠ বছৰৰ আন অভিনেতা-অভিনেত্ৰীসকল হৈছে— প্ৰশান্ত হাজৰিকা, ৰামেশ্বৰ হাজৰিকা, জিতেন বৰা, শশাঙ্ক পাল, তুলসী শইকীয়া, পবিত্ৰ প্ৰাণ বৰা, ৰমেন দত্ত, ৰাণী বেগম, সঙ্গীতা দত্ত, মিনতি শৰ্মা বৰুৱা, আৰু ৰুণুমী পাঠক।

নৃত্য-নাটিকাসমূহ হৈছে যতীন গোস্বামীৰ 'প্ৰভাতী হেঙুল', 'মলুৱাক নিদিবি লাই', 'জোনাকী কাৰেং' আৰু মইনুল হকৰ 'মন্ত্ৰী মহোদয়' (গীতঃ ৰামেশ্বৰ হাজৰিকা)। বাবুল নাগৰ সংগীত পৰিচালনাত কণ্ঠশিল্পীদ্বয় হ'ল সোণেশ্বৰ দাস আৰু চিনু কোঁৱৰ। নৃত্য শিল্পীসকল হৈছে— থানেশ্বৰ কুমাৰ, সহদেৱ দাস, সুনীল কলিতা, ৰঞ্জিৎ দাস, অনুজ কোঁৱৰ, ৰণটি তামুলী, প্ৰতিমা পাঠক, মীনা বৰদলৈ আৰু মমী কলিতা। যন্ত্ৰ সংগীতত সংগত কৰিছিল ৰতন দাস, কৰুণা ৰাভা, প্ৰবীৰ ৰয়, জিণ্টু শইকীয়া, তপেশ্বৰ ৰাভা আৰু মহেন্দ্ৰ খাকলাৰী।

সপ্তম বৰ্ষৰ পৰিক্ৰমা (১৯৯২-৯৩) ঃ এই বছৰৰ নাটসমূহ হ'ল মুনিন বৰুৱাৰ 'সোণমইনা', আৰু 'বৈৰীবন্ধু', মহেন্দ্ৰ বৰঠাকুৰৰ 'ডেকা হাকিম' আৰু 'মাতৃহন্তা পৰশুৰাম'। নাটসমূহ পৰিচালনা কৰিছিল প্ৰশান্ত হাজৰিকাই। নৃত্য নাটিকাসমূহ হৈছে যতীন গোস্বামীৰ 'প্ৰভাতী হেঙুল', বাবুল দাসৰ 'আন্ধাৰৰ বুকু ভেদি' (গীত আৰু সুৰ ঃ জ্যোতিপ্ৰসাদ আগৰৱালা, পাৰ্বতি প্ৰসাদ বৰুৱা, ভূপেন হাজৰিকা, বিষ্ণুৰাভা আৰু বাবুল দাস) আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ কাহিনীৰ আধাৰত বাবুল দাসে নৃত্য-নাটিকাৰূপে সজাই তোলা 'লাটকণ'। এই নৃত্য নাটিকাখনৰ গীতবোৰ ৰচনা কৰিছিল বাবুল দাসে আৰু গীতবোৰত সুৰাৰোপন কৰিছিল ৰতন দাসে।

অষ্টম বৰ্ষৰ পৰিক্ৰমা (১৯৯৩-৯৪) ঃ অষ্টম বৰ্ষত হেঙুল থিয়েটাৰে মঞ্চস্থ কৰা নাটসমূহ হৈছে মহেন্দ্ৰ বৰঠাকুৰৰ 'অপহৰণ', মুনিন বৰুৱাৰ 'অচিন চিনাকি', সেৱাব্ৰত বৰুৱাৰ 'পিঞ্জৰা' আৰু মহেশ কলিতাৰ 'শুকুলা মেঘৰ ছাঁ'। নাটসমূহ পৰিচালনা কৰিছিল প্ৰশান্ত হাজৰিকাই। অভিনেতা-অভিনেত্ৰীসকল হৈছে— প্ৰশান্ত হাজৰিকা, ৰাজীৱ গোস্বামী,

ৰামেশ্বৰ হাজৰিকা, পৰাগ বৰুৱা, কৈলাস শৰ্মা, শশাঙ্ক পাল, অজিত শৰ্মা, তুলসী বৰদলৈ, মৃদুল ভূঞা, সুশান্ত বৰা, জিতু মহন্ত, অৰূপ ভট্টাচাৰ্য, ৰীণা বৰা, মণি দেৱী, ৰাণী বেগম আৰু মামণি কৌৰ।

এই বৰ্ষৰ নৃত্য-নাটিকাসমূহ হৈছে যতীন গোস্বামীৰ দ্বাৰা ৰচিত আৰু পৰিচালিত 'প্ৰভাতী হেঙুল', শ্ৰীনাথ দাসৰ 'জাগৰণ', যতীন্দ্ৰ নাথ দুৱৰাৰ 'কেতেকী' কবিতাটিৰ অৱলম্বনত থানেশ্বৰ কুমাৰে ৰচনা কৰা নৃত্য-নাটিকা 'কেতেকী' আৰু আৰতি দাস বৈৰাগী ৰচিত 'কুল কোঁৱৰ'। সোণেশ্বৰ দাসৰ সংগীত পৰিচালনাত যন্ত্ৰ সংগীতত সংগত কৰা শিল্পীসকল হ'ল— সোনেশ্বৰ দাস, প্ৰবীণ ৰয়, তপেশ্বৰ ৰাভা, অমিতাভ বৰা, পৰমানন্দ ঠাকুৰীয়া আৰু জিণ্টু শইকীয়া। নৃত্য-নাটিকাৰ গীতবোৰৰ সুৰ দিছিল ৰতন দাসে। কণ্ঠ শিল্পী আছিল সোণেশ্বৰ দাস আৰু মিনু শইকীয়া। নৃত্য শিল্পীসকল হৈছে— থানেশ্বৰ কুমাৰ, সুনীল কলিতা, দীপক দুৱৰা, হীৰেন কলিতা, ধীৰেন ৰয়, ৰণটি তামুলী, মমী কলিতা, জ্যোতিকা দাস, ৰুণু কলিতা আৰু ৰমী দাস। আলোক সম্পাতত তৰুণ কলিতা, শব্দত মথুৰা ৰয় আৰু দৃশ্যসজ্জাৰ দায়িত্বত আছিল দ্বিজেন চৌধুৰী। কলা আৰু মঞ্চ পৰিচালনা কৰিছিল ক্ৰমে বলো মণ্ডল আৰু দীপক শইকীয়া, দিলীপ ডেকাই।

নৱম বৰ্ষৰ পৰিক্ৰমা (১৯৯৪-৯৫) ঃ নৱম বৰ্ষত হেঙুলে মঞ্চস্থ কৰা নাটসমূহ হৈছে মহেন্দ্ৰ বৰঠাকুৰৰ 'মাজ নিশাৰ চিএৰ', মুনীন বৰুৱাৰ 'জয় পৰাজয়', সেৱাব্ৰত বৰুৱাৰ 'পথ-উপপথ' আৰু মহেশ কলিতাৰ 'অধিকাৰ'। এই বৰ্ষৰ নৃত্য-নাটিকাসমূহ হ'ল যতীন গোস্বামী ৰচিত আৰু পৰিচালিত 'প্ৰভাতী হেঙুল' আৰু 'মহিষ মৰ্দিনী' (গীত ঃ যতীন গোস্বামী, সুৰ ঃ ৰতন দাস), থানেশ্বৰ কুমাৰৰ দ্বাৰা ৰচিত 'প্ৰেৰণা' আৰু 'খৰিকটীয়া আৰু জলকুঁৱৰী'।

সাম্প্ৰতিক কালত যে দুৰ্নীতি আৰু অনিয়মৰ মাজত চলি থকাবোৰেহে ৰজাঘৰৰ প্ৰিয়পাত্ৰ হয় এনে বিষয় বস্তুৰ আধাৰত ৰচিত সেৱাব্ৰত বৰুৱাৰ 'পথ-উপপথ' নাটখনে এই বছৰত এখন সফল নাট বুলি সমাদৰ লাভ কৰিছিল। ইঞ্জিনীয়াৰ মুকুল দত্তৰ আদৰ্শ নিষ্ঠা আৰু হৰেন বৰা আৰু তেওঁৰ পুত্ৰৰ চৰকাৰী কামত অবৈধ হস্তক্ষেপ— এই সংঘাতৰ মাজেৰে নাট্যকাৰে নাটকৰ কাহিনী আগুৱাই নিছিল। নাটখনত ৰীণা বৰাই অনবদ্য অভিনয় কৰাৰ লগতে পৰাগ বৰুৱা, মৃদুল ভূঞা, অজিত শৰ্মা, পবিত্ৰ বৰুৱা, শশাংক পাল, মঞ্জু বৰদলৈ, দীপিকা দত্ত আদিৰ অভিনয় আছিল অতি সাৱলীল। ৰতন দাসৰ সংগীত আৰু কৰুণা পাঠকৰ আলোক সম্পাতেও নাটখনক জীৱন্ত কৰি তুলিছিল।

একেদৰে মহেন্দ্ৰ বৰঠাকুৰ ৰচিত 'মাজনিশাৰ চিএৰ' আছিল সশস্ত্ৰ বিপ্লৱীৰ দ্বিধাগ্ৰস্ততা, এচামৰ বিশ্বাসঘাতকতা, স্বাধীনতা সংগ্ৰামৰ সৈনিকসকলৰ আদৰ্শ নিষ্ঠাৰ অভাৱ আৰু চৰকাৰী সন্ত্ৰাসৰ বলি কেনেদৰে নিৰীহ লোক হ'বলগা হয় তাক সঠিকভাৱে দাঙি ধৰা এখন সফল নাট। প্ৰশান্ত হাজৰিকাৰ সুদক্ষ পৰিচালনাত ৰীণা বৰা, পৰাগ বৰুৱা, যতীন

বৰা, অজিত শৰ্মা, পূৰৱী শৰ্মা, শশাংক পাল, মৃদুলা ভূঞা, আদিল হুছেইন আদিয়ে চৰিত্ৰানুগত অভিনয় কৰিব পাৰিছিল। সংগীত আৰু আলোকসজ্জাইও নাটখনক অৰ্থবহ কৰি তুলিব পাৰিছিল।

দশম বৰ্ষৰ পৰিক্ৰমা (১৯৯৫-৯৬) ঃ দশম বছৰত হেঙুলে চাৰিখন নাট পৰিবেশন কৰে। নাটসমূহ হৈছে। মহেন্দ্ৰ বৰঠাকুৰৰ 'অগ্নিক্ষণ' আৰু মুনিন বৰুৱাৰ দ্বাৰা ৰচিত তিনিখন নাট ক্ৰমে 'উদ্‌গীৰণ', 'আউসীৰ জোন' আৰু 'বৈৰীবন্ধু'। প্ৰশান্ত হাজৰিকাৰ পৰিচালনাত আটাইকেইখন নাট মঞ্চসফল বুলি বিবেচিত হৈছিল। ইয়াৰ ভিতৰত মুনিন বৰুৱা ৰচিত 'আউসীৰ জোন' নাটখনে দৰ্শকৰ মনত সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। এগৰাকী মাতৃৰ কঠোৰ নিয়মানুৱৰ্তিতাই এখন ঘৰত সৃষ্টি কৰা পৰিবেশ তথা কুমাৰী মাতৃৰ দ্বাৰা প্ৰত্যাখ্যাত পুত্ৰৰ অন্তৰ্দাহক কেন্দ্ৰ কৰি ৰচিত নাটখনত পৰিচালক হাজৰিকাই সুদীৰ্ঘ অভিজ্ঞতাৰ পৰশ বুলাবলৈ সক্ষম হৈছিল। সংগীত পৰিচালক ৰতন দাসৰ অৰ্থবহ সংগীত আৰু অৰবিন্দ কলিতাৰ নিৰ্দেশত আলোক সজ্জাইও নাটখন অধিক সাৱলীল কৰিছিল। মূল চৰিত্ৰত ৰীণা বৰা আৰু মৃদুল ভূঞাৰ অভিনয় আছিল অনবদ্য। একেদৰে মহানন্দ শৰ্মা, পৰাগ বৰুৱা, অজিত শৰ্মা, ৰামেশ্বৰ হাজৰিকা, বিৰাজ বল্লভ, সমীৰ ভূঞা, চালমী চিদ্দিকী, তৃষ্ণা শইকীয়া, সুশীলা দত্ত আদিৰ অভিনয়ো আছিল প্ৰশংসনীয়। এইবছৰৰ আন অভিনেতা-অভিনেত্ৰীসকল হৈছে— শশাংক পাল, পুলক ফুকন, তপন দাস, ৰবীন হাজৰিকা আৰু দীপশিখা বৰা।

এই বৰ্ষৰ নৃত্য নাটিকা কেইখন হৈছে যতীন গোস্বামীৰ 'প্ৰভাতী হেঙুল', মহানন্দ শৰ্মা ৰচিত 'মৰতৰ প্ৰসাদ' (গীত আৰু সুৰ— জ্যোতি প্ৰসাদ আগৰৱালা, পাৰ্বতি প্ৰসাদ বৰুৱা আৰু বিষ্ণু ৰাভা) থানেশ্বৰ কুমাৰৰ 'সংকল্প' আৰু 'প্ৰেৰণা'। ৰতন দাসৰ সংগীত পৰিচালনাত যন্ত্ৰ সংগীতত সংগত কৰিছিল তপেশ্বৰ ৰাভা, ভুৱনেশ্বৰ হালৈ, দিলীপ কুমাৰ দাস আৰু অনুপম ঠাকুৰীয়াই। আনহাতে নৃত্য শিল্পীসকল হ'ল— অনিতা মজুমদাৰ, কমলা কলিতা, ৰুমী দাস, বিষয়া কুমাৰ, থানেশ্বৰ কুমাৰ, দীপক দুৱৰা, ৰমণী ডেকা, বুবুল দাস আৰু অজিত দাস। অজিত দাসৰ কলা নিৰ্দেশনাত ৰূপসজ্জাৰ দায়িত্বত আছিল হাৰুণ আলি। এই বছৰৰ কণ্ঠশিল্পীদ্বয় আছিল ক্ষীৰোদ বৰ্মণ আৰু মিনু শইকীয়া।

একাদশ বৰ্ষৰ পৰিক্ৰমা (১৯৯৫-৯৬) ঃ প্ৰয়াত সাংবাদিক পৰাগ দাসৰ বিতৰ্কিত ৰাজনৈতিক উপন্যাস 'ছাংলট ফেনলা'ৰ একে নামৰ নাট্যৰূপে এইবেলি হেঙুলৰ মঞ্চৰ এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল। মহেন্দ্ৰ বৰঠাকুৰৰ নাট্যৰূপ তথা সঞ্জীৱ হাজৰিকাৰ পৰিচালনাত নাটখনক এক সাহসী প্ৰযোজনা বুলি অভিহিত কৰা হৈছিল। বিষ্ণু খাৰঘৰীয়া, ৰীণা বৰাৰ দৰ্শনীয় অভিনয়ৰ লগতে সুৰভি কটকী, মৃদুল বৰুৱা, মৃদুল ভূঞা, পৰাগ বৰুৱা, দিগন্ত চৌধুৰী, অজিত শৰ্মা, কল্যাণী বায়ন, এনিশা গগৈ আদিয়ে মন পৰশা অভিনয় কৰিছিল। এই বৰ্ষৰ আন অভিনেতা-অভিনেত্ৰীসকল হৈছে শশাংক পাল, ৰাতুল

ভূএগ্ৰা, দুলাল শৰ্মা, প্ৰণৱ শৰ্মা আৰু দিপালী বৈশ্য।

নৃত্য পৰিচালনা কৰিছিল যতীন গোস্বামী আৰু থানেশ্বৰ কুমাৰে। নৃত্যশিল্পীসকল হৈছে ফুলেশ্বৰী পাটগিৰি, জুতিকা দাস, পূৰ্ণিমা দাস, বিষয়া কুমাৰ, অনিমা ডেকা, থানেশ্বৰ কুমাৰ, ৰমণী ডেকা, বুবুল দাস, জিতু শৰ্মা, ৰূপজ্যোতি গগৈ আৰু নলিনী দাস। ৰতন দাসৰ সংগীত পৰিচালনাত যন্ত্ৰ সংগীত বজাইছিল ক্ৰমে হৰেণ দাস, টিকেন পাঠক, হিতেশ ডেকা, দিলীপ দাস, তিলক বৰুৱা, দিলীপ বৰা আৰু ভুবনেশ্বৰ ৰয়ে। কণ্ঠ শিল্পীদ্বয় হ'ল মিনু শইকীয়া আৰু হৰেন দাস। পোহৰ নিৰ্দেশনাত কৰুণা পাঠক আৰু কলা নিৰ্দেশনাৰ দায়িত্বত আছিল যোগেন দাস।

দ্বাদশ বৰ্ষৰ পৰিক্ৰমা (১৯৯৭-৯৮)ঃ সেৱাব্ৰত বৰুৱা ৰচিত আৰু প্ৰশান্ত হাজৰিকা পৰিচালিত 'নাস্তিক' নামৰ নাটখন আছিল ধৰ্মৰ নামত মুনাফাখোৰ সকলৰ সতে প্ৰগতিকামী সত্তাৰ মাজত হোৱা সংঘাতৰ এক কাহিনী। ধৰ্মক লৈ চলা ৰাজনীতি, ব্যৱসায় আদিয়ে যেতিয়া সমাজ জীৱন তছনছ কৰি দিব খোজে তেতিয়া এচামে তাৰ প্ৰতিবাদ কৰে আৰু এনে প্ৰতিবাদী সত্তাবোৰক ধৰ্মৰ ব্যৱসায়ীসকলে নিৰ্মূল কৰিবলৈ সৰ্বত্ৰ প্ৰচেষ্টা চলায়। 'নাস্তিক'ৰ সাহসী ৰচনাই স্বাভাৱিকতে নাটখনক অধিক অৰ্থবহ কৰি তুলিছিল আৰু তৌফিক ৰহমান, পৰাগ বৰুৱা, ৰামেশ্বৰ হাজৰিকা, মৃদুল বৰুৱা, মৃদুল চুতীয়া, চিমি গোস্বামী আদিৰ অভিনয়ে এই সংঘাত অধিক স্বচ্ছ ৰূপত উপস্থাপন কৰিব পাৰিছিল। ৰীণা বৰা, ৰীমা, তৃষ্ণা শইকীয়া, প্ৰণৱ শৰ্মা, শশাংক পাল, ৰাতুল ভূএগ্ৰা, অজিত শৰ্মা আদিৰ অভিনয়ো আছিল চৰিত্ৰানুগত। ৰতন দাসৰ সংগীত, কৰুণা পাঠকৰ আলোক সম্পাত আৰু অজিত দাসৰ কলা-নিৰ্দেশনাই নাটখনক অধিক অৰ্থবহ কৰি তুলিছিল।

যতীন গোস্বামী আৰু থানেশ্বৰ কুমাৰৰ নৃত্য পৰিচালনাত নৃত্য শিল্পীসকল হৈছে ভনিতা বৰ্মন, ববিতা দাস, জোনটি বৰা, বিষয়া কুমাৰ, স্বপ্না দাস, থানেশ্বৰ কুমাৰ, বুবুল দাস, ৰূপজ্যোতি গগৈ, নলিনী দাস, হেমন্ত মেধি আৰু পিংকু ডেকা। ৰতন দাসৰ সংগীত পৰিচালনাত যন্ত্ৰ সংগীত বজাইছিল ক্ৰমে হৰেন দাস, বীৰেন দাস, ৰাজেশ বৰা, যদু নাথ, সুনীল শইকীয়া আৰু সুকুমাৰ ৰয়ে। কণ্ঠ শিল্পীদ্বয় আছিল মিনু শইকীয়া আৰু হৰেন দাস। এই বৰ্ষত সামগ্ৰিকভাৱে নাটসমূহে পৰিচালনা কৰিছিল প্ৰশান্ত হাজৰিকা আৰু সঞ্জীৱ হাজৰিকাই। আনহাতে শিশুশিল্পী পম্পী বৰাৰ অভিনয়ো এই বছৰৰ অন্যতম আকৰ্ষণ আছিল।

ত্ৰয়োদশ বৰ্ষৰ পৰিক্ৰমা (১৯৯৮-৯৯)ঃ মহেন্দ্ৰ বৰঠাকুৰ ৰচিত নাট 'অচল সুঁতি' এই বছৰৰ এখন সাৰ্থক নাটৰূপে বিবেচিত হৈছিল। যুৱ সমাজৰ মাজত সৃষ্ট প্ৰতিবাদী সত্তাৰ যথাযথ ব্যৱহাৰ নোহোৱাৰ ফলত ই যে নৈৰাজ্যকে আকোঁৱালি লয় তাকে লৈ ৰচনা কৰা এই নাটখনত নাট্যকাৰে উচ্চ-নীচৰ সামাজিক ব্যাধি, সামাজিক আৰু ৰাজনৈতিক জীৱনৰ অন্তহীন দুৰ্নীতি আদিক সঠিকভাৱে আলোকপাত কৰিছিল। প্ৰশান্ত হাজৰিকাৰ নিপুণ

পৰিচালনাত সুৰেন মহন্ত, ৰাজীৱ গোস্বামী, মৃদুল চুতীয়া, মিহিৰজ্যোতি বৰুৱা, ৰামেশ্বৰ হাজৰিকা, শশাঙ্ক পাল, পাকিজা বেগম, চিমি গোস্বামী আদিয়ে মন পৰশা অভিনয় কৰিছিল। কৰুণা পাঠকৰ পোহৰ নিৰ্দেশনা আৰু ৰতন দাসৰ সংগীত পৰিচালনাই নাটখনৰ গাম্ভীৰ্যতা বৃদ্ধি কৰিছিল। আন অভিনেতা-অভিনেত্ৰীসকল হ'ল— সৰুকণ বৰা, পবিত্ৰ বৰুৱা, ভূপেন শৰ্মা, দীপক নাথ, ধৰ্মেন্দ্ৰ নাথ, তৃষ্ণা শইকীয়া আৰু কল্যাণী বায়ন।

যতীন গোস্বামী আৰু থানেশ্বৰ কুমাৰৰ নৃত্য পৰিচালনাত নৃত্য পৰিবেশন কৰা শিল্পীসকল হৈছে ভনিতা বৰ্মন, জোনটি বৰা, বিষয়া কুমাৰ, ভন দাস, দীপামণি বৰা, থানেশ্বৰ কুমাৰ, পৱিত্ৰ শইকীয়া, ধ্ৰুৱ কাকতি, হেমন্ত মেধি, অখিল বৰ্মন আৰু প্ৰাঞ্জল শইকীয়া। যন্ত্ৰ-সংগীতৰ শিল্পীসকল হৈছে ৰতন দাস, হিতেশ দাস, ধৰ্মেশ্বৰ ৰয়, ভাইজান বৰা, দীপক কুমাৰ, লাৱণ্য বড়ো আৰু সোণমণি শইকীয়া। এই বৰ্ষৰ গীতিকাৰ সকল হৈছে ক্ৰমে পূৰবী কুমাৰ চৌধুৰী, তৃষ্ণা শইকীয়া আৰু থানেশ্বৰ কুমাৰ।

২০০৪-০৫ নাট্যবৰ্ষ ঃ ২০০৪-২০০৫ নাট্যবৰ্ষত হেঙুল থিয়েটাৰৰ মঞ্চত মঞ্চস্থ হোৱা নাটকেইখন হৈছে মুনিন বৰুৱা ৰচিত আৰু তপন দাস পৰিচালিত 'সপোন যেন এজাক বৰষুণ'; সেৱাব্ৰত বৰুৱা ৰচিত আৰু পৰিচালিত নাট 'দেশ বুলিলে নালাগে আদেশ'; মৃদুল চুতীয়া ৰচিত আৰু পৰিচালিত 'অস্ত্ৰপথ' আৰু মহেন্দ্ৰ বৰঠাকুৰ ৰচিত আৰু সুৰেন মহন্ত পৰিচালিত 'নিশাৰ পোহৰ'। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰীসকল হৈছে সুৰেন মহন্ত, মৃদুল চুতীয়া, দীপন ভৰালী, নিৰঞ্জন দাস, শশাঙ্ক পাল, হিৰু বৰঠাকুৰ, অৰুণ বৰদলৈ, শ্ৰীমন্ত মাধৱ শৰ্মা, দেৱজিৎ বৰা, প্ৰাঞ্জনা দত্ত, মঞ্জু বৰদলৈ আদি। নাটিকাসমূহ হৈছে— 'প্ৰভাতী হেঙুল', বিৰহণি যমুনা', 'আশাৰ প্ৰদীপ' আৰু 'ভদৰীবাই'। সংগীত পৰিচালনা কৰিছিল বাবুল নাগে।

২০০৫-০৬ নাট্যবৰ্ষ ঃ এই বৰ্ষত হেঙুল থিয়েটাৰে তিনিখন নাট মঞ্চস্থ কৰে। নাটসমূহ হৈছে বিদ্যুৎ ভূএগ্ৰা ৰচিত আৰু বিদ্যুৎ চক্ৰৱৰ্তী পৰিচালিত 'অমিতাভৰ অপেক্ষাত', মৃদুল চুতীয়া ৰচিত আৰু পৰিচালিত 'আত্মলিপি' আৰু মহেন্দ্ৰ বৰঠাকুৰ ৰচিত আৰু বিদ্যুৎ চক্ৰৱৰ্তী পৰিচালিত 'আজি'। অভিনেতা-অভিনেত্ৰীসকল হৈছে সুৰেন মহন্ত, মৃদুল চুতীয়া, নিৰঞ্জন দাস, শশাঙ্ক পাল, দ্বীপজ্যোতি বৰুৱা, অৰুণ বৰদলৈ, শ্ৰীমন্ত মাধৱ শৰ্মা, উৰ্মিমালা বৰুৱা, প্ৰণালী শৰ্মা, দেৱজিৎ বৰা, মঞ্জু বৰদলৈ আদি। পৰিৱেশিত নৃত্য-নাটিকা কেইখন হ'ল— 'প্ৰভাতী হেঙুল', 'হেমলেট', 'দেহাজান' আৰু 'পানে মৈ'। সংগীত পৰিচালনা কৰিছিল বাবুল নাগে।

২০০৬-০৭ নাট্যবৰ্ষ ঃ এই বৰ্ষত হেঙুলে মঞ্চস্থ কৰা নাটসমূহ হৈছে মুনিন বৰুৱা ৰচিত আৰু পৰিচালিত 'হীৰা', মৃদুল চুতীয়া ৰচিত আৰু পৰিচালিত 'প্ৰজন্ম' আৰু 'মোৰ শ্ৰদ্ধাৰ প্ৰভু হনুমান' আৰু সেৱাব্ৰত ৰচিত তথা অৰূপ বৰঠাকুৰ পৰিচালিত নাট 'অৰুন্ধতীৰ প্ৰেম'। এই বছৰৰ অভিনেতা-অভিনেত্ৰীসকল হৈছে— মৃদুল চুতীয়া, সুজিৎ শৰ্মা, দীপন

ভৱানী, আইমী বৰুৱা, গিৰিজা শৰ্মা, নিৰঞ্জন দাস, শশাঙ্ক পাল, বিপুল বৰা, অৰুণ বৰদলৈ, শ্ৰীমন্ত মাধৱ শৰ্মা, দেৱজিৎ বৰা, মঞ্জু বৰদলৈ আদি। এই বেলি পৰিৱেশিত নৃত্য-নাটিকা কেইখন হৈছে 'প্ৰভাতী' হেঙুল', 'মহাৰথী কৰ্ণ' আৰু 'বালিঘৰ'। সংগীত পৰিচালনা কৰিছিল বাবুল নাথে।

২০০৭-০৮ নাট্যবৰ্ষ ঃ এই বৰ্ষৰ নাটসমূহ হৈছে মুনিন বৰুৱা ৰচিত আৰু পৰিচালিত 'প্ৰিয়াৰ প্ৰেম', অভিজিৎ ভট্টাচাৰ্য ৰচিত আৰু পৰিচালিত 'মোৰ প্ৰেম, তোমাৰ সেন্দূৰ' আৰু অৰূপ বৰঠাকুৰৰ ৰচনা আৰু পৰিচালনাৰ এখনি নাট 'হৃদয় এখনি নৈ'। নাটসমূহৰ অভিনেতা-অভিনেত্ৰী সকল হৈছে— সুজিত শৰ্মা, ৰবি শৰ্মা, মৈত্ৰেয়ী প্ৰিয়দৰ্শিনী, প্ৰিয়ংকা বৰুৱা, পদ্মৰাগ গোস্বামী, শশাঙ্ক পাল, শ্ৰীমন্ত মাধৱ শৰ্মা, দেৱজিৎ বৰা, মঞ্জু বৰদলৈ আদি। উল্লেখ্য যে হেঙুল থিয়েটাৰে কাৰিকৰী নিৰ্দেশনাৰ ক্ষেত্ৰত এই বৰ্ষত এক নতুন চমক প্ৰদৰ্শন কৰিছিল। 'মোৰ প্ৰেম তোমাৰ সেন্দূৰ' নামৰ নাটখনিত ভ্ৰাম্যমাণৰ মঞ্চত প্ৰথমবাৰৰ বাবে 'ৰোপৱে' ব্যৱহাৰ কৰা হৈছিল। এই বৰ্ষত পৰিবেশিত নৃত্য নাটিকাসমূহ সমূহ হৈছে— 'প্ৰভাতী হেঙুল', 'ৰূপহী গাঁৱৰ ৰূপালী' আৰু 'তিলোত্তমা'। সংগীত পৰিচালনা কৰিছিল বাবুল নাগ আৰু পলাশ গগৈয়ে।

২০০৮-০৯ নাট্যবৰ্ষ ঃ এইবেলি হেঙুলৰ মঞ্চত মুঠতে তিনিখন নাট মঞ্চস্থ হয়। নাট সমূহ হৈছে মুনিন বৰুৱা ৰচিত আৰু পৰিচালিত 'অপ্ৰিয়', অভিজিৎ ভট্টাচাৰ্য ৰচিত আৰু পৰিচালিত দুখন নাট ক্ৰমে 'চকু' আৰু '১৯৯৯ মাথো প্ৰেমৰ বাবে'। এই বৰ্ষত হেঙুলে কাৰিকৰী কৌশলৰ ক্ষেত্ৰত চমক সৃষ্টিৰ ধাৰা অব্যাহত ৰাখিছিল। দৃশ্যসজ্জাবোৰত লিফ্‌ট, যুদ্ধৰ টেংক আদি ব্যৱহাৰ কৰাৰ লগতে আৱহ সংগীতবো প্ৰয়োগ কৰা হৈছিল। এই বছৰৰ অভিনেতা-অভিনেত্ৰীসকল হৈছে ৰবি শৰ্মা, সংগীতা, মনীষা ৰাগিনী, পদ্মৰাগ গোস্বামী, ৰাজীৱ গোস্বামী, শশাঙ্ক পাল, শ্ৰীমন্ত মাধৱ শৰ্মা, দেৱজিৎ বৰা, যদু বৰদলৈ আদি। পৰিবেশিত নৃত্য-নাটিকা দুখন হ'ল 'প্ৰভাতী হেঙুল' আৰু 'ধনচেং'। সংগীত পৰিচালনা কৰিছিল পলাশ গগৈয়ে।

দেৱদাসী থিয়েটাৰ

১৯৮৬-৮৭ বৰ্ষত পাঠশালা চহৰৰ নিকটৱৰ্তী হেলনাৰ পৰা বৰ হৰফেৰে নগেন লহকৰে আৰম্ভ কৰে 'দেৱদাসী থিয়েটাৰ'। প্ৰযোজক নগেন লহকৰে আৰম্ভ কৰা এই নাট্যদলটি তিনিটা বছৰৰ পৰিক্ৰমাৰ অন্তত বন্ধ হৈ পৰে। প্ৰথম বৰ্ষত দেৱদাসী থিয়েটাৰে মঞ্চস্থ কৰা উল্লেখনীয় নাট তিনিখন আছিল 'নবীন মাষ্টৰ', 'ময়ূৰপংক্ষী' আৰু 'আই'। নৃত্য-নাটিকা কেইখন হ'ল— 'পাৰিজাত হৰণ', 'উষা চিত্ৰলেখা' আদি। হেমন্ত দত্ত, তৌফিক ৰহমান, ৰেবা ফুকন সমৃদ্ধ দেৱদাসী থিয়েটাৰৰ প্ৰাৰম্ভিক বৰ্ষৰ নাট 'নবীন মাষ্টৰ'এ দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। নাম ভূমিকাত হেমন্ত দত্তৰ অভিনয় আছিল অনবদ্য।

দ্বিতীয় বৰ্ষত (১৯৮৮৭-৮৮) দেৱদাসী থিয়েটাৰে চাৰিখন নাট মঞ্চস্থ কৰে। এই নাটকেইখন হ'ল ভবেন বৰুৱাৰ 'কাকলী প্ৰভাদেৱী', উগ্ৰ মেনাৰ 'ৰূপৱান', নগেন নাথৰ 'শংকৰ হুছেইন' আৰু ভবেন বৰুৱাৰ 'সুবৰ্ণ সন্ধান'। নাটসমূহ পৰিচালনা কৰিছিল ভবেন বৰুৱা আৰু উগ্ৰ মেনাই। এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন আছিল 'সূৰ্য-সপোন', অমৰজ্যোতি', 'পাৰিজাত হৰণ' আদি। নৃত্য পৰিচালনা কৰিছিল ৰমণী হাজৰিকা আৰু মহেন্দ্ৰ ৰাজবংশীয়ে। সংগীত পৰিচালনা কৰিছিল নৰেন দাস আৰু নাৰায়ণ ৰয়ে।

তৃতীয় বৰ্ষৰ (১৯৮৮-৮৯) নাট্য পৰিক্ৰমাত দেৱদাসী থিয়েটাৰে উগ্ৰ মেনাৰ পৰিচালনাত চাৰিখন নাট মঞ্চস্থ কৰে। এই নাটসমূহ হ'ল 'মেঘনাদ বধ', 'বিমল প্ৰেমৰ প্ৰতীক', 'ৰূপবান' আৰু বিক্ৰমাদিত্য'। এই বৰ্ষৰ নৃত্য আৰু সংগীত পৰিচালক আছিল ক্ৰমে ৰমণী হাজৰিকা আৰু মুৰাৰী শৰ্মা।

নটসূৰ্য বিষ্ণুজ্যোতি থিয়েটাৰ

১৯৯০ চনত পাঠশালা কায়স্থপাৰাৰ প্ৰতিভাৱান শিল্পী কল্প কুমাৰ কাকতিৰ প্ৰযোজনাত পাঠশালাত নটসূৰ্য বিষ্ণুজ্যোতি নাট্যগোষ্ঠীৰ জন্ম হয়। পাঠশালাৰ মনোৰঞ্জন দাস, লাৱণ্য কলিতা, নৰেন চৌধুৰী, ৰামনাথ কাকতি, অতুল কাকতি, নৃপেন কলিতা, সদা বৈশ্য, ভূপেনলাল দাস, মনু কাকতি, ধীৰেন তালুকদাৰ আদি ব্যক্তিৰ সহযোগত গঢ় লৈ উঠা দলটিৰ দ্বিতীয় বৰ্ষত নাম সলনি হয় আৰু দলটি 'নাট্যগোষ্ঠী'ৰ সলনি 'থিয়েটাৰ'লৈ ৰূপান্তৰিত হয়। ১৯৯৬ চনত দলটিৰ নাম পুনৰ সলনি হৈ 'আলিঙ্গন থিয়েটাৰ' ৰূপে পৰিচিতি লাভ কৰে।

অসম ৰাজ্যিক সংগীত মহাবিদ্যায়ৰ ছাত্ৰ কল্প কুমাৰ কাকতিয়ে উক্ত মহাবিদ্যালয়ত পঢ়ি থকা সময়ছোৱাতে যাত্ৰা দলৰ প্ৰতি আকৰ্ষিত হয় আৰু পৰৱৰ্তী সময়ত ভ্ৰাম্যমাণ থিয়েটাৰৰ এগৰাকী সুনিপুণ অভিনেতাৰূপে নিজকে প্ৰতিষ্ঠা কৰে। অসম ষ্টাৰ থিয়েটাৰ, অনিৰ্বাণ, আৰাধনা, দিব্যবাণী, নিউ নটৰাজ, পৰিহৰেশ্বৰ, ভাগ্যদেৱী, সুৰদেৱী আদি থিয়েটাৰত অভিনয় শিল্পীৰূপে সমাদৰ লাভ কৰা কাকতিয়ে সম্পূৰ্ণ ব্যক্তিগত আৰ্থিক সমলেৰে থিয়েটাৰ দলটিৰ জন্ম দিয়ে। এই ক্ষেত্ৰত তেওঁ কোনোধৰণৰ আৰ্থিক সাহায্য বা ঋণ আদি গ্ৰহণ কৰা নাছিল।

প্ৰথম বছৰৰ পৰিক্ৰমা (১৯৯০-৯১) ঃ ১৯৯০ বৰ্ষত ভ্ৰাম্যমাণ থিয়েটাৰ দলটিয়ে মূলত তিনিখন নাটক মঞ্চস্থ কৰে। কল্প কুমাৰ কাকতিৰ 'আকৌ জয়মতী' আৰু 'অভিশপ্ত শংকৰ-মাধৱ' নাট দুখনৰ উপৰি 'এজন কৃষ্ণৰ জন্ম' নামৰ এখন অভিযোজিত নাটক উক্ত বৰ্ষত প্ৰদৰ্শিত হৈছিল। মূল বঙালী নাটৰ পৰা কাকতিয়ে নিজে অসমীয়া অভিযোজনা কৰিছিল। উক্ত বৰ্ষত কাকতিৰ লগতে অনিল ৰয়ে নাট পৰিচালনা কৰিছিল। নটসূৰ্য বিষ্ণু-জ্যোতি থিয়েটাৰৰ প্ৰথম বছৰৰ অভিনেতা-অভিনেত্ৰী সকল আছিল— অনিল ৰয়, সদা বৈশ্য, মনু কাকতি, ধীৰেন তালুকদাৰ, ভূপেনলাল দাস, ঘনা দাস, কমল দাস, নীলিমা দাস, হিৰণ্য ৰয়, গোবিন্দ ৰয়, নৃপেন কলিতা আদি। প্ৰথম বৰ্ষৰ নৃত্য-নাটিকা সমূহ আছিল ক্ৰমে নটসূৰ্য বিষ্ণু-জ্যোতি (ৰচনা ঃ ৰবীন দাস), ৰূপহী গাঁৱৰ কাহিনী (ৰচনা ঃ ভূপেন দাস) আৰু ওলট-পালট (ৰচনা ঃ ৰিদীপ দত্ত)। নৃত্য-নাটিকা কেইখনৰ নৃত্য পৰিচালনাৰ দায়িত্ব লৈছিল কল্প কাকতি আৰু ঘনশ্যাম বড়োৱে। আনহাতে সংগীত পৰিচালক আছিল অনন্ত দেউৰী আৰু ভূপেনলাল দাস। সংগীত শিল্পীসকল আছিল ক্ৰমে ভূপেন, ঘনশ্যাম, অনন্ত, তৰুণী, কামদত্ত আদি। নৃত্য শিল্পী সকল আছিল ঘনশ্যাম বড়ো, নিলো দাস, মনো

দাস আদি। আলোক শিল্পীৰূপে দ্বিজেন দাসে কাম কৰিছিল। প্ৰথম বছৰৰ আন কলা-কুশলীসকল আছিল দেবেন দাস, মনোজ, ধীৰেন, ডিম্বে আদি।

দ্বিতীয় বছৰৰ পৰিক্ৰমা (১৯৯১-৯২) ঃ দ্বিতীয় বৰ্ষত এই থিয়েটাৰ দলটিয়ে ভবেন বৰুৱা ৰচিত আৰু পৰিচালিত 'গধূলিৰ চিতাজুই' নামৰ নাটখন মঞ্চস্থ কৰে। কল্প কাকতি ৰচিত দুখন নাট ক্ৰমে 'অমৃতৰ সন্ধান' আৰু 'জীয়া জুইৰ ফিৰিঙতি' দ্বিতীয় বৰ্ষত মঞ্চলৈ অনা হয়। এই তিনিখন নাটৰ লগতে 'ৰুদ্ৰ বিনীতা' এখন অনূদিত নাটক সেই বৰ্ষত এই থিয়েটাৰ দলটিয়ে গ্ৰহণ কৰে। এই বৰ্ষৰ অভিনয় শিল্পীসকল আছিল অনিল ৰয়, দুলাল চৌধুৰী, ভবেশ বৰুৱা, ভানু ৰাজবংশী, নীলিমা দাস আদি। গণেশ দাস আৰু দিলীপ দাসৰ ৰচনা আৰু পৰিচালনাৰে ৩ খন নৃত্য-নাটিকা ক্ৰমে 'বিষ্ণু-জ্যোতি', 'সূৰ্যমুখী' আৰু 'আমি অসমীয়া' নটসূৰ্য বিষ্ণু-জ্যোতি থিয়েটাৰত প্ৰদৰ্শিত হয়। নৃত্য শিল্পী অথবা সংগীত শিল্পীৰূপে আছিল ভবেশ, ৰত্ন, ধন, পৰেশ আদি। মনোজ শৰ্মা আৰু অৰুণ চৌধুৰীয়ে সম্পাদক আৰু আলোচক শিল্পীৰ দায়িত্বভাৰ লৈছিল। মঞ্চসজ্জাত আছিল উমা, দেবেন, ভবেন, মনো, খগেন আদি শিল্পীবৃন্দ।

তৃতীয় বছৰৰ পৰিক্ৰমা (১৯৯২-৯৩) ঃ এই বৰ্ষত চাৰিখন নাটক ক্ৰমে 'পৰিচয়' (ৰচনা ঃ প্ৰফুল্ল বৰা, পৰিচালনা ঃ অনিল ৰয়), 'ফুলচন্দন' (ৰচনা আৰু পৰিচালনা ঃ হেমেন শৰ্মা), অশুদ্ধ ৰামায়ণ (ৰচনা আৰু পৰিচালনা ঃ কল্প কাকতি) আৰু 'বদনামী গাভৰু' (ৰচনা আৰু পৰিচালনা ঃ ৰুদ্ৰ চৌধুৰী) মঞ্চস্থ হয়। এই বছৰৰ অভিনয় শিল্পীসকল আছিল ক্ৰমে— ৰুদ্ৰ চৌধুৰী, হিৰণ দাস, সমীৰণ ভট্ট, দুলাল চৌধুৰী, অনিল ৰয়, কল্প কাকতি, মনোজ মুদিয়াৰ, অনুস্মিতা, ভানু আদি। 'বিষ্ণু-জ্যোতি', 'মানুহে মানুহৰ বাবে', 'নদী আৰু নাও' আৰু 'হিয়াৰ প্ৰেম' নামৰ চাৰিখনকৈ নৃত্য-নাটিকা তৃতীয় বৰ্ষত প্ৰদৰ্শিত হয়। এই বৰ্ষৰ উল্লেখযোগ্য সংগীত শিল্পী আছিল সৰ্বা বড়ো। সম্পাদক হিচাপে দায়িত্ব নিৰ্বাহ কৰিছিল উমেশ শৰ্মাই।

চতুৰ্থ বছৰৰ পৰিক্ৰমা (১৯৯৩-৯৪) ঃ চতুৰ্থ বছৰত তিনিখন নাটক ক্ৰমে 'সংসাৰ নকৰাই ভাল' (ৰচনা আৰু পৰিচালনা ঃ ভবেশ বৰুৱা), 'ধৰ্ম সাক্ষী' (ৰচনা ঃ প্ৰফুল্ল বৰা, পৰিচালনা ঃ অনিল ৰয়), আৰু 'ভাওনাৰ শেষ' (ৰচনা আৰু পৰিচালনা ঃ ৰাম নাৰায়ণ গোস্বামী) মঞ্চস্থ হয়। মনোজ মুদিয়াৰ, চন্দ্ৰ শৰ্মা, মায়া বৰ্মণ, মনীষা শইকীয়া, সমীৰ ভট্ট, সীতা দেৱী আদি অভিনয় শিল্পীয়ে এই বৰ্ষত অভিনয় শিল্পীৰূপে আছিল।

পঞ্চম বছৰৰ পৰিক্ৰমা (১৯৯৪-৯৫) ঃ এই বৰ্ষত 'ছাহজাহান আজিও কান্দে' (ৰচনা আৰু পৰিচালনা ঃ কল্প কাকতি), 'বিজুলী বাই' (ৰচনা আৰু পৰিচালনা ঃ তাৰিণী ডেকা) নামৰ নাট দুখন মঞ্চস্থ কৰা হয়। ৰুদ্ৰ চৌধুৰী, দিলোৱাৰ হুছেইন, শান খান, চন্দ্ৰ শৰ্মা, বিভূতি, বিজু ভট্ট, ভবেশ দাস, মনোমতি, অৰ্চনা, অনু, নিভা শইকীয়া আদি শিল্পীয়ে এই বৰ্ষত অভিনয় কৰে।

ষষ্ঠ বছৰৰ পৰিক্ৰমা (১৯৯৫-৯৬) ঃ এই বৰ্ষত নগেন নাথ আৰু কল্প কুমাৰ কাকতিৰ নাটক পৰিবেশিত হয়। নগেন নাথ আৰু ৰঞ্জিত দে' এই বছৰত নাটসমূহ পৰিচালনা কৰিছিল। পঞ্চম বৰ্ষৰ শিল্পী, কলা-কুশলীসকলৰ কেইজনমানৰহে এই বৰ্ষত সালসলনি ঘটে।

অন্তিম বছৰৰ পৰিক্ৰমা (১৯৯৬-৯৭) ঃ এই বছৰ আছিল নটসূৰ্য বিষ্ণু-জ্যোতি থিয়েটাৰৰ অন্তিম বৰ্ষ। ৰঞ্জিত দেৱৰ ৰচনা আৰু পৰিচালনাৰে 'ভিক্ষাৰী ভগৱান' আৰু নগেন নাথৰ 'গাঁৱলীয়া মানুহ' নামৰ নাট দুখন এই বৰ্ষত প্ৰদৰ্শিত হয়। বিভিন্ন আৰ্থিক সমস্যাৰ পৰিপ্ৰেক্ষিতত তথা ব্যৱস্থাপনাৰ চূড়ান্ত বেমেজালিৰ হেতু ১৯৯৬ চনত এই থিয়েটাৰ দলটিয়ে ইয়াৰ পৰিক্ৰমা সামৰিব লগা হয়। উল্লেখ্য যে এই দলটিৰ প্ৰতীক চিহ্নত আছিল ফণী শৰ্মা, বিষ্ণু ৰাভা আৰু জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ মুখমণ্ডল।

জয় জোৱান জয় কিষাণ থিয়েটাৰ

নলবাৰী জিলাৰ টিহুৰ সমীপৱৰ্তী মাখিবাহা গাঁৱত ১৯৯৫ চনত এটি ভ্ৰাম্যমাণ নাট্যদলৰ জন্ম হয়। পশ্চিম নলবাৰী নাট্য বিকাশ গোষ্ঠীৰূপে নাট্যজগতত ভূমুকি মৰা এই দলটিয়ে 'জয় জোৱান জয় কিষাণ' নামেৰে পাছলৈ আত্মপ্ৰকাশ কৰে। প্ৰাক্তন বায়ুসেনা মাখিবাহা গাঁৱৰে মুকুল শৰ্মাৰ প্ৰযোজনাত আৰম্ভ হোৱা এই দলটিৰ প্ৰতিষ্ঠাৰ সতে জড়িত ব্যক্তিসকল আছিল ক্ৰমে ঁশিবেন্দ্ৰ মোহন শৰ্মা, ধীৰেন হাজৰিকা, ভৈৰৱ শৰ্মা, গোকুল শৰ্মা, বিচিত্ৰ শৰ্মা, হেমন্ত মেধি, সভা পাঠক, গুৰু দাস আদি লোকসকল।

১৯৯৫ বৰ্ষৰ পৰা নাট পৰিবেশন আৰম্ভ কৰা এই ভ্ৰাম্যমাণ দলটি প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত লাল বাহাদুৰ শাস্ত্ৰীৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাধীন ভাৰত গঢ়াৰ মন্ত্ৰণাত আকৃষ্ট হৈ গঢ় লৈ উঠিছিল। প্ৰাৰম্ভিক বৰ্ষত এই দলটিৰ নাটসমূহ আছিল 'জয় মা দক্ষিণা কালী' (ৰচনা ঃ মুকুল শৰ্মা, পৰিচালনা ঃ হেমন্ত মেধি), 'পগলা মানুহ' (ৰচনা ঃ নগেন নাথ, পৰিচালনা ঃ মুকুল শৰ্মা) আৰু 'পপীয়া তৰা' (ৰচনা ঃ মোহন বৰ্মন, পৰিচালনা ঃ মুকুল শৰ্মা)। এই বৰ্ষৰ নৃত্য-নাটিকা দুখন আছিল 'জয় জোৱান জয় কিষাণ' (ৰচনা ঃ মুকুল শৰ্মা, সংগীত পৰিচালনা ঃ নিৰেন বৰ্মন) আৰু ৰংমন ৰূপহী (ৰচনা ঃ গুৰু দাস, সংগীত পৰিচালনা ঃ নিৰেন বৰ্মন)। প্ৰাৰম্ভিক বৰ্ষৰ অভিনয় শিল্পীসকল আছিল— গকুল শৰ্মা, সুৰেন শইকীয়া,ভৈৰৱ শৰ্মা, দিগন্ত শৰ্মা, হৰিপদ হালৈ, সবিতা দাস, চানমণি দাস, কবিতা দাস, মীনা দাস আদি। সংগীত শিল্পীৰূপে আছিল সুভাষ শৰ্মা আৰু কণিকা দেৱী। আলোক সজ্জাৰ দায়িত্বত আছিল বিজু দাস আৰু অকণ হালৈ। সভা পাঠক আৰু কল্প হালৈ আছিল উক্ত বৰ্ষৰ আয়োজক তথা সংগঠক।

পৰৱৰ্তী তেৰটা বছৰ বিভিন্ন ঘাত-প্ৰতিঘাতেৰে নাট পৰিবেশন কৰা দলটিয়ে স্মৰণিকা প্ৰকাশৰ কোনো ব্যৱস্থা হাতত লোৱা নাছিল। তদুপৰি পৰিবেশিত নাট, নৃত্য-নাটিকা, শিল্পী, কলা-কুশলীসবৰ তথ্যসমূহ সুচাৰুৰূপে সংগ্ৰহ কৰি ৰখাৰো কোনো ব্যৱস্থা লোৱা নাছিল, বেছিভাগ তথ্য বৰ্তমানৰ প্ৰযোজক বিকাশ শৰ্মাই অনুমানৰ ভিত্তিত দিব লগা হৈছিল। পৰৱৰ্তী বৰ্ষবোৰত পৰিবেশন কৰা নাটসমূহ আছিল— জয় মা দক্ষিণা কালী, জয় জোৱান জয় কিষাণ, অভিশপ্ত ১৯৫০, সন্তৰামী যুগে যুগে, মুক্তি বাহিনী জিন্দাবাদ, অসম মাতৃৰ প্ৰতাৰক সন্তান আদি। পৰিচালকসকল আছিল ক্ৰমে ঁশিবেন্দ্ৰ মোহন শৰ্মা, হেমন্ত মেধি, শশী ভট্ট, অঞ্জন তালুকদাৰ, নৱ হালৈ, মুকুল শৰ্মা আৰু জয়ন্ত তালুকদাৰ। অভিনয় শিল্পীসকল হ'ল— ভৈৰৱ শৰ্মা, বিচিত্ৰ শৰ্মা, দিগন্ত শৰ্মা, জয়ন্ত তালুকদাৰ,

প্ৰদীপ শইকীয়া, সনাতন কলিতা, সুৰেন শইকীয়া, নিৰেন বৰ্মন গকুল শৰ্মা ইত্যাদি। গুৰু দাস, ভৈৰব শৰ্মা, তপন কলিতা, সুৰেন কলিতা, সোণকণ শৰ্মা আদিয়ে নৃত্য শিল্পীৰূপে এই দলত নৃত্য পৰিবেশন কৰিছিল। এই তেৰটা বৰ্ষৰ বিভিন্ন সময়ত সম্পাদকৰ দায়িত্ব বহন কৰিছে গোকুল শৰ্মা, ভৈৰব শৰ্মা, বিচিত্ৰ শৰ্মা, জয়ন্ত তালুকদাৰ, দিগন্ত শৰ্মা আদি ব্যক্তিসকলে। মঞ্চশিল্পীৰূপে সেৱা আগবঢ়াই আহিছে সুৰেন কলিতা, সোণকণ শৰ্মা আদি লোকসকলে।

এই ভ্ৰাম্যমাণ দলটিৰ প্ৰতীক চিহ্ন হৈছে বাওঁফালে জোৱান আৰু কৃষকৰ যোগ্য প্ৰতিনিধি লাল বাহাদুৰ শাস্ত্ৰী, সোঁমাজত নটৰাজৰ প্ৰতিমূৰ্তি আৰু সোঁফালে এজন প্ৰয়াত স্বভাৱ শিল্পীৰ চিত্ৰ (পৰিৱৰ্তিত)। গ্ৰাম্য কলা-কুশলী, শিল্পী, নাট্যকাৰ আদিৰ সমাহাৰেৰে গঢ়ি উঠা এই দলটিয়ে ইয়াৰ যাত্ৰাপথত কাহানিও চিনেমা বা চিৰিয়েলৰ শিল্পী আমদানি কৰা নাছিল। এক আৰ্থিক দোমোজাত পৰি এই দলটিৰ নাট পৰিৱেশন বিগত কেইটামান বৰ্ষৰ পৰা বন্ধ হৈ আছে।

অমলতৰা থিয়েটাৰ

১৯৯৭ চনত নাহৰণিত প্ৰথমবাৰৰ বাবে চাহ শ্ৰমিকৰ ভাষা-সংস্কৃতি আৰু শিল্পীৰে 'অমলতৰা থিয়েটাৰ' গঢ় লৈ উঠে। এই নাট্যদলৰ লগত জড়িত ব্যক্তিসকল আছিল ক্ৰমে অভিজিৎ গগৈ, লবিন দাস, তৰুণ বৰুৱা, টিংৰাজ ওৰাং, আমেৰিকা মুৰ্মু, গজৰাজ গড়, ধনু কন্দ, সঞ্জয় চবৰ, ৰঘুবীৰ গড়, হিতু কাৱাৰ, দ্বীপেন গোঁহাই, প্ৰকাশ গড়, জগদীশ কেওট, ৰতন তেলি, সুনীল গড়, প্ৰবীণ খনিকৰ, কুন্তী গড়, সুশীলা তৰাং, তাৰা ফুলমালি, চবিতা গড়, ৰুমী তৰাং, নগেন গোৱালা, পদ্মেশ্বৰ কেওট, দাৰা তাঁতী, মণ্টু দত্ত, মৰমী গগৈ আদি।

মহেশ কলিতাৰ 'সপোন কন্যা' নামৰ নাটখন চাহ জনগোষ্ঠীৰ লোকসকলে বুজিব পৰাকৈ 'সপোনেৰ কন্যা' নামেৰে সম্পাদিত কৰি লোৱা হয়। 'চুমকি মইনা' নামৰ এখনি নাটিকাও এই দলটিয়ে গ্ৰহণ কৰিছিল। প্ৰায়ে আঢ়ৈ মাহ কাল ধৰি আখৰা কৰাৰ পাছত ১৯৯৭ চনৰ ৫ ফেব্ৰুৱাৰীত কঁঠালনী চাহ বাগিচাত পোন প্ৰথম নাট প্ৰদৰ্শন কৰা হয়। প্ৰথম বছৰত এখন নাটক আৰু নাটিকা লৈ এটা নিশা প্ৰদৰ্শনীৰে ৯ খন চাহ-বাগিচাত পৰীক্ষামূলকভাৱে নাট প্ৰদৰ্শন কৰা হয়।

এই দলটিৰ প্ৰযোজক ৩ জন আছিল ক্ৰমে অভিজিৎ গগৈ, লবিন দাস আৰু মনোজ বৰগোহাঞি। প্ৰথমবৰ্ষৰ অভিনেতা-অভিনেত্ৰীসকল আছিল আমেৰিকা মুৰ্মু, ধনু কন্দ, ৰঘুবীৰ গড়, ৰাধিকা গোৱালা, কুন্তী গড়, সুশীলা ওৰাং, তাৰা ফুলমালি, চবিতা গড়, পদ্মা তেলী, ৰুমী ওৰাং আদি প্ৰতিষ্ঠাৰ লগত জড়িত প্ৰায়সংখ্যক ব্যক্তিয়েই।

প্ৰথম বৰ্ষৰ সফলতাৰ পিছত দ্বিতীয় বৰ্ষত দুটা প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হয়। 'সপোনেৰ কন্যা' আৰু অভিজিৎ গগৈৰ 'প্ৰেম বন্ধন' নামৰ দুখন নাট লোৱা হয়। নাটিকা ৰূপে প্ৰদৰ্শন কৰা হয় 'অমলতৰা' আৰু নাগকন্যা' নামৰ নৃত্য নাটিকা দুখন। এই বৰ্ষত অমলতৰা থিয়েটাৰে মূলত ডিব্ৰুগড়, তিনিচুকীয়া আৰু শিৱসাগৰ জিলাৰ বাগিচাসমূহত নাট প্ৰদৰ্শন কৰে।

তৃতীয় বৰ্ষত অমলতৰা থিয়েটাৰে তিনিখন নাট প্ৰদৰ্শন কৰে। পূৰ্বৰ 'সপোনেৰ কন্যা'ৰ লগতে ভবেন বৰুৱাৰ 'পূজাৰ ফুল' আৰু পৰীক্ষিত হাঁলৈৰ মূল কাহিনীৰ অভিজিৎ গগৈৰ নাট্যৰূপ 'মঙলু চৰ্দাৰ' উজনিৰ জিলা তিনিখনত প্ৰদৰ্শিত হয়। ১৯৯৯ চনৰ ডিচেম্বৰৰ পৰা বাগিচাক বাদ দি গাঁৱত নাট প্ৰদৰ্শন কৰিবলৈ লোৱা হয়। মূলত চাহ মজদুৰ সংঘ, বাগিচাৰ শ্ৰমিক আৰু বাগিচাৰ মালিকপক্ষৰ পৰা যথাযথ সঁহাৰি লাভ নকৰাৰ ফলশ্ৰুতিত এই দলটিয়ে তৃতীয় বৰ্ষৰ পাছত ইয়াৰ ভ্ৰাম্যমাণ যাত্ৰা সামৰিবলৈ বাধ্য হয়।

পৰৱৰ্তী সময়ত অমলতৰা থিয়েটাৰৰ অনুকৰণত 'বিনন্দিনী' আৰু 'নয়নতৰা' নামৰ দুখন থিয়েটাৰ গঢ়ি উঠে যদিও তেওঁলোকৰ যাত্ৰাও সফলকাম হ'ব নোৱাৰিলে।

বৰদৈচিলা থিয়েটাৰ

১৯৯৮ চনত নলবাৰী চহৰত আত্মপ্ৰকাশ কৰে বৰদৈচিলা থিয়েটাৰ নামৰ এক নতুন নাট্যগোষ্ঠীয়ে। অসমৰ সাংস্কৃতিক ইতিহাস বিভিন্ন দিশেৰে চহকী কৰি অহা নলবাৰীৰ মাজ মজিয়াত গঢ়ি উঠা এই দলটিৰ প্ৰতিষ্ঠাপক প্ৰযোজক হ'ল নজৰুল ইছলাম। ১৯৫৪ খ্ৰীষ্টাব্দৰ ১ মাৰ্চত জন্ম গ্ৰহণ কৰা নজৰুল ইছলামে প্ৰয়াত ভবেন বৰুৱা, নুৰুল ইছলাম, চন্দ্ৰ কলিতা আদিৰ লেখীয়া ব্যক্তিৰ উপদেশ আৰু উৎসাহৰ জোৰত দলটি প্ৰতিষ্ঠা কৰে।

প্ৰথম বৰ্ষৰ পৰিক্ৰমা (১৯৯৮-৯৯) ঃ প্ৰাৰম্ভিক বৰ্ষত বৰদৈচিলা থিয়েটাৰে চাৰিখন নাট মঞ্চস্থ কৰে। এই নাটসমূহ হ'ল সেৱাব্ৰত বৰুৱা ৰচিত আৰু পৰিচালিত 'দখল', ভবেন বৰুৱা ৰচিত আৰু পৰিচালিত 'অভাগিনী', মুনিন বৰুৱা ৰচিত আৰু পৰিচালিত 'যোদ্ধা' আৰু পবিত্ৰ কুমাৰ ডেকাই নাট্যৰূপ দিয়া 'ড° বেজবৰুৱা'। এই নাটখন পৰিচালনা কৰিছিল তৌফিক ৰহমানে।

এই বৰ্ষৰ 'দখল' নাটখনিয়ে ভ্ৰাম্যমাণৰ নাট্য পৰম্পৰাত এক নতুনত্বৰ জোৱাৰ আনিবলৈ সক্ষম হৈছিল। নাট্যকাৰ সেৱাব্ৰত বৰুৱাই অতি সাৱলীলভাৱে নিবনুৱা সমস্যা, মানুহৰ মাজত বিশ্বাস-অবিশ্বাস আদিৰ দোমোজা, লোক-সংস্কৃতিৰ সুৰক্ষা আদি বিষয় নাটখনত দাঙি ধৰিছিল। লোক-সংগীতৰ সু-প্ৰয়োগেৰে সংগীত পৰিচালক দিবাকৰ ডেকাই নাটখনিক অধিক আকৰ্ষণীয় কৰি তুলিছিল। ক্ষীতিশ শৰ্মাৰ আলোক নিৰ্দেশনা আৰু অজিত দাসৰ কলা নিৰ্দেশনায়ো নাটখনৰ নান্দনিক সৌন্দৰ্য বঢ়াইছিল। তৌফিক ৰহমান আৰু ভবেশ বৰুৱাই নাটখনত মন চুই যোৱা অভিনয় কৰিছিল। দুটি নাৰী চৰিত্ৰত বন্তি বৰুৱা আৰু প্ৰাঞ্জনা দত্তই অতি সাৱলীল অভিনয় কৰিছিল। আন চৰিত্ৰবোৰত বিপুল বৰা, পবিত্ৰপ্ৰাণ বৰা, হৰেন মালাকাৰ, মুন বৰকটকী, ভাস্কৰ বৰা, নৱনিতা বৰা, হিৰণ্য নেওগ, দুলাল শৰ্মা, অঞ্জলী চেত্ৰী আদিয়ে দৰ্শনীয় অভিনয় কৰে।

এই বৰ্ষত বৰদৈচিলা থিয়েটাৰে পৰিৱেশন কৰা উল্লেখ্যযোগ্য নৃত্য-নাটিকাখন হৈছে অজিত তালুকদাৰ ৰচিত 'বৰদৈচিলা'। নাটিকাখনিৰ নৃত্য পৰিচালনা কৰিছিল যতীন গোস্বামী আৰু মনেশ্বৰ দাসে। বৰদৈচিলা থিয়েটাৰত এই বছৰ সংগীত পৰিচালনা কৰিছিল জে পি দাস আৰু দিবাকৰ ডেকাই।

দ্বিতীয় বৰ্ষৰ পৰিক্ৰমা (১৯৯৯-২০০০) ঃ দ্বিতীয় বৰ্ষত মঞ্চস্থ কৰা উল্লেখনীয় নাটখন হৈছে ৰঞ্জু হাজৰিকাৰ কাহিনীৰ আধাৰত সেৱাব্ৰত বৰুৱাই ৰচনা আৰু পৰিচালনা কৰা নাট 'হাত'। এটা সোণৰ বুদ্ধদেৱৰ মূৰ্তিক কেন্দ্ৰ কৰি হোৱা এজন যুৱকৰ হত্যা আৰু এগৰাকী ...তীৰ আক্ৰোশমূলক নিৰ্দেশত কাটি পেলোৱা মৃত যুৱকজনৰ হাতখনে আচৰিত তথা ...কভাৱে তিনিটাকৈ হত্যাকাণ্ড সংঘটিত কৰাক লৈয়েই কেন্দ্ৰীভূত হৈছে এই নাটৰ

কাহিনী। সেৱাব্ৰত বৰুৱাৰ চতুৰতাপূৰ্ণ পৰিচালনাৰ ফলত নাটখনে শেহলৈকে দৰ্শকৰ মনত উৎকণ্ঠা আৰু শিহৰণ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল। একেদৰে অভিনয় শিল্পীসকলৰ অভিনয়ো অতি প্ৰশংসনীয় আছিল। এগৰাকী তদন্তকাৰী পুলিচ বিষয়াৰ ভাৱত ভবেশ বৰুৱা আৰু পৰী নামৰ চৰিত্ৰটিত চিমি গোস্বামীয়ে মনপৰশা অভিনয় কৰিছিল। অন্যান্য চৰিত্ৰত মৃদুল বৰুৱা, ৰাজীৱ গোস্বামী, মিহিৰজ্যোতি বৰুৱা, হৰেন মালাকৰ, সুজিৎ শৰ্মা, শোভন বৰা, প্ৰাঞ্জনা দত্ত, জিতা শইকীয়া আদিয়েও দৰ্শনীয় অভিনয় কৰিছিল। দিবাকৰ ডেকাৰ সংগীত, ক্ষীতিশ শৰ্মাৰ আলোক সম্পাত আৰু বীৰেন দাসৰ কলা নিৰ্দেশনাই নাটখনত উল্লেখনীয় অৱদান যোগাইছিল। নাটখনৰ মাধৱ বড়ো পৰিচালিত নৃত্য দুটিয়েও দৰ্শকৰ সমাদৰ পাইছিল।

এই বছৰৰ আন তিনিখন নাট হ'ল— ভবেন বৰুৱা ৰচিত তথা পৰিচালিত 'নিমখ হাৰাম', মুনিন বৰুৱা ৰচিত আৰু পৰিচালিত 'হঠাৎ এদিন' আৰু সেৱাব্ৰত বৰুৱা ৰচিত আৰু পৰিচালিত 'উকা দলিল'।

তৃতীয় বৰ্ষৰ পৰিক্ৰমা (২০০০-২০০১) ঃ তৃতীয় বৰ্ষত বৰদৈচিলা থিয়েটাৰে চাৰিখন নাট মঞ্চস্থ কৰে। নাটসমূহ হ'ল সেৱাব্ৰত বৰুৱা ৰচিত আৰু পৰিচালিত 'দিশপুৰ', আৰু 'মোৰ আপোনজন', ভবেন বৰুৱা ৰচিত আৰু পৰিচালিত 'দগাবাজ' আৰু মুনিন বৰুৱা ৰচিত আৰু পৰিচালিত 'জাল'। এই বছৰৰ আলোক আৰু কলা নিৰ্দেশনা কৰিছিল ক্ৰমে ক্ষীতিশ শৰ্মা আৰু বীৰেন দাসে।

চতুৰ্থ বৰ্ষৰ পৰিক্ৰমা (২০০১-২০০২) ঃ চতুৰ্থ বছৰত বৰদৈচিলা থিয়েটাৰে চাৰিখন নাট মঞ্চস্থ কৰে। নাটসমূহ হৈছে ভবেন বৰুৱা ৰচিত আৰু পৰিচালিত 'পাকিস্তানৰ প্ৰেয়সী', ৰঞ্জু হাজৰিকাৰ জনপ্ৰিয় থ্ৰিলাৰ 'এটা দ্বীপ সাতটা কবৰ'ৰ আধাৰত সেৱাব্ৰত বৰুৱাই একে নামত ৰচনা আৰু পৰিচালনা কৰা নাট; অৰূপ বৰঠাকুৰ ৰচিত আৰু পৰিচালিত 'মেঘাচ্ছন্ন গধূলি' আৰু অৱতাৰ সিং ৰচিত আৰু ভবেশ বৰুৱা পৰিচালিত নাট 'খং'।

পঞ্চম বৰ্ষৰ পৰিক্ৰমা (২০০২-২০০৩) ঃ পঞ্চম বৰ্ষত মঞ্চস্থ হোৱা নাটসমূহ হ'ল হেমন্ত দত্ত ৰচিত আৰু পৰিচালিত 'দৰমহা', ভবেন বৰুৱা ৰচিত আৰু পৰিচালিত নাট 'কামাখ্যাত এখন্তেক', অৱতাৰ সিং ৰচিত আৰু চম্পক শৰ্মা পৰিচালিত 'তেওঁ বোধহয় পত্নী' আৰু চম্পক শৰ্মা ৰচিত আৰু পৰিচালিত নাট 'সংঘমিত্ৰাৰ বিয়া'।

সমসাময়িক ঘটনাপ্ৰবাহক সঠিক ৰূপত ভ্ৰাম্যমাণ থিয়েটাৰে যদি দাঙি ধৰাত সফল হৈছে বুলি দাবী কৰে তেন্তে তাৰ উজ্বল প্ৰমাণ হৈছে এই বৰ্ষত প্ৰদৰ্শিত হেমন্ত দত্তৰ নাট 'দৰমহা'। ধৰণী মাষ্টৰে সুদীৰ্ঘদিন ধৰি দৰমহাৰ বাবে অপেক্ষা কৰি থকা কালছোৱাত তেওঁৰ পৰিয়ালৰ হাঁহি-কান্দোন তথা সামগ্ৰিক ৰাজনৈতিক বাতাৱৰণ, নিবনুৱা সমস্যা, ধনকেন্দ্ৰিক চিন্তা-ভাবনা আদি সকলো বিষয় নাট্যকাৰ দত্তই যথাযথভাৱে উপস্থাপন কৰিব সক্ষম হৈছিল। ধৰণী মাষ্টৰৰ চৰিত্ৰত চম্পক শৰ্মা আৰু প্ৰতাপ বড়োৰ ভূমিকাত জয়ন্ত দাসে সাৱলীল অভিনয় কৰিছিল। আন চৰিত্ৰবোৰৰ ক্ষেত্ৰত বিপুল বৰা, অঞ্জলি ছেত্ৰী,

হৰেন মালাকৰ, হেমেন শৰ্মা, মীনাক্ষি দত্ত, অৰ্চনা কলিতা, মুহি বৰা, তাৰক দাস আদিৰ অভিনয়ো প্ৰশংসনীয় আছিল। দিবাকৰ ডেকাৰ অৰ্থবহ সংগীত পৰিচালনা তথা ক্ষীতিশ শৰ্মাৰ আলোক সম্পাতে নাটখনৰ উপস্থাপন অধিক যথাযথ কৰি তুলিছিল।

ষষ্ঠ বৰ্ষৰ পৰিক্ৰমা (২০০৩-২০০৪) ঃ এই বৰ্ষৰ নাটসমূহ আছিল ভবেন বৰুৱা ৰচিত আৰু পৰিচালিত 'দাম্ভিক', হেমন্ত দত্তৰ ৰচনা আৰু পৰিচালনাৰ 'দৰমহা' আৰু 'মন' আৰু প্ৰফুল্ল বৰা ৰচিত তথা পৰিচালিত নাট 'মহালগ্ন'। উল্লেখ্য যে 'দৰমহা' নাটখনি ইয়াৰ আগৰ বৰ্ষত দৰ্শকৰ বিপুল সঁহাৰি লাভ কৰিবলৈ সক্ষম হোৱাৰ বাবে এই বৰ্ষতো এই নাটখন পৰিৱেশন কৰা হৈছিল।

সপ্তম বৰ্ষৰ পৰিক্ৰমা (২০০৪-২০০৫) ঃ ২০০৪-২০০৫ নাট্যবৰ্ষত বৰদৈচিলা থিয়েটাৰে মঞ্চস্থ কৰা নাটসমূহ আছিল ভবেন বৰুৱা ৰচিত তথা পৰিচালিত 'ভাই বোৱাৰী', চম্পক শৰ্মা ৰচিত তথা পৰিচালিত '১৫ আগষ্ট' আৰু 'তই কৰিব লাগিব অগ্নিস্নান', অভিজিৎ ভট্টাচাৰ্য ৰচিত তথা চম্পক শৰ্মা পৰিচালিত 'প্ৰফেচাৰ অবিনাশ' আৰু হেমন্ত দত্ত ৰচিত তথা চম্পক শৰ্মা পৰিচালিত নাট 'ফোট'।

অষ্টম বৰ্ষৰ পৰিক্ৰমা (২০০৫-২০০৬) ঃ এইবেলি ভ্ৰম্যমাণ নাট্যদলটিয়ে চাৰিখন নাট মঞ্চস্থ কৰে। নাটসমূহ হৈছে ভবেন বৰুৱা ৰচিত তথা পৰিচালিত 'মইনামতী'; সেৱাব্ৰত বৰুৱা ৰচিত তথা পৰিচালিত 'মুকুতাৰ মালা', হেমন্ত দত্ত ৰচিত তথা পৰিচালিত 'খেল' আৰু অভিজিৎ ভট্টাচাৰ্য ৰচিত তথা তপন দাস পৰিচালিত 'মোৰে নতুন কইনা'।

নৱম বৰ্ষৰ পৰিক্ৰমা (২০০৬-২০০৭) ঃ ২০০৬-২০০৭ নাট্যবৰ্ষত বৰদৈচিলাৰ মঞ্চত পৰিৱেশিত নাটসমূহ আছিল সেৱাব্ৰত বৰুৱা ৰচিত তথা তৌফিক ৰহমান পৰিচালিত 'হিয়াত পখিলাৰ ৰং', মুনিন বৰুৱা ৰচিত তথা পৰিচালিত 'পাখি লগা মন', অভিজিৎ ভট্টাচাৰ্য ৰচিত তথা তৌফিক ৰহমান পৰিচালিত 'কাঠগড়াত সত্যৰঞ্জন' আৰু শ্যাম সুন্দৰ জালান ৰচিত তথা তৌফিক ৰহমান পৰিচালিত 'প্ৰেম আৰু প্ৰাচীৰ'। এই বৰ্ষত মঞ্চ নিৰ্দেশনা আৰু আলোক নিৰ্দেশনা কৰিছিল ক্ৰমে অনিল বড়ো আৰু চক্ৰ তালুকদাৰে।

দশম বৰ্ষৰ পৰিক্ৰমা (২০০৭-২০০৮) ঃ দশম বছৰত এই ভ্ৰাম্যমাণ নাট্যদলটিয়ে তিনিখন নাট মঞ্চস্থ কৰে। নাটসমূহ হৈছে সেৱাব্ৰত বৰুৱা ৰচিত তথা পৰিচালিত 'সোণালী বালি ৰূপালী নৈ', অভিজিৎ ভট্টাচাৰ্য ৰচিত আৰু মৃদুল চুতীয়া পৰিচালিত 'ৰাংঢালী ছোৱালী মই' আৰু মৃদুল চুতীয়া ৰচিত তথা পৰিচালিত 'ভগ্নাৱশেষ'। এই বৰ্ষত মঞ্চ নিৰ্দেশনা আৰু আলোক নিৰ্দেশনা কৰিছিল ক্ৰমে অনিল বড়ো আৰু ক্ষীতিশ শৰ্মাই।

একাদশ বৰ্ষৰ পৰিক্ৰমা (২০০৮-২০০৯) ঃ একাদশ বৰ্ষত বৰদৈচিলাই লৈ আনে চাৰিখন মঞ্চসফল নাট আৰু এই নাটসমূহ হৈছে— শ্যাম সুন্দৰ জালান ৰচিত আৰু তপন দাস পৰিচালিত 'প্ৰিয়তমা', মুনিন বৰুৱা ৰচিত তথা পৰিচালিত 'কৰ্ণেল', সমৰেন্দ্ৰ বৰ্মন ৰচিত আৰু তপন দাস পৰিচালিত 'পেঞ্চন' আৰু মৃদুল চুতীয়া ৰচিত তথা পৰিচালিত ...জানিতে ভাঙি গ'ল।'

থিয়েটাৰ মা জোনাকী

২০০০ চনত ডিব্ৰুগড়ত 'থিয়েটাৰ মা জোনাকী'য়ে আত্মপ্ৰকাশ কৰে। মেকানিকেল ইঞ্জিনীয়াৰিঙৰ পাঠ্যক্ৰম অসম্পূৰ্ণ কৰি অৱশেষত চিনেমা মেনেজমেণ্ট আৰু চিনেমা প্ৰজেকচনৰ এবছৰীয়া ডিপ্ল'মা লোৱা মাচুম খান ডুৰাণীয়ে ২০০০ চনত এই দলটিৰ জন্ম দিয়ে। দলটিৰ প্ৰতিষ্ঠাৰ সতে জড়িত ব্যক্তিসকল আছিল— খজুখান ডুৰানী, বিমল বড়া, দ্বিজেন দুৱৰা, ঁদুৰ্গেশ্বৰ শইকীয়া আৰু শ্ৰীমতী কৃষ্ণা ৰাজখোৱা।

প্ৰথম বছৰৰ পৰিক্ৰমা ঃ ২০০০-২০০১ বৰ্ষত থিয়েটাৰ মা জোনাকীয়ে চাৰিখন নাট মঞ্চস্থ কৰে। ভবেন বৰুৱাৰ দ্বাৰা ৰচিত 'দেৱতা' এই বৰ্ষৰ এখন উল্লেখনীয় নাট আছিল। নাটখন পৰিচালনা কৰিছিল ৰমেন বৰুৱাই। আন নাট তিনিখন আছিল ৰমেন বৰুৱাৰ 'অন্য এক অভিমন্যু' (পৰিচালক ঃ ৰমেন বৰুৱা), বল্লদেৱ শইকীয়াৰ 'মই মা হলো' (পৰিচালক ঃ মাচুম খান ডুৰাণী) আৰু চাৰু কোঁৱৰৰ ৰচনা আৰু পৰিচালনাৰে 'বন্দী কোঁৱৰ'। এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন আছিল 'মা জোনাকী' (ৰচনা ঃ ত্ৰৈলোক্য লাহন, পৰিচালক ঃ নিত্যা খামন) 'জাগৰণ' (ৰচনা ঃ যতীন গোস্বামী, পৰিচালক ঃ হৰেণ হাতীমূৰীয়া) আৰু 'ৰঙামুৰা বীৰ' (ৰচনা ঃ যতীন গোস্বামী, পৰিচালক ঃ নিত্যা খামন) প্ৰথম বৰ্ষত সংগীত পৰিচালনা কৰিছিল ৰমেন গগৈয়ে। প্ৰথম বৰ্ষৰ বিভিন্ন কলা-কুশলী সকল আছিল—

অভিনেতা-অভিনেত্ৰী ঃ জিতেন বড়া, নন্দ শইকীয়া, পূৰ্ণ শইকীয়া, পূৰ্ণ হাজৰিকা, চম্পক ৰায়, ইয়াকুব হুছেইন, অপূৰ্ব গগৈ, সৰ্বেশ্বৰ দাস, তিলক ডেকা, প্ৰফুল্ল গগৈ, ঁজিণ্টু হাজৰিকা, ৰিণ্টু শইকীয়া, পাপু গগৈ, হেমন্ত মৰাণ, মাচুম খান ডুৰাণী, মুনমী বড়া, অমিয়া গগৈ, মজু মৰাণ, পুণ্য গগৈ।

নৃত্য শিল্পী ঃ বিনন্দ গগৈ, মুক্তি গগৈ, লক্ষণ মৰাণ, লবেন গগৈ, জীনামণি মালাকৰ, অমিয়া গগৈ, ৰুমী গগৈ, মাখনী মৰাণ, শেৱালী বড়া।

সংগীত শিল্পী ঃ ৰমেন গগৈ, অপূৰ্ব গগৈ, ৰিণ্টু শইকীয়া, লক্ষ্মী চেতীয়া, নৰেন গগৈ লক্ষ্য বড়া।

কলা আৰু আলোক নিৰ্দেশনা/ নিয়ন্ত্ৰণ— বাণী মহন্ত, সহায়ক ঃ পাপু শইকীয়া, ৰমেন শইকীয়া, দুলেশ্বৰ মৰাণ,তিলক মৰাণ, মুহিম মৰাণ আৰু জীৱন গগৈ।

কণ্ঠ শিল্পী ঃ দুলেশ্বৰ ফুকন, অপূৰ্ব গগৈ, মনীষা বৰুৱা।

শব্দ ঃ দিলীপ দাস।

এই বছৰত সম্পাদকৰূপে কাম কৰিছিল জিতেন বড়াই আৰু প্ৰতিনিধি আছিল মুনীন বড়া, হেমন্ত মৰাণ আৰু ঁজিণ্টু হাজৰিকা।

দ্বিতীয় বছৰৰ পৰিক্ৰমা (২০০১-২০০২) : দ্বিতীয় বৰ্ষত থিয়েটাৰ মা জোনাকীয়ে চাৰিখন নাট মঞ্চস্থ কৰিছিল। ইয়াৰে ভবেন বৰুৱাৰ 'বালিকা বৈৰী', প্ৰতীম গগৈৰ 'হিয়াত একুৰা জুই', উত্ৰা মেনাৰ 'মৰমে মৰম বিচাৰে' নাট তিনিখন মৌলিক নাট হোৱাৰ বিপৰীতে চাৰু কৌৰৱৰ ৰচনা আৰু পৰিচালনাৰ 'দোকান ঘৰ' নাটখন এখন পৰীক্ষামূলক নাট আছিল। বাকী তিনিখন নাট পৰিচালনা কৰিছিল ক্ৰমে মাচুম খান ডুৰাণী আৰু প্ৰতীম গগৈয়ে (প্ৰতীম গগৈয়ে নিজে ৰচনা কৰা নাটখন)। এই বৰ্ষত মঞ্চস্থ হোৱা নৃত্য-নাটিকা কেইখন হৈছে 'মা জোনাকী', 'নাগপাশ' (ৰচনা : লক্ষ্মী চেতিয়া, পৰিচালক : মৃদুপৱন দত্ত) 'জীৱন দান' (ৰচনা : হেমন্ত মৰাণ, পৰিচালক : মৃদুপৱন দত্ত) আৰু 'অমৰ প্ৰেম' (ৰচনা : সৰ্বেশ্বৰ দাস, পৰিচালক : মৃদুপৱন দত্ত, হেমন্ত মৰাণ)। এই বৰ্ষৰ বিভিন্ন কলা-কুশলীসকল আছিল এনেধৰণৰ—

অভিনেতা/অভিনেত্ৰী : শ্ৰীমন্ত হাজৰিকা, সঞ্জীৱ পৰাশৰ, নৰেন বড়ো, অবিনাশ বড়া, গৌতম গোস্বামী, ভাস্কৰ বড়া, জিণ্টু হাজৰিকা, অনুজ গগৈ, সৰ্বেশ্বৰ বৰ্মন, ৰিণ্টু শইকীয়া, মাচুম খান ডুৰাণী, সংগীতা শৰ্মা, লাৱণ্য শইকীয়া, মনীষা হাজৰিকা, নাজমা বেগম, ভাৰতী গগৈ।

নৃত্য শিল্পী : অনুজ, ফুলেন, ধৰণী, মনোজ, পূৰবী, মাইনা, কল্যাণী, নাজমা।

সংগীত পৰিচালনা : দুলাল শইকীয়া, হেমন্ত মৰাণ

কণ্ঠ : গৌতম গোস্বামী, মনীষা বৰুৱা।

বাদ্য : ৰিণ্টু, অবিনাশ, লক্ষ্মী, পৰেশ, নৰেন, অপূৰ্ব।

কলা আৰু পোহৰ নিৰ্দেশনাত এই বৰ্ষত মাচুম খান ডুৰাণীয়ে মূল ভূমিকা লৈছিল। আনহাতে পাপু শইকীয়াই মুখ্য মঞ্চ শিল্পীৰূপে কাম কৰিছিল।

তৃতীয় বছৰৰ পৰিক্ৰমা (২০০২-২০০৩) : বৰ্ষত এই থিয়েটাৰৰ দলটিয়ে নিবেদন কৰা নাটসমূহ আছিল— ভবেন বৰুৱাৰ 'বালিকা বৈৰী', ডাঃ মৃদুল শৰ্মাৰ 'মাংকীমেন' আৰু 'পুনৰ মাজনিশা বৰ্ণালীৰ চিএৱৰ' আৰু নগেন নাথৰ 'পোতাশালত হীম'। নাট চাৰিখন পৰিচালনা কৰিছিল ক্ৰমে মাচুম খান ডুৰাণী, ডাঃ মৃদুল শৰ্মা, প্ৰতীম গগৈ আৰু নগেন নাথে। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰীসকল আছিল— প্ৰতীম গগৈ, মাধুৰ্য শইকীয়া, শ্ৰীমন্ত হাজৰিকা, ঈদুল ৰহমান, নৱজ্যোতি বৰগোহাঁই, দ্বীপেন গগৈ, খগেন গগৈ, মানসপ্ৰতীম গগৈ, দুলেশ্বৰ গগৈ, ৰিণ্টু শইকীয়া, মাচুম খান ডুৰাণী, সংগীতা শৰ্মা, নাজমা বেগম, মনালিচা বৰা, মাইনা মৰাণ আৰু সংগীতা ৰাজবংশী।

তৃতীয় বৰ্ষৰ নৃত্য-নাটিকা কেইখন আছিল 'মা জোনাকী', 'এনাজৰী' (ৰচনা : যতীন গোস্বামী, পৰিচালক : ৰিণ্টু শইকীয়া), 'নাগকন্যা' (ৰচনা : যতীন গোস্বামী, পৰিচালক : মিতালী বৰকটকী) আৰু 'সৰ্বশিক্ষা' (ৰচনা/পৰিচালনা : সংগীতা ৰাজবংশী)

এই বৰ্ষত থকা নৃত্য শিল্পীসকল আছিল যদুমণি ৰাজবংশী, মনোজ, ৰাজেশ কল্যাণ, নীতিমণি নাজমা, মাইনা আৰু পূৰবী। দুলাল শইকীয়াৰ সংগীত পৰিচালনাত কণ্ঠ দান কৰিছিল মনোৰঞ্জন গগৈ আৰু মনীষা দত্তই। বাদ্য যন্ত্ৰীৰূপে আছিল ৰঞ্জন গগৈ, ৰিণ্টু শইকীয়া দুলেশ্বৰ গগৈ, লক্ষ্মী চেতিয়া আৰু তপন বৰ্মন। মাচুম খান ডুৰাণীৰ কলা আৰু পোহৰ নিৰ্দেশনাত সহায় কৰিছিল পাপু, শিৰোমণি, অনিমেষ, ৰাজেন, বগাই আৰু মনজিতে। মঞ্চশিল্পীসকল আছিল পাপু শইকীয়া, ফুলেন, ৰাজু, দ্বীপেন, পৱন, ৰাজীৱ, ৰাজেশ, নেত্ৰধৰ, হৰি, পাপুল, নিতুল, ৰমেশ, দিলীপ, ৰঞ্জন, ধনীৰাম, কুমুদ, অৰুণ, মনোজ, উৎপল আদি শিল্পীসকল। তৃতীয় বৰ্ষৰ ব্যৱস্থাপক আৰু মুখ্য সম্পাদক আছিল ক্ৰমে মনেশ্বৰ বৰুৱা আৰু মাধুৰ্য শইকীয়া। ৰাজেন বড়া আৰু শ্ৰীমন্ত হাজৰিকাই প্ৰতিনিধিৰ দায়িত্ব পালন কৰিছিল।

চতুৰ্থ বৰ্ষৰ পৰিক্ৰমা (২০০৩-২০০৪) : চতুৰ্থ বৰ্ষত থিয়েটাৰ মা-জোনাকীয়ে চাৰিখন মৌলিক নাট মঞ্চস্থ কৰিছিল। এই নাট কেইখন হ'ল ভবেশ বৰুৱা ৰচিত আৰু মাচুম খান ডুৰাণী পৰিচালিত 'পৱিত্ৰ গংগা', ভাস্কৰ বৰ্মন ৰচিত আৰু পৰিচালিত নাট 'হিয়াবিহীন প্ৰিয়া', ডাঃ মৃদুল শৰ্মা ৰচিত আৰু প্ৰবীণ গগৈ পৰিচালিত 'পুণৰ মাজনিশা বৰ্ণালীৰ চিএৱৰ' আৰু ভূপেন হাজৰিকা ৰচিত আৰু পৰিচালিত 'মৰমৰ মা'। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰী সকল আছিল মাধুৰ্য শইকীয়া, শ্ৰীমন্ত হাজৰিকা, ভাস্কৰ বড়া, সমুদ্ৰ ডেকা, ৰাতুল ভঁৰালী, ৰঞ্জন শইকীয়া, ৰাজেন নেওগ, ৰিণ্টু শইকীয়া, মাচুম খান ডুৰাণী, সংগীতা শৰ্মা, নাজমা বেগম, ববী গগৈ, মাইনা মৰাণ আদি শিল্পীসকল। 'মা জোনাকী'ৰ লগতে এই বৰ্ষৰ তিনিখন নৃত্য-নাটিকা আছিল 'বগীতৰা' (ৰচনা : লক্ষ্মী চেতিয়া, পৰিচালনা : মিতালী বৰকটকী), 'প্ৰেম প্ৰজাপতি' (ৰচনা : লক্ষ্মী চেতিয়া, পৰিচালনা : নিত্যা খামন) আৰু 'অমৰ' (ৰচনা : হেমন্ত মৰাণ, পৰিচালনা : নিত্যা খামন)। এই বৰ্ষৰ নৃত্য শিল্পীসকল আছিল যদুমণি, ৰাজেশ, মনোজ, বাবুল, নীতিমণি আৰু মাইনা। দুলাল শইকীয়াৰ সংগীত পৰিচালনাত কণ্ঠ শিল্পী আছিল মনোৰঞ্জন গগৈ আৰু মাইনা শইকীয়া। বাদ্যযন্ত্ৰত আছিল ৰিণ্টু, দুলেশ্বৰ, পৱিত্ৰ, ৰঞ্জন, লক্ষ্মী, প্ৰবীণ পাতিৰ আদি শিল্পীসকল।

পঞ্চম বৰ্ষৰ পৰিক্ৰমা (২০০৪-২০০৫) : পঞ্চম বৰ্ষত থিয়েটাৰ দলটিয়ে আন বছৰৰ দৰে চাৰিখন নাট মঞ্চস্থ কৰে। নাটবোৰ আছিল ভবেন বৰুৱাৰ 'বালিকাৰ বৈৰী' (পৰিচালক : মাচুম খান ডুৰাণী), অৰূপ বৰঠাকুৰৰ 'জীৱন তৃষ্ণা' (পৰিচালক : প্ৰতীম গগৈ), মাচুম খান ডুৰাণীৰ 'মাঘত মামনিৰ বিয়া' (বোলছবিৰ নাট্যৰূপ) আৰু 'হাইজেক'। ইয়াৰ শেহৰ দুখন নাট পৰিচালনা কৰিছিল মাচুম খান ডুৰাণীয়ে। এইবৰ্ষৰ অভিনেতা-অভিনেত্ৰীসকল আছিল— উমা ডেকা, সমুদ্ৰ ডেকা, পাপুল গগৈ, ৰাতুল বড়া, যোগানন্দ তামুলী, ৰঞ্জন ডেকা, কুমুদ কলিতা, ৰিণ্টু শইকীয়া, শ্ৰী মন্ত হাজৰিকা, মাচুম খান ডুৰাণী, সংগীতা শৰ্মা, বৰষাৰাণী বড়ো, দীপিকা বড়ো (বড়া) মইনা মৰাণ আদি। নৃত্য-নাটিকা সমুহ আছিল 'মা জোনাকী', 'অমৰ প্ৰেম' (ৰচনা : হৰেণ দাস, পৰিচালক : মিতালী বৰকটকী), যতীন গোস্বামী ৰচিত আৰু নিত্যা খামন পৰিচালিত 'টঙীঘৰ' আৰু 'এনাজৰী'। নৃত্য শিল্পীসকল আছিল মনোজ, দ্বীপেন, অনিমেষ, অনিল, মাইনা, পূৰবী, সংগীতা, আৰু ৰুমী। অপূৰ্ব

গগৈৰ সংগীত পৰিচালনত কণ্ঠদান কৰিছিল অপু গগৈ আৰু মাইনা শইকীয়াই। বাদ্য যন্ত্ৰীসকল আছিল বিন্টু-দুলেশ্বৰ, পবিত্ৰ, ৰঞ্জন, লক্ষী, প্ৰবীণ আৰু পাতিবি।

ষষ্ঠ বৰ্ষৰ পৰিক্ৰমা (২০০৫-২০০৬) ঃ ষষ্ঠ বৰ্ষত মা জোনাকী থিয়েটাৰ দলটিয়ে মঞ্চস্থ কৰা নাট কেইখন আছিল ভৱেন বৰুৱাৰ 'গাভৰু নোহোৱাই ভাল' (পৰিচালক ঃ মাচুম খান ডুৱাণী), উগ্ৰ মেনাৰ এখন মৌলিক নাট 'মিলন মালা' (পৰিচালক ঃ প্ৰতীম গগৈ), ভাস্কৰ বৰ্মনৰ 'হিয়াবিহীন প্ৰিয়া' (পৰিচালক ঃ মাচুম খান ডুৱাণী) আৰু ডিম্বেশ্বৰ কোঁৱৰৰ ৰচনা আৰু পৰিচালনাৰ 'অবুজ বেদনা'। অভিনেতা-অভিনেত্ৰীসকল আছিল শ্ৰীমন্ত হাজৰিকা, প্ৰফুল্ল বড়া, হেমেন গগৈ, যদু তামুলী, কুমুদ গগৈ, ৰাতুল গোস্বামী, জীৱন বড়া, অপূৰ্ব গগৈ, দুলেশ্বৰ গগৈ, মাচুম খান ডুৱাণী, সংগীতা শৰ্মা, মৰমী কলিতা, ৰুমী গগৈ আৰু পৰিস্মৃতা বড়া। এই বৰ্ষৰ নৃত্য-নাটিকা কেইখন আছিল অনুজ প্ৰতীম ৰুৰুকটকী ৰচিত আৰু মিতালী ৰুৰুকটকী পৰিচালিত 'মা জোনাকী' আৰু 'মৰম'; লক্ষ্মী ৰাজবংশী ৰচিত আৰু পৰিচালিত 'মহাকাল' আৰু 'নাগপাশ'। নৃত্যশিল্পীসকল হ'ল যদুমণি, ৰাজেশ, কল্যাণ, মনোজ, পূৰবী, মাইনা, সোণালী জোনমণি আদি। দুলাল শইকীয়া আৰু অপূৰ্ব গগৈৰ সংগীত পৰিচালনাত কণ্ঠদান কৰিছিল অপূৰ্ব গগৈ আৰু মনীষা দত্তই। বাদ্যযন্ত্ৰীসকল আছিল লক্ষ্মী, দুলেশ্বৰ, পৱন,টুলটুল আৰু মাইনা। পোহৰ আৰু মঞ্চসজ্জাৰ শিল্পীসকল আছিল ক্ৰমে শিৰোমণি হাজৰিকা, পাপু শইকীয়া, গণেশ, টংকেশ্বৰ, পাপু, দিলীপ, নিতুল আদি শিল্পীসকল।

সপ্তম বৰ্ষৰ পৰিক্ৰমা (২০০৬-২০০৭) ঃ সপ্তম বৰ্ষৰ নাটসমূহ আছিল ভৱেন বৰুৱা ৰচিত 'মহাতীৰ্থ মৰিশালী'। নাটখন পৰিচালনা কৰিছিল মাচুম খান ডুৱাণীয়ে। আন নাট দুখন আছিল ভাস্কৰ বৰ্মনৰ 'সপোন হেৰাল দিঠকত' (পৰিচালক ঃ অপূৰ্ব গগৈ) আৰু ডিম্বেশ্বৰ কোঁৱৰ ৰচিত আৰু পৰিচালিত 'জীৱন যাত্ৰা'। এই বছৰৰ অভিনেতা-অভিনেত্ৰী সকল হ'ল প্ৰফুল্ল বড়া, হেমেন গগৈ, যদু তামুলী, কুমুদ গগৈ, ৰাতুল গোস্বামী, জীৱন বড়া, অপূৰ্ব গগৈ, দুলেশ্বৰ গগৈ, হৰেন হাতীমুৰীয়া, জাহ্নবী শইকীয়া, মৰমী কলিতা, ৰুমী গগৈ আৰু পৰিস্মৃতা বড়া। নৃত্য-নাটিকা কেইখন হ'ল— 'মা জোনাকী', 'ব্ৰহ্মপুত্ৰ ৰহিমান' (ৰচনা ঃ ত্ৰৈলোক্য লাহন, পৰিচালনা ঃ নিত্যা খামন) আৰু 'জাগৰণ' (ৰচনা ঃ যতীন গোস্বামী, পৰিচালক ঃ হৰেণ হাতীমূৰীয়া)। অপূৰ্ব গগৈৰ সংগীত পৰিচালনাত কণ্ঠদান কৰিছিল অপূৰ্ব গগৈ আৰু মনীষা দত্তই। বাদ্য যন্ত্ৰীসকল আছিল— লক্ষ্মী, সোণটো, পবিত্ৰ, জোন, বিৰাজ আদি শিল্পীসকল।

২০০৭-২০০৮ বৰ্ষত থিয়েটাৰ দলটিয়ে পৰিক্ৰমা বন্ধ ৰাখে যদিও ২০০৮-২০০৯ বৰ্ষত নাট্যদলৰ কাৰ্যসূচী পুনৰ আৰম্ভ হয়। আৰম্ভণিৰ পৰা দলটিৰ কোনো বছৰেকীয়া মুখপত্ৰ নাই। দলটিৰ প্ৰতীক চিহ্ন হৈছে দুখন হাতেৰে তুলি ধৰা হাতৰ ওপৰত জোনৰ ছবি। ইয়াৰ তাৎপৰ্য হ'ল দুখন হাতেৰে সেউজীয়া অসমখনিক ধৰি ৰখা তথা জোনাকেৰে সংস্কৃতি উজলোৱা।

কাৰেংঘৰ থিয়েটাৰ

গুৱাহাটীৰ হাতীগাঁৱৰ ৰুক্মিণী নগৰত ২০০৬ বৰ্ষত কাৰেংঘৰ থিয়েটাৰ নামৰ এটি ভ্ৰাম্যমাণ দলৰ জন্ম হয়। সাৰেগামা নামৰ এটি সাংস্কৃতিক অনুষ্ঠানৰ পৰা নিৰ্বাচিত হোৱা এই দলটিৰ প্ৰতিষ্ঠাৰ লগত জড়িত ব্যক্তিসকল আছিল নিৰ্মল তালুকদাৰ, প্ৰবীণ ..., অজয় তালুকদাৰ আৰু নবীন বড়ো। অসমীয়া সাহিত্যৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী সোণমণি দত্ত হৈছে এই দলটিৰ প্ৰযোজক।

প্ৰথম বছৰৰ পৰিক্ৰমা ঃ ২০০৬ বৰ্ষত ভ্ৰাম্যমাণ দলটিয়ে মুঠ চাৰিখন নাট মঞ্চস্থ কৰে। 'মৰম এনাজৰী' (ৰচনা আৰু পৰিচালনা ঃ চম্পক শৰ্মা), 'মন্ত্ৰ' (ৰচনা ঃ অৱতাৰ সিং, পৰিচালনা ঃ বাণী দাস), 'ব'হাগী বিদায়' (ৰচনা আৰু পৰিচালনা ঃ সোণমণি দত্ত), 'ডাইনী' (ৰচনা ঃ ৰাজীৱ কলিতা, পৰিচালনা ঃ কৃষ্ণ ফুকন) নামৰ চাৰিখন মৌলিক নাট নাট্যদলটিয়ে প্ৰাৰম্ভিক বৰ্ষত পৰিবেশন কৰে। এই বৰ্ষৰ অভিনেতা-অভিনেত্ৰীসকল আছিল ক্ৰমে তাৰক দাস, ভূপেন ডেকা, মুকিব আহমেদ, চম্পক দাস, যোগেশ কাশ্যপ, পৱন বৰা, হেমেন সূত্ৰধাৰ, সমুদ্ৰ বৰদলৈ, মাকনি বৈশ্য, ৰেখা শৰ্মা, পূৰ্ণিমা বৰা, জোনালী দেৱী, ছায়াৰাণী আৰু বৰ্ণালী পূজাৰী।

প্ৰাৰম্ভিক বৰ্ষত নাট্যদলটিয়ে দুখনকৈ নৃত্য-নাটিকা পৰিবেশন কৰিছিল। সোণমণি দত্তৰ ৰচনা আৰু নন্দ বেনাৰ্জীৰ সংগীত পৰিচালনাৰে 'ওঁম শান্তি' তথা বীৰেন শইকীয়াৰ ৰচনা আৰু নাৰায়ণ ৰয়ৰ সংগীত পৰিচালনাৰে 'অপৰাজিতা' নামৰ নৃত্য-নাটিকা দুখন প্ৰথম বৰ্ষত সফলতাৰে মঞ্চলৈ অনা হৈছিল। এই বৰ্ষৰ সংগীত শিল্পীসকল আছিল— বিপুল কাথাৰ, ডিম্বেশ্বৰ কলিতা, মিনু শইকীয়া, জোন বৰা, মণ্টু বৰা আদি। নৃত্য শিল্পীসকল আছিল অপূৰ্ব উজিৰ, পাপু বৰা, প্ৰশান্ত ডেকা, নিপম দাস, ৰিকি, ছায়া বৰা, চিলী বৰা, গীতুমণি বৰা, অহল্যা দাস, মুন শইকীয়া আদি। গজেন দাস, লক্ষেশ্বৰ দাস আৰু বিপুল দাসে এই বৰ্ষত আলোক শিল্পীৰূপে কাম কৰিছিল। আয়োজক তথা সংগঠকৰূপে আছিল ৰত্নেশ্বৰ নাথ আৰু নৃপেন ভূএগ। এই বৰ্ষৰ কলা-কুশলী সকল আছিল লক্ষ্মণ, ৰাম, ৰিংকু হৰমোহন, বিপুল আৰু দেৱ দাস।

দ্বিতীয় বছৰৰ পৰিক্ৰমা ঃ ২০০৭-০৮ বৰ্ষত কাৰেংঘৰ থিয়েটাৰে চাৰিখন নাটক লয় আৰু এই নাটসমূহ হ'ল— 'গুৰু' (ৰচনা ঃ অৱতাৰ সিং, পৰিচালনা ঃ প্ৰণৱ বুজৰবৰুৱা), 'অ মোৰ লোকেল চুলাই' (ৰচনা আৰু পৰিচালনা ঃ সোণমণি দত্ত), 'অগ্নিসাক্ষী' (ৰচনা ঃ ৰুক্মা বৰ্মন, পৰিচালনা ঃ পৰেশ হাজৰিকা), 'নাগকন্যা' (ৰচনা আৰু পৰিচালনা ঃ মহানন্দ

শৰ্মা)। দ্বিতীয় বৰ্ষৰ অভিনয় শিল্পীসকল আছিল ক্ৰমে পৰেশ হাজৰিকা, গৌতম বৰা, চম্পক হাতীবৰুৱা, লক্ষ্মী বৰদলৈ, নিতুল মহন্ত, মৃদুলা ঝংথাই, বিনোদ বৈশ্য, বুবু শইকীয়া, সুৰেশ পাটগিৰী, লীনা শইকীয়া, নিকুমণি বৰ্মন, ৰূপজ্যোতি দেৱী আদি। নৃত্য-নাটিকাৰ ভিতৰত পূৰ্বৰ 'ওঁম শান্তিৰ' লগতে ধীৰাজ বৰ্মন ৰচিত আৰু পৰিচালিত 'পাহাৰীয়া ছোৱালী' নামৰ নাটিকাখনি পৰিবেশন কৰা হৈছিল। নৃত্য শিল্পী আৰু সংগীত শিল্পীসকল আছিল— পাপু বৰা, অভিজিত, মহিম, হেমো, বিকী, তুলু টিকলী আদি। নিতুল মহন্ত আৰু জোনমণি দত্তই এই বৰ্ষত সম্পাদকৰ দায়িত্ব লৈছিল আৰু আলোক শিল্পীৰূপে আছিল চক্ৰজিৎ, ৰূপম আৰু ভাইটি। দ্বিতীয় বৰ্ষৰ মঞ্চশিল্পীসকল আছিল বিপ্লৱ, ৰঞ্জন, লক্ষণ, উৎপল, হিতেশ, গজেন আৰু জয়ন্ত।

কাৰেংঘৰ থিয়েটাৰৰ প্ৰতীক চিহ্ন হৈছেব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ প্ৰতীক। মধ্যমীয়া আৰ্থিক মূলধনেৰে আৰম্ভ হোৱা এই থিয়েটাৰ দলটি বিগত কিছুবছৰ ধৰি সফলতাৰে নাট পৰিবেশন কৰি আহিছে।

আশীৰ্বাদ থিয়েটাৰ

অসমৰ এজন সুদক্ষ অভিনেতা ৰবীন নেওগে ১৯৯৯ ৰ পৰা পাঁচ বছৰ কাৰ্যবাহী প্ৰযোজকৰূপে হেঙুল থিয়েটাৰ প্ৰযোজনা কৰাৰ পাছত সম্পূৰ্ণ নিজাববীয়াকৈ ২০০৪-২০০৫ বৰ্ষত জন্ম দিয়ে আশীৰ্বাদ থিয়েটাৰৰ। সোণাপুৰত অস্থায়ী শিবিৰ স্থাপন কৰি ৰবীন নেওগে অতি কম সময়ৰ ভিতৰতে আশীৰ্বাদ থিয়েটাৰক ৰাজ্যৰ আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদলৰ তালিকাত অন্তৰ্ভুক্ত কৰে।

প্ৰথম বছৰৰ পৰিক্ৰমা (২০০৪-২০০৫) ঃ প্ৰতিষ্ঠা বৰ্ষতে ৰবীন নেওগে চলচ্চিত্ৰৰ জনপ্ৰিয় অভিনেতা যতীন বৰাক ভ্ৰাম্যমাণ মঞ্চলৈ আমন্ত্ৰণ কৰি আনে। সেই বছৰ নাট্যদলটোৰ মূল নাটকেইখন আছিল সেৱাব্ৰত বৰুৱাৰ 'এজন অভিমন্যুৰ সন্ধানত', জিতেন শৰ্মাৰ 'যুদ্ধযাত্ৰা' আৰু অভিজিৎ ভট্টাচাৰ্যৰ 'দৰা হ'ব কোন'। 'দৰা হ'ব কোন' নাটখনে প্ৰতিষ্ঠা বৰ্ষতে তুমুল জনপ্ৰিয়তা অৰ্জন কৰি আশীৰ্বাদ থিয়েটাৰক নাট্যপ্ৰেমী ৰাইজৰ বাবে চিনাকি কৰি তোলে।

দ্বিতীয় বছৰৰ পৰিক্ৰমা (২০০৫-২০০৬) ঃ ২০০৫-০৬ বৰ্ষত নাট্যদলটোৱে অভিজিৎ ভট্টাচাৰ্যৰ 'মামা ভাগিন' আৰু 'মন আৰু তৰা' নাট দুখনেৰে যাত্ৰাৰম্ভ কৰে। 'মামা-ভাগিন' পৰিচালনা কৰিছিল বাণী দাসে আৰু 'মন আৰু তৰা' পৰিচালনা কৰিছিল স্বয়ং ৰবীন নেওগে। সেই বছৰত ছবি জগতৰ পৰা প্ৰথমবাৰলৈ ভ্ৰাম্যমাণৰ মঞ্চত প্ৰবেশ কৰিছিল কপিল বৰাই। কপিল বৰাৰ লগতে অন্যান্য অভিনেতা-অভিনেত্ৰীসকল আছিল দেৱজিৎ শৰ্মা, অশ্বিনী বৰুৱা, ৰবীন নেওগ আদি।

তৃতীয় বছৰৰ পৰিক্ৰমা (২০০৬-২০০৭) ঃ ২০০৬-০৭ বৰ্ষত আশীৰ্বাদ থিয়েটাৰে প্ৰাঞ্জনা দত্ত, কৰিঅ'গ্ৰাফাৰ অসীম বৈশ্য, দেৱজিৎ শৰ্মা, অশ্বিনী বৰুৱা আদিক লৈ যাত্ৰা কৰে। সেই বছৰ আশীৰ্বাদৰ নাটককেইখনৰ ভিতৰত উল্লেখযোগ্য নাটকেইখন আছিল 'এজনী মৰম লগা ছোৱালী' আৰু 'ডেল্টাৰ'।

চতুৰ্থ বছৰৰ পৰিক্ৰমা (২০০৭-২০০৮) ঃ ২০০৭-০৮ বৰ্ষত আশীৰ্বাদ থিয়েটাৰে সুৰেন মহন্ত, জয় কাশ্যপ আৰু মীনাক্ষি নেওগক লৈ প্ৰস্তুতি চলায়। সেই বছৰ আশীৰ্বাদৰ মঞ্চত মঞ্চস্থ হয় 'মায়াবী মায়াব' শীৰ্ষক এখন ফিকচন নাট।

পঞ্চম বছৰৰ পৰিক্ৰমা (২০০৮-২০০৯) ঃ ২০০৮-০৯ বৰ্ষত আশীৰ্বাদ থিয়েটাৰে মৃদুল ভূঞা, অদিতি ভূঞা, নিৰঞ্জন দাস, বিপুল বৰা আদিক লৈ মঞ্চস্থ কৰে 'মা দেউতা

আৰু মাইনা’ নামৰ এখন মৰ্মস্পৰ্শী নাট। এই নাটখনে উক্ত বৰ্ষত তুমুল জনপ্ৰিয়তা অৰ্জন কৰে।

ষষ্ঠ বছৰৰ পৰিক্ৰমা (২০০৯-২০১০)ঃ ২০০৯-১০ বৰ্ষত ভিডিঅ’ ছবিৰ জনপ্ৰিয় অভিনেতা বাগ ঐনিতমক লৈ আশীৰ্বাদ থিয়েটাৰে মঞ্চস্থ কৰা ‘দৰা কইনা খেলো আহা’ আৰু ‘খং এজাক ধুমুহাৰ নাম’ নাট দুখন মঞ্চস্থ কৰে।

সপ্তম বছৰৰ পৰিক্ৰমা (২০১০-২০১১)ঃ ২০১০-১১ বৰ্ষত যতীন বৰা পুনৰ উভতি আহে আশীৰ্বাদ থিয়েটাৰলৈ। এই বৰ্ষত আশীৰ্বাদ থিয়েটাৰে মঞ্চস্থ কৰে ‘অটোৰিক্সা চলাওঁ আমি দুয়ো ভাই’ আৰু ‘শকত আৱত প্ৰেম কাহিনী’ নামৰ দুখন জনপ্ৰিয় নাট।

শিল্পীৰ পৃথিৱীত এভুমুকি

বিষ্ণু প্ৰসাদ ৰাভা

ব্যক্তিগত কাৰণত পাঠশালালৈ আহিছিলোঁ। ‘ককাইদেউ’ কোনো মাতে? [illegible] মাত। গজেন বৰুৱাৰ? হয় হয়েই, লগতে আৰু কেইবাজনো।

গজেন তুমি ইয়াত? ‘হয় ককাইদেউ মই ইয়াত বৰ্তমান নটৰাজৰ সেৱাত [illegible] কথাবাৰ শুনি হাঁহি হাঁহি ক’লো, নটৰাজৰ সেৱা কৰোঁতে তুমি সৰ্বস্বান্ত [illegible] আকৌ নটৰাজ?

বাকীবোৰে তেওঁলোকৰ শিৱিৰ চাবলৈ নিমন্ত্ৰণ কৰিলে, নেৰিলে, [illegible] গ’ল। ভোলা! তুমি কি আকৌ ইয়াতো বিভ্ৰাট সৃষ্টি কৰিবলৈ আহিলা, [illegible] সেমেনা-সেমেনি কৰিলে।

‘প্ৰবেশ নিষেধ’ দুৱাৰ মুখৰ নিৰ্দেশ ‘সেয়া আপোনাৰ কাৰণে নহয়, আপোনাৰ [illegible] অবাৰিত দ্বাৰ।’

সন্ধিয়া পেট্ৰোমাক্সবিলাকৰ পোহৰত গোটেই চোতাল জলমল, কেইটামান [illegible] কাম কৰি আছে চলন্ত ৰঙ্গমঞ্চৰ কাম। অচ্যুত লহকৰ এই অনুষ্ঠানৰ প্ৰতিষ্ঠাতা, [illegible] পৰামৰ্শ দি আছে।

তেওঁৰ কৰ্মব্যস্ততা চাই তধা লাগিলো।

কাণবাগৰি ঘুনুক ঘানাককৈ মোৰ আগমনিৰ বাতৰি সন্তৱ প্ৰচাৰ হ’ল। শিল্পীসকলো ওলাই আহিল। অনুপমা ভট্টাচাৰ্য, জ্যোৎস্না দেৱী আৰু এজনী, ভোলা কটকীয়ে চিনাকি কৰি দিলে লক্ষদা বৰদলৈ, বোকাখাতৰ, এজনী ভোলা কটকীৰে সম্পৰ্কীয় ভনীয়েক স্বৰ্ণ বৰা, বীণা এজাক নটৰাজৰ সেৱিকা অসমত মহিলা শিল্পীৰ মিছিল।

এটা ৰূমৰপৰা ৰবীন দাস ওলাই আহিল, এজুম ল’ৰা লৈ মোৰ কাষত থিয় দিলেহি।

অচ্যুত লহকৰৰ এই কল্পনা যদি বাস্তৱত কেনেবাকৈ পৰিণত হয় তেন্তে অসমৰ নাট্য বুৰঞ্জীত এটা নতুন অধ্যায় সোণালী আখৰেৰে লিখা থাকিব।

এই পৰিকল্পনাত এক লাখ টকাৰো অধিক খৰচ হ’ব। এই নটৰাজ থিয়েটাৰৰ দলটো ভ্ৰাম্যমাণ হিচাপে গোটেই অসমতে ঘূৰিব।

এটা বিৰাট তম্বু ছাউনি, তাৰ ভিতৰতে ৰঙ্গমঞ্চ আৰু এহেজাৰ আসনেৰে প্ৰেক্ষাগৃহ, লগত থাকিব দুটা ইঞ্জিন ডায়নামো, যাৰ সহায়েৰে গোটেই ছাউনি জলমলাই উঠিব। ৬ টা মাইক্ৰোফোন যাৰ সহায়ত ফুচফুচনিও দূৰৰ শ্ৰোতাৰ কাণত সুশ্ৰাব্য হ’ব। টেপ ৰেকৰ্ডাৰ

যাৰ সহায়ত বিশেষ দৃশ্যৰ আবহাওৱা সৃষ্টি হ'ব। ইলাহী কাৰবাৰ। থিয়েটাৰক ইমান যান্ত্ৰিক কৰি তোলাৰ সপোন ভাৰতত কোনেও দেখা নাই।

ষ্টেজ— চলন্ত ৰঙ্গমঞ্চ— ভ্ৰাম্যমাণ দলৰ কাৰণে যে সম্ভৱ আগেয়ে ভবা নাছিলোঁ। ইয়াত দেখিলো সম্ভৱ, অতি অভিনৱ। অচ্যুতে এখন পোষ্টাৰ আনি দেখুৱালে, চালোঁ। অসমৰ মঞ্চ জগতৰ স্মৰণীয় সৃষ্টি ভ্ৰাম্যমাণ নটৰাজ থিয়েটাৰে নিবেদন কৰিব বুৰঞ্জী মূলক নাটবোৰ 'জেৰেঙাৰ সতী', 'ভোগজৰা', 'হায়দৰ আলি' সঁচাকৈয়ে স্মৰণীয় সৃষ্টি হ'ব। যি উৎসাহ অপূৰ্ব সৃষ্টি হ'বই।

তলত চকু ফুৰালো। মঞ্চৰ অভিনৱ কৌশলে আৰু বোলছবি বেতাঁৰ কেন্দ্ৰ আৰু মঞ্চৰ বাচক বনীয়া শিল্পীসকল মিলিত হৈ পৰিৱেশন কৰা নৃত্যগীত আৰু অভিনয়েও আপোনাৰ মনত এক হেন্দোলনি তুলিবই। সাধনা সিদ্ধি হ'বই। ১৯৫৯ চনতে স্থাপিত হোৱা নটৰাজ অপেৰাৰ সপোন আজি বাস্তৱত পৰিণত হৈ নাট্যজগতৰ এক অভিনৱ গৌৰৱোজ্জ্বল অধ্যায় সূচনা কৰিছে।

বাচকবনীয়া শিল্পী? কোন কোন? বেচেৰী অনুপমা কেৱল মঞ্চৰেই নহয় অসমীয়া ৰাইজে পাহৰিব নোৱাৰা 'চিৰাজ'ৰ অভিনেত্ৰী, 'নিমিলা অঙ্ক', 'সৰাপাত' আদি বোলছবিৰ অভিনেত্ৰী অনুপমা ভট্টাচাৰ্য।' ভালকৈ বা' দিয়াচোন, এঠেঙীয়া বিচনীখন ৰ'ল দেখোন? অণুৰ হাতৰ বৈ যোৱা বিচনীখন আকৌ ঘূৰিবলৈ ধৰিলে— 'এৰা আহিছা ভালেই কৰিলা, আহিছা ভালেই কৰিলা, লহকৰ ভাই দুজনক হতাশ নকৰিবা। ৰংপুৰীয়া জীয়ে মূৰ দোৱালে। জ্যোৎস্না, অ' পাগলী, হেৰা অচ্যুত এইক পাগলীৰ ভাও এটা দিয়াহে'— বহু ৰঙ্গমঞ্চৰ অভিনেত্ৰী তাই। ৰাংঢালী হৈ হাঁহি মাৰিলে।

ধৰণী বৰ্মণ, 'নৰকাসুৰ' বোলছবিৰ অভিনেতা। ভোলা কটকী ভাৰতৰ বিশ্ববিদ্যালয়ৰ যুৱ উৎসৱত দৰং কলেজৰ জৰিয়তে গৌহাটী বিশ্ববিদ্যালয়ে প্ৰথম পুৰস্কাৰ পোৱা বিভ্ৰাট নাটকৰ লিখক আৰু অভিনেতা। চন্দ্ৰ চৌধুৰী, ১৯৩২ চনৰে পৰা নাট্যজগতত লেঠাৰিকৈ লাগি থকা ˚ব্ৰজনাথ শৰ্মাৰ 'কোহিনুৰ অপেৰা' নটসূৰ্য ফণী শৰ্মাৰ লগৰ আসাম থিয়েটাৰ, 'আসাম ড্ৰামাটিক থিয়েটাৰ'ত সহ অভিনেতা মোৰ অনুজ ভাতৃসম যাৰ জীৱন অসমৰ নাট্য জগতৰ এটা বিশিষ্ট অধ্যায়। গজেন বৰুৱা মোৰ অতি মৰমৰ নিজৰ ভাইৰ নিচিনা আপোন, সুন্দৰৰ একনিষ্ঠ পূজাৰী, আউলি যোৱা সংসাৰ এখন এৰি আহি আকৌ নটৰাজ থিয়েটাৰত, সেয়ে আচৰিত হৈ প্ৰথম দৰশনতে কৈছিলো— 'গজেন তুমি আজি নঙঠা হ'লা আকৌ নটৰাজ।'

আলেখ্যত পটু, নৃত্যত দক্ষতা, কল্পনাত বিভোৰ গজেন বৰুৱা। যাৰ পূৰ্বৰ খ্যাতি 'শোণিত কোঁৱৰ' আজিও ৰিণি-ৰিণি পাওঁ। যাৰ নৃত্যই এসময়ত অসমৰ গৌৰৱ অৰ্জন কৰিছিল।

নাচোন চোৱাৰ পিছত গজেনৰ লগত ক'লা মন্দিৰলৈ গ'লো। তাতো পেট্ৰোমাক্স

লাইট। উজ্জ্বল জলমল। অ'ত ত'ত পৰি আছে তেওঁৰ নৱ নৱ পৰিকল্পিত চেটিংচবোৰ। গজেনে একোটা টুকুৰা টুকুৰি ডুখুৰা ডুখুৰি চেটিং 'জিগ্ছোও পাজোল্'ৰ লগ লগাই থিয় কৰাই দিয়ালে।

এটি দৃশ্য পোহৰত উদ্ভাসিত হৈ উঠিল। কি অপূৰ্ব চিত্ৰকৰ খনিকৰ ˚জ্যোতিপ্ৰসাদৰ সপোনৰ বাস্তৱৰূপ। গজেনৰ সৃষ্টি যেন বিশ্বকৰ্মাৰ অদ্ভুত মনোৰম সৃজন। এয়াই অসমৰ নাট্যমঞ্চৰ অভূতপূৰ্ব ৰূপায়ণৰ প্ৰথম প্ৰয়াস।

দাদা শোণিতপুৰৰ শোণিত কোঁৱৰক পালোঁ। আপোনাক? ধেৎ। মোক আৰু কেলেই? এওঁলোকেই যথেষ্ট। এই বয়সত ডেকা গাভৰুসকলৰ দৰে মন গ'লেও ঘূৰিব নোৱাৰা। নোৱাৰিলেও মাজে মাজে দিহা পৰামৰ্শ দিমহি।

সেয়ে যথেষ্ট; আপোনাৰ মৰম চেনেহেই আমাৰ ৰক্ষাৰ কবচ। তেনেহ'লে আমাৰ জয় অনিবাৰ্য।— কৈয়েই লহকৰে সেৱা জনালে। এ দহটা বাজিল, উঠিলো।

অনুপমাই 'গুৰুদেৱ' বুলি মোৰ কাষ চাপি মূৰ দোৱালে। তাইৰ মূৰত হাত ফুৰালো। গজেনে বুকুখন আনি মোৰ বুকুত সুমুৱালে।

যাওদেই গজেন বুলি সাৱটি ধৰিলোঁ। ধৰণী বৰ্মণ, বলো শইকীয়া, ৰুদ্ৰ চৌধুৰী, সদা লহকৰে মিচিকিয়াই হাঁহিলে। পাগলী! জ্যোৎস্নাই মুখত জেউচি চ'ৰালে— গুচি আহিলোঁ।

(বিষ্ণু প্ৰসাদ ৰাভা ৰচিত এই নিবন্ধটি 'আমাৰ প্ৰতিনিধি'ত প্ৰকাশ পাইছিল।)

সাক্ষাৎকাৰত ভূপেন হাজৰিকা

প্ৰশ্ন : ৰঙ্গমঞ্চখন অকল মনোৰঞ্জনৰেই ঠাই কৰি ৰখাটো শোষক শ্ৰেণীয়ে বিচাৰে। আজি কিছুদিন আগৰে পৰা আমাৰ ৰঙ্গমঞ্চখন শোষকৰ হাতলৈ যোৱা বুলি অভিযোগ উঠিছে। এই বিষয়ে মতামত কি?

উত্তৰ : আমাৰ ৰঙ্গমঞ্চখন শোষকৰ হাতলৈ গৈছে, এই কথাত মই একমত নহয়। দুখীয়া শিল্পীসকলক ভাত দিয়া কাৰণেই এই নাট আন্দোলন গঢ়ি তোলা প্ৰযোজক সকলক মই কেতিয়াও সংস্কাৰ ভাল নোপোৱা শোষক শ্ৰেণী বুলি নকওঁ। যিটো শিল্পত উদ্যোগপতি সকলতকৈ শিল্পী নাট্যকাৰ বা আলোক শিল্পীয়ে বেছি পইচা ঘটে সেই শিল্পটো শোষক শ্ৰেণীৰ বুলি কেনেকৈ কওঁ।

ভ্ৰাম্যমাণ থিয়েটাৰৰ বিভিন্ন নাট মই দেখিছোঁ। এই নাট্যদলবোৰে যথেষ্ট নিষ্ঠাৰে সমাজ চেতনা জগাই তুলিবলৈ চেষ্টা কৰিছে। ইয়াৰ মাজতো যদি কোনোবাই দৰ্শকক ভুল পথেৰে পৰিচালিত কৰিবলৈ চেষ্টা চলাইছে, তেনেহ'লে সেই বিশেষ দলটোৰ বিশেষ কাৰ্যকলাপকহে সমালোচনা কৰা দৰ্কাৰ। যধে-মধে সকলো ভ্ৰাম্যমাণ নাট্য দলক সমালোচনা কৰাটো অন্যায়।

প্ৰশ্ন : হাড়ভঙা পৰিশ্ৰমৰ অন্তত গধূলি-দৰ্শকে ক্লান্তি দূৰ কৰিবলৈ যোৱা ৰঙ্গমঞ্চখন আপোনাৰ মতে মনোৰঞ্জনৰ নে সমাজ বিপ্লৱৰ হোৱা উচিত?

উত্তৰ : একেটা কথাকে সাহিত্যিকে সাহিত্যৰ ভাষাৰে, গীতিকাৰে গীতৰ ভাষাৰে আৰু নাট্যকাৰে নাটকৰ ভাষাৰে কয় আৰু সেই সৃষ্টিৰ মাজতেই সমাজ চেতনাও গঢ়ি উঠিব। মনোৰঞ্জনৰ কাৰণে সৃষ্টি কৰিলেও সৃষ্টিকাৰকসকলে সমাজ চেতনাৰ প্ৰতি চকু দি আহিছে, আশাকৰোঁ আৰু দি থাকিব।

প্ৰশ্ন : সমাজ বিপ্লৱৰ ঠাই কৰিবলৈ গ'লে ব্যৱসায়িক শিল্পীসকলে অৰ্থনৈতিক দিশত ক্ষতিগ্ৰস্ত হ'ব বুলি কিছুমানে আশংকা কৰে। এই কথাত আপুনি একমত নে?

উত্তৰ : নাই। এই কথাত মই একমত নহয়। মুকুন্দ দাস, ব্ৰেখ্‌ট, ইবছেন্ আদিৰ অতি বৈপ্লৱিক সৃষ্টিকো সমাজে সাদৰি লৈছে।

অৱশ্যে শিল্পীসকল ক্ষতিগ্ৰস্ত হোৱাটো অতি দুৰ্ভাগ্যজনক, ঠিক তেনেকৈ অকল পইচাৰ কাৰণেই শিল্পীয়ে সমাজ ধ্বংস কৰাটো আৰু দুৰ্ভাগ্যজনক।

প্ৰশ্ন : সমালোচকসকলে ক'ব খোজে, নাট্যগোষ্ঠীসকলে একপক্ষীয়ভাৱে দৰ্শকৰ মন

জয় কৰা নিম্ন খাপৰ কাৰ্যসূচী নিবেদন কৰি আহিছে। শোষক বা ধনী শ্ৰেণীৰ বিপক্ষে অকল ধ্বনি তুলিয়েই সমালোচক সকলে এই সমস্যাৰ সমাধান কৰিব পাৰিব বুলি আপুনি ভাবে নেকি?

উত্তৰ : কানি বৰ বিহ্। এই বিহ 'নেবেচিব' বুলি কোৱাতকৈ খাওতাসকলক নেখাব বুলি কোৱাতহে যিদৰে গুৰুত্ব দিয়া উচিত, তেনেদৰে দৰ্শক শ্ৰেণীক সজাগ কৰি লোৱাৰ দায়িত্বহে সমালোচকসকলৰ মুখ্য কাম।

প্ৰশ্ন : উচ্চমানৰ নাটক আদি সৃষ্টিৰ ক্ষেত্ৰত চৰকাৰৰ বিশেষ ভূমিকা থকা বুলি আমি ভাবো। উচ্চমানৰ নাটক, পৰিচালক আৰু শিল্পী গঢ়ি তোলাৰ ক্ষেত্ৰত বিভিন্ন প্ৰতিযোগিতাৰ মাধ্যমেৰে পুৰস্কাৰ আদি দি বিভিন্ন চৰকাৰে নাট্যশিল্পক আগবঢ়াই নিয়াত যি ভূমিকা লৈছে অসম চৰকাৰে তেনে ধৰণৰ ভূমিকা নোলোৱাটোৱে উচ্চমানৰ নাট আদি সৃষ্টি নোহোৱাৰ এটা বিশেষ কাৰণ বুলি আমি ভাবোঁ। আপুনি কি কয়?

উত্তৰ : (এই প্ৰশ্নৰ উত্তৰত হাজৰিকাদেৱে এটা বিশেষ ধৰণৰ হাঁহি মাৰি কৈছিল) এইখন চৰকাৰৰ কথা কি কম? এওঁলোকে নকৰো বুলিয়েই কৰিবলগীয়া একো কামেই নকৰিলে। সেইদিনা জন্ম পোৱা ৰুক্মিণীদেৱীৰ 'কলাক্ষেত্ৰ', কবিগুৰু ৰবীন্দ্ৰনাথৰ 'শান্তি নিকেতন' চৰকাৰৰ পৃষ্ঠপোষকতাত নিজ নিজ ৰাজ্যৰ তথা ভাৰতীয় সংস্কৃতিৰ কেন্দ্ৰস্থল হিচাপে গঢ়ি উঠিল।

অসমত নতুনকৈ গঢ়ি তুলিবলগীয়া হ'লেও এটা কথা আছিল। তাহানিতে শঙ্কৰদেৱে পাতি থৈ যোৱা আৰু আজি পাঁচশ বছৰে স্থিতি হৈ থকা অসমীয়া কলা-সংস্কৃতিৰ স্নায়ু কেন্দ্ৰ মাজুলী, বৰপেটা বা বৰদোৱাক লৈ এখন কলা-সংস্কৃতিৰ কেন্দ্ৰ গঢ়ি নুতুলিলে। সঞ্চালকসকলে কেৱল নাম কিনিবৰ কাৰণে একাঙ্কিকা লেখীয়া কেইখনমান নাটকৰ এখন বা দুখন প্ৰতিযোগিতা পাতিয়েই তেখেতসকলৰ দায়িত্ব এৰাই ফুৰিছে। অসমৰ বিশাল জন-সমুদ্ৰৰ লগত ঘনিষ্ঠভাৱে জড়িত শিল্পী সকলক চৰকাৰে সদায় আওকাণ কৰি আহিছে। অথচ সাংস্কৃতিক শিতানত বছৰি চল্লিচ/পঞ্চাশ লাখ টকা খৰচ কৰিব নোৱাৰাৰ অজুহাতত কেন্দ্ৰীয় চৰকাৰক ঘূৰাই দিয়ে। সেই টকাৰে গাঁৱৰ ঢুলীয়া কেইজনক ঢোল একোটা কিনি দিবলৈ পাৰিলেহেঁতেন। মুঠতে আমাৰ নাট্যমঞ্চৰ আটাইতকৈ ডাঙৰ ক্ষতিকাৰক হৈছে চৰকাৰ!!

প্ৰশ্ন : আমাৰ জনসাধাৰণে গৰ্ব কৰে আমাৰ ভ্ৰাম্যমাণ থিয়েটাৰবোৰ ভাৰত তথা বিশ্বৰেই এটা আপুৰুগীয়া সম্পদ। আপুনি বিশ্বৰ বহু ঠাইত ভ্ৰমণ কৰা এজন ব্যক্তি হিচাপে, আপোনাৰ অভিমত কি?

উত্তৰ : এইখিনি কথা যথেষ্ট নম্ৰতাৰে নিবেদন কৰিছোঁ। অৱশ্যে কথাখিনি নম্ৰতাৰে

শুনি বেছ ভালেই লাগিছে। কিন্তু এই কথাষাৰ গৰ্বৰে কোৱাৰ হে কথা। বিশ্বজোৰা খ্যাতিৰে বিখ্যাত অভিনেতা উৎপল দত্ত আৰু শম্ভু মিত্ৰই এই থিয়েটাৰ চাই কৈছিল— 'এয়া আমি কি কৰিছোঁ? আমি জাতীয় নাট্যশালাৰ কথা ভাবি আছোঁ, তাকে চিঞৰি আছোঁ; অথচ এওঁলোকে জাতীয় নাট্যশালা কৰি গাঁৱে-ভুঞে ঘূৰি ফুৰিছে, এনে উদাহৰণ ভাৰত তথা বিশ্বতেই বিৰল।' তেখেতসকলৰ কথাষাৰ শুনি মই নিজেও গৰ্ব অনুভৱ কৰিছিলোঁ। এই গৰ্ব তোমাৰ, মোৰ, আমাৰ সকলোৰে।

বিভিন্ন ধৰণৰ ভ্ৰাম্যমাণ দল ভাৰতৰো বিভিন্ন ঠাইত আছে, পৃথিৱীৰো বিভিন্ন ঠাইত আছে। যেনে, কৰ্ণাটকৰ যক্ষগান, বিহাৰ, উত্তৰ প্ৰদেশৰ ৰামলীলা, আমেৰিকাৰ ড্ৰামা অব ৰোডচ্ ইত্যাদি। কিন্তু ওপৰৰ ছালখনৰ পৰা বহা আসনখনলৈকে সকলো সৰঞ্জাম কঢ়িয়াই লৈ ফুৰা, এনেকুৱা ধৰণৰ ভ্ৰাম্যমাণ নাট্যদল বিশ্বৰ ক'তো নাই। অচ্যুত লহকৰৰ এই সৃষ্টিক মই মূৰ দোৱাই অভিনন্দন জনাইছোঁ।

(প্ৰয়াত ফুলেন বৰ্মনে গ্ৰহণ কৰা ভূপেন হাজৰিকাৰ এই সাক্ষাৎকাৰটি নটৰাজ থিয়েটাৰৰ ৰূপালী জয়ন্তী আদৰণী বৰ্ষৰ মুখপত্ৰত প্ৰকাশ পাইছিল।)

ভ্ৰাম্যমাণ থিয়েটাৰ

অচ্যুত লহকৰ

সংস্কৃতিৰ পূজাৰী বিষ্ণুপ্ৰসাদ ৰাভা অথবা গজেন বৰুৱাই অসমীয়া সংস্কৃতিৰ বৰপেৰাটোৰ উমান পাইছিল বাবেই সদায় সকীয়াই আছিল— বৃহৎ সাংস্কৃতিক ভাণ্ডাৰৰ গৰাকী অসমীয়াক কোনেও নাজানে, অথচ মণিপুৰীক জানে, নগা সকলক জানে। তেওঁলোকৰ এই সকীয়নিয়ে মোৰ বুকুত বিন্ধিলে। সঙ্কল্পবদ্ধ হ'লোঁ। অসমৰ সাংস্কৃতিক জগতত প্ৰচাৰৰ বাবে চিন্তা কৰিলোঁ। লোক নাট্যই অসমীয়া সংস্কৃতি প্ৰচাৰৰ আধাৰ হ'ব পাৰে বুলি মোৰ বিশ্বাস জন্মিছিল। গতিকে প্ৰথম চিন্তাতে মোৰ মনলৈ নাট্যদল অহাটো স্বাভাৱিক। কলিকতাত থকা সময়ত বিশ্ববিখ্যাত নাট্যদলবোৰৰ অভিনয় চোৱাৰ সুযোগ পাইছিলোঁ। আমাৰ অঞ্চলত নাট্য চৰ্চাৰ পৰম্পৰা আছে। অপেৰা দলবোৰ ৰাইজৰ মাজত ইতিমধ্যে সমাদৃত হৈছিল। দুয়োটাৰে সংমিশ্ৰণত ৰাইজ, শিল্পী, সাহিত্যিকসকলৰ সহযোগত নতুন পৰিকল্পনাৰে মোৰ ভাই সদা লহকৰে প্ৰতিষ্ঠা কৰা 'নটৰাজ অপেৰা'ক 'নটৰাজ থিয়েটাৰ'লৈ ৰূপান্তৰিত কৰোঁ।

থিয়েটাৰ চাবলৈ দেশৰ বিভিন্ন প্ৰান্তৰ দৰ্শক চহৰলৈ যায়। কিন্তু ভ্ৰাম্যমাণ থিয়েটাৰ নিজেই দৰ্শকৰ কাষলৈ যায়। থিয়েটাৰ দেখুৱাবলৈ। এই ব্যতিক্ৰমেৰে সৃষ্টি হোৱা বাটকটীয়া নাট্যদল 'নটৰাজ থিয়েটাৰ'ক প্ৰয়াত সিংহ পুৰুষ ৰাধাগোবিন্দ বৰুৱাই তেওঁৰ বহুমূলীয়া কাকত 'দৈনিক অসম' আৰু 'আসাম ট্ৰিবিউন'ৰ মাধ্যমেৰে ভাৰতৰ সৰ্বপ্ৰথম ভ্ৰাম্যমাণ থিয়েটাৰ হিচাপে ঘোষণা কৰে। কাকতত প্ৰকাশ কৰাৰ আগে আগে মৌখিকভাৱে ঘোষণা কৰাৰ সময়ত উপস্থিত আছিল সেই সময়ৰ মন্ত্ৰী দেৱকান্ত বৰুৱা, ফকৰুদ্দিন আলী আহমেদ আদিৰ লগতে বিষ্ণু প্ৰসাদ ৰাভা, ফণী শৰ্মা, দীনেশ গোস্বামীকে আদি কৰি অসমৰ বহুতো বিশিষ্ট ব্যক্তি— শিল্পী, সাহিত্যিক আৰু সাংবাদিকসকল, উপস্থিত আছিল পৰৱৰ্তী সময়ৰ আৱাহন-কহিনুৰ আৰু সুৰদেৱীৰ প্ৰযোজকসকল।

স্বাধীন চৰকাৰৰ দিনত ভ্ৰাম্যমাণ শব্দটোৱে এটা বিশেষ নতুনত্বৰ সৃষ্টি কৰিছিল। ভ্ৰাম্যমাণ আদালত, ভ্ৰাম্যমাণ ডাকঘৰ, ভ্ৰাম্যমাণ চিকিৎসালয় আদি বিভিন্ন ভ্ৰাম্যমাণ চৰকাৰী সেৱাই এই ভ্ৰাম্যমাণ শব্দটোক বিশেষভাৱে জনপ্ৰিয় কৰি তোলে। এই ভ্ৰাম্যমাণ বাতাৱৰণৰ সময়ত সৃষ্টি হোৱা 'নটৰাজ থিয়েটাৰ'কো বৰুৱাই ভ্ৰাম্যমাণ থিয়েটাৰ হিচাপে স্বীকৃতি দিয়ে। তেতিয়াৰ পৰাই নটৰাজৰ লেখীয়া থিয়েটাৰবোৰকো ৰাইজে ভ্ৰাম্যমাণ থিয়েটাৰ বুলিয়ে জানে।

মই যেতিয়া ভ্ৰাম্যমাণ থিয়েটাৰ আৰম্ভ কৰোঁ, তাৰো প্ৰায় তিনি দশক আগেয়ে অসমত

আৰু এগৰাকী ব্যক্তিয়ে ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্ম দিছিল। যিহেতু সেই সময়ত ভ্ৰাম্যমাণ শব্দটো জনমানসত অদৃশ্য হৈ আছিল সেয়েহে তেওঁৰ নাট্যদলটোক ভ্ৰাম্যমাণ থিয়েটাৰ নুবুলি 'থিয়েটাৰ' বুলিহে কৈছিল। সেই থিয়েটাৰৰ জন্ম দিয়া ব্যক্তিজন আছিল ব্ৰজনাথ শৰ্মা। অৱশ্যে আজিৰ ভ্ৰাম্যমাণ থিয়েটাৰ আৰু তেতিয়াৰ থিয়েটাৰৰ মাজত কোনো মিল নাছিল। সেই সময়ত সমগ্ৰ ভাৰতবৰ্ষজুৰি পাৰ্চিয়ান থিয়েটাৰে যি তোলপাৰ লগাইছিল তাৰেই প্ৰতিফলন ঘটিছিল শৰ্মাৰ থিয়েটাৰত। কাপোৰত অঁকা 'ড্ৰপ'ত কেৰাচিন তেলৰ গেছ লাইটৰ পোহৰত ছন্দত লিখা নাটকবোৰ অভিনীত হৈছিল ভাওনা বা যাত্ৰাৰ সুৰত। তেওঁ আমাৰ দৰে দৰ্শকৰ আসনসহ নিজস্ব পূৰ্ণাঙ্গ ভ্ৰাম্যমাণ প্ৰেক্ষাগৃহ থকা মঞ্চত নাট মেলা নাছিল।

অসমৰ বাহিৰে ভাৰতৰ কোনো ৰাজ্যতে শিল্পীয়ে স্কুল, কলেজ, চিকিৎসালয় আদি গঢ়াৰ দায়িত্ব লোৱা মই ক'তো দেখা নাই। বৰং শিল্পীসকলৰ প্ৰতি ৰাইজেহে দায়িত্ব লোৱা দেখিছো। কিন্তু অসমত মই এনে এটা পদ্ধতি প্ৰৱৰ্তন কৰিলোঁ যাৰ ফলস্বৰূপে চৰকাৰে গঢ়িব নোৱাৰা অলেখ অনুষ্ঠান ভ্ৰাম্যমাণৰ শিল্পীয়ে গঢ়িব ধৰিলে।

এই বাটেৰেই বিশ্ববিখ্যাত নাট্যকাৰসকলৰ বিশ্ববিখ্যাত তথা কঠিন নাটকবোৰ জনপ্ৰিয় হৈ পৰাৰ অলেখ উদাহৰণ আছে। কিন্তু আমাৰ সমালোচকসকলৰ এটা বুজন অংশই মননশীল বা উচ্চ মানদণ্ডৰ নাটকৰ কথা কাকতৰ পৃষ্ঠা ভৰাই লিখি আলোড়ন সৃষ্টি কৰাটো দূৰৰেই কথা তেওঁলোকে তেনে নাটক চাবলৈকে নাযায়। যদি নতুন আংগিকৰ নাটকবোৰ সমালোচক সকলেই নাচায় বা চালেও বুজি নাপায় তেনেহ'লে সাধাৰণ দৰ্শকক বাট দেখুৱাব কোনে? সেয়ে আমাক নিৰপেক্ষ আৰু দক্ষ সমালোচক লাগে। কাকতবোৰে ইয়াৰ ব্যৱস্থা কৰিব লাগে।

ভ্ৰাম্যমাণ হ'ল অসমৰ সকলো শ্ৰেষ্ঠ নাট্যকাৰ-পৰিচালক আৰু শিল্পীৰ উমৈহতীয়া মঞ্চ। ইয়াত যদি বেয়া আছে— ভালো আছে। তেজক পানী কৰি, ৰাতিক দিন কৰি ভ্ৰাম্যমাণক জন্ম দিছিলো। সাহিত্য আৰু সাংবাদিকতাৰ জগতৰ পৰা আহি ইয়াক অকল ব্যৱসায়ৰ বাবে জন্ম দিয়া নাছিলো। ই যদি বাট এৰি অবাটে যায়, মই মৰাৰ পিছতো শান্তি নাপাম।

মই দেখোন আপোচহীনভাৱে গোটেই জীৱনটো কটাই দিলো। দৰ্শক আৰু কমিটিৰ সৈতে আপোচ কৰি কোনো দিনে 'দাম আছে— কাম নাই, দম্ভ আছে— অৱদান নাই' তেনে শিল্পীৰ ওচৰ চপা নাই। মই যদি প্ৰতিবছৰে নাটক আৰু মঞ্চৰ ক্ষেত্ৰত নতুন পৰীক্ষা-নিৰীক্ষা চলাই যাব পাৰো অইনে নোৱাৰাৰ কাৰণ কি? যি দেশত বা জাতিত পৰীক্ষা-নিৰীক্ষা বেছি চলে সেই সকলহে সকলোতকৈ আগবঢ়া। বিজুলী-ঢেৰেকনিৰ দৰে চমক সৃষ্টি বিজুলীৰ দৰেই ক্ষণস্থায়ী। ইতিহাসে কিন্তু সেই ঢেৰেকনিবোৰক মূল্য নিদিয়ে। আনহাতে সাধাৰণৰ বাবেও মই নিবেদন কৰা নাটকবোৰহে দেখোন জনপ্ৰিয়তাৰ অভিলেখ সৃষ্টি কৰিছে। পাঁচৰ পৰা পঁচিশ বছৰলৈ প্ৰতিখন নাটক চলিছে। অন্ততঃ কেইজনমান প্ৰযোজক মোৰ বাটেৰে আগবাঢ়ক, এয়ে মোৰ বিনম্ৰ অনুৰোধ।

প্ৰশংসনীয় প্ৰচেষ্টা

আমি আক্ষেপ কৰিছিলো যে অসমৰ বুদ্ধিজীৱীসকল জাতীয় নাট্যশালাৰ প্ৰয়োজনীয়তা সম্পৰ্কে সচেতন নহয়। এই শিতানতেই তপন বৰুৱাই অভিযোগ কৰিছিল যে অসম সাহিত্য সভা এই সম্পৰ্কে নিমাত। আমাৰ সৌভাগ্য যে অসম সাহিত্য সভাই নীৰৱতা ভঙ্গ কৰিছে। সভাপতি শ্ৰীনকুলচন্দ্ৰ ভূএগদেৱে অসমত জাতীয় নাট্যশালাৰ প্ৰতিষ্ঠা দাবী কৰিছে আৰু গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনক সেই কামত ব্যৱহাৰ কৰাৰ কাৰণে প্ৰস্তাৱ আগবঢ়াইছে। অলপ অলপকৈ যে বৰফ গলিব ধৰিছে সেইটো আশাৰ কথা। কিন্তু প্ৰশ্ন হৈছে, জাতীয় নাট্যশালা নহয় মানে অসমত কোনো নাট্যশালাই নহ'বনে? নিয়মিত নাট্যাভিনয়ৰ কোনো ব্যৱস্থাই নহ'বনে? যিমানদূৰ সম্ভৱ সুশিক্ষিত, সুৰুচিসন্মত নাট্য ঐতিহ্য গঢ়ি তুলিবলৈ সুপৰিকল্পিত কোনো চেষ্টাই নহব'নে?

এইবোৰ প্ৰশ্নৰ উত্তৰ কেৱল কৰ্মক্ষম লোকেই দিব পাৰে। আমি কেৱল এটা সাম্প্ৰতিক লক্ষণৰ উল্লেখ কৰিম। অসমত আজি দুই তিনি বছৰে একাধিক ভ্ৰাম্যমাণ নাট্য সম্প্ৰদায় গঢ়ি উঠিছে। এই দলবোৰে ভাল বতৰত অসমৰ ঠায়ে ঠায়ে গৈ ব্যৱসায়িক ভিত্তিত নাট নিবেদন কৰে। আমি শুনিবলৈ পাওঁ যে এইবোৰ অভিনয় চাবলৈ প্ৰচুৰ দৰ্শকৰ সমাবেশ ঘটে আৰু দলবোৰৰ মোটামুটি ভাল অৰ্থাগম হয়, যাৰ দ্বাৰা বাৰিষাৰ বতৰৰ কৰ্মহীন দিনবোৰৰ ক্ষতি হয়তো কিছুপৰিমাণে সহ্য কৰিব পৰা যায়। এই দলবোৰৰ সৈতে আমাৰ প্ৰত্যক্ষ যোগাযোগ নাই আৰু এই লিখকে মাত্ৰ এটা দলৰ এখন নাটকৰ অভিনয় চাইছে। কিন্তু যিমানদূৰ শুনিছো তাৰ পৰা অনুমান হয় যে এওঁলোকৰ সংগঠন পদ্ধতি কলিকতাৰ পৰা অহা কিছুমান ভ্ৰাম্যমাণ দলতকৈ বেলেগ। প্ৰথম কথা এওঁলোকৰ নিয়মিত দল আছে। প্ৰত্যেক দলতেই ৬০/৬৫ জন শিল্পী-কলাকুশলী আছে। এওঁলোকক মাহেকীয়া দৰমহা দিয়া হয় (বাৰিষাৰ কৰ্মবিহীন দিনবোৰতো)। চাৰ্কাচৰ দলৰ দৰে এই দলবোৰৰো নিজস্ব তম্বু আছে, চকী-বেঞ্চ আছে, 'পোৰ্টেব্‌ল্ ট্ৰলী'মঞ্চ আছে, লাইট আছে, বিদ্যুৎ জেনাৰেটাৰ আছে, কেবাখনো মটৰগাড়ী আছে, স্বয়ং নিৰ্ভৰ প্ৰচাৰ ব্যৱস্থা আছে। প্ৰত্যেক দলৰেই এটা মূল কৰ্মক্ষেত্ৰ আছে। তাত দলৰ ব্যৱস্থাপনাত শিল্পী, কলা-কুশলীৰ থকা-মেলাৰ ব্যৱস্থা কৰা হয়। তাৰ প্ৰকৃতি হেনো তথাকথিত 'আৰ্টিষ্টচ্ ভিলেজ'ৰ দৰে। এই কেন্দ্ৰত চলে প্ৰস্তুতি পৰ্ব। মৰচুম আৰম্ভ হোৱাৰ কেবামাহৰো আগৰে পৰা মৰচুমত নিবেদন কৰিবলগীয়া নাটবোৰৰ আখৰা হয়। দলবোৰে হেনো ৰাতিপুৱাৰ পৰা ৰাতিলৈকে এটা বিশেষ নিয়মশৃঙ্খলামতে চলে। বুজিবই পাৰিছে ই এটা বিৰাট আয়োজনৰ কথা। আৰু এইটো সম্ভৱ হৈছে সম্পূৰ্ণভাৱে অসমীয়া ব্যৱস্থাপনাৰ দ্বাৰা। ইয়াত অৰ্থ নিয়োগ

কৰিছে অসমীয়া প্ৰযোজকে। আমি শুনিছো, এওঁলোক প্ৰত্যেকেই হয়তো অলপ-অচৰপ টকা থকা লোক, কিন্তু কাকো 'ইণ্ডাষ্ট্ৰীয়ালিষ্ট' বা 'টাইকুন্' বুলিব নোৱাৰি; প্ৰত্যেকেই প্ৰায় যথাসৰ্বস্ব নাটকৰ কাৰণে নিয়োগ কৰিছে। এইটো ঠিক যে ব্যৱসায় এওঁলোকৰ উদ্দেশ্য। কিন্তু লক্ষ্য কৰিবলগীয়া যে সেইটো মুখ্য উদ্দেশ্য নহয়। হোৱা হ'লে এইধৰণৰ অনিশ্চিত, [illegible] অধিক থকা ব্যৱসায়ত টকা নিয়োগ নকৰি সহজে লাভ কৰিব পৰা ব্যৱসায়— যেনে পেট্ৰোলপাম্প, কাঠৰ কাৰবাৰ, মটৰ পাৰ্টচৰ দোকান, মৰাপাট, মিলিটাৰী ঠিকা, মদৰ মহল, চোৰাং বেপাৰ (আৰু ক'ত নাম ল'ব পাৰি) ইত্যাদিত টকা খটুৱালেহেঁতেন। গতিকে ব্যৱসায় অন্যতম উদ্দেশ্য হ'লেও থিয়েটাৰৰ প্ৰতি আন্তৰিক মৰমেই প্ৰধান কাৰণ। লগতে এইটোও মন কৰিবলগীয়া যে এই প্ৰত্যেকটো দলেই ৬০/৬৫ জন অসমীয়া মানুহক জীৱিকা দিছে, আটাইতকৈ ডাঙৰ কথা তেওঁলোকৰ মনে বিচৰা জীৱিকাটো দিছে। একমাত্ৰ শিক্ষাবিভাগৰ কলেজ বিশ্ববিদ্যালয়ৰ বাহিৰে, বাতৰি কাকতৰ বাহিৰে কেইটা অসমীয়া প্ৰকল্পই কেইজন অসমীয়াক মনে বিচৰা জীৱিকাটো দিছে, বা দিব পাৰিছে বা দিবলৈ ইচ্ছা কৰিছে।

ইয়াৰ পিচত লক্ষ্য কৰিবলগীয়া বিষয়টো হৈছে, এই দলবোৰৰ সঁচা নাট্যশালা হৈ উঠাৰ সকলো সমলতো আছেই সুস্থ নাট্যশালা গঢ়ি উঠাৰ লক্ষণো আছে। প্ৰথমতে এওঁলোকে 'ৰেপাৰ্‌টৰী' প্ৰথমতে মৰচুম আৰম্ভ হোৱাৰ আগতে মৰচুমত অভিনয় কৰিবলগীয়া নাটকবোৰ প্ৰস্তুত কৰে আৰু নিবেদন কৰে। দ্বিতীয়তে এওঁলোক স্বয়ংসম্পূৰ্ণ দলবোৰে নিজস্ব ধৰণৰ প্ৰশিক্ষণ লয় আৰু সুশৃংখল অনুশাসন মানিবলৈ চেষ্টা কৰে। (নিশ্চয়ভাৱে ক'ব পাৰি যে এওঁলোকে এইবোৰ কোনো কিতাপ পঢ়ি শিকা নাই; প্ৰচেষ্টা আন্তৰিক হ'লে আৰু আৰ্থিক সুযোগখিনি থাকিলে এইধৰণে আগবঢ়াটোৱেই স্বাভাৱিক।)

ভ্ৰাম্যমাণ হোৱা কাৰণে সুবিধাও হৈছে। অসমত কোনো নগৰৰেই লোকসংখ্যা সৰহ নহয়। ফলত, কেৱল আৰ্থিক কাৰণতেই নহয়, অধিক লোকৰ কাষ চাপিবৰ কাৰণেও নাট্যশালাক এঠাইত অলৰ নকৰি ঠায়ে ঠায়ে লৈ যোৱাটো কাম্য। (তাৰ অৰ্থ এইটো নহয় যে কোনো এখন ঠাইত নিয়মিত নাট্যশালা নাথাকিব। স্থায়ী নাট্যশালাৰ লগতে একেমানৰ ভ্ৰাম্যমাণ নাট্যশালাও থাকিব লাগিব। জাতীয় নাট্যশালাই তেনে লক্ষ্য অনুসৰণ কৰে।) ভ্ৰাম্যমাণ হোৱা বাবে এই দলবোৰে নাট্যশালাতো জীয়াই ৰাখিলেই, নাট্যশালাক অধিক মানুহৰ ওচৰলৈতো লৈ গ'লেই, জনতাৰ কাষতো থাকিল। জনতাৰ কাষত থকা মানেই মানুহৰ সুখ-দুঃখ, আশা-বেদনাৰ ভাগি হোৱা, মানুহৰ প্ৰয়োজনৰ কথা উপলব্ধি কৰা। সেই উপলব্ধি দলবোৰৰ নগৰৰ স্থায়ী মঞ্চতো স্বাভাৱিকভাৱেই সঞ্চাৰিত হ'ব। ফলত নাট্যশালাৰ 'আইভৰি টাৱাৰ'ত পৰিণত হোৱাৰ আশংকা নাথাকিব। আৰু জনতাৰ লগত যদি সঁচাকৈ যোগাযোগ সৃষ্টি হৈ যায় তেন্তে নাট্যশালাই মুষ্টিমেয় কেইজনমান পুথিসৰ্বস্ব, অতিবুদ্ধিমান পণ্ডিতম্মন্য লোকৰ মতামতক গুৰুত্ব নিদিয়াকৈ চলিব পাৰিব। এই নাট্যশালাক

যেন কোনেও তথাকথিত জনতাৰ থিয়াটাৰ বুলি নাভাবে। নগৰত বহি 'জনতাৰ থিয়াটাৰ' হ'ব নোৱাৰে। আৰু নগৰৰ পৰা নি জনসাধাৰণৰ আগত বিশেষ দৃষ্টিভংগীৰ নাট্যনিবেদনৰ নাম আৰু যিয়েই নহওক জনতাৰ থিয়াটাৰ হ'ব নোৱাৰে। জনতাৰ থিয়াটাৰ জনতাৰেই থিয়াটাৰ। তাত সকলোৰে অবাধ গতি; জনতাৰ থিয়াটাৰৰ দৰ্শক বুলি বিশেষ অংশ নাই, সকলোৱেই তাত ভাগ লয়, যিসকলে পাল পাতি দৰ্শক হয় তেওঁলোকৰো ভাগ থাকে। তাত বাহিৰৰ পৰা একো জাপি দিব নোৱাৰে। জনতাৰ থিয়াটাৰ স্বতঃস্ফূৰ্ত। তাত শিল্প শেষ কথা নহয়, অংশগ্ৰহণটোৱেই আনন্দ। নাট্যশালাৰ পৰিকল্পিত শিল্প আছে।

এইখিনিতেই আমাৰ আলোচ্য দলবোৰৰ সম্পৰ্কে প্ৰশংসাৰ পৰা ক্ষান্ত হৈ আশংকাৰ উল্লেখ কৰিব খোজোঁ। যদি স্বীকাৰ কৰোঁ এওঁলোকৰ সুস্থ নাট্যশালা গঢ়ি উঠাৰ লক্ষণ আছে, তেন্তে যিটো উপাদান থাকিলে নাট্যশালা সুস্থ হয়, সেই নাট্যশালাৰ শিল্প এইবোৰ প্ৰচেষ্টাত আছেনে নাই? আগতেই কৈছো, মই কেৱল এখন নাটকৰেই অভিনয় চাইছো। সেই অভিনয়, নিৰ্ভৰযোগ্য শুনা কথা, আৰু দলবোৰে নিবেদন কৰা নাটক সমূহৰ ওপৰত নিৰ্ভৰ কৰি আলোচনা চলোৱা সম্ভৱ বুলি ভাবো। শোণিত কুঁৱৰী, অভিশপ্ত চম্বল (আৰু জেৰেঙাৰ সতী?) মৌলিক অসমীয়া নাটক। বাকীবোৰ বঙালী নাটকৰ অনুবাদ নাইবা বঙালী নাটৰ দ্বাৰা অনুপ্ৰাণিত। বঙালী নাটকৰ অনুবাদ কাৰণেই বেয়া বুলি ক'ব খোজা নাই। সাহিত্যত, শিল্পত অনুবাদ অৱশ্যে কৰ্তব্য। কিন্তু কেৱল অনুবাদ নিৰ্ভৰ হোৱা মানে নিজস্ব শিল্পসৃষ্টি নহয়। আৰু চাব লাগিব যে কি ধৰণৰ বঙালী নাটকৰ অনুবাদ অভিনয় কৰিবলৈ লোৱা হৈছে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ নাটক আছে নে নাই। তেওঁলোকৰ তালিকাত দ্বিজেন্দ্ৰলাল ৰায়ৰ বাহিৰে আছে উচ্ছাস থকা, নাটকীয় হাই উৰুমি থকা, সহজে হাতচাপৰি লাভ কৰিব পৰা বঙালী নাটকৰ অনুবাদ (ইয়াৰ বাবেই উদ্দেশ্য কেৱল ব্যৱসায় বুলি সন্দেহ কৰাৰ থল থাকে।) নাট্যকাৰ হিচাপে দ্বিজেন্দ্ৰলাল কিমান ৰসোত্তীৰ্ণ? কিমান মৌলিক? আজি দ্বিজেন্দ্ৰলালৰ শ্ৰেষ্ঠত্ব গীতিকাৰ হিচাপে— দেশাত্মবোধক সঙ্গীতস্ৰষ্টা হিচাপে, ব্যঙ্গ কবিতাৰ স্ৰষ্টা হিচাপে, সুৰকাৰ হিচাপেহে অধিক স্বীকৃত। অনুবাদৰ পৰা যদি উপকৃত হ'ব নোৱাৰি তেন্তে তেনে অনুবাদ প্ৰশংসনীয় নহয়, আৰু তেনে নাটকৰ শিল্পগুণ নিশ্চয় বিশেষ নাই। আকৌ, মৌলিক নাটক মানেই শিল্পসন্মত, ৰসোত্তীৰ্ণ নাটক বুলি কোৱা কোনো কাৰণ নাই। 'অভিশপ্ত চম্বল' (নে 'চম্বলৰ অভিশাপ? নামটো মই পাহৰিছো।) কিমান শিল্পসন্মত হৈছে আমি নাজানো। কিন্তু আন নাটকবোৰৰ পৰিপ্ৰেক্ষিতত অনুমান কৰিব পাৰি মঞ্চত যথেষ্ট নাটকীয় হুলস্থূল আৰু চমক সৃষ্টি কৰাৰ সুযোগ লোৱাৰ সম্ভাৱনাটো উদ্দেশ্য হ'ব পাৰে (হুলস্থূল মানেই নিন্দনীয় নহয়)। শোণিত কুঁৱৰী সম্পৰ্কে বাণীকান্ত কাকতি দেৱে মাৰ্জিতভাৱে কঠোৰ সমালোচনা কৰি থৈ গৈছে। এতিয়াও ভবা দৰকাৰ শোণিত কুঁৱৰী কিমানখিনি নাটক, কিমানখিনি ৰসোত্তীৰ্ণ। শোণিত কুঁৱৰীৰ গীতসমূহ আৰু তাৰ অনুপম সুৰ বাদ দিলে নাটক হিচাপে ক'ত থাকে? তথাপি শোণিত কুঁৱৰী

সন্তীয়া নহয়। (নাটখন জ্যোতিপ্ৰসাদৰ অতি কম বয়সৰ ৰচনা। জ্যোতিপ্ৰসাদৰ প্ৰায়বোৰ নাটেই নিতান্ত কম বয়সত লিখা।) জ্যোতিপ্ৰসাদৰ নিৰ্বাচনে সুস্থ দৃষ্টিভংগীৰ পৰিচয় দিয়ে।

উৎসাহিত বোধ কৰিবলগীয়া সৰহ নাম নাট্য তালিকাত নাই। কিন্তু নাটকৰ কথা থাকক। নাট্য নিবেদনলৈ আহোঁ। নাটবোৰ কি ধৰণেৰে ৰূপায়িত কৰা হয়। তাত সমন্বয় থকা পৰিকল্পনা দেখিবলৈ পোৱা যায়নে? নাটকখনক কোনো বিশেষ দৃষ্টিভংগীৰে ৰূপায়িত কৰা হয়নে? তাত কোনো বক্তব্য প্ৰস্ফুটিত কৰাৰ চেষ্টা দেখা যায়নে? কোনো বিশেষ লক্ষ্য, বিশেষ এক কেন্দ্ৰবিন্দুলৈ যোৱাৰ চেষ্টা হয়নে? নাটকখনত নিশ্চয় এটা বিশেষ ৰস বা একাধিক ৰসৰ সংমিশ্ৰণ থাকে; সেই ৰসটো উলিয়াই লৈ পৰিৱেশন কৰা হয়নে? নে নাটকৰ দৃশ্যৰ পাচৰ দৃশ্য যিদৰে আহে কেৱল সেই দৃশ্যবোৰক উদ্দেশ্যবিহীনভাৱে নিবেদন কৰা হয়? যিদৰে ঘৰৰ ইখন বেৰৰ পাচত সিখন বেৰত ৰং দি যোৱা হয়? (তাতো অৱশ্যে সমন্বয় থাকে।) অভিনেতাৰ চলন ফুৰণ, সংলাপ কথনৰ মাজত তেনে পৰিকল্পনাৰ, নাটকৰ মূল সুৰটো ফুটাই তোলাৰ লক্ষণ থাকেনে? কেৱল নিজৰ নিজৰ সংলাপখিনি কাৰুকাৰ্য কৰি কোৱা আৰু অৰ্থহীনভাবে মঞ্চৰ ওপৰত চলাফিৰা কৰাতেই সীমাৱদ্ধ থাকে? অনাহকত স্বৰগ্ৰাম ওপৰলৈ নি এটা কৃত্ৰিম নাটকীয় মুহূৰ্ত সৃষ্টি কৰাৰ চেষ্টা চলে নেকি? অভিনেতা অভিনেত্ৰীৰ মঞ্চৰ অৱস্থান আৰু অহা-যোৱাত, গ্ৰুপিঙত কোনো পৰিকল্পিত 'কম্পোজিশ্যন' থাকেনে? এইবোৰ 'কম্পোজিশ্যনে' মিলি নাটকখন শেষ হোৱাৰ পাচত এটা সামগ্ৰিক 'কম্পোজিশ্যন'ৰ ছবি মনলৈ আনি দিয়ে নে? নাটকৰ ৰস অনুযায়ী, কাল আৰু ভাষাৰ চৰিত্ৰ অনুযায়ী সংলাপ কথনৰ ভংগীটো নিৰ্বাচিত হয়নে? দৃশ্যসজ্জা ৰচনাই নাটকৰ বক্তব্যটোক, ৰসটোক, মূল সুৰটোক ফুটাই তোলাত সহায় কৰেনে? নে কেৱল প্ৰতি দৃশ্যত উল্লেখ কৰা মতে বাস্তৱৰ অনুকৰণ কৰি উদ্দেশ্যবিহীনভাৱে দৃশ্য সজোৱা হয়? পোহৰ নিয়ন্ত্ৰণতো সেই একে প্ৰশ্ন? অৰ্থাৎ দৃশ্যসজ্জা, পোহৰ, অভিনয়কে আদি কৰি নাট্যনিবেদনৰ সকলো বিভাগে একেলগে মিলি ('কন্‌ট্ৰাষ্টো' সমন্বয়ৰ অংগ) নাটকৰ মূল কথাটো মূল সুৰটো, মূল ৰসটো পৰিবেশন কৰেনে? ইমানবোৰ প্ৰশ্ন কৰাৰ উদ্দেশ্য এই নহয় যে আমি আলোচ্য প্ৰচেষ্টাবোৰক নিন্দা কৰিবলৈ ওলাইছো। সমূলি নহয়। আমি এই প্ৰচেষ্টাবোৰলৈ আমাৰ আন্তৰিকতাহে প্ৰকাশ কৰিছো। এই প্ৰচেষ্টাবোৰত আমি আশাৰ ৰেঙণি দেখিবলৈ পাইছো। সেয়ে প্ৰশ্নবোৰ কৰি আমি জনাই দিছো যে তেওঁলোক যদি ভুল পথেৰে আগবাঢ়ে তেন্তে তেওঁলোকৰ উদ্দেশ্য খৰ্ব হ'ব, ৰাইজৰ আশা পূৰণ নহ'ব। আমি ক'ব খুজিছো যে তেওঁলোকৰ প্ৰচেষ্টাত আদৰ্শ নাট্যশালা গঢ়ি উঠাৰ আয়োজন আছে, সেই আয়োজন অৰ্থহীন হ'ব, ব্যৰ্থ হ'ব, যদি যাৰ কাৰণে এই আয়োজন সেই নাট্যশিল্পক তাত প্ৰতিষ্ঠিত নকৰে। অথচ সংগঠকসকলৰ আন্তৰিকতাত এতিয়াও সন্দেহ কৰিবলগীয়া একো দেখিবলৈ পোৱা নাই। আমাৰ ধাৰণা তেওঁলোকক হয়তো সেই দৃষ্টিভঙ্গীলৈ পৰিচালিত কৰা হোৱা নাই। অথচ যদি প্ৰশিক্ষণ আছে তেন্তে

সেই প্ৰশিক্ষণত সমন্বয়ৰ লক্ষণ নাই কিয়? উচ্চাৰণৰ বৈষম্য ইমান প্ৰকট কিয়? উচ্চাৰণ শুদ্ধ কৰা কষ্টকৰ হ'ব পাৰে। কিন্তু অসম্ভৱ নহয়। প্ৰায়বোৰ দলৰ লগতেই হেনো পৰিচালক প্ৰশিক্ষক হিচাপে শ্ৰদ্ধেয় গুণীলোক আছে। কিন্তু বয়সৰ বোজাৰ গধুৰত্বক কেনেকৈ অস্বীকাৰ কৰিব? এক বয়স, দুই, বয়স বঢ়াৰ লগে লগে যে সময়ো আগুৱাই গৈ থাকে তাৰ লগত সম্পৰ্ক ৰাখি দৃষ্টিভঙ্গীক মুকলি ৰখা, তিনি, এই অসমত যি দুই চাৰিজন শ্ৰদ্ধেয়, প্ৰবীণ, গুণী শিল্পী আছে তেখেতসকলৰ গোটেই জীৱনটোৰ অপচয় শিল্পক্ষমতা প্ৰকাশৰ সুযোগ বিচাৰি, জীয়াই থকাৰ নিৰাপত্তা বিচাৰি। তাৰ পাচত ক্লান্তিৰ বাহিৰে অৱশিষ্ট কি থাকে? (সেয়ে ভাবো, যিসকলে কলমৰ একে আঁচোৰতে এজন শিল্পী সম্পৰ্কে শেষ কথা কৈ দিয়াৰ সাহস দেখুৱাব পাৰে সেই সকলে শিল্পীজনাৰ প্ৰকাশৰ কাৰণে, জীয়াই থকাৰ কাৰণে দায়িত্ব কান্ধত লোৱাৰ কিমান সাহস দেখুৱায়? হাঁহজনীক মৰম কৰি খুৱালে, যত্ন কৰিলেহে সোণৰ কণী পাৰিব। তাকো এবাৰত এটাহে। মূৰত টাঙোনেৰে কোবালে সেই এটা কণীও নোহোৱা হ'ব।)

আমি ধৰি ল'লো যে সংগঠকসকলে নাট্যশালাত নাট্যশিল্পক প্ৰতিষ্ঠিত কৰিবলৈ চেষ্টা কৰিব। কিন্তু তেতিয়া আমি উদ্বাহু হৈ নাচি আমাৰ কৰ্তব্য শেষ কৰিব নোৱাৰো। এওঁলোকক চলি থাকিবলৈ আমি দায়িত্ব ল'ব লাগিব। আমেৰিকা ধনকুবেৰ দেশ। সম্প্ৰতি তাত নাটক নৃত্য অপেৰাৰ প্ৰতি জনসাধাৰণৰ অসাধাৰণ আগ্ৰহৰ খবৰ পোৱা যায়। কিন্তু এখন আমেৰিকান আলোচনীত পঢ়িলো যে দুজন বিখ্যাত অৰ্থনীতিকে যোৱা তিনিবছৰে এইবোৰ কলাৰ অৰ্থনীতিৰ ওপৰত গৱেষণা চলাই অলপতে এখন কিতাপ প্ৰকাশ কৰিছে। তাত তেওঁলোকে এইবোৰ কলাৰ আৰ্থিক নিৰাপত্তা সম্পৰ্কে গভীৰ আশংকা প্ৰকাশ কৰিছে। দৰ্শক বাঢ়িলেও খৰচৰ তুলনাত অৰ্থাগম একোৱেই নহয়। আৰু দিনকদিনে টিকেট বেচা পয়চা আৰু প্ৰয়োজনাৰ খৰচৰ পাৰ্থক্য ইমানেই বাঢ়ি গৈ আছে যে দুৰ্দশা অপ্ৰতিৰোধ্য— যদি জাতীয় চৰকাৰে সকলো শক্তি লৈ আগবাঢ়ি নাহে। গতিকে অসমৰ অৱস্থা কি ক'বই নালাগে। আমি জানো জাতীয় নাট্যশালা আৰু ৰাষ্ট্ৰৰ পৃষ্ঠপোষকতাৰ নাট্যশালা নহয় মানে সমস্যা সমাধান নহয়। তথাপি তেনে দিন নাহে মানে আমি এই দলবোৰক মৰিবলৈ দিব নোৱাৰো। হয়তো এনে এটা অনুভূতিৰ ফলতেই কাৰো কাৰো মুখত কোনো কোনো কাকতত এই দলবোৰ সম্পৰ্কে উচ্ছ্বাসৰ প্ৰকাশ দেখা পাওঁ। কিন্তু আমি যেন দুটা বস্তু এক নকৰো। এটা হ'ল এওঁলোক জীয়াই থাকিব লাগিব; এওঁলোকৰ প্ৰচেষ্টা চলি থাকিব লাগিব; দ্বিতীয়টো হ'ল এওঁলোকে শিল্পকৰ্ম কৰিব লাগিব। প্ৰথমটোৰ স্বীকৃতি দিবলৈ গৈ যদি এওঁলোকে যিটো বস্তু দিছে তাৰ উচ্ছ্বাসিত প্ৰশংসা কৰিবলৈ লওঁ তেন্তে এওঁলোকৰেই ক্ষতি কৰা হ'ব। এওঁলোকৰ প্ৰচেষ্টাৰ প্ৰতি পূৰ্ণ সহানুভূতি থাকিব, কিন্তু তেওঁলোকৰ শিল্পকৰ্মত অসম্পূৰ্ণতা থাকিলে স্পষ্ট ভাষাত ক'ব লাগিব। এওঁলোকৰ স্থায়িত্বৰ দায়িত্ব আমি ল'ব লাগিব, কিন্তু শিল্পৰ প্ৰতি আন্তৰিকতাৰ আৰু চেষ্টাৰ প্ৰতিশ্ৰুতি তেওঁলোকে

দিব লাগিব। অৱশ্যে বিচাৰৰ দিন এতিয়াও অহা নাই, সেয়ে সেই দিনটো অহাৰ আগতেই যদি অসম্পূৰ্ণতাৰ ইংগিতটো দি দিব পৰা যায় তেন্তে তেওঁলোকৰ লাভহে হ'ব— লোকচান নহয়।

এইখিনিতে আমাৰ এটা আক্ষেপৰ কথা কওঁ। আমি লক্ষ্য কৰিছো যে এই প্ৰচেষ্টা সমূহৰ সংগঠকসকলৰ সকলোৱেই বিশেষ এক অঞ্চলৰ লোক— মফস্বলৰ লোক। যদি এওঁলোকৰ উদ্দেশ্য কেৱল ব্যৱসায়েই হয় তেন্তে সেই ব্যৱসায়ত অসমৰ আন ঠাইৰ ধনী মানুহ, নগৰৰ ধনী মানুহ আকৰ্ষিত নহয় কিয়? যদি নাটকৰ প্ৰতি এওঁলোকৰ উৎসাহেই মূল কাৰণ তেন্তে সেই উৎসাহ অসমৰ অন্য ঠাইৰ ধনী লোক, নগৰৰ উচ্চ শিক্ষিত ধনী লোকৰ নাইনেকি? বহু উচ্চ শিক্ষিত লোকৰ আন ধৰণৰ ব্যৱসায় কৰি লক্ষ লক্ষ টকা উপাৰ্জনৰ খবৰ আমি জানো; তেওঁলোক নাট্যশালা প্ৰতিষ্ঠাৰ কাৰণে টকা নিয়োগ কৰিবলৈ আগবাঢ়ি নাহে। উচ্চ শিক্ষাৰ অৰ্থ কি তেনেহ'লে? অসমত এতিয়াও বহু ধনী (বংশানুক্ৰমে) উচ্চ শিক্ষিত লোক আছে যিসকলে বছৰেকত ডিচেম্বৰ/জানুৱাৰী মাহত বোম্বাই কলিকতালৈ গৈ বিশেষ জীৱন উপভোগৰ কাৰণে যিমান টকা খৰচ কৰি আহে তাৰ দ্বাৰা অসমত ক্ষুদ্ৰ প্ৰচেষ্টাৰ নিয়মিত নাট্যাভিনয়ৰ অন্ততঃ ছমাহৰ খৰচ নিৰ্বাহ হ'ব পাৰে। এনে উচ্চ শিক্ষিত ধনী ব্যৱসায়ীৰ খবৰ জানো যিসকলে ইংলণ্ডৰ পৰা অহা দ্বিতীয়/তৃতীয় শ্ৰেণীৰ নাট্যদলৰ অভিনয় চাবলৈ এৰোপ্লেনেৰে কলিকতালৈ যায়, দামী হোটেলত থাকে। কিন্তু অসমত নিয়মিত নাট্যাভিনয়ৰ ব্যৱস্থাৰ কাৰণে তেওঁলোকৰ ওচৰলৈ যাওক— কোনো সহায়তো নাপাবই, ভৱিষ্যতে আপোনাক দেখিলেই পলোৱা হ'ব।

[ভ্ৰাম্যমাণৰ জন্মলগ্নৰ সময়ছোৱাত 'সমকালীন' আলোচনীত প্ৰথম বছৰ পঞ্চম সংখ্যা (১ ফেব্ৰুৱাৰী, ১৯৬৭)ত এই ৰচনাখন প্ৰকাশ পাইছিল। লেখকৰ নাম উল্লেখ নথকা এই ৰচনাখন ভ্ৰাম্যমাণৰ ইতিহাসৰ বাবে এক গুৰুত্বপূৰ্ণ সমল বুলি বিবেচনা কৰি পুনঃমুদ্ৰণ কৰা হ'ল। উল্লেখ্য যে ভ্ৰাম্যমাণৰ আদি কালছোৱাত সমকালীন সাহিত্য আলোচনী আৰু বাতৰি কাকতবোৰে ভ্ৰাম্যমাণক সহজতে আদৰি লোৱা নাছিল। সেই হিচাপে এই লেখাটি এক ব্যতিক্ৰম আছিল।]

ভ্ৰাম্যমাণ বনাম হেণ্ডিমেন

মহেন্দ্ৰ বৰঠাকুৰ

যথাৰ্থতেই এখন উপভোগ্য, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত অসমীয়া ছবিৰ এটি কৌতুক অথচ গুৰুত্বপূৰ্ণ চৰিত্ৰ এজনী কিশোৰীৰ প্ৰেমত পৰিল। প্ৰেম নিবেদনতো অৱশ্যে হাস্যৰস আছে। কিশোৰীৰ বাবে যে সেই ৰসজ্ঞ চৰিত্ৰ উপযুক্ত তাকে প্ৰতিপন্ন কৰিবৰ বাবে তেওঁ যে নিবনুৱা হৈ নাথাকে, উপাৰ্জন কৰি কিশোৰীক পত্নী হোৱাৰ পিছত খুৱাব-পিন্ধাব পাৰিব সেইটো বুজাবলৈ ক'লে যে তেওঁ অলপতে চাকৰি পাবই। ক'ত? 'হয় হেণ্ডিমেন, নহয় ভ্ৰাম্যমাণ'। 'ভ্ৰাম্যমাণ' শব্দটিয়ে যে ভ্ৰাম্যমাণ থিয়েটাৰৰ কথাকে বুজাইছে, সেই কথা বেলেগে নক'লেও হ'ব। 'হেণ্ডিমেন' আৰু ভ্ৰাম্যমাণ কথাষাৰ সংলাপ লেখক আৰু পৰিচালকৰ মনলৈ একাকাৰ হৈ কিয় আহিল নাজানো, বুজিলো তেৰাসবৰ বাবে এই দুয়োটাই সহজলভ্য চাকৰি যাৰ বাবে দক্ষতাৰ কোনো প্ৰয়োজন নাই। বুধিয়ক পৰিচালক অথবা সংলাপ লেখকে অৱশ্যে বহলাই একো কোৱা নাই। সংলাপ নিক্ষেপনৰ ধৰণটোতে কথাখিনি পৰিস্কাৰ হৈ গৈছে।

ছবিখনৰ নাম 'হলধৰ'। তৰুণ পৰিচালকে প্ৰচুৰ সম্ভাৱনাৰ স্বাক্ষৰ ৰাখিছে ছবিখনত। কিন্তু তাৰ মাজতো ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰতি (আৰু হেণ্ডিমেনৰ প্ৰতি) জ্ঞাতসাৰেই হওঁক অথবা অজ্ঞাতসাৰেই হওঁক ক্ষোভ কিম্বা ঘৃণাকণ ওলাই আহিছে।

অসমৰ এচাম বুদ্ধিজীৱীয়ে ভ্ৰাম্যমাণ থিয়েটাৰক সঞ্জীৱ হাজৰিকা (পৰিচালক) অথবা তৰুণ শইকীয়াই (সংলাপ লেখক) চোৱাদিয়েই চায়। অথচ এইসকল বুদ্ধিজীৱীৰ তুচ্ছ-তাচ্ছিল্যক আওকাণ কৰিও ভ্ৰাম্যমাণ থিয়েটাৰ চলিছে, দৰ্শকো আহিছে! ঠিক কথা, জনপ্ৰিয়তাই শ্ৰেষ্ঠতাৰ মাপকাঠি নহয়। কিন্তু জনপ্ৰিয় মাধ্যম এটি সকলো সময়তে উপেক্ষণীয়ও হোৱা উচিত নহয়। বহু দলে নাটকৰ নামত বান্দৰামী কৰাটো যেনেদৰে সত্য, সেই একেদৰেই বহু দলে সন্মানজনক নাট্য নিবেদন কৰাটোও সত্য। জ্যোতি প্ৰসাদৰ মৃত্যুৰ তিনি দশকৰ পিছতো ভ্ৰাম্যমাণেই যে অকণো সম্পাদনা নকৰাকৈ, নৃত্য-গীতখিনিও একেদৰেই ৰাখি, বিজ্ঞজনৰ হতুৱাই সেইবোৰ সজাই-পৰাই 'কাৰেঙৰ লিগিৰী' কৰিছিল, সেই কথাও মনত ৰখা ভাল। মনত ৰখা ভাল যে কুলদা কুমাৰ ভট্টাচাৰ্যৰ দৰে পৰিচালকৰ পৰিচালনাত 'মাটিৰ গাড়ী', 'বাঘজাল' অথবা 'শৰাগুৰি চাপৰি' হৈছিল। সেইদৰে 'নীলকণ্ঠ' বা 'দধীচি'ৰ কথাও পাহৰা উচিত নহয়। জনপ্ৰিয় কৰিবৰ কাৰণে 'হলধৰে' জানো 'ফুচুৰি'ৰ উপস্থাপন কৰা নাই? ভ্ৰাম্যমাণেও কৰে। হয়, আকৌ কওঁ-

সকলো দলে সমানে মান বিশিষ্ট নাটক কৰা নাই, 'গিমিক'ৰ আশ্ৰয় লৈছে। কিন্তু মাধ্যম **হিচাপে যিমানেই ইয়াৰ জনপ্ৰিয়তা** বাঢ়ি গৈছে সিমানেই অসমীয়া শিল্প-সংস্কৃতিৰ বৌদ্ধিক **উন্নয়নৰ কাৰণে অহোৰাত্ৰে চিন্তা কৰাসকলে** এই মাধ্যমটোলৈ চকু দিয়াৰ প্ৰয়োজন আহিছে। কাৰোবাৰ অপ্ৰাসংগিক যেন লাগিলেও এযাৰ কথা ক'বলৈ মন গৈছে যে এই লেখকে **কলিকতাত বেছ কিছুদিন থাকি কলিকতাৰ গ্ৰুপ থিয়েটাৰ আৰু ব্যৱসায়িক থিয়েটাৰ দুয়োবিধ চাইছিল। অধিক সংখ্যক ব্যৱসায়িক বাংলা থিয়েটাৰেই নিতান্তই নিম্নমানৰ। তাৰ তুলনাত অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ এটা 'মান' কিন্তু আছে।** অস্বীকাৰ নিশ্চয় কৰিব নোৱাৰি যে এই নিম্নমানৰ ব্যৱসায়িক থিয়েটাৰৰ ব্যৱসায় সফল নাটক আনিও ভালেকেইটা ভ্ৰাম্যমাণ থিয়েটাৰে নাটক কৰিছে। সেইটোকে আঙুলিয়াই নাথাকি দুটামান নাট্যদলে কৰা মানবিশিষ্ট মৌলিক নাটক অথবা বিশ্বসাহিত্যত 'ক্লাছিক'ৰূপে পৰিগণিত নাটকৰ অসমীয়া অভিযোজনাৰ কথাও মনলৈ আনিব লাগে। অসমৰ বেছিভাগ গ্ৰুপ থিয়েটাৰ দেখোন অনুবাদ নাটকৰ ওপৰতেই জীয়াই আছে। ভ্ৰাম্যমাণ থিয়েটাৰৰ মুখ্য উদ্দেশ্য ব্যৱসায় হ'লেও ইয়াৰ জনপ্ৰিয়তাক সচেতন লোকে আওকাণ কৰিব নোৱাৰে। 'ব্যৱসায়'ৰ নামত যিকোনো ব্যৱসায় কৰিবলৈ কোনেও কাকো এৰি দিয়া উচিত নিশ্চয় নহয়। **যিখিনি ভ্ৰাম্যমাণ দলে ভেজাল ব্যৱসায় কৰি আহিছে, সেইখিনিৰ প্ৰতি নিৰ্দিষ্টকৈ আঙুলিয়াই দি প্ৰতিবাদ কৰা উচিত। কিন্তু কোনোবা এটা দলৰ তৃতীয় শ্ৰেণীৰ নাটকৰ অভিনয় চাই ভ্ৰাম্যমাণৰ ওপৰত ধ্যান-ধাৰণাৰ সৰলিকৰণ কৰাটো উচিত নহয়।** গ্ৰুপ থিয়েটাৰৰ নামত বহুৱালি কৰা দলো বহুত আছে। কিন্তু তেনেকুৱা এটা বা দুটা দলৰ অভিনয় চাই আমি গ্ৰুপ থিয়েটাৰৰ ওপৰত মন্তব্য দিব নোৱাৰো। আমাৰ ক'বলগীয়া কথা হৈছে ভ্ৰাম্যমাণ থিয়েটাৰে ইতিমধ্যে বেছ জনপ্ৰিয়তা অৰ্জন কৰিছে। গতিকে ইয়াক খালে-দোঙে লৈ যাবলৈ নিদিয়াটোও সচেতন বুদ্ধিজীৱীৰ দায়িত্ব। সেয়েহে তাৰ ওপৰত ব্যংগ কৰি কিম্বা দূৰৰ পৰাই লেই-লেই চেই-চেই কৰি থকাতকৈ প্ৰয়োজনবোধে নিৰ্দিষ্টভাৱে সমালোচনা কৰক। যিসকলৰ সামৰ্থ্য আছে, সেইসকলে ভেজালকাৰী বুলি ভবা ভ্ৰাম্যমাণ থিয়েটাৰৰ মালিকক বুজাই দিয়ক যে জনপ্ৰিয়তাৰ গইনা লৈ তেওঁলোকে যেন সমাজৰ অনিষ্ট কৰিব পৰা কাম নকৰে। লগে লগে যিসকলে বা যিখিনি দলে ৰুচিসন্মতভাৱে নতুন কিবা এটা দিয়াৰ চেষ্টা কৰিছিল (কাৰেঙৰ লিগিৰী, মাটিৰ গাড়ী, বাঘজাল, দীনবন্ধু, কনকলতা, কুশল কোঁৱৰ ইত্যাদি নাটক প্ৰদৰ্শনেৰে) সেইসকলৰ প্ৰচেষ্টাকো উৎসাহিত কৰক। অসমৰ নাট্য-সাহিত্য আৰু অভিনয়কলাৰ আজন্ম, সাধক সত্যপ্ৰসাদ বৰুৱাইহে এতিয়ালৈকে এই কাম অতি তাৎপৰ্যপূৰ্ণভাৱে কৰি আছে। প্ৰাচ্য-পাশ্চাত্য নাট্য-সাহিত্যৰ সঠিক খবৰ ৰাখোতা এইজন লোকেই ভ্ৰাম্যমাণ থিয়েটাৰক 'থিয়েটাৰ' ৰূপে চাইছে, ইয়াৰ জনপ্ৰিয়তাক উলাই নকৰি সঠিক পথ নিৰ্দেশনা দিছে। ভাল নাটক, ভাল অভিনয় দেখিলে উৎসাহিত হৈছে, উৎসাহিত কৰিছে। যিখিনি বেয়া পাইছে, সেইখিনিৰ কথাও খোলাখুলিকৈ

কৈ দিছে। এই ক্ষেত্ৰত ৰত্ন ওজাৰ কথাও কৈ থ'ব লাগিব। ৰবীন্দ্ৰ ভৱনৰ তিনিশ দৰ্শক আৰু ভ্ৰাম্যমাণৰ? নিচেই সৰু দলটোৰো ডেৰ হেজাৰ দৰ্শক একেলগে। তিনিশ দৰ্শকক ডেৰ ঘণ্টা একেবাৰে চুপ কৰি বহুৱাই ৰখা (তাৰো আকৌ প্ৰথম দুশাৰীমান নিমন্ত্ৰিত অৱশ্যে) আৰু ডেৰ হেজাৰ দৰ্শকক তিনি ঘণ্টা সময় বহুৱাই ৰখা একে কথা নহয়। দুই-চাৰি বা পাঁচ-ছয় নিশা অভিনয় কৰি নাট সামৰি থোৱা নাটক আৰু আঢ়ৈশ নিশা বিভিন্ন প্ৰান্তত অভিনয় কৰি ফুৰা নাটকৰ আংগিক কিম্বা প্ৰদৰ্শন কৌশল স্বাভাৱিকতেই বেলেগ হ'ব। কমেও ডেৰশ লোকক নিয়মিত সংস্থান দিয়াটো প্ৰযোজকৰ দায়িত্ব। এই ভ্ৰাম্যমাণেই এদিন আদৰি লৈছিল বিষ্ণু ৰাভা, ফণী শৰ্মাক, আদৰি লৈছিল অভিনয়কেই 'নিচা' আৰু 'পেছা'ৰূপে গ্ৰহণ কৰিব খুজি বাস্তৱৰ লগত যুঁজিবলগীয়া হোৱা নিপন গোস্বামী, বিজু ফুকন, প্ৰাঞ্জল শইকীয়া, বিজয় শংকৰ আদিক। মহানন্দ শৰ্মা, সুৰেন মহন্ত, বা ৰীণা বৰা (বৰুৱা), হীৰা নেওগ, মীনা কুমাৰী আদি ভালেমান সুদক্ষ অভিনেতা-অভিনেত্ৰীৰ অভিনয় প্ৰতিভাৰ কথা কোনো অভিনয়প্ৰেমীয়ে অস্বীকাৰ কৰিব নোৱাৰে।...

যোৱা বছৰ এখন আজৰ নাটকে হেনো বাজি মাৎ কৰি দিলে আৰু সেয়ে লৈ বুদ্ধিজীৱী একাংশ মহা চিন্তিত। নাটকখন হ'ল 'নাগিনীৰ অমৃত দংশন...' নে এনেকুৱা! এখন বাংলা ছবিৰ পৰা কাহিনীভাগ লৈ যুগুত কৰিলে পবিত্ৰ ডেকাই। বাংলা ছবিখন যোৱা ডেৰ বছৰমান গুৱাহাটী ছবিঘৰ সমূহতেই চলি আছে। কলিকতাত পোন্ধৰ-কুৰিটা ছবিঘৰত দুবছৰতকৈ অধিক চলিলে। নাটকৰূপে উপস্থাপন কৰোতেও দৰ্শকৰ দলদোপ হেন্দোলদোপ। গতিকে বুদ্ধিজীৱীৰ, সঞ্জীৱহঁতৰ কথাকে কৈছো, মূৰ গৰম হৈ যোৱা স্বাভাৱিক। আমি নিজে ছবিখনো চোৱা নাই, নাটকখনো চোৱা নাই। যি দলটিয়ে 'অমৃত দংশন' কৰিছিল (কহিনুৰ) সেই দলটোত আমাৰো এখন মৌলিক নাটক আছিল ধৰ্মীয় অন্ধ দৰ্শনৰ ওপৰত। কিন্তু 'অমৃত দংশনে' সকলোকে নিষ্প্ৰভ কৰি পেলালে। আমাৰ আক্ষেপ হৈছিল যদিও ইয়াৰ কাৰণ ফঁহিয়াই চাই বুজিলো তাৰবাবে দৰ্শক ৰাইজ দোষৰ ভাগী নহয়, প্ৰযোজকো নহয়। বৰং কৃতিত্বৰ সিংহভাগ অসমীয়া অভিযোজনা কৰা শ্ৰী ডেকা আৰু প্ৰযোজক শ্ৰীলহকৰৰ। শ্ৰী ডেকাই শুনা মতে, ইয়াক ৰাজনৈতিক প্ৰহসনলৈ উন্নীত কৰিলে আৰু সাধাৰণ মানুহৰ জীৱন গাঁথাক কৌশলেৰে সামৰি আনিলে। 'মানুহৰ গান' আৰু মানুহৰ আকাংক্ষাৰ সংযোজনে নাটখনিক জনপ্ৰিয়তাৰ শিখৰলৈ লৈ গ'ল। মানুহৰ মাজলৈ সোমাব পাৰে বাবেই সম্ভৱ এচাম নাট্যকৰ্মী, বুদ্ধিজীৱীৰ তুচ্চ-তাচ্ছিল্যয়ো ভ্ৰাম্যমাণৰ গতিক বাধা দিব পৰা নাই। পুনৰ একেটা কথাকে কওঁ— **ব্যৱসায়িক দিশটো প্ৰযোজকে একেবাৰে উলাই কৰিব নোৱাৰে। আজিকালি পৰীক্ষামূলক (?) ছবি নিৰ্মাণ কৰিব পাৰি। হলঘৰত দৰ্শক নহ'লেও, নচলিলেও আপত্তি নাই। কেনেবাকৈ পুৰস্কাৰ ল'ব পাৰিলে দূৰদৰ্শনে হেতা-ওপৰা লগাবই। প্ৰযোজকৰ খৰচৰ তিনি চতুৰ্থাংশ উঠি যায়। বাকী ভাগ আমোদ কৰৰ পৰা নিশ্চয় আহিব। কিন্তু ভ্ৰাম্যমাণে তেনে ৰিস্ক ল'ব নোৱাৰে। তেওঁলোকক**

চোৰা মানুহ লাগে, দৰ্শক লাগে। হয়, ইমানখিনি কথা নিজৰ বাবেই ক'লো। ভ্ৰাম্যমাণৰ বাবে নাটক লেখাৰ কাৰণে আমিও এচামৰ ওচৰত বেয়াকৈ অপমানিত হৈছো। 'কি খবৰ ফেক্টৰী কেনে চলিছে? এইবাৰ কাৰখানাৰ প্ৰডাক্ট কিমান' ইত্যাদি ব্যংগ পদে পদে হজম কৰিছো। মোৰ বাবে গ্ৰুপ থিয়েটাৰৰ বাবে এখন নাটক লেখা যিমান কঠিন কাম, তাতোকৈ কঠিন কাম ভ্ৰাম্যমাণৰ বাবে নাটক লেখা। কঠিন এই বাবেই যে একোটা প্ৰদৰ্শনত প্ৰায় দুহেজাৰ বিভিন্ন ৰুচিৰ দৰ্শকক আমনি নোপোৱাকৈ তিনি ঘণ্টামান সময় বহুৱাই ৰাখিব লাগে। নহ'লে প্ৰেক্ষাগৃহৰ যিকোনো দিশৰ পৰা অহা এটা উকিয়ে গোটেই নাটকখনকে পণ্ড কৰি দিব পাৰে। এই ভয় ৰবীন্দ্ৰ ভৱনত কম। কিন্তু এটাই ডাঙৰ সান্ত্বনা যে মোৰ নাটকখন অসমৰ বিভিন্ন ঠাইৰ দৰ্শকৰ আগত অন্ততঃ এশ নিশাতকৈ বেছি অভিনীত হ'ব। ৰাইজক মই মোৰ ক'বলগীয়াখিনি ক'ব পাৰিম। পাৰিশ্ৰমিকো কিছু পাওঁ অৱশ্যে। কিন্তু দায়বদ্ধতাৰ কথাও মনত ৰাখো।

কৌশল আৰু শাৰীৰিক শক্তিৰে অচল গাড়ীখনৰো প্ৰাণ আনিব পৰা হেণ্ডিমেনৰ দৰেই ময়ো ভ্ৰাম্যমাণৰ গতিপথটোক গতিময় কৰি ৰাখিব খোজা ভালেমান হেণ্ডিমেনৰ মাজেৰে এজন।

(এই লেখাটি 'চিত্ৰ সংবাদ' নামৰ সাপ্তাহিক কাকতখনত ১৯৯২ চনৰ ২৮ ছেপ্টেম্বৰত প্ৰথম প্ৰকাশ পাইছিল।)

১৯৮৮ চনৰ ৩১ জুলাইত অসম চৰকাৰৰ দ্বাৰা আয়োজিত ভ্ৰাম্যমাণলৈ বঁটা প্ৰদান অনুষ্ঠানৰ স্মৰণিকালৈ তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই দিয়া বাণী।

অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰ এক জনপ্ৰিয় গণ মাধ্যমত পৰিণত হৈছে। এই মাধ্যমৰ সুপৰিকল্পিত প্ৰয়োগেৰে সমাজ জীৱনত বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰাটো অসম্ভৱ নহয়।

শান্তি-সম্প্ৰীতি-প্ৰগতিৰ বাণী থকা বিষয়বস্তুৰে, অসমৰ মাটিৰ গোন্ধ থকা পৰিবেশন ৰীতিৰে, আমাৰ জন-জীৱনৰ আশা-আকাংক্ষা মূৰ্ত হোৱা অভিনয় শৈলীৰ নাট নিবেদন কৰি ভ্ৰাম্যমাণ থিয়েটাৰে অদূৰ ভৱিষ্যতত অসমীয়া সমাজ আৰু সংস্কৃতিৰ ক্ষেত্ৰত এক নব-চেতনাৰ উন্মেষ ঘটাব পাৰিব বুলি আশা কৰাৰ থল আছে।

সেয়েহে তেওঁলোকৰ অৰ্থবহ প্ৰচেষ্টাৰ প্ৰতি অনুপ্ৰেৰণাৰ প্ৰতীক স্বৰূপে প্ৰৱৰ্তন কৰা হৈছে সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা বঁটা আৰু নটসূৰ্য ফণী শৰ্মা বঁটা।

বঁটা প্ৰদানৰ আৰম্ভণি বৰ্ষৰ অনুষ্ঠান উপলক্ষে প্ৰকাশিত স্মৰণিকা যোগে অসমৰ নাট্য আন্দোলনৰ স'তে জড়িত পৰলোকগত শিল্পীসকলৰ স্মৃতিত আন্তৰিক শ্ৰদ্ধা নিবেদন কৰাৰ লগতে ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰযোজক, শিল্পী কলা-কুশলীসকললৈ জ্ঞাপন কৰিলো হিয়াভৰা শুভ কামনা।

(প্ৰফুল্ল কুমাৰ মহন্ত)

বাইদেউ, এইফালে আহক, মাথা মাৰক

গৰিমা হাজৰিকা

ৰাতিপুৱা ৯ বাজিছে। পাঠশালাৰ 'কহিনুৰ থিয়েটাৰ'ৰ কেম্প। ডাঙৰ পথাৰখনত দুখন ডাঙৰ ডাঙৰ মঞ্চ তৈয়াৰ হৈ গৈছে। থিয়েটাৰলৈ মাত্ৰ বাৰ দিন বাকী। কাঠৰ মঞ্চৰ ওপৰত দুই-তিনিজন মিস্ত্ৰীয়ে ৰেম্পৰ কাম কৰি আছে। দুজনমানে পিলাৰ আৰ্চত ৰং কৰাত ব্যস্ত। মই মঞ্চৰ তলত নিৰিবিলিকৈ টিনৰ চকি এখনত বহি এখনত ভৰি থৈ বৰ মনোযোগেৰে 'বাঘজাল' নাটকৰ দৃশ্য এটা আঁকি আছিলো।

অ' বাইদেউ, এইফালে আহক, মাথা মাৰক।

গৈ দেখো— হয়, মাথা অৰ্থাৎ মগজ খটুওৱাৰে কাম। ৰেম্পখনৰ কিবা এটা নকৰিলে চিৰি আৰু আৰ্চৰ কাৰণে ঠায়েই নোলাব। ইফালে এই 'মাটিৰ গাড়ী' নাটকৰ ৰেম্পখনেই 'শৰাগুৰি চাপৰি' নাটকত লাগিব।

গতিকে কটা-কুটা কৰাৰ প্ৰশ্নই নুঠে। কি কৰো? ছেটত কাম কৰি থকা ল'ৰা কেইজনক মাতি ৰেম্পখন ইফাল-সিফাল কৰি চালো— ওঁহো নহ'ব। 'বাঘজাল'ৰ ছেটৰ কাম আধা খনিয়াকৈ থৈ 'মাটিৰ গাড়ী'ৰ ছেটত মাথা মাৰিবলৈ বহি গ'লো। প্ৰায় এঘণ্টামান মাথা মাৰাৰ পাছত ছেটটো হ'লগৈ। ছেটটো বহুৱাই চাই ভাল লাগিল। মাত্ৰ দুটা বস্তু আঁতৰাই আন দুটা বস্তু লগাই দিলেই তাৰ পাছৰ দৃশ্য হৈ যায়। সকলোৰে স্ফূৰ্তি। ল'ৰা এটাই খৰাহি এটাত বুটমাহ লৈ সকলোৰে হাতে হাতে দি গ'ল। বুট চোবাই চোবাই ধনী মিস্ত্ৰীৰ সৈতে আন এটা দৃশ্যৰ মডেলটো লৈ কি কি কাম প্ৰথমে কৰিব তাৰ জোখমাখ দি বুজাই আছো— এনেতে খৰ্গ উপস্থিত। খৰ্গ এজন প্ৰতিভাবান শিল্পী। বৰ সুন্দৰকৈ আঁকিব পাৰে।

ঃ বাইদেউ 'বাঘজাল'ৰ নামঘৰৰ চিন ৰেডি কৰিছোঁ, আপুনি কেনেকৈ আঁকিব লাগে বুজাই দিয়ক।

গৈ দেখো— প্ৰকাণ্ড এখন স্ক্ৰীণ প্ৰাইমাৰ মাৰি ৰেডি। সকলোৰে লগ লাগি মোক জখলা এখনত উঠাই দিলে। পৰো পৰো অৱস্থা। ৰং আৰু ব্ৰাছ খৰ্গই তলৰ পৰা দিলে— আঁকিবলৈ আৰম্ভ কৰিলো।

খৰ্গই কি আঁকিব আৰু কেনেকৈ আঁকিব তৎক্ষণাত বুজি পাই তলৰ পৰা চিঞৰিলে। 'অ' বাইদেউ আপুনি সেইফালৰ পৰা আঁকি আহক, মই এইফালৰ পৰা আঁকো। দুয়ো

দুডাল জখলাত উঠি আঁকিবলৈ আৰম্ভ কৰিলো। এটা নতুন অভিজ্ঞতা।

স্ক্ৰীণখন আঁকি থাকোতেই ধনী মিস্ত্ৰীৰ তাগিদা আহিল— 'মাটিৰ গাড়ী'ৰ উদ্যানৰ দৃশ্যৰ গছবোৰ প্লাইত জোখ-মাখ কৰি আঁকি দিব লাগে। 'মাটিৰ গাড়ী' নাটৰ আটাইবোৰ দৃশ্যই Suggestive আৰু Suggestive stage। ভ্ৰাম্যমাণ নাটকৰ 'মাটিৰ গাড়ী'য়েই বাটকটীয়া বুলি ক'লে ভুল কোৱা নহ'ব। 'মাটিৰ গাড়ী'ৰ উদ্যানৰ গছবোৰৰ আকাৰ সঁচা সঁচি গছৰ আকাৰৰ দৰে নহয়। যেতিয়া গছবোৰ প্লাইত কৰাই থিয় কৰাই চাই আছো, ছেটত নতুনকৈ সোমোৱা ল'ৰা এজনে মোক সুধিলে ঃ 'বাইদেউ এই গিলাখান কি?' মই ক'লো ঃ 'গাছ।' ঃ 'হাওঁ গাছ এনাই না? পাত থাত নাই কেম্বা দেখি, পাত আনি লাগবা লাগবো।' এনেতে ভ্ৰাম্যমাণত দুবছৰমান থকা ল'ৰা এটাই মাত দিলেঃ ই গটেই অকৰা, একো নাজনে, ৰং কৰাৰ পাচত লাইট পৰল্লি সঁচাসঁচি গাছ হেন লাগা হ'বো।' কথা শুনি মই আচৰিত হ'লো, তাৰ শিল্পীসুলভ মনটোৰ পৰিচয় পাই। ভ্ৰাম্যমাণ নাটৰ এইটো এটা ডাঙৰ অৱদান। নতুনকৈ অহা ল'ৰাটোৱেও হয়তো পাছলৈ এনে কল্পনাই কৰিব পৰা হ'ব।

বহুতো নতুন নতুন অভিজ্ঞতা হৈছিল প্ৰথম ভ্ৰাম্যমাণ নাটৰ দৃশ্যসজ্জা কৰাৰ সময়ত। ভ্ৰাম্যমাণ নাটৰ দৃশ্যসজ্জাৰ কাম মই প্ৰথম আৰম্ভ কৰো 'মাটিৰ গাড়ী', 'শৰাগুৰি চাপৰি' আৰু 'বাঘজাল' নাটেৰে। এই তিনিওখন নাটেই ভ্ৰাম্যমাণ নাটৰ প্ৰযোজনাত এটা আলোড়নৰ সৃষ্টি কৰিছিল। কাৰণ নাট কেউখনৰ পৰিচালনা পৰিকল্পনাৰ ধাৰা সচৰাচৰ চলি অহা ভ্ৰাম্যমাণ নাটকতকৈ সম্পূৰ্ণ বেলেগ আছিল। সেই সময়ত 'কহিনুৰ থিয়েটাৰ'ৰ এই নতুন প্ৰচেষ্টা এক প্ৰত্যাহ্বান আছিল। অভিজ্ঞ প্ৰযোজক ৰতন লহকৰ আৰু সুদক্ষ পৰিচালক কুলদা কুমাৰ ভট্টাচাৰ্যৰ মোৰ ওপৰত আছিল অগাধ বিশ্বাস। এগৰাকী গুণী-জ্ঞানী পৰিচালকৰ বিশ্বাস ভাজন হোৱাটো মোৰ পক্ষে গৌৰৱৰ কথা।

'মাটিৰ গাড়ী' নাটখন আছিল পিৰিঅ'ডিকেল, 'শৰাগুৰি চাপৰি'খন হ'ল বুৰঞ্জীমূলক আৰু 'বাঘজাল' নাটখন আছিল সামাজিক। তিনিওখন নাটৰ দৃশ্য সজ্জা সম্পূৰ্ণ বেলেগ বেলেগ। পিৰিঅ'ডিকেল আৰু বুৰঞ্জীমূলক নাটকৰ দৃশ্যসজ্জা যদি 'ছাজেজটিভ' হয়, তেতিয়া সেই নাটৰ পৰিবেশ আৰু 'মুড' ধৰি ৰাখিবলৈ যথেষ্ট সাৱধান হ'ব লাগে।

ভ্ৰাম্যমাণ নাটৰ এটা অসুবিধা হ'ল, একেলগে পাঁচখন নাটৰ দৃশ্য সজ্জাৰ সামগ্ৰী কঢ়িয়াই লৈ ফুৰা। নাটকৰ সামগ্ৰী যিমানেই কম হয়, সিমানেই সুবিধা। গতিকে এখন নাটৰ দৃশ্যসজ্জা কৰোতে এটা কথা মন কৰিব লাগিব যাতে সেই নাটৰ কিছু সামগ্ৰী আন এখন নাটকত ব্যৱহাৰ হয়। তাকে কৰিবলৈ যাওঁতে দৃশ্য সজ্জা কৰোতাজনৰ মগজৰ খাটনি যথেষ্ট হয়। সাধাৰণতে এটা অবৈতনিক গোষ্ঠী বা সংঘৰ এখন নাট খুব বেছি চাৰি, পাঁচ দিনৰ কাৰণে মঞ্চস্থ হয় আৰু সেই নাটৰ দৃশ্যসজ্জা সাময়িকভাৱে সাজিলেও কোনো অসুবিধা নহয়। কিন্তু ভ্ৰাম্যমাণ থিয়েটাৰৰ নাট সমূহ একেৰাহে আঠ মাহ মঞ্চস্থ হয়। গতিকে যি ধৰণৰ বস্তু দৃশ্যসজ্জাত ব্যৱহাৰ কৰা হ'ব সেইবোৰ যাতে সহজে ৰ'দ, বতাহ

ধুমুহাই বেয়া কৰিব নোৱাৰে তাৰ বাবে চকু দিয়া দৰকাৰ। যেনে— এটা খেৰি ঘৰৰ দৃশ্য-অবৈতনিক গোষ্ঠী সমূহে চাৰি পাঁচ দিনৰ কাৰণে সঁচা সঁচি খেৰৰ চালেৰে দৃশ্যটো সাজি ল'ব পাৰে। কিন্তু ভ্ৰাম্যমাণ নাট্যদলৰ কাৰণে খেৰেৰে সজা ছাল এখন বেয়া নোহোৱাকৈ কঢ়িয়াই লৈ ফুৰাটো সহজ কথা নহয়। গতিকে ভ্ৰাম্যমাণৰ দৃশ্য সজ্জা কৰাৰ সময়ত এটা কথা মন কৰিব লাগিব যাতে যিবোৰ বস্তুৰে দৃশ্য সজ্জাৰ কাম কৰা হয়, সেই সামগ্ৰীবোৰ ঠুনুকা নহয়। কেতিয়াবা কিছুমান সময়ত কাঠ আৰু প্লাইৰ ওজন কমাবলৈ কাপোৰত অঁকা স্ক্ৰীণ ব্যৱহাৰ কৰা হয়, কিন্তু সেই স্ক্ৰীণবোৰ যাতে বতাহ ধুমুহাই উৰুৱাই নিনিয়ে তাৰবাবে নানান ৰকমৰ ব্যৱস্থা ল'ব লাগে। স্ক্ৰিণৰ কথা কওঁতে এটা কথা মনত পৰিছে। 'বাঘজাল' নাটখনৰ শেষৰ দৃশ্যটোৰ কথা। কল্পনা কৰিছিলো, দুয়োখন মঞ্চযোৰা এখন ডাঙৰ হাবিৰ। পেঞ্চিলেৰে তাক কাগজত আঁকিও উলিয়ালো। কিন্তু বাস্তৱত কি বস্তুৰে সেই কল্পনাৰ হাবিখন তৈয়াৰ কৰা হ'ব চিন্তাৰ বিষয় হৈ পৰিছিল।

প্লাইৰে কৰিব পৰা যায়। কিন্তু কাগজত আঁকোতে যি ধৰণৰ 'এফেক্ট' আহিছে, তেনে 'এফেক্ট' প্লাইত নাহিব। কাপোৰত আঁকিলেও বতাহ ধুমুহাই উৰুৱাই নিয়াৰ ভয়। নানা ৰকম পৰীক্ষা নিৰীক্ষা কৰাৰ পাছত বাঁহ-বেঁতৰ ফ্ৰেমৰ কথাটো মনলৈ আহিল আৰু তৎক্ষণাত দুয়োখন মঞ্চযোৰা দুখন স্ক্ৰীণত ডাঙৰ ডাঙৰ গছ আঁকি কাটি কাটি বাঁহ আৰু বেঁতৰ ফ্ৰেম কৰি ধুমুহা বতাহে উৰুৱাই নিব নোৱাৰাকৈ ব্যৱস্থা লোৱা হৈছিল। সেইকাৰণে এটা কথা মনত ৰাখিব লগা হয়, কিতাপৰ বিদ্যা আৰু হাতে কামে অৰ্জা বিদ্যাৰ স্বৰ্গ মৰ্ত্য পাৰ্থক্য।

'কহিনুৰ থিয়েটাৰ'ৰ 'মাটিৰ গাড়ী', 'শৰাগুৰি চাপৰি' আৰু 'বাঘজাল' এই তিনিওখন নাটৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰো। 'মাটিৰ গাড়ী'ৰ দৃশ্যসজ্জা আছিল কেৱল ৰেম্প, আৰ্চ আৰু পিলাৰ যিটো ভ্ৰাম্যমাণ নাটকত প্ৰথম। গোটেই দৃশ্য সজ্জাৰ ৰং আছিল মাটিৰঙৰ। 'শৰাগুৰি চাপৰি'ৰ ৰাজপ্ৰাসাদৰ দৃশ্য সজ্জা কৰিছিলো কেৱল পাটি আৰু বেঁতৰ কামেৰে। তাত হেঙুল হাইতাল ৰঙৰ অসমীয়া ফুলৰ ডিজাইন।

এনে ধৰণৰ নতুন বস্তু কৰিবলৈ যাওঁতে এটা কথা মনত ৰাখিছিলো যাতে আহোমৰ দিনৰ ৰজাদিনীয়া পৰিবেশ অনবৰত থাকে।

নতুন কিবা এটা কৰোতে শাৰীৰিক আৰু মানসিক দুয়োটাৰে যথেষ্ট কষ্ট হয়। কিন্তু যেতিয়া কামটো সুন্দৰ আৰু সুকলমে তৈয়াৰ হৈ উঠে তেতিয়া সকলো দুখ কষ্ট পাহৰি যোৱা হয়। 'বাঘজাল' নাটখনৰ সঁচাসঁচি বাঘধৰা জালখন, ডাঙৰ মহৰ শিংটো আৰু ককা দেউতাৰ আমোলৰ পুৰণা গধুৰ আৰামী চকীখন বিচাৰি আনোতে প্ৰযোজকে কেনে ধৰণৰ অসুবিধাৰ সন্মুখীন হৈছিল এতিয়াও মনত আছে।

'কহিনুৰ থিয়েটাৰ'ত মই জড়িত হৈ পৰিছিলো আজিৰ পৰা চৈধ্য বছৰ আগতে হেমন্ত দত্তৰ অনুৰোধত। তেতিয়াৰ পৰা এই চৈধ্য বছৰ একেলেঠাৰিয়ে তিনিটা দিশত কাম কৰি

আহিছো; সাজসজ্জা, দৃশ্যসজ্জা আৰু নৃত্য নাটিকাত। প্ৰত্যেক বছৰেই বিভিন্ন পৰিচালক কলাকুশলীৰ লগত নতুন নতুন অভিজ্ঞতা। ভ্ৰাম্যমাণ থিয়েটাৰৰ লগত জড়িত হোৱাৰ আগতে মই বহুতো অবৈতনিক গোষ্ঠীৰ সাজসজ্জা আৰু দৃশ্যসজ্জাৰ কাম কৰিছো। দৃশ্যসজ্জা বা সাজসজ্জাৰ কাম কৰিবলৈ হ'লে যথেষ্ট পঢ়াশুনাৰ দৰকাৰ। যিটো মই আটাইতকৈ বেয়া পাইছিলো। পঢ়া-শুনা অংক বুলি ক'লেতো ৰক্ষাই নাই। স্কুলত অংকৰ পিৰিঅ'ডটো আহিলে ক'লৈ পলাও যেন লাগিছিল। কিন্তু এতিয়া মিস্ত্ৰী, দৰ্জীক ফুট ইঞ্চিৰ জোখ-মাখ দিওঁতে দিওঁতে অংকত নহয় আকৌ বুৰঞ্জী, কিম্বদন্তি, পৌৰাণিক, ৰাজনীতি, সমাজনীতিৰ কথা বিচাৰি বিচাৰি পঢ়িব লগা হ'ল। আচল কথা মন। যিটো বিষয়ত মানুহৰ আগ্ৰহ থাকে, সেই বিষয়ৰ লগত জড়িত সকলো কথাকে ভালদৰে নাজানিলে সেই বিষয়টোত আগবাঢ়ি যাম কেনেকৈ?

(এই লেখাটি 'ৰূপকাৰ' আলোচনীত পোনতে প্ৰকাশ পাইছিল।)

নটৰাজ

ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক অচ্যুত লহকৰৰ সৈতে সাক্ষাৎকাৰ

সাক্ষাৎ গ্ৰহণকাৰী ঃ **কিশোৰ কুমাৰ কলিতা**
মহেন্দ্ৰ চৌধুৰী

পাতনি

১৯৬৩ চনত পাঠশালা নগৰত অসমৰ প্ৰথম ভ্ৰাম্যমাণ থিয়েটাৰ 'নটৰাজ থিয়েটাৰ'ৰ জন্ম হয়। এই থিয়েটাৰৰ জন্মদাতা, সম্প্ৰতি ভ্ৰাম্যমাণ থিয়েটাৰৰ জনকৰূপে পৰিগণিত অচ্যুত লহকৰৰ অনন্য সৃষ্টি এই নাট্য পৰম্পৰা কেৱল ভাৰতীয় প্ৰেক্ষাপটতে নহয়, সমগ্ৰ বিশ্বতে বিৰল। অসমীয়া নাট্য পৰম্পৰাক সমগ্ৰ পৃথিৱীতে প্ৰতিষ্ঠিত কৰা ভ্ৰাম্যমাণ থিয়েটাৰে কেৱল অসমীয়া সংস্কৃতিকে সমৃদ্ধ কৰা নাই, লগতে ষাঠিৰ দশকৰপৰা অসমৰ সাংস্কৃতিক-অৰ্থনৈতিক এক শক্তিশালী ভিত্তি হৈ পৰিছে। অসমৰ পৰিৱেশ্য শিল্পীসকলৰ বাবে তথা বিভিন্ন কলা-কুশলীৰ বাবে ভ্ৰাম্যমাণে সুদীৰ্ঘদিন ধৰি সংস্থাপনৰ ব্যৱস্থা কৰি আহিছে। লগতে নাটক প্ৰদৰ্শনৰ জৰিয়তে বিভিন্ন ধৰণৰ শৈক্ষিক-সামাজিক সংস্থা গঢ়াৰ অভূতপূৰ্ব পৰম্পৰাও ৰচিছে একমাত্ৰ ভ্ৰাম্যমাণ থিয়েটাৰে। অসমৰ সাংস্কৃতিক জগতখনক নিজস্ব উদ্ভাৱনশৈলীৰে মহিমামণ্ডিত কৰাৰ বাবে ১৯৯৭ চনত অচ্যুত লহকৰক কমল কুমাৰী ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত কৰা হৈছিল।

এই অনন্য প্ৰতিভাধৰজনৰ সৈতে এক সাক্ষাৎকাৰ ইয়াত আগবঢ়োৱা হ'ল। শিল্পীগৰাকীৰ জীৱনৰ বিভিন্ন ঘাত-প্ৰতিঘাত, অভিজ্ঞতা আদিক প্ৰতিফলিত কৰা এই সাক্ষাৎকাৰটোত লগতে উন্মোচিত হৈছে পৰিৱৰ্তিত সমাজ-সংস্কৃতিৰ বিভিন্ন ৰূপ। অসমৰ সমাজ জীৱনৰ কিছুমান গুৰুত্বপূৰ্ণ কাহিনী, সাংস্কৃতিক দিশত হোৱা দ্ৰুত পৰিৱৰ্তন আদি পৰিঘটনা এই সাক্ষাৎকাৰটিত সন্নিবিষ্ট হৈছে। লগতে সামৰি লোৱা হৈছে ৰাজনৈতিক-আৰ্থিক বিষয়ত শিল্পীজনৰ নিজস্ব ভাবনা আৰু মতামতক।

প্ৰশ্ন ঃ অসমৰ এখন মফচল নগৰত আপোনাৰ শৈশৱ আৰু স্কুলীয়া জীৱন পাৰ হৈছে। এই নগৰখনৰপৰাই ভ্ৰাম্যমাণ থিয়েটাৰৰ শুভাৰম্ভ কৰি অসমৰ নাট্য পৰম্পৰাক আপুনি স্বকীয়তা প্ৰদান কৰিলে। পঞ্চাছ বছৰ আগৰ সেই নগৰখনৰ এতিয়া বহুতো পৰিৱৰ্তন ঘটিল। শৈশৱ আৰু স্কুলৰ কেনেবোৰ বিক্ষিপ্ত ঘটনা এতিয়াও আপোনাৰ স্মৃতিপটত

সজীৱ হৈ আছে? এইবোৰ মনত পৰিলে আবেগিক হৈ পৰে নেকি?

অচ্যুত লহকৰ ঃ অইন বহুতৰে দৰে মোৰো জীৱনত বহু সৰু-সুৰা ঘটনা ঘটিছে। অৱশ্যে সকলোবোৰ কথা মনত নাই। এই মুহূৰ্তত দুটা তেনেকুৱা ঘটনা মনলৈ আহিছে। তাৰে এটা জীৱন গঢ়াৰ ঘটনা, আনটো হাঁহি উঠা ধৰণৰ।

আমাৰ ঘৰত থাকিয়ে দুজন ব্যক্তিয়ে আমাৰ ইয়াৰ স্কুলখনত শিক্ষকতা কৰিছিল। তেখেতসকলৰ এজনৰ নাম হ'ল হৰিমোহন তালুকদাৰ আৰু আনজনৰ নাম হ'ল কৃষ্ণ চৌধুৰী। তেওঁলোক দুয়োজনে মোক নিজৰ ল'ৰাৰ দৰে মৰম-স্নেহ কৰিছিল। ৰাতিপুৱা শুই উঠাৰপৰা খেলা-ধূলা, পঢ়া-শুনা আদি সকলোতে তেওঁলোকে মোক সময়ানুবৰ্তিতা আৰু নিয়মানুবৰ্তিতাৰ প্ৰাথমিক জ্ঞান দিছিল। তেওঁলোকৰ সান্নিধ্যত জীৱনত কিবা এটা কৰাৰ বাবে অনুপ্ৰেৰণা পাইছিলো। তেওঁলোকৰ পৰা পোৱা মৰম-স্নেহ আৰু অনুশাসনৰ মূহূৰ্তবোৰ এতিয়াও মনলৈ সঘনে আহে।

আনহাতে হাঁহি উঠা কথাটো হ'ল,— আমাৰ ঘৰৰপৰা বজালী হাইস্কুললৈ যোৱাৰ বাবে দুটা পথ আছিল। এটা ৰাস্তাৰে অকণমান গ'লেই পাঠশালা গাঁৱলৈ যোৱা তিনি আলিটো। তাত এগৰাকী শকত, বিহাৰী তিৰোতা আছিল। আনটো ৰাস্তাৰে গ'লে আধাডোখৰতে আইতাৰ বয়সীয়া এগৰাকী অসমীয়া তিৰোতা আছিল। দুয়োটা ৰাস্তাৰে গ'লে দুয়োগৰাকী বুঢ়ীয়েই 'মোৰ স্বামী আহিছে', 'মোৰ মৰদ' আহিছে আদি কথাৰে ঠাট্টা কৰিছিল। তেওঁলোকে মোক আম, মাটিকঁঠাল আদি খুৱাই মৰম কৰিছিল যদিও মই এনেকুৱা ঠাট্টা পছন্দ কৰা নাছিলো। তেওঁলোক দুজনৰ ভেঙুচালি, ঠাট্টা আদিৰপৰা হাত সাৰিবলৈ মই আনকি মানুহৰ বাৰীয়েদি পথ উলিয়াই স্কুললৈ গৈছিলো।

স্বাভাৱিকতে এনেকুৱা কথা মনলৈ আহিলে আবেগিক হৈ পৰোঁ।

প্ৰশ্ন ঃ নাটকৰ লগত কেনেদৰে জড়িত হৈ পৰিল? আপোনাৰ পৰিয়ালৰ ভিতৰত নাট্যচৰ্চাৰ পৰিৱেশ আছিল নে? ভ্ৰাম্যমাণৰ পৰিকল্পনা মনলৈ কেনেদৰে আহিল?

অ. ল. ঃ আমাৰ দেউতা এগৰাকী ডাঙৰ ব্যৱসায়ী আছিল। দেউতাৰ যিখন দোকান আছিল, তেনেকুৱা দোকান অসমীয়া মানুহৰ সেই সময়ত প্ৰায় নাছিলেই। সেই দোকানখনত যাত্ৰা, থিয়েটাৰৰ পোছাক, হাৰমনিয়াম, চেতাৰ, গীটাৰ আদি সকলো বস্তু পোৱা গৈছিল। সেয়ে শিল্পীসকল সঘনে আমাৰ দোকানলৈ আহিছিল আৰু তেওঁলোকৰ লগত কথা-বতৰা পতাৰ সুযোগ পাইছিলো। তদুপৰি আমাৰ দেউতাই পাঠশালা নাট্য সমিতিৰ (নামটো ঠিক ভালদৰে মনত পৰা নাই) সহকাৰী প্ৰযোজক হিচাপে কাম কৰিছিল। মিউজিকেল সা-সৰঞ্জামৰ বাবে সেই সময়ত গুৱাহাটীত কেৱল 'ভৰালী ব্ৰাদাৰ্ছ' আৰু এই অঞ্চলত সম্ভৱতঃ আমাৰ দোকানখনেই আছিল। আমাৰ দোকানৰ বস্তু কিনিবলৈ সুদূৰ ডিব্ৰুগড়, বিলাসীপাৰা আদিৰপৰাও মানুহ আহিছিল।

অৱশ্যে নাট্যচৰ্চাৰ পৰিৱেশ আৰম্ভ হৈছিল স্কুলীয়া জীৱনৰপৰাহে। আমি পঢ়া স্কুলখনৰ

নাম আছিল বজালী হাইস্কুল। পাছলৈ ইয়াৰ নাম সলনি হৈ বজালী হায়াৰ ছেকেণ্ডেৰী হ'ল। আমাৰ শ্ৰেণী শিক্ষক প্ৰয়াত ধৰণীধৰ গোস্বামী আৰু প্ৰধান শিক্ষক প্ৰয়াত ভৃগুপতি দত্ত নাট্যপ্ৰেমী মানুহ আছিল আৰু নাটকত অভিনয় কৰিছিল। মোৰ ভাতৃ সদা লহকৰক এইসকল ব্যক্তিয়ে শিশু শিল্পী হিচাপে গঢ়ি তুলিবলৈ যথেষ্ট চেষ্টা কৰিছিল আৰু সদা স্বপ্ৰতিভাৱে এই ক্ষেত্ৰত সফলো হৈছিল। বিভিন্নজনৰ পৰা পোৱা প্ৰশংসা আদিৰে উদ্বুদ্ধ হৈ সদাই পৰৱৰ্তী সময়ত নাটকতে নিজৰ জীৱন উছৰ্গা কৰিলে আৰু এটা সময়ত আমাৰ ঘৰৰপৰা নটৰাজ অপেৰাই জন্ম লাভ কৰিলে।

বিভিন্ন কাৰণত মই সিদ্ধান্তত উপনীত হ'লো যে 'যাত্ৰা'বিলাক আচলতে 'ভ্ৰাম্যমাণ'। এইবোৰ য'লৈকে ইচ্ছা ত'লৈকে যায়। গাঁৱৰ বিবাহ, ভোজ, সভা আদিত যাত্ৰাপাৰ্টিবোৰ অপৰিহাৰ্য। মই কলিকতাত থকাৰ সময়তে হওক বা ইয়াত থাকোঁতে বিভিন্ন ৰংগমঞ্চৰ নাটক চাই ফুৰিছিলো। গুৱাহাটীৰ ভাস্কৰ মঞ্চ, তেজপুৰৰ বাণ মঞ্চ আদিৰ নাটক চাই ভাবিছিলো যে অপেৰাতকৈ থিয়েটাৰ অনেক বেছি উন্নত। থিয়েটাৰত ছোৱালীয়ে ছোৱালীৰ অভিনয় কৰে। গতিকে এটা কথা মনলৈ বাৰে-বাৰে আহিবলৈ ধৰিলে,— অপেৰা বা যাত্ৰা যেনেদৰে ভ্ৰাম্যমাণ, তেনেদৰে 'থিয়েটাৰ'কো ভ্ৰাম্যমাণ কৰিব নোৱাৰিনে! তেতিয়ালৈকে অসমত কলিকতা, বোম্বে আদিৰ লেখীয়াকৈ থিয়েটাৰ আৰম্ভ হোৱা নাছিল। মই প্ৰথমবাৰৰ বাবে এনেকুৱা থিয়েটাৰ খুলি ভ্ৰাম্যমাণৰ ৰূপ দিব খুজিলো।

গতিকে আমাৰ শিক্ষক ধৰণীধৰ গোস্বামী আৰু ভৃগুপতি দত্তই যদি অনুপ্ৰেৰণা আৰু উৎসাহ দি সদা লহকৰক গঢ়ি নুতুলিলেহেঁতেন, তেন্তে হয়তো 'নটৰাজ অপেৰা'ৰ জন্ম নহ'লহেঁতেন আৰু মোৰ ভাতৃ সদাই যদি এই অপেৰা নুখুলিলেহেঁতেন, তেন্তে মোৰ থিয়েটাৰ নহ'লহেঁতেন। যেতিয়াই ভ্ৰাম্যমাণ থিয়েটাৰক লৈ গৌৰৱ কৰা যায় আৰু মানুহে মোক প্ৰশংসা কৰে, তেতিয়া মোৰ ভাই সদাৰ কথাও মনত পেলোৱা উচিত।

প্ৰশ্ন ঃ পাঠশালা নাট্যমঞ্চৰ লগত আপুনি জড়িত আছিল নে কি?

অ. ল. ঃ মই জীৱনত অভিনয় কৰিয়েই পোৱা নাই। অভয় ডেকাৰ এখন নাটক আছিল। সম্ভৱতঃ নামটো 'গৰাখহনীয়া'। সেইখন নাটকৰ এটা সমদল কৰা দৃশ্যত মই সমদলকাৰীৰ ভাও লৈছিলো। সেয়া মোৰ জীৱনৰ একমাত্ৰ অভিনয়। মই সাহিত্যৰ দিশৰহে মানুহ আছিলো। পাঠশালা নাট্যমঞ্চত তেতিয়া গোপী দত্ত নামৰ এজন টেকনিচিয়ান আছিল। তেখেত পাঠশালাৰ উমেশ দত্তৰ ককায়েক। গোপী দত্ত সৰহদিন জীয়াই থাকিলে পাঠশালা হয়তো আৰু ভালেখিনি আগবাঢ়ি গ'লহেঁতেন। পাঠশালা নাট্যমঞ্চত তেতিয়া তৰুণী চৌধুৰী, উমা চৌধুৰী, অমৰ দাস আদি শিল্পীসকলে অভিনয় কৰিছিল। মই কাৰিকৰী দিশত বাপ ৰাখিছিলো বাবে এইক্ষেত্ৰত যথাসম্ভৱ সহায় কৰিছিলো।

প্ৰশ্ন ঃ পিতৃ বিয়োগৰ পাছত আপুনি ব্যৱসায়ত জড়িত হৈ পৰিল। নিজাববীয়াকৈ জোতাৰ দোকানো খুলিলে। তাৰ পাছত কলিকতালৈ গুচি গ'ল। আপোনাৰ সম্পাদনাত

'দীপাৱলী' নামৰ আলোচনী এখনো ওলাল। ইমান বিক্ষিপ্ত কৰ্মৰ মাজতো থিয়েটাৰ খোলাৰ সিদ্ধান্ত আকস্মিকভাৱে মনলৈ আহিল কেনেকৈ?

অ. ল. ঃ ১৯৪৯ চনত যেতিয়া মোৰ পিতৃ ঢুকাল, সেই বছৰতে মই কলিকতালৈ পঢ়িবলৈ গৈছিলো। কলিকতাত মোৰ সহপাঠীসকলৰ কিছুমানৰপৰাই মই কিছু নতুন কথা আৱিষ্কাৰ কৰিলো। তেওঁলোকে পঢ়াৰ লগতে আন বহুতো কাম কৰা দেখিলো; কোনোবাই হকাৰ কৰে, এজন ল'ৰা দেখিছিলো— মুচিয়াৰ ল'ৰা। সি পঢ়াৰ লগতে হোষ্টেলৰ সকলো ল'ৰাৰ জোতা আদি চাফা কৰি দিয়ে আৰু সেই পইচাৰে সি পঢ়াৰ খৰচ উলিয়ায়। মোৰ এগৰাকী অন্তৰংগ বন্ধু আছিল বিজয় কাননগুই। তেওঁ আছিল উৰিষ্যাৰ সেই সময়ৰ মন্ত্ৰী নিত্যানন্দ কাননগুইৰ ল'ৰা। নিত্যানন্দ কাননগুই পাছত উৰিষ্যাৰ মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰীও হৈছিল। বিজয়ক এদিন সুধিলো,— 'অই বিজয়, তই সদায় হোষ্টেলত নাথাকি ক'ত ঘূৰি ফুৰ অ'?' সি তেতিয়া উত্তৰ দিছিল,— "মই ঘূৰি ফুৰা নাই। মই সময়ৰ মূল্য বুজোঁ। এটা কথা মনত ৰাখিবি যি সময়ৰ মূল্য নুবুজে, সি জীৱনৰো মূল্য নুবুজে আৰু যিজনে সময়ৰ মূল্য বুজে তেওঁ জীৱনৰো মূল্য বুজে। তহঁতেতো ইয়াত ছিনেমা চাইছ, আড্ডা মাৰিছ, কিন্তু মই দেউতাৰ বহুতো কাম ইয়াত কৰি আছোঁ।' এই কথাষাৰে মোক যেন ডাঙৰ প্ৰেৰণা দিলে। ময়ো ভাবিলো,— কিবা এটা কৰা যাওক। লগে-লগে কলিকতাৰ পৰা এখন আলোচনী উলিওৱাৰ পৰিকল্পনা মনলৈ আহিল। সেই সময়তে মোৰ আমেৰিকান চৰকাৰৰ লগত এক যোগাযোগ স্থাপন হ'ল। তেওঁলোকৰ কিছুমান কিতাপ মই অসমীয়ালৈ অনুবাদ কৰিব লাগে। পৃষ্ঠাই প্ৰতি ছটকাকৈ দিয়াৰ বন্দবস্ত হ'ল। আলোচনী উলিওৱা আৰু অনুবাদৰ কাম সমান্তৰাল গতিত চলিল। আব্ৰাহাম লিংকন, গণতন্ত্ৰ আদি কিছু কিতাপৰ অনুবাদ কৰা হ'ল। 'দীপাৱলী' তেতিয়া মোটামুটিভাৱে চলি আছে; লাভো দিয়া নাই, লোকচানো দিয়া নাই। ইয়াৰ আগলৈকে মই ঘৰৰপৰা পইচা আনি আলোচনীখন উলিয়াব লগা হৈছিল। মোৰ আলোচনীখনত হেম বৰুৱা আৰু তাৰক শৰ্মা নামৰ দুজন লোকে কাম কৰিছিল। সেই সময়ত আছাম ট্ৰিবিউনৰ কলিকতাত এটা অফিচ আছিল। ৰাধাগোবিন্দ বৰুৱাই কলিকতালৈ গ'লে বৰুৱা আৰু শৰ্মাই তেখেতক লগ ধৰিছিল আৰু 'দীপাৱলী'ৰ কথা জনাইছিল। দীপাৱলীৰ নিচিনা এখন সচিত্ৰ আলোচনী, য'ত খেলা-ধূলাৰপৰা আৰম্ভ কৰি বিজ্ঞানলৈকে সামৰা হৈছে, তেনেকুৱা এখন আলোচনী অসমতো যে ধুনীয়াকৈ চলিব পাৰে সেই বিষয়ত ৰাধাগোবিন্দ বৰুৱাক প্ৰত্যয় নিয়াইছিল। 'আৱাহনে' ইয়াৰ আগতে বিভিন্ন বিষয় সামৰিছিল যদিও দীপাৱলীত বহুতো নতুন বিষয়বস্তু অন্তৰ্ভুক্ত কৰা হৈছিল। ৰাধাগোবিন্দ বৰুৱাৰ কথাষাৰ মনত লাগিল আৰু হেম বৰুৱা, তাৰক শৰ্মাক কলিকতাৰ পৰা মাতি আনি 'অসম বাণী' উলিয়ালে। সেই সময়তে মায়ে মোক ঘৰলৈ মাতি নিলে। ইতিমধ্যে সদাই 'নটৰাজ অপেৰা'ৰ জন্ম দিছে। তাৰ প্ৰচেষ্টা মোৰ ভাল লাগিল। কিন্তু এক নতুনত্ব অনাৰ বাবে যেন মনটোৱে খুন্দিয়ালে। ভাবিলো এতিয়া

থিয়েটাৰৰ যুগ। আজিকালি মহিলাই মহিলাৰ ভাও লয়। গতিকে ভাৰতবৰ্ষৰ আন ঠাইৰ দৰে অসমতো থিয়েটাৰৰ দল গঢ়িব নোৱাৰিনে। পৰীক্ষামূলকভাৱে ১৯৬৩ চনত ভ্ৰাম্যমাণৰ জন্ম দিলো। টেকনিকেল জ্ঞান কিছু থকা বাবে ষ্টেজটো কেনেকুৱা হ'ব, অৰ্কেষ্ট্ৰা ক'ত বহিব, লাইট ক'ত থাকিব, কেতিয়ানো কাষ্টিং দেখুৱাব আদি উদ্ভাৱন কৰিলো। তেতিয়ালৈকে কাষ্টিং ভাৰতবৰ্ষৰ কোনো থিয়েটাৰতে নাই। সেইটো মোৰ নিজা উদ্ভাৱন। পাছলৈ ভ্ৰাম্যমাণত টেপ ৰেকৰ্ডাৰ, মাইক, ছিনেমা আদি আমিয়েই পোনতে আৰম্ভ কৰিছিলো।

থিয়েটাৰ খোলাটো তাৎক্ষণিক সিদ্ধান্ত নাছিল। যেতিয়া দেখিছিলো সদাৰ 'যাত্ৰা'ত মাইক, লাইট আদি নোহোৱাকৈয়ে অজস্ৰ মানুহ হয়, গতিকে থিয়েটাৰত এইবোৰ প্ৰয়োগ কৰি চমক দিয়াৰ চিন্তা কৰিলো। ভ্ৰাম্যমাণৰ ষ্টেজৰ আগত বহি যেতিয়া ছুইচ টিপিয়েই ষ্টেজত ৰঙা-নীলা লাইট জ্বলাবলৈ ধৰিলো, তেতিয়া দৰ্শক আচৰিত হৈ পৰিল। ব্যৱসায়িক দৃষ্টিভংগীৰেই ভ্ৰাম্যমাণৰ জন্ম হৈছিল বুলি ক'ব পাৰি।

প্ৰশ্ন : আপোনাৰ জীৱনত পিতৃ-মাতৃৰ প্ৰভাৱ কেনেকুৱা?

অ. ল. : দেউতাক মই একেবাৰে কম বয়সতে হেৰুৱাইছিলো। দেউতা এগৰাকী সৰ্বৰহী ব্যক্তি আছিল, বিভিন্ন প্ৰতিষ্ঠান আদিৰ সভাপতি, ছেক্ৰেটেৰী আদি হোৱাৰ উপৰি ল'কেল ব'ৰ্ডৰ মেম্বাৰ আছিল। অসমৰ কোনো ডাঙৰ ব্যক্তি পাঠশালালৈ আহিলে যিহেতু আজিৰ দৰে তেতিয়া একে দিনাই উভতি যাব পৰা নাছিল, সেয়ে নিশা ইয়াত থাকিব লগাত পৰিছিল। আমাৰ ঘৰৰ সমুখত থকা ডাকবাংলাটোৰ অতিথিশালাত থকা সমগ্ৰ ব্যৱস্থাৰ অনুকৰণত দেউতায়ো আমাৰ ঘৰতে এটা অতিথিগৃহ নিৰ্মাণ কৰিছিল। মেল-মিটিঙলৈ অহা ডাঙৰ-ডাঙৰ ব্যক্তিসকল সেই ঘৰত আছিল। সেই সময়ত স্বদেশপ্ৰেমৰ জাগৰণত বৃটিছ চৰকাৰৰ কৰ্মচাৰীসকলৰ বাদে আন লোক ডাকবাংলাত থকা নাছিল। এনেকুৱা এটা পৰিবেশত দেউতাৰ প্ৰতি আমি সদায় শ্ৰদ্ধাযুক্ত এক ভয়ভাব মনত পুহি ৰাখিছিলো। দেউতাৰ প্ৰতি শ্ৰদ্ধা বাঢ়িছিল আন এটা কথাৰপৰা। আমাৰ ঘৰৰ বাৰাণ্ডাত প্ৰায় সকলো বিখ্যাত গুণী-জ্ঞানী ব্যক্তিৰ একোখনকৈ ফটো আছিল। মদন মোহন মালব্যৰ মৃত্যুৰ দিনাখন দেউতাই ফটোখন নমাই আনি তাত ধূপ-ধূনা আৰু ফুল অৰ্পণ কৰিছিল। মই তেতিয়া দেউতাক সুধিছিলো ফটোখনত ফুলৰ মালানো কিহৰ বাবে অঁৰা হৈছে। তেতিয়া দেউতাই কৈছিল,— 'এখেত হৈছে মদন মোহন মালব্য। তেখেত আজি ঢুকাল।' তেতিয়া মালব্যনো কোন আছিল বুলি সোধাত দেউতাই ক'লে যে তেখেত এজন ভিক্ষুক আছিল। এগৰাকী ভিক্ষুকক কিহৰ বাবেনো মালা দিয়া হৈছে বুলি পুনৰ সোধাত দেউতাই ক'লে যে মদন মোহন মালব্য এগৰাকী সাধাৰণ ভিক্ষুক নাছিল। তেখেতে ভিক্ষা কৰি-কৰি কাশী হিন্দু বিশ্ববিদ্যালয় স্থাপন কৰিছিল।

"ভিক্ষা কৰি বিশ্ববিদ্যালয় স্থাপন কৰি মালব্যৰ কি ব্যক্তিগত লাভ হৈছিল" বুলি মই সোধা প্ৰশ্নৰ উত্তৰ হিচাপে দেউতাই যিখিনি কথা কৈছিল, সেইখিনি আজিৰ প্ৰতিজন

অভিভাৱককে জনাটো উচিত বুলি মই ভাবোঁ। দেউতাই কৈছিল,— "প্ৰতিটো কথাত যিয়ে নিজৰ ব্যক্তিগত লাভৰ কথা কয় তেওঁৰ ছবিত কোনেও মালা নিদিয়ে। মালব্যই স্থাপন কৰি যোৱা বিশ্ববিদ্যালয়খন হৈছে এক অমৰ কীৰ্তি। সেয়ে তেখেতৰ মৃত্যুত আজি বজাৰ বন্ধ হৈছে। তেখেতক শ্ৰদ্ধা জনাইছে। গতিকে প্ৰতিটো কথাত কেৱল নিজৰ কথা ভাবিব নালাগে। নিজৰ কথা ভাবোতে, ৰাইজৰ কথা, দেশৰ কথাও ভাবিব লাগে।' এইটো মই দেউতাৰ পৰা পোৱা এটা ডাঙৰ শিক্ষা। ইয়াৰ পাছত মই কলিকতাৰ 'ছেইন্ট পল' কলেজত নাম লগাইছিলো। তাত পঢ়ি থাকোঁতে মই মাজে-মাজে গীৰ্জালৈ গৈছিলো। গীৰ্জাত গৈ মোৰ এক নতুন অনুভৱ হ'ল। গীৰ্জাত প্ৰাৰ্থনা হিচাপে কোৱা হয়— 'Pray to love human, love to human is love to God'। আমাৰ ধৰ্মত কেৱল ভগৱানক প্ৰাৰ্থনা জনোৱা হয়। খৃষ্টান ধৰ্মৰ এটা নতুন কথা জানিলো। এইবোৰ কথাই মোক ভালেখিনি প্ৰেৰণা দিলে। পৰৱৰ্তী সময়ত এই প্ৰেৰণাৰ বলতেই হয়তো মই ভ্ৰাম্যমাণৰ জন্ম দিব পাৰিছিলো, যাৰ জৰিয়তে মই শিল্পীসকলৰ লগতে সমাজৰো সেৱা আগবঢ়াব পাৰিছিলো। দেউতাৰ ব্যক্তিত্বই মোৰ জীৱনত পেলোৱা প্ৰভাৱৰ বাবেই হয়তো মই ইমানখিনি কৰিব পাৰিছিলো।

মাৰ অৱশ্যে মনত এটা ক্ষোভ ৰৈ গ'ল। দেউতাৰ দিনৰ নদন-বদন সংসাৰখন আমি ধৰি ৰাখিব নোৱাৰিলো বাবেই সম্ভৱতঃ এই ক্ষোভ হৈছিল। আমি ভ্ৰাম্যমাণ কৰিলো, আমাৰ নাম-যশস্যা হৈছে আদি কথাই তেওঁক কোনো অনুভূতি নিদিলে। দেউতাৰ দিনৰ সেই দোকানখন, টকা গ্ৰাহক আদি কথাবোৰ কৈয়েই তেওঁ মৰি থাকিল।

প্ৰশ্ন : 'দীপাৱলী'ৰ যিকেইটা সংখ্যা প্ৰকাশ হৈছিল, সেইবোৰৰ বিষয়বস্তু কেনেকুৱা আছিল? আলোচনীখন বন্ধ হৈ যোৱাৰ কাৰণ?

অ. ল. : 'দীপাৱলী' উলিয়াবলৈ মই প্ৰেৰণা পাইছিলো মূলতঃ বাঙালী মাহেকীয়া আলোচনী 'বসুমতী', মাহেকীয়া 'আনন্দবাজাৰ' আৰু অসমীয়া 'আৱাহন' আলোচনীৰপৰা। দীপাৱলী প্ৰকাশ হৈছিল ১৯৫২ চনৰ ১৫ জুনত। তেতিয়া আৱাহন প্ৰকাশ হোৱাটো বন্ধ হৈছিল। কিন্তু আমাৰ পাঠশালাৰে সন্তান দীননাথ শৰ্মাই উলিওৱা 'আৱাহনে' অসমীয়া সাহিত্যতে যুগৰ সৃষ্টি কৰিছিল। সেই সময়ৰ অসমীয়া বৰণ্যে ব্যক্তিসকলে প্ৰবন্ধ, লেখা আদিৰে আৱাহন উলিওৱাত সহায় কৰিছিল। তদুপৰি আলোচনীখনে সাহিত্য, বিজ্ঞান, খেলা-ধূলা, মহিলা বিষয়ক বিভিন্ন শিতান অন্তৰ্ভুক্ত কৰিছিল। আৱাহন ওলোৱা বন্ধ হোৱাৰ পাছত আৱাহনৰ অনুকৰণত এখন আলোচনী উলিওৱাৰ সিদ্ধান্ত লৈছিলো আৰু সিদ্ধান্ত অনুসৰি আলোচনীখনে আত্মপ্ৰকাশ কৰিছিল। তাৰক শৰ্মাই 'আৱাহন'ত কাম কৰিছিল বাবে মোৰ আলোচনীখন প্ৰকাশ কৰাত ভালেখিনি সুবিধা হ'ল। পাছত তাৰক শৰ্মা আৰু হেম বৰুৱাই গুৱাহাটীলৈ ঘূৰি আহি 'অসম বাণী' উলিওৱাত মোৰ মূল মানুহ দুজন গুচি যোৱাত আৰুময়ো ঘৰুৱা বিভিন্ন সমস্যাত সোমাব লগাত 'দীপাৱলী'খন পূৰ্ণৰূপত বন্ধ হৈ গ'ল।

প্ৰশ্ন ঃ সম্ভৱতঃ এক কঠিন পৰিৱেশৰ মাজত আপুনি নটৰাজ থিয়েটাৰ গঠন কৰিব লগা হৈছিল। এনে পৰিৱেশত আপোনাৰ পৰিয়াল তথা স্থানীয় সমাজখন সঁহাৰি কেনে আছিল?

অ. ল. ঃ প্ৰথম অৱস্থাত সকলোৱে নটৰাজৰ প্ৰতি এক কৌতূহলৰ ভাব জন্মিছিল। মই ভ্ৰাম্যমাণৰ জৰিয়তে কিছু সঁচা অসমীয়া শিল্পী গঢ়িব খুজিছিলো। ঢোল-পেঁপা বজোৱা সঁচা বিহু, সত্ৰীয়া নৃত্য আদি শিকাবলৈ প্ৰশিক্ষক আনিলো, গজেন বৰুৱা, বিষ্ণু ৰাভা আহিল। তদুপৰি মহিলা শিল্পীৰো আগমন ঘটিল। পাঠশালাৰ মানুহ একপ্ৰকাৰ হতভম্ব হ'ল। এদিনাখন পাঠশালাৰ চকত এখন দোকানত প্ৰায় সাত-আঠজন লোকে (তেওঁলোকৰ ভিতৰত কাশীনাথ দাস, তৰুণী চৌধুৰীৰ নাম এইমাত্ৰ মোৰ মনলৈ আহিছে) মোক মাতি নি সুধিলে, 'অই এইপিনে আহ। তই এইবোৰ কি কৰিবলৈ ওলাইছ? অপেৰাৰ এক ডজন এক্টৰক চলাবলৈ য'ত ভাগৰ লাগে, তাতে আকৌ এশমান মানুহ কেনেদৰে চম্ভালিবি? লগতে আকৌ ছোৱালীও ৰাখিছ। পাৰিবি জানো?' মই তেওঁলোকক বিনম্ৰভাৱে সেৱা এটা কৰি ক'লো,— 'আপোনালোকে মোক কেৱল আশীৰ্বাদ দিয়ক। আপোনালোকৰ আশীৰ্বাদত মই এই ডেওনাখন পাৰ হ'ব পাৰিম নে কি?' আৰু তেওঁলোকৰ আশীৰ্বাদত চল্লিছটা বছৰ ভ্ৰাম্যমাণ চলালো। আন-আন ভ্ৰাম্যমাণ দল অসমত গঢ়ি উঠিল।

প্ৰথম বছৰত বিভিন্ন সমস্যা হৈছিল যদিও পাছৰ বছৰ পাঠশালাবাসীৰপৰা মই অকুণ্ঠ সমৰ্থন পালো। পাঠশালাৰ ৰাইজৰ সেই সমৰ্থন নাপালে মোৰ হয়তো ভ্ৰাম্যমাণ নাটকৰ গোট সৃষ্টি কৰা নহ'লহেঁতেন। মোক ডাঃ কৃষ্ণকান্ত লহকৰ, অনন্ত শৰ্মা, উমেশ দত্ত আদিয়ে কাপোৰ-কানি আদিৰেও সহায় কৰিছিল। কোনো-কোনোৱে পাগল আদি মন্তব্যও কৰিছিল যদিও এচাম লোকে টকা-পইচা আদিৰেও মোলৈ সহায়ৰ হাত আগবঢ়াইছিল।

প্ৰশ্ন ঃ আপোনাৰ ভাতৃ সদা লহকৰৰ 'নটৰাজ অপেৰা'ই প্ৰকৃতপক্ষে ভ্ৰাম্যমাণৰ ভেটিটো গঢ়িছিল নে কি, যি ভেটিক ভিত্তি কৰি আপুনি এই ফৰ্মটোৰ বিকাশ সাধন কৰিছিল?

অ. ল. ঃ এইটো মই স্বীকাৰ কৰোঁ। ভৃগুপতি দত্ত আৰু ধৰণীধৰ গোস্বামীয়ে সদাক যদি শিল্পী হিচাপে গঢ় দিয়াত সহায় নকৰিলেহেঁতেন, তেন্তে হয়তো আমাৰ পৰিয়ালৰ পৰা নটৰাজ অপেৰা নোলালহেঁতেন, নটৰাজ অপেৰা নোলালে ভ্ৰাম্যমাণো কৰা নহ'লহেঁতেন। মই কেৱল 'অপেৰা'লৈ পৰীক্ষামূলক ব্যৱসায়িক দৃষ্টিভংগীটো আনিছিলো। সেয়ে ভ্ৰাম্যমাণৰ জন্মৰ লগত সদাৰ নামটো সদায় ওতঃপ্ৰোতভাৱে জড়িত। সি অৱহেলিত নহয়। প্ৰথম বছৰত আমি দুয়োজনে নটৰাজৰ মালিক আছিলো। যিহেতু সি মোতকৈ আগতে বিয়া কৰাইছিল, সেয়ে হয়তো মোৰ পাগলামিৰ লগত জড়িত হৈ থকাৰ সিদ্ধান্ত পাছলৈ এৰিলে।

প্ৰশ্ন ঃ নটৰাজ থিয়েটাৰৰ প্ৰথম দুটামান বছৰৰ সফলতা-বিফলতাবোৰ ক'বনে? কেনেকুৱা নাটক আপুনি নিৰ্বাচন কৰিছিল? নাট্যকাৰৰ অভাৱ অনুভৱ কৰিছিলনে?

অ. ল. ঃ ভ্ৰাম্যমাণৰ ইতিহাসৰ বাবেই নটৰাজৰ দ্বিতীয় বছৰটো গুৰুত্বপূৰ্ণ আছিল।

আগতে থিয়েটাৰত স্ক্ৰীণ পেলাই বিভিন্ন দৃশ্য স্ক্ৰীণত আঁকি দৰ্শকৰ আগত দেখুওৱা হৈছিল। মই সঁচা-সঁচি গছ-গছনি মঞ্চলৈ লৈ আহিলো। তদুপৰি ভ্ৰাম্যমাণৰ মঞ্চত আচলতে বিখিনি অভূতপূৰ্ব পৰিৱৰ্তন অনা হ'ল (মূলতঃ দ্বিতীয় বছৰৰ পৰা), সেইখিনি আচলতে বিদ্যুতৰ জৰিয়তে অনা হ'ল। তদুপৰি নাটকৰ আগতে নৃত্যনাটিকা পৰিৱেশনৰ ব্যৱস্থা কৰা হ'ল। মুঠতে অসমৰ সকলো ধৰণৰ শিল্পীয়ে যাতে ভ্ৰাম্যমাণৰ মঞ্চত স্থান পাব পাৰে, তাৰ এটা সুব্যৱস্থা গঢ়ি উঠিল। ভ্ৰাম্যমাণৰ যোগেদি সাংস্কৃতিক ক্ষেত্ৰখনত এক নতুনত্বৰ জোৱাৰ ব'বলৈ ধৰিলে। এহেজাৰ-দুহেজাৰ মানুহ বহিব পৰা অস্থায়ী হল হ'ল। আজিৰ দিনত কথাটো তেনেই সৰু যেন লাগিলেও সেই সময়ত ই এক চমকৰ নিচিনা কাম আছিল।

নাটকৰ সমস্যাটো সদায়েই আছে। আজিৰপৰা চল্লিছ বছৰ আগতে যেতিয়া মই নটৰাজ আৰম্ভ কৰিছিলো, তেতিয়া অন্যতম উদ্দেশ্য আছিল সম্পূৰ্ণ অসমীয়া নাটক কৰা। কথাটো এনেকুৱা,— বেংগলৰ সাহিত্য হৈছে সখা-সাহিত্য অৰ্থাৎ তাত কৃষ্ণক 'সখা-গো' বুলি কোৱা হয়। তাত ঘৈণীয়েকে গিৰিয়েকক তুমি বুলি সম্বোধন কৰে। কিন্তু অসমত কথাটো বেলেগ। আমাৰ সাহিত্য 'ভক্তি সাহিত্য'। আমি কৃষ্ণক 'গুৰুদেৱ' বুলি কওঁ। একেদৰে ঘৈণীয়েকে গিৰিয়েকক আপুনি বুলি সম্বোধন কৰে। আজিকালি অৱশ্যে কথাবোৰ সলনি হ'ল। মই চল্লিছ বছৰ আগৰ কথাহে কৈছোঁ। গতিকে য'ত অসমীয়া সত্তা পৰিস্ফূট হয়, তেনেকুৱা নাটকহে কৰাৰ সিদ্ধান্ত ল'লো। অসমীয়া নাটক কৰাৰ প্ৰসংগ অহাত উচ্চাৰণক লৈ এটা সমস্যা হ'ল। যিহেতু সেই সময়ত বেছিভাগ শিল্পীয়েই অশিক্ষিত আছিল, সেয়ে নটৰাজে প্ৰথম বছৰতে নাটক কৰাৰ 'জঁকাটো' সলাই দিলে। আমি মুকলিভাৱে ঘোষণা কৰিলো যে নটৰাজ গঠিত হ'ব শিক্ষিত সমাজৰ দ্বাৰা। সেয়েহে প্ৰথম বছৰৰ পৰাই নটৰাজত বিষ্ণু ৰাভা, ভোলা কটকী আদি শিক্ষিত শিল্পীসকলৰ আগমন ঘটিল।

প্ৰথম বছৰৰ আটাইকেইখন নাটক অসমীয়া নাটক আছিল। ইয়াৰ ভিতৰত 'জেৰেঙাৰ সতী' নাটকখন উল্লেখনীয়। প্ৰথম বছৰত মই সামাজিক নাটক লোৱা নাছিলো। দ্বিতীয় বছৰৰপৰাহে মই এনেধৰ্মী নাটক ল'বলৈ আৰম্ভ কৰিলো। সেই সময়ত নাট্যকাৰৰ ভালেখিনি অভাৱ হৈছিল। তাৰ বাবে মই নিজে নাটক লিখিব লগা হৈছিল। এইখিনিতে এটা কথা ক'ব খুজিছোঁ। মই লিখা নাটকবোৰত মই পোনতে আন্তঃৰাষ্ট্ৰীয় ঘটনা, কাহিনী আদি সন্নিবিষ্ট কৰিছিলো। আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপট নাটকৰ মাজলৈ টানি অনা প্ৰচেষ্টা সেই সময়ত প্ৰায় বিৰল আছিল।

প্ৰশ্ন ঃ ভ্ৰাম্যমাণৰ জন্মৰ আগতেও অসমত অপেছাদাৰী দলবোৰে অ'ত-ত'ত মৌলিক নাটক মঞ্চস্থ কৰিছিল। তেজপুৰ, শিৱসাগৰ, পাঠশালা, গুৱাহাটী, ডিব্ৰুগড়, নলবাৰী, বৰপেটা আদি সকলোতে এই দলবোৰে পৰীক্ষামূলক বিভিন্ন প্ৰয়াস কৰিছিল। পৰৱৰ্তী সময়ত জাতীয় স্তৰত হোৱাৰ লেখীয়াকৈ অসমতো নাট্যকলাৰ বিকাশ সাধন হৈছিল। নাট্যকলাৰ বিকাশৰ ক্ষেত্ৰত অপেছাদাৰী দলবোৰৰ সৈতে ভ্ৰাম্যমাণে তাল মিলাব পাৰিছে নে?

অ. ল. ঃ এই প্ৰশ্নটো আজি বহু বছৰ ধৰি চলি আহিছে। এই ক্ষেত্ৰত মোৰ মত হ'ল,— নাটকৰ বিভিন্ন ধাৰা আছে। আমাৰ মাজত প্ৰতীকধৰ্মী, ব্ৰেখটীয়, ভাওনা আদি অসংখ্য ধাৰাৰ নাটক আছে। এই এটা ধাৰাৰ লগত আনটো ধাৰাৰ মিল নাই। একেদৰে পেছাদাৰী-অপেছাদাৰী দুটা ভিন্নধৰ্মী নাট্যধাৰাহে। অপেছাদাৰী নাট্যদলবোৰক মই গৱেষণাগাৰ বুলি গণ্য কৰোঁ। তেওঁলোকে নাটকক লৈ যিমান পৰীক্ষা-নিৰীক্ষা চলাব পাৰে,— ভ্ৰাম্যমাণে সেইটো নোৱাৰে। ভ্ৰাম্যমাণ সদায় ব্যৱসায়কেন্দ্ৰিক।

প্ৰশ্ন ঃ নটৰাজৰ মঞ্চত আপুনি বহুতো পৰীক্ষা-নিৰীক্ষা চলালে। এইবোৰ কিয় স্থায়ী নহ'ল? একেদৰে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তলৈ ভ্ৰাম্যমাণ থিয়েটাৰ লৈ যোৱাৰ পৰিকল্পনা কিয় বাস্তৱায়িত নহ'ল?

অ. ল. ঃ পৰীক্ষা-নিৰীক্ষাৰ কোনো স্থায়ী ৰূপ নাথাকে। গৱেষণা গৱেষণাই। পৰীক্ষালব্ধ ৰূপটো যদি স্থায়ী হ'ব লগা হয়, তেন্তে নটৰাজৰ প্ৰথম বছৰটোৱেই এতিয়ালৈকে ভ্ৰাম্যমাণত থাকিব লাগিছিল। মই ভ্ৰাম্যমাণলৈ ভালেখিনি নতুন বস্তু আনিলো। ষ্টেজ আনিলো, লাইট, গেলেৰি, অৰ্কেষ্ট্ৰা আদি ভালেখিনি বস্তু ভ্ৰাম্যমাণলৈ মই আনিলো। কিছুমান বস্তু স্থায়ী হৈ ৰৈ গ'ল। কিছুমান নৰ'ল। কথা হৈছে, আজিৰ চামে ভ্ৰাম্যমাণৰ মঞ্চখন কেৱল অৰ্থ অৰ্জনৰ বাবে ব্যৱহাৰ কৰে, কিন্তু মই ভ্ৰাম্যমাণৰ যোগেদি বহুখিনি পৰীক্ষাও চলাইছিলো। আজিৰ চাম প্ৰযোজকে পৰীক্ষা-নিৰীক্ষা আদি বিষয় বাদেই দিলে। এই দিশৰপৰা চাবলৈ গ'লে মই অপেছাদাৰী দলৰ দৰেই কাম কৰিছিলো।

আনহাতে ভ্ৰাম্যমাণক বাহিৰলৈ নিয়াৰ ইচ্ছাটো মোৰ নিজা নাছিল। মোৰ শ্ৰদ্ধাৰ বিষ্ণু ৰাভাই মোক প্ৰায়ে কৈছিল— হেৰা, অসমত আমাৰ ইমান ডাঙৰ লোকসংস্কৃতিৰ ভাণ্ডাৰ আছে, অথচ বাহিৰৰ মানুহে আমাৰ এই সংস্কৃতিৰ বিষয়ে একো নাজানে। বাহিৰৰ মানুহে মণিপুৰী বা নগা নৃত্য-গীত চিনি পায়। অথচ আমাৰ বিহুটিকে নিচিনে। এইবোৰৰ বহুত প্ৰচাৰ হ'ব লাগে। এইবোৰৰ এটা ব্যৱস্থা কৰা।

মই তেতিয়া বিষ্ণু ৰাভাক সুধিলো যে অসমত ইমান ডাঙৰ নামী-দামী ব্যক্তি আছে; তেওঁলোকক এৰি আপুনিনো মোক কিয় ধৰিছে? তেতিয়া ৰাভাই কৈছিল,— 'কৈ চাইছিলো সকলোকে, কিন্তু কোনোৱেও কাণসাৰ নিদিলে। মই যি কৰি আছোঁ সেয়া এক পাগলামি আৰু তুমি যি কৰি আছা সেইবোৰো এক পাগলামিয়েই। পাগলেহে পাগলৰ কথা বুজিব। সেইবাবে তোমাক কৈছোঁ দিয়া।'

এইবোৰ কৈ-কৈয়ে এসময়ত বিষ্ণু ৰাভা মৰি থাকিল। তেখেতৰ কথাবোৰে মনত সদায় খুন্দিয়াই থাকে। অৱশেষত প্ৰায় মৰসাহ কৰি নটৰাজক বিহাৰ, পশ্চিমবংগ, উৰিষ্যা, মধ্যপ্ৰদেশ, নেপাল আদিলৈ লৈ গ'লো। মানুহৰ যথেষ্ট মৰম-স্নেহ পালো। আমাৰ এই অভিযানৰ কোনো প্ৰচাৰৰ ব্যৱস্থা নাছিল। যথাযথ প্ৰচাৰ নোহোৱাৰ বাবে আমি এখন ভাল বজাৰ পাব নোৱাৰিলো আৰু প্ৰথমবাৰৰ বাবে লোৱা প্ৰচেষ্টাটো আৰ্থিক লোকচানৰ

বাবে পুনৰ লোৱা নহ'ল।

প্ৰশ্ন ঃ জীৱনত কোনো ৰাজনৈতিক আদৰ্শৰদ্বাৰা প্ৰভাৱান্বিত হৈছেনে? প্ৰতিজন শিল্পীৰে স্পষ্ট ৰাজনৈতিক ভাবাদৰ্শ থকাটো উচিত বুলি ভাবেনে? নাটককে ধৰি সমগ্ৰ শিল্পকলাত সামাজিক-ৰাজনৈতিক ভাবাদৰ্শ থকাটো যুগুতনে?

অ. ল. ঃ যি সময়ত সমগ্ৰ বিশ্বজুৰি মাৰ্ক্সবাদৰ ঢৌ চলিছিল, তেতিয়া মই এই আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈছিলো, কিন্তু এটা সময়ত এই ঢৌ নোহোৱা হৈ গ'ল। শীতল যুদ্ধৰ পৰৱৰ্তী সময়ত এই আদৰ্শটো প্ৰায় শেষ হৈ থাকিল। অৱশ্যে এতিয়াও মই গান্ধীবাদত অটল বিশ্বাসী। আচলতে গান্ধীবাদ হৈছে ভাৰতীয় দৰ্শন। প্ৰায় ৰামায়ণ-মহাভাৰতৰ দিনৰেপৰা ভাৰতে অহিংসা নীতি মানি আহিছে। বুদ্ধই নিজৰ জীৱনকালত, অশোকে নিজৰ কৰ্মৰাজিৰে এই দৰ্শন প্ৰতিষ্ঠা কৰি গৈছে। পাছলৈ মাৰ্টিন লুথাৰ, নেলছন মেণ্ডেলা আদিৰ দৰে ব্যক্তিয়েও গান্ধীবাদ গ্ৰহণ কৰিছে।

প্ৰতিজন শিল্পীৰে সৎ-অসৎ, ভাল-বেয়া আদিৰ বিচাৰবোধ থকাটো উচিত। অৱশ্যে ৰাজনৈতিক ভাবাদৰ্শ গ্ৰহণ কৰাটো নিজৰ কথা।

নাট্যশাস্ত্ৰৰ দিনৰেপৰা নাটক সামাজিক-ৰাজনৈতিক ভাবাদৰ্শ প্ৰতিফলিত কৰা শক্তিশালী মাধ্যম হিচাপে পৰিগণিত হৈ আছে। কেৱল নাটকেই নহয়, সমগ্ৰ শিল্পকলাত সামাজিক-ৰাজনৈতিক ভাবাদৰ্শ থকাটো প্ৰয়োজনীয়।

প্ৰশ্ন ঃ আপোনাৰ গুৰু হৈছে বিষ্ণুপ্ৰসাদ ৰাভা। ৰাভা আৰ ছি পি আই দলত আছিল। ৰাভাৰ জীৱনদৰ্শনে আপোনাক আকৃষ্ট কৰিছিলনে?

অ. ল. ঠিক ৰাভাৰ জীৱনদৰ্শন নহয়, বৰঞ্চ মাৰ্ক্সবাদৰ আদৰ্শৰে উদ্বুদ্ধ হৈ মই 'এৰিনা', 'অজেয় ভিয়েটনাম' আদি নাটক কৰিছিলো। এটা সময়ত, আমি নাটক কৰা সময়ত, নাটকবোৰত একোটা মতবাদ আছিল। এসময়ত ধৰ্মীয় সংকীৰ্ণতাবাদ, অহিংসা পৰম ধৰ্ম আদি বিষয় লৈ নাটক কৰা হৈছিল। কিন্তু এইটো নহয় যে ভ্ৰাম্যমাণত সদায় মতবাদকেন্দ্ৰিক নাটক কৰা হয়। এটা 'ঢৌ'ৰ সৃষ্টিৰ বাবেও ভ্ৰাম্যমাণৰ নাটক কৰা হয়। 'বেউলা', বৰ্তমানৰ 'টাইটানিক', 'জুৰাছিক পাৰ্ক' আদি নাটকত কোনো মতবাদ নাই। কেৱল 'ঢৌ'ৰ সৃষ্টি কৰি ব্যৱসায় কৰাৰ উদ্দেশ্যতহে এই নাটকবোৰ কৰা হৈছিল।

'এৰিনা' আছিল মোৰ জীৱনৰ শ্ৰেষ্ঠ নাটক। যেতিয়া ইন্দিৰা গান্ধীয়ে জৰুৰীকালীন শাসন ঘোষণা কৰিলে, তেতিয়া আমাৰ বাক্ স্বাধীনতা হেৰাই গ'ল। আমাৰ থিয়েটাৰৰ ৰিহাৰ্ছেলো বন্ধ হ'ল। তেতিয়া জয় প্ৰকাশ নাৰায়ণে এটা প্ৰশ্ন উত্থাপন কৰিছিল— এতিয়া ভাৰতীয় সৈনিকসকলে কাৰ পক্ষত যুঁজিব— ইন্দিৰাৰ পক্ষত নে জনসাধাৰণৰ পক্ষত? নাৰায়ণৰ এই প্ৰশ্নই মোৰ গা চুই গ'ল আৰু এই কুশাসনৰ প্ৰতিবাদত মই 'এৰিনা' লিখি উলিয়ালো। অৱশ্যে নাটকখন নিষিদ্ধ নোহোৱাৰ অৰ্থত মই এৰিনাৰ পটভূমি ৰোমলৈ লৈ গ'লো। নাটকখনত এটা গীৰ্জাৰ তলত প্ৰশ্ন কৰিছোঁ,— তেতিয়া ৰাছিয়াৰ পৰা এথনিক

ভাবসাম্যৰ প্ৰতীক হিচাপে জেকভক আনিছোঁ, বৰ্ণ বৈষম্যৰ প্ৰতীক হিচাপে আফ্ৰিকাৰ 'কিটি', ধৰ্মৰ বৈষম্য হিচাপে 'সীতা'ক নাটখনত থিয় কৰাই সুধিছোঁ,— এইবোৰ 'গডে' সৃষ্টি কৰিছে নে মানুহে?

প্ৰশ্ন ঃ ভ্ৰাম্যমাণ নাটক চাই শম্ভু মিত্ৰ আৰু উৎপল দত্তই এবাৰ কৈছিল,— 'এয়া আমি কি কৰিছোঁ? আমি জাতীয় নাট্যশালাৰ কথা ভাবি আছোঁ, তাকে চিঞৰি আছোঁ, অথচ এওঁলোকে জাতীয় নাট্যশালা কৰি গাঁৱে-ভূঞে ঘূৰি ফুৰিছে। এনে উদাহৰণ ভাৰতত তথা বিশ্বতেই নাই'— ভাৰতীয় নাট্যজগতৰ দুগৰাকী পুৰোধা ব্যক্তিৰপৰা পোৱা এই স্বীকৃতিত আপুনি গৌৰৱান্বিতনে? জাতীয় নাট্যশালা অৱধাৰণাটোৰ সম্পৰ্কত আপোনাৰ মতামত কি? ভ্ৰাম্যমাণে সঁচাকৈয়ে সেই অভাৱ পূৰণ কৰিছেনে?

অ. ল. ঃ ইমান ডাঙৰ মানুহে দিয়া স্বীকৃতিত গৌৰৱ স্বাভাৱিকতে হ'ব। শম্ভু মিত্ৰ আৰু উৎপল দত্তই সম্ভৱতঃ ভাৰতবৰ্ষৰ সকলো ঠাইতে একে ধৰণৰ নাটশালা প্ৰতিষ্ঠা কৰাৰ কথা ভাবিছিল। মই তেনেধৰণে কথাটো ভবা নাছিলো। সম্ভৱতঃ মোৰ কৰ্ম তেওঁলোকৰ চিন্তাধাৰাৰ লগত এটা বিন্দুত মিলি গৈছিল।

আমি ভ্ৰাম্যমাণক এটা পৰ্যায়লৈ লৈ গৈছিলো। এতিয়া বাকীবোৰ লোকে ভ্ৰাম্যমাণক সেই ফালেদি লৈ যায় নে আন ফালেদি নিয়ে, সেইটো তেওঁলোকৰ কথা। জাতীয় নাট্যশালাৰ প্ৰসংগত মই ভ্ৰাম্যমাণক কিছুদূৰ আগুৱাই লৈ যোৱা বুলি ভাবোঁ।

প্ৰশ্ন ঃ এসময়ত ভ্ৰাম্যমাণ বেছিভাগ নাটকৰ ক্ষেত্ৰত বাংলা সাহিত্য আৰু নাটকৰ ওপৰত নিৰ্ভৰশীল আছিল। পাছলৈ অসমীয়া মৌলিক নাটক তথা বহুতো বিদেশী নাটক ভ্ৰাম্যমাণৰ মঞ্চত পৰিবেশিত হ'ল। এতিয়া নাটকৰ নামত কৌশলৰ চমক বাঢ়িল। অসমৰ এজন প্ৰখ্যাত শিল্পী, যিজনেই ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় খ্যাতিও অৰ্জন কৰিছে সেইজন নাট্যশিল্পী আদিল হুছেইনে ভ্ৰাম্যমাণে অভিনয়ৰ আত্মাক হত্যা কৰা বুলি অভিযোগ তুলিছে। এইক্ষেত্ৰত আপোনাৰ অভিমত?

অ. ল. ঃ আদিল হুছেইনে তেখেতৰ দৃষ্টিভংগীৰে অভিযোগটো আনিছে। নাটকৰ প্ৰতিটো ক্ষেত্ৰৰ পৰিবেশনশৈলী বেলেগ-বেলেগ হোৱাটোৱেই স্বাভাৱিক। উদাহৰণস্বৰূপে ভাওনা, অপেৰা অথবা থিয়েটাৰত 'হে সভাসদ' সম্বোধনসূচক বাক্যষাৰ বেলেগ-বেলেগ ধৰণে পৰিবেশিত হ'ব। এই ভিন্নতা ঠাইভেদে, ক্ষেত্ৰভেদে বেলেগ-বেলেগ হ'ব পাৰে। মই হুছেইনৰ কথাৰ লগত একমত নহয়। অভিনয় হৈছে এবিধ কলা। শিল্পীসকলৰ কৰ্মই হৈছে নতুন-নতুন সৃষ্টি সাধন কৰা। এখন বন্ধ ঠাইত আবদ্ধ থাকি শিল্প সৃষ্টি কৰিব নোৱাৰি। পৰিবেশ্য মাধ্যমবোৰে প্ৰত্যেকেই একো-একোটা ধাৰাৰ সৃষ্টি কৰিছে। ভাওনাই যেনেদৰে অভিনয়ৰ এটা নতুন ধাৰা সৃষ্টি কৰিছিল, একেদৰে ভ্ৰাম্যমাণ বা অপেৰায়ো এটা ধাৰাৰ সৃষ্টি কৰিছিল। এতিয়া কোনোবাই 'ভাওনা'ৰ অভিনয় থিয়েটাৰত বিচাৰিবলৈ যোৱাটো ভুল হ'ব। ভাৰতবৰ্ষত অভিনয়ৰ বাবে 'নেশ্যনেল স্কুল অব ড্ৰামা'ৰ দৰে প্ৰতিষ্ঠানবোৰ

গঢ়ি উঠিছে। কিন্তু সকলো ঠাইতে যে তেওঁলোকৰ কৌশলবোৰ প্ৰয়োগ হ'ব এনে নহয়। উদাহৰণস্বৰূপে স্কুল অব ড্ৰামাত 'মাইম' শিকোৱাৰ ব্যৱস্থা আছে, যাৰ প্ৰয়োগ ব্যাপকভাৱে চিনেমাত কৰিব পাৰি। কিন্তু এই মাইমৰ ব্যৱহাৰ থিয়েটাৰত প্ৰদৰ্শিত হ'লে এজন গেলেৰিৰ দৰ্শকে একোকে নেদেখিব। গতিকে থিয়েটাৰ 'লাউড' হ'বই লাগিব। অৱশ্যে এটা কথা ক'ব পাৰি যে সাম্প্ৰতিক ব্যৱস্থাৱলীৰ পৰিৱৰ্তন হোৱাটো প্ৰয়োজন। গৱেষণালব্ধ প্ৰচেষ্টাৰে সময়সাপেক্ষ ৰুচিবোধ ভ্ৰাম্যমাণলৈ আনিব পাৰি।

প্ৰশ্ন ঃ বৰ্তমানৰ ভ্ৰাম্যমাণ দলবোৰ নাটকৰ বিকাশ সাধনত ব্যৰ্থ হৈছে বুলি ভাবেনে? ভ্ৰাম্যমাণ এক ব্যৱসায়িক প্ৰতিষ্ঠান হৈহে ৰ'ল নে কি?

অ. ল. ঃ নাটকৰ বিকাশ সাধনত ভ্ৰাম্যমাণ ব্যৰ্থ হৈছে বুলি মই নাভাবোঁ। ভ্ৰাম্যমাণে নাট পৰিবেশন কৰে বিভিন্ন অঞ্চলত সংঘ অথবা ক্লাবসমূহৰ আমন্ত্ৰণত আৰু সেই ক্লাব বা সংঘবোৰে থিয়েটাৰ পাতে বিভিন্ন সংস্থা গঢ়াৰ স্বাৰ্থত। গতিকে শিল্পীবোৰক পোহপাল দিয়াৰ লগতে ব্যৱসায়িক স্বাৰ্থ থিয়েটাৰৰ লগত জড়িত থাকে। এই সংঘবোৰে বা প্ৰতিষ্ঠানে থিয়েটাৰৰ জৰিয়তে লাভ আদায় কৰিব নোৱাৰিলে, প্ৰযোজকসকলে প্ৰাপ্য টকা নাপায়। সেয়ে ব্যৱসায়িক ধাৰণা এটা ভালদৰে গঢ়ি উঠিল আৰু পৰৱৰ্তী সময়ত নাটকৰ লগত 'টেকনিকে' প্ৰাধান্য পাবলৈ ধৰিলে। কেতিয়াবা-কেতিয়াবা বেনাৰ আৰ্টিষ্ট ল'ব লগা হ'ল। কিন্তু নাটক কৰিবলৈ বেনাৰ আৰ্টিষ্ট কিয় ল'ব লগা হ'ল? প্ৰয়োজনটো আহিল তেতিয়া, যেতিয়া দেখা গ'ল যে দহজন ভাল দৰ্শকৰ সমুখত নাটক পৰিবেশন কৰিলেই ভ্ৰাম্যমাণ নচলে। শিল্পীখিনিকো জীয়াই ৰাখিব লাগিব, কলাটোকো জীয়াই ৰাখিব লাগিব। ফলত ভ্ৰাম্যমাণে মূল পথৰপৰা অকণমান ফালৰি কাটি আহিব লগা হ'ল। অৱশ্যে এই পৰিঘটনা কেৱল ভ্ৰাম্যমাণতে নহয়, আনকি ভাওনা, ওজাপালি, ঢুলীয়া আদিতো দেখা যায়। নহ'লেনো ইমানবোৰ বাদ্যযন্ত্ৰ, যেনে— দগৰ, তাল আদিবোৰ এই পৰিবেশ্য কলাবোৰলৈ কেনেকৈ আহিল? ইয়াতো ব্যৱসায়িক দৃষ্টিভংগী আছে।

সম্প্ৰতি যিটো ব্যৱস্থা হৈছে তাত এইটো প্ৰতিষ্ঠাপিত যে ব্যৱসায়িক দৃষ্টিভংগী নাথাকিলে একোটা শিল্প জীয়াই থাকিব নোৱাৰে। এতিয়া পুৰোহিতেও 'ভিজিট' লয়, আনকি সন্ন্যাসীসকলেও ব্যৱসায়িক মনোবৃত্তি ল'লে। মই ভ্ৰাম্যমাণ কৰিছিলোৱেই ব্যৱসায়িক মনোভাব লৈ। যিহেতু চৰকাৰে আমাৰ শিল্পীক দৰমহা নিদিয়ে, গতিকে শিল্পীসকলৰ জীৱনৰ নিৰাপত্তাৰ স্বাৰ্থতে এই মনোভাব ল'ব লগা হ'ল। এতিয়া টিভি আদিৰ পয়োভৰ বাঢ়িল, গতিকে সময়ৰ তাগিদাতে ইয়াক কৰা হৈছে বুলি ক'ব পাৰি। ই এক অৱধাৰিত প্ৰক্ৰিয়া।

প্ৰশ্ন ঃ ষাঠিৰ দশকৰ পাছৰপৰা ভাৰতবৰ্ষত বেছিভাগ সাহিত্যিক, শিল্পীক সমাজবাদৰ স্বপ্নই আলোড়িত কৰি তুলিছিল। বহুতে এই সময়ছোৱাক ভাৰতীয় সাহিত্য, শিল্পকলাৰ স্বৰ্ণযুগ হিচাপেও আখ্যা দিয়ে। সমাজবাদৰ সপোন বুকুত বান্ধি উৎপল দত্ত, শম্ভু মিত্ৰ,

ঋত্বিক ঘটক, মৃণাল সেন আদি প্ৰখ্যাত ব্যক্তিসকলে সৃষ্টিকৰ্মত অভূতপূৰ্ব বিকাশ সাধন কৰিছিল। অসমো এইক্ষেত্ৰত ব্যতিক্ৰম নাছিল। এতিয়া সমগ্ৰ সমাজখনক মুক্ত অৰ্থনীতি, বিশ্বায়ন আদিয়ে গ্ৰাস কৰিছে। সমাজবাদৰ সপোনটো ভংগ হৈছে বুলি বহুতে সাহিত্য-শিল্প আদিক সম্পূৰ্ণ ব্যৱসায়িক ৰূপত দাঙি ধৰিব খুজিছে। এই সমগ্ৰ পৰিঘটনাত আপুনি কেনেদৰে যুক্ত তথা আপোনাৰ অৱস্থান ক'ত?

অ. ল. ঃ এইটো এটা বৰ ডাঙৰ প্ৰশ্ন। এই প্ৰশ্নটোৰ উত্তৰ সম্ভৱতঃ পৃথিৱী বিখ্যাত ৰাজনীতিবিদ, অৰ্থনীতিবিদ আদিৰ বাবেও খুব উজু নহ'ব। আমি এটা সময়ত স্থানীয় উদ্যোগ আদিৰ বিকাশৰ স্বাৰ্থত আমদানি শুল্ক আদি বহাইছিলো যাতে বাহিৰৰ ব্যৱসায়ীয়ে আহি জধে-মধে আমাৰ ইয়াত মুনাফা অৰ্জন কৰিব নোৱাৰে। কলাৰ ক্ষেত্ৰতো আনৰ কলাই আমাৰ কলাক যাতে হেঁচা মাৰি ধৰিব নোৱাৰে তাৰ বাবে কিছু নিয়ম আছিল। কিন্তু বিশ্বায়নে কেৱল ব্যৱসায়ৰ ক্ষেত্ৰত নহয় কলাৰ ক্ষেত্ৰতো এটা নতুন যুগৰ সূচনা কৰিলে। এতিয়া আমেৰিকান পপ সংস্কৃতি জাৰ্মানীত প্ৰচাৰ কৰিছে, আমাৰ সংস্কৃতি মধ্যপ্ৰদেশ, বিহাৰ, আনকি নেপাললৈ সম্প্ৰসাৰিত হৈছে। মোৰ ধাৰণাটো হৈছে আমাৰ সংস্কৃতি, অস্তিত্ব থাকিব লাগে আৰু বিশ্বৰ সংস্কৃতিকো জানিব লাগে। প্ৰতিখন দেশে, প্ৰতিটো জাতিয়ে নিজৰ ভাষা-কৃষ্টি জীয়াই ৰাখিব লাগে; ঈৰ্ষাকাতৰ হৈ আনৰ কৃষ্টি ধ্বংস কৰাটো কেতিয়াও আদৰণীয় হ'ব নোৱাৰে।

প্ৰশ্ন ঃ জাতীয় মানৰ (ভাৰতীয়) অসমীয়া নাটক, চলচ্চিত্ৰ আদিৰ বিষয়ে আপুনি কি ভাবে?

অ. ল. ঃ নাটকৰ ক্ষেত্ৰত অসমীয়া নাটক মই দুৰ্বল বুলি নাভাবোঁ। কিন্তু বাহিৰত, বিশেষকৈ পশ্চিমবংগত মঞ্চৰ লগত জড়িত সাহিত্যিকসকলে নাটক লিখিছিল বাবে তাত নাটকৰ বিকাশ সম্ভৱ হৈছিল। অসমত বহু লেখক আছে যদিও প্ৰয়াত ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ বাদে আনে এই দিশত আগবাঢ়ি অহা দেখা নগ'ল।

চিনেমা হৈছে টকাৰ লগত জড়িত বিষয়। অসমীয়া চিনেমা এতিয়াও শিশু অৱস্থাতে আছে বুলি মই ভাবো। আনহাতে সংগীত আৰু নৃত্যৰ ক্ষেত্ৰত ওডিছি, ভাৰত নাট্যম আদিৰ নিচিনাকৈ সত্ৰীয়া নৃত্য-গীত ৰাষ্ট্ৰীয় স্তৰত প্ৰতিষ্ঠাপিত হৈছে আৰু ইয়াৰ বিকাশ ভৱিষ্যতলৈও অধিক হ'ব বুলি মই আশাবাদী। শংকৰদেৱৰ আদৰ্শ, নৃত্য-গীত আদি প্ৰচাৰ কৰাৰ বাবেই মই নটৰাজ থিয়েটাৰক এসময়ত ভাৰতবৰ্ষৰ আন প্ৰান্তলৈ লৈ গৈছিলো।

প্ৰশ্ন ঃ সময়ৰ পৰিক্ৰমাত আজি ভ্ৰাম্যমাণ থিয়েটাৰে উদ্যোগৰ স্বীকৃতি বিচাৰিছে। চৰকাৰে এই কথা বিবেচনা কৰিছে বুলিও শুনা গৈছে। দেখা গৈছে অপেছাদাৰী নাট্যশিল্পীবোৰেহে প্ৰতিষ্ঠান বিৰোধী ভূমিকা লয়, অথচ ভ্ৰাম্যমাণে এক সুৰক্ষিত অৱস্থানত থাকিব খোজে। চৰকাৰী নীতি, ৰাজনৈতিক মতাদৰ্শ আদিৰ বিশ্লেষণাত্মক বিচাৰ ভ্ৰাম্যমাণৰ নাটকত অনুপস্থিত। চৰকাৰী নিৰ্ভৰশীলতাৰে উদ্যোগ হিচাপে স্বীকৃতি লভিবলৈ গৈ এই

শিল্পকলাটো আৰু বেছি চৰকাৰ নিৰ্ভৰশীল হৈ নপৰিবনে?

অ. ল. ঃ টকা দিলেই বাবে বা উদ্যোগৰ স্বীকৃতি দিলেই যে ভ্ৰাম্যমাণৰ দৰে জনমত সৃষ্টি কৰা এটা প্ৰতিষ্ঠানৰ মুখ বন্ধ কৰিব পাৰিব সেইটো মই নাভাবো। ৰাজনৈতিক দলবোৰে অৱশ্যে মুখ বন্ধ হৈ থকাটোৱেই বিচাৰে আৰু তেওঁলোকৰ কথা মতে মুখ বন্ধ ৰাখিলে সেয়া দুৰ্ভাগ্যজনক হ'ব।

অপেছাদাৰী দলবোৰেও চৰকাৰী পক্ষৰ ভূমিকা ল'ব পাৰে। প্ৰয়োজনীয় কথাটো হ'ল— ভ্ৰাম্যমাণৰ মঞ্চখন জীয়াই থাকিব লাগে আৰু এই উদ্যোগটো জীয়াই ৰখাৰ দায়িত্ব চৰকাৰৰ।

প্ৰশ্ন ঃ প্ৰায়ে শুনা যায় যে ভ্ৰাম্যমাণৰ ভিতৰচ'ৰাত কম দামৰ শিল্পীৰ কোনো আৰ্থিক নিৰাপত্তা নাথাকে। মহিলা শিল্পীসকলৰ অৱস্থা হেনো আৰু বেছি শোচনীয়। নাট্যদল ত্যাগ কৰাৰ পাছত এই শিল্পীসকল আৰ্থিক-মানসিকভাৱে বিধ্বস্ত হোৱাটো পৰিলক্ষিত হয়। এইসকল শিল্পীক পাৰিশ্ৰমিক দিয়াৰ ক্ষেত্ৰতো কোনো নীতি-নিয়ম মানি চলা নহয়। সম্প্ৰতি শিল্পী নিৰ্ধাৰণৰ ক্ষেত্ৰত কলা দক্ষতাৰ সলনি 'মাৰ্কেট'ৰ জনপ্ৰিয়তাৰ কথাহে প্ৰযোজকচামে বিবেচনা কৰে বুলি অভিযোগ উঠিছে। এজন প্ৰযোজক হিচাপে বিষয়বোৰত আপোনাৰ মতামত? পাৰিশ্ৰমিক নিৰ্ধাৰণৰ নিৰ্দিষ্ট নীতি থকাটো উচিত বুলি ভাবেনে?

অ. ল. ঃ ভ্ৰাম্যমাণৰ শিল্পী পাৰিশ্ৰমিকৰ বিষয়টো Demand and Supply সূত্ৰ অনুসৰি চলি আছে। পাৰিশ্ৰমিক নিৰ্ধাৰণ বিষয়টো এতিয়াও চৰকাৰী উদ্যোগবোৰৰ ক্ষেত্ৰতহে সঠিকভাৱে প্ৰযোজ্য হৈছে। অৱশ্যে চৰকাৰী সাহায্যৰে উদ্যোগৰ স্বীকৃতি পালে কথাটো বেলেগ হ'ব। তৎসত্বেও সম্প্ৰতি এটা 'স্কেল' থকাটো দৰকাৰ। বাকী শিল্পীৰ নিৰ্বাচন বজাৰৰ চাহিদা অনুসৰি কৰা হয়।

প্ৰশ্ন ঃ আপোনাৰ নাট্যদলৰ শিল্পীসকলৰ লগত, বিশেষকৈ মহিলা শিল্পীসকলৰ লগত আপোনাৰ সম্পৰ্ক কেনে আছিল? আপোনাৰ ব্যক্তিগত জীৱনত মহিলাক কেনেকুৱা মৰ্যাদা দিয়ে?

অ. ল. ঃ শিল্পীসকলো মানুহেই। প্ৰথম অৱস্থাতে কিছু কঠোৰতা শিল্পীসকলৰ ওপৰত আৰোপ কৰা হৈছিল; কিন্তু পাছত বুজিলো আমি পৰস্পৰে পৰস্পৰক বুজিব লাগিব। সেয়ে মোৰ দলত ল'ৰা-ছোৱালীৰ মাজত হোৱা মিলামিছাক ভাল ভাৱেৰে আদৰি লোৱা হ'ল আৰু আনকি বিবাহ আদিতো সন্মতি দিয়া হ'ল। মহিলা-পুৰুষ নিৰ্বিশেষে সকলোকে মই সন্মানৰ দৃষ্টিৰে চাইছিলো।

মহিলাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো সভ্য সমাজৰ নিয়ম। ময়ো তাকেই পালন কৰিছিলো। মোৰ পত্নী আৰু ছোৱালীয়ে মোক সকলো মুহূৰ্ততে সহায় কৰি আহিছে।

প্ৰশ্ন ঃ সচেতন দৰ্শকচামৰ অভিযোগ— নাট্যকলাৰ বিকাশ সাধন কৰিবলৈ ভ্ৰাম্যমাণ দলবোৰ অক্ষম। ভ্ৰাম্যমাণত দৰ্শকৰ ৰুচি অনুযায়ীহে নাটক ৰচনা কৰা হয়। অৰ্থাৎ শিল্পীসত্তা

দৰ্শকৰ ৰুচি-অৰুচিৰ দ্বাৰা নিৰূপিত। শিল্প তথা শিল্পীৰ বিকাশত চৰ্তসাপেক্ষ বিষয়ে ক্ষতিসাধন নকৰে জানো? নটৰাজে এনেকুৱা চৰ্ত বা প্ৰতিবন্ধকতা অতিক্ৰম কৰিব পাৰিছিলনে? অজস্ৰ ভ্ৰাম্যমাণ দলৰ উপস্থিতি তথা প্ৰতিযোগিতাই শিল্পকলাৰ বিষয়টো ঢাকি পেলালে নে কি?

অ. ল. ঃ এসময়ত কুলদা কুমাৰ ভট্টাচাৰ্যই কহিনুৰ থিয়েটাৰত 'মাটিৰ গাড়ী' আদিৰ দৰে ভাল নাটক কৰিছিল। কিন্তু সেইবোৰ নচলিল। দৰ্শকে তেনেকুৱা নাটক আদৰি নললে, অন্যথা ভ্ৰাম্যমাণৰ গাড়ী সম্ভৱতঃ সেই পথেৰেই চলিলহেঁতেন। এনেকুৱা নাটক চলোৱাৰ ক্ষেত্ৰত কেৱল নাট্যকৰ্মীখিনিৰে দায়িত্ব নাই, দৰ্শকৰো দায়িত্ব আছে। তদুপৰি বাতৰিকাকত আৰু প্ৰচাৰ মাধ্যমবোৰে এক জনমত গঠন কৰিব পাৰিব লাগিব। পশ্চিমবংগত যেতিয়া প্ৰথম অৱস্থাত নাট্য আন্দোলনত বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলিছিল, তেতিয়া সেইবোৰ চাবলৈ জনা-বুজা বুদ্ধিজীৱীসকলক আমন্ত্ৰণ কৰি অনা হৈছিল। এইসকল বুদ্ধিজীৱীয়ে জনমত সৃষ্টিত এক উল্লেখনীয় ভূমিকা ল'লে আৰু নাটকৰ বিভিন্ন শৈলীৰ বিষয়ে প্ৰচাৰ মাধ্যমত সাৱলীলভাৱে উপস্থাপন কৰিলে। আমাৰ ইয়াত তাৰেই অভাৱ ঘটিল। আমাৰ প্ৰচাৰ মাধ্যমবোৰে জনসাধাৰণক ভাল নাটকৰ মহত্ত্ব বুজাবলৈ অক্ষম হ'ল। বাতৰিকাকতবোৰে এইক্ষেত্ৰত একো পদক্ষেপ হাতত নল'লে বুলি মই ক'ব খোজোঁ, যাৰ বাবে মাটিৰ গাড়ীৰ দৰে নাটকে গা কৰি উঠিব নোৱাৰিলে।

মইতো এনেকুৱা প্ৰতিবন্ধকতা অতিক্ৰম কৰিছিলোৱেই। চল্লিছ বছৰ আগতে মই 'এখন পৃথিৱী' নামৰ নাটক এখন কৰিছিলো। নাটকখন আছিল, One World and one State ধাৰণাৰ ভিত্তিত ৰচিত। ইয়াত বিশ্বায়নৰ কথা আছিল। উৎপল দত্তৰ 'অংগাৰ' মই নটৰাজত কৰিছিলো। কিন্তু দুয়োখন নাটককে দৰ্শকে আদৰি নল'লে।

মোৰ দৃষ্টিত শিল্পকলা হৈছে পৰীক্ষাগাৰৰ নিচিনা। বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰে ইয়াৰ বিকাশ সাধন হয়। যিহেতু মই ভ্ৰাম্যমাণক পৰীক্ষাগাৰ বুলি ভাবিছিলো, সেয়ে বিভিন্ন ৰকমৰ ষ্টেজ, ছিনে থিয়েটাৰ আদিৰ উদ্ভাৱন কৰিছিলো। কলকাতাৰ এটা ষ্টুডিঅ'ৰ মালিকে কৈছিল যে পৰীক্ষা-নিৰীক্ষা নচলিলে এটা জাতিৰ বিকাশ সাধন নহয়। সেয়ে বংগত সত্যজিৎ ৰায়ৰ দৰে মহান শিল্পীয়ে অজস্ৰ পৰীক্ষাৰে বাংলা চলচ্চিত্ৰক বহুদূৰ আগুৱাই নিছে।

প্ৰশ্ন ঃ নটৰাজত আপুনি একেধাৰে নাট্যকাৰ, মঞ্চসজ্জা, পৰিচালক, আলোক শিল্পী আদিৰ দায়িত্ব লৈছিল। একেলগে ইমানবোৰ দায়িত্ব লোৱাৰ কাৰণ কি আছিল?

অ. ল. ঃ প্ৰথম অৱস্থাত মই ৰিং মাষ্টাৰ হ'বলৈ বাধ্য হ'লো। সেই সময়ত থিয়েটাৰৰ বিভিন্ন বিষয়ত দক্ষতা থকা প্ৰশিক্ষকৰ যথেষ্ট অভাৱ হৈছিল। সেইবাবে ভাষাৰ উচ্চাৰণৰপৰা আদি কৰি আলোকসম্পাত আদি সমগ্ৰ বিষয় মই নিজে চম্ভালি ল'ব লগা হ'ল। পাছত কল্যাণ দে আহিল। বাতৰিকাতত পঢ়িছিলো-মহেন্দ্ৰ বৰঠাকুৰে হেনো নটৰাজৰ বাবে

নাটক লিখিবলৈ নিজে বহুদিন ভ্ৰাম্যমাণৰ নাটক চাব লগাত পৰিছিল।

প্ৰশ্ন ঃ বেউলা নাটকখন সুদীৰ্ঘকাল ধৰি মঞ্চস্থ কৰি ৰখাৰ কাৰণ কি আছিল?

অ. ল. ঃ মই দ্বিতীয় বছৰৰপৰাহে 'বেউলা' লৈছিলো। সেই সময়ত অসমীয়া নাটক আৰু নাট্যকাৰৰ বৰ অভাৱ আছিল। অতুল হাজৰিকাই নাটখনক ঠিক-ঠাক কৰি দিয়াৰ পাছত মই অসমীয়া নাটক-নাট্যকাৰক ভালদৰে প্ৰতিষ্ঠা কৰিব খুজিছিলো আৰু এই প্ৰচেষ্টা সফলো হৈছিল। আচলতে এটা অভিলেখ সৃষ্টি কৰাৰ বাবেহে বেউলা নাটকখন মই ৰাখিছিলো। চাব খুজিছিলো এখন অসমীয়া নাটক একেধাৰে কিমান বছৰ চলে। প্ৰথমতে নাটকখন ৰখাৰ ক্ষেত্ৰত ধৰ্মীয় কোনো কথা নাছিল। অৱশ্যে পাছলৈ নাটকখনক মই লক্ষ্মী নাটক বুলি গণ্য কৰিবলৈ ধৰিলো।

প্ৰশ্ন ঃ আপোনাৰ জীৱনৰ কৰ্মৰাজিক কোনো বঁটাৰে জুখিব নোৱাৰি। আপুনি কমল কুমাৰী বঁটাৰে বিভূষিত হৈছে। কেতিয়াবা আক্ষেপ হয় নে যে আপোনাৰ কৰ্মৰ যথাযোগ্য মৰ্যাদা এই সমাজখনে এতিয়ালৈকে দিয়া নাই?

অ. ল. ঃ এইটো এটা বৰ ডাঙৰ প্ৰশ্ন। কৰ্মৰ যথাযোগ্য মৰ্যাদা দিয়াৰ পৰম্পৰা আমাৰ নাই বুলিয়েই ক'ব পাৰি। ভাৰতীয় প্ৰেক্ষাপটত, অসমত আকৌ ইয়াৰ ব্যৱস্থা তেনেই দুখলগা ধৰণৰ। তথাপি যিখিনি পাইছো, সেইখিনিক বহু বুলি ভাবিছোঁ। অসমত শেহতীয়াভাৱে 'শংকৰদেৱ বঁটা' দিয়া প্ৰক্ৰিয়া এটা আৰম্ভ হৈছে। এইটো ভাল খবৰ।

কলম কুমাৰী বঁটা পোৱাৰ সময়ত ভাবিছিলো এই বঁটা প্ৰকৃততে অচ্যুত লহকৰে পোৱা নাই, পাইছে বজালীৰ এগৰাকী সন্তানে। আনহাতে কেতিয়াবা যদি ৰাষ্ট্ৰীয় সন্মান পালোহেঁতেন, তেন্তে সেইটো অসমবাসীৰ সন্মান বুলি ভাবিলোহেঁতেন।

দুখ আৰু আক্ষেপ কেতিয়াবা হয়। এটা কথা নহয়, বঁটা আনি দিবৰ বাবেও মানুহ লাগে। যথাযোগ্য শিল্পী থাকিলেই নহ'ব, সেই শিল্পীগৰাকীৰ জীৱনপঞ্জী প্ৰস্তুত কৰি যথাসময়ত প্ৰ-পত্ৰ আদি পূৰণ কৰি তাক দাখিল কৰা তথা শিল্পীগৰাকীৰ সমৰ্থনত কিছু কথা কোৱা মানুহৰো আমাৰ বৰ অভাৱ।

প্ৰশ্ন ঃ গুৱাহাটীত এখন স্থায়ী মঞ্চ গঢ়াৰ পৰিকল্পনা আপুনি বুকুত পুহি ৰাখিছিল। এতিয়াও সেই আশা মনত আছেনে? জীৱনৰ বাকী সময়খিনিত কি কৰিম বুলি ভাবিছে?

অ. ল. ঃ সেই দুখটো মোৰ চিৰদিনৰ বাবে থাকি গ'ল। ভাবিছিলো ভ্ৰাম্যমাণৰ মঞ্চ যিহেতু গঢ়িছোঁৱেই, গতিকে গুৱাহাটীত এখন স্থায়ী মঞ্চ নিৰ্মাণ কৰা যাওক। কিন্তু সহযোগিতাৰ অভাৱ হ'ল। চৰকাৰে মোক মাটি এডোখৰ নিদিলে। মাটি কিনি মঞ্চ সজাৰ সামৰ্থ্য মোৰ নাছিল। মাটিটুকুৰা দিলে বেংকৰ ঋণ আদিৰে কামটো হয়তো কৰিব পাৰিলোহেঁতেন।

মই এক প্ৰকাৰ নিৰাশাত ভুগিছোঁ। আগতে এই ৰুগীয়া শৰীৰটো ভাল হওক। ভাল হ'লে দেখা যাব বাৰু।

প্ৰশ্ন ঃ জীৱনৰ এই বয়সত মানুহৰ কাৰুণ্য, সান্নিধ্য আদিৰ অভাৱ অনুভৱ কৰিছেনে?

অ. ল. ঃ এইটো এটা স্পৰ্শকাতৰ প্ৰশ্ন। আৰোগ্য কামনা কৰি মানুহৰ যে খবৰ লব লাগে, সেই সংস্কৃতি আমাৰ মাজত নাই। জীৱনৰ শেষডোখৰৰ এই অৱস্থাই শিল্পীসকলৰ জীৱনৰ অন্তিম সময়খিনিক বাৰে-বাৰে সোঁৱৰাই দিছে।

প্ৰশ্ন ঃ বিগত সময়ৰ কোনখিনিক জীৱনৰ শ্ৰেষ্ঠ সময় বুলি ভাবে? সেই সময়ৰ কথা ৰোমন্থন কৰি স্মৃতিকাতৰ হৈ পৰে নে কি? জীৱনৰ আটাইতকৈ দুখজনক ঘটনা?

অ. ল. ঃ ব্ৰেকমানি ছবি নিৰ্মাণৰ সময়ৰ কথা এটা মনলৈ আহিছে। সেই সময়ত মোৰ 'টেকনিচিয়ান' ষ্টুডিঅ'ৰ (কলিকতা) লগত ভাল যোগসূত্ৰ স্থাপন হৈছিল। টেকনিচিয়ান ষ্টুডিঅ'ৰ আশুতোষ নাগক সচৰাচৰ সকলোৱে দেলুবাবু বুলি জানিছিল। মই যেতিয়া কেমেৰাৰ ভাৰা দিবলৈ গ'লো, তেতিয়া দেলুবাবুৱে কেমেৰাৰ ভাৰা বহু কমাই ল'লে। মই আচৰিত হৈ দেলুবাবুৰ মুখলৈ চালো আৰু তেখেতে ভাৰা কিয় কমাই লৈছে তাৰ কাৰণ জানিব খুজিলো। তেতিয়া দেলুবাবুৱে মোক যিষাৰ কথা কৈছিল, সেই কথাখিনি তথা সেই মুহূৰ্তটো এতিয়াও জীৱনৰ শ্ৰেষ্ঠ সময় বুলি ভাবোঁ। তেখেতে কৈছিল— 'চাওক লহকৰ বাবু। এসময়ত কলিকতাৰ ষ্টুডিঅ'বিলাকে সত্যজিৎ ৰায়ক কেমেৰা ভাৰা দিয়া নাছিল। কাৰণ তেওঁলোকে ভাবিছিল যে ৰায়ৰ ছবিয়ে লোকচান ভৰিব আৰু সময়ত কেমেৰাৰ ভাৰা পোৱা নাযাব। কিন্তু মই ৰায়ক কেমেৰা দিছিলো। এই কাৰণে দিছিলো, কিয়নো তেখেতে কেৱল চিনেমা কৰা নাছিল, চিনেমাত বহুতো পৰীক্ষা-নিৰীক্ষা কৰিছিল। সত্যজিৎ ৰায়ৰ বাবেই আজি বাংলা ছবিয়ে ইমান গৌৰৱ কঢ়িয়াব পাৰিছে। আপুনিও কেৱল ছবি কৰিবলৈ যোৱা নাই, ছবিত নতুন পৰীক্ষা কৰিব খুজিছে, সেয়ে কেমেৰাৰ ভাৰা মই কমাই লৈছোঁ।' দেলুবাবুৰ এই কথাষাৰে মোক সমগ্ৰ জীৱনজুৰি প্ৰেৰণা দি আহিছে।

প্ৰথম বছৰটোত মই নটৰাজ থিয়েটাৰ ভালদৰে চলাব নোৱাৰিলো। সকলোৱে মোক এৰি গ'ল, আনকি মোৰ ভাই সদায়ো মোক এৰিলে। কেৱল মা মোৰ লগত থাকি গ'ল। এদিনাখন মাই মোক বজাৰৰপৰা মাছ এপোৱা আনিবলৈ ক'লে। মাই হেনো এমাহমান ধৰি মাছ খোৱা নাছিল। পাঠশালাৰ বজাৰত সেই সময়ত মাছৰ কিল'ত তিনি-চাৰি টকামান আছিল। কিন্তু সিদিনাখন মোৰ হাতত টকা দুটাও নাছিল। মই অৱশেষত মাছ আনিব নোৱাৰিলো আৰু এটা মূৰত গৈ কান্দি-কান্দি ভাবিলো,— মই এইবোৰ কি কৰিলো! মই ইমানে হতভগানে যে নিজৰ মাজনীক মাছ অকণ আনি খুৱাব নোৱাৰিলো! জীৱনৰ সেই ঘটনাক মই এক দুৰ্ভাগ্যৰ ঘটনা বুলি গণ্য কৰোঁ।

মই যেতিয়া শাৰীৰিক অসুস্থতাৰ বাবে থিয়েটাৰ এৰি ঘৰলৈ দুমাহৰ বাবে ঘূৰি আহিছিলো, তেতিয়া থিয়েটাৰখনৰ সমস্ত ভাৰ শিল্পীসকলৰ ওপৰতে এৰি আহিছিলো। ২০০৩ চনৰ বছৰটোতে নটৰাজ মৃত্যুমুখত পৰিল। মোৰ শিল্পীসকলে থিয়েটাৰখন ধৰি ৰাখিব নোৱাৰিলে। মোৰ অমূল্য সা-সৰঞ্জামবোৰ ৰাস্তাতে বিক্ৰী হৈ গ'ল। মানুহৰপৰা টকা

ধাৰে লৈ মই দা-দৰমহা দিব লগা হ'ল। মই চল্লিছ বছৰ ধৰি সযতনে ৰখা থিয়েটাৰখন থাউকতে ভাগি থাকিল। কেৱল মোৰ বাবেই নহয়, ভ্ৰাম্যমাণৰ ইতিহাসৰ বাবেও ই চূড়ান্ত দুখজনক ঘটনা। এই কথা মই কেতিয়াও পাহৰিব নোৱাৰিম।

আৰু এটা স্মৃতি এইমাত্ৰ মনলৈ আহিছে। দেলুবাবুৱে এদিনাখন মোক সত্যজিৎ ৰায়ৰ লগত ষ্টুডিঅ'তে চিনাকি কৰি দিছিল। দেলুবাবুৱে মাণিকদাক কৈছিল,— 'মাণিকদা, এওঁ কি কৰে জানে! নাটকত চিনেমা দেখুৱায়। যোৱা দহ বছৰে মোৰপৰা কেমেৰা নি এই লহকৰে অসমত নাটকৰ লগত চিনেমা দেখুৱাই আহিছে।' সত্যজিৎ ৰায়ৰ লগত চিনাকি হোৱাৰ মুহূৰ্তটো এতিয়াও মনলৈ আহি থাকে।

প্ৰশ্ন ঃ মানুহক ৰান্ধি-বাঢ়ি খুৱাই আপুনি হেনো বিৰাট ভাল পায়?

অ. ল. ঃ থিয়েটাৰৰ লগত ঘূৰি ফুৰোঁতে অভ্যাসটো গঢ়ি তুলিছিলো। কেতিয়াবা-কেতিয়াবা ডাঙৰ শিল্পীসকলে থিয়েটাৰ পেণ্ডেললৈ আহিলে মই নিজ হাতে ৰান্ধি খুৱাইছিলো। ভূপেন হাজৰিকা, নিপ বৰুৱা আদি শিল্পীয়ে মোৰ হাতেৰে অসংখ্যবাৰ খাইছে। থিয়েটাৰ চলি থাকোঁতেও ৰান্ধনিঘৰৰ লগত মোৰ সম্পৰ্কটো হয়তো অলপ বেছি আছিল।

প্ৰশ্ন ঃ শেষত এটা কথা সোধোঁ,— কেতিয়াবা মনত ভাব হয় নেকি যে জীৱনত যিখিনি কৰিলে তাৰ সলনি আন বেলেগ কিবা এটা কৰিলেহে বেছি ভাল আছিল?

অ. ল. ঃ হতাশা বা নিৰাশা আহিলে সকলো মানুহেই হয়তো তেনেদৰে ভাবে। ময়ো মাজে-মাজে ভাবিছিলো— কি ঠিক সাহিত্য চৰ্চা কৰি থাকিলেই ভাল আছিল! এনেকুৱা চিন্তা অৱশ্যে সাময়িকহে।

আক্ষেপ দুটামান থাকি গ'ল। দিল্লীত অসমীয়া সংস্কৃতিৰ প্ৰতিফলন কৰাবলৈ এটা কালচাৰেল চেণ্টাৰ খোলাৰ সপোন দেখিছিলো। সেইটো সপোন হৈয়েই ৰ'ল। আনকি গুৱাহাটীতো স্থায়ী মঞ্চখন গঢ়িব নোৱাৰিলো। আমাৰ ইয়াৰ চৰকাৰী অফিচবোৰত মানুহে কিবা কামত গ'লে, কৰ্মচাৰীসকলে ভিক্ষা কৰিবলৈ যোৱা বুলি ভাবে। চৰকাৰী মাটি বিচাৰি আবেদন কৰোতে মোৰ এই অভিজ্ঞতা হৈছিল। আমাৰ মানুহবোৰৰ মনত আজিলৈকে সামাজিক দায়িত্ববোধৰ চেতনা উদয় নহ'ল।

প্ৰশ্ন ঃ শাৰীৰিক অসুস্থতাৰ মাজতে দীৰ্ঘ সময় ধৰি সাক্ষাৎকাৰটো দিয়াৰ বাবে আপোনাক ধন্যবাদ জনালো। আপোনাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

অ. ল. ঃ তোমালোকেও অশেষ শ্ৰম কৰি মোৰ লগত বহু সময় কটালা। এই অভিজ্ঞতা স্মৰণীয় মুহূৰ্ত হৈ ৰ'ব। তোমালোকক অশেষ ধন্যবাদ।

আলোকচিত্রত

ভ্রাম্যমাণ

নটৰাজ থিয়েটাৰ

অচ্যুত লহকৰ

নাট্যসম্ৰাট চন্দ্ৰ চৌধুৰী

ধৰণীধৰ গোস্বামী

নটৰাজ থিয়েটাৰৰ 'হায়দৰ আলি' নাটৰ এটি দৃশ্য



ৰুদ্ৰ চৌধুৰী

সদানন্দ লহকৰ



ৰমা শীল

ভবানন্দ পাটগিৰি



ভূবন বৰা



খগেন বৰ্মন (নৃত্যশিল্পী)

জ্যোৎস্না দেৱী

দীপিকা হাজৰিকা

'বিক্ৰমাদিত্য' নাটক (চিনে থিয়েটাৰ)ৰ
মহামায়াৰ ৰূপত অভিনেত্ৰী কিৰণ হাজৰিকা (লহকৰ)

'বেউলা' নাটকৰ বেউলাৰ চৰিত্ৰত একেৰাহে বহুবছৰ
অভিনয় কৰি দৰ্শকৰ ভূয়সী প্ৰশংসা লাভ কৰা চিত্ৰা গাঙ্গুলী (শৰ্মা)

ৰুণু খাউণ্ড

নিভা বৰুৱা (নৃত্যশিল্পী)

নিৰু শইকীয়া



মুন পাটগিৰি (নৃত্যশিল্পী)

কণ্ঠশিল্পী বীণাপাণি

১৯৬৫-৬৬ বৰ্ষৰ নৃত্যশিল্পীসকল



১৯৬৫-৬৬ বৰ্ষৰ কণ্ঠ তথা যন্ত্ৰশিল্পীসকল











হায়দৰ আলি নাটকৰ পুস্তিকা



অসম বাহিৰত নটৰাজৰ নাট প্ৰদৰ্শনৰ পোষ্টাৰ



অসম বাহিৰত নটৰাজৰ নাট প্ৰদৰ্শনৰ পোষ্টাৰ

নটৰাজ থিয়েটাৰৰ দৃশ্যসজ্জা, ৰূপসজ্জা, তম্বু আদি নির্মাণ গৃহ (১৯৬৫-৬৬)

নটৰাজ থিয়েটাৰৰ শিল্পীসকলৰ বাসগৃহৰ একাংশ (১৯৬৫-৬৬)

নটৰাজ থিয়েটাৰৰ ষ্টেজ নির্মাণৰ এটি দৃশ্য (১৯৬৫-৬৬)

নটৰাজ থিয়েটাৰৰ নৃত্য আৰু সঙ্গীত গৃহ (১৯৬৫-৬৬)

সুৰদেৰী থিয়েটাৰ

ধৰণী বৰ্মন

গুৱাহাটীত মঞ্চস্থ 'ক্ষুধিত চম্বল' নাটৰ এটি দৃশ্য

'চম্বলৰ অভিশাপ' নাটত
মাখন সিঙৰ চৰিত্ৰত অক্ষয় পাটগিৰী আৰু মানসিঙৰ চৰিত্ৰত ধৰণী বৰ্মন

'চম্বলৰ অভিশাপ' নাটত কেপ্টেইনৰ চৰিত্ৰত ভোলা কটকী





পূৰ্বজ্যোতি থিয়েটাৰ



কৰুণা মজুমদাৰ

নাট পৰিচালক ফণী শৰ্মা

মঞ্জুশ্ৰী মহিন্তা



কৃষ্ণ ৰয়

দেৱেন ভূঞা

অণু বৰুৱা

হৰেন ডেকা

ইন্দ্ৰেশ্বৰ বুজৰবৰুৱা

পুতুলী ডেকা

ৰীণা বৰা

যন্ত্ৰশিল্পী
শ্ৰীনাথ দাস, গোপী দাস, দশৰথ দাস, গজেন দাস, ৰবি দাস, তৰুণ মহন্ত, চৰণ দাস

সাবিত্ৰী হাতীবৰুৱা

বীণা বৰা

জ্যোতিৰেখা

বাণী বৰঠাকুৰ

মামণি দাস



মনোৰঞ্জন চক্ৰৱৰ্তী

কামিনী কলিতা

ৰেণু দেৱী

উদয় দাস

সীতা উদ্ধাৰ নাটকৰ এটি দৃশ্যত বাঁওফালৰ পৰা
ইন্দ্ৰেশ্বৰ বুজৰবৰুৱা (ৰাম), নলিনী দেৱী (সীতা) আৰু সদা লহকৰ (লক্ষ্মণ)

'ৰাম বনবাস' নাটকৰ এটি দৃশ্যত ৰুদ্ৰ চৌধুৰী আৰু ৰীণা বৰা

'ৰায়গড়' নাটকৰ এটি দৃশ্যত জিতেন পাল আৰু নলিনী দেৱী

'অসম ষ্টাৰ' থিয়েটাৰৰ এখন পোষ্টাৰ

মকুন্দ থিয়েটাৰ

অতুল ভট্টাচাৰ্য

থিয়েটাৰ ভাগ্যদেৱী

শৰৎ মজুমদাৰ


থিয়েটাৰ ভাগ্যদেৱী

জোনাকীৰ বিয়া


থিয়েটাৰ ভাগ্যদেৱী
বিজয় বৈজয়ন্তী বৰ্ষ



কহিনুৰ থিয়েটাৰ

'মহাভাৰত' নাটকৰ এটি দৃশ্য

'ৰামায়ণ' নাটকৰ এটি দৃশ্য

'বিষ্ণু প্ৰসাদ' নাটকৰ এটি দৃশ্য

'টাইটানিক' নাটকৰ এটি দৃশ্য



কহিনূৰ থিয়েটাৰ
ৰামায়ণ
ঠিকনা
বিশ্ববিখ্যাত আলোক সম্ৰাট তাপস সেন


কহিনূৰ থিয়েটাৰ
গণদেৱতা
পাহাৰৰ জুই
সূৰ্য গ্ৰহণ
চন্দ্ৰগ্ৰহণ

অসমৰ ৰাইজৰ শুভাশীষ বিচাৰি
কহিনূৰ থিয়েটাৰ
গঙ্গা যমুনা
তেজীমলা
মায়ামৃগ
চৰিত্ৰহীন
অলংকাৰ



আৰাধনা থিয়েটাৰ



সদানন্দ লহকৰ

১৯৮১ চনত আৰাধনা থিয়েটাৰে পৰিবেশন কৰা
'পৃথিৱীৰ প্ৰেম' নাটকৰ বাবে 'অল ইণ্ডিয়া ক্ৰিটিকছ এচ'ছিয়েশ্যনে'
প্ৰদান কৰা শ্ৰেষ্ঠত্বৰ বঁটা লোৱাৰ মুহূৰ্তত সদানন্দ লহকৰ



আৰাধনা থিয়েটাৰ
জীৱন তৃষ্ণা
সূৰ্য্যসন্ধান
জয় মা কামাখ্যা
পৰিচালনা:- ভবেন বৰুৱা
সংগীত :- বাবুল নাগ
দেৱ দাস
নৃত্য :- ৰবিন দাস
কলা:- খগেন দাস
পোষ্টৰ:- বাণী গোস্বামী
সুভাষ চৌধুৰী
সম্পাদনা:- সুৰেণ মহন্ত
ৰবিন নেওগ

ৰূপালীম থিয়েটাৰ


• নৃপেন্দ্ৰ শৰ্মাৰ •
ৰূপালীম থিয়েটাৰ
• অভয়াপুৰী •
নাট •সীতা • শেষ প্ৰহৰ •
• সত্যম, শিৱম, সুন্দৰম •
• পবিত্ৰ গঙ্গা কাবেৰী •
• মমৰ পাখী •
ৰূপায়ণত
ৰমা শীল • দীনেশ পাঠক • হেমেন শৰ্মা • তুলসী শইকীয়া •
খগেন ডেকা • খগেন বৰুৱা • হিৰণ দাস • জ্যোতি ভৰালী •
হৰিপ্ৰসাদ চেতিয়া • সিন্ধু সিং • গদাধৰ ৰয় • উপমা দাস •
নিৰুপমা বৰা • অনু শইকীয়া • কল্পনা দেৱী • আইটি মনি •
ঐশ্বৰ্য্য • হেমেন • দীনেশ • বাবুল • মুকুল • জুনচ মহলীয়া •
দুৰ্গা • খগেন • পৰিক্ষীত • কৰ্ণ • কৃষ্ণ • অৰুণ • তিলোত্তমা •
মদন • খগেন ডেকা • চন্দ্ৰ কুমাৰ চক্ৰৱৰ্তী • ভুপেন শৰ্মা •

ৰূপালীম থিয়েটাৰ
—অভয়াপুৰী—
অসম
নল-দময়ন্তী
লখিমী বোৱাৰী
হাদিৰাই চকুলো টুকে
আলীবাবা আৰু দূকুৰি ডকাইত
নাট— গোকুল পাঠক, হৰেণ শৰ্মা
নৃত্য— সনাতন দাস • সংগীত— ধৰণী বণিক
ৰূপাকণ— প্ৰদীপ দাস
কণ্ঠ— ৰোহিত, কমল, ৰূণু, অঞ্জু
নাট্য উপদেষ্টা — ধৰণীধৰ চৌধুৰী


ৰূপালীম থিয়েটাৰ
ৰূপালীম • ৰামায়ণৰ জন্ম • জয়তু গঙ্গা • মহা মিলন •
নাট
প্ৰেম অমৃতৰ নদী • সমুদ্ৰ মন্থন • সপ্ত সিন্ধু
কলঙ্কিত দেৱতা

অপ্‌সৰা থিয়েটাৰ



আৱাহন থিয়েটাৰ

বিলকিচ বেগম

দিনবন্ধু

বসুন্ধৰা

স্বৰ্গৰ দুৱাৰ

নেপলিয়ন বোনাপাৰ্ট

নীলকণ্ঠ

বিলকিচ্ বেগম
আবাহন থিয়েটাৰ

আজি শুভ নাট্যাৰম্ভ
দিগম্বৰ
কচাইখানাৰ গাড়ক
অন্ধদেৱতা
লখিমী বোৱাৰী
প্ৰযোজনা * কৃষ্ণ ৰয়
আবাহন থিয়েটা

পৰমানন্দ
সদাগৰ
আক্ৰমণ
আবাহন থিয়েটাৰ
সূৰ্য্যপুত্ৰ কৰ্ণ


ৰূপায়নত: চন্দ্ৰ চৌধুৰী, ভবেশ বৰুৱা, প্ৰবাগ বৰুৱা, বীণা বড়া,
আগ্নেয়নী আবৰুৱা, মঞ্জু শইকীয়া, দুলু দেৱী, ৰূপক বৰুৱা,
শৈলেন শৰ্মা, অৰুণ বেজবৰুৱা, শ্ৰদ্ধা শৰ্মা, আৰু ভৌতিক বৰ্দ্ধমান।
কৃষ্ণ ৰায়ৰ
আৰোহন থিয়েটাৰ

নীলকণ্ঠ
চেকগেট
মৰমে মৰম জানে
আৰোহন থিয়েটাৰ

ইন্দ্ৰধনু থিয়েটাৰ



বাতৰি কাকতত প্ৰকাশিত এক বিজ্ঞাপন

হেঙুল থিয়েটাৰ

প্ৰশান্ত হাজৰিকা

১৯৮৬ চনত প্ৰথম নাট্যবৰ্ষ শুভাৰম্ভৰ এটি অনুষ্ঠান

'হালধীয়া চৰায়ে বাওধান খায়' নাটকত সুৰেন মহন্ত আৰু ৰীণা বৰা

ইলা কাকতি

'মোৰ আই' নাটকত ইলা কাকতি আৰু উপকূল বৰদলৈ

'তেজাল ঘোঁৰা' নাটত ৰামেশ্বৰ হাজৰিকা আৰু চম্পক শৰ্মা

'মহাত্মা' নাটকত তৌফিক ৰহমান, সুৰেন মহন্ত আৰু ৰীণা বৰা

'লুকাভাকু' নাটত মৃদুল চুতীয়া আৰু শশাংক পাল

চতুৰ্থ বৰ্ষৰ এখন বিজ্ঞাপন



অসম আন্দোলনৰ সময়ত বিভিন্ন ভ্ৰাম্যমাণ দলে
বাতৰি কাকতত দিয়া এক বিজ্ঞাপন